কৰ্ম মোৰ সংস্কৃতি

# বাখৰ

একত্রিংশত্তম সংখ্যা, ২০২৫

অসম জাতীয় বিদ্যালয়ৰ বছৰেকীয়া প্ৰকাশ



জন্ম-শতবৰ্ষত সুধাকণ্ঠক সশ্ৰদ্ধ সোঁৱৰণ



# প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি





ড° ভূপেন হাজৰিকাৰ অন্তিম যাত্ৰাত জনতাৰ অশ্ৰু-অঞ্জলি, ৭ নৱেম্বৰ, ২০১১



জীৱনৰ মায়া এৰি অন্তিম শয়নত যাযাবৰ, ৭ আৰু ৮ নৱেম্বৰ ২০১১, জজ খেলপথাৰ

## বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ মুখ্য অতিথি সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, ১ জানুৱাৰী ২০০৩
















প্ৰাণৰ শিল্পী জুবিন গাৰ্গক মাতৃভূমিলৈ শোকবিহ্বল জনসমুদ্ৰৰ শেষ আদৰণি, ২১ ছেপ্টেম্বৰ ২০২৫



জুবিন গাৰ্গলৈ লক্ষ লক্ষজনৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি, ২১ আৰু ২২ ছেপ্টেম্বৰ ২০২৫, সৰুসজাই

# বাখৰ

## বছৰেকীয়া প্ৰকাশ

### একত্ৰিংশত্তম (৩১ সংখ্যক) সংখ্যা, ২০২৫


**সম্পাদনা সমিতি**

নিষ্ঠা বৰগোহাঁই
অনৰণ্যা গোস্বামী
কৃষ্ণাভ দত্ত চৌধুৰী
ধীমান জ্যোতি কলিতা
জ্যোতিষ্মান ডেকা
কৃতিকা ডেকা
ভাৰষা তালুকদাৰ
হিমিকা দত্ত
প্ৰিঞ্চী বৰ্মন
নিশিতা ডেকা

**সম্পাদনা উপদেষ্টা সমিতি**

কবিতা পাটগিৰি **(আহ্বায়ক)**
পল্লৱী গোস্বামী
নৱনীতা ৰয়
পলাশ কুমাৰ নাথ
পূৰবী ৰাণী বড়া
উৎপল ডেকা
জুৰি গোস্বামী
ড° লিপিমণি দত্ত
ছায়াস্মিতা বৈশ্য
ঋণুমী কলিতা
ভক্তিমালা শইকীয়া
অৰ্পিতা দেৱী

BAKHAR : The Annual Journal of Assam Jatiya Bidyalay.
Published by Assam Jatiya Bidyalay, Guwahati 781020.

**প্ৰকাশ**
**১ নৱেম্বৰ, ২০২৫**

**প্ৰকাশক**
অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী-৭৮১০২০

**বেটুপাত অংকন**
প্ৰতীক্ষা শৰ্মা, অষ্টম শ্ৰেণী

**অলংকৰণ**
কন্দৰ্প শৰ্মা, পূৰবী ৰাণী বড়া, হেমাংগিনী মজুমদাৰ, হিমিকা দত্ত, কৌশিক কলিতা, মনীষ ভূঞা, ভাৰষা তালুকদাৰ,
বাস্তৱ দাস, জ্যোতিষ্মান ডেকা, ৰাজশ্ৰী ভট্ট, কৃতিকা ডেকা, নিষ্ঠা বৰগোহাঁই,
নিশিতা দাস, প্ৰতীক্ষা শৰ্মা, চতুৰ্থী শিৰম, নৈঋতী মেধি।

**ৰঙীন পৃষ্ঠাৰ ডিজাইন**
দুলাল বনিয়া, কুঞ্জৰ দাস

**আৰ্হি পাঠ**
কুলধৰ কলিতা

**ডিটিপি**
প্ৰশান্ত বৰঠাকুৰ, দুলাল বনিয়া, বিপুল কুমাৰ দাস

**মুদ্ৰণ**
অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ ছপাশাল
নুনমাটি, গুৱাহাটী-৭৮১০২০

**কৃতজ্ঞতা**
■ অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী,
সচিব ডাং নাৰায়ণ শৰ্মা, শৈক্ষিক বিষয়া ৰোহিনী কুমাৰ গোস্বামী, অধ্যক্ষ ঘনশ্যাম মেধি,
উপাধ্যক্ষত্ৰয় অপৰাজিতা বৰা, ৰবীন্দ্ৰ বৰ্মন, পংকজ দত্ত।
■ অসম জাতীয় বিদ্যালয়ৰ বৰ্তমানৰ এগৰাকী শিক্ষাৰ্থীৰ অভিভাৱক পংকজ কুমাৰ নাথ।
■ অসম জাতীয় বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী।

—সম্পাদনা সমিতি, বাখৰ

কৰ্ম মোৰ সংস্কৃতি

# বাখৰ

## বছৰেকীয়া প্ৰকাশ

### একত্ৰিংশত্তম সংখ্যা, ২০২৫

## সম্পাদকীয়

মানুহৰ সমগ্ৰ জীৱনেই হ'ল এক শিক্ষণ প্ৰক্ৰিয়া। এই শিক্ষণ প্ৰক্ৰিয়াই মানৱ সভ্যতাক গঢ় দিয়াৰ উপৰি প্ৰদান কৰিছে গতিশীলতা। আনুষ্ঠানিক শিক্ষাই এই প্ৰক্ৰিয়াক ত্বৰান্বিত আৰু সুসংগঠিত কৰি মানুহৰ বৌদ্ধিক তথা মনস্তাত্ত্বিক উৎকৰ্ষক নিত্য নতুন মাত্ৰা প্ৰদান কৰিছে। শিক্ষা কেৱল এক বৃত্তিগতভাৱে সফল জীৱনৰ চাবিকাঠী নহয়। ই মানুহক দেশ আৰু সমাজৰ প্ৰতি দায়বদ্ধ হৈ শ্ৰেষ্ঠ মানৱ সম্পদৰূপে গঢ়ি তুলিবৰ বাবে প্ৰয়োজন হোৱা এক অপৰিহাৰ্য্য সাধন।

অসম জাতীয় বিদ্যালয়ত আনুষ্ঠানিক শিক্ষাৰ ধাৰাটোত সংযোজন ঘটিছে নিজৰ ভাষা-কৃষ্টি আৰু কৰ্ম-সংস্কৃতিৰ নিৰলস সাধনাৰ। মাতৃভাষাত জ্ঞান আহৰণ, মুক্ত চিন্তা-চৰ্চা আৰু ভাব বিনিময়ৰ মাজেৰে যাত্ৰাৰ প্ৰস্তুতি চলে অজাবিৰ সহজাত পৰিবেশত। মাতৃভাষাৰ ভৱিষ্যতক লৈ সততে হোৱা সংশয়ক নস্যাৎ কৰি অজাবিত শিক্ষক-শিক্ষাৰ্থীৰ সমন্বয়ত এক চেতনাৰ নৱ উন্মেষণ ঘটে। ভাষা-সংস্কৃতিৰ ব্যতিক্ৰমী বোৱঁতী নদীখনক অবিৰত-অমলিনভাৱে বৈ যাবলৈ দিলেহে তাৰ আয়ুসৰেখা বাঢ়ে। আকৌ দ্ৰুত পৰিবৰ্তনশীল বিশ্বত স্বকীয়ভাৱে থিয় দি থাকিবলৈ মাটিত গভীৰভাৱে শিপাই প্ৰগতিশীল চিন্তাৰেও আগবাঢ়িব লাগিব। এই দুয়োটা দিশকে সন্তুলিতভাৱে সামৰি অসম জাতীয় বিদ্যালয়ে নিজৰ বাট বুলি অতিক্ৰম কৰিছে গৌৰৱময় ৩১টা প্ৰোজ্জ্বল বছৰ। এই বৰ্ণিল যাত্ৰাত সকলো স্তৰৰ শিক্ষাৰ্থীৰ শৈক্ষিক, সাংস্কৃতিক আৰু বৌদ্ধিক কচৰৎ; মৌলিক চিন্তা-চৰ্চা; কৃতিত্ব আদিৰ সামগ্ৰিক প্ৰতিফলন ঘটে বিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'বাখৰ'ত।

'বাখৰ'ৰ একত্ৰিংশত্তম সংখ্যাত প্ৰত্যেক বছৰৰ দৰেই শিক্ষাৰ্থী-শিক্ষকৰ বিভিন্ন বিষয়ৰ চিন্তা-চৰ্চা সম্বলিত লেখাৰ উপৰি দুটা বিশেষ শিতান সংযোজিত হৈছে। প্ৰতি অসমীয়াৰ প্ৰাতঃস্মৰণীয়, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাদেৱে ২০২৫ বৰ্ষটোত ওপজাৰ শতবৰ্ষ গৰকিছে। অসমৰ সংগীত, গীতিসাহিত্য আৰু সামাজিক-সাংস্কৃতিক ক্ষেত্ৰখন সমৃদ্ধ কৰা সুধাকণ্ঠ

হাজৰিকাদেৰৰ আদৰ্শ, জাতীয় চেতনা তথা শিল্পীপ্ৰাণৰ প্ৰাসংগিকতা সদায় আছিল আৰু থাকিব। আকৌ ২০২৫ বৰ্ষতেই অসমীয়াৰ প্ৰাণৰ স্পন্দন স্তব্ধ কৰি আকস্মিকভাৱে প্ৰয়াণ কৰিলে অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গে। জুবিন গাৰ্গৰ বিশাল কীৰ্তি-গৰিমাক সকলোৱে চাক্ষুষভাৱে হৃদয়ংগম কৰিছে। অসমৰ সাংস্কৃতিক আৰু সংগীত জগতলৈ নৱজাগৰণ অনাৰ লগতে জাতি, কৃষ্টি আৰু মানৱ প্ৰেমৰ অনন্য নিদৰ্শনেৰে জুবিন গাৰ্গে মহাপ্ৰয়াণৰ পাছত সাগৰসম বিশাল আৰু প্ৰভাৱশালী হৈ জনতাৰ চেতনাত অৱস্থান কৰিছে। অসমী আইৰ সুসন্তান দুয়োগৰাকী শিল্পীলৈ শ্ৰদ্ধাৰ্ঘ্য জ্ঞাপন কৰি এই সংখ্যাৰ 'বাখৰ'ত এই বিষয়ক বিশেষ লেখা সন্নিৱিষ্ট কৰা হৈছে।

অসম জাতীয় বিদ্যালয়ৰ সুৱৰ্ণ যাত্ৰাৰ প্ৰতিভূ 'বাখৰ'-এ কণ কণ পোখাবোৰক বটবৃক্ষলৈ ৰূপান্তৰিত হ'বলৈ যি প্ৰেৰণাৰ স্ৰোতেৰে সাৰ-পানী যোগাইছে, সি অসমীয়া জাতি তথা ভাষাৰ বাবেও সঞ্জীৱনীস্বৰূপ। 'বাখৰ'ৰ গৰিমা আৰু জ্যোতি এনেদৰেই অক্ষয়-অম্লান হৈ উজলি ৰওক, চিৰকাল।

**—সম্পাদনা সমিতি**
**একত্ৰিংশত্তম সংখ্যা, 'বাখৰ'**











# ড° ভূপেন হাজৰিকা

ডা° নাৰায়ণ শৰ্মা

জন্ম শতবৰ্ষত সুধাকণ্ঠ



যাৰ সুৰ আৰু কণ্ঠই যোৱা সাতোটা দশকৰ অসমৰ কেইবাটাও প্ৰজন্মক মোহাৱিষ্ট কৰি ৰাখিছে, যাৰ কথা আৰু গীত অসমীয়াৰ প্ৰাণৰ স্পন্দনলৈ ৰূপান্তৰিত হৈছে, যাৰ জনপ্ৰিয়তাই হিমালয়ৰ চূড়াসদৃশ উচ্চতাত আৰোহণ কৰিছে, যাৰ মানৱ-প্ৰেমে মহাসাগৰৰ গভীৰতাৰে দেশ-দেশান্তৰৰ লক্ষ লক্ষজনৰ হৃদয় চুই গৈছে, যাৰ প্ৰতিভাই আকাশৰ বিশালতাৰে ভৌগোলিক সীমাৰেখা নিশ্চিহ্ন কৰি পেলাইছে, যাৰ সন্মোহনী যাদুৰে এতিয়াও প্ৰতি ক্ষণতে মানুহক বিস্ময়-বিমুগ্ধ কৰি ৰাখিছে—সেই সবাতোকৈ বিশাল ব্যক্তিত্বৰ অধিকাৰী ব্যক্তিজনেই হ'ল আমাৰ সকলোৰে হিয়াৰ আমঠু ড° ভূপেন হাজৰিকা।

ড° ভূপেন হাজৰিকা অসমৰ পৰিচয়। যাযাবৰী হৈ পৃথিৱীৰ প্ৰান্তে প্ৰান্তে অক্লান্তভাৱে ঘূৰি ফুৰিও নিজৰ মাটিৰ সুৰ, ভাষা আৰু বৰ্ণময় সংস্কৃতিৰ বন্দনাৰে লৌহিত্যৰ দুপাৰৰ সমৃদ্ধ জনজীৱনলৈ প্ৰণিপাত জনাই তেওঁ উদাত্ত কণ্ঠেৰে গায়

— "অসম আমাৰ ৰূপহী গুণৰো নাই শেষ, ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য্য উঠা দেশ।" স্বদেশ আৰু স্বজাতিৰ প্ৰেমত আকুল হৈও ভূপেন হাজৰিকা সঁচা অৰ্থত বিশ্ব নাগৰিক। "অগ্নিযুগৰ ফিৰিঙতি মই, নতুন অসম গঢ়িম" শীৰ্ষক গীতৰ গীতিকাৰ, সুৰকাৰ আৰু গায়ক হিচাপে মাত্ৰ তেৰ বছৰ বয়সতে আত্মপ্ৰকাশ কৰা ড° ভূপেন হাজৰিকাই সেই কোমল বয়সতে আগজাননী দিছিল এক সূৰ্য্যসম প্ৰতিভাৰ ফেঁহুজালিৰ। তাৰ পাছত আৰু তেওঁ সৃষ্টি আৰু সুন্দৰৰ সৰু-বৰ আলিয়েদি আগবাঢ়ি যাওঁতে কেতিয়াও থমকি ৰোৱা নাই।

ড° ভূপেন হাজৰিকা ভাৰতবৰ্ষৰ সংগীত জগতৰ ইতিহাসত উচ্চ শিক্ষাৰে অলংকৃত এজন প্ৰতিভাধৰ সংগীতশিল্পী। কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰি উভতি আহি গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষকতাৰ দৰে সন্মানীয় পদত অধিষ্ঠিত হৈও তেওঁ সৃষ্টি আৰু সংস্কৃতিৰ বিশালতাৰ আহ্বানক নেওচা দিব নোৱাৰিলে। নিজৰ গান আৰু সংগীতক সমাজ পৰিবৰ্তনৰ অস্ত্ৰ হিচাপে বিবেচনা কৰা ড° ভূপেন হাজৰিকাই সেয়েহে আজীৱন ব্ৰতী হৈ ৰ'ল কেৱল মানুহৰ বাবে, সমাজ পৰিবৰ্তনৰ বাবে আৰু সাম্য-মৈত্ৰীৰ বান্ধোনেৰে সকলোকে আঁকোৱালি ল'বৰ বাবে অনুপম সংগীত সৃষ্টিৰ অবিৰত সাধনাত।

মানুহৰ মুক্তিৰ সপোন আৰু গভীৰ জাতীয় প্ৰেমৰ সোঁতক নিজৰ দৰ্শনেৰে সজাই-পৰাই তোলা জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ উত্তৰসূৰী হিচাপে এটা নতুন ধাৰা প্ৰবৰ্তন কৰিলে পল ৰবছনৰ আদৰ্শেৰে উদ্বুদ্ধ গণশিল্পী ড° ভূপেন হাজৰিকাই। ড° ভূপেন হাজৰিকাৰ সংগীত অসমৰ জাতীয় জীৱনৰ চিৰযুগমীয়া অনুপ্ৰেৰণা হৈ ৰ'ব।

আমাৰ সমাজ জীৱনৰ এনে এটি দিশ নাই, য'ত ড° ভূপেন হাজৰিকাৰ গীত আৰু সুৰ বাংময় হৈ উঠা নাই। অসমৰ জনজীৱনৰ সকলো স্তৰৰ সকলো লোকৰ অন্তৰৰ ভাষা আৰু আবেগ-অনুভূতিৰে মূৰ্ত হৈ উঠিছে তেওঁৰ কালজয়ী গীতবোৰ। সেয়েহে আলৰ বৃদ্ধ-বৃদ্ধাৰ পৰা আজিৰ কণমানি শিশুটিলৈকে অসমৰ কে'বাটাও প্ৰজন্মৰ হৃদয় আৰু ধমনীত প্ৰবাহিত হৈ আছে ড° ভূপেন হাজৰিকাৰ গীতৰ সুৰ আৰু সত্তা।

ওৰেটো জীৱন দিহিঙে-দিপাঙে নিজৰ কণ্ঠ-সুধা নিগৰাই, আস্থাহীনতাৰ বিপৰীতে গভীৰ আস্থাৰ গান গাই যোৱা ড° ভূপেন হাজৰিকা অসমৰ বাবে এক জাতীয় সন্মানৰ প্ৰতিভূ। অসমৰ সৰ্বকালৰ ইতিহাসৰ যাদুঘৰত তেওঁ এক উজ্জ্বল কহিনুৰ। ❖

---

*সম্পাদনা সমিতিৰ টোকা : সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত গুৱাহাটীৰ দীঘলীপুখুৰী পাৰত নিৰ্মিত ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিটো ২০০৯ চনৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে ড° হাজৰিকাই নিজে উন্মোচন কৰিছিল। সেই উপলক্ষে প্ৰকাশিত ড° ভূপেন হাজৰিকা বিষয়ক সম্বৰ্ধনামূলক ৰচনাখনৰ লেখক আছিল ডা° নাৰায়ণ শৰ্মা। ইয়াত ৰচনাখনৰ পুনৰ মুদ্ৰণ কৰা হ'ল।*



# ড° ভূপেন হাজৰিকাৰ জীৱন-ৰেখা

## অভিজিত শৰ্মা বৰুৱা

বিভিন্ন ক্ষেত্ৰত বিখ্যাত হোৱা বা পাৰদৰ্শিতা দেখুওৱা মানুহ অসমত নথকা নহয়। আমাৰ মাজত অসম সাহিত্য সভাৰ সভাপতিৰ পদ শুৱনি কৰা যোগ্য লোক আছে, কিন্তু সেইসকলৰ কোনেও ন-দহখন চিনেমা পৰিচালনা কৰি তাৰে একাধিক চিনেমাৰ বাবে ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৱা নাই। আমাৰ মাজত বিধায়ক আছে, কিন্তু কোনো বিধায়কে শ্ৰেষ্ঠ সংগীত পৰিচালনাৰ ৰাষ্ট্ৰীয় বঁটা পোৱা নাই। অসমৰ ইমূৰে-সিমূৰে মঞ্চত তোলপাৰ লগোৱা গায়ক অসমত আছে, পাছে ভাৰতৰ আন ঠাইত আৰু জাপান, ৰাছিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলণ্ড, জাৰ্মানী আদি প্ৰাচ্য-পাশ্চাত্যৰ দেশতো গীতেৰে আলোড়ন সৃষ্টি কৰিব পৰা অসমীয়া গায়ক নাই। অসমৰ কোনো সংগীতজ্ঞই হয়তো বিদেশত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰা নাই। অসমত বাতৰি কাকত-আলোচনীৰ প্ৰতিভাশালী সম্পাদক, লেখক-সাংবাদিক আছে, পাছে সেইসকলৰ কোনেও দাদাচাহেব ফাল্কে পুৰস্কাৰ পোৱা নাই। বিশ্ববিদ্যালয়ৰ অধ্যাপক, ইফালে সংগীত-নাটক একাডেমীৰ সভাপতি এনে অসমীয়াও বোধকৰোঁ নাই। একেলগে লতা মঙ্গেশকাৰ বঁটা, পদ্মভূষণ সন্মান, শংকৰদেৱ বঁটা, অসম ৰত্ন সন্মান পোৱা অসমীয়ানো কেইজন আছে? অসমত বিখ্যাত আৰু জনপ্ৰিয় লোকৰ মৃত্যুৰ পাছত বিশ্ব অভিলেখ সৃষ্টি কৰা গুণমুগ্ধৰ সমাগম এজন ব্যক্তিৰ পৰাই আৰম্ভ হৈছিল। যিজন অসমীয়াই এই সকলোবোৰ সম্ভৱ কৰি দেখুৱালে, তেওঁ হ'ল অসমীয়াৰ হিয়াৰ আমঠু— ড° ভূপেন হাজৰিকা।

- ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত শদিয়াত ভূপেন হাজৰিকাৰ জন্ম হয়।
- তেওঁৰ দেউতাকৰ নাম আছিল নীলকান্ত হাজৰিকা আৰু মাকৰ নাম শান্তিপ্ৰিয়া হাজৰিকা।
- নীলকান্ত হাজৰিকাই বি এ পাছ কৰি শদিয়াৰ এম ই স্কুল এখনত চাকৰি কৰিছিল।
- ভূপেন হাজৰিকাৰ শিশু অৱস্থাতে দেউতাকে গুৱাহাটীৰ কটন কলেজিয়েট স্কুলত শিক্ষক হিচাপে নিযুক্তি লাভ কৰি গুৱাহাটীলৈ অহাত তেওঁ তালৈ আহিল।
- দেউতাকৰ জোৰতে এবাৰ কটন কলেজিয়েট স্কুলৰ এক অনুষ্ঠানত পাঁচ বছৰীয়া ভূপেন হাজৰিকাক ধুতি-পাঞ্জাবী পিন্ধাই মঞ্চত উঠাই হাৰমনিয়ামৰ সুৰত গান গাবলৈ দিয়া হ'ল। তাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে অকণমানি ল'ৰা এটাই এনেকৈ হাৰমনিয়ামৰ সুৰৰ লগত সুৰ মিলাই সুললিতভাৱে গান গোৱা দেখি উঠি আহি ভূপেনক কোলাত তুলি মৰমৰ আশিস দি ক'লে যে তেওঁ কলিকতাতহে এনে কোমল বয়সতে ভাল গান গোৱা 'মাষ্টাৰ মদন' নামৰ ল'ৰাৰ কথা জানিছিল, আৰু এতিয়া নিজ মাতৃভূমি অসমত তাতকৈও ভাল গান গোৱা সৰু ল'ৰা এটা দেখিলে।
- ভূপেন হাজৰিকাই প্ৰথম নামভৰ্তি কৰে কটন কলেজিয়েট স্কুলত।
- নীলকান্ত হাজৰিকাই প্ৰতিযোগিতামূলক পৰীক্ষা দি ভাল চাকৰি পাই ধুবুৰীলৈ গ'লেও ভূপেনে শৈশৱৰ কিছু বছৰ গুৱাহাটীৰ ভৰলুমুখ অঞ্চলত থকা তেওঁৰ ককাক-আইতাকৰ ঘৰত কটাইছিল।
- ১৯৩৫ চনত ভূপেন হাজৰিকাই দেউতাকৰ লগত থাকি পঢ়িবলৈ ধুবুৰীৰ স্কুলত ভৰ্তি হ'লগৈ। ধুবুৰীত পঢ়াৰ সময়ত তেওঁৰ দুজন অন্তৰংগ বন্ধু আছিল কিৰণময় লাহিড়ী আৰু হেনা গাংগুলী। হেনা গাংগুলী পাছত আৰ চি পি আইৰ নেতা হৈছিল আৰু কিৰণময় লাহিড়ী 'চিফ জাষ্টিচ অফ আছাম' হৈছিল।

- দেউতাক ধুবুৰীৰ পৰা বদলি হোৱা বাবে ছমাহমানৰ পাছত ভূপেন হাজৰিকাক আকৌ গুৱাহাটীলৈ আনি কটন কলেজিয়েট স্কুলত ভৰ্তি কৰাই দিয়া হ'ল।
- কটন কলেজিয়েটৰ পৰা তেওঁ পঞ্চম শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ হ'ল।
- ১৯৩৫ চনতে নীলকান্ত হাজৰিকা ধুবুৰীৰ পৰা তেজপুৰলৈ বদলি হৈ আহিল। ১৯৩৬ চনত দহ বছৰীয়া ভূপেনক কটন কলেজিয়েটৰ পৰা নি তেজপুৰ চৰকাৰী হাইস্কুলৰ ষষ্ঠ শ্ৰেণীত নাম লগাই দিয়া হ'ল। ১৯৩৬ চনৰ পৰা ১৯৪০ চনলৈকে ভূপেন হাজৰিকাই তেজপুৰত অধ্যয়ন কৰিছিল।
- ভূপেন হাজৰিকা ষষ্ঠ শ্ৰেণীত থাকোঁতেই 'শোণিতকুঁৱৰী'ৰ কলিকতাত (এতিয়াৰ কলকাতা) ৰেকৰ্ডিং কৰা হৈছিল আৰু তাৰ ডাবিঙত ভূপেন হাজৰিকাই ভাগ লৈছিল।
- ভূপেন হাজৰিকাই কলিকতাত নাৰী চৰিত্ৰৰ বাবেও গীত ৰেকৰ্ড কৰিবলগীয়া হ'ল। গান দুটা আছিল বিষ্ণুপ্ৰসাদ ৰাভাই লিখা আৰু সুৰ দিয়া 'কাষতে কলচী লৈ যায় ঐ ৰচকী বাই' আৰু 'উলাহেৰে নাচি বাগি হ'লি বিয়াকুল'।
- প্ৰথম ৰেকৰ্ডখন ভাল হোৱাৰ পাছত জ্যোতিপ্ৰসাদে ভূপেন হাজৰিকাৰ কণ্ঠেৰে দ্বিতীয়খন ৰেকৰ্ড তৈয়াৰ কৰিলে। এয়া আছিল ভূপেন হাজৰিকাৰ প্ৰথম একক ৰেকৰ্ডিং। ৰেকৰ্ড কৰা হৈছিল 'ছেনোলা মিউজিকেল প্ৰডাক্টছ কোম্পানী'ত। বয়স হিচাপত ভূপেন হাজৰিকা গ্ৰামোফোন ৰেকৰ্ডত গীত ৰেকৰ্ড কৰা কনিষ্ঠতম শিল্পী হিচাপে পৰিগণিত হৈছিল।
- ভূপেন হাজৰিকাৰ ১১ বছৰ বয়সত বিষ্ণুপ্ৰসাদ ৰাভাই ৰচনা আৰু পৰিচালনা কৰা 'বেউলা' নামৰ নাটখনি ছেনোলা কোম্পানীত ৰেকৰ্ডিং কৰা হয়। তাত ভূপেন হাজৰিকাই অংশগ্ৰহণ কৰিছিল আৰু 'বেউলা' নাটৰ সফলতাত তেওঁৰো যথেষ্ট কৃতিত্ব আছিল।
- নীলকান্ত হাজৰিকা 'জয়ন্তী' আৰু 'অসমীয়া' কাকতৰ নিয়মীয়া গ্ৰাহক আছিল। ভূপেন হাজৰিকাই সেই কাকতবোৰ পঢ়িছিল। তেতিয়া তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা এখন হাতে লিখা আলোচনী ওলাইছিল। ভূপেন হাজৰিকাই তাত লিখা-মেলা কৰিছিল।
- ১৯৩৭ চনত ভূপেন হাজৰিকাই তেওঁৰ জীৱনৰ প্ৰথমটো গীত ৰচনা কৰি তেওঁৰ বৰ্ণাঢ্য গীতিকাৰ জীৱনৰ পাতনি মেলে। সেই গীতটি আছিল— 'কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে ধৰিছিল নামৰে তান / নামৰে সুৰতে আনন্দত নাচিছিল পবিত্ৰ বৰদোৱা থান / মোৰ গুৰু ঐ, পবিত্ৰ বৰদোৱা থান'।
- ১৯৩৪ চনত পিতৃ নীলকান্ত হাজৰিকাই 'অ' মইনা কেতিয়া আহিলি তই / অহাৰ লগতে বননিৰ মাজতে / ফুলে বৰণীয়া জাই / মলয়া বতাহো লগতে আনিলি / গা-নো শাঁতে পৰি যায় / শুৱলা গীত এটি গায়' বুলি গীত এটা ৰচনা কৰিছিল। ভূপেন হাজৰিকাই এই গীতটি সুৰ দি গাইছিল। ঘটনাক্ৰমে এই গানটোৱেই কলিকতা অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰিত ভূপেন হাজৰিকাৰ কণ্ঠৰ প্ৰথম গান আছিল। ১৯৩৯ চনত এই গানটো প্ৰচাৰিত হৈছিল। পাছত ১৯৪৩ চনত এই গীতটি বিষ্ণু ৰাভাৰ পৰিচালনাত ছেনোলা কোম্পানীত ৰেকৰ্ড কৰা হয়।
- ১৯৩৯ চনত ভূপেন হাজৰিকাই তেওঁৰ জীৱনৰ দ্বিতীয়টো গীত — 'অগ্নিযুগৰ ফিৰিঙতি মই / নতুন ভাৰত গঢ়িম / সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম / নতুন ভাৰত গঢ়িম'। তেওঁ নিজে সেই গীতটোত সুৰাৰোপ কৰিছিল আৰু আকাশবাণী কলিকতাৰ যোগেদি সেই গীতটি পৰিবেশন কৰিছিল। আকাশবাণীয়ে তেওঁক গানটোৰ বাবে পাঁচ টকা পাৰিশ্ৰমিক দিছিল।
- পাছত 'চিৰাজ' কথাছবিৰ বাবে এই গীতটি ৰেকৰ্ড কৰোঁতে বিষ্ণু ৰাভাদেৱৰ পৰামৰ্শত 'নতুন ভাৰত গঢ়িম'ৰ ঠাইত 'নতুন অসম গঢ়িম' বুলি গোৱা হ'ল।



- ১৯৩৯ চনত ভূপেন হাজৰিকাই হাইস্কুলত পঢ়ি থকা অৱস্থাতে পোনপ্ৰথমবাৰৰ বাবে কথাছবিত অভিনয় কৰে আৰু গীতত কণ্ঠদানো কৰে। কথাছবিখন আছিল জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বিতীয়খন ছবি 'ইন্দ্ৰমালতী'। ভূপেন হাজৰিকাই এই ছবিত অভিনয় কৰি 'বিশ্ব বিজয়ী ন জোৱান' গানটো গাইছিল আৰু এই গীতটি বেছ জনপ্ৰিয় হৈ পৰিছিল।
- ১৯৩৯ চনতে অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনত ভূপেন হাজৰিকাই বিষ্ণু ৰাভাই শিকাই দিয়া 'বিশ্বৰ ছন্দে ছন্দে' গীতটো গাইছিল। ইয়াৰ পাছত গায়ক হিচাপে ভূপেনৰ সুনাম অসমত বিয়পিবলৈ আৰম্ভ কৰিলে।
- ১৯৪০ চনত ভূপেন হাজৰিকাই তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। ভূপেন হাজৰিকাই মাত্ৰ তেৰ বছৰ ন মাহ বয়সত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। আচলতে তেওঁ ক, খ বা প্ৰথম, দ্বিতীয় শ্ৰেণীত নপঢ়ি তৃতীয় শ্ৰেণীতহে স্কুলত ভৰ্তি হৈছিল বাবে আৰু লগতে গান-বাজনা-ৰেকৰ্ডিং বা অন্য কাৰণত এটাও শৈক্ষিক বৰ্ষ নষ্ট হোৱা নাছিল। মেট্ৰিক দিয়াৰ সময়ত যাতে স্কুলৰ হিচাপমতে নিৰ্দিষ্ট বয়সপ্ৰাপ্ত হয়, তাৰ বাবে তেওঁৰ দেউতাকে ভূপেন হাজৰিকাৰ বয়স এবছৰ বেছি কৰি দিবলগীয়া হৈছিল।
- তাৰ পাছত তেওঁ কলেজীয়া শিক্ষা লাভ কৰিবলৈ গুৱাহাটীলৈ যায় আৰু কটন কলেজত নামভৰ্তি কৰে।
- ভূপেন হাজৰিকাই কটন কলেজত এডমিছন লোৱাৰ কিছুদিনৰ পাছত তাত নবাগত আদৰণি অনুষ্ঠানৰ আয়োজন কৰা হ'ল। ভূপেন হাজৰিকাই তাত ক'বলৈ বুলি দেউতাকে ইংৰাজীত এক নাতিদীৰ্ঘ বক্তৃতা লিখি দিছিল। ভূপেনে সেইমতে মুখস্থও কৰিছিল। পাছে ক'বৰ সময়ত ভূপেন হাজৰিকাই সেইবোৰ সকলো পাহৰিলে। কি কৰোঁ, কি নকৰোঁ ভাবত ভূপেন হাজৰিকাই এটা গানেই আৰম্ভ কৰি দিলে — 'দূৰণিৰ হৰিণী সৰু গাঁওখনি/ তাৰ এটি পঁজাতে ...'। সেই গান শুনি উপস্থিত ছাত্ৰসকলৰ লগতে অধ্যাপকগণো গানত মন্ত্ৰমুগ্ধ হৈ গ'ল। ভূপেন হাজৰিকা কটন কলেজত জনপ্ৰিয় হৈ উঠিল।
- ১৯৪১ চনত ভূপেন হাজৰিকাই কটন কলেজৰ পৰা আই এ পাছ কৰিলে।
- ১৯৩৯ চনত বিশ্বত দ্বিতীয় মহাযুদ্ধ আৰম্ভ হৈছিল আৰু ভূপেন হাজৰিকাই আই এ পাছ কৰা সময়ত এই যুদ্ধই ভৰপক দিছিল। কটন কলেজত পঢ়া-শুনা বন্ধ হৈ গ'ল। ছুডমাৰ্ছন হল মিলিটেৰীয়ে দখল কৰি ল'লে।
- ভূপেন হাজৰিকা পঢ়িবলৈ বাহিৰলৈ গ'ল। দেশৰ মাত্ৰ কেইখনমান শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয়ত নামভৰ্তি হৈ আছিল। ভূপেন হাজৰিকা কলিকতা, আৰু পাছত পাটনা পালেগৈ। কিন্তু তাত ইতিমধ্যে এডমিছন হৈয়েই গ'ল। তেওঁ বেনাৰস বিশ্ববিদ্যালয় পালেগৈ আৰু তাৰ উপাচাৰ্য্য সৰ্বেপল্লী ৰাধাকৃষ্ণণক অনুৰোধ কৰি ১৯৪২ চনত তাত ভৰ্তি হ'ল। ৰাধাকৃষ্ণণৰ সহায়ত তেওঁ ৰাজনীতি বিজ্ঞান আৰু দৰ্শন— দুটা বিষয়ত অনাৰ্ছ লৈ তাত পঢ়িবলৈ ল'লে।
- বেনাৰসত বি এ পঢ়ি থকাৰ সময়ত ভূপেন হাজৰিকা প্ৰখ্যাত শিল্পী কণ্ঠে মহাৰাজ, আনোখেলাল আদিৰ ঘৰলৈকো গৈছিল। বিছমিল্লাহ খানৰ ঘৰৰ বাহিৰত বৈ বৈ তেওঁৰ ৰেৱাজ শুনিছিল। বেনাৰসৰ দালমণ্ডিত থকা 'তৱাইফ'সকলৰ কুঠিলৈ গৈও তেওঁ গান শুনিছিল।
- বেনাৰসত থাকোঁতেই মাৰ্ক্সবাদৰ প্ৰতিও ভূপেন হাজৰিকাৰ মনত আকৰ্ষণৰ সৃষ্টি হ'ল। তেওঁ প্ৰায়ে আচাৰ্য্য নৰেন্দ্ৰ দেৱৰ 'মাৰ্ক্সিষ্ট ক্লাছ'ত উপস্থিত আছিল।
- বেনাৰসত এম এ পঢ়ি থকা সময়ত ভূপেন হাজৰিকা এবাৰ ঘৰলৈ আহিছিল। তেতিয়া বিষ্ণুপ্ৰসাদ ৰাভা সেই আগৰ দৰে মুক্তভাৱে সংস্কৃতিৰ সেৱা কৰা লোক নহয়। তেওঁক 'কমিউনিষ্ট' আখ্যা দি তেওঁৰ বিৰুদ্ধে গ্ৰেপ্তাৰী





পৰোৱানা জাৰি কৰা হৈছে। তেওঁ পলাতক হৈ আছে। বিষ্ণু ৰাভাই খবৰ পঠিয়ালে— "কামাখ্যা পাহাৰৰ তলত মোক লগ ধৰিবা। আহিবা। থাকিব। লৈ আহিব।" ভূপেন হাজৰিকা সেইমতে গ'ল। পলাতক বিষ্ণু ৰাভাক লগ ধৰিলে, বহু কথা আলোচনা কৰিলে। সেইবোৰ কৰোঁতে ৰাতি দেৰি হ'ল। ঘৰ পাওঁতে শেষ ৰাতি তিনিমান বাজিল। আহি দেখে— দেউতাক নীলকান্ত হাজৰিকা খণ্ডত একো নাই হৈ আছে। গালিৰ লগতে বোধকৰোঁ এটা চৰেও ভূপেন হাজৰিকাক ঘৰত স্বাগতম জনালে। বুজা গৈছিল যে চৰকাৰে বেয়া পোৱা ধৰণৰ কাম নীলকান্ত হাজৰিকাই নিজেও কৰা নাছিল আৰু বৰ পুত্ৰ ভূপেন হাজৰিকাই কৰাটোও বিচৰা নাছিল।

- বেনাৰসত পঢ়ি থকা সময়তে ১৯৪৩ চনত ভূপেন হাজৰিকাই কলিকতালৈ গৈ ছেনোলা কোম্পানীৰ জৰিয়তে নিজৰ সুৰাৰোপিত আৰু ৰেডিঅ'ৰ যোগেদি গোৱা গানৰ ৰেকৰ্ড উলিয়ায়। তাত সহশিল্পী হিচাপে আছিল তেওঁৰ নিজৰে ভগ্নী কুইন হাজৰিকা।
- ১৯৪৪ চনত ভূপেন হাজৰিকাই বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানৰ উপৰি দৰ্শন বিষয়তো সন্মানসহ স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পাছত তেওঁ তাতে ৰাজনীতি বিজ্ঞানত এম এ পঢ়িবলৈ লয়।
- ১৯৪৬ চনত ভূপেন হাজৰিকাই বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত এম এ ডিগ্ৰী লাভ কৰিলে। তেওঁ সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ তলত দৰ্শনো পঢ়িছিল। এম এ পাছ কৰাৰ পাছত ভূপেন হাজৰিকা বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ কনিষ্ঠতম ছাত্ৰ আছিল বুলি উল্লেখ কৰি উপাচাৰ্য্য ৰাধাকৃষ্ণণে তেওঁক কৈছিল— 'ইউ আৰ দ্য ইয়ংগেষ্ট ইট ছীমছ।'
- এম এ পাছ কৰাৰ পাছত ভূপেন হাজৰিকাই আইন পঢ়িবলৈ ইচ্ছা কৰি আৰ্ল ল কলেজত এডমিছন ল'লে। পাছে ঘৰুৱা দায়িত্বৰ বাবে অধিক পঢ়া-শুনা সাময়িকভাৱে হ'লেও বাদ দি বি বৰুৱা কলেজৰ প্ৰবক্তাৰ চাকৰিত যোগদান কৰিলে।
- বি বৰুৱা কলেজৰ চাকৰি ছমাহমান কৰাৰ পাছতে তেওঁ গুৱাহাটী-শ্বিলং ৰেডিঅ'ৰ প্ৰগ্ৰেম এছিষ্টেণ্টৰ চাকৰিত যোগদান কৰিলে। পাছে ঘৰৰ অভাৱ দূৰ নহয় হে নহয়। পইচা দিব নোৱৰা বাবে এবাৰ বিদ্যুৎ সংযোগো কটা গ'ল।
- ১৯৪৮ চনৰ ১৬ জানুৱাৰীত ষষ্ঠখন অসমীয়া চলচ্চিত্ৰ 'চিৰাজ'ৰ মুক্তি লাভ হয়। এই ছবিখন যুটীয়াভাৱে পৰিচালনা কৰিছিল ফণী শৰ্মা আৰু বিষ্ণুপ্ৰসাদ ৰাভাই। ভূপেন হাজৰিকাই এই ছবিৰ অনিল নামৰ এটা উল্লেখযোগ্য চৰিত্ৰত অভিনয় কৰিছিল। শিৱপ্ৰসাদ ভট্টাচাৰ্য্যৰ সৈতে তেওঁ এইখন ছবিৰ সংগীত পৰিচালনাৰ লগতো জড়িত আছিল। 'চিৰাজ'ৰ বাবে তেওঁ লিখা, সুৰ দিয়া আৰু কণ্ঠদান কৰা দুটি গীত ব্যৱহৃত হৈছিল— 'অগ্নিযুগৰ ফিৰিঙতি মই /নতুন অসম গঢ়িম' আৰু 'হায় হায় হায় / কঁপি উঠে কিয় তাজমহল / পুৱতি নিশাৰ অজানাৰ সৈতে আজান / যমুনাত তুলি শত ধুমুহাৰ কোলাহল/ তাজমহল তাজমহল'। এনেকৈয়ে তেওঁৰ বাবে আয়ৰ পথ এটাও মেল খাইছিল।
- ১৯৪৮ চনৰ ৩০ জানুৱাৰীত মহামানৱ মহাত্মা গান্ধীৰ মৃত্যু হোৱাৰ পাছত ফেব্ৰুৱাৰী মাহৰ ১২ তাৰিখে বাপুজীৰ অস্থিভস্ম আহি গুৱাহাটীৰ শুক্লেশ্বৰ ঘাট পোৱা উপলক্ষে ভূপেন হাজৰিকাই এটি গীত ৰচনা কৰিছিল— 'তেৰশ চৌৱন্নৰ মাঘৰে মাহৰে/ যোল্লৰে বিয়লি বেলা / পৃথিৱীৰ শিৰতে বজ্ৰপাত পৰিলে / বাপুজী ক'লৈনো গ'লা?' ভূপেন হাজৰিকাৰ ভনীয়েক কুইনে অতি মৰ্মস্পৰ্শীকৈ এই গীতটি গাই গোপীনাথ বৰদলৈ প্ৰমুখ্যে সকলোকে কন্দুৱাই তুলিছিল।
- ১৯৪৮-৪৯ চনত গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰত চাকৰি কৰি থাকোঁতে ভূপেন হাজৰিকাই বহুতো অমৰ গীত ৰচনা কৰিছিল।





- অসম চৰকাৰৰ এক ছাত্ৰবৃত্তি লাভ কৰি ১৯৪৯ চনৰ ছেপ্টেম্বৰ মাহত ভূপেন হাজৰিকাই আমেৰিকা যুক্তৰাষ্ট্ৰ পায়গৈ। তাত অৱশ্যে তেওঁ পঢ়িবলৈ সুবিধা পোৱা কলম্বিয়া বিশ্ববিদ্যালয় পোৱাৰ আগতে এসপ্তাহ কমিউনিষ্ট সন্দেহত জেলত থকাদি আবদ্ধ হৈ থাকিবলগীয়া হৈছিল।
- তাৰ পৰা মুকলি হৈ আহি ভূপেন হাজৰিকাই কলম্বিয়া বিশ্ববিদ্যালয়ৰ গণ সংযোগ বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্তি কৰিলে। অৱশ্যে নামভৰ্তি কৰাৰ আগতে তেওঁ ইংৰাজী ভাষাজ্ঞানৰ এক পৰীক্ষা দিবলগীয়া হৈছিল। সেই পৰীক্ষাত ভূপেন হাজৰিকা প্ৰথম হ'ল।
- ভূপেন হাজৰিকাই থাকিবলৈ ল'লে নিউয়ৰ্কৰ ইণ্টাৰনেছনেল হাউছত। তাতে তেওঁ লগ পালে হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ ভাৰতীয় শিক্ষক ড° অমিয় চক্ৰৱৰ্তীক। চক্ৰৱৰ্তীৰ লগত ভূপেন হাজৰিকাৰ এক সুসম্পৰ্ক গঢ় লৈ উঠে। অমিয় চক্ৰৱৰ্তীয়ে তেওঁক ক'লে, "পি এইচ ডিতো কৰিব লাগিবই। তাৰ আগতে যিমান পাৰি সোনকালে এম এ পাছ কৰা। এনেয়ে দুবছৰমান সময় লাগিলেও ইচ্ছা কৰিলে ডেৰ বছৰতো শেষ কৰিব পৰা যায়।" ভূপেন হাজৰিকাই সেই চেষ্টা কৰাৰে সিদ্ধান্ত ল'লে।
- কিছুদিন পাছত ইণ্টাৰনেছনেল হাউছত তেওঁ এঘণ্টা লিফ্‌ট চলোৱাৰ এটা পাৰ্টটাইম কামো পালে। পাৰিশ্ৰমিক হ'ল— চাৰি ডলাৰ। তাৰ কিছুদিন পাছত তেওঁ ছুইমিং পুলৰ বাহিৰত কাপোৰৰ ৰখীয়াৰ চাকৰি এটাও কৰিবলৈ ল'লে। তাৰো পাছত তেওঁ গৰমৰ বন্ধত হলিউডত পাৰ্ট টাইম চাকৰিও কৰিছিল।
- ১৯৪৯ চনতে চিকাগো ৰেল ষ্টেছনত এদিন ৰেলৰ উঠাৰ আগতে মনলৈ অহা অনুভূতিক প্ৰকাশ কৰি তেওঁ এটি গীতেই ৰচনা কৰি পেলালে— 'ৰেল চলে মোৰ ৰেল চলে / ঝক ঝক ঝক ঝক ৰেল চলে'। ভূপেন হাজৰিকা নিউয়ৰ্কতো বিখ্যাত হৈ পৰিল আৰু তাৰ ভাৰতীয় ছাত্ৰ সংঘৰ সচিব নিৰ্বাচিত হ'ল।
- ১৯৪৯ চনত ভূপেন হাজৰিকাই নিউয়ৰ্ক টেলিভিছনৰ কাৰ্য্যসূচীত অংশগ্ৰহণ কৰে। প্ৰসংগতঃ উল্লেখযোগ্য যে টেলিভিছন কাৰ্য্যসূচীত অংশগ্ৰহণ কৰা প্ৰথম অসমীয়া আছিল ভূপেন হাজৰিকা।
- ভূপেন হাজৰিকাই আমেৰিকাৰ সেই প্ৰবাদপ্ৰতিম কৃষ্ণাংগ শিল্পী, এক প্ৰতিবাদী সত্তা পল ৰবছনক লগ ধৰিবলৈ সুযোগ বিচাৰি আছিল। পাছত তেওঁ পল ৰবছনক লগ পালে আৰু দুয়োৰে মাজত এক গুৰু-শিষ্যৰ সম্পৰ্কৰ সৃষ্টি হ'ল।
- ভূপেন হাজৰিকাই ডেৰ বছৰতে এম এ পাঠ্যক্ৰম শেষ কৰি গণ সংযোগত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰিলে। তাৰ পাছত তেওঁ গৱেষণা আৰম্ভ কৰিলে। তাৰ কিছুদিনৰ পাছতে তেওঁৰ ছাত্ৰবৃত্তিৰ ম্যাদ শেষ হোৱাত তেওঁ অশেষ কষ্ট কৰি ধন ঘটিবলগীয়া হৈছিল।
- ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতৰ গণতন্ত্ৰ দিৱস উপলক্ষে ভাৰতীয় দূতাবাসত এক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। তাতে ভূপেন হাজৰিকাৰ লগত প্ৰিয়ম্বদা পেটেল নামৰ এজনী ধুনীয়া গুজৰাটী ছোৱালীৰ লগত চিনাকি হ'ল। দুয়োৰে মাজত প্ৰীতিৰ সম্পৰ্ক গঢ় লৈ উঠিল।
- ১৯৫০ চনৰ এক আগষ্টত আমেৰিকাতে দুয়োৰে মাক-দেউতাকৰ অনুপস্থিতিত ভূপেন-প্ৰিয়মৰ বিয়া হৈ গ'ল।
- ভূপেনৰ সন্তান তেওঁৰ গৰ্ভত স্থিত হোৱাৰ পাছত প্ৰিয়ম কাম্পলালৈ গ'ল আৰু তাৰ পৰা ভাৰতলৈ ঘূৰি গৈ তেওঁলোকৰ বৰোডাৰ ঘৰত বাস কৰিবলৈ ল'লে। কিছুদিনৰ পাছত ভূপেন-প্ৰিয়মৰ এক পুত্ৰসন্তানৰ জন্ম হয়।
- ১৯৫২ চনত ভূপেন হাজৰিকাই কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা পি এইচ ডি ডিগ্ৰী লাভ কৰে। তেওঁৰ গৱেষণাৰ বিষয় আছিল— 'ৰ'ল অফ মাছ কমিউনিকেছন ইন ইণ্ডিয়াছ এডাল্ট এডুকেছন'।
- ১৯৫২ চনত ভূপেন হাজৰিকা আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা ভাৰতলৈ উভতি আহে।

- ভূপেন হাজৰিকা আহি বোম্বাই পোৱাৰ পাছত শহুৰৰ ঘৰৰ কিছু লোক তেওঁক স্বাগতম জনাবলৈ বৰোডাৰ পৰা বোম্বাইলৈকে আহিল। প্ৰিয়মো আহিল। লগত এটি শিশু, প্ৰিয়ম-ভূপেনৰ সন্তান তেজ। বোম্বাইৰ পৰা আটায়ে সদলবলে বৰোডালৈ গ'ল।
- বৰোডাৰ পৰা অসমলৈ আহোঁতে ভূপেন হাজৰিকাই পত্নী প্ৰিয়ম আৰু সন্তান তেজকো লগতে লৈ আহিল। বৰোডাৰ পৰা বোম্বাই, তাৰ পৰা ৰেলেৰে কলিকতা আৰু কলিকতাত দুদিনমান থকাৰ পাছত শেষ পৰ্য্যন্ত গুৱাহাটী।
- ১৯৫২ চনৰ ৩ ডিচেম্বৰত গুৱাহাটীৰ ৰাইজ আৰু তৰুণ সেৱক সংঘই ড° ভূপেন হাজৰিকাক ৰাজহুৱাকৈ সম্বৰ্ধনা জনালে।
- গুৱাহাটীলৈ আহি ভূপেন হাজৰিকাই তেওঁৰ শিক্ষা-দীক্ষা বা জ্ঞানৰ জোখাৰে নহ'লেও ৰেডিঅ' ষ্টেছনতে কাম কৰিবলৈ ল'লে। দেউতাকৰ ভাৰাঘৰটো নিচেই সৰু বাবে তেওঁ মাহেকত পঞ্চাছ টকা ভাৰাত আন এটা ঘৰ ভাৰালৈ ল'লে। প্ৰিয়মেও নিজকে অসমীয়া গৃহিণীৰ বেশত সজাই ল'ব খুজিলে।
- ১৯৫৪ চনৰ ৮ জানুৱাৰীত কলিকতাৰ সুনীল গংগোপাধ্যায়ে পৰিচালনা কৰা 'সতী বেউলা'ই মুক্তিলাভ কৰে। এই ছবিখনত ভূপেন হাজৰিকাই প্ৰথমবাৰৰ বাবে স্বাধীনভাৱে সংগীত পৰিচালনা কৰাৰ দায়িত্ব লাভ কৰে।
- ১৯৫৪ চনত কলিকতাৰ ৱেলিংটন স্কোৱাৰত গণনাট্য সংঘৰ প্ৰথম প্ৰাদেশিক সন্মিলন অনুষ্ঠিত হয়। তাত ভূপেন হাজৰিকাই গীত পৰিৱেশন কৰে। তেওঁৰ লগত অনুষ্ঠান পৰিৱেশন কৰিবলৈ গৈছিল অসমৰ এজন বিখ্যাত ঢোলৰ ওজা মঘাই ওজা।
- ১৯৫৪ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰৱক্তা হ'ল। তাৰ পাছত গানৰ জৰিয়তেই তেওঁ বিশ্ববিদ্যালয়ৰ ডেকা প্ৰৱক্তাসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বেছ জনপ্ৰিয় হৈ পৰিল।
- ১৯৫৫ চনত দিল্লীত আন্তঃবিশ্ববিদ্যালয় যুৱ উৎসৱ অনুষ্ঠিত হৈছিল। তাত অংশগ্ৰহণ কৰিবৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা দল গৈছিল। দলটোৰ পৰিচালনা তথা নেতৃত্বত আছিল— তৰুণ প্ৰৱক্তা ভূপেন হাজৰিকা। সেই বছৰ গুৱাহাটী বিশ্ববিদ্যালয় দলটোৱে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে।
- ১৯৫৬ চনত ফিনলেণ্ডৰ হেলছিংকিত বিশ্ব শান্তি সন্মিলন অনুষ্ঠিত হৈছিল। এই সন্মিলনত ভাগ ল'বৰ বাবে ভূপেন হাজৰিকা কৃষণ চন্দৰ, এম এফ হুছেইন, বালচন্দৰ, মুল্কৰাজ আনন্দ আদিৰ লগত ফিনলেণ্ডলৈ যায়।
- বিদেশৰ পৰা ঘূৰি অহাৰ কিছুদিন পাছতে ভূপেন হাজৰিকাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত সংঘাত হয় আৰু তেওঁ চাকৰিৰ পৰা অব্যাহতি লয়। ভূপেন হাজৰিকাই চাকৰি-বাকৰি নকৰি কলা-সংস্কৃতিৰ ক্ষেত্ৰখনত কাম কৰিবলৈহে দৃঢ় সংকল্প ল'লে।
- ১৯৫৬ চনত তেওঁ টালি-টোপোলা বান্ধি কলিকতালৈ গুচি গ'ল। লগত প্ৰিয়ম আৰু শিশু পুত্ৰ। কলিকতাত ভূপেন হাজৰিকাৰ আন এক সংগ্ৰামৰ কাল আৰম্ভ হৈ গ'ল। প্ৰিয়মে পুত্ৰক লৈ বৰোডালৈ গুচি গ'ল।
- ভূপেন হাজৰিকাই তাতে থাকি 'পিয়লি ফুকন'ৰ সংগীত পৰিচালনা কৰে আৰু ছশ টকা পায়। তাৰ পাছত তেওঁ কে'বাখনো বাংলা কথাছবিৰো সংগীত পৰিচালনাৰ দায়িত্ব লাভ কৰে। সেই কাম কৰি কম সময়ৰ ভিতৰতে তেওঁৰ হাতলৈ কিছু টকা আহিল। সংগীতৰ জৰিয়তে কৰা আয়েৰে পাছত তেওঁ কলিকতাৰ টালিগঞ্জত এটা ঘৰেই কিনি পেলায়।
- ১৯৫৬ চনতে ভূপেন হাজৰিকাই তেওঁৰ এটি সপোনৰ প্ৰজেক্ট বাস্তৱায়িত কৰি নিজাকৈ 'এৰা বাটৰ সুৰ' নামৰ এখন কথাছবিৰ কাম আৰম্ভ কৰে। এই চলচ্চিত্ৰখনৰ লগত প্ৰিয়ম ভালদৰে জড়িত আছিল। তাৰে এটা গান লতা মংগেশকাৰে গাইছিল (জোনাকৰে ৰাতি অসমীৰে মাটি /



জিলিকি জিলিকি পৰে / মলয়াৰে ছাটি দুহাতে সাবটি / ধুনীয়া মালতী সৰে)।

- ১৯৫৭ চনত ভূপেন হাজৰিকাই অসমীয়া কথাছবি 'ধুমুহা'ৰ সংগীত পৰিচালনা কৰে। তাৰ পাছত তেওঁ 'অসমাপ্ত', 'কড়ি ও কমল', 'জীৱন তৃষ্ণা' আদি বাংলা কথাছবিৰো সংগীত পৰিচালনা কৰে।
- ১৯৫৮ চনত ভূপেন হাজৰিকাৰ 'মাহুত বন্ধুৰে' কথাছবিখনে মুক্তি লাভ কৰে। সেই ছবিখন বেছ বিখ্যাত হ'ল আৰু ছবিখনে বক্স অফিচত সফলতাও অৰ্জন কৰিব পাৰিলে।
- ১৯৬০ চনত অসমত আৰম্ভ হ'ল ভাষা আন্দোলন। তাৰ প্ৰভাৱ আহি কলিকতাতো পৰিল। ভূপেন হাজৰিকা কলিকতাৰ পৰা আহি শ্বিলং পালে আৰু হেমাংগ বিশ্বাসক লগ ধৰিলে। ভাষা আন্দোলনৰ প্ৰভাৱ ভূপেন হাজৰিকাৰ বৃত্তিগত জীৱনত পাছে ভালকৈয়ে পৰিল। বাংলা সংগীত পৰিচালনাৰ যোগেদি তেওঁৰ আয় বন্ধ হৈ পৰিল।
- ১৯৬০-৬১ চনত তেওঁ পদ্ম বৰকটকীৰ দ্বাৰা সম্পাদিত আৰু কলিকতাৰ পৰা প্ৰকাশিত 'আমাৰ প্ৰতিনিধি' আলোচনীত নিয়মীয়া স্তম্ভ লিখিবলৈ আৰম্ভ কৰিলে।
- ১৯৬১ চনত ভূপেন হাজৰিকাৰ পৰিচালনাৰে 'শকুন্তলা' নামৰ চলচ্চিত্ৰখনে মুক্তি লাভ কৰে। কথাছবিখন বেছ সফল হ'ল। এই ছবিখনৰ সংগীতেও অসমত উখল-মাখল লগাবলৈ সক্ষম হৈছিল। এই কথাছবিখনৰ বাবে ভূপেন হাজৰিকাই ৰাষ্ট্ৰপতিৰ পুৰস্কাৰো লাভ কৰে।
- ১৯৬৩ চনত সৰ্বেশ্বৰ চক্ৰৱৰ্তীয়ে পৰিচালনা কৰা 'মণিৰাম দেৱান' নামৰ কথাছবিখনে মুক্তি লভে। এই কথাছবিৰ সংগীত পৰিচালনা কৰিছিল ড° ভূপেন হাজৰিকাই।
- ১৯৬৩ চনতে ভূপেন হাজৰিকাৰ জীৱনৰ আন এক উল্লেখযোগ্য ঘটনা ঘটে। তেওঁলোকৰ তেৰ বছৰীয়া বৈবাহিক জীৱনৰ অন্ত পেলাই প্ৰিয়ম হাজৰিকা আৰু ভূপেন হাজৰিকাৰ বিবাহ বিচ্ছেদ হয়।
- অৱশ্যে বৈবাহিক কাল বছৰৰ হিচাপত তেৰ বছৰ হ'লেও ইয়াৰ তিনি বছৰমানহে দুয়ো একেলগে আছিল, বাকীখিনি সময়ত এজন যদি এঠাইত, সিজন সিঠাইত। ভূপেন হাজৰিকা স্বভাৱতেই যাযাবৰ প্ৰকৃতিৰ। গতিকে তেওঁলোকৰ সন্তান তেজ মাকৰ লগত থাকিয়েই ডাঙৰ হৈছিল।
- ১৯৬৪ চনত ভূপেন হাজৰিকাৰ 'আগলি বাঁহৰে লাহৰী গগনা' নামেৰে এক গীতৰ সংকলন প্ৰকাশ পায়। সেই চনতে তেওঁ 'প্ৰতিধ্বনি' নামেৰে এখন কথাছবি নিৰ্মাণ কৰে।
- ১৯৬৫ চনত তেওঁ প্ৰথম অসমীয়া কলা আলোচনী 'গতি'ৰ সম্পাদনাৰ দায়িত্ব লয়। সেই বছৰৰে মে' মাহৰ পৰা তেওঁ 'আমাৰ প্ৰতিনিধি' নামৰ মাহেকীয়া আলোচনীখনৰো সম্পাদনাৰ দায়িত্ব বহন কৰে।
- ১৯৬৬ চনত ভূপেন হাজৰিকাই নিৰ্মাণ কৰে তেওঁৰ আন এখন উল্লেখযোগ্য কথাছবি 'লটিঘটি'। বেছ কম খৰচতে এই ছবিখন নিৰ্মাণ কৰা হৈছিল। শ্যুটিং শেষ কৰিছিল মাত্ৰ তেৰ দিনত। লটিঘটি এখন লেখত ল'বলগীয়া ব্যংগ কথাছবি আছিল। ভূপেন হাজৰিকাই এই কথাছবিৰ বাবে ৰাষ্ট্ৰপতিৰ পদকো লাভ কৰিবলৈ সক্ষম হৈছিল।
- ১৯৬৬ চনত ভূপেন হাজৰিকাৰ দেউতাক নীলকান্ত হাজৰিকাৰ পৰলোকপ্ৰাপ্তি হয়।
- ১৯৬৭ চনৰ অসম বিধান সভাৰ নিৰ্বাচনত ভূপেন হাজৰিকাই নাওবৈচা সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিলে আৰু দেৱকান্ত বৰুৱাৰ পছন্দৰ কংগ্ৰেছী প্ৰাৰ্থীজনক চৈধ্য হাজাৰ ভোটত পৰাজিত কৰি বিধান সভালৈ নিৰ্বাচিত হ'ল। ভূপেন হাজৰিকা ১৯৭১ চনলৈকে বিধায়ক হৈ থাকিল।
- ১৯৬৭ চনত তেওঁ এক ভাৰতীয় প্ৰতিনিধি দলৰ লগত ছোভিয়েট ৰাছিয়া ভ্ৰমণ কৰে। সেই চনতে তেওঁৰ 'সুন্দৰৰ ন-দিগন্ত' নামৰ গ্ৰন্থখন প্ৰকাশ হয়।
- ১৯৬৮ চনত ভূপেন হাজৰিকাই তাৰাচান্দ বৰজাত্যাৰ ৰাজশ্ৰী প্ৰডাকচনৰ 'তগদীৰ' নামৰ হিন্দী চিনেমাখন অসমীয়ালৈ ডাবিং কৰে,

চিনেমাখনৰ নাম দিয়া হ'ল— 'ভাগ্য'। সেই ছবিখনৰ ডাবিং ইমান ভাল হৈছিল যে সেইখন অসমীয়া ছবি যেনহে লাগিছিল।

- ১৯৬৭ চনৰ মাৰ্চ মাহত মাজুলীৰ বংশীগোপাল নাট্যমন্দিৰৰ এক বিশেষ অনুষ্ঠানত ভূপেন হাজৰিকাক সম্বৰ্ধনা জনোৱা হয়। তাতে অসম সাহিত্য সভাৰ সভাপতি আনন্দ চন্দ্ৰ বৰুৱাই প্ৰস্তাৱ কৰা 'সুধাকণ্ঠ' উপাধি ভূপেন হাজৰিকাক প্ৰদান কৰা হয়।
- ১৯৬৭ চনৰ ডিচেম্বৰ মাহত ভূপেন হাজৰিকাই নিজৰ স্বৰচিত গীতেৰে এখন অসমীয়া লং প্লেয়িং ৰেকৰ্ড উলিয়ায়। সেইখন আছিল প্ৰথম অসমীয়া লং প্লেয়িং ৰেকৰ্ড।
- ১৯৬৯ চনত ভূপেন হাজৰিকাই নিৰ্মাণ কৰে— তেওঁৰ আন এখন উল্লেখযোগ্য কথাছবি 'চিকমিক বিজুলী'। 'চিকমিক বিজুলী'ত হিন্দী চলচ্চিত্ৰ জগতৰ জনপ্ৰিয় অভিনেত্ৰী বিন্দিয়া গোস্বামী, অসমৰ বিদ্যা ৰাও আদিয়ে অভিনয় কৰিছিল। তেওঁৰ আনকেইখন কথাছবিৰ দৰে 'চিকমিক বিজুলী'ৰো মূল আকৰ্ষণ আছিল— সংগীত।
- ১৯৭০ চনত ভূপেন হাজৰিকাই প্ৰথম অসমীয়া অণু আলোচনী 'বিন্দু'ৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰে। এই আলোচনীৰ মুঠ আঠটা সংখ্যা প্ৰকাশ পাইছিল।
- ১৯৭১ চনত ভূপেন হাজৰিকাই মঙলদৈ লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰে। কিন্তু নিৰ্বাচনত তেওঁ পৰাজিত হয়। তেওঁৰ মাতৃ শান্তিপ্ৰিয়া হাজৰিকাৰ মৃত্যুও ১৯৭১ চনতে হয়।
- ১৯৭২ চনত বাৰ্লিনত অনুষ্ঠিত দ্বিতীয় আন্তৰ্জাতিক সংগীত সন্মিলনত ভূপেন হাজৰিকাই যোগদান কৰে। সেই সন্মিলনত ভূপেন হাজৰিকা আৰু জয়ন্ত হাজৰিকাৰ গীত পৰিবেশনে যথেষ্ট নাম কৰিবলৈ সক্ষম হৈছিল।
- ১৯৭১ চনতে ভূপেন হাজৰিকাৰ জীৱনৰ আন এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ বীজ ৰোপণ হৈছিল। ভূপেন হাজৰিকাৰ লগত কল্পনা লাজমীৰ চিনাকি হৈছিল। তেতিয়া কল্পনা লাজমীৰ বয়স আছিল ১৭ আৰু ভূপেন হাজৰিকাৰ ৪৫ বছৰ। লাজমীৰ এজন সম্পৰ্কীয় লোক, হিন্দী চলচ্চিত্ৰ জগতৰ এজন প্ৰখ্যাত চিত্ৰ-নিৰ্মাতা আত্মাৰামৰ লগত কল্পনা লাজমী ভূপেন হাজৰিকাৰ কলিকতাৰ ঘৰলৈ গৈছিল। এই কল্পনা লাজমীয়ে পাছত ভূপেন হাজৰিকাৰ জীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।
- ১৯৭৩ চনত আত্মাৰামে 'আৰোপ' নামৰ আন এখন হিন্দী চলচ্চিত্ৰ নিৰ্মাণ কৰে। ভূপেন হাজৰিকাই সেইখনৰ সংগীত পৰিচালনা কৰে আৰু গীতত কণ্ঠদানো কৰে।
- ১৯৭৪ চনৰ জানুৱাৰী মাহত ডা° ভুৱনেশ্বৰ বৰুৱা কেন্সাৰ হস্পিটেলৰ সাহায্যাৰ্থে গুৱাহাটীত এখন সংগীত সন্ধিয়াৰ আয়োজন কৰা হয়। সেই সাংস্কৃতিক সন্ধিয়ালৈ ভূপেন হাজৰিকাই কিশোৰ কুমাৰক আমন্ত্ৰণ কৰি আনে। অসমৰ শ্ৰোতাৰ উছাহ আৰু সমৰ্থন দেখি কিশোৰ কুমাৰ অভিভূত হৈ পৰে।
- ১৯৭৪ চনত ভূপেন হাজৰিকাই 'ফৰ হুম দ্য ছান ছাইনছ' নামৰ এখন ৰঙীন তথ্যচিত্ৰ নিৰ্মাণ কৰে। এই তথ্যচিত্ৰখন অৰুণাচল প্ৰদেশৰ পটভূমিত নিৰ্মাণ কৰা হৈছিল। একে সময়তে তেওঁ 'এমুঠি চাউলৰ কাহিনী' নামেৰে আন এখন তথ্যচিত্ৰও নিৰ্মাণ কৰে।
- ১৯৭৫ চনত তেওঁ 'মেৰী ধৰম মেৰী মা' নামৰ হিন্দী কথাছবিখনৰ সংগীত পৰিচালনা কৰে। তাৰ পাছত কলিকতাৰ টালিগঞ্জত নিৰ্মিত বাংলা কথাছবি 'দম্পতি' আৰু বাংলাদেশৰ বিখ্যাত চিত্ৰ পৰিচালক আলমগীৰ কবীৰৰ দ্বাৰা পৰিচালিত 'সীমানা পেৰিয়ে' নামৰ কথাছবিখনৰ সংগীত পৰিচালনা কৰে। 'সীমানা পেৰিয়ে'ৰ 'বিমূৰ্ত এই ৰাত্ৰি আমাৰ' গানটোৱে বাংলা দেশত তোলপাৰ লগাই দিছিল।



- ১৯৭৫ চনতে ভূপেন হাজৰিকাই অসমীয়া কথাছবি ‘চামেলি মেমচাব’, ‘কাচঘৰ’ আৰু ‘খোজ’ ছবিৰ সংগীত পৰিচালনা কৰিছিল।
- ১৯৭৬ চনত তেওঁ ‘চামেলি মেমচাব’ৰ সংগীত পৰিচালনাৰ বাবে শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰে।
- ১৯৭৬ চনতে তেওঁ ‘ভূপেন মামাৰ গীতে মাতে অ আ ক খ’ নামৰ এখন পুথি লিখিছিল। ১৯৭৬ চনৰ ১৯ ছেপ্টেম্বৰত ৰূপকাৰ আলোচনীয়ে ভূপেন হাজৰিকাক ‘ৰূপকাৰ চলচ্চিত্ৰ বটা’ প্ৰদান কৰি সন্মানিত কৰে। সেই চনতে তেওঁ বাংলা চলচ্চিত্ৰ সমিতিৰ পৰাও শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বটা লাভ কৰে।
- ১৯৭৭ চনত ভূপেন হাজৰিকালৈ ভাৰত চৰকাৰে পদ্মশ্ৰী সন্মান আগবঢ়ায়। ১৯৭৭ চনৰ ২ এপ্ৰিলত তেওঁ ৰাষ্ট্ৰপতিৰ পৰা এই সন্মান গ্ৰহণ কৰে। তেওঁ সংগীত পৰিচালনা কৰা ‘দম্পতি’ ছবিৰ বাবে তেওঁ বাংলা চলচ্চিত্ৰ পুৰস্কাৰ সমিতি আৰু ইণ্ডিয়ান কালচাৰেল ফৰামৰ পৰা শ্ৰেষ্ঠ সংগীত পৰিচালকৰ পুৰস্কাৰ লাভ কৰে।
- ‘সীমানা পেৰিয়ে’ৰ সংগীত পৰিচালনাৰ বাবে ১৯৭৭ চনত তেওঁ বাংলাদেশ ফিল্ম ইণ্ডাষ্ট্ৰী আৰু বাংলাদেশ জাৰ্নেলিষ্ট এছ’চিয়েছনৰ পৰা শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰে। তদুপৰি ‘মেৰী ধৰম মেৰী মা’ৰ সংগীত পৰিচালনাৰ বাবে অৰুণাচল চৰকাৰৰ পৰা সোণৰ পদক লাভ কৰে।
- ১৯৭৭ চনৰ ছেপ্টেম্বৰ মাহত তেওঁ ইংলণ্ডলৈ যায় আৰু তাত বৰ্ণবৈষম্যৰ বিৰুদ্ধে সংগীত পৰিবেশন কৰে। তাত তেওঁক বি বি চিয়েও (বৃটিছ ব্ৰডকাষ্টিং কৰ্প’ৰেছন) সম্বৰ্ধনা জনায় আৰু তেওঁ বি বি চিৰ জৰিয়তে গীত পৰিবেশন কৰে।
- ১৯৭৭ চনৰ ১৫ অক্টোবৰত ভূপেন হাজৰিকাৰ অতি মৰমৰ ভায়েক, সংগীতৰ ক্ষেত্ৰত তেওঁৰ যোগ্য সহযোগী জয়ন্ত হাজৰিকাৰ হঠাতে অকাল বিয়োগ ঘটে।
- ১৯৭৮ চনত ভূপেন হাজৰিকাই আব্দুল মজিদ পৰিচালিত ‘বনজুই’ আৰু ৰবীন চেতিয়া পৰিচালিত ‘বৃন্দাবন’ নামৰ চলচ্চিত্ৰৰ সংগীত পৰিচালনা কৰে।
- ১৯৭৮ চনত ‘ভূপেন মামাৰ গীতে মাতে অ আ ক খ’ নামৰ শিশু গ্ৰন্থৰ বাবে তেওঁ ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ লাভ কৰে।
- ১৯৭৯ চনত ভূপেন হাজৰিকাই ‘মন প্ৰজাপতি’ নামেৰে এখন অসমীয়া চলচ্চিত্ৰ পৰিচালনা কৰে। সেই কথাছবিখনৰ সংগীত পৰিচালনাৰ দায়িত্বও তেৰেঁই বহন কৰে।
- ১৯৭৯ চনতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কে’বাটাও সংস্থাৰ নিমন্ত্ৰণত ভূপেন হাজৰিকাই আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ কৰে আৰু তাৰ বিভিন্ন অনুষ্ঠানত সংগীত পৰিবেশন কৰে। তদুপৰি তেওঁ তাত অনুষ্ঠিত কেইখনমান আন্তৰ্জাতিক আলোচনা চক্ৰতো অংশগ্ৰহণ কৰে আৰু ৰেডিঅ’ টেলিভিছনৰ অনুষ্ঠানত ভাগ লয়। আমেৰিকা যুক্তৰাষ্ট্ৰত তেওঁক ‘স্কুল অফ অনাৰ’ সন্মানেৰে সন্মানিত কৰা হয়।
- ১৯৮০ চনত কলিকতাৰ এইচ এম ভিয়ে সমসাময়িক কালৰ ছজন বিখ্যাত শিল্পীৰ ভিতৰত ভূপেন হাজৰিকাকো স্থান দিয়ে আৰু সম্বৰ্ধনা জনায়। সেই চনতে তেওঁ জাপানৰ বুদ্ধিজীৱীসকলৰ সাংস্কৃতিক সংগঠন RO-ONৰ দ্বাৰা আমন্ত্ৰিত হৈ জাপান ভ্ৰমণ কৰে।
- ১৯৮২ চনৰ ১ জানুৱাৰীত ভূপেন হাজৰিকাক ‘নেছনেল জিঅ’গ্ৰাফিক ছ’চাইটি’ৰ সদস্য হিচাপে মনোনীত কৰা হয়।
- ১৯৮২ চনত ভূপেন হাজৰিকাই ‘সদৌ অসম জনসাংস্কৃতিক পৰিষদ’ৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰে। সেয়া আছিল ভূপেন হাজৰিকা কোনো ৰাজহুৱা অনুষ্ঠানৰ মুৰব্বীৰ দায়িত্ব লোৱা প্ৰথম ঘটনা।
- ১৯৮৪ চনত ভূপেন হাজৰিকাই হিন্দী কথাছবি ‘অপেক্ষা’ৰ সংগীত পৰিচালনা কৰে। তাৰ পাছত

তেওঁ বাংলা কথাছবি 'কালো সিদুৰ'ৰ সংগীত পৰিচালনা কৰি 'বাংলা চলচ্চিত্ৰ প্ৰচাৰ সংসদ'ৰ পৰা শ্ৰেষ্ঠ সংগীত পৰিচালকৰ বঁটা লাভ কৰে।

- ১৯৮৫ চনত ভূপেন হাজৰিকাই নিউ জাৰ্চিৰ মেয়ৰৰ পৰা 'সন্মানীয় নাগৰিকত্ব' লাভ কৰে। ভাৰতী দূৰদৰ্শনৰ জুৰি ব'ৰ্ডৰ অধ্যক্ষৰূপেও দায়িত্ব লাভ কৰে। তদুপৰি তেওঁ অল ইণ্ডিয়া ৰেডিঅ'ৰ 'এমেৰিটাছ প্ৰডিউচাৰ' হিচাপে স্বীকৃতি লাভ কৰে। মাজতে তেওঁ প্ৰবীণ বৰাৰ দ্বাৰা পৰিচালিত 'অংগীকাৰ' কথাছবিৰ সংগীত পৰিচালনা কৰে। তেওঁ ভাৰতীয় 'নেছনেল ফিল্ম ফেষ্টিভেল এৱাৰ্ড'ৰ জুৰি ব'ৰ্ডৰ চেয়াৰমেন ৰূপে মনোনীত হয়।
- ১৯৮৫ চনত কল্পনা লাজমীৰ দ্বাৰা পৰিচালিত আৰু প্ৰযোজিত 'এক পল' নামৰ হিন্দী চিনেমাখনে মুক্তি লাভ কৰে। সেই ছবিৰ সংগীত পৰিচালনা ভূপেন হাজৰিকাৰ আছিল।
- ১৯৮৭ চনত তেওঁ কাৰ্বি কথাছবি 'ৰিং আং তং' আৰু অসমীয়া কথাছবি 'প্ৰতিশোধ'ৰ সংগীত পৰিচালনা কৰে।
- ১৯৮৮ চনত ৰাষ্ট্ৰপতি ৰামস্বামী ভেংকটৰামণে তেওঁক 'শ্ৰীমন্ত শংকৰদেৱ বঁটা' প্ৰদান কৰে। সেই বছৰতে তেওঁ সংগীত-নাটক একাডেমী পুৰস্কাৰো লাভ কৰে।
- ১৯৮৮ চনত দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় কাৰ্য্যসূচীত ভূপেন হাজৰিকা আৰু কল্পনা লাজমীৰ পৰিচালনাত 'লোহিত কিনাৰে' নামৰ এখন ধাৰাবাহিকৰ প্ৰদৰ্শন আৰম্ভ হয়। সেই ধাৰাবাহিকখনে যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল।
- ১৯৮৮ চনতে ৰাছিয়াত ভাৰত উৎসৱ অনুষ্ঠিত হৈছিল। সেই উৎসৱত অংশগ্ৰহণ কৰিবলৈ তেওঁ ৰাছিয়ালৈ যায় আৰু গীত পৰিবেশন কৰে।
- ১৯৮৯ চনত ভূপেন হাজৰিকা এক চাৰিমহীয়া ভ্ৰমণৰ বাবে আমেৰিকালৈ যায়। তাত তেওঁ বিভিন্ন ঠাইত গীত পৰিবেশন কৰে।
- ১৯৯০ চনত ভূপেন হাজৰিকা নেছনেল ফিল্ম ডেভেলপমেণ্ট কৰ্প'ৰেছনৰ 'ব'ৰ্ড অফ ডিৰেক্টৰ্ছ'ৰ সদস্যৰূপে মনোনীত হয়। ১৯ ডিচেম্বৰত 'অল ইণ্ডিয়া ক্ৰিটিক এছ'চিয়েছনে' কলিকতাৰ বিড়লা একাডেমী হলত তেওঁক 'কলা শিৰোমণি' উপাধি প্ৰদান কৰে।
- ১৯৯২ চনত ড° ভূপেন হাজৰিকাই এন এফ ডি চিৰ দ্বাৰা প্ৰযোজিত আৰু কল্পনা লাজমীৰ দ্বাৰা পৰিচালিত 'ৰুদালী' নামৰ হিন্দী কথাছবিখনৰ সংগীত পৰিচালনা কৰে। এই চিনেমাখনে আন্তৰ্জাতিক প্ৰসিদ্ধি লাভ কৰিছিল।
- ১৯৯৩ চনত শিৱসাগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ ৫৭তম অধিবেশনত ড° ভূপেন হাজৰিকাই সভাপতিত্ব কৰে।
- ১৯৯৩ চনতে তেওঁ ৰাইছকুৰ্নী বৰাৰ দ্বাৰা পৰিচালিত 'প্ৰিয়জন'ৰ সংগীত পৰিচালনা কৰে।
- চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱা উল্লেখযোগ্য বৰঙণিৰ বাবে ১৯৯৩ চনত ভূপেন হাজৰিকাক ১৯৯২ চনৰ ৰাষ্ট্ৰীয় 'দাদাচাহেব ফাল্কে বঁটা'ৰ বাবে নিৰ্বাচিত কৰা হয়। তেওঁ 'দাদাচাহেব ফাল্কে বঁটা' পোৱা প্ৰথম আৰু এতিয়ালৈকে একমাত্ৰ অসমীয়া।
- ১৯৯৩ চনৰ ছেপ্টেম্বৰত জাপানৰ ফুকাকোত অনুষ্ঠিত 'এছিয়া পেচিফিক আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ'ত 'ৰুদালী' কথাছবিৰ সংগীতৰ বাবে ড° ভূপেন হাজৰিকা শ্ৰেষ্ঠ সংগীত পৰিচালক হিচাপে নিৰ্বাচিত হয়।
- ১৯৯৩ চনত ভূপেন হাজৰিকাই ভাৰতৰ শ্ৰেষ্ঠ সংগীত শিল্পীৰূপে 'বলৰাজ ছাহানী' বঁটা লাভ কৰে।
- ১৯৯৪ চনত ভূপেন হাজৰিকাই 'অশান্ত প্ৰহৰ' নামৰ অসমীয়া কথাছবিখনৰ সংগীত পৰিচালনা কৰে।
- ২০০০ চনত সংগীত-নাটক একাডেমীৰ উদ্যোগত গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত সত্ৰীয়া নৃত্যৰ চাৰিদিনীয়া ৰাষ্ট্ৰীয় কৰ্মশালাৰ শুভাৰম্ভ অনুষ্ঠানত ভূপেন



হাজৰিকাই একাডেমীৰ অধ্যক্ষৰূপে যোগদান কৰে।

- ২০০১ চনত তেওঁ 'পদ্মভূষণ' সন্মান লাভ কৰে। ২০১২ চনত তেওঁলৈ মৰণোত্তৰভাৱে 'পদ্মবিভূষণ' আগবঢ়োৱা হয়।
- ২০০২ চনত ভূপেন হাজৰিকাই তেওঁ অসমৰ সংগীত জগতলৈ আগবঢ়োৱা অবিস্মৰণীয় অৱদানৰ বাবে 'দেশৰত্ন' বঁটা লাভ কৰে। ২০০২ চনতে বি বি চিৰ বাংলা শাখাৰ এক গুৰুত্বপূৰ্ণ সমীক্ষাযোগে ভূপেন হাজৰিকাৰ 'মানুহে মানুহৰ বাবে' গীতটিৰ বাংলা ৰূপান্তৰ 'মানুষ মানুষের জন্য' গীতটি কুৰি শতিকাৰ সৰ্বশ্ৰেষ্ঠ বাংলা গীত হিচাপে পৰিগণিত হয়।
- ২০০৩ চনৰ ১২ এপ্ৰিলত তেওঁক অসম সত্ৰ মহাসভাই 'সংগীত চূড়ামণি' উপাধি প্ৰদান কৰে। সেই বছৰতে তেওঁ হিন্দী চলচ্চিত্ৰ 'কিউ'ৰ সংগীত পৰিচালনা কৰে। 'কিউ' পৰিচালনা কৰিছিল কল্পনা লাজমীয়ে।
- ২০০৪ চনত ভূপেন হাজৰিকাই প্ৰসাৰ ভাৰতীৰ পৰা 'নেছনেল আৰ্টিষ্ট এৱাৰ্ড' লাভ কৰে।
- সেই চনতে তেওঁ অটল বিহাৰী বাজপেয়ীৰ আহ্বানত তেওঁৰ নেতৃত্বাধীন 'ভাৰতীয় জনতা দল'ত যোগ দিয়ে আৰু লোকসভাৰ নিৰ্বাচনত গুৱাহাটী লোকসভা সমষ্টিত ভাৰতীয় জনতা দলৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰে। অৱশ্যে তেওঁ নিৰ্বাচনত পৰাজিত হয় আৰু কংগ্ৰেছ দলৰ কিৰিপ চলিহা সাংসদ নিৰ্বাচিত হয়। সেই বছৰতে তেওঁ 'সতী ৰাধিকা' নামৰ এক কথাছবিৰ সংগীত পৰিচালনা কৰে।
- ২০০৬ চনত ভূপেন হাজৰিকা হঠাতে অসুস্থ হৈ পৰে। তেওঁৰ ষ্ট্ৰ'ক হয় আৰু দেহত বাই পাছ ছাৰ্জাৰী কৰিবলগীয়া হয়। তাৰ পাছৰ পৰা ভূপেন হাজৰিকাৰ শৰীৰ-স্বাস্থ্যই মাজে মাজে অসুবিধা দিবলৈ ধৰে।
- ২০০৭ চনত অসম চৰকাৰে ড° ভূপেন হাজৰিকালৈ 'জীৱনজোৰা সাধনা বঁটা' প্ৰদান কৰাৰ কথা ঘোষণা কৰে।
- ২০০৮ চনত অসম চৰকাৰে গুৱাহাটীৰ 'শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ'ত 'ড° ভূপেন হাজৰিকা সাংস্কৃতিক সংগ্ৰহালয়' নামেৰে এটি সংগ্ৰহালয় প্ৰতিষ্ঠাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে।
- সেই বছৰৰে ৮ ফেব্ৰুৱাৰীত তেওঁ অসম সাহিত্য সভাৰ পৰা 'সাহিত্যাচাৰ্য্য' উপাধি লাভ কৰে। ৮ ফেব্ৰুৱাৰীৰ দিনাই 'ড° ভূপেন হাজৰিকা ৰচনাৱলী'ৰ তিনিটা খণ্ড উন্মোচন কৰা হয়। অসম চৰকাৰে ড° ভূপেন হাজৰিকাক কেবিনেট মৰ্য্যাদা দি তেওঁৰ যাতায়াত, চিকিৎসা আদিৰ সমুদায় ব্যয় বহন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।
- ২০০৯ চনৰ ১০ জানুৱাৰীত সংগীত-নাটক একাডেমীয়ে ড° ভূপেন হাজৰিকালৈ একাডেমীৰ সৰ্বোচ্চ সন্মান 'একাডেমী ফেল'শ্বিপ' আৰু 'সংগীত ৰত্ন' আগবঢ়ায়। সেই বছৰৰে ২৯ জানুৱাৰীত অসম চৰকাৰে চৰকাৰৰ অন্যতম সৰ্বোচ্চ সন্মানৰূপে আগবঢ়োৱা 'অসম ৰত্ন' বঁটা ড° ভূপেন হাজৰিকাক প্ৰদান কৰে। আনহাতে ফেব্ৰুৱাৰী মাহত সদৌ অসম ছাত্ৰ সন্থাই গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰত স্থাপন কৰা নিজৰে প্ৰতিমূৰ্তি এটি ড° ভূপেন হাজৰিকাই উন্মোচন কৰে।
- ২০১১ চনৰ আৰম্ভণিৰে পৰা ভূপেন হাজৰিকাৰ অৱস্থা বেয়াৰ ফালে ঢাল খাইছিল আৰু তেওঁ কেঁবামাহো ধৰি হস্পিটেলত থাকিবলগীয়া হৈছিল। অৱশেষত ২০১১ চনৰে ৫ নৱেম্বৰৰ ৪.৩৭ বজাত মুম্বাইৰ কোকিলাবেন হস্পিটেলত ভূপেন হাজৰিকাই মৃত্যুক আঁকোৱালি ল'লে।
- ২০১৯ চনত তেওঁলৈ ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান 'ভাৰতৰত্ন' আগবঢ়োৱা হয়।❖

---

*(জনপ্ৰিয় বিজ্ঞান লেখক, সম্পাদক তথা অভিযন্তা অভিজিত শৰ্মা বৰুৱা অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থীৰ অভিভাৱক।)*

# লক্ষ্য যদি দিগন্ত...

**ড° লিপিমণি দত্ত**

মুৰব্বী, অসমীয়া আৰু সংস্কৃত বিভাগ



সময়ৰ সোঁতত আমাৰ জন্ম। সময়ৰ বুকুত আমাৰ লয়। সময়ৰ নিৰৱচ্ছিন্ন সোঁতত সকলো হেৰাই যায়, ৰৈ যায় সেইসকল ক্ষণজন্মা, যি সময়ক পৰাভূত কৰি জীৱনক জয় কৰে। ৰৈ যায় সেইসকল দৃঢ়চেতা, যাৰ উৰন্ত মনে নামানে হেঙাৰ, যাৰ লক্ষ্য মাথোঁ দিগন্ত হয়, যি সময়ৰ আগে আগে পক্ষীৰাজত উঠি নতুন দিগন্তলৈ যাত্ৰা কৰে।

২০১১ চনৰ ৫ নৱেম্বৰত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ দেহাৱসান ঘটিছিল। কিন্তু কায়িক প্ৰস্থানৰ চৈধ্য বছৰৰ পাছতো যুগজয়ী শিল্পীগৰাকীৰ অস্তিত্ব আমাৰ মাজত সপ্ৰাণ হৈ আছে। চলিত বৰ্ষত সমগ্ৰ ৰাজ্যই তেওঁৰ জন্ম-শতবৰ্ষ আয়োজন কৰি তেওঁলৈ সন্মান যাচিছে। তেওঁৰ স্মৃতিকথা চৰ্চা কৰি, গীত আওৰাই পুনৰ এবাৰ যেন অসমীয়া জাতি উজ্জীৱিত হৈ উঠিছে। সময়ৰ বুকুত ৰৈ যোৱা এইগৰাকী শিল্পীয়ে লক্ষজনক দেখুৱাই গৈছে আগবাঢ়ি যোৱাৰ বাট।

১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত জন্ম হোৱা 'ভূপেন্দ্ৰ' নামৰ শিশুটি ভূপেন হাজৰিকা নামৰ অসমীয়া জাতিৰ এটা অবিস্মৰণীয় সত্তালৈ পৰিণত হোৱাটো পাছে আলাসতে হৈ উঠা ৰূপান্তৰ নাছিল। আন সকলো কিশোৰৰ দৰে কিশোৰ ভূপেন হাজৰিকাৰ সন্মুখতো আছিল অনিশ্চয়তাৰ বহল সাগৰ। বহল সাগৰ এখনত নাও এখন মেলি দিবলৈ সহজ, কিন্তু কোন দিশে গ'লে কি লক্ষ্য পাব, সেই লক্ষ্য পাবলৈ কিমান ঘাত-প্ৰতিঘাতৰ সন্মুখীন হ'ব লাগিব, অথবা ঘাত-প্ৰতিঘাত আৰু প্ৰত্যাহ্বানে লক্ষ্যৰ বাটৰ পৰা বিচলিত কৰিব নেকি এনে অনেক অনিশ্চিত প্ৰশ্নই যাত্ৰাৰ আৰম্ভণিতে ভবাই তুলিব পাৰে। নতুনকৈ জীৱন আৰম্ভ কৰিব খোজা শিক্ষাৰ্থীৰ সমুখতো এনে এখন পাৰাপাৰহীন সাগৰেই দিগন্ত জুৰি বিয়পি থাকে। ইয়াৰ মাজত লক্ষ্য নিৰ্ধাৰণ কৰিব পৰাটো অতি কঠিন। কিন্তু লক্ষ্য নিৰ্ধাৰণ কৰিব জনাটো জীৱনৰ বাবে অতি মহত্ত্বপূৰ্ণ কথা। আৰু তাতোকৈ মহত্ত্বপূৰ্ণ হ'ল সেই লক্ষ্য অতিক্ৰম কৰা। অতি আচৰিত ধৰণে সৰুতে ভূপেন হাজৰিকাই নিজে ভবা নাছিল— ভৱিষ্যতে তেওঁ এজন গায়ক, গীতিকাৰ বা শিল্পী হৈ উঠিব। তেন্তে ভূপেন হাজৰিকাৰ লক্ষ্য কি আছিল?

১৯৫৬ চনত ডৰিছ ডে (Doris Day) কণ্ঠদান কৰা জে লিভিংষ্টন (Jay Livingston) আৰু ৰে' ইভান্সৰ (Ray Evans) এটা বিখ্যাত গান আছে— Que Sera Sera। বিশ্বজুৰি জনপ্ৰিয় হোৱা এই গীতটো ভূপেন হাজৰিকায়ো গাইছিল। ইটালী ভাষাৰ বাক্য 'Que Sera Sera'—অসমীয়াত যাৰ অৰ্থ যি হ'ব খোজা হোৱা। আমাৰ সন্মুখত কি থাকে কোনেও নাজানে, যি হ'ব লগা আছে হ'বই। ইংৰাজীত এযাৰ বাক্য আছে—ডেষ্টিনি কলছ্ (destiny calls)—

লক্ষ্যই সকলোকে মাতি নিয়ে। কিন্তু এই Que Sera Sera ৰ অৰ্থ কেৱল ভাগ্য নিৰ্ভৰ নহয়, ইয়াৰ আওপকীয়া আন এটা অৰ্থও আছে—যি হ'ব খোজা সেয়াই হোৱা, অৰ্থাৎ হাতৰ মুঠিতে থাকে আমাৰ লক্ষ্য। ভূপেন হাজৰিকাই ইংৰাজী সংস্কৰণটোৰ লগতে অসমীয়া ভাষাতো ভাব সংযোজন কৰি গাইছিল—

শৈশৱতে অজানিতে
আইক সুধিলোঁ
মই ডাঙৰ হ'লে
ধুনীয়া হ'ম নে?
ধনী হ'ম নে?
মিচিকিয়াই ক'লে—
"Que Sera, Sera!
Whatever will be, will be
The future's not ours to see
Que Sera Sera"
কৈশোৰতে এদিন মই
গুৰুক সুধিলোঁ কিনো কৰিম?
ছবি আঁকিম নে?
গান এটি গামনে?
একেটি উত্তৰ দিলে—
"Que Sera Sera
Whatever will be, will be
The future's not ours to see
Que Sera Sera"

"Que Sera, Sera!" ভৱিষ্যৎ যে আমাৰ নহয়, যি হ'ব খোজা সেয়াই হোৱা। ভূপেন হাজৰিকাই কি হ'ব খুজিছিল? তেওঁৰ লক্ষ্য কি আছিল! তেওঁৰ লক্ষ্য এটাই আছিল—তেওঁ সময়তকৈ এখোজ আগুৱাই থাকিব খুজিছিল। ড° ভূপেন হাজৰিকাৰ গীত সমগ্ৰৰ পাতনিত তেওঁ লিখিছে—"যাযাবৰী জীৱনটোত আনতকৈ এখোজ সদায়েই আগুৱাই থকাৰ প্ৰবল ইচ্ছাশক্তিৰ বাবে মোক প্ৰাণ দান কৰি আহিছে মোৰ গীতসমূহে। মোৰ যাযাবৰী জীৱনৰ আগবয়সত কোনোদিনে যিদৰে মোৰ জীৱন গাথাৰ কথা ভবা নাছিলোঁ, ঠিক তেনেদৰে কেতিয়াও ভবা নাছিলোঁ, গীতেই মোৰ জীৱনৰ সৰ্বস্ব হ'ব বুলি।" সময়ৰ খোজত আগবাঢ়ি যোৱাৰ চিন্তা তেওঁৰ গীততো প্ৰতিফলন ঘটিছে—

সময়ৰ অগ্ৰগতি
পক্ষীৰাজত উঠি
যাওঁ মই নতুন দিগন্তলৈ
হাঁহিমুখে...

অৱশ্যে সময়তকৈ আগুৱাই থাকিবলৈ হ'লে বহু প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। কিন্তু অন্তৰত প্ৰবল আত্মবিশ্বাস আৰু হেঁপাহ থাকিলে কোনো বাধাই বাধা হৈ নাথাকে। উৰন্ত মনে হেঙাৰ নামানে। জীৱনত আগুৱাবলৈ লোৱা সকলো কিশোৰ আৰু যুৱকে এই গানটো উপলব্ধি কৰিব পাৰিলে ই এক গান হৈ নাথাকে, এই গান হৈ পৰিব পাৰে প্ৰেৰণাৰ মন্ত্ৰ । সত্যক সাৰথি কৰি সুন্দৰ সূৰ্য্যত ধিয়াই আগবাঢ়ি যোৱাৰ কথাবোৰে আমাক ইতিবাচক লক্ষ্যেৰে আগুৱাই যোৱাৰ উৎসাহ দিব পাৰে। এয়া ভূপেন হাজৰিকাৰ কেৱল গানৰ কথা নাছিল, ই আছিল তেওঁৰ দৰ্শনো।

সময়ৰ খোজেৰে তেওঁ আগবাঢ়ি যোৱাৰ প্ৰমাণ দিছিল তেওঁৰ কামৰ মাজেৰে। তেওঁৰ ব্যক্তিগত কেৰিয়াৰ আছিল চমকপ্ৰদ। যি সময়ত অসমৰ গৰিষ্ঠসংখ্যক মানুহে ৰূপালী পৰ্দা দেখা পোৱা নাছিল, টেলিভিছন মাধ্যমটোৰ সৈতে দূৰ দূৰলৈ সম্পৰ্ক নাছিল, গণমাধ্যম বিষয়টোৰ সৈতে কাৰো পৰিচয় নাছিল, সেই সময়তে তেওঁ ১৯৫২ চনত Role of Mass Communication in India's Adult Education বিষয়ত গৱেষণা কৰি কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা 'ডক্টৰেট' ডিগ্ৰী লাভ কৰিছিল । কিন্তু কেৰিয়াৰ আছিল অন্যদিশে, লক্ষ্য আছিল অন্যদিশে। যাযাবৰী চেতনাই কেৰিয়াৰৰ গণ্ডীত তেওঁক ধৰি ৰাখিব নোৱাৰিলে।

দিগন্তক লক্ষ্য কৰি লোৱা চকুত থাকে আকাশৰ বিশালতা। সেই বিশালতা এটা মাত্ৰ নিৰ্দিষ্ট কৰ্মসুঁতিত ধৰি ৰখা কেনেকৈ সম্ভৱ ! আনতকৈ এখোজ আগবাঢ়ি থাকিব খোজা ব্যক্তিজনে সমগ্ৰ জাতিৰ সাংস্কৃতিক নেতৃত্ব ল'বলগীয়া হ'ল। শিল্পৰ প্ৰতি তাড়না আৰু প্ৰবল জাতীয় চেতনাই তেওঁক ক্ৰমশঃ কৰি তুলিলে অধিক দায়বদ্ধ। অসমৰ প্ৰতিটো সমস্যা, সংকটত তেওঁ হৈ পৰিল জাতিৰ কণ্ঠ।

আমাৰ আছে মানুহৰ ওপৰত বিশ্বাস, ভৱিষ্যতৰ সুস্থ ৰঙা সূৰ্য্যৰ পিনে চকু—অমূল্য বৰুৱাৰ কবিতাৰ দৰেই ভৱিষ্যতত দৃষ্টি নিবদ্ধ কৰি ৰাখিছিল ড° ভূপেন হাজৰিকাই। নতুন প্ৰজন্মৰ ওপৰত আস্থা আছিল তেওঁৰ। নতুনক দিছিল উৎসাহ।



*ড° ভূপেন হাজৰিকা সমাধি ক্ষেত্ৰৰ আলোকচিত্ৰ*

নতুনৰ গতি খেদা  
ডেকা গাভৰু আমি  
নিৰ্ভীক কুৰি শতিকাৰ

অজ্ঞান চাকনৈয়া  
এফলীয়া কৰি থৈ  
মাৰি যাওঁ জীৱনৰ ডাঁৰ  
জিলিকাব লুইতৰে পাৰ...

একবিংশ শতিকালৈ তিনিটামান দশক থকাৰ পূৰ্বেই একবিংশ শতিকাৰ জয়গান গাই তেওঁ বহু গীত লিখি নতুনক দিছিল উৎসাহ।

মুকুতিৰ চিন্তাক যেতিয়া আৱৰে  
পুৰণি চিন্তাৰ মকৰা জালে  
নতুন পুৰুষে নিয়ে সমাজ গতিক  
নতুন নতুন পোহৰ ফালে...

ৰক্ষণশীল সমাজৰ কুসংস্কাৰৰ বিৰুদ্ধে মাত মাতি তেওঁ একবিংশ শতিকাক আধুনিক চিন্তাৰ মাইলৰ খুঁটি হিচাপে গণ্য কৰিছিল। 'ৰাঙলী ৰাঙলী চোতালত সূৰুযৰ ধেমালি দেখিলে আগুৱাই যাবৰ মন যায়' বুলি লিখি শিক্ষাৰ্থী যুৱ সমাজক অনুপ্ৰাণিত কৰাৰ প্ৰয়াস কৰিছিল।

তুমি নতুন পুৰুষ তুমি নতুন নাৰী,  
অনাগত দিনৰ জাগ্ৰত প্ৰহৰী  
সঙ্কল্প তোমাৰ হ'বই সফল  
দুৰ্ব্বাৰ সাহসৰে পথ উজ্জ্বল।...

নতুন পুৰুষৰ প্ৰতি শুভকামনা, আশীৰ্বাদ ভৰা এনে গীতবোৰেৰে নতুন সম্ভাৱনাৰ প্ৰতি সন্মান যচা বুলি তেওঁ নিজে উল্লেখ কৰিছিল। আনকি নতুনৰ কণ্ঠ যেতিয়া শাসক পক্ষই ৰোধ কৰাৰ চেষ্টা চলায়, সেই সময়তো বিক্ষুব্ধ কণ্ঠে তেওঁ গীতেৰে গৰজি উঠিছিল—

নৱ নৱ পুৰুষৰ নোপোৱাৰ প্ৰকাশ  
ভৰিৰে মোহাৰিব নোৱাৰি  
সাৱধান দুষ্কৃতিকাৰী।  
ওলোটা পাকেৰে চলাব নোৱাৰি  
জীৱন সময়ৰ ঘড়ী...

নতুন পুৰুষৰ প্ৰতি এই আস্থাৰ বাবেই ভূপেন হাজৰিকা প্ৰতি প্ৰজন্মৰ বাবেই আদৰৰ হৈ ৰ'ব। তেওঁৰ কথা-সুৰ-কণ্ঠ চিৰ প্ৰাসংগিক হৈ ৰ'ব। ❖



# সুধাকণ্ঠৰ গীতৰ সৌন্দৰ্য্য বিচাৰ

**অৰ্ণৱজ্যোতি নাথ**
দশম শ্ৰেণী

*"দুয়ো পাৰে কত মানুহ, কত যে ইতিহাস। কত যুগৰ, শত আশা-নিৰাশাৰে নিশ্বাস..."*

গীতিকাৰ, সুৰকাৰ, গায়ক, কবি, সাহিত্যিক, সাংবাদিক, সমালোচক—সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতৰ পটভূমি বহুমুখী আছিল। সেয়ে তেওঁৰ গীতৰ শ্ৰেণীবিভাজন কৰাটো সহজ কথা নহয়। তেওঁৰ গীতত মানৱতাবাদ, জাতীয় অনুৰাগ, সমাজৰ বিভিন্ন দিশৰ চিত্ৰণ, প্ৰকৃতিৰ বৰ্ণনা আদি প্ৰায় সকলো দিশেই দেখিবলৈ পোৱা যায়। ভূপেন হাজৰিকাৰ সাংগীতিক প্ৰতিভা বিকশিত হৈছিল জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্যত। পাছলৈ সুৰ ৰচনাৰ ক্ষেত্ৰত ভূপেন হাজৰিকাই তেওঁৰ গুৰুক অতিক্ৰম কৰি অসমীয়া সংগীতৰ ধাৰা প্ৰসাৰিত কৰিলে আৰু নিজকে প্ৰতিষ্ঠিত কৰিলে।

গীতৰ কথাৰ সৈতে মিলাকৈ সুৰ সংযোজনা কৰাটো ভূপেন হাজৰিকাৰ বিশেষত্ব। 'কঁপি উঠে কিয় তাজমহল' শীৰ্ষক গীতৰ দ্বিতীয় শাৰীত—'পুৱতি নিশাৰ আজানৰ স'তে আজান' বুলি গাওঁতে 'আজান' শব্দটো দীঘলীয়াকৈ টানি ভাহি অহা আজানৰ সুৰ উপস্থাপন কৰিবলৈ যত্ন কৰা হৈছে। 'বিমূৰ্ত মোৰ নিশাটি'—গীতৰ কথাৰে সৃষ্টি হৈছে এখন 'এবষ্ট্ৰেক্ট আৰ্ট'ৰ। গীতটিৰ কথা যদিও আধুনিক সময়ৰ, গীতটিৰ সুৰ আৰু সংগীত সজ্জাত আমি পুৰণিকলীয়া প্ৰভাৱ দেখিবলৈ পাওঁ। এই দিশটো নিজেই এক বিমূৰ্ত, অৰ্থাৎ এবষ্ট্ৰেক্ট (abstract)। গীতটিত আমি বাদ্যযন্ত্ৰৰো সঠিক প্ৰয়োগ শুনিবলৈ পাওঁ। গীতটোৰ 'দূৰৰ আৰ্তনাদ'ৰ শাৰীটোৰ পুনৰাবৃত্তিৰ আগত বেহেলা, গীটাৰ আৰু মেণ্ডোলিনৰ যি অপূৰ্ব সুৰৰ সংযোজন ঘটিছে, যেন সঁচাকৈ দূৰৰ পৰা ৰিণিকি ৰিণিকি ভাহি অহা স্থিৰ স্বৰৰ আৰ্তনাদহে। আন এটা ছদ্মবেশী গীত হৈছে 'দোলা হে দোলা'। গীতটো যদিও প্ৰথম অৱস্থাত শুনিলে বিহুৰ সুৰৰ আধাৰত ৰচিত যেন লাগে, দৰাচলতে ই সুৰটোৰ ছদ্মবেশহে। গীতটিৰ 'একাঁ-বেঁকা বাটেৰে কঢ়িয়াওঁ' শাৰীটোত দুটামান কোমল স্বৰৰ ব্যৱহাৰেৰে বাটৰ বক্ৰতাৰ প্ৰতীকধৰ্মী ইংগিত দিয়া হৈছে। এনে সৃষ্টিশীলতাৰ বিচিত্ৰ সমাহাৰ দেখিবলৈ পোৱা যায় ভূপেন হাজৰিকাৰ গীতত।



বহু সময়ত ভূপেন হাজৰিকাই পাশ্চাত্য সুৰৰ আধাৰত নিজৰ ধৰণে সুৰবোৰ সজাই লৈছিল। তাৰে ভিতৰত 'নামি আহা সুন্দৰৰে সেনা শিল্পীদল', 'তপ্ত তীখাৰে অগ্নি শক্তি', 'বিস্তীৰ্ণ পাৰৰে' আদি গীতৰ সুৰত পাশ্চাত্যৰ গায়নশৈলীৰ প্ৰভাৱ পৰিলক্ষিত হয়। প্ৰকৃততে তেওঁ য'তে যি ভাল বস্তু দেখিছিল, সকলোবোৰ নিজৰ গীতত সংযোজন কৰিছিল। যান-বাহনৰ গতিৰ সৈতে মিলাকৈ সুৰ দিয়া 'অটোৰিক্সা চলাওঁ আমি দুয়ো ভাই' গীতটোত

অটোৰিক্সাৰ একঁা-বেঁকা গতিৰ মাজত দুই ভ্ৰাতৃৰ আলাপ আৰু শীতৰ সময়ত যাত্ৰীহীন বাহন লৈ অৱশ মনেৰে ঘৰলৈ উভতি যোৱা ছবিখন সুন্দৰকৈ অংকিত কৰা হৈছে। ভূপেন হাজৰিকাই কোনো কোনো গীতত নিৰ্দিষ্ট একোটা বাদ্যযন্ত্ৰক অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হয়। মান্না দেৰ কণ্ঠৰ 'অ' বান্ধৈ' গীতটিত বাঁহীৰ সুৰত ইপাৰৰ পৰা সিপাৰলৈ বাই গৈ থকা নাও এখনৰ ছবি ভাহি উঠে। 'তোমাৰ হেনো নাম পত্ৰলেখা' শীৰ্ষক গীতটিত চেতাৰৰ সংযোজনে গীতটোক এক সুকীয়া পৰিচয় দিছে।

'জোনাকৰে ৰাতি অসমীৰে মাটি' গীতটোৰ অন্তৰা গাই উঠি তেওঁ দুনাই স্থায়ীলৈকে ঘূৰি অহা নাই। গীতটি আৰম্ভণিৰ পৰা শেষলৈকে ক্ৰমানুসাৰে গাই গৈছে। ইয়াৰ উপৰি গীতটিৰ শেষত দবাৰ কোবকেইটাই ৰাতিৰ অসমীয়া গাঁৱৰ নামঘৰৰ ছবি এখন অংকন কৰিছে। গীত এটিক ছবিৰ দৰে দৃশ্যময় কৰি উপস্থাপন কৰাত তেওঁ পাকৈত আছিল। আনহাতে, 'অয় অয় আকাশ শুব' গীতটিৰ তালৰ কোনো প্ৰকাশ্য ৰূপ নাই। ই সাধাৰণ হৈও নিজৰ মাজতেই অসাধাৰণ। ভূপেন হাজৰিকাৰ বহু গীত অসমৰ লোকগীতৰ ওপৰত আধাৰিত। 'হে মাই যশোৱা হে' এনে গীতৰ উদাহৰণ।

সাধাৰণতে ভূপেন হাজৰিকাই নিজৰ গীতসমূহত অন্য কোনো গায়কৰ হতুৱাই বাণীবদ্ধ কৰালে সেই কণ্ঠশিল্পীগৰাকীৰ গায়ন পদ্ধতি, কণ্ঠৰ শৈলী আৰু চৰিত্ৰৰ কথা মনত ৰাখি তেওঁ সুৰ ৰচনা কৰিছিল। 'এই ধুনীয়া গধূলি লগন' শীৰ্ষক গীতটি আশা ভোচলেৰ কণ্ঠৰ সৈতে খাপ খোৱাকৈ সুৰ ৰচনা কৰিছে। 'চিক্‌মিক্ বিজুলী' ছবিৰ 'পক্ষীৰাজ ঘোঁৰা' গীতটি কিশোৰ কুমাৰৰ গায়কীৰ চৰিত্ৰৰ ভিত্তিত সুৰ কৰা হৈছিল। গীতটিৰ আন এটা উল্লেখনীয় দিশ হ'ল—এসময়ত গৈ ই নাটকীয় মুহূৰ্তলৈ ৰূপান্তৰিত হয়। ই মূলতঃ আমাৰ আগত এখন ভাওনাৰ ছবি হিচাপে দাঙি ধৰে। যুদ্ধৰ পৰিবেশৰ পৰা পুনৰ গীতৰ মাজলৈ শ্ৰোতাক লৈ যাব পৰাটো কেৱল ভূপেন হাজৰিকাৰ পক্ষেহে সম্ভৱ আছিল।

ভূপেন হাজৰিকাৰ কিছুমান গীতত ভাৰতীয় শাস্ত্ৰীয় সংগীতৰো প্ৰভাৱ পৰিছে। 'নতুন নিমাতী নিয়ৰৰে নিশা' গীতটোৰ আৰম্ভণিতেই কেদাৰ ৰাগৰ সঁহাৰি পোৱা যায়, অৱশ্যে প্ৰথম কেইশাৰীমানৰ পাছত তেওঁ নিজ ইচ্ছাৰে হয়তো ৰাগ ৰূপ ভাঙি সুৰটো অন্যফালে লৈ গ'ল। আনহাতে 'স্নেহে আমাৰ শত শ্ৰাৱণৰ' গীতটিৰ সুৰ মেঘমল্লাৰ ৰাগৰ পৰা অহা যেন লাগে। মেঘমল্লাৰ ৰাগৰ কড়ি মধ্যম বৰ্জিত আৰু উত্তৰাংগ প্ৰধান স্বৰ প্ৰয়োগৰ পৰা ক'ব পৰা যায় যে গীতটিত মেঘমল্লাৰ ৰাগৰ ৰূপ ফুটি উঠিছে।

ভূপেন হাজৰিকাৰ গীতবোৰ বৈচিত্ৰ্যৰ সমাহাৰ। বিশ্বৰ বিভিন্ন ক্ষেত্ৰৰ পৰা এই বৈচিত্ৰ্যবোৰ বুটলি বিভিন্ন কাহিনী তেওঁ উপস্থাপন কৰিছে। ড° ভূপেন হাজৰিকাৰ গীতত ব্ৰহ্মপুত্ৰৰ এক সুকীয়া মৰ্য্যাদা আছে। তেওঁৰ গীতত ব্ৰহ্মপুত্ৰ কেতিয়াবা শান্ত-শীতল, কেতিয়াবা ধ্বংসাত্মক আৰু বিদ্ৰোহাত্মক ৰূপত প্ৰকাশ পাইছে। 'মহাবাহু ব্ৰহ্মপুত্ৰ, মহামিলনৰ তীৰ্থ' গীতটোত তেওঁ যুগ যুগ ধৰি ব্ৰহ্মপুত্ৰই বহন কৰি অহা সমন্বয়ৰ কাহিনী আওৰাইছে।

ভূপেন হাজৰিকাৰ গীতসমূহ একোখন সুবিশাল সাগৰৰ দৰে। কম পৰিসৰৰ ভিতৰত তেওঁৰ সকলোবোৰ গীতৰ বিচাৰ কৰাটো এটা কঠিন কাম। সেয়ে ইয়াত কেইটামান নিৰ্দিষ্ট গীতৰ বিষয়েহে উল্লেখ কৰা হৈছে।

ভূপেন হাজৰিকাৰ গীতে জনসাধাৰণৰ মনত ঠাই পোৱাৰ মূলতেই হৈছে তেওঁৰ গীতৰ মাজত শ্ৰোতাই নিজকে ক'ৰবাত বিচাৰি পায়। তেওঁৰ গীতত নিহিত হৈ আছে এক সমন্বয়ৰ বাৰ্তা। এই বাৰ্তাই অসমীয়া জাতিৰ চালিকা শক্তি। ❖



# এটি নাম পৰিক্ৰমা

**দিগন্ত ভাৰতী**

জুবিন স্পন্দন



'ধুমুহাৰ স'তে বহু যুগৰ নাচোন' নাচি ভাগৰুৱা হৈ অৱশেষত 'আকাশ গাত লৈ সাগৰতলিত' শুলেগৈ জুবিন !

সংগীতৰ পৃথিৱীত এক সুৰীয়া আন্দোলন হৈ আহিছিল জুবিন। শৈশৱ-কণ্ঠত, মন-মগজুত, চিন্তা-চেতনাত উক্মুকনি দি জাগি উঠা একো একোটা গান, একো একোটা সুৰীয়া প্ৰাণ। অধিকাৰ প্ৰতিষ্ঠাৰ নাছিল এই আন্দোলন, নাছিল তাত প্ৰাপ্যৰ দাবী। আছিল মাথোঁ সংগীত। কোনো নেতা নাছিল সেই আন্দোলনত আৰু নাছিল কোনো অনুগামী, পদাংক অনুসৰণকাৰী। সেয়াই জুবিনৰ হৃদয়ৰ সুৰীয়া আন্দোলন, য'ত জুবিনেই 'সমগ্ৰ'।

যোৱাটো শতিকাৰ শেষৰপিনে যেতিয়া 'বলিউড' প্ৰভাৰী সংগীতে অসমীয়া সংগীত মাধ্যমটোক হেঁচি ধৰি নিস্তেজপ্ৰায় কৰিছিলেই, তেতিয়া সংগীত-শিল্পী জিতুল সোণোৱালৰ গীত-মাতে ফিৰিঙতিৰ দৰে কাম কৰি আশাৰ পোহৰ নমাইছিল অসমীয়া আধুনিক সংগীতত। এই পোহৰেই জুবিনৰ হাতত ধৰি সূৰ্য্যসম শক্তিলৈ ৰূপান্তৰিত হ'ল আধুনিক সংগীত ক্ষেত্ৰখনত। জুবিনৰ যাদুকৰী কণ্ঠত আকৌ প্ৰাণ পাই ফুলি উঠিল আধুনিক





গীতৰ লগে লগে লোকগীত, টোকাৰী গীত, বাৰে-ৰহণীয়া জনগোষ্ঠীয় গীত, আনকি বৰগীতেও। এইবোৰ গীত-মাত মানুহে শুনিবলৈ পাহৰিয়েই পেলাইছিল। জুবিন গাৰ্গৰ মায়াভৰা কণ্ঠই এইসমূহক আকৌ ন ৰূপত শ্ৰোতা-দৰ্শকৰ মাজলৈ সজাই-পৰাই উলিয়াই আনিলে। 'জিতুল-উশাহ', 'জুবিন-বায়ুমণ্ডল' হ'ল। 'জিতুল-লহৰে' 'জুবিন-জোৱাৰ'ৰ ৰূপ ল'লে।

জুবিন গাৰ্গ বুলিলে আপুনি, মই, তেওঁ, সকলোৱে আৰম্ভ ক'ত জানিম, চিনিম, বুজিম, কিন্তু শেষ?? আছে জানো শেষ?? হ'ব জানো? অনস্বীকাৰ্য্য যে নাই আৰু নহয়। কিয় নাই? বা কিয় নহয়? শেষ? ইয়াৰ ব্যাখ্যা দিবলৈ গৈও হয়তো বহু উজুটি খাব লগা হ'ব পাৰে! কাৰণ জুবিন গাৰ্গ এটা নাম বা ব্যক্তি নহয়, ই এক সত্তা, অস্তিত্ব, যাক প্ৰতি অনুৰাগীয়ে অন্তৰাত্মাৰে উপলব্ধি কৰে। ই এক চিন্তা-চেতনা, যি শ্ৰোতা-দৰ্শকৰ মন-মগজুত প্ৰতিনিয়ত ক্ৰিয়া কৰি থাকে, এটি সুৰ হৈ, এক সান্ত্বনা হৈ, কিছু সাহস হৈ, আশাৰ সঁহাৰি হৈ। সপোন ভঙা কোনোবা দুচকুৰ বাবে জুবিনৰ গীত নতুন ৰঙীন সপোন। অন্যায়, অনীতি দেখি মোলান পৰা বুকুৰ বাবে প্ৰতিবাদ হৈছে জুবিনৰ কণ্ঠ। দুখীয়া, নিছলা, আৰ্তজনৰ বাবে সাহস হৈছে জুবিনৰ দুয়ো হাত। প্ৰকৃতি, পশু-পক্ষী, নদী, পাহাৰৰ বাবে দুৰন্ত প্ৰেমিক জুবিন গাৰ্গ। সমাজৰ প্ৰতিটো স্তৰৰ মানুহৰ হৃদয়ত দোলা দি থকা ৰোমাণ্টিক আবেদন আৰু প্ৰকাশভংগীৰে সদা সতেজ আহ্বান, জুবিন। ই এক পৰিক্ৰমা, সম্পূৰ্ণ সাংগীতিক, সাংস্কৃতিক। যাৰ আৰম্ভণি আছে, শেষ নাই।

সুদীৰ্ঘ জুবিন পৰিক্ৰমাত কেৱল গায়ক জুবিন গাৰ্গেই আছেনে? জুবিন বুলি ক'লে আমি কোনগৰাকীক বাছিম? গীত ৰচা গীতিকাৰ জুবিনক নে সুৰ বিলোৱা সুৰকাৰ জুবিনক? নে অভিনয়-দক্ষ জুবিনক? নে পৰিচালকজনক? জুবিন বুলি ক'লে আমি চৰাই-চিৰিকটি ভাল পোৱাজনক বাছিম নে জীৱ-জন্তুক মৰম কৰাজনক? নে ৰং-তুলিকাৰ চিত্ৰকৰ জুবিনক বাছি উলিয়াম? গছ, লতা, প্ৰকৃতিক ভাল পোৱা প্ৰেমিক জুবিনক আমি বাছি ল'ম নে ৰোগাক্ৰান্ত একাধিক লোকক বা অভাৱগ্ৰস্ত দুখীয়া ছাত্ৰজনক অৰ্থ-বৰঙণিৰে সহায় কৰোঁতা জুবিনক? নে কবি জুবিন গাৰ্গক? উত্তৰ আপোনাসৱলৈ এৰিলোঁ।

নাতিদীৰ্ঘ জীৱন কালছোৱাত প্ৰায় চল্লিছ হাজাৰ গানত কণ্ঠ নিগৰোৱা, একক প্ৰচেষ্টাৰে তিনিখনকৈ অসমীয়া ছবি নিৰ্মাণ কৰা, লগতে বহুকেইখন কথাছবিত অভিনয়েৰে সাঁচ বহুৱাব পৰা কৰ্মৰাজিৰে জুবিনে প্ৰায় অসাধ্য সাধন কৰা বুলিলেও বঢ়াই কোৱা নহ'ব। ডেৰশ-দুশ বছৰীয়া কৰ্ম পৰিক্ৰমা এটা পঞ্চাছ বছৰীয়া কৰি তোলাৰ এক বিদ্যুৎক্ষিপ্ৰ প্ৰক্ৰিয়া। প্ৰচলিত অৰক্ষয়ী নিয়মৰ বিপক্ষে থিয় দিয়া জুবিন গাৰ্গে নিজকে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ শিষ্য বুলি ক'বলৈ ভাল পাইছিল। সন্তোষ পাইছিল নিজকে ছ'চিয়েলিষ্ট বুলি কৈ। সামগ্ৰিক অসমীয়া সংগীত জগতক, ছবি জগতক আৰু সমাজ একত্ৰীকৰণ প্ৰক্ৰিয়াটোলৈ জুবিনৰ অনবদ্য বৰঙণি আটায়ে স্বীকাৰ কৰিব লাগিব। জাতিক জুবিনে বহু দিলে। এতিয়া আমাৰ দিবলৈ কেৱল অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলিহে আছে। জুবিনৰ সৃষ্টিৰাজিৰ পৰ্য্যায় ক্ৰমে বিজ্ঞানসন্মত অধ্যয়ন আৰু গৱেষণাৰ জৰিয়তে নতুন প্ৰজন্মৰ মাজলৈ নিৰ্ভুল তথা সঠিক মূল্যায়ন কৰি আগ বঢ়াই দিয়া এক আঁচনি তৈয়াৰ হওক। তাৰ বাবে সকলোৱে মিলিজুলি উপযুক্ত পৰিবেশ ৰচনা হোৱাত উদ্যোগ ল'ব লাগিব। এই চিন্তা-চেতনাৰে জুবিন গাৰ্গ সদায় আমাৰ মাজত 'বৰ্তমান' হৈ থাকিব, অমৰ হৈ থাকিব। থাকিব সাহস হৈ, প্ৰেৰণা হৈ। সেয়াই হ'ব মহান শিল্পীগৰাকীলৈ জনোৱা প্ৰকৃত শ্ৰদ্ধাঞ্জলি। ❖

---

*(অসমৰ এগৰাকী বিশিষ্ট গীতিকাৰ, সংগীত পৰিচালক দিগন্ত ভাৰতী অসম জাতীয় বিদ্যালয়ৰ বৰ্তমানৰ এগৰাকী শিক্ষাৰ্থীৰ অভিভাৱক।)*



# জুবিন : এক তৰংগ

**কৰিতা পাটগিৰি**
শিক্ষয়িত্ৰী, অসমীয়া আৰু সংস্কৃত বিভাগ



জুবিন—জু-বি-নক এগৰাকী গায়ক, সংগীতশিল্পী, অভিনেতা, চলচ্চিত্ৰ পৰিচালক, চলচ্চিত্ৰ নিৰ্মাতা এইবোৰ পৰিভাষাৰে সীমাবদ্ধ কৰিব পৰা যায়নে? নিশ্চয় নাযায়। তিনিটা দশক সংগীত সাধনাৰে তৰংগায়িত কৰা তৰংগৰ নামেই জুবিন। শৈশৱৰে পৰা 'মিউজিক কৰিম বুলি ভবা সপোন এটা'ক বুকুত কঢ়িয়াই লৈ ফুৰা সেই ল'ৰাটো দেখোন আজি পৃথিৱী কঁপাই দিয়া এটা কৰুণ সুৰ হৈ সকলোৰে হৃদয়ত বাজি আছে। সৰুৰে পৰা অতি মেধাৱী আৰু অধ্যয়নশীল জুবিন গাৰ্গে গতানুগতিক আনুষ্ঠানিক শিক্ষাৰে নিজক আগুৱাই নিয়াৰ বিপৰীতে সংগীতক জীৱন-সাধনা হিচাপে উদ্‌যাপন কৰি নিজকে তিল তিলকৈ গঢ়িলে। অসমৰ সংগীত জগতত বিংশ শতিকাৰ শেষৰফালে কিছু স্থবিৰতা আহিছিল। অৱশ্যে সেই সময়ছোৱাতো ড° ভূপেন হাজৰিকাৰ সংগীতৰ সুধা অসমৰ সৰ্বত্ৰ বিয়পি আছিল। কিন্তু মানুহে সদায় নতুন চিন্তা-চেতনা, পৰিৱৰ্তন বিচাৰে আৰু সেই পৰিৱৰ্তন সংগীতৰ ক্ষেত্ৰখনত আনি দিছিল জুবিন গাৰ্গে। চুলি দীঘল, মৰমলগা মুখৰ সেই গায়কৰ কণ্ঠত নিগৰা 'অনামিকা' কেছেটৰ গানবোৰ প্ৰথমতে সেই সময়ৰ প্ৰজন্মৰ বাবে এক ধৰণৰ নিচাত পৰিণত হৈছিল। অসমৰ সেই সময়ৰ অস্থিৰ সামাজিক পৰিবেশত জুবিনৰ এটাৰ পাছত এটাকৈ মুক্তি পোৱা কেছেটৰ গানবোৰ কেৱল মানুহৰ মুখে মুখে জনপ্ৰিয় হোৱাই নহয়, সেইবোৰ হৃদয়ৰ সুৰ হৈ বাজিবলৈ লৈছিল। সেই সময়ত ষ্টেৰিঅ', টেপ ৰেকৰ্ডাৰ, ৱাকমেনত অসমৰ ঘৰে ঘৰে বাজি উঠা জুবিনৰ গান সেইটো প্ৰজন্মৰ বাবে প্ৰেম-বিষাদ, বাসনা-বৈভৱ, আশা-নিৰাশা, উন্মাদনাৰ সংগী আছিল। জুবিনৰ গানৰ মাজেৰে কৈশোৰ, যৌৱন পাৰ কৰি জীৱনক উপলব্ধি কৰা প্ৰজন্মটোৰ বাবে জুবিন হৈ পৰিল এক আবেগ। অনবৰতে সৃষ্টিৰ কৰ্ষণত টগবগাই থকা জুবিনে পৰিৱৰ্তন বিচাৰিছিল মানুহৰ মনৰ, মানুহৰ চেতনাৰ কিম্বা মস্তিষ্কৰ। তেওঁক অনুসৰণ কৰি পাছে পাছে নতুনসকলেও আগবাঢ়িবলৈ সাহ পালে।

নতুন প্ৰজন্মক উৎসাহিত কৰা, কৰ্মমুখী কৰা, সময়ে সময়ে অন্যায়ৰ বাবে প্ৰতিবাদী কণ্ঠ হোৱা, আৰ্ত-দৰিদ্ৰজনৰ কাষত এপলক ৰৈ সহায় কৰা জুবিন নামৰ মানুহজনক সময়ৰ কঠিন শিলে এক শক্তিলৈ ৰূপান্তৰ কৰিলে। তেওঁৰ মৃত্যুৱে এই কথা প্ৰমাণ কৰিলে যে তেওঁ অসম আৰু অসমীয়াৰ বাবে কি আছিল, তেওঁ কি কৰা নাছিল। তেওঁৰ শ্ৰমৰ উপাৰ্জনৰ এক বৃহৎ অংশ অভাৱী, ৰোগী, উচ্চশিক্ষা ল'ব বিচৰা কোনোবা দুখীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে ব্যয় কৰিছিল। অথচ সেই কথা সমাজৰ উচ্চস্তৰৰ বহু লোকে জনা নাছিল অথবা জানিবলৈ আগ্ৰহ দেখুওৱা নাছিল। অসম আৰু অসমীয়াক প্ৰাণভৰি ভালপোৱা জুবিন গাৰ্গে মুম্বাইত

'য়া আলী' গানেৰে নিজক প্ৰতিষ্ঠিত কৰাৰ পাছত আন বহুতো সুযোগক আওকাণ কৰি অসমলৈ ঘূৰি আহিছিল। অসমত মানুহৰ মাজতে থাকি মানুহৰ হৈ সংগীতেৰে, কৰ্মেৰে জীয়াই থাকিবলৈ বিচাৰিছিল জুবিনে। জুবিন গাৰ্গৰ হৃদয়ত অনবৰতে এখন ভালপোৱাৰ খৰস্ৰোতা নৈ বৈ আছিল, যিখন নৈয়ে সময়ে সময়ে মানুহৰ হৃদয়ে হৃদয়ে ভালপোৱাৰ সুঁতি বোৱাই দিলে, কেতিয়াবা আকৌ অন্যায় ৰোধৰ বাবে সেই নৈখন উদ্দাম হৈ উঠিল। তেওঁৰ দৰে এগৰাকী ব্যক্তিয়ে প্ৰবল ইচ্ছাশক্তিৰে নিজক নিৰ্মাণ কৰিব পাৰে নিজৰ দৰেই।

জুবিন গাৰ্গে বিভিন্ন সময়ত নিজৰ কামেৰে, কথাৰে স্বীকাৰ কৰিছিল যে তেওঁ বিষ্ণু ৰাভাক ভাল পাইছিল ভীষণভাৱে। কাৰ্ল মাৰ্ক্স, চে গুৱেভাৰাৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ তেওঁ নিজা এক দৰ্শনেৰে নিজক গঢ়িছে। বিষ্ণু ৰাভাৰ গতিশীল চৰিত্ৰই তেওঁক আকৰ্ষিত কৰিছিল। বিষ্ণু ৰাভাই যিদৰে নিজৰ সকলো উজাৰি দিছিল সৰ্বহাৰাক, সেইদৰে জুবিনেও সৰ্বহাৰাৰ বাবে কাম কৰিবলৈ ওলাই আহি নিজৰ সৰ্বস্ব উজাৰি দিছিল। তেওঁৰ মৃত্যুৰ পাছত এনে অনেক কথা আৰু ঘটনা মানুহৰ মুখে মুখে পবিত্ৰ বাণীৰ দৰে আজি বিয়পি পৰিছে।

কাৰ্ল মাৰ্ক্সে কৈছিল— সকলো মানুহেই প্ৰাকৃতিক, অৰ্থনৈতিক, সামাজিক, ৰাষ্ট্ৰীয় সকলো বাধ্যবাধকতাৰ পৰা ক্ৰমাগতভাৱে অধিক মাত্ৰাত মুক্ত হৈ সকলো ধৰণৰ কৰ্মক্ষেত্ৰত স্বাধীন স্ৰষ্টা বা শিল্পীৰূপে নিজক গঢ়িবলৈ বিচাৰে। এনে এক চেতনা জুবিনৰ চেতন-অৱচেতনত আছিল আৰু সেয়ে তেওঁ মুক্তভাৱে ক'ব পাৰিছিল—

"মোৰ কোনো জাতি নাই
মোৰ কোনো ধৰ্ম নাই
মোৰ কোনো ভগৱান নাই
মই মুক্ত
ময়েই কাঞ্চনজংঘা"

ছবি আঁকা, গান গোৱা, কবিতা লিখাই কেৱল শিল্প নহয়। সমাজ-সংস্কাৰো এক কঠিন কিন্তু অমূল্য শিল্প। বুদ্ধ, যীশু, মহম্মদ, শংকৰদেৱৰ আদৰ্শ ধৰ্মমতেৰে যি সমাজ-সংস্কাৰ হৈছিল, সেয়া আছিল মহৎ শিল্প। একেদৰে জুবিন গাৰ্গেও নিজৰ সৃষ্টি-কৰ্মৰে তিনিটা দশকত যি সংস্কাৰ সমাজক, মানুহক দি গ'ল, সেয়া এক মহৎ শিল্পৰ ৰূপ পালে। জাতিহীন, শ্ৰেণীহীন, ধৰ্মহীন সমাজ গঢ়িব বিচৰা তেওঁৰ যি স্বপ্ন আছিল, সেই স্বপ্ন আজি তেওঁৰ মৃত্যুত শোকাৰ্ত হৈ ওলাই অহা অগণন জনতাই পূৰ কৰি দেখুৱালে।

প্ৰকৃত শিল্পী সদায় বিপ্লৱী, কাৰণ নতুন সৃষ্টিৰ বাবে তেওঁলোকে নতুন পথেদি যাবলৈ উদগ্ৰীৱ হৈ আগবাঢ়ে। আনে যোৱা বাটে নগৈ নতুন পথ ল'বলৈ হ'লে বিপ্লৱী মনোভাব আৰু সাহসৰ প্ৰয়োজন। শংকৰদেৱ, বিষ্ণু ৰাভাৰ আদৰ্শক জুবিনে অনুসৰণ কৰিছিল। তেওঁ বিভিন্ন সময়ত কৈছে কৃষ্ণক তেওঁ ভাল পায়। আনহাতে কৃষ্ণ-সংস্কৃতিক মানুহৰ হৃদয়ত স্থাপন কৰা শিল্পী আছিল মহাপুৰুষ শংকৰদেৱ। সেয়ে হয়তো মহাপুৰুষ শংকৰদেৱে যিখন বৰঅসম গঢ়াৰ সপোন আজীৱন কঢ়িয়াই তাক কাৰ্য্যত পৰিণত কৰিছিল সেই আদৰ্শতে জুবিনেও নিজৰ কামবোৰ কৰি গৈছিল পৰিবৰ্তনৰ মাজেৰে স্ব-দৰ্শনেৰে। প্ৰকৃত শিল্পীয়ে বিচাৰে এটা মুক্ত মন আৰু মুক্ত পৰিৱেশ। জুবিনৰ শিল্পীমনৰ যুক্তিত বাধা-নিষেধ, কটু সমালোচনা সদায়ে প্ৰত্যাহ্বান হৈ থিয় দিছিল। তেওঁ অন্তৰ্জগত আৰু বহিৰ্জগতৰ মুকলি বতাহত নিজৰ বাবে এটা পৰিৱেশ তৈয়াৰ কৰি লৈছিল, য'ৰ পৰা তেওঁৰ সৃষ্টিয়ে এটা বাট বিচাৰি লৈছিল।

জুবিন গাৰ্গক আমি কেনেকৈ জীয়াই ৰাখিম প্ৰজন্মৰ পৰা প্ৰজন্মলৈ? জুবিনৰ মৃত্যুত তেওঁক বুকুৰ মাজত কঢ়িয়াই ফুৰাসকলে আজি শোকৰ বন্যাত ডুবি আছে। যিসকলে আকৌ জুবিনৰ দৰদী কণ্ঠৰ কোনোকালে অনুৰাগী নাছিল অথবা জুবিনৰ গান শুনি উজাগৰী নিশা জোনাক চোৱা নাছিল, সেইসকলে জুবিনক নতুনকৈ আবিষ্কাৰ কৰি কি হেৰুৱালোঁ বুলি অন্য এক ধৰণৰ শোকত আজি দগ্ধ। জুবিন আছিল সঁচা



অর্থত মানুহ, মানুহক ভাল পোৱা মানুহ; গছ ভালপোৱা মানুহ; প্ৰকৃতিক ভালপোৱা মানুহ; বাটৰ পৰা বুটলি আনি বান্দৰ, বগলীৰ যতন লোৱা মানুহ; নাহৰ গছ ৰুবলৈ কোৱা মানুহ; দুখীয়া মানুহৰ লগত থাকি ভালপোৱা মানুহ, ঠেলাৱালা, ৰিক্সাৱালাই বুজি পোৱাকৈ গান লিখিব, গাব বিচৰা মানুহ। মোৰ কোনো ধৰ্ম নাই বুলি কোৱা জুবিনৰ আছিল এটাই ধৰ্ম—মানৱতা। জীৱনটো মানুহক দিব বিচৰা জুবিনে নিজকে 'সাধাৰণ মানুহ' বুলি ভাবিবলৈ সকলোকে কৈছিল, মানুহে তেওঁক 'ঘৰৰে মানুহ' বুলি ভাবে বুলি কৈছিল। কিমান বেছি সৰল হ'লে এজন ব্যক্তিয়ে এনেকৈ ক'ব পাৰে, সেয়া সঁচাকৈয়ে ভাবিবলগীয়া।

অসমক কিমান বেছি ভাল পালে কোনোবাই এনেকৈ ক'ব পাৰে, অসমৰ কাৰণে ভাবিব পাৰে? পাৰে, কেৱল জুবিনেই ক'ব পাৰে— "অসম কিমান ধুনীয়া। অসমতকৈ ধুনীয়া জেগা আছে নেকি? অসম বুলি নহয়, গোটেই নৰ্থ-ইষ্টখনেই অদ্ভুত এখন ৰাজ্য। ইণ্ডিয়াৰ কোনো ষ্টেটৰ লগত নিমিলে, কোনো জেগাৰ লগত নিমিলে। আমাৰ বৰষুণ আছে, আমাৰ বানপানী আছে। আমাৰ মৰুভূমি নাই বাৰু, কিন্তু আমাৰ খৰাঙো আছে। আমাৰ বালি আছে, বালি-চাপৰি আছে। কি নাই? পথাৰ আছে, চাহ বাগান আছে, পেট্ৰ'ল আছে, ডিজেল আছে, কয়লা আছে। বৃটিছে এনেই লোৱা নাছিল এইটো জেগা। ইয়াত এনেয়ে গুটি দলিয়াই দিলে গছ গজি যায়। অন্য ষ্টেটত গুটি এটা সিঁচি তাক বহুত প্ৰতিপাল কৰিব লাগে, ইয়াত নালাগে। ইমানবিলাক বস্তু আছে তাক আমি promote কৰিব পৰা নাই, কথাটো সেইটো। সেইটো মোৰ এটা দায়িত্ব বুলি ভাবোঁ। আৰু টুৰিজিম, ইমান ধুনীয়া টুৰিজিমৰ আমাৰ স্কোপ আছে, so we should promote it. নহ'লে আমি নকৰিলে কোনে কৰিব? বিশেষকৈ মই নকৰিলে কোনে কৰিব? মই কৰিব লাগিব। গতিকে সেইটো মোৰ দায়িত্ব।"

আমাৰ ভাষা, জাতি, সংস্কৃতিক বিশ্বত প্ৰতিষ্ঠিত কৰি থৈ যোৱা জুবিন গাৰ্গৰ কিমান যে কাম কৰিবলৈ থাকি গ'ল। কিমান যে সপোন আধৰুৱা হৈ ৰ'ল। জাতিটোৰ হৈ সজোৰে মাত মতা জুবিনক আমি জীয়াই ৰাখিব লাগিব প্ৰজন্মৰ পৰা প্ৰজন্মলৈ।

জুবিন নামৰ ভালপোৱাৰ ধুমুহাজাকক কঢ়িয়াই লৈ যাব—

আমাৰ ল'ৰা-ছোৱালীবোৰে
সাধুকথাৰ দৰে ক'ব
কৈ কৈ উচুপিব
কৈ কৈ হাঁহিব
ৰৈ ৰৈ বিনাই গান গাব
অসম দেশত এজন ৰজা আছিল
সেই ৰজাই মানুহক ভাল পাব
জানিছিল পাগলৰ দৰে
ৰজাজনে গছ ভাল পাইছিল।
গছকটা মানুহক ঘিণ কৰিছিল আৰু বিপ্লৱ কৰিছিল
ৰজাজনে কাকো খাতিৰ কৰা নাছিল
ৰজাজনৰ তেজৰ ৰং ৰঙা নাছিল
আছিল সেউজীয়া
ৰজাজনে গোৱা গানৰ সুৰবোৰ আছিল
সপোনৰ মায়াৰ ধুমুহাৰ ৰ'দৰ জোনাকৰ শক্তিৰ
মানৱতাৰ
আবেগৰ
ৰজাই নৈ হৈ বোৱাই দিছিল সুৰবোৰ
হেজাৰজনৰ বুকুৰে বুকুৰে
ৰজাজনে নিজৰ দৰে জী থাকিল
সকলোৰে তেজে তেজে
ভণ্ড শাসকৰ অন্ধ শাসনৰ বিৰুদ্ধে
মাত মতা ৰজাজনক আমিয়েই জীয়াই ৰাখিব লাগিব
জুবিন জুবিন
জুবিনৰ দৰেই... ❖





# জুবিন গাৰ্গৰ গীত

**মানসজ্যোতি শৰ্মা**
শিক্ষক, অসমীয়া আৰু সংস্কৃত বিভাগ



বিংশ শতিকাৰ শেষৰ দশকত অসমীয়া সংগীত জগতত খোজ পেলাইছিল আপাতদৃষ্টিত এজন সাধাৰণ যুৱকে। ১৯৭২ চনত জন্মলাভ কৰা এই যুৱকজনে ১৯৯২ চনত নিজৰ পৰিচালনাৰে মুম্বাইৰ খ্যাতনামা কণ্ঠশিল্পী কবিতা কৃষ্ণমূৰ্তিৰ সৈতে কণ্ঠদান কৰি 'অনামিকা' নামৰ প্ৰথমটি গীতৰ এলবাম প্ৰস্তুত কৰি উলিয়ায়। তেতিয়াৰ পৰাই ২০২৫ চনলৈকে প্ৰায় ৩৮,০০০ গীতত কণ্ঠদান কৰি সেই যুৱকজন হৈ পৰিল অসমীয়া আধুনিক সংগীতৰ এক যুগসৃষ্টিকাৰী শিল্পী। তেৱেঁই হ'ল জুবিন গাৰ্গ। বহু ভাষাত কেইবা সহস্ৰাধিক গীতত কণ্ঠদান কৰা, সুৰ আৰু সংগীতেৰে গীত এটিক সজাই তোলা কামতেই যে জুবিন গাৰ্গ বিশিষ্ট আছিল তেনে নহয়, তেওঁ হ'ল অসমীয়া সংগীতৰ ক্ষেত্ৰখনৰ বহুবোৰ কালজয়ী গীতৰ গীতিকাৰ। আমাৰ এই আলোচনাই জুবিন গাৰ্গে ৰচনা কৰি গোৱা গীতবোৰক সামৰি ল'ব।

জুবিন গাৰ্গে ৰচনা কৰা গীতৰ সামগ্ৰিক আলোচনা এটা বৰ বিশাল আৰু গভীৰ বিষয়। ৰোমাণ্টিক কল্পনাৰে উচ্ছল গীতৰ পৰা শাসক-শোষকৰ বিৰুদ্ধে প্ৰতিবাদৰ অগ্নিস্ফুলিংগ প্ৰকাশক গীত, সমাজৰ বাস্তৱ চিত্ৰ প্ৰকাশক গীতৰ পৰা শিশু মনস্তত্ত্ব প্ৰকাশক গীতলৈকে বেলেগ বেলেগ বিষয়েৰে সমৃদ্ধ হৈ আছে জুবিন গাৰ্গে ৰচনা কৰা গীতসমূহ। প্ৰাৰম্ভিক পৰ্য্যায়ত জুবিনে লিখা গীতসমূহত প্ৰবল আবেগেৰে পৰিপূৰ্ণ ৰোমাণ্টিক প্ৰেমৰ ভাব বেছিকৈ প্ৰকাশিত হৈছে। উল্লেখযোগ্য কথাটো হৈছে জুবিনৰ গীতৰ এই ৰোমাণ্টিকতা কিন্তু ভাবাবেগৰ অপৈণত প্ৰকাশ নহয়, ভাবৰ সাৱলীল প্ৰকাশ আৰু শব্দৰ উৎকৃষ্টতম বিন্যাসেৰে এই গীতসমূহ উন্নতমানৰ হৈ উঠিছে। 'হাঁহিলে তুমি' শীৰ্ষক গীতটিৰ কথা এইখিনিতে উল্লেখ কৰিব পাৰি—

"সোণতৰা সপোনৰ পাৰ ভাঙি
অসীমলে' আহিলা তুমি আজি
কত যে দুখৰ ধুমুহা
পাৰ হৈ আহি আহি
সেউজীয়া এটি ছবি
মনৰ মাজতে আঁকি
ৰৈ আছোঁ অনামিকা"

উল্লিখিত স্তৱকটিত প্ৰেম বা ৰোমাণ্টিকতা সাধাৰণ দৈনন্দিনতাত আবদ্ধ হৈ থকা নাই, দৈনন্দিনতা বা স্বাভাৱিকতাৰ 'সোণসৰা সপোন' পাৰ হৈ সেই প্ৰেম 'অসীমলে' ' অৰ্থাৎ গভীৰলৈ গতি কৰিছে। 'দুখৰ ধুমুহা'য়ো ক্লান্ত কৰিব নোৱাৰা প্ৰেমিকে মনৰ মাজত আঁকে সেউজীয়া ছবি। শব্দৰ আক্ষৰিক অৰ্থক অতিক্ৰম কৰি যি ব্যঞ্জনা গীতফাকিয়ে শ্ৰোতা বা পাঠকক দিব পাৰিছে, ইয়ে জুবিন গাৰ্গৰ কাব্যিক প্ৰতিভাক বৰ সুন্দৰকৈ দাঙি ধৰিছে।

ৰোমাণ্টিক প্ৰেম-চেতনাযুক্ত অনুভূতি বৰ সুন্দৰকৈ ফুটি উঠিছে 'মেঘৰ বৰণ' গীতটিত—

"এতিয়া তুমি যেন মোৰ মোৰ
তথাপিতো তুমি দূৰ দূৰ...



এন্ধাৰৰ গান বহু গালোঁ
বাট চাওঁতেই শিল হ'লোঁ..."

উল্লিখিত গীতফাকি বক্তাৰ প্ৰেমক লৈ অতৃপ্ততাৰ অনুভূতি প্ৰকাশিত হৈছে। প্ৰেম মানেই কেৱল আনন্দ নহয়, তাত নোপোৱাৰ দুখো থাকে। জুবিন গাৰ্গে সেই দিশটোকো গীতৰ মাজেৰে তুলি ধৰিছে। গীতফাকিত মোৰ মোৰ, দূৰ দূৰ আদি শব্দৰ যথাস্থানত প্ৰয়োগে ধ্বনি ব্যঞ্জনাৰ সৃষ্টি কৰি শুনোতাক সুখানুভূতি প্ৰদান কৰিছে বুলি ক'ব পাৰি। সমালোচকে কোৱা "ব্যঞ্জনাময়তা সংগীতৰ অন্যতম উপাদান" এই কথাষাৰ জুবিনৰ গীতৰ ক্ষেত্ৰত প্ৰযোজ্য হয়। সেয়েহে জুবিনে লিখিছে—'জোনাকী জোনাকী তোমাৰ দুচকুত।' প্ৰেমিকাৰ চকু জোনাকৰ দৰে, শান্ত, প্ৰশান্তি দিব পৰা। অথবা সেই চকু জোনাকী পৰুৱাৰ দৰে, গভীৰ অন্ধকাৰ অৰ্থাৎ প্ৰতিকূল পৰিস্থিতিতো পোহৰৰ আশাৰ ৰেঙনি হৈ থিয় দিব পৰা। আপাত সাধাৰণ শব্দৰ কৌশলী প্ৰয়োগত গীত হৈ পৰিছে অৰ্থৰ বহুস্তৰ বিশিষ্ট।

কৌশলী গীতিকাৰৰ পূৰঠ হাতৰ পৰিচয় পোৱা যায় জুবিন গাৰ্গৰ অন্য এটি বিখ্যাত গীত 'আঁউসীৰ জোন মোৰ'ত—

"আঁউসীৰ জোন মোৰ সমুখতে
সেমেকা চকুলো দুগালতে
নিজানৰ ৰাতি মোৰ কেতিয়াকে
পুৱাব, খেলিব ৰ'দে স'তে
তুমি আহিবা এদিনা ৰং দিবা দুচকুত..."

এই গীতটো সাধাৰণ দৃষ্টিত বিশুদ্ধ প্ৰেমৰ গীত। গীতিকাৰে যেন তেওঁৰ আপোনজনক লৈ কথাখিনি প্ৰকাশ কৰিছে। কিন্তু গীতটোৰ গূঢ়াৰ্থ ভালদৰে গমি চালে দেখা যায় যে সাধাৰণ প্ৰেমৰ অৰ্থতকৈও বেলেগ অৰ্থ ইয়াত সোমাই আছে। আঁউসীৰ অন্ধকাৰৰ, অৰ্থাৎ জীৱনৰ অন্ধকাৰময় প্ৰতিকূল সময়ত শুভৰূপত অহা যিকোনো কথা, সুযোগ, বন্ধু, প্ৰকৃতি সকলোকে যেন গীতটোত থকা 'তুমি' শব্দটোৱে সামৰি লৈছে। এই শুভবোধৰ আগমনে প্ৰতিকূলতাক ওফৰাই দুচকুত ৰং বোলাই দিব, ৰাতি পুৱাব। আকৌ গীতফাকিত উল্লেখ কৰা মতে প্ৰেমাস্পদ যেন 'আঁউসীৰ জোন'। আঁউসীত জোন, এক বৈপৰীত্য প্ৰকাশক বাক্যাংশ। আঁউসীৰ দিনা জোন থাকে জানো? আমি চকুৰে প্ৰত্যক্ষ কৰা মতে নাথাকে, কিন্তু আমি দেখা নাপালেও চন্দ্ৰ বা জোনৰ অস্তিত্ব সদায় থাকে। তেনেদৰে আমাৰ জীৱনৰ সুখ-দুখ সকলোতে (পূৰ্ণিমা-অমাৱস্যা) আমাৰ প্ৰিয়জন আমাৰ লগতেই থাকে। কেতিয়াবা দেখাকৈ অথবা কেতিয়াবা আনে নেদেখাকৈয়ে আমাৰ শুভচিন্তক হৈ ৰয়। জোনৰ দৰে সকলো সময়তে তেওঁৰ অস্তিত্ব বৰ্তমান। অৰ্থৰ এই ধৰণৰ বিস্ময়কৰ প্ৰকাশে জুবিনক কম বয়সতে পৰিপক্ক গীতিকাৰৰ মৰ্য্যাদা দিছে।

ৰোমাণ্টিক প্ৰেমৰ জগতখনৰ পৰা সামাজিক দায়বদ্ধতালৈ জুবিনৰ ৰূপান্তৰ ঘটিছে 'শিশু', 'যন্ত্ৰ' আদি এলবামৰ গীতত। সামাজিকভাৱে দায়বদ্ধ প্ৰতিবাদী সত্তাটোও প্ৰেমৰ সমান্তৰালকৈ গীতৰ মাজেৰে প্ৰকাশিত হৈছে। তেনে এটি প্ৰতিবাদী কণ্ঠস্বৰযুক্ত গীত হৈছে 'অন্ধ আকাশ ৰুদ্ধ বতাহ'।

"অন্ধ শাসন ভণ্ড শাসক, অৰ্থ লোভৰ নগ্ন যুঁজত
জীৱন মৰণৰ স্বপ্ন বাহক, মগ্ন বিভোৰ অন্ধ সুখত..."

ক্ষমতাক অৰ্থলাভৰ হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰা, জনতাৰ 'স্বপ্নৰ বাহক' হৈও জনতাৰ সুখ-দুখৰ প্ৰতি পিঠি দি নিজে সুখত নিমজ্জিত হৈ থকা শাসকৰ প্ৰতি তীব্ৰ বিযোদগাৰ প্ৰকাশ পাইছে গীতটিৰ মাজেৰে।

সমসাময়িক সমাজৰ এখন স্পষ্ট প্ৰতিচ্ছবিও জুবিনৰ গীতৰ মাজেৰে প্ৰকাশিত হৈছে। জুবিনৰ সমাজ চেতনা প্ৰগাঢ়। জুবিনৰ যৌৱন কালছোৱাৰ অসমখন উগ্ৰবাদী সমস্যা, গোষ্ঠীগত সংঘৰ্ষ আদিৰে ভাৰাক্ৰান্ত আছিল। বিংশ শতিকাৰ শেষ দশক তথা একবিংশ শতিকাৰ অসমত বহুতো নঘটিবলগীয়া ঘটনা ঘটিছিল আৰু সেইবোৰৰ ভুক্তভোগী হৈছিল সাধাৰণ জনতা। এইবোৰ ঘটনাই জুবিনৰ শিল্পীপ্ৰাণক জোকাৰি গৈছিল। মৃত্যুৰ কিৰীলি শুনি জুবিনে লিখিছিল—

"মৃত্যু এতিয়া সহজ
মৃত্যু এতিয়া উছৰ..."

আনকি মৃত্যুক শিল্প বোলা কবিৰ বক্তব্যৰ ওপৰত মৃত্যুৰ বিভীষিকা দেখি গীতৰ মাজেৰেই প্ৰশ্ন কৰি উত্থাপন কৰিছে—

"মৃত্যু যদি শিল্প হয়
মৃত্যু কিদৰে সুলভ..."

সেই সময়ৰ অসমৰ বাস্তৱ পৰিস্থিতিক আৰু অধিক স্পষ্ট ৰূপত ফুটাই তোলা হৈছে 'সোণেৰে সজোৱা পঁজা' শীৰ্ষক গীতটিত। শান্তিৰ গাঁওখনৰ চিনাকি ছবিখন যেন হেৰাই গৈছে দুঃসময়ৰ কবলত পৰি—

"বুঢ়ী আইৰ জুহালতে চকুলো শুকায়
দেউতাৰো একে দশা পদূলিলে চাই
বহুদিন হ'ল সৰু বোপাৰ মুখ দেখা নাই
চেনেহীৰ আকাশত আজি জোন তৰা নাই।
হালৰ গৰু গোহালিতে পথাৰো শুকায়
ৰাতি হ'লে গুলীৰ শব্দ ৰজনজনায়।"

এটা গীততেই গাঁৱৰ নিভাঁজ চিত্ৰ এখন আঁকি সেই ছবিখনৰ ধ্বংসাত্মক ৰূপটোও একেলগে দেখুৱাই দিব পৰাটো দক্ষতাৰ পৰিচায়ক। গীতটিৰ প্ৰতিটো বাক্যই একোখন ফটোগ্ৰাফৰ দৰে পাঠক-শ্ৰোতাৰ আগত ধৰা দিয়ে।

'প্ৰতিটো প্ৰহৰ' গীতটিত 'প্ৰতিটো' শব্দটোৰ পুনঃ পুনঃ প্ৰয়োগেৰে বিস্তৃত আৰু বিবিধ অৰ্থৰ প্ৰকাশ কৰিছে। ঘৃণা, হিংসা, অৱসাদে ত্ৰস্ত কৰি তোলা প্ৰতিগৰাকী নাগৰিকৰ, প্ৰতিটো পলৰ অনুভৱ ব্যঞ্জিত হৈছে এই গীতটিত।

"প্ৰতিটো যুগৰ অৱশেষ আজি
প্ৰতিটো প্ৰাণত প্ৰতিটো খণ্ডৰ
প্ৰতিটো ঘৃণাৰ সীমাহীন ছবি..."

সমসাময়িক বিভীষিকাময় পৰিস্থিতিয়ে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে সকলোৰে ওপৰত প্ৰভাৱ পেলাইছে। প্ৰতিগৰাকী মানুহ প্ৰভাৱিত হোৱাৰ ব্যঞ্জনা 'প্ৰতিটো' শব্দৰ পুনৰুক্তিৰে আচৰিত ধৰণে কৌশলপূৰ্ণভাৱে গীতিকাৰে প্ৰকাশ কৰিছে। ই সঁচাকৈয়ে চমকপ্ৰদ।

এই বিভীষিকাময় পৰিস্থিতিয়ে সৃষ্টি কৰা অবক্ষয়ৰ প্ৰতি বিৰোধ প্ৰদৰ্শন কৰি গীতিকাৰ জুবিনে সেই পৰিস্থিতি সৃষ্টিকাৰী পক্ষক পোনপটীয়াকৈ প্ৰশ্ন উত্থাপন কৰিছে—

"গুলী, বাৰুদ, ধোঁৱা উৰুৱাই
নিৰপৰাধ শিশু কন্দুৱাই
কিনো পালা তুমি..."

প্ৰশ্ন উত্থাপন কৰাই নহয়, জনতাৰ প্ৰাণৰ আহ্বানকো যেন গীতৰ মাজেৰে তুলি ধৰিছে—

"শান্তি দিয়া মুক্তি দিয়া
সোণৰ অসম ৰচিবলৈ
সেউজ দিয়া, শস্য দিয়া
চিৰকাল ফুলিবলৈ..."

এগৰাকী সহৃদয় শিল্পী হিচাপে সমাজ পৰিবৰ্তনৰ প্ৰতি মানুহৰ আকাংক্ষাক জুবিনে হৃদয়ংগম কৰিব পাৰিছিল আৰু সহস্ৰজনৰ কণ্ঠস্বৰ হৈ গীতৰ মাধ্যমেৰে প্ৰতিবাদো কৰিছে আৰু শান্তিৰ অসমৰ দাবীও কৰিছে। যুৱচামৰ প্ৰতিনিধি হৈ অতীতক আকুলতাৰে স্মৰণ কৰি গীতৰ মাজেৰে মনৰ ইচ্ছাক প্ৰতিফলিত কৰিছে এনেদৰে—

"দিয়া ঘূৰাই দিয়া, পৃথিৱী আমাৰ আমাৰ
আইতাৰে সাধু, তৰালি ভৰা চোতাল
আনা ঘূৰাই আনা, ধৰা নিভাঁজ হিয়াৰ...
সেয়াই লাগে আমাক
নালাগে ওলোটা পৃথিৱী..."

এয়া যেন সকলোৰে আকাংক্ষা। নিজৰ সমাজখনৰ প্ৰতি, জন্ম ঠাইখনৰ প্ৰতি ভালপোৱা আৰু দায়বদ্ধতাৰ প্ৰকাশেৰে এখন জটিলতাবিহীন সৰল পৃথিৱী গীতিকাৰৰ একান্ত কাম্য। সেই পৃথিৱীখন হ'ব শিশুৰ দৰে নিষ্পাপ, সৰল। সেয়েহে জুবিনেৰ সুন্দৰ চিত্ৰকল্প এটা ব্যৱহাৰ কৰিছে 'দিয়া ঘূৰাই দিয়া' শীৰ্ষক গীতটিত। 'শেৱালি পাহিত দুভৰি ঠুনুক-ঠানাক'—শিশু এটিক ফুলৰ লগত সংযোজিত কৰি গঠন কৰা চিত্ৰকল্প।



ফুলো নিৰ্বাচন কৰা হৈছে সচেতনভাৱে, অইন ফুল নহয়, শেৱালিহে। বাৰিষাৰ ক্লেদাক্ত পৰিবেশৰ অন্তত নিৰ্মল শৰতৰ প্ৰতীক শেৱালি ফুলৰ নিৰ্বাচনে গীতটিক অধিক অৰ্থবহ কৰিছে।

এইখিনিতে বিশিষ্ট কবি অজিৎ বৰুৱাৰ কবিতাৰ প্ৰসংগ উল্লেখ কৰিব পাৰি। অজিৎ বৰুৱাই 'গুণগুণকৈ ধোঁৱা উৰিছিল' ধৰণৰ কাব্যাংশ ব্যৱহাৰ কৰিছিল। ধোঁৱা উৰাটো দৃষ্টিগ্ৰাহ্য বিষয়। সেই দৃষ্টিগ্ৰাহ্যতাৰ বিশেষণ হিচাপে ব্যৱহাৰ কৰা হৈছে শ্ৰৱণগ্ৰাহ্য অনুভূতি 'গুণগুণকৈ'। খাপ নোখোৱা বৈপৰীত্যৰে অৰ্থ প্ৰকাশৰ কৌশল জুবিনে ব্যৱহাৰ কৰিছে 'শেৱালি পাহিত দুভৰি ঠুনুক-ঠানাক' অংশত। ইয়াৰ দুভৰি থুপুক-থাপাকৰ সলনি হৈছে ঠুনুক-ঠানাক।

গীত হিচাপেই নহয়, কেৱল কবিতা হিচাপে পঢ়িলেও ই পঢ়ুৱৈক আনন্দ দিব। ইমান কৌশলী শব্দ নিৰ্বাচন গীতিকাৰৰ কাব্য প্ৰতিভাৰ চমকপ্ৰদ নিদৰ্শন বুলি নিঃসন্দেহে ক'ব পাৰি।

প্ৰতিবাদী, সমাজ সচেতন, দায়বদ্ধ গীতিকাৰ জুবিন গাৰ্গে আশাবাদী মন এটাৰো পৰিচয় দিছে গীতৰ মাজেৰে। সকলো অন্যায়ৰ শেষত ন্যায় পোৱাৰ আশাৰে তেওঁ লিখিছে—

"জগত পোহৰ কৰি আহিব প্লাৱন  
আঁতৰাব অমানিশা  
বধিব ৰাৱণ।  
নিকা হ'ব সমাজ  
শেষ হ'ব এই পাপ...।"

এফালে "অশ্ৰু শীতল আইৰ চকুত বেদনাৰে জুই /কোনে নুমাব কোনে বুজাব আছে সকলো শুই" বুলি আক্ষেপ কৰা জুবিনে নিজৰ তথা জনতাৰ শক্তিৰ প্ৰতি আস্থা ৰাখি অমানিশা আঁতৰ হোৱাৰ আশা প্ৰকাশ কৰিছে।

আধুনিক নগৰীয়া সভ্যতাৰ মানুহ হিচাপে তথা প্ৰচুৰ সমাজ-চেতনাসম্পন্ন গীতিকাৰ হিচাপে আধুনিক জীৱনৰ প্ৰতি বিৰাগ ভাবো জুবিনৰ গীতৰ মাজেদি প্ৰকাশিত হৈছে। শিশুৰ পৰা প্ৰাপ্তবয়স্ক সকলোৰে আধুনিক সময়ৰ মনস্তত্ত্ব প্ৰকাশক গীত হৈছে 'ৰাতিপুৱাই শুই উঠি'। গীতটিত আধুনিক মানুহক যন্ত্ৰৰ লগত তুলনা কৰা হৈছে। কি শিশু, কি ডাঙৰ সকলোৰে যেন নিৰ্ধাৰিত কৰ্ম সম্পাদন কৰা যন্ত্ৰহে।

"ৰাতিপুৱা শুই উঠি  
যাবৰে যে হয় স্কুললৈ'  
গধুৰ গধুৰ পঢ়াৰ বোজা  
কঢ়িয়াওঁতে দিন যায় দূৰলৈ

...............................

ৰাতিপুৱা শুই উঠি  
চাহত শোহা মাৰি  
পেপাৰ পঢ়ি  
একেই খবৰ  
একেই ছবি  
একেই মৰামৰি ঠগা-ঠগি

...................................

আমি যেন যন্ত্ৰ  
একো একোটা যন্ত্ৰ..."

যান্ত্ৰিক জীৱন দেখি জীৱনৰ ক্ষণস্থায়িত্বও যেন গীতিকাৰ জুবিনে উপলব্ধি কৰিছিল। সেয়েহে তেওঁ লিখিছিল—

"এই মায়াৰ ধৰাত  
দুদিন মাথোঁ থাকিবা তুমি  
জীৱন গ'লেই গ'ল  
নিৰলে একোকে নেপাবা তুমি..."

আধুনিক জীৱনে সৃষ্টি কৰা যান্ত্ৰিকতা, সেই যান্ত্ৰিকতাৰ সৃষ্টি নিঃসংগতা, নিঃসংগতাৰ ফলত উদ্ভৱ হোৱা বিৰাগ ভাব আৰু সেই বিৰাগ ভাবে জীৱনৰ ক্ষণস্থায়িত্ব উপলব্ধি কৰোৱা জুবিন গাৰ্গ এলিয়ট কথিত সেই আধুনিক মনসমৃদ্ধ গীতিকাৰ। সেয়েহে তেওঁৰ গীতত বিচিত্ৰ বিষয়ৰ বৰ্ণময় উপস্থিতি লক্ষ্য কৰা যায়। ব্যক্তি তথা সমাজ জীৱনৰ ব্যক্তিগত তথা ৰাজহুৱা তাৎপৰ্য্যযুক্ত বিভিন্ন প্ৰসংগ জুবিন গাৰ্গৰ গীতৰ মাজেৰে মূৰ্ত হৈ উঠিছে। সেই মূৰ্ত প্ৰকাশ কিন্তু সাধাৰণ নহয়, ই বহু তৰপীয়া অৰ্থ আৰু ব্যঞ্জনাসমৃদ্ধ কাব্যিক প্ৰকাশ। ❖





# অনন্য জুবিন

**মেধাজ্যোতি নাথ**
দশম শ্ৰেণী

জুবিন গাৰ্গ। এক সত্তা। এক অনুষ্ঠান। নামটো শুনাৰ লগে লগেই মনলৈ আপোনা-আপুনি আহে হাজাৰ গীতৰ কলি। সুখ-দুখ, হাঁহি-কান্দোন, আশা-নিৰাশা সকলোতেই যেন অসম আৰু অসমীয়াৰ বাবে কেৱল জুবিন, জুবিন আৰু জুবিন। 'জুবিন গাৰ্গ' শব্দটোৱে যেন আমাৰ সন্মুখত এগৰাকী তেজ-মঙহৰ সাধাৰণ মানুহ প্ৰতিষ্ঠা নকৰি প্ৰতিষ্ঠা কৰে কিছুমান অসাধাৰণ সৃষ্টিৰ; যিবোৰ সৃষ্টিয়ে আমাক টানি নিয়ে অনুভৱৰ অতল গহ্বৰলৈ, সুখৰ গভীৰ অৰণ্যলৈ।

মানুহজনক শব্দৰে আঁকাটো যিদৰে অবাস্তৱ আৰু অসম্ভৱ, কৰ্মেৰেও বৰ্তমান তেওঁক জুখিবলৈ অসুবিধা হৈছে। হাজাৰ হাজাৰ গীত, কবিতা, কেইবাখনো চিনেমা, খেল, সমাজসেৱা—কোনটো দিশত তেওঁ অসমলৈ অৱদান আগ বঢ়োৱা নাই? যদি কেৱল গীতৰ দিশটোলৈকে চাওঁ, তেওঁ যিমানখিনি গীত গাইছে, এজন সাধাৰণ মানুহে যদি সকলো কাম বাদ দি দিনে-ৰাতিয়ে মাথোঁ তেওঁৰ গীতকেই শুনি থাকে তেন্তে গানখিনি শুনি শেষ কৰিবলৈকে ন্যূনতম ৩ৰ পৰা ৪ মাহ সময় লাগিব (উৎস : গুগল)। এনে এগৰাকী মহীৰুহ আছিল জুবিন গাৰ্গ। এৰাতিত ৩৬টালৈকে গীত বাণীবদ্ধ কৰিব পৰা, অসাধাৰণ পৰিশ্ৰমী, নিজৰ জাতিটো, নিজৰ মানুহখিনিৰ কাৰণে সৰ্বস্ব উজাৰি দিয়া মানুহ আছিল জুবিন গাৰ্গ। আজি তেওঁৰ অবৰ্তমানত সমগ্ৰ অসমে কান্দিছে। চকুলো টুকিছে হাজাৰ হাজাৰ অনুৰাগী, প্ৰেমিকে। এয়া তেওঁৰ প্ৰাপ্য চকুলো। তেওঁ অসম আৰু অসমীয়াৰ কাৰণে যিখিনি কৰিলে, তাৰ তুলনাত আমি তেওঁক যিখিনি শ্ৰদ্ধাঞ্জলি দিছোঁ, তেওঁক যিমান স্মৰণ কৰিছোঁ, সেয়া কেৱল নামমাত্ৰ বুলিহে আমাৰ ধাৰণা।

জুবিন গাৰ্গে নিজৰ জীৱনৰ সকলো কথা বহুকেইটা সাক্ষাৎকাৰত ইতিমধ্যে খোলাখুলিকৈ কৈছে। বহু শিল্পীয়ে জীৱনৰ বেয়াখিনি লুকুৱাই কেৱল প্ৰশংসাৰ লালসাত সৰ্বোত্তমখিনি কৈ থকাৰ দৰে জুবিন গাৰ্গে কোনো সাক্ষাৎকাৰত কোৱা নাই। এখন খোলা কিতাপৰ দৰেই সকলোৱে পঢ়িব পৰাকৈ, সকলোৱে জানিব পৰাকৈ জীৱনৰ ভাল-বেয়া সকলোখিনি কথা লুক-ঢাক নকৰাকৈ তেওঁ কৈছে, ৰাইজক আপোন মানুহ বুলি ভাবি। সেয়ে তেওঁ জনতাৰ শিল্পী। ঘৰৰ মানুহ। বহুতেই আজি তেওঁক কিংবদন্তি শিল্পী, 'কিং অৱ পপ' মাইকেল জেকছনৰ লগত তুলনা কৰিছে। যিদৰে মাইকেল জেকছনে সংগীতৰ এক নতুন ধাৰাৰে নিজা গীতৰ শৈলীৰ প্ৰৱৰ্তনেৰে জগতবাসীক আলোড়িত কৰিলে, ঠিক সেইদৰেই জুবিন গাৰ্গেও একেটা কামকে কৰিলে অসমবাসীৰ ক্ষেত্ৰত, ভাৰতবাসীৰ ক্ষেত্ৰত। এই কথাষাৰ নুই কৰাৰ অৱকাশ দেখা নাযায়। সকলোৱে অকপটে স্বীকাৰ কৰিব লাগিব যে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ পাছত প্ৰায় একঘেয়ামী হৈ প্ৰেম-প্ৰীতিৰ কথাৰে ভৰপূৰ অসমীয়া গীতৰ একমুখী ধাৰাটোক সলাই; নতুন আৰু পুৰণি সুৰ, শব্দ, বাদ্যৰ সংযোজন ঘটাই; 'পপ্ মিউজিক', 'ৰক মিউজিক'ৰ আঁত ধৰি; অসমৰ থলুৱা লোকগীতিখিনিৰো আলম লৈ এক সম্পূৰ্ণ নতুন, এক উৎকৃষ্ট গীতৰ ধাৰা অসমলৈ বোৱাই আনিছিল লুইতকণ্ঠ জুবিন গাৰ্গে।

দেউতাহঁতৰ মুখত শুনো, ১৯৯২ চনত ১৯ বছৰীয়া জুবিন গাৰ্গৰ প্ৰথম এলবাম 'অনামিকা' মুকলি হোৱাৰ লগে লগেই কঁপি উঠিছিল সমগ্ৰ অসম। অসমৰ চুকে-কোণে, বাটে-ঘাটে, স্কুল-কলেজ সকলোতে কেৱল বাজিছিল 'প্ৰীতিৰ সুবাসে', 'মনৰ নিজানত', 'গানে কি আনে', 'কিয় জানো আজি', 'শুনা শুনা', 'পথে পথে' আৰু 'হিয়া দহে'ৰ অপূৰ্ব সুৰ। অসমৰ 'অন্ধকাৰ সময়'ত যেন জুবিনৰ আশাভৰা সবল গীতবোৰ হৈ পৰিছিল এটা প্ৰজন্মৰ মাত। জুবিন হৈ পৰিছিল অসমৰ নৱপ্ৰজন্মৰ নেতা (real life hero)। তাৰ পাছত জুবিন



গাৰ্গ থমকি নৰ'ল। 'সপোন সুৰ', 'ঋতু', 'জোনাকী মন', 'নিবিৰ জোনাকী ৰাতি' আদি ইটোৰ পাছত সিটো 'হিট্' এলবামৰ যেন লানিহে লগাই দিলে জুবিন গাৰ্গে। তেওঁৰ জীৱনৰ এক শ্ৰেষ্ঠ সফলতা, তেওঁ নিজে স্বীকাৰ কৰাৰ দৰেই পিতৃ শ্ৰদ্ধাৰ মোহিনী মোহন বৰঠাকুৰৰ দ্বাৰা ৰচিত তেওঁৰ জীৱনীখন। বৰঠাকুৰদেৱে স্বগতোক্তি কৰাৰ দৰেই, বিশ্বত কোনো পিতৃয়ে নিজৰ পুত্ৰৰ জীৱনী লিখাৰ অন্য উদাহৰণ নাই। ব্যতিক্ৰম একমাত্ৰ জুবিন গাৰ্গ।

মাইকেল জেকছনৰ লগত তেওঁৰ জীৱন বহুখিনি মিলে। মাইকেল জেকছন তেওঁৰ 'Thriller' এলবামটোৰ পৰাই বিশ্বত জনপ্ৰিয় হৈছিল, জুবিন গাৰ্গো 'অনামিকা' এলবামটোৰ পৰা অসমত জনপ্ৰিয় হৈছিল। মাইকেল জেকছনক 'কিং অব পপ্'ৰ (King of Pop) সন্মান যচা হৈছে, জুবিন গাৰ্গকো 'হামিং কিং অৱ দ্যা ৱ'ৰ্ল্ড'ৰ (Humming King of the World) সন্মান শেহতীয়াকৈ গুগলে প্ৰদান কৰিছে। মাইকেল জেকছনে পূৰ্বতে উনুকিওৱাৰ দৰে সংগীতত নিজৰ শৈলী প্ৰবৰ্তন কৰিছিল, জুবিন গাৰ্গেও অসমত সংগীতৰ এক নতুন জোৱাৰ আনিছিল। কিন্তু কিছু কিছু ক্ষেত্ৰত, জুবিন গাৰ্গৰ কৰ্মৰাজিয়ে মাইকেল জেকছনৰ সত্তাকো চেৰ পেলাই যায় যেন অনুভৱ হয়। কথাষাৰৰ সমৰ্থনত যুক্তি বিচাৰিবলৈ সৰহ দূৰ যোৱাৰ প্ৰয়োজন নাই। কেৱল দুয়োজন শিল্পীৰ গীতৰ সাংখ্যিক মানৰ তুলনা এটা কৰিলেই হ'ল। মাইকেল জেকছনৰ 'জেকছন ৫', আন শিল্পীৰ সৈতে যুটীয়া গীত, এলবাম, অকলশৰীয়াকৈ গোৱা সকলো গীত মিলাই আনুষ্ঠানিকভাৱে (officially) গীতৰ সংখ্যা হ'ল প্ৰায় ২৫০টা। আনহাতে জুবিন গাৰ্গৰ ক্ষেত্ৰত ই হ'ল প্ৰায় ৩৮,০০০। যদিও দুগৰাকী শিল্পীৰ কৰ্মৰাজিক সাংখ্যিক মানেৰে তুলনা কৰাটো কিছু অযুক্তিকৰ বা অপ্ৰাসংগিক, তথাপি কথাষাৰ উত্থাপন কৰা হৈছে এই কাৰণেই যে জুবিন গাৰ্গৰ এই ৩৮,০০০ গীতৰ ভিতৰত অসমৰ বৰগীত, লোকগীত, বনগীত, অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সকলো জনগোষ্ঠীৰ গীতৰ উপৰি প্ৰায় ৪০টা অন্য ভাষাৰ গীতো সন্নিৱিষ্ট হৈ আছে। অসমীয়া নৱপ্ৰজন্মৰ মাজত বৰগীত, লোকগীত, ঘোষা, বিহু আদিবোৰ অধিক সমাদৃত কৰি তোলাত অসমৰ অন্যান্য নমস্য শিল্পীসকলৰ লগতে জুবিন গাৰ্গৰ অৱদানো অনস্বীকাৰ্য্য। সেই ফালৰ পৰা চাবলৈ গ'লে জুবিন গাৰ্গৰ কৰ্মৰাজিয়ে মাইকেল জেকছনৰ কৰ্মৰাজিৰ সৈতে কান্ধত কান্ধ মিলাই থিয় দিব পাৰে। তদুপৰি মাইকেল জেকছন প্ৰধানতঃ আছিল এগৰাকী আমেৰিকান, ইংলিছ গায়ক। এক আন্তৰ্জাতিক স্বীকৃতিপ্ৰাপ্ত ভাষা। সেই ভাষাৰ গীত সমগ্ৰ পৃথিৱীত চলে। সমগ্ৰ পৃথিৱীৰ মানুহেই ইংৰাজী বুজে, কয় আৰু ইংৰাজী গীত শুনে। তাৰ তুলনাত জুবিন গাৰ্গ আছিল প্ৰধানতঃ এক আঞ্চলিক ভাষাৰ শিল্পী। এটা পৰিধিৰ ভিতৰতহে সেই ভাষা কোৱা লোক আছে, সেই ভাষাৰ গীত শুনা লোক আছে। গতিকে স্বাভাৱিকতেই জুবিন গাৰ্গে গোৱা আঞ্চলিক ভাষাটোৰ গীতখিনিৰ শ্ৰোতা মাইকেল জেকছনতকৈ কম। সেয়ে অত্যন্ত প্ৰতিভা থকা সত্বেও মাইকেল জেকছনৰ সমান সমাদৰ তথা স্বীকৃতি জুবিন গাৰ্গে নাপালে বুলি জ্ঞানীসকলে কয়। তেওঁ যদি জন্মগতভাৱে ইংৰাজ গায়ক হ'লহেঁতেন তেন্তে তেওঁৰ জনপ্ৰিয়তাই আকাশ চুলেহেঁতেন বুলিও বহুতে ক'ব খোজে।

এনেকুৱাও নহয় যে জুবিন গাৰ্গ সৰ্বভাৰতীয় পৰ্য্যায়লৈ যোৱা নাছিল। এটা সময়ত সমগ্ৰ হিন্দী ছবি জগতত 'য়া আলী', 'দিল তুহি বাতা', 'জানে ক্যা চাহে মন' গীতেৰে তোলপাৰ লগোৱা শিল্পীজন জুবিন গাৰ্গেই আছিল। তেওঁ স্বগতোক্তি কৰিছে যে একমাত্ৰ অসমৰ কাৰণে তেওঁ বলিউড এনে এটা সময়ত এৰিছিল, যেতিয়া সমগ্ৰ বলিউড 'জুবিনময়' হৈ আছিল। তেওঁ বুজি উঠিছিল যে অসম আৰু অসমীয়াৰ উন্নতিৰ কাৰণে, অসমৰ সাংস্কৃতিক জগতখনৰ বিকাশৰ কাৰণে 'জুবিন গাৰ্গে' প্ৰত্যাবৰ্তন কৰিবই লাগিব। বলিউডত প্ৰায়বোৰ গায়ক-গায়িকা, অভিনেতা-অভিনেত্ৰী থাকে টকা আৰু জনপ্ৰিয়তাৰ কাৰণে। কিন্তু 'জুবিন গাৰ্গ'তো সাধাৰণ গায়ক নহয় ! তেওঁতো টকাৰ কাৰণে গান নাগায় ! তেওঁতো তথাকথিত জনপ্ৰিয়তাৰ পাছত নদৌৰে ! তেওঁ গীত গায়, কাম কৰে মানুহৰ কাৰণে, মানুহৰ হকে। তেওঁৰ একমাত্ৰ স্বাৰ্থ হ'ল নিজৰ ৰাজ্যখনৰ উন্নতি, নিজৰ

ৰাজ্যখনৰ মানুহখিনিৰ উন্নতি। নিজৰ মাতৃভূমিৰ প্ৰতি অকৃত্ৰিম প্ৰেম থকাৰ বাবেই জুবিন গাৰ্গে বলিউডৰ জাকজমকতাক পিঠি দি উভতি আহিছিল নিজৰ ঘৰলৈ, নিজৰ মানুহখিনিৰ ওচৰলৈ। তেওঁৰ অসম তথা উত্তৰ-পূবৰ প্ৰতি অগাধ প্ৰেম নথকাহেঁতেন 'য়া আলী' গীতটোৰ কাৰণে ২০০৬ চনত পোৱা ৰাষ্ট্ৰীয় সন্মান 'Global Indian Film Award' গ্ৰহণ কৰি দিয়া বক্তৃতাত কেতিয়াও নক'লেহেঁতেন যে "I want to dedicate this award to the people of Assam and North-East who are my constant inspirations...।"

জুবিন গাৰ্গ আছিল জনতাৰ শিল্পী। জনতাৰ কাৰণে তেওঁৰ ঘৰৰ দুৱাৰ সদায় খোলা আছিল। যেতিয়াই অসমলৈ সংকট আহিছিল, অন্যায়েৰে ভৰি পৰিছিল অসমৰ ৰাজনীতি আৰু সমাজ, তেতিয়াই অসমীয়াৰ সাহস আৰু শক্তি হৈ থিয় দিছিল জুবিন গাৰ্গ। হাজাৰ প্ৰলোভন দিয়াৰ পাছতো কোনো ৰাজনৈতিক দলৰ পৃষ্ঠপোষকতা নকৰা, কোনো ৰাজনৈতিক দলৰ অপকৰ্মক সমৰ্থন নকৰি মুক্ত প্ৰতিবাদ কৰা জুবিন গাৰ্গ আছিল সম্পূৰ্ণ ৰাইজৰ ফলীয়া। সমাজসেৱাত আত্মোৎসৰ্গ কৰি কেতিয়াও সেইবোৰৰ প্ৰচাৰ বিচৰা নাছিল তেওঁ। অসমৰ বানপানীৰ সময়ত, নাগৰিকত্ব সংশোধনী বিধেয়কৰ সময়ত, দীঘলীপুখুৰীৰ বৃক্ষ উচ্ছেদৰ প্ৰতিবাদৰ সময়ত অসমৰ জনতাৰ অন্যতম ভৰসা আছিল হিয়াৰ আমঠু শিল্পীগৰাকী। যেতিয়াই জনতাই বিচাৰিছে, তেতিয়াই জনতাই নিজৰ কাৰণে কেতিয়াও নভবা, কোনো জাতি-ধৰ্মক চিনি নোপোৱা, কেৱল মানুহ চিনি পোৱা জনতাৰ শিল্পীজনে নিজে ঘটা অজস্ৰ সম্পত্তি ৰাইজকেই বিলাই দিছিল। দুখীয়া, নিছলাৰ সহায় আছিল জুবিন গাৰ্গ। অত্যন্ত সাহসী শিল্পীগৰাকীয়ে আন্দোলনৰ সময়ত 'প'লিটিক্স নকৰিবা বন্ধু'ৰ দৰে অতি স্পৰ্শকাতৰ গীতৰো সৃষ্টি কৰি জনতাক সংকটৰ সময়ত নেতৃত্ব প্ৰদান কৰিছিল। সেয়ে কিজানি অসমৰ মানুহৰ কাৰণে, ৰাইজৰ কাৰণে জুবিন হৈ পৰিছিল এজন ঘৰৰ সদস্য। অন্য অৰ্থত 'এজন ভগৱান'।

শেষত এই মহান আত্মাক পুনৰবাৰ নমন কৰিছোঁ। তেওঁ অসমক যিখিনি দি গ'ল, অসমীয়াৰ বাবে যিখিনি কৰি গ'ল, এই শতিকাত এইখিনি কাম কৰিব পৰা দ্বিতীয়জন ব্যক্তি চাগৈ সোনকালে নোলাব। তেওঁ সদায় কৈছিল, "A king should never leave his kingdom."

সঁচাকৈ। জুবিন গাৰ্গে কেতিয়াও অসম এৰি নগ'ল। আচলতে মানুহৰ পাৰ্থিৱ দেহৰহে মৃত্যু ঘটে। যদি এজন ব্যক্তিয়ে নিজকে শিল্পলৈ উন্নীত কৰিব পাৰে, তেন্তে তেওঁৰ কায়িক ৰূপটো সমাজৰ পৰা নোহোৱা হৈ গ'লেও তেওঁৰ প্ৰতিভা শিল্পখিনিৰ মৃত্যু কেতিয়াও নঘটে। একেই নিদৰ্শন দেখুৱালে জুবিন গাৰ্গে। আজি আবাল-বৃদ্ধ-বনিতা সকলোৰে হৃদয়ত জুবিন গাৰ্গ বাস কৰি আছে এজন বীৰৰ দৰে, এটা সিংহৰ দৰে। অসমৰ যিকোনো এজন লোকক জুবিন গাৰ্গৰ গীতৰ একলি গুণগুণাবলৈ দিলে নোৱাৰিব বুলি ভবাৰ থল নাই। গতিকে ক'তনো তেওঁ অসমখন এৰি গ'ল? ব্ৰহ্মপুত্ৰ থকালৈকে, অসম থকালৈকে, অসমীয়া জাতি থকালৈকে জুবিন গাৰ্গো আমাৰ মাজত থাকিব। আমি বহুতে নাজানো যে জুবিন গাৰ্গ প্ৰচুৰ অধ্যয়নশীল আছিল। সৰুতে তেওঁ ঘৰত এক অধ্যয়নৰ পৰিবেশ পাইছিল আৰু তেওঁ এটা সাক্ষাৎকাৰত কোৱাৰ দৰেই প্ৰায় দহ হাজাৰমান কিতাপ থকা এটা পুথিভঁৰালৰ তেওঁ নিয়মীয়া পঢ়ুৱৈ আছিল হাইস্কুলত থকা সময়ত। জুবিন গাৰ্গে নিজে ৰচনা কৰা, নিজে সুৰ কৰা গীতখিনি অনুধাৱন কৰিলেই এই কথাৰ সত্যতা উপলব্ধি কৰিব পাৰি যে সৰুতেই মজবুতকৈ গঢ়া তেওঁৰ জ্ঞানৰ ভেটিটোৰ আলম লৈয়ে পৰৱৰ্তী সময়ত তেওঁৰ সৃষ্টিৰাজিয়ে প্ৰাণ পাই উঠিছিল। আমাৰ দৰে ন-শিকাৰুসকলে জুবিন গাৰ্গৰ পৰা শিকিবলগীয়া অজস্ৰ কথাবোৰৰ ভিতৰত ইও অন্যতম। তদুপৰি জুবিন গাৰ্গ আছিল অত্যন্ত পৰিশ্ৰমী। অসাধাৰণ পৰিশ্ৰমী। তেওঁৰ বিশাল সৃষ্টিৰাজিয়েই এই কথাষাৰৰ প্ৰমাণ দিয়ে। সেয়েই জুবিন গাৰ্গ একক আৰু অনন্য। আজি তেওঁৰ অবৰ্তমানতো অসমৰ চুকে-কোণে, আকাশে-বতাহে কেৱল আৰু কেৱল গুঞ্জৰিত হৈ আছে আৰু থাকিব— জুবিন গাৰ্গৰ অমৰ সৃষ্টি—"মই ভাগৰা নাই... জীৱন হেৰুৱা নাই...." ❖



# জুবিন গাৰ্গৰ কবিতা

**ৰক্তিম তহবিলদাৰ**
অষ্টম শ্রেণী



সংগীতৰ ক্ষেত্ৰখনত অধিক চৰ্চিত হ'লেও জুবিন গাৰ্গ এগৰাকী অনুভূতিশীল কবিও আছিল। ২০০৯ চনত 'শব্দ অনুভূতি', ২০১৮ চনত 'জুবিনৰ পদ্য' আৰু ২০২০ চনত 'জুবিনৰ পদ্য (দ্বিতীয় সংস্কৰণ)' নামৰ জুবিন গাৰ্গৰ দ্বাৰা ৰচিত দুখন কাব্যগ্ৰন্থ প্ৰকাশ পাইছিল। তেওঁ ২০১৭ চনত 'জুবিনৰ পদ্য' নামৰ কাব্যগ্ৰন্থৰ বাবে 'সেউজী সেউজী বঁটা' লাভ কৰিছিল।

সংসাৰৰ আটাইতকৈ মূল্যবান বস্তুটোৱেই হ'ল মাতৃস্নেহ, যি স্নেহক কোনো মূল্যৰে কিনিব নোৱাৰি। মাতৃক অকালতে হেৰুৱাই জুবিন গাৰ্গ শোকত ম্ৰিয়মাণ হৈছিল। তেওঁ ৰচনা কৰা 'শব্দ' শীৰ্ষক কবিতাটিৰ পৰা 'মা' সম্বন্ধে তেওঁৰ অনন্য অনুভৱ স্বতঃস্ফূৰ্তভাৱে নিগৰি আহিছে। কবিতাটিত 'মা' সম্বন্ধে থকা শাৰীকেইটা হৈছে —

"মা..
এইটোৱেই আৰম্ভণি
প্ৰথম আমি শিকিছিলোঁ
বুজি পাইছিলোঁ নিজক,
নিজৰ অস্তিত্বক
ই প্ৰথম শব্দ।"

'শব্দ' কবিতাটিৰ জৰিয়তে শব্দৰে জুবিন গাৰ্গে 'শব্দ'ৰ বিশেষত্বক ব্যাখ্যা কৰিছে। শব্দৰ আশ্ৰিত হৈ, শব্দৰে লালিত-পালিত হৈ, শব্দৰে পৰিচালিত হৈ কবি ডাঙৰ-দীঘল হৈছে যদিও ভুল শব্দই কবিগৰাকীক কেতিয়াবা লজ্জিত কৰে। কবিৰ মতে শব্দ প্ৰেৰণা হ'লেও, শব্দ শক্তি হ'লেও, কেতিয়াবা অশুদ্ধ শব্দই শংকিত কৰি তোলে কবিৰ অন্তৰাত্মাক। 'শব্দ' কবিতাটিত 'শব্দ' সম্বন্ধে জুবিন গাৰ্গে এনেদৰে কৈছে—

"শব্দ আজি বাকৰুদ্ধ
শব্দ আজি কাৰাৰুদ্ধ
শব্দ মানে আজি যুদ্ধ..."

কবিৰ মতে শব্দ যেনেদৰে সৃষ্টি হ'ব পাৰে, তেনেদৰে শব্দ ধ্বংসৰ কাৰণো হ'ব পাৰে। শব্দক লৈ জুবিন গাৰ্গে ৰচনা কৰা আন এটি মন পৰশা চুটি কবিতা 'শব্দ-অনুভূতি'ত তেওঁৰ কবিমন এনেকৈ প্ৰকাশ পাইছে—

"অশ্ৰু এক সাঁথৰ
অন্তহীন বুৰঞ্জী
কথাৰ আকাৰ
হাঁহিত উশাহ প্ৰাণৰ
প্ৰাপ্তিৰ আদিম অমল পোহৰ।"

সোণালী শৈশৱৰ স্মৃতি ৰোমন্থন কৰি ল'ৰালিৰ মাজেদি প্ৰকৃতি প্ৰেমৰ এক অনাবিল অনুভূতি প্ৰকাশ

পাইছে জুবিন গাৰ্গৰ ‘বন্য ল’ৰালি’ কবিতাৰ যোগেদি। ‘বন্য ল’ৰালি’ত তেওঁ কৈছে—

“সৰা শেৰালি দেখিলেই
মোৰ মনত পৰে
সেই চোতালখনলৈ
আৰু সেই পদূলিটোলৈ
য’ত এতিয়াও উশাহ লওঁ মই
প্ৰতিডাল দূবৰিত...”

জুবিন গাৰ্গে ‘সুগন্ধি পখিলা’ৰ কবি হীৰেন ভট্টাচাৰ্য্যক শ্ৰদ্ধা নিবেদন কৰিছে ‘তুমি’ কবিতাৰ যোগেদি —

“তুমি শাশ্বত
তুমি ভাস্বত
পৃথিৱীৰ য’ত শেষ
তাতেই তোমাৰ আৰম্ভণি।”

জুবিন গাৰ্গ অতিশয় অনুভৱী ব্যক্তি আছিল বাবে তেওঁ আছিল শিল্পী। অনুভৱৰ গভীৰতা নাথাকিলে শিল্পী কেতিয়াও হ’ব নোৱাৰি। সৃজনশীলতা অনুভূতিৰ দাস। অনুভৱৰ শক্তিয়ে আনি দিয়ে সৃষ্টিৰ গভীৰতা। অনুভৱৰ বিষয়ে জুবিন গাৰ্গৰ ‘অনুভৱ’ কবিতাৰ মাজেৰে নিগৰিছে—

“মোৰ, মোৰ নিজৰ
মোৰ মাজৰ
নিথৰ
এক অৱশেষ তুমি...।”

‘এক অন্য আবেগ’ জুবিন গাৰ্গৰ আধ্যাত্মিকতাবাদৰ (metaphysical) এক অনুপম কবিতা। কবিতাটিৰ যোগেদি হয়তো নেদেখাজনক জনাৰ, ঈশ্বৰ নামৰ ‘অস্তিত্ব’ বিচাৰি কবিয়ে আতুৰ হৈ লিখিছে —

“এক অন্য আবেগ
আকণ্ঠ পান কৰিব দিয়া মোক
তোমাৰ প্ৰেমৰ সৰোবৰ
বহু যুগ মই পিয়াহত আছোঁ
পুৰি ছাই হ’ব দিয়া মোক...”

কিছুমান কবিতাৰ সৃষ্টিৰ আঁৰত বিপ্লৱী শিল্পী জুবিন গাৰ্গে কবিতাৰ ছলেৰে নিজৰ বিপ্লৱী সত্তাক প্ৰতিপন্ন কৰিবলৈ বিচাৰিছে। তেনে ভাব প্ৰকাশক কবিতাসমূহ হ’ল—‘মই’, ‘স্বাভিমান’, ‘এবুকু শব্দ’, ‘বিপ্লৱ আজি’, ‘অভিশাপ’, ‘হুংকাৰ’, ‘মেটামৰফ’ছিছ’, ‘বান্দৰ হোৱাৰ পথত আমি’ আদি।

কবি হিচাপে জুবিন গাৰ্গৰ আটাইতকৈ উৎকৃষ্ট কবিতাটো হ’ল ‘মেটামৰফ’ছিছ’, যিটো কবিতাৰ জৰিয়তে মানুহ, মানৱতা আৰু মানৱ সৃষ্টিৰ এক অভিনৱ অনুভৱৰ প্ৰস্ফুটিত হৈছে। কবিতাটিৰ কেইটামান শাৰী হ’ল —

“মই যদি ঈশ্বৰ হ’লোঁহেঁতেন
আজিৰ মানুহ সৃষ্টি কৰা বন্ধ কৰি দিলোঁহেঁতেন।
নতুনকৈ সৃষ্টি কৰিলোঁহেঁতেন
আৰু এবিধ মানুহৰ দৰে জন্তু...”

ঈশ্বৰ হ’লে আজিৰ স্বাৰ্থপৰ মানুহ সৃষ্টি কৰিব নিবিচৰা কবিয়ে প্ৰকৃততে সমাজৰ পৰিবৰ্তন বিচাৰিছিল। কবিতাটিত কবিগৰাকীৰ বিজ্ঞান মনস্কতাও প্ৰকাশ পাইছে।

কবিজনাই জীৱিত কালত যৎপৰোনাস্তি চেষ্টা কৰিলে এগৰাকী স্বয়ংসম্পূৰ্ণ মানুহ হ’বলৈ; যিগৰাকী মানুহে মানুহৰ বাবে, মানুহৰ কল্যাণৰ বাবে কাম কৰি গ’ল। তৎসত্ত্বেও অতিমানৱৰ দৰে কাম কৰিব পৰা মানুহ হ’বলৈ বিচাৰিছিল, কিন্তু লগে লগেই কবিয়ে তেওঁৰ সীমাবদ্ধতাখিনি অনুভৱ কৰিব পাৰি লিখিছে—

“কিন্তু মই ঈশ্বৰ হ’ব নোৱাৰোঁ,
মোৰ সময় নাই, মই সীমাবদ্ধ
নিজৰ মাজত, জীৱনৰ
দীনতাৰ মাজত
মোক বেয়া নাপাবা।”

স্বাভিমানী কবি-শিল্পী জুবিন গাৰ্গৰ ‘মই’ কবিতাটোত কবিজনাৰ ব্যক্তিসত্তা, ব্যক্তিত্ব আৰু অস্তিত্ব সুন্দৰভাৱে প্ৰকাশ পাইছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে



শ্ৰীমদ্ভাগৱত গীতাখনৰ সাৰকথাখিনি ভুৰুকাত হাতী ভৰাই 'গুণমালা' লিখাৰ দৰে 'মই'ত কবি শিল্পীজনৰ জীৱন দৰ্শন আৰু জীৱনবোধৰ সকলোখিনি ভৰাই পেলালে।

"কাব্য মই, গান মই
শব্দ মই, ছন্দ মই
সুৰ মই, তাল মই
নৃত্য মই, লয় মই..."

শব্দই ব্ৰহ্ম ! শিল্পী জুবিন গাৰ্গৰ বাবে শব্দই সকলো আছিল। কবি হিচাপে কবিতাৰ যোগেদিও শব্দৰ মাহাত্ম্যৰ কথা সুন্দৰভাৱে খোদিত কৰি গৈছে কবিৰ মন গহনত। এই শব্দ সম্বন্ধে থকা কবিতাটি হ'ল 'এবুকু শব্দ'।

"চকুৰ পানীৰ উষ্ণতাই আজিকালি মোক আনন্দ দিয়ে
সিহঁত যেতিয়া টপ টপকৈ পৰে
মোৰ মনত পৰে তোমাৰ দুভৰিৰ
জুনুকা... যেন তুমি এইমাত্ৰ
পাৰ হৈ গ'লা কাষেদি...।"

গীতিকাৰ, সুৰকাৰ, সংগীতজ্ঞ মহান শিল্পীজনাৰ কোঁহে কোঁহে সোমাই আছিল কবিতা। মানুহক ভাল পোৱা কবিমনৰ শিল্পীজনা, মানুহে গভীৰভাৱে ভাল পোৱা শিল্পীজনাক অকালতে কালে হৰি নিলে। তেওঁৰ মৃত্যু সাধাৰণ নহয়, তেওঁৰ মৃত্যুৱে যেন সময়ক নিৰ্বাক, নিষ্পন্দ কৰি থৈ গ'ল। তেওঁ কায়িকভাৱে আমাৰ মাজত নাথাকিলেও তেওঁৰ সৃষ্টি চিৰদিন জীয়াই থাকিব প্ৰতিজন অসমীয়াৰ হৃদয়ত। তেওঁৰ অমৰ সৃষ্টি আৰু অসমীয়া জাতিৰ প্ৰতি থকা অকৃত্ৰিম মৰমৰ বাবে তেওঁ সদায় স্মৰণীয় হৈ ৰ'ব। তেওঁ গোৱা এটি গীতৰ দৰেই আমাৰ হৃদয়ত সৃষ্টিৰ সুবাস হৈ ৰ'ব চিৰদিন, চিৰকাল।

"তুমি সুবাস অসমীৰে, তুমি সুবাস সৃষ্টিৰে..." ❖



# মায়াময় আবেলিটো...

*জুবিন গাৰ্গ!*
*নামেই যাৰ পৰিচয়! ৰাইজৰ অতি আদৰৰ শিল্পী-গায়ক, গীতিকাৰ, সুৰকাৰ, অভিনেতা, চলচ্চিত্ৰ নিৰ্মাতা—নৱপ্ৰজন্মৰ 'হাৰ্ট থ্ৰ'ব'—জুবিন গাৰ্গ। এক জীৱন্ত কিংবদন্তি হৈ পৰা আমাৰ সময়ৰ সবাতোকৈ জনপ্ৰিয় গায়কগৰাকীৰ মন, চিন্তা আৰু সপোনৰ দীঘ-বাণি বিচাৰি আমি 'প্ৰত্যুষৰ স্বৰ'ৰ তৰফৰ পৰা যোৱা ২১ জুলাই, ২০২৫ তাৰিখে ওলাইছিলোঁগৈ গুৱাহাটীৰ ৰাজগড়স্থিত 'অভিনয়া'ৰ কাৰ্য্যালয়ত। নিজৰ অতিশয় কৰ্মব্যস্ততাৰ মাজতো অসম জাতীয় বিদ্যালয়ৰ পৰা যোৱা বুলি জানি স্নেহ আৰু আন্তৰিকতাৰে তেওঁ আমাৰ স'তে বাৰ্তালাপ কৰে। ক্ৰমে দীঘল হৈ হৈ শেষ হ'ব নোখোজা এই বাৰ্তালাপৰ কিয়দাংশ আমি পঢ়ুৱৈসকললৈ সবিনয়ে আগবঢ়ালোঁ।*

**প্ৰত্যুষৰ স্বৰ :** আপুনি শিশুক ভাল পায়, আমি সকলোৱে জানো। 'শিশু' নামৰ আপোনাৰ এখন এলবামো আছে। আপুনি আপোনাৰ শৈশৱ আৰু কৈশোৰৰ বিষয়ে ক'ব নেকি?

**জুবিন গাৰ্গ :** শৈশৱ... (অলপ ৰৈ) মোৰ শৈশৱটো বহুত ঠাইত। কৰিমগঞ্জ, বিজনী, তেজপুৰ, তামুলপুৰ, যোৰহাট... এনেদৰেই দেউতাৰ লগত ঘূৰি ফুৰোঁতেই গ'ল মোৰ শৈশৱটো। সংগীত, নাটক সেইবিলাক লৈয়ে মোৰ শৈশৱ। ক্ৰিকেট খেলিছিলোঁ, বেডমিণ্টন খেলিছিলোঁ... (অলপ ৰৈ) তাৰ পাছত গুৱাহাটী পালোঁ।

**প্ৰত্যুষৰ স্বৰ :** আমাৰ সমান বয়সত আপোনাৰ জীৱনত ঘটা এটা উল্লেখযোগ্য ঘটনাৰ বিষয়ে ক'ব নেকি?

**জুবিন গাৰ্গ :** ঘটনা বহুত আছে বাৰু! মই ক্লাছ টু মানত থাকোঁতে এবাৰ হেৰাইছিলোঁ। বহুত বিচাৰি বিচাৰি দেউতাহঁতে এঠাইত মোক পালেগৈ। কিবা এটা কাৰণে ঘৰৰ পৰা ওলাই গৈছিলোঁ, হেৰাই



থাকিলোঁ। লগৰ ল'ৰাবোৰৰ লগত বহুত ঘটনা আছে। মই বিভিন্ন ঠাইত ঘূৰি ফুৰিছিলোঁ। প্ৰায়ভাগ ঠাইতে মোৰ লগৰ ল'ৰা-ছোৱালী আছে। মই মেট্ৰিক দিয়ালৈকে ইংৰাজী, বাংলা আৰু অসমীয়া মাধ্যমত পঢ়িছিলোঁ। তাৰ পাছত আকৌ কলেজত ইংৰাজী মাধ্যমত পঢ়িছিলোঁ।

**প্ৰত্যুষৰ স্বৰ :** আপুনি সংগীতৰ প্ৰেৰণা ক'ৰ পৰা পাইছিল?

**জুবিন গাৰ্গ :** মোৰ ঘৰতেই আছিল, মায়ে ভাল গাইছিল, ভণ্টিয়ে গাইছিল... (অলপ ৰৈ) দেউতাই লিখিছিল। এনেদৰেই সংগীতৰ লগত সৰুৰে পৰাই সংযোগ আছিল। প্ৰথমতে মই তবলা শিকিছিলোঁ, পাছতহে গানলৈ আহিলোঁ। এনেকৈয়ে আহি আহি এতিয়া সম্পূৰ্ণৰূপে সংগীত আৰু চিনেমাৰ লগত জড়িত হৈ আছোঁ।

**প্ৰত্যুষৰ স্বৰ :** আপুনি প্ৰথমৰে পৰা এতিয়ালৈ যিমান গীত ৰচনা কৰিছে, আপোনাৰ সেই গীতসমূহে নৱপ্ৰজন্মক কেনেদৰে প্ৰভাৱিত কৰিছে বুলি আপুনি ভাবে?

**জুবিন গাৰ্গ :** (অলপ হাঁহি) মই যিমান পাৰোঁ চেষ্টা কৰিছোঁ কাম কৰিবলৈ। নতুন নতুন কাম, নতুন নতুন গান, নতুন নতুন চিনেমা, যিমান পাৰোঁ কৰি গৈ আছোঁ আৰু! সকলোৱেই চাই ভাল পাইছে,





গতিকে সেইটো মই ‘blessings’ বুলি ভাবোঁ। ভৱিষ্যতেও আৰু কাম কৰি যাম, ভাল ভাল কাম।

**প্ৰত্যুষৰ স্বৰ :** আমি সকলোৱে জানো—আকাশো নীলা, সাগৰো নীলা। আপোনাৰ কোনটো প্ৰিয়, মানে মই অলপ কবিতাৰ ফালৰ পৰা সুধিব বিচাৰিছোঁ।

**জুবিন গাৰ্গ :** (হাঁহি) দুয়োটাৰে ‘feel’ বেলেগ। আকাশৰ ‘feel’ বেলেগ, সাগৰৰ ‘feel’ একেবাৰেই বেলেগ। দুয়োটাই মই ভাল পাওঁ। বিশেষকৈ মই ৰাতিৰ আকাশখন বেছি ভাল পাওঁ। দুয়োটাই বহুত বিশাল। দুয়োটাই প্ৰিয় মোৰ।

**প্ৰত্যুষৰ স্বৰ :** আমি জানো যে আপুনি এগৰাকী প্ৰসিদ্ধ গায়ক হোৱাৰ লগতে এগৰাকী প্ৰকৃতিপ্ৰেমী ব্যক্তি। আপোনাৰ প্ৰকৃতিৰ লগত কেনে ধৰণৰ সম্পৰ্ক?

**জুবিন গাৰ্গ :** আমাৰ কেম্পবোৰ চলি থাকে নহয়... গোটেই অসমৰ বেলেগ বেলেগ ঠাইত। মোৰ ‘ফেন ক্লাব’ৰ ল’ৰা-ছোৱালীবোৰে এইবোৰ কামতে ব্যস্ত থাকে। মই কৈ দিওঁ, ‘আইডিয়া’ দিওঁ মই, সিহঁতে তেনেকৈয়ে কৰে, বিভিন্ন ঠাইত। প্ৰত্যেক বছৰে থাকে আমাৰ এই কেম্পবিলাক, কৰ্মশালাবিলাক। বহুত হাজাৰ হাজাৰ গছ ৰুৱাইছোঁ মই, নিজেও ৰোওঁ। সেইদৰে ‘ফেন ক্লাব’ৰ লগত জড়িত হৈ বিভিন্ন কাম কৰি আছোঁ।

**প্ৰত্যুষৰ স্বৰ :** আপুনি বিভিন্ন ভাষাত গান গাইছে। তাৰে ভিতৰত কোনটো ভাষাত গান গাবলৈ সহজ অনুভৱ কৰিছে?

**জুবিন গাৰ্গ :** ভাৰতৰ প্ৰায়বোৰ ভাষাৰেই গান গাইছোঁ। কেৱল কাশ্মীৰী ভাষাত গান নাই গোৱা। অসমৰ প্ৰায়বোৰ ‘ট্ৰাইবেল’ ভাষাৰেই গান গাইছোঁ। ভাষাটো বেলেগ হ’ব পাৰে... মোৰ ‘পিক আপ’ কৰিবলৈ বেছি সময় নালাগে। সহজ কৰি লওঁ নিজৰ মতে আৰু বেলেগ বেলেগ ভাষাৰ গান গাই থাকোঁ।

**প্ৰত্যুষৰ স্বৰ :** অসমীয়াৰ বাহিৰে অসমৰ আন জাতি-জনজাতিৰ কোনটো ভাষাত গান গাই ভাল পায় আপুনি?

**জুবিন গাৰ্গ :** ভাল লাগে... মিচিং গানবোৰ বৰ ধুনীয়া। বড়ো ভাল লাগে। কিছুমান ভাষাত আকৌ ময়েই প্ৰথম গাইছোঁ। প্ৰথম মিচিং চিনেমাত ময়েই গান গাইছোঁ। তিৱাসকলৰ প্ৰথম কেছেটত ময়েই গান গাইছোঁ। ডিমাচা ময়েই গাইছোঁ। গতিকে তেওঁলোকৰ লগত মোৰ ভাল সম্পৰ্ক। তেনেকৈয়ে গাই গৈ আছোঁ জীৱনটোত। চল্লিছ হাজাৰ গান হ’ল এতিয়ালৈকে। এইটো ‘ৱৰ্ল্ড ৰেকৰ্ড’ হয় আচলতে।

**প্ৰত্যুষৰ স্বৰ :** এগৰাকী গায়ক হিচাপে আপুনি নৱপ্ৰজন্মৰ গায়ক-গায়িকাৰ বিষয়ে কি ভাবে?

**জুবিন গাৰ্গ :** নতুন গায়ক? (অলপ ৰৈ) নতুন গায়ক ওলাই আছে ভাল ভাল। কেইটামান ল’ৰা-ছোৱালী আছে—ভাল গায়। মোৰ নতুন চিনেমাবোৰত ‘ইণ্ট্ৰ’ডিউচ’ কৰাই আছোঁ সিহঁতক। সিহঁতে মোৰ লগত কাম কৰিও ভাল পায়, কাৰণ, সিহঁতক মই ‘ফ্ৰিলী’ গাব দিওঁ।

**প্ৰত্যুষৰ স্বৰ :** শেষত আমি সুধিব খুজিছোঁ—অসম জাতীয় বিদ্যালয়ৰ অষ্টম ঘ শাখাৰ হাতেলিখা আলোচনী ‘প্ৰত্যুষৰ স্বৰ’ৰ তৰফৰ পৰা আপোনাৰ সৈতে কথোপকথনৰ বাবে আহিছিলোঁ। আপোনাৰ অভিজ্ঞতাৰ বিষয়ে জনাব নেকি?

**জুবিন গাৰ্গ :** ভাল লাগিল। (উচ্ছ্বসিত হৈ) তোমালোকে প্ৰশ্নবোৰ ভালেই কৰিছা। জাতীয় বিদ্যালয়ৰ নাম আছে। সকলোৱে ভাল হ’ব বুলি আশা কৰিছোঁ। ‘কনফিডেন্স লেভেল’টো ঠিকে ৰাখিলে হ’ল—সব সহজ হৈ যায়। ❖

**(২০২৫-২৬ বৰ্ষৰ অষ্টম শ্ৰেণীৰ (ঘ) হাতেলিখা আলোচনী ‘প্ৰত্যুষৰ স্বৰ’ৰ পাতৰ পৰা। সাক্ষাৎগ্ৰহণকাৰী শিক্ষাৰ্থীসকল—নৈঋত নিৰ্য্যাস, মানস বৈশ্য, সুদীপ্ত বৰ্মন, প্ৰজ্ঞানম যোগী, মনদ্বীপ কৰ্মকাৰ, প্ৰস্তুত পাঠক, ৰাজদ্বীপ গোস্বামী, ময়ূৰ ডেকা, হৃদয় চৌধুৰী।**

**তত্ত্বাৱধায়ক : উৎপল ডেকা, শিক্ষক, হিন্দী বিভাগ।)**

*(বিশেষ কৃতজ্ঞতা : গৰিমা শইকীয়া গাৰ্গ, তাপসী বৰ্মন শইকীয়া, অৰুণ গাৰ্গ, ড° বিজয় শংকৰ বৰ্মন)*

# এসময়ত এজন ৰজা আছিল...

**নিশা দেৱী**
শিক্ষয়িত্ৰী, ইংৰাজী বিভাগ



নিঃস্বাৰ্থ ভালপোৱাৰ ৰজা, সাহসৰ ৰজা, স্পষ্টবাদিতাৰ ৰজা...
ৰজাজনে গছ ভাল পাইছিল। গছবোৰ সাবটি গছৰ স'তে কথা পাতিছিল।
ৰজাৰ কোনো জাতি নাছিল, ধৰ্ম নাছিল। ৰজা আছিল মুক্ত।
ৰজাজনে মানুহক মৰম কৰিছিল। বহুত মৰম।
ৰজাজনে চৰাই-চিৰিকটি, জীৱ-জন্তু—
সকলোৰে যতন লৈছিল।
কোনোবাই হাত পাতিলে ৰজাই
নিজকে খালী কৰি দান কৰিছিল।
ৰজাই দিনে-নিশাই কষ্ট কৰিছিল ।
সহস্ৰজনৰ মাজত নিজকে বিলাই দি
ৰজাই নিজকে নিজে পাহৰিছিল।
ৰজা বৰ অকলশৰীয়া আছিল।
সাগৰতলিৰ সেউজ এন্ধাৰ গভীৰতাক তেওঁ
যাযাবৰী হৃদয়ৰ অতল তলিত সাঁচি থৈছিল।
চাৰিওফালৰ সুন্দৰ ঘৰবোৰ দেখি নিজৰ এটি
ঘৰ নথকা দুখত তেওঁ হেনো এবাৰ কান্দিছিল ।
নিজৰ নিঃসংগতা আৰু কষ্টক তেওঁ বৰ সযতনে
নিজৰ মাজত সামৰিছিল।
চুই চাব নিদিছিল তাক কাকো কেতিয়াও।
ৰজাই গম পাইছিল তেওঁৰ এখন সাম্ৰাজ্য আছে।
ৰজাই নদী, আকাশ, তৰা আৰু সাগৰ ভাল পাইছিল।
সাগৰতলিত শুবলৈ, কাকো একো নোকোৱাকৈ
এদিন তেওঁ গুচি গৈছিল।
তেওঁ যোৱাৰ পিছৰ স্তব্ধ সাম্ৰাজ্যত,
এসাগৰ মানুহে তেওঁক বিচাৰি বিননি জুৰিছিল।
এসময়ত এজন ৰজা আছিল।
যাৰ অবিহনে এখন সাম্ৰাজ্য
চিৰদিনৰ বাবে উদং হৈ গৈছিল... ❖



# দেৱতাৰ মন্দিৰলৈ বাট কেনি ?

**পংকজ দত্ত**
উপাধ্যক্ষ, অসম জাতীয় বিদ্যালয়

অসূৰ্য্যস্পৰ্শা বাৰিধিত হিৰণ্ময় নীৰৱতাও হৈ পৰে বাংময়
শিল্পৰ মূৰ্ত পৰিভাষাও কিযে এক বিস্ময়
সীমাহীন নীলিমাত দুবাহুৰ কচৰৎ
নিমিত্ত মাত্ৰ
ৰৈ দে পুৱা
ৰৈ দে জোন
থমকি ৰ প্ৰাত্যহিক আৱৰ্তন
নাহিবি অমানিশাৰ
মচি দিব নোৱৰা এন্ধাৰ
উশাহৰ প্ৰশান্তি দূৰ জিলমিল
ৰ'দৰ বৰণ ক'ত খিলখিল
উভতি আহ প্ৰোজ্জ্বল দিন
উভতি আহ জোনাকী ৰাতি
হেঁপাহ মোৰ অনন্ত, অনাবিল
সহস্ৰ নয়নৰ এটোপাল মণি
বাটৰুৱাই খোজ কাঢ়ে ক্ষণ গণি গণি
চুই চোৱা মোক সমুজ্জ্বল বাৰিষাৰ
উত্তাপ জ্বলে মোৰ হৃদয়ত উমি উমি
পুচ্ছ নাটিকা কাৰো কাম্য নহয়
অহৌবলিয়া জঁটাধাৰী জনতাৰ অবাঞ্ছিত নহয়
মায়া লৈ নাহিবা
আশাৰে জগত জিনিবা
ৰঙেৰে জগত পোহৰ কৰি
মুক্তিৰ পাখি লগাই উৰুৱাই দিবা উৰণীয়া মন
এয়ে মোৰ মান
এয়ে মোৰ অভিমান
আয়ুষ্মান !
আয়ুষ্মান ! ❖



# জীৱন জুবিনময়

**বিনয় বিকাশ গগৈ**
মুৰব্বী, ইংৰাজী বিভাগ

জোনৰ পোহৰ
আজি ম্লান হৈ ৰ'ল
বতাহৰ গতি
যেন ৰুদ্ধ হৈ গ'ল
মায়াৱী নিশাত আজি
নিঃশব্দ কোলাহল
দুচকুৰ সপোন
কোনেনো ভাঙি থৈ গ'ল
কি দিন কি ৰাতি
সময় থমকি ৰ'ল
তোমাৰ গীতৰ মায়াত
জীৱন জুবিনময় হ'ল
আকাশৰ ৰংবোৰ আজি
ক'তেনো হেৰাল
মৰম আবেগত
মৃত্যুও আজি
হাৰ মানি ৰ'ল
জাতি ধৰ্মৰ আবেগ
ক'ৰবাত উটি-ভাহি গ'ল
তোমাৰ গীতৰ মায়াত
জীৱন জুবিনময় হ'ল❖

# জুবিন মালিতা

**অসীম কৃষ্ণ বৰুৱা**
শিক্ষক, সমাজ বিজ্ঞান বিভাগ

"মায়াৱিনী ৰাতিৰ বুকুত
দেখা পালোঁ তোমাৰ ছবি
ধৰা দিলা গোপনে আহি..."
এক অৱধাৰিত সত্য
অনামিকা অনুভৱত
তোমাৰ ছবি এতিয়া
প্ৰতিমা প্ৰাৰ্থনাৰ
নিয়ৰৰে চেঁচা টোপাল হে
কেনেকৈ জানিলা
মোৰ শুকান মনৰ কথা
তুমি ৰ'দৰে নৈ হে ৰৈ বৈ গৈ থাকিবা
হয় হয় মই মানি লৈছোঁ
এই যে ক'লা
ধুমুহাৰ স'তে তোমাৰ
বহু যুগৰে নাচোন বুলি
কিয় নক'লা যে তুমি যাবাগৈ
আমিতো আজন্ম অজ্ঞ
এন্ধাৰো সঁচা তোমাৰ
আমি আকৌ জন্মান্ধ
নুবুজিলোঁৰেই নহয়
তুমি যে নোহোৱা হ'বা এনেকৈ
তোমাৰ নিজানৰ গান
কলিজাৰে নহয় কাণেৰে শুনিলোঁ
শেষ নহয় আৰু এতিয়া এই গান
বুকুৰ জ্বলা জুই হ'লা তুমি চিৰদিনলৈ
ঠিক ক'লা তুমি
মেঘালী নিশাৰ জোনে
এতিয়াৰ পৰা অহৰ্নিশে গাব
তোমাৰ বেথাৰ বিলাপ
ধুমুহাৰ স'তে কিয়নো নাচিছিলা তুমি
আমি ভালহে পাওঁ তোমাক
প্ৰেমৰ গভীৰতা নাজানো নহয়
তুমি চাই আছিলা দুচকুলে'
দুহাতেৰে সাবটি ল'লা আমাক
সপোন নে দিঠক ধৰিবই নোৱাৰিলোঁ
এন্ধাৰৰ গভীৰতাত নিজানৰ গানবোৰ
এতিয়া চতুৰ্দিশে
তোমাৰেই কেৱল তোমাৰেই
জয় জয় জয় জয়
পোহৰ প্ৰহৰ এতিয়া দূৰত
দেহ-মন নিথৰ-জথৰ
চফৰ এতিয়া দিশহাৰা বুজিছা
সেই যে কৈছিলা
হাঁহি সাঁথৰ চকুৰ বাখৰ
মিঠা আঘাত হ'ল প্ৰাণৰ
কঁপি কঁপি কান্দি উঠা কলিজাই
আজি পৃথিৱী কঁপায়
নৈ-নিজৰা সাগৰ-মহাসাগৰ
দেশ-মহাদেশ আকাশ-বতাহ
একাকাৰ সৰ্বত্ৰ
কি কৰোঁ ক'লৈ যাওঁ... ❖

# বাখৰ

## একত্ৰিংশত্তম (৩১ সংখ্যক) সংখ্যা, ২০২৫

## সূচীপত্ৰ

### জন্ম-শতবৰ্ষত সুধাকণ্ঠ

■ ড° ভূপেন হাজৰিকা/ ৫
■ ড° ভূপেন হাজৰিকাৰ জীৱন-ৰেখা/ ৭
■ লক্ষ্য যদি দিগন্ত / ১৮
■ সুধাকণ্ঠৰ গীতৰ সৌন্দৰ্য্য বিচাৰ/ ২১

### জুবিন-স্পন্দন

■ এটি নাম পৰিক্ৰমা / ২৩ ■ জুবিন : এক তৰংগ / ২৫ ■ জুবিন গাৰ্গৰ গীত/ ২৮ ■ অনন্য জুবিন / ৩২ ■ জুবিন গাৰ্গৰ কবিতা / ৩৫ ■ মায়াময় আবেলিটো / ৩৮
■ এসময়ত এজন ৰজা আছিল / ৪০
■ দেৱতাৰ মন্দিৰলৈ বাট কেনি?/ ৪১
■ জীৱন জুবিনময়/ ৪১ ■ জুবিন মালিতা / ৪২

■ বিদ্যালয় সংগীত / ৪৬
■ বিদ্যালয় সংগীতৰ স্বৰলিপি / ৪৭
■ অধ্যক্ষৰ কলম... / ৪৮

### ফুটা-নুফুটা কথাৰ মালা

■ গৰমৰ বন্ধত তুমি কি কৰিলা? / ৫৭
■ যদি তোমাক এটা জন্তুৰ ওপৰত উঠিবলৈ দিয়া হয়, কোনটো জন্তুৰ ওপৰত উঠিবা? / ৬৫
■ যাদুকৰ হ'লে তুমি কি কি কৰিবা? / ৭৩

### শব্দ-গাঁথা

/ ৮৩-৯৪

### মুখামুখি

■ হাতীয়ে সকলো কথা জানে, সিহঁত সৰৱজান / ৯৫

### কথা-মালিকা

■ ভালুক আৰু সাপ / ১০১ ■ কাজিৰঙাৰ কথা / ১০১ ■ সপোন / ১০২ ■ বীৰ আৰু অৰ্ণৱৰ কথা / ১০৩ ■ বাণীৰ বিঁলৈ / ১০৩ ■ এহাল পাৰ চৰাইৰ কাহিনী / ১০৩ ■ আমাৰ কাহিনী / ১০৪ ■ জোনাক আৰু জবা / ১০৫ ■ সাপ আৰু ঈগল / ১০৬ ■ ৰিয়াৰ পৰীক্ষা / ১০৬ ■ দেওবৰীয়া দিনটো / ১০৭ ■ এজাক বৰষুণৰ অপেক্ষাত / ১০৮ ■ জন্মদিনৰ উপহাৰ / ১০৯ ■ প্ৰিয়াৰ কাহিনী / ১১০ ■ নিৰ্ভৰশীলতা / ১১০ ■ কাল্পনিক যাত্ৰা / ১১১ ■ শিৱৰাত্ৰিত অঘটন / ১১২ ■ ৰহস্য / ১১৩ ■ অমাত জীৱৰ মাত / ১১৪ ■ গুপ্তধনৰ সন্ধান / ১১৬ ■ শিকলি ১১৭ ■ সোণাৰুবুলীয়া স্মৃতি / ১২০ ■ বন্ধুত্বৰ এনাজৰী / ১২২ ■ নতুন প্ৰভাতৰ ৰেঙনি / ১২৩ ■ সোঁৱৰণী / ১২৪

## অনুভৱ-সোঁৱৰণ


■ সুদিন সুঁৱৰি /১২৬

■ মোৰ জীৱনৰ দুখলগা এটা দিন /১২৭


## জীৱন-ডিঙা বাই


/১২৮-১৩৯


## স্মৃতিৰ ঢৌৰে ঢৌৰে


/ ১৪০-১৪১


## তৰ্জমা


■ দেৱী /১৪২


## হেঁপাহবোৰ পঠালোঁ ডাকত


■ বিৰিখৰ আত্মকথা / ১৪৩

■ আইতালৈ হেঁপাহেৰে /১৪৫

■ মনৰ কলমেৰে জ্যোতি ককাইদেউলৈ /১৪৭


## চিন্তা-নিৰ্য্যাস


■ মধুবনী চিত্ৰকলা /১৪৯

■ ওডিচি নৃত্য /১৪৯

■ বিহু আৰু বাদ্য / ১৫০

■ বিহুৰ সৃষ্টিত প্ৰকৃতিৰ প্ৰেৰণা /১৫১

■ বড়ো জনগোষ্ঠীৰ লোকাচাৰ / ১৫২

■ অসমীয়া সংগীতত ফুল /১৫৩

■ দেওপানী দুৰ্গা মন্দিৰ /১৫৫

■ যান-বাহনৰ নম্বৰফলক আৰু ভাৰতীয় ব্যৱস্থা /১৫৫

■ KFCৰ উৎপত্তি /১৫৭

■ ভাৰতীয় দবা গ্ৰেণ্ড মাষ্টাৰ গুকেশ ডি/১৫৮

■ মোবাইল ফোনৰ প্ৰভাৱ /১৫৯

■ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ সাধুকথা /১৫৯

■ ভাৰতত পোলেণ্ডৰ এজাক শিশু /১৬১

■ সুৰৰ সম্ৰাজ্ঞী দীপালি বৰঠাকুৰ /১৬৩


## हिन्दी विविधा


■ किसका लाभ हुआ ? /১৬৫

■ चंदर का सुख /১৬৫

■ गाजरघास : एक गंभीर समस्या / ১৬৬

■ मशहूर लेखिका जेनिस पैरिएट /১৬৭

■ हिंदी साहित्य के दो कथाकार /১৬৮

■ कुंभ मेला /১৬৯

■ मुझे अनुप्राणित करनेवाली लेखिका- हेलेन केलर /১৭০

■ भक्तिकालीन कवि तुलसीदास / ১৭১

■ संत कवयित्री मीराँबाई /১৭১

■ प्राकृतिक /১৭২

■ गहरा संबंध /১৭৩

■ जीवन लक्ष्य /১৭৩

■ घाटी की नीरव मुस्कान /১৭৩

## English Emporium


- Ancient China's Giant Guardian /১৭৪
- Hubble Space Telescope / ১৭৫
- The Three Musketeers– Alexandre Dumas / ১৭৬
- Nils Bohlin / ১৭৭
- The Lord of the Rings/ ১৭৮
- Living Life Unfiltered : The Balance Between Fantasy and Reality /১৭৯
- The Mystery of Pyramid / ১৮০
- Gender Stereotypes in India : A Web of Hypocrisy, Inequality and Discrimination/ 181
- Light Up the World / ১৮৩
- All Eyes on Pahalgam /১৮৪
- The Last Will / ১৮৬
- Moon / ১৮৬
- Oh Mother! / ১৮৬
- Promises / ১৮৬
- Starlight Dimmed:A Child's Plea /১৮৭
- Dream Is Not Real / ১৮৮
- I Feel Proud of Me /১৮৮
- Time / ১৮৮
- Music–Art That Conquers /১৮৮
- Nobody / ১৮৯
- The War /১৮৯


## শিক্ষকৰ কাপ-কথা


- কথন কৌশল /১৯০
- অসীম ধৈৰ্য্যই হ'ল কৃতকাৰ্য্যতাৰ গোপন ৰহস্য /১৯১
- শিশুৰ বিকাশত ঘৰ, সমাজ আৰু শিক্ষানুষ্ঠানৰ ভূমিকা /১৯৩
- পৰিৱেশ প্ৰদূষণ : আধুনিক যুগৰ প্ৰত্যাহ্বান আৰু প্ৰাচীন ভাৰতীয় শিক্ষা /১৯৫
- যোজনা, পটন্তৰ, প্ৰবচন আদিৰ কথাৰে.../ ১৯৭
- हिन्दी साहित्य में पत्र साहित्य /১৯৯
- देहाड़ी /২০০
- पूर्वोत्तर भारत केन्द्रित हिन्दी उपन्यास / ২০৩
- Unpredictable /২০৪
- অন্তৰ্য্যামী / ২০৪
- নেপালৰ নেৱাৰ / ২০৪
- Sociological Analysis of Stolen (2023) : A Mirror to Rural India's fault Lines /২০৫
- Culture, Traditions, and Socio-Political Life of the Karbis / ২০৮
- Aphra Behn / ২০৯
- A New Trend in History : Subaltern Studies / ২১০



**পুথিভঁৰালৰ টোকাবহীৰ পৰা** / ২১২

**প্ৰাতঃসভাৰ চিন্তা** / ২১৩


## অন্যান্য


- বিদ্যালয়ৰ উল্লেখযোগ্য দিন / ২১৪
- বিদ্যালয় সপ্তাহ-২০২৪-২৫ৰ ফলাফল / ২১৬-৩০৯
- হাতেলিখা আলোচনীৰ ফলাফল / ৩০৯
- বিজ্ঞান দিৱস, ২০২৫ৰ ফলাফল / ৩১০-৩১১
- বিভিন্ন ক্ষেত্ৰত আমাৰ শিক্ষাৰ্থীৰ সফলতাৰ খতিয়ান (২০২৪-২৫) / ৩১২
- ২০২৪-২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকল / ৩১৪
- ২০২৪-২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকল / ৩১৫

# বিদ্যালয় সংগীত

**ৰচনা : ডা° নাৰায়ণ শৰ্মা** **সুৰ : ৰমেন বৰুৱা**

*আলোক সন্ধানীৰ আশাৰ আলয়*
*অসম জাতীয় বিদ্যালয়।*

*সুবাস লওঁ আমি কেঁচা মাটিৰ*
*পৰশ নেৰোঁ আমি ওপজা ভেটিৰ।*
*সুন্দৰ সমাজৰ সপোন ৰচি*
*পূজাৰী আমি কৰ্ম-সংস্কৃতিৰ।*

*আত্ম-বিশ্বাস আৰু সততাৰে*
*জ্ঞান বিজ্ঞানৰ সাধনাৰে*
*জগত সভাত আমি পোহৰ বিলাম*
*আই অসমীৰ আমি মুখ উজলাম।*

*স্বদেশ-স্বজাতিৰ মান ৰাখিম*
*নৱ নৱ চিন্তাৰ জোৱাৰ আনিম*
*অপাৰ দিগন্তত দৃষ্টি ৰাখি*
*আধুনিক পৃথিৱী আমিয়ে গঢ়িম।* ◈

# বিদ্যালয় সংগীতৰ স্বৰলিপি

**স্থায়ী**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| ধস | :স | :স | সৰ | গপ | -ধ | প | গৰ | ৰগ | :ৰ | সৰ | গপ |
| আলোক | স | ন্ধা | নীৰ | আশাৰ | আ | ল | য় | অসম | জা | তী | য় |
| বি | দ্যা | লয় | | | | | | | | | |

**অন্তৰা**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| পপ | :প | প | পপ | পধ | :প | ধ | - | মম | :ম | প | ধপ |
| সুবাস | লওঁ | আ | মি | কেঁচা | মা | টিৰ | | পৰশ | নে | ৰোঁ | আমি |
| মপ | ধম | প | - | | | | | | | | |
| ওপ | জাভে | টি | ৰ | | | | | | | | |
| গ | গ | গ | মপ | মপ | মগ | ৰ | - | নন | নপ | ন | - |
| সুন্ | ন্দৰ | সমা | জৰ | সপোন | ৰ | চি | - | পূজা | ৰীআ | মি | - |
| স | স | ৰ | ৰ | গ | - | - | ৰ | স | - | - | - |
| ক | র্ম | সং | স্কৃ | তি | - | - | - | ৰ | - | - | - |

**সঞ্চাৰী**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| স | সপ | :ধ | প | সস | ৰস | ন | - | নৰ | :ন | ৰ | ৰ |
| আ | ত্মাবি | শ্বাস | আৰু | সত | তা | ৰে | - | জ্ঞান | বি | জ্ঞা | নৰ |
| সাধ | না | ৰে | - | | | | | | | | |
| ম | ম | ম | পধ | মপ | :ম | ম | পণ | ণধ | ধপ | পম | মগৰ |
| জগত্ | স | ভাত | আমি | পোহৰ | বি | লা | ম | আই | অস | মীৰ | আমি |
| গৰ | গপ | গ | - | ৰগ | :ৰ | সৰ | গপ | সৰমৰ | :স | স | - |
| মুখ | উজ | লা | ম | আই | অ | স | মীৰ | মুখ | উজ | লা | ম |

**২য় অন্তৰা**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| পপ | :প | প | পপ | পধ | প | ধ | - | মম | :ম | প | ধপ |
| স্বদেশ | স্ব | জা | তিৰ | মান | ৰা | খি | ম | নৱ | নৱ | চি | ন্তাৰ |
| মপ | ধম | প | - | | | | | | | | |
| জোৱাৰ | আ | নি | ম | | | | | | | | |
| স | গ | গ | মপ | মপ | মগ | ৰ | - | নন | নপ | ন | ন |
| অপাৰ | দি | গ | ন্তত | দৃ | ষ্টি | ৰা | খি | আধু | নিক | পৃথি | ৱী |
| স | স | ৰ | ৰ | গ | - | - | ৰ | স | - | - | - |
| আ | মি | য়ে | গ | ঢ়ি | - | - | - | ম | - | - | - |

# অধ্যক্ষৰ কলম

**ঘনশ্যাম মেধি**, অধ্যক্ষ

,অসম জাতীয় বিদ্যালয়ে ২০২৫ বৰ্ষৰ ১ জানুৱাৰীত ৩১টা বছৰ সম্পূৰ্ণ কৰি ৩২ সংখ্যক বৰ্ষত প্ৰবেশ কৰিলে। অসম জাতীয় বিদ্যালয়ৰ লগতে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত জাতীয় বিদ্যালয়ৰ শৈক্ষিক নীতি-নিৰ্দেশনাৰ আধাৰত গঢ়ি উঠা দুই সহস্ৰাধিক জাতীয় বিদ্যালয়ে বিগত সময়ছোৱাত নিজৰ কৰ্মসূচীৰে ৰাজ্যখনৰ শিক্ষাজগতখনত এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে। এই বিদ্যালয়সমূহৰ পৰা ওলোৱা বহু শিক্ষাৰ্থীয়ে দেশ-বিদেশৰ বিভিন্ন উচ্চ শিক্ষা প্ৰতিষ্ঠানত শিক্ষা গ্ৰহণ কৰি আছে, কোনো কোনোৱে গৱেষণা কৰি আছে আৰু আন একাংশই বিভিন্ন প্ৰতিষ্ঠানত সেৱা আগ বঢ়াই আছে। মাতৃভাষা মাধ্যমত শিক্ষা গ্ৰহণ কৰা এই শিক্ষাৰ্থীসকলে ৰাজ্যখনৰ শিক্ষা, সংস্কৃতি, কলা-সাহিত্য, ৰাজনীতি, ক্ৰীড়া, সামাজিক আদি সকলো ক্ষেত্ৰতে অৰিহণা যোগাওক, তাৰ বাবে আমি প্ৰচেষ্টা অব্যাহত ৰাখিম।

বিগত বৰ্ষবোৰৰ দৰে চলিত বৰ্ষতো অসম জাতীয় বিদ্যালয়ত বিভিন্ন ধৰণৰ শৈক্ষিক তথা অন্যান্য কাৰ্য্যসূচী সফলভাৱে ৰূপায়িত কৰা হয়।

এই প্ৰতিবেদনৰ সময়সীমা ২০২৪ বৰ্ষৰ নৱেম্বৰ মাহৰ পৰা ২০২৫ বৰ্ষৰ অক্টোবৰ মাহলৈ। ২০২৫ বৰ্ষৰ মাৰ্চৰ ৩১ তাৰিখে ২০২৪-২৫ শিক্ষাবৰ্ষ সমাপ্ত হয়। ১ এপ্ৰিলৰ পৰা ২০২৫-২৬ শিক্ষাবৰ্ষ আৰম্ভ হয়।

**বিদ্যালয়ৰ শৈক্ষিক কাৰ্য্যসূচী**

২০২৪ বৰ্ষৰ অক্টোবৰ মাহলৈ ইতিমধ্যে ২০২৪-২৫ শিক্ষাবৰ্ষৰ প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ দুটা গোট পৰীক্ষা আৰু ছয়মাহিলি পৰীক্ষা, নৱম আৰু দশম শ্ৰেণীৰ বাবে এটা গোট পৰীক্ষা আৰু ছয়মাহিলি পৰীক্ষা, একাদশ শ্ৰেণীৰ বাবে দুটা গোট পৰীক্ষা আৰু দ্বাদশ শ্ৰেণীৰ চাৰিটা গোট পৰীক্ষা অনুষ্ঠিত হৈ যায়।

প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ ২০২৪-২৫ শিক্ষাবৰ্ষৰ ৩য় গোট পৰীক্ষা ১২ নৱেম্বৰৰ পৰা ২১ নৱেম্বৰলৈ, ৪ৰ্থ গোট পৰীক্ষা ১৯ ডিচেম্বৰৰ পৰা ৩০ ডিচেম্বৰলৈ আৰু ২০২৫ বৰ্ষৰ ১৮ ফেব্ৰুৱাৰীৰ পৰা ৩ মাৰ্চলৈ বছৰেকীয়া পৰীক্ষা অনুষ্ঠিত হয়। এইবাৰৰ বছৰেকীয়া পৰীক্ষাত অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ চমুকৈ এজবেকৰ অন্তৰ্ভুক্ত মুঠ ৬৪২খন বিদ্যালয়ে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ প্ৰশ্নকাকত গ্ৰহণ কৰে। ২০২৫ বৰ্ষৰ ১৮ মাৰ্চ তাৰিখে প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ বছৰেকীয়া পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। এই বৰ্ষৰ উত্তীৰ্ণৰ শতকৰা হাৰ ৯৮.৭৪।

২০২৪ বৰ্ষৰ ২ ডিচেম্বৰৰ পৰা ৭ ডিচেম্বৰলৈ নৱম আৰু দশম শ্ৰেণীৰ দ্বিতীয় গোট পৰীক্ষা অনুষ্ঠিত হয়।

২০২৫ বৰ্ষৰ ৫ মাৰ্চৰ পৰা ১৮ মাৰ্চলৈ নৱম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষা অনুষ্ঠিত হয়। ৩০ মাৰ্চ ২০২৫ তাৰিখে নৱম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। উত্তীৰ্ণৰ শতকৰা হাৰ ১০০।

২০২৪-২৫ শিক্ষাবৰ্ষত ৪ৰ্থ শ্ৰেণীৰ পৰা ৬ষ্ঠ শ্ৰেণীলৈ শতকৰা হাৰ ৯০ বা তাতকৈ অধিক নম্বৰ পোৱা ৮৫ গৰাকী শিক্ষাৰ্থীয়ে কৃষ্ণকান্ত সন্দিকৈ বৃত্তি আৰু ৭ম শ্ৰেণীৰ পৰা ৯ম শ্ৰেণীলৈ ৫৪ গৰাকী শিক্ষাৰ্থীয়ে শতকৰা হাৰ ৮৫ বা তাতকৈ অধিক নম্বৰ লাভ কৰি আনন্দৰাম বৰুৱা বৃত্তি লাভ কৰে।

একাদশ শ্ৰেণীৰ ১৪-১১-২০২৪ তাৰিখৰ পৰা ২০-১১-২০২৪ তাৰিখলৈ তৃতীয় গোট পৰীক্ষা অনুষ্ঠিত হয়। ০৬-০৩-২০২৫ তাৰিখৰ পৰা ২৯-০৩-২০২৫ তাৰিখলৈ আৰু ১৮-০৪-২০২৫ তাৰিখৰ পৰা ২১-০৪-২০২৫ তাৰিখলৈ একাদশ শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষা অনুষ্ঠিত হয়। ইয়াৰ মাজতে একোটাকৈ বিশেষ পৰীক্ষা আৰু গৃহ পৰীক্ষা অনুষ্ঠিত কৰা হয়।

দ্বাদশ শ্ৰেণীৰ ১২-১২-২০২৪ তাৰিখৰ পৰা ২৩-১২-২০২৪ তাৰিখলৈ প্ৰাক-চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হয় আৰু ৩০-১২-২০২৪ তাৰিখে ইয়াৰ ফলাফল ঘোষণা কৰা হয়।

১৩-১২-২০২৪ তাৰিখৰ পৰা ১৭-০৩-২০২৫ তাৰিখলৈ দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হয়।

২০২৪ বৰ্ষৰ ১৬ ডিচেম্বৰৰ পৰা ২৪ ডিচেম্বৰলৈ দশম শ্ৰেণীৰ প্ৰাক-চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হয়।

১৫-০২-২০২৫ তাৰিখৰ পৰা ০৩-০৩-২০২৫ তাৰিখলৈ ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হয়।

২০২৫ বৰ্ষৰ ১ এপ্ৰিলৰ পৰা ২০২৫-২৬ শিক্ষাবৰ্ষৰ প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ আৰু দ্বাদশ শ্ৰেণীৰ নিয়মীয়া শ্ৰেণীসমূহ আৰম্ভ হয়।

২ মে' ২০২৫ তাৰিখৰ পৰা একাদশ শ্ৰেণীৰ নিয়মীয়া শ্ৰেণীসমূহ আৰম্ভ হয়। ১৩ মে' ২০২৫ তাৰিখৰ পৰা একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বাবে CUET শ্ৰেণী অনুষ্ঠিত হয়। ২০২৫-২৬ শিক্ষাবৰ্ষত একাদশ কলা শাখাত ৬৫ গৰাকী, একাদশ বিজ্ঞান শাখাত ৬০ গৰাকী আৰু বিকনত একাদশ বিজ্ঞান শাখাত ২২ গৰাকী নতুন শিক্ষাৰ্থীয়ে আমাৰ বিদ্যালয়ত নামভৰ্তি কৰে। সেইদৰে ২০২৫-২৬ শিক্ষাবৰ্ষত অংকুৰ শ্ৰেণীকে ধৰি নৱম শ্ৰেণীলৈ বিভিন্ন শ্ৰেণীত মুঠতে ২৬০ গৰাকী শিক্ষাৰ্থীয়ে অসম জাতীয় বিদ্যালয়ত নতুনকৈ নামভৰ্তি কৰে। ২০২৫-২৬ শিক্ষাবৰ্ষত বিদ্যালয়খনত মুঠ ২৩৬৬ গৰাকী শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণ কৰি থাকে। ২০২৫-২৬ শিক্ষাবৰ্ষত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ (NEP, 2020) অনুসৰি প্ৰাক-বিদ্যালয় শাখাত তৃতীয় এটা শ্ৰেণী অন্তৰ্ভুক্ত কৰা হয়। সেই অনুসৰি প্ৰাক-বিদ্যালয়ত অংকুৰ (৩ বছৰৰ পৰা ৪ বছৰলৈ), কুঁহি (৪ বছৰৰ পৰা ৫ বছৰলৈ) আৰু সোপান (৫ বছৰৰ পৰা ৬ বছৰলৈ) শীৰ্ষক এই তিনিটা শ্ৰেণী সন্নিৱিষ্ট কৰা হৈছে।

২০২৫-২৬ শিক্ষাবৰ্ষত বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ পৰীক্ষাৰ পদ্ধতি পূৰ্বতকৈ কিছু সলনি কৰা হৈছে। পূৰ্বৰ একোটা শিক্ষাবৰ্ষত চাৰিটা গোট পৰীক্ষাৰ সলনি দুটা গোট পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰে এটা ছয়মাহিলি পৰীক্ষাৰ আগত আৰু আনটো ছয়মাহিলি পৰীক্ষাৰ পাছত অনুষ্ঠিত হ'ব। তদুপৰি চাৰিটা শ্ৰেণী পৰীক্ষা অনুষ্ঠিত হ'ব। ইয়াৰে দুটা ছয়মাহিলি পৰীক্ষাৰ আগত আৰু দুটা ছয়মাহিলি পৰীক্ষাৰ পাছত। প্ৰতিটো বিষয়ৰ গোট পৰীক্ষাৰ মূল্যাংক ৫০ নম্বৰ আৰু শ্ৰেণী পৰীক্ষাৰ মূল্যাংক ২০।

২০২৫ বৰ্ষৰ জুন মাহৰ ২ তাৰিখৰ পৰা ১০ তাৰিখলৈ প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ প্ৰথম গোট পৰীক্ষা আৰু ছেপ্টেম্বৰ মাহৰ ৯ তাৰিখৰ পৰা ২৭ তাৰিখলৈ ছয়মাহিলি পৰীক্ষা অনুষ্ঠিত হয়।

মে' মাহৰ ১২ তাৰিখৰ পৰা ২০ তাৰিখলৈ প্ৰথম আৰু আগষ্ট মাহৰ ১১ তাৰিখৰ পৰা ২০ তাৰিখলৈ দ্বিতীয় শ্ৰেণী পৰীক্ষা অনুষ্ঠিত হয়।

নৱম আৰু দশম শ্ৰেণীৰ ২০২৫ বৰ্ষৰ জুন মাহৰ ১৬ তাৰিখৰ পৰা ২৩ তাৰিখলৈ প্ৰথম গোট পৰীক্ষা আৰু ছেপ্টেম্বৰ মাহৰ ১৮ তাৰিখৰ পৰা অক্টোবৰ মাহৰ ৮ তাৰিখলৈ ছয়মাহিলি পৰীক্ষা অনুষ্ঠিত হয়।

২০২৫-২৬ শিক্ষাবৰ্ষৰ একাদশ শ্ৰেণীৰ প্ৰথম গোট পৰীক্ষা ১৯-০৬-২০২৫ তাৰিখৰ পৰা ০১-০৭-২০২৫ তাৰিখলৈ অনুষ্ঠিত হয়। দ্বাদশ শ্ৰেণীৰ বাবে ২৬-০৫-২০২৫ তাৰিখৰ পৰা ৩১-০৫-২০২৫ তাৰিখলৈ প্ৰথম গোট পৰীক্ষা, ২৭-০৬-২০২৫ তাৰিখৰ পৰা ০৪-০৭-২০২৫ তাৰিখলৈ দ্বিতীয় গোট পৰীক্ষা

অনুষ্ঠিত হয়। ইয়াৰ উপৰি একাদশ আৰু দ্বাদশ শ্ৰেণীৰ বাবে এটাকৈ বিশেষ পৰীক্ষাও অনুষ্ঠিত কৰা হয়।

১১ এপ্ৰিল ২০২৫ তাৰিখে ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। এই বৰ্ষত ১৩৮ গৰাকী পৰীক্ষাৰ্থীৰ আটাইকেইগৰাকীয়ে উত্তীৰ্ণ হয় আৰু ১০০ শতাংশ উত্তীৰ্ণৰ ধাৰাবাহিকতা অক্ষুণ্ণ থাকে। ইয়াৰে ১৩৩ গৰাকীয়ে প্ৰথম বিভাগত আৰু বাকী ৫ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। প্ৰথম বিভাগ পোৱাসকলৰ ভিতৰত ৩৯ গৰাকীয়ে ডিষ্টিংছন আৰু ৪৯ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰে। তদুপৰি উচ্চ গণিতত ১৫ গৰাকীয়ে, অসমীয়াত ৩ গৰাকী, সাধাৰণ গণিতত এগৰাকী, সত্ৰীয়া নৃত্যত এগৰাকী সৰ্বমুঠ ২০ গৰাকীয়ে ৰাজ্যখনৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰি বিভিন্ন বিষয়ত মুঠতে ৪৫১টা লেটাৰ নম্বৰ লাভ কৰে। সপ্তাৰ্শ্ব বৰদলৈয়ে ৰাজ্যখনৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰি বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনে।

৩০ এপ্ৰিল ২০২৫ তাৰিখে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। এই বৰ্ষত কলা শাখাৰ মুঠ ৬৪ গৰাকী পৰীক্ষাৰ্থীৰ আটাইকেইগৰাকীয়ে উত্তীৰ্ণ হৈ ১০০ শতাংশ উত্তীৰ্ণৰ ধাৰা অক্ষুণ্ণ ৰাখে। ইয়াৰে ৫৯ গৰাকী প্ৰথম বিভাগত আৰু বাকী থকা ৪ গৰাকীয়ে দ্বিতীয় বিভাগত আৰু এগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাসকলৰ ভিতৰত ৩৭ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰে। বিভিন্ন বিষয়ত মুঠতে ১৬৯টা লেটাৰ নম্বৰ লাভ কৰে।

বিজ্ঞান শাখাত ৭০ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৫৩ গৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ইয়াৰে ২২ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰে। ১৪ গৰাকী পৰীক্ষাৰ্থীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। বিভিন্ন বিষয়ত সৰ্বমুঠ ৯৫টা লেটাৰ নম্বৰ লাভ কৰে। বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ ৯৫.৭১ শতাংশ।

বিদ্যালয়ৰ শৈক্ষিক দিনপঞ্জীত উল্লেখ থকা অনুসৰি বিভিন্ন শ্ৰেণীৰ অভিভাৱকৰ সভাসমূহ নিৰ্ধাৰিত সময়মতে সম্পন্ন হয়।

৮ ডিচেম্বৰ ২০২৪ তাৰিখে ২০২৫-২৬ শিক্ষাবৰ্ষৰ বাবে অংকুৰ আৰু সোপান শ্ৰেণীত নতুনকৈ নামভৰ্তিৰ বাবে নিৰ্বাচিত হোৱা শিক্ষাৰ্থীসকলৰ অভিভাৱকৰ সৈতে সভা অনুষ্ঠিত হয়।

৫ এপ্ৰিল ২০২৫ তাৰিখে অংকুৰ আৰু সোপান শ্ৰেণীৰ বাহিৰে অন্যান্য শ্ৰেণীত নতুনকৈ নামভৰ্তি কৰা শিক্ষাৰ্থীৰ অভিভাৱকৰ সৈতে সভা অনুষ্ঠিত হয়।

১৭ মে' ২০২৫ তাৰিখৰ পৰা সৰু সৰু গোটত দশম শ্ৰেণীৰ অভিভাৱকৰ সৈতে সভাবোৰ আৰম্ভ হয়।

২৪ মে' ২০২৫ তাৰিখে অংকুৰ, কুঁহি, সোপান প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকৰ সৈতে সভা অনুষ্ঠিত হয়। একেদৰেই—

২১ জুন ২০২৫ তাৰিখে তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ, ২ আগষ্ট ২০২৫ তাৰিখে ষষ্ঠ আৰু সপ্তম শ্ৰেণীৰ, ২৩ আগষ্ট ২০২৫ তাৰিখে অষ্টম আৰু নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকৰ সৈতে সভা অনুষ্ঠিত হয়।

ইয়াৰ উপৰি ৫ জুলাই ২০২৫ তাৰিখে দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকৰ সৈতে বিশেষ সভা অনুষ্ঠিত হয়।

২৪ মে' ২০২৫ তাৰিখৰ পৰা ৩১ মে' ২০২৫ তাৰিখলৈ সৰু সৰু গোটত দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকৰ সৈতে সভা অনুষ্ঠিত কৰা হয়। সেইদৰে ১৮ ছেপ্টেম্বৰ ২০২৫ তাৰিখৰ পৰা ৭ অক্টোবৰ ২০২৫ তাৰিখলৈ সৰু সৰু গোটত একাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকৰ সৈতে সভা অনুষ্ঠিত হয়। ১৭ আৰু ২৩ অক্টোবৰ ২০২৫ তাৰিখে ক্ৰমে নৱম শ্ৰেণী আৰু দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ অভিভাৱকসকলৰ লগত বিশেষ সভা অনুষ্ঠিত হয়।

বিদ্যালয়ৰ অন্য এটা অতি গুৰুত্বপূৰ্ণ কাৰ্য্যসূচী হ'ল শিক্ষক-শিক্ষয়িত্ৰীৰ দ্বাৰা শিক্ষাৰ্থীৰ গৃহ ভ্ৰমণ। বিগত বৰ্ষবোৰৰ দৰে এই বৰ্ষতো অংকুৰ, তৃতীয় আৰু অষ্টম শ্ৰেণীৰ সকলো শিক্ষাৰ্থীৰ লগতে নৱম শ্ৰেণীলৈ এই বৰ্ষত নতুনকৈ নামভৰ্তি কৰা সকলো শিক্ষাৰ্থীৰে গৃহ ভ্ৰমণ কৰা হয়।

২২-০৪-২০২৫ তাৰিখৰ পৰা ২৬-০৪-২০২৫ তাৰিখলৈ অংকুৰ আৰু সোপান শ্ৰেণীৰ শিক্ষাৰ্থীৰ গৃহ ভ্ৰমণ সম্পূৰ্ণ কৰা হয়।

১১-০৬-২০২৫ তাৰিখৰ পৰা ১৪-০৮-২০২৫ তাৰিখলৈ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ শিক্ষাৰ্থীসকলৰ গৃহ ভ্ৰমণ কৰা হয়। এই বৰ্ষটোত অংকুৰৰ পৰা নৱম শ্ৰেণীলৈ মুঠ ৫৭০ গৰাকী শিক্ষাৰ্থীৰ গৃহ ভ্ৰমণ কৰা হয়।

এই বৰ্ষটোত দশম আৰু দ্বাদশ শ্ৰেণীৰ প্ৰতিগৰাকী শিক্ষাৰ্থীৰ লগত এগৰাকী তদাৰকী শিক্ষক-শিক্ষয়িত্ৰী নিয়োজিত কৰা হয়। বিদ্যালয়ৰ একাংশ শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতিগৰাকীকে দুজন বা তিনিজন দশম বা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ দায়িত্ব দিয়া হয়। এই শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজৰ তত্ত্বাৱধানত থকা শিক্ষাৰ্থীসকলৰ পঢ়া-শুনা আৰু চূড়ান্ত পৰীক্ষাৰ প্ৰস্তুতিৰ বিষয়ে গোটেই বৰ্ষটোত নিৰৱচ্ছিন্নভাৱে তদাৰক কৰিব। শিক্ষাৰ্থীসকলৰ ঘৰত পঢ়া-শুনা কৰা দিশটোও তদাৰক কৰিব।

ইতিমধ্যে এইসকল তদাৰকী শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজৰ দায়িত্বত থকা দশম আৰু দ্বাদশ শ্ৰেণীৰ প্ৰতিগৰাকী শিক্ষাৰ্থীৰ গৃহ ভ্ৰমণ কৰিছে। কোনো কোনো শিক্ষক-শিক্ষয়িত্ৰীয়ে ইতিমধ্যে একাধিকবাৰ নিজৰ দায়িত্বত থকা শিক্ষাৰ্থীৰ গৃহ ভ্ৰমণ কৰিছে।

বিদ্যালয়ৰ অন্য এটা নিয়মীয়া কাৰ্য্যসূচী হ'ল বিশিষ্ট ব্যক্তিৰ সৈতে শিক্ষাৰ্থীৰ কথোপকথন। ২০২৫-২৬ শিক্ষাবৰ্ষত ৩য়ৰ পৰা ৫ম শ্ৰেণীলৈ শিক্ষাৰ্থীসকলৰ বাবে ২৮-০৬-২০২৫ তাৰিখে অনুষ্ঠিত কৰা বিশিষ্ট ব্যক্তিৰ লগত কথোপকথন অনুষ্ঠানত উপস্থিত থাকে জনপ্ৰিয় অভিনেতা সিদ্ধাৰ্থ শৰ্মা। ২১-০৬-২০২৫ তাৰিখে ৬ষ্ঠ আৰু ৭ম শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে অনুষ্ঠিত হোৱা এই অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সংগীত ব্যৱস্থাপক তথা সংগীত শিল্পী ৰঞ্জন ভট্টাচাৰ্য্য। ২৩-০৮-২০২৫ তাৰিখে ৮ম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে অনুষ্ঠিত হোৱা অনুষ্ঠানত উপস্থিত থাকে বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী, চিকিৎসক ডাঃ অভিজিৎ ফুকন আৰু ডাঃ পূৰ্ণাক্ষী ভট্টাচাৰ্য্য।

জাতীয় বিদ্যালয় শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থীসকলৰ সৰ্বাংগীণ বিকাশত গুৰুত্ব দিয়া হয়। বিদ্যায়তনিক দিশৰ লগতে অন্যান্য প্ৰতিভাসমূহ বিকশিত কৰোৱাৰ উদ্দেশ্যে বিভিন্ন প্ৰতিযোগিতা আৰু অন্যান্য কাৰ্য্যসূচী ৰূপায়িত হয়। বিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাৰ উপৰি বছৰটোত কেইবাখনো প্ৰদৰ্শনীমূলক কুইজ, বক্তৃতা আৰু তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। ২০২৪ বৰ্ষৰ নৱেম্বৰ মাহৰ পৰা ২০২৫ বৰ্ষৰ অক্টোবৰ মাহলৈ ৬ষ্ঠ শ্ৰেণীৰ পৰা ১০ম শ্ৰেণীলৈ প্ৰদৰ্শনীমূলক দুখন বক্তৃতা প্ৰতিযোগিতা, দুখন তৰ্ক প্ৰতিযোগিতা আৰু এখন কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়।

এজবেকৰ দ্বাৰা ইয়াৰ অন্তৰ্ভুক্ত বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে নিয়মীয়াকৈ শিক্ষক-প্ৰশিক্ষণ কাৰ্য্যসূচী ৰূপায়িত কৰি অহা হৈছে।

এই বৰ্ষটোত অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ বিভিন্ন জিলা সমিতিয়ে আয়োজন কৰা কেইবাটাও শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচীত অসম জাতীয় বিদ্যালয়ৰ কেইবাগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে।

০৬-১০-২০২৪ তাৰিখে হোজাই জিলাত ইংৰাজী আৰু সমাজ বিজ্ঞান বিষয়ৰ, ০২-১১-২০২৪ আৰু ০৩-১১-২০২৪ তাৰিখে শোণিতপুৰ জিলাত প্ৰাক-বিদ্যালয় শাখাৰ, ইংৰাজী, সমাজ বিজ্ঞান, অসমীয়া বিষয়ৰ, ১৯-০৪-২০২৫ তাৰিখে হোজাই জিলাত

ইংৰাজী বিষয়, ২৮-০৮-২০২৫ তাৰিখে দৰং জিলাত প্ৰাক-বিদ্যালয়, বিজ্ঞান আৰু ইংৰাজী বিষয়ৰ শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী অনুষ্ঠিত হয়।

২৬ আৰু ২৭ মে' ২০২৫ তাৰিখে অনলাইন যোগে অসম জাতীয় বিদ্যালয়ৰ পৰা সোপান শ্ৰেণীৰ পাঠ্যপুথিৰ বিষয়ে এটা শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী অনুষ্ঠিত হয়।

২০২৫ বৰ্ষৰ ৫ জানুৱাৰী তাৰিখে প্ৰথমবাৰৰ বাবে জাতীয় বিদ্যালয় ৰাজ্যিক বৃত্তি পৰীক্ষা অনুষ্ঠিত হয় আৰু একেটা দিনতে দ্বিতীয়বাৰৰ বাবে বিকনৰ নামভৰ্তি তথা বৃত্তি পৰীক্ষা অনুষ্ঠিত হয়।

৩য় শ্ৰেণীৰ পৰা ৯ম শ্ৰেণীলৈ শিক্ষাৰ্থীসকলৰ বাবে অনুষ্ঠিত হোৱা এই বৃত্তি পৰীক্ষা ৰাজ্যখনৰ বিভিন্ন জিলাৰ মুঠ ২৮,৯৪৮ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হয় আৰু দশম শ্ৰেণীৰ বাবে আয়োজিত বিকনৰ নামভৰ্তি তথা বৃত্তি পৰীক্ষাত ২,২১৫ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হয়।

০৪-০২-২০২৫ তাৰিখে এই বৃত্তি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। বিভিন্ন পৰ্য্যায়ত ৩য় শ্ৰেণীৰ পৰা ৯ম শ্ৰেণীলৈ অনুষ্ঠিত হোৱা বৃত্তি পৰীক্ষাত মুঠ ২,০৩৫ গৰাকী শিক্ষাৰ্থীয়ে আৰু দশম শ্ৰেণীৰ বিকনত নামভৰ্তি তথা বৃত্তি পৰীক্ষাত ৫০ গৰাকীয়ে বৃত্তি লাভ কৰিবলৈ সক্ষম হয়।

## বিদ্যালয়ত পালন কৰা বিভিন্ন দিৱস আৰু অন্যান্য কাৰ্য্যসূচী

২৬ অক্টোবৰ ২০২৪ তাৰিখে ২০২৪-২৫ শিক্ষাবৰ্ষৰ বাৰ্ষিক গীত-মাতৰ গধূলি অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত শিক্ষাৰ্থীসকলক বিভিন্ন শৈক্ষিক বৃত্তি আৰু পুৰস্কাৰ প্ৰদান কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে জনপ্ৰিয় তথা প্ৰবীণ অভিনেতা প্ৰাঞ্জল শইকীয়া। তেখেতৰ লগতে জনপ্ৰিয় অভিনেত্ৰী পূৰ্ণিমা পাঠক শইকীয়াও উপস্থিত থাকে। এই অনুষ্ঠানতে বিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'বাখৰ'ৰ ত্ৰিংশতম সংখ্যা উন্মোচন কৰা হয়। 'বাখৰ' উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয় আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° প্ৰদীপজ্যোতি মহন্তই। এই অনুষ্ঠানতে কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক মাননীয়া দীপিকা চৌধুৰী উপস্থিত থাকি বক্তৃতা প্ৰদান কৰে।

২৭ অক্টোবৰ ২০২৪ তাৰিখে 'অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ' আৰু 'অসম জাতীয় বিদ্যালয় সন্মান' প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ ফালৰ পৰা অসমৰ শৈক্ষিক, সাংস্কৃতিক, সামাজিক, ক্ৰীড়া আদি বিভিন্ন ক্ষেত্ৰত নিজৰ বহুমূলীয়া অৱদান আগ বঢ়াই অহা বিশিষ্ট ব্যক্তিসকলক ২০০৮ চনৰ পৰা প্ৰতি দুবছৰৰ বাবে অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ আৰু ২০১৪ বৰ্ষৰ পৰা প্ৰতি বছৰে 'অসম জাতীয় বিদ্যালয় সন্মান' প্ৰদান কৰি আহিছে। এতিয়ালৈকে মুঠ ৮ গৰাকী ব্যক্তিক অজাবি ফেল'শ্বিপ আৰু মুঠ ২৮ গৰাকী ব্যক্তিক অজাবি সন্মান প্ৰদান কৰা হৈছে। ২০২৪ বৰ্ষৰ বাবে অসম জাতীয় বিদ্যালয় ফেল'শ্বিপ প্ৰদান কৰা হয় বিশিষ্ট গীতিকাৰ, নাট্যকাৰ, অভিনেতা, পৰিচালক হেমন্ত দত্তক। এই অনুষ্ঠানতে তিনিগৰাকী বিশিষ্ট ব্যক্তিক ২০২৪ বৰ্ষৰ অসম জাতীয় বিদ্যালয় সন্মান প্ৰদান কৰা হয়। তেখেতসকল হ'ল—সত্ৰীয়া নৃত্যৰ সাধক নৃত্যাচাৰ্য্য শ্ৰীযুত যতীন গোস্বামী, প্ৰান্তিক আলোচনীৰ সম্পাদক শ্ৰীযুত প্ৰদীপ বৰুৱা আৰু লোক-সংস্কৃতিৰ সাধক শ্ৰীযুত বিনোদ খনাল।

এই অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ নৱনিৰ্মিত প্ৰাক-বিদ্যালয় ভৱনটো উদ্বোধন কৰে অসমৰ মাননীয় শিক্ষামন্ত্ৰী ডা° ৰণোজ পেগুৱে।

৩ নৱেম্বৰ ২০২৪ তাৰিখে অসম জাতীয় বিদ্যালয় প্ৰাংগণত এভাগি ভাওনাৰ আয়োজন কৰা হয়। যোৰহাট টীয়কৰ প্ৰগতিশীল সাংস্কৃতিক যুৱ মঞ্চ নাট্যদলৰ দ্বাৰা 'মুচুকুন্দৰ জনাৰ্দন দৰ্শন'-জৰাসন্ধৰ মুক্তি

লাভ’ শীৰ্ষক ভাওনা প্ৰদৰ্শন কৰা হয়। এই ভাওনা প্ৰদৰ্শনীৰ শুভ উদ্বোধন কৰে গুৱাহাটী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট নাট্যকাৰ নৰেন পাটগিৰিয়ে। এই অনুষ্ঠানত উপস্থিত থাকে কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকা। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি, সচিব, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু একাংশ শিক্ষাৰ্থী আৰু অভিভাৱক উপস্থিত থাকি এই ভাওনা উপভোগ কৰে।

৫ নৱেম্বৰ ২০২৪ তাৰিখে বিদ্যালয়ত ভূপেন হাজৰিকা দিৱস পালন কৰা হয়। এই দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট গায়িকা ড° মৌচুমী চহৰীয়া। ড° চহৰীয়াই সুধাকণ্ঠৰ সান্নিধ্যৰ কথা কৈ আৰু তেখেতৰ কেইবাটাও কালজয়ী গীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে।

৯ নৱেম্বৰ ২০২৪ তাৰিখে বিদ্যালয়ৰ সহ-পাঠ্যক্ৰম বিভাগৰ বিশেষ অনুষ্ঠান ‘কলা সংগম’ অনুষ্ঠিত হয়। এই অনুষ্ঠান সহ-পাঠ্যক্ৰম বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজৰ নিজৰ বিভাগৰ কলা প্ৰদৰ্শন কৰে আৰু সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে।

১৪ নৱেম্বৰ ২০২৪ তাৰিখে বিদ্যালয়ত শিশু দিৱস উদ্‌যাপন কৰা হয়। এই দিৱসত অংকুৰৰ পৰা প্ৰাক-প্ৰাথমিক শ্ৰেণীৰ শিশুসকলৰ বাবে প্ৰদৰ্শনীমূলক ভেশছন, প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ শিক্ষাৰ্থীসকলৰ মাজত পৰ্য্যায়ক্ৰমে ভেশছন, শিল্প-কলা, আকস্মিক বক্তৃতা আৰু থিতাতে লিখা সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানতে বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ শিক্ষাৰ্থীসকলে প্ৰস্তুত কৰা হাতেলিখা আলোচনীৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰা হয়। এই বৰ্যত শিক্ষাৰ্থীসকলে সৰ্বমুঠ ২৯খন হাতেলিখা আলোচনী প্ৰস্তুত কৰি উলিয়ায়।

২৫ নৱেম্বৰ ২০২৪ তাৰিখে বিদ্যালয়ত লাচিত দিৱস উদ্‌যাপন কৰা হয়। বিয়লি ২ বজাৰ পৰা ৩.২০ বজালৈ অনুষ্ঠিত হোৱা দিৱসৰ কাৰ্য্যসূচীত শিক্ষাৰ্থীসকলে দেশপ্ৰেমমূলক গীত, নৃত্য, কবিতা পৰিৱেশন কৰে। লগতে বক্তৃতাৰ জৰিয়তে মহাবীৰ লাচিতৰ কৰ্মৰাজিৰ বিষয়ে চৰ্চা কৰা হয়।

২৭ নৱেম্বৰ ২০২৪ তাৰিখে বিদ্যালয়ত ‘দাপোণ’ শীৰ্ষক এখনি চিত্ৰ-প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। প্ৰতি দুবছৰৰ মূৰে মূৰে অনুষ্ঠিত হোৱা এই প্ৰদৰ্শনীত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে অঁকা চিত্ৰ আৰু শিক্ষাৰ্থীসকলে প্ৰস্তুত কৰা ভাস্কৰ্য্য প্ৰদৰ্শন কৰা হয়। ২০২৪-২৫ বৰ্ষৰ এই প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে বিশিষ্ট চিত্ৰশিল্পী মধুসূদন দাসে। বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ ৩০৩ গৰাকী শিক্ষাৰ্থীৰ মুঠ ৩১৬খন চিত্ৰ আৰু ৩৯টা ভাস্কৰ্য্য এই প্ৰদৰ্শনীত প্ৰদৰ্শন কৰা হয়। ২৭ নৱেম্বৰৰ পৰা ২৯ নৱেম্বৰলৈ এই প্ৰদৰ্শনী খোলা থাকে।

১০ ডিচেম্বৰ ২০২৪ তাৰিখে বিদ্যালয়ত ‘ছহিদ দিৱস’ পালন কৰা হয়। এই দিৱসত অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আগ বঢ়োৱা হয় আৰু তেখেতসকলৰ ত্যাগক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়।

১ জানুৱাৰী ২০২৫ তাৰিখে বিদ্যালয়ত ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য শ্ৰীযুত প্ৰমোদ বড়ো ডাঙৰীয়া। এই অনুষ্ঠানতে অসম জাতীয় বিদ্যালয়ৰ এগৰাকী প্ৰাক্তন ছাত্ৰী পূজা ৰাজকুমাৰীয়ে অনুবাদ কৰা শ্ৰদ্ধেয় লক্ষ্যধৰ চৌধুৰীৰ ‘মানুহ বিচাৰি’ নামৰ গ্ৰন্থখনৰ ইংৰাজী সংস্কৰণ ‘Commonly Uncommon : Stories we live with’ উন্মোচন কৰে বিদ্যালয়ৰ সচিব ডা° নাৰায়ণ শৰ্মাই।

৭ জানুৱাৰী ২০২৫ তাৰিখৰ পৰা ২০২৪-২৫ বৰ্ষৰ বিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ খেল-ধেমালি

প্ৰতিযোগিতা আৰম্ভ হয়। উক্ত দিনত অনুষ্ঠিত হোৱা মাৰ্চ-পাষ্ট প্ৰতিযোগিতাৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকি মাৰ্চ-পাষ্টত অভিবাদন গ্ৰহণ কৰে অসমৰ বিশিষ্ট ক্ৰিকেট প্ৰশিক্ষক নবাব আলীয়ে। জানুৱাৰী মাহৰ ৭ তাৰিখৰ পৰা ১১ তাৰিখলৈ এই প্ৰতিযোগিতা অনুষ্ঠিত হয়।

১১ জানুৱাৰী ২০২৫ তাৰিখে বিদ্যালয়ত ভোগালী চ'ৰা উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানত বিদ্যালয়ৰ বাকৰিত মেজি আৰু ভেলাঘৰত অগ্নি সংযোগ কৰা হয়। মেজিৰ ওচৰত শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীসকলে নাম-প্ৰসংগ পৰিৱেশন কৰে। লগতে কেইটামান পৰম্পৰাগত খেল কণী যুঁজ, টেকেলি ভঙা আদি অনুষ্ঠিত হয়।

১৭ জানুৱাৰী ২০২৫ তাৰিখে বিদ্যালয়ত শিল্পী দিৱস উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেখেতৰ গীত-মাত, কবিতা আদি পৰিৱেশন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে সদ্যপ্ৰয়াত বিশিষ্ট কণ্ঠশিল্পী ৰাজীৱ শদিয়াৰ প্ৰতি শ্ৰদ্ধা জনাই এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। এই অনুষ্ঠানতে কেইবাটাও বক্তৃতাৰ জৰিয়তে জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৃষ্টিৰাজিৰ বিষয়ে চৰ্চা কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট তবলাবাদক সূৰ্য্য গোস্বামী।

২৬ জানুৱাৰী ২০২৫ তাৰিখে বিদ্যালয়ত ৭৬ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন কৰা হয়। এই দিৱসত পুৱা ৭.৩০ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হয়। ইয়াৰ পাছত এক বিশেষ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত শিক্ষাৰ্থীসকলে বিভিন্ন ধৰণৰ দেশপ্ৰেমমূলক গীত, নৃত্য, কবিতা আদি পৰিৱেশন কৰে। লগতে বক্তৃতাৰ জৰিয়তে ভাৰতবৰ্ষৰ সংবিধান আৰু স্বাধীনতা আন্দোলনৰ বিষয়ে আলোকপাত কৰা হয়।

২৭ জানুৱাৰী ২০২৫ তাৰিখে ৰাজ্যিক ভিত্তিত আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন অনুষ্ঠিত হয়। অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত মুঠ ১৬খন জিলাৰ ৩১ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

২ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে বিদ্যালয়ত সৰস্বতী পূজা উদ্‌যাপন কৰা হয়। পূজাত শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু একাংশ অভিভাৱকৰ মাজত প্ৰসাদ আৰু ভোগ বিতৰণ কৰা হয়।

২৮ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে আমাৰ বিদ্যালয়ত অনুষ্টুপীয়াকৈ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস পালন কৰা হয়। এই অনুষ্ঠানত ন'বেল বঁটা বিজয়ী ভাৰতীয় বিজ্ঞানী ছাৰ চন্দ্ৰশেখৰ ভেংকট ৰামণৰ প্ৰতিচ্ছবিত চাকি-বন্তি জ্বলাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

১২ এপ্ৰিল ২০২৫ তাৰিখে বিদ্যালয়ত 'প্ৰাক-ৰঙালী বিহু' উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানত বিদ্যালয়ৰ বাকৰিত কেইবা শ শিক্ষাৰ্থী আৰু একাংশ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীয়ে বিহু নৃত্যত অংশগ্ৰহণ কৰে।

২০২৫ বৰ্ষৰ ২২ এপ্ৰিলৰ পৰা ২৬ এপ্ৰিল তাৰিখলৈ ২০২৫-২৬ শিক্ষাবৰ্ষৰ বিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ সাংস্কৃতিক প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। এই কাৰ্য্যসূচীত শিক্ষাৰ্থীসকলৰ মাজত বিভিন্ন ধৰণৰ গীত, নৃত্য, অভিনয়, বাদ্য-বাদন, তৰ্ক, বক্তৃতা, কুইজ আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

৪ মে' ২০২৫ তাৰিখে, ৫ জানুৱাৰী ২০২৫ তাৰিখে অনুষ্ঠিত হোৱা ২০২৪-২৫ বৰ্ষৰ 'জাতীয় বিদ্যালয় ৰাজ্যিক বৃত্তি পৰীক্ষা'ৰ কামৰূপ (দক্ষিণপাৰ) জিলাৰ বৃত্তিপ্ৰাপ্ত শিক্ষাৰ্থীসকলক বৃত্তি প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত জিলাখনৰ ৫৩খন বিদ্যালয়ৰ মুঠ ৩৫৯ গৰাকী শিক্ষাৰ্থীক বৃত্তি প্ৰদান কৰা হয়। ইয়াৰে ২৬১ গৰাকী অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থী।

৮ মে’ ২০২৫ তাৰিখে বিদ্যালয়ত ছেমি কণ্ডাক্টৰ ছিপ উৎপাদন প্ৰক্ৰিয়া তথা কেৰিয়াৰ হিচাপে ইয়াৰ সম্ভাৱনাৰ বিষয়ে এটি বক্তৃতাৰ আয়োজন কৰা হয়। নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে আয়োজন কৰা এই বক্তৃতা অনুষ্ঠানত বক্তৃতা প্ৰদান কৰে মাৰ্কিন কোম্পানী ‘Micron Technology’ত Staff Operation Research Scientist হিচাপে কৰ্মৰত ড° জৈমিনি ভট্টাচাৰ্য্যই।

১২ জুন ২০২৫ তাৰিখে বিদ্যালয়ত মহাপুৰুষ দিৱস উদ্যাপন কৰাৰ বাবে সম্পূৰ্ণ প্ৰস্তুতি চলোৱা হৈছিল যদিও প্ৰতিকূল বতৰৰ বাবে এই দিৱস উদ্যাপন কৰিব পৰা নগ’ল।

২০ জুন ২০২৫ তাৰিখে বিদ্যালয়ত বিষ্ণুপ্ৰসাদ ৰাভা দিৱস পালন কৰা হয়। প্ৰথমবাৰৰ বাবে দুটা পৰ্য্যায়ত অনুষ্ঠিত কৰা এই দিৱসত শিক্ষাৰ্থীসকলে বিষ্ণুপ্ৰসাদ ৰাভাৰ গীত-মাত পৰিৱেশন কৰে। কেইবাটাও বক্তৃতাৰ জৰিয়তে কলাগুৰুৰ সৃষ্টিৰাজিৰ বিষয়ে আলোকপাত কৰা হয়। এই অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট কণ্ঠশিল্পী ৰসানন্দ গগৈয়ে ৰাভাদেৱৰ কেইবাটাও যুগমীয়া গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে।

২৫ জুন ২০২৫ তাৰিখে মহাপুৰুষ দিৱসৰ লগত সংগতি ৰাখি ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ শিক্ষাৰ্থীসকলৰ মাজত শ্ৰেণী অনুসৰি থিতাতে লিখা ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। দুটা শাখাত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত বিদ্যালয়ৰ প্ৰায় ১০১৫ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

৯ আগষ্ট ২০২৫ তাৰিখে ২৮ ফেব্ৰুৱাৰীৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি সদৌ অসম ভিত্তিত বিজ্ঞান প্ৰদৰ্শনী প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত এই প্ৰতিযোগিতা বিজ্ঞান আৰ্হি, বিজ্ঞান পৰীক্ষা আৰু বিজ্ঞান প্ৰকল্প এই তিনিটা শিতানত অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত ১১খন জিলাৰ ১৩৯ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদ আৰু অসম শক্তি উন্নয়ন সংস্থাৰ সঞ্চালক ড° জয়দীপ বৰুৱাই। এই অনুষ্ঠানতে বিদ্যালয়ৰ বছৰেকীয়া বিজ্ঞান আলোচনী ‘প্ৰভাত’ৰ পঞ্চবিংশতিতম সংখ্যা উন্মোচন কৰে ড° বৰুৱাই।

১৫ আগষ্ট ২০২৫ তাৰিখে অসম জাতীয় বিদ্যালয়ত ৭৯ সংখ্যক স্বাধীনতা দিৱস উদ্যাপন কৰা হয়। পুৱা ৭.৩০ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলনেৰে আৰম্ভ হোৱা এই দিৱসৰ কাৰ্য্যসূচীত শিক্ষাৰ্থীসকলে দেশপ্ৰেমমূলক গীত-মাত, নৃত্য আদি পৰিৱেশন কৰে। লগতে বক্তৃতাৰ জৰিয়তে ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ বিষয়ে চৰ্চা কৰা হয়।

৫ ছেপ্টেম্বৰ ২০২৫ তাৰিখে বিদ্যালয়ত শিক্ষক দিৱস পালন কৰা হয়। দুটা পৰ্য্যায়ত অনুষ্ঠিত হোৱা এই দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° বাৰীন্দ্ৰ কুমাৰ শৰ্মা। এই অনুষ্ঠানত শিক্ষাৰ্থীসকলে শিক্ষাগুৰুসকলৰ প্ৰতি শ্ৰদ্ধা জনাই বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে।

এই বৰ্ষটো সমগ্ৰ অসমে বৰ্ষজোৰা কাৰ্য্যসূচীৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা জন্ম-শতবৰ্ষ উদ্যাপন কৰাৰ যো-জা কৰিছে। অসম জাতীয় বিদ্যালয়েও সুধাকণ্ঠৰ জন্ম-শতবৰ্ষটো বছৰজোৰা কাৰ্য্যসূচীৰে উদ্যাপন কৰাৰ পৰিকল্পনা হাতত লৈছে। এই পৰিকল্পনাৰ প্ৰথম কাৰ্য্যসূচী হিচাপে ৮ ছেপ্টেম্বৰ ২০২৫ তাৰিখে সুধাকণ্ঠৰ জন্মদিনটো বিশেষভাৱে উদ্যাপন কৰা হয়। এই অনুষ্ঠানত শিক্ষাৰ্থীসকলে ড° ভূপেন হাজৰিকাদেৱৰ গীত, তেওঁৰ গীতৰ আধাৰত নৃত্য আদি পৰিৱেশন কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট সংগীতজ্ঞ লোকসংস্কৃতিৰ গৱেষক

ড° অনিল শইকীয়াই সুধাকণ্ঠৰ বিচিত্ৰ, বৰ্ণিল জীৱন-পৰিক্ৰমা আৰু তেওঁৰ কেইবাটাও কালজয়ী গীতৰ অন্তৰালৰ কথা বৰ্ণনা কৰি এক মননশীল বক্তৃতা প্ৰদান কৰে। ৯ ছেপ্টেম্বৰ ২০২৫ তাৰিখে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে দিকবলন কাৰ্য্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি 'আমাৰ অসম' কাকতৰ কাৰ্য্যবাহী সম্পাদক তথা গীতিকাৰ, গায়ক শ্ৰীযুত গৌতম শৰ্মাই 'অসম আন্দোলন আৰু অসমৰ সাংস্কৃতিক নৱজাগৰণ' শীৰ্ষক বক্তৃতা প্ৰদান কৰে।

আন এগৰাকী সমল ব্যক্তি বিশিষ্ট কবি দেৱপ্ৰসাদ তালুকদাৰে 'আধুনিক কবিতাৰ ৰসাস্বাদন' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। ইয়াৰ পাছত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ দ্বাৰা আয়োজিত শিক্ষক প্ৰশিক্ষণত অসম জাতীয় বিদ্যালয়ৰ পৰা অংশগ্ৰহণ কৰা চাৰিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে তেওঁলোকে লোৱা প্ৰশিক্ষণৰ বিষয়ে সকলোকে অৱগত কৰায়।

১৯ ছেপ্টেম্বৰ ২০২৫ তাৰিখটো অসমৰ ইতিহাসত আটাইতকৈ শোকৰ দিন হিচাপে চিহ্নিত হৈ ৰ'ব। এই দিনটোতেই প্ৰতিগৰাকী অসমীয়াৰ হিয়াৰ আমঠু প্ৰখ্যাত সংগীতজ্ঞ, গায়ক, সুৰকাৰ, গীতিকাৰ জুবিন গাৰ্গৰ মাত্ৰ ৫২ বছৰ বয়সত ছিংগাপুৰত হোৱা এক দুৰ্ঘটনাত পৰলোকপ্ৰাপ্তি হয়। এই ঘটনাই সমগ্ৰ অসম স্তম্ভিত কৰে। স্বতঃস্ফূৰ্তভাৱে অঘোষিত অসম বন্ধৰ সৃষ্টি হয়। জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাবলৈ লাখ লাখ মানুহে শোকবিহ্বল হৈ ৰাজপথলৈ ওলাই আহে। অসম জাতীয় বিদ্যালয়তো সকলো নিয়মীয়া কাৰ্য্যসূচী স্থগিত ৰাখি বিদ্যালয়ৰ প্ৰবেশদ্বাৰত ২০-০৯-২০২৫ তাৰিখৰ পুৱা ৯ বজাৰ পৰা ২৩-০৯-২০২৫ তাৰিখৰ নিশা ১০ বজালৈ জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। জুবিন গাৰ্গৰ আত্মাই চিৰশান্তি লাভ কৰক। এয়া আমাৰ একান্ত কামনা।

১১ অক্টোবৰ ২০২৫ তাৰিখে ২০২৫-২৬ বৰ্ষৰ 'কলা সংগম' অনুষ্ঠান অনুষ্ঠিত হয়। এই অনুষ্ঠানত অসম জাতীয় বিদ্যালয়ৰ সহ-পাঠ্যক্ৰম বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আৰু নিজৰ নিজৰ বিষয়ৰ কলা প্ৰদৰ্শন কৰে।

১৪ অক্টোবৰ ২০২৫ তাৰিখে বিদ্যালয়ত 'সাহিত্য দিৱস' উদ্‌যাপন কৰা হয়। এই দিৱসত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাক শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ লগতে সাহিত্য বিষয়ক চৰ্চা কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সমালোচক, সাহিত্যিক শ্ৰীযুত অৰিন্দম বৰকটকী।

মাতৃভাষা মাধ্যমত শিক্ষাদান কৰি দায়িত্বশীল সুনাগৰিক গঢ়ি তোলাই জাতীয় বিদ্যালয় শিক্ষা ব্যৱস্থাৰ প্ৰধান উদ্দেশ্য। অসম জাতীয় বিদ্যালয়ৰ লগতে ৰাজ্যখনৰ সমূহ জাতীয় বিদ্যালয়ৰ মানৱ সম্পদ গঢ়াৰ এই অবিৰত যাত্ৰা অব্যাহত ৰখাৰ বাবে আমি সংকল্পবদ্ধ।❖



# গৰমৰ বন্ধত তুমি কি কৰিলা?

বন্ধৰ দিনকেইটাত বিভিন্ন ঠাইৰ নতুন নতুন অভিজ্ঞতাৰে শিশুৰ কোমল মনবোৰ পুলকিত হৈ পৰে। গৰমৰ বন্ধত আমাৰ অংকুৰ শ্ৰেণীৰ শিশুহঁতে কিনো কৰিলে...

অংকুৰ শ্ৰেণী 'ক' শাখা

**টিশামণি কলিতা :** গৰম বন্ধত মই ব্যায়াম কৰিলোঁ, মামাৰ তাত গ'লোঁ। আমাৰ মামাৰ ঘৰ গোস্বামী ছাৰ্ভিচৰ ওচৰত। আমি বন্ধত এটা ধুনীয়া এ.চি. থকা ঘৰ লৈছোঁ। বন্ধত চেন্নাইত হাতী দেখিলোঁ, সাগৰ দেখিলোঁ আৰু কতন কেন্দী খালোঁ।

**মেধাস্বিনী ভাস্কৰ দাৰফাং :** ফু ফু কৰিব গ'লোঁ, পাৰ্কত গ'লোঁ। পাৰ্কত ফুৰিলোঁ, জেব্ৰা, হৰিণ



দেখিলোঁ। মা গৈছিল। মই মামাৰ ঘৰতো গৈছিলোঁ। মামাৰ ঘৰ দূৰত। পাপাৰ লগত ফুলত পানী দিছিলোঁ।

**কৃতাৰ্থ কলিতা :** গৰমৰ বন্ধত খেলিছোঁ। পাৰ্কত গ'লোঁ, বিশাললৈ গৈছিলোঁ। গাড়ী কিনিলোঁ। গাঁৱত দাদাৰ লগত বল খেলিলোঁ।

**হৰ্ষিত বৈশ্য :** গাঁৱত গৈছিলোঁ। মোৰ ঘৰ ভেৰভেৰীত। মাটি খেলিছিলোঁ। মাটিৰে পিঠা বনাইছিলোঁ। মামাৰ ঘৰত গৈছিলোঁ।

**নিভৃতি কে. শৰ্মা :** গৰমৰ বন্ধত খেলিছোঁ। পাৰ্কত গ'লোঁ। গাঁৱত দুৰ্গা পূজা দেখিলোঁ। কাপোৰ কিনিলোঁ। মায়ে মেখেলা চাদৰ কিনিলে। পাপা আৰু মই মেলাত জোতা কিনিলোঁ।

**মেঘবৰ্ণা কাশ্যপ :** মামাৰ ঘৰত গ'লোঁ। গুণগুণ মাহীৰ ওচৰত গ'লোঁ। পঢ়িছোঁ, লিখিছোঁ, চাহ খাইছোঁ মুৰি দি। ভন্টিৰ লগত ভাত বনোৱা খেলিছোঁ। ঝুলনা খেলিছোঁ।

**দৃষ্টি শৰ্মা :** বন্ধত কিবাকিবি খেলিছিলোঁ। ক'তো ফুৰিব যোৱা নাই। আমি ৰিজাৰ্ভত গৈছিলোঁ। তাত খেলনা আছিল।

**সমৃদ্ধ স্বৰ্গীয়াৰী :** লক্ষীমপুৰৰ গাঁৱত গ'লোঁ। গাঁৱত বালি, মাটি খেলিলোঁ। ভাত-পানী খাই টেবুলত বহিলোঁ। পাৰ্কত স্লাইডিং, ঝুলনা খেলিলোঁ। হাতী খেলনা খেলিলোঁ। খানাপাৰাত ভোক লগা বাবে খাবলৈ গৈছিলোঁ।

**অভিশ্ৰুতি মহন্ত :** পাৰ্কত গৈছিলোঁ। মামাৰ ঘৰত দুদিন থাকিলোঁ। পিতাই বলবমত গৈছিল। মোলে খেলনা আনিছিল। বাবুৰ কাৰণে এটা গাড়ী আনিছে। কু-কু কুলি দেখিছিলোঁ। চন্দন খুৰাৰ ঘৰলৈ গৈছিলোঁ। আমাৰ ঘৰত বানপানী হৈছিল।

**পৃষ্টিয়ানা পাঠক :** বন্ধত মই মামাৰ ঘৰত গৈছিলোঁ। মামাৰ ঘৰ বহু দূৰ। মেলাত গৈছিলোঁ আৰু মেলাত মই গছৰ সমান ডাঙৰ মানুহ দেখিলোঁ। মেলাত আইচক্ৰীম কিনিলোঁ। নগৰবেৰা গৈছিলোঁ।

**অম্লকমল কলিতা :** বন্ধত দেউতাৰ স্কুলত গৈছিলোঁ। দেউতাৰ স্কুলত লেখিলোঁ আৰু কাম কৰিলোঁ, টোপনি মাৰিলোঁ। কপৌফুল এডাল ছিঙিলোঁ, পৰি গ'ল। মিছামাৰীত আইতা আৰু মামী থাকে।

**দিব্যাংশ দত্ত :** বন্ধত মায়ে মোক ছাতি আৰু মানুহ বনাব দিছিল। মাৰ স্কুললৈ গৈছিলোঁ। স্পাইডাৰ মেন খেলনা দিছিল।

**ৰাজনন্দন কাশ্যপ :** মামাৰ ঘৰত গৈছিলোঁ। বল খেলিছোঁ। পাপাৰ ঘৰত গৈছিলোঁ। মোক চাইকেল দিছে।

**কৃশাঙ্গ কলিতা :** বন্ধত মই ৱাৰ মেমৰিয়েল (war memorial) গ'লোঁ। ফেন্সী বজাৰৰ পাৰ্কত গ'লোঁ আৰু নেহৰু পাৰ্কত গৈছিলোঁ। শ্বিলং গৈছিলোঁ। তাত জেচিবিয়ে কাম কৰি আছিল। পাথৰ আৰু গাড়ী দেখিছোঁ।

**কৃতিক্ষা ডেকা :** বন্ধত ফুটবল খেলিলোঁ। মাক অফিচৰ পৰা আনিব গৈছিলোঁ। বাৰ্বী খেলিলোঁ। মামা ঘৰ গ'লোঁ।

**অবিৰত শিৰম কাশ্যপ :** বন্ধত থাৰ গাড়ী খেলিলোঁ। শ্বিলং গ'লোঁ, চিপ্‌চ খালোঁ। ৰুদ্ৰ চিনেমা চালোঁ, ৰণীত দাদাক দেখিলোঁ। ঘৰত দাদাৰ লগত লুকা-চুপি খেলিলোঁ। আইতা-ককাৰ লগত হৰলিক্স খালোঁ। ককাই বনাই দিয়ে।

**জৰ্নভ মালাকৰ :** মই ঘৰত আছিলোঁ, দোকানত গৈছিলোঁ। চকলেট কিনিলোঁ, পঢ়িছিলোঁ।

**জ্যোতিষা অলেমান :** মামাহঁতৰ ঘৰত গ'লোঁ। শ্ৰদ্ধাঞ্জলি পাৰ্কত গ'লোঁ। ব্ৰহ্মপুত্ৰ ৰিভাৰত গৈছিলোঁ। বন্ধত সুজিত আংকলে চুলি কাটি দিলে। মাথাটো গৰম লাগিছিল বাবে চুলি কাটি দিলোঁ। জেঠাইৰ ঘৰলৈ গ'লোঁ আৰু শ্যাম মন্দিৰত গ'লোঁ।

**পৰিণীতা বিশ্বাস :** দেউতাৰ বাড়িত গৈছিলোঁ। দূৰে আছে। পাৰ্কে গৈছে। ঝুলনা খেলবে দিদিৰ বাড়িত গৈছিলোঁ। দিদিৰ চঙ্গে আৰু দাদাৰ চঙ্গে গৈছিলোঁ।

**জিজ্ঞাসা অলেমান :** খেলিছোঁ, ব্ৰহ্মপুত্ৰ ৰিভাৰত গ'লোঁ। জেঠাইহঁতৰ ঘৰত বহুত খেলিলোঁ। ছায়েন্স মিউজিয়াম গ'লোঁ, শ্ৰদ্ধাঞ্জলি পাৰ্কত গ'লোঁ। তাত মম' খালোঁ। মামাই খুৱালে।

**দিয়া মেধি :** বন্ধত পাৰ্কত ফুৰিব গৈছিলোঁ। ঘোঁৰা, চাইকেল, পিছলা খেলিলোঁ। কলনিত ফুৰিব গৈছিলোঁ। গাঁৱত গৈছিলোঁ, মাটি-বালি খেলিলোঁ।

**ৰিশাংক বৰুৱা :** বন্ধত ফুৰিব গৈছিলোঁ। নেহেৰু পাৰ্কত গৈছিলোঁ ট্ৰেইন খেলিলোঁ। জঁপিয়াব গৈছিলোঁ। দোকান গ'লোঁ। পিলপিলিত গৈছিলোঁ।

**ৰিয়ান কলিতা :** বন্ধত ট্ৰেইনত গৈছিলোঁ আৰু আমি পানী চাব গৈছিলোঁ। পাহাৰ চাব গৈছিলোঁ। পাহাৰৰ পৰা পানী পৰি আছিল। মই পুলিচ খেলিলোঁ। আমি আইতাৰ ঘৰত গৈছোঁ, নদীৰ পাৰত গৈছোঁ।

**কৃয়াঞ্চ চন্দ্ৰ দাস :** ৰেলগাড়ীত উঠিলোঁ, পানীত থকা দলং চালোঁ। মন্দিৰ চাইছোঁ, পাথৰে পাথৰে যাইছোঁ।

**নিৰ্ভান শৰ্মা :** মা হাস্পতাল গৈছিল। মাৰ বেমাৰ হৈছিল। মই আইচক্ৰীম কিনি খালোঁ, মই পাৰ্কত গৈছিলোঁ। বহুত নাও আছে। মোক খেলি থাকোঁতে এটা ছোৱালীয়ে থাপৰ দিলে। আইতাই শুব দিয়ে। মই বহুত কাম কৰিলোঁ।

**হিমাঞ্চ দাস :** ক্লিম চাইছোঁ, খেলিছোঁ, ফুফু যাইছোঁ।

**বেদাংশী শইকীয়া :** ককাৰ লগত পুখুৰীত মাছ ধৰিছিলোঁ। ভাইটিৰ লগত খেলিলোঁ। কুকুৰা মুৰ্গী চাইছিলোঁ। খুৰীৰ লগত বাচন ধুইছিলোঁ। খুৰা আৰু ককাৰ লগত দোকানলৈ গৈ চিপ্‌চ কিনিছিলোঁ।

**কৌস্তভ বড়া :** শ্বিলং গৈছোঁ, নাও খেলিছোঁ। ডক্টৰ ছেট লৈ গৈছিলোঁ। সৰু ফেন এটা লৈ গৈছিলোঁ। আইতা-ককাও গৈছিল। পাপা নাযালে।

**প্ৰজ্ঞান প্ৰিয়ম ভট্ট :** মামাৰ ঘৰত গ'লোঁ, চকলেট খালোঁ। মামাৰ লগত ক্ৰিকেট, বেট-বল খেলিলোঁ। ফুনু মামাৰ গাড়ীত ফুৰিব গৈছিলোঁ। নাও, ট্ৰেইন দেখিলোঁ। ভগৱানৰ ওচৰত চুলি কাটিলোঁ। বাৰবাৰে চুলি কাটিলে।

**মৃণালিকা কলিতা :** পাৰ্কত গৈছিলোঁ। ৰুদ্ৰ চিনেমা চাইছিলোঁ। মামা, মামী, মাহী আৰু আইতাৰ লগত চাইছিলোঁ। মন্দিৰত গৈছিলোঁ, ঝুলনা খেলিছিলোঁ।

**হিয়াংশ ভট্টাচাৰ্য্য :** ৰাতি ইভিনিং ৱাৰ্ক কৰিছিলে আৰু মৰ্নিং ৱাৰ্ক কৰোঁ ককাৰ লগত। দেউতাৰ গা বেয়া হৈছিল। ক'তো নগ'লোঁ।

**অনিশা কলিতা :** মামা ঘৰত গৈছিলোঁ, পাৰ্কত গ'লোঁ, বন্ধত আমাৰ দোকানলৈ গৈছিলোঁ। বেলেগৰ দোকানলৈ গৈ ৰ'ল খালোঁ। মায়ে ফুৰাবলৈ নিছিল। আৰু এদিন ক'ৰবালৈ গৈছিলোঁ মনত নাই ক'ত গৈছিলোঁ।

**দীক্ষিতা শৰ্মা :** বন্ধত চিৰিয়াখানা গৈছিলোঁ। বাঘ, বান্দৰ, চৰাই দেখিলোঁ। গাঁৱত গৈছিলোঁ। ভণ্টীৰ লগত খেলিলোঁ।

**শিৱাংগী দাস বসাক :** বন্ধত স্কুলৰ বস্তু কিনিলোঁ, ধুনীয়া চাই বক্স কিনিলোঁ। মাজুদাদাৰ লগত চিৰিয়াখানা গৈছিলোঁ। বহুত বহুত লায়ন আছিল, টাইগাৰ আছিল, শিয়াল, বান্দৰ দেখিলোঁ। বান্দৰে মন্দিৰৰ কল খাইছিল। নাৰেঙ্গীত গ'লোঁ।

**ভূমিত বিশ্ব বৰ্মন :** বন্ধত হেপি বাৰ্থডে খেলিলোঁ। হেপি বাৰ্থডেত প্ৰাইজ দিছিল।

**প্ৰিয়ানুজ চৌধুৰী :** মামা ঘৰত গৈছিলোঁ। নমো ঘৰত গৈছিলোঁ। মা আৰু দিতাৰ লগত গৈছিলোঁ। বল খেলিছিলোঁ। খেলা বস্তু ঘৰত একো নাই।

**নিয়ৰ নীৰ বৈশ্য :** গৰম বন্ধত মই চিৰাঙত আছিলোঁ। তাতে আমাৰ বাৰ্থ ডে আছিল। ফুটবল, বেটবল খেলিলোঁ। ডাঙৰ দাদা আৰু সৰু দাদাৰ লগত খেলিলোঁ।

**পৰিক্ষীত ফুকন :** মই নিজৰ ঘৰত গৈছিলোঁ। পাপা আইতাৰ ঘৰত আহিছিল। পাপা বাছত আহিছিল। বল খেলিছিলোঁ।

**ভাৰ্গৱ চহৰীয়া :** চিৰিয়াখানা গৈছিলোঁ। বাঘ, হাতী, বান্দৰ দেখিছিলোঁ। পাৰ্কত গৈছিলোঁ। ঘৰত ভাত খালোঁ।

**মাৰ্চি কাশ্যপ :** আমি শ্বিলং গৈছিলোঁ। মা, পাপা আৰু দাদা গৈছিলোঁ। পাহাৰ, পানী দেখিলোঁ। পাৰ্কত টিকেট কাটি সোমালোঁ। গাঁৱত গৈছিলোঁ।

**দেৱাঞ্চ কাশ্যপ :** বন্ধত গাঁৱত সৰু গাড়ী চলাইছিলোঁ। চিৰিয়াখানা গৈছিলোঁ। মা, পাপা আৰু আইতায়ো গৈছিল। গাঁৱত গৰু দেখিলোঁ। গৰুৱে গাখীৰ দিয়ে। গৰুক মৰম কৰিছিলোঁ।

**আৰৱ মুদৈ :** আইতা-ককাৰ ঘৰত গৈছিলোঁ। ৰাছিং মেছিন খেলিলোঁ। আইতাৰ ঘৰত ডাইন'ছৰ আছে। অৰিঅ' আৰু মেৰিগ'ল্ড বিস্কুট আছে। আমি বিশালত গৈছিলোঁ।

**আচুৰ্য্য বৰা :** চেৰাপুঞ্জী গৈছিলোঁ। তাত গা ধুইছোঁ। চাবোন লগাইছোঁ। শ্বিলং গৈছিলোঁ, চিপ্‌চ খালোঁ। ইক' পাৰ্ক গৈছিলোঁ। তাত চোঁচৰা খেলিছোঁ, পানীত নামিছোঁ।

**মান্যতা দাস :** গৰখীয়া মন্দিৰ গৈছিলোঁ। দীঘলী পুখুৰীত গৈছিলোঁ। কামাখ্যা মন্দিৰত গৈছিলোঁ। গাঁৱত মুৰ্গী, ছাগলী চাইছিলোঁ।

**নমাঞ্চী ডেকা :** বন্ধত মাৰ গাটো বেয়া আছিল বাবে ঘৰতে আছিলোঁ। গণেশ মন্দিৰ আছে তাতে মাক লৈ যাম। জগন্নাথ মন্দিৰত গৈছিলোঁ। উবেৰত গৈছিলোঁ। মন্দিৰত ডাঙৰ হাঁহ দেখা পাইছিলোঁ। মন্দিৰত এটা ডাঙৰ ডাইন'ছৰে মোক কামুৰি দিছিল। পাপাক কামোৰা নাই। পাপা সৰুতে পুলিচ আৰু ডাক্তৰ আছিল। মাক ডাইন'ছৰে কঁকালত কামুৰিছে। মায়ে কান্দিছে।

**ধনভিক ডেকা :** (কেৱল হাঁহিলে।)

**ত্ৰিসিকা ৰয় :** পাৰ্কত গ'লোঁ, খেলিলোঁ। মামাৰ ঘৰত ককা, আইতা আৰু মামা আছে।

**অংকুৰ শ্ৰেণী 'খ' শাখা**

**অভিষেক চুবেদী :** মামা, আইতাহঁতৰ ঘৰত গৈছিলোঁ। তাতে পথাৰত গৈছিলোঁ। পথাৰত আমি পানীত পদুম ফুল দেখা পাইছিলোঁ। ধানৰ পানী শুকাই আছিল তেতিয়া। এতিয়া বোলে পানী আহি গ'ল।

**অভ্ৰনীল বৰদলৈ :** মই শ্বিলং যাইছিলোঁ। আৰু মই দাদাৰ লগত হোটেলত ষ্টে' কৰিছিলোঁ। তাৰ পাছত মই পাৰ্ক যালোঁ। তাৰ পাছত মই কাম কৰিলোঁ। খেলিবলৈ বহুত মন যাইছিল।

**অভ্ৰভেদী ইহা :** শ্বিলঙলৈ গৈছিলোঁ। এটা চুইমিং পুল আছে আৰু দুটা ঘৰ আছে। এটাত কোনবা থাকে

এটাত আমি থাকোঁ। জিয়ামণিও গৈছিল। আমবি গৈছিল কিন্তু আধা ৰাস্তাত মাধুৰ্য্য মহাৰ কাম আছিল যে সেইকাৰণে নামি গ'ল। মাহী গৈছে কাৰণ জীয়ামণিৰ মাকযে। অ এটা কথা... ভূমিকম্প দিয়া কাৰণে গোসাঁনী আইতাহঁতৰ টিভিটো বেয়া হৈ গ'ল।

**অদিতি হাজৰিকা :** গৰমৰ বন্ধত পেণ্টিং কৰিছোঁ। মামাহঁতৰ ঘৰত গ'লোঁ। ফুল ৰুইছোঁ। ফুলত নমো কৰিছোঁ। দাঁতৰ ডাক্তৰৰ ওচৰলৈ গ'লোঁ। ঠিক কৰি দিলে।

**আকৃতি কাশ্যপ :** গৰমৰ বন্ধত স্কুল নাই। মামা ঘৰলৈ গৈছিলোঁ। ওপৰত আছে। চাহ খাইছোঁ।

**অংকিত কলিতা :** পঢ়িছিলোঁ, লিখিছিলোঁ, ছবি আঁকিছিলোঁ, খেল্‌ছিলোঁ। মামা আইতাৰ তাতে বৰশী পাতিছিলোঁ। মাছ এটাও উঠা নাই, কটাও লাগ্‌ছিল। মামাহঁতে বৰশী পাতি গা নোধোৱে, ভৰি-হাত ধোৱে।

**অংকিত তালুকদাৰ :** ছবি আঁকিছোঁ আৰু পেঞ্চিল ধৰি আছিলোঁ। টুংকীহঁতৰ ঘৰত গৈছোঁ। মামাহঁতৰ ঘৰতো গৈছোঁ।

**অংকুশ ভূঞা :** লেখিছিলোঁ, ড্ৰয়িঙো কৰিছোঁ। টিকুলু বাহঁতৰ ঘৰত খেল্‌ছোঁ। তাৰ পাছত নাওমান ফুৰ্‌বা গেছিলোঁ। পাহী আহাৰ ঘৰত গেছলোঁ। তাৰ পাছত অলিস্মিতা আহাৰ ঘৰত গেছলোঁ, বঙাইগাঁৱত গেছিলোঁ। তাতে এ.ছি আছিল। ৰিকু আৰু চিকু আছে তাতে। চিকুৰ মাক বহুত শক্তিশালী।

**আহ্নিক আৰাহন ৰাজবংশী :** মই মামা ঘৰতে গৈছোঁ আৰু ককা ঘৰতে গৈছোঁ। ঢলাইবিলতে ককাৰ ঘৰ, মামাৰ ঘৰ চাৰিআলিত। পাপাই ঢেৰ জোৰকৈ গাড়ী চলাইছিল। পথাৰ সেইদিনা বন্ধ আছিল আৰু মোৰ পেট বিষাইছিল, মোক যাব নিদিলে।

**অনভি শৰ্মা :** গাঁৱত গ'লোঁ আৰু মামাহঁতৰ ঘৰত গৈছোঁ। মিমি গৈছে।

**ভাৰ্গৱী পাঠক :** খেলিছিলোঁ আৰু ফুৰিবলৈ গৈছিলোঁ। মাছ ল'ব গৈছিলোঁ। আমাৰ মাৰ বেমাৰ হৈ আছিল, জেঠীৰ ঘৰত মাছ আনিব গৈছিলোঁ।

**বিক্ৰমজিৎ বড়ো :** মই ঘৰতে আছিলোঁ।

**চৈতন্য বৰুৱা :** গৰম লাগিছিলে ঘৰতে আছিলোঁ। ফ্ৰুটি খাইছিলোঁ, ভাত খাইছিলোঁ আৰু গাড়ী খেলিছিলোঁ। নামঘৰত সোমাইছিলোঁ। নামঘৰত কৃষ্ণ কৃষ্ণ কৈছিলোঁ। ক'লৈও ফুৰিব যোৱা নাই, ককাৰ একদম গা বেয়া হয়।

**চিত্ৰাংগী বৰুৱা :** মই গামে (ঘামি) গৈছিলোঁ। পানী লাগি আছিল—মই গামে গৈছিলোঁ। তাৰ পাছতে মোৰ মাকে মোক গামে যোৱাই ৰেষ্ট ল'ব কৈছিল মোক। আমি ফুৰিবলৈ যোৱা নাই। শুই আছিলোঁ। মোৰ ভাগৰ লাগিছিল।

**দক্ষীত বৰুৱা :** ফুৰিব গৈছিলোঁ। চুইমিং পুল আছে, মেম যাবা তুমি, মই লৈ যাম।

**ধীৰাণ ঠাকুৰীয়া :** আইচক্ৰীম খাইছিলোঁ। অসুৰ চাব গৈছিলোঁ, কলাক্ষেত্ৰত আছে। জেঠীমাৰ ঘৰলৈ গ'লোঁ, চিপ্‌চ খাইছোঁ।

**দেবাংশ পাঠক :** মই গৰমৰ বন্ধত খেলি আছিলোঁ। ঘৰতে আছোঁ। মন্দিৰত গৈছিলোঁ। মন্দিৰত গৈ অকমান মোবাইল চাইছিলোঁ। মন্দিৰত পইছা দিছিলোঁ, পানী দিছিলোঁ। আৰু ফুৰিব যোৱা নাই। ভণ্টী হস্পিতালত লৈ গৈছিল। নাকত চক পেঞ্চিল সোমাই গৈছে। মই সোমাই দিছিলোঁ। মোৰো সোমাই গৈছে।

**ধৃতি শৰ্মা :** নমোৰ ঘৰত গৈছিলোঁ। পাৰ্কত গৈছিলোঁ। মামাৰ ঘৰত গৈছিলোঁ, ইমান-ন দূৰত।

**গৌৰিক কলিতা :** গৰমৰ বন্ধত গাঁৱত গৈছিলোঁ। তাত যে কিমান খেলিছিলোঁ। গাড়ী খেলিছিলোঁ। সৰু খুড়াহঁতৰ ঘৰত খেলিছিলোঁ। জীপ গাড়ী এখন ককাই কিনি দিছে। ৰঙাখনো ককাই দিছে।

**হৰ্ষিত বৈশ্য :** জোলনাত উঠিলোঁ, পাৰ্কত গৈছিলোঁ। এনিমেল দেখা পাইছিলোঁ, মান্‌কি, জেব্ৰা দেখিছিলোঁ।

**হর্ষিত কলিতা :** খেলি আছিলোঁ, ভাত খাইছিলোঁ। ক'তো ফুৰিবলৈ নগ'লোঁ।

**হর্ষা নন্দিনী বৰদলৈ :** ফুৰিব গৈছিলোঁ। পানী পার্কত গৈছিলোঁ। বলৰ লগত ছুইম কৰিব দিছে।

**জিচান ৰাহিদ :** পঢ়িছোঁ, কালাৰ কৰিছোঁ, ছবি আঁকিছোঁ। খেলাৰ জাগা নাই। আমি ভেল্লাত গৈছোঁ। তাতে আম্মাই নানীক মা বোলে।

**জিগীষা বর্মন :** চিৰিয়াখানাত গৈছিলোঁ। এনিমেলচ্‌বিলাক চাইছোঁ। সর্থেবাৰীত গৈছিলোঁ। বৰদেউতা, বৰমা, বাব্‌লী বা আৰু প্ৰিয়াংশু দাদা, মাজু জেঠী আৰু টিকলী, অর্ণৱ আছে। আমি বহুত খেলিছিলোঁ। পথাৰ দেখিছিলোঁ। উষা জেঠীহঁতৰ ঘৰত গৈছিলোঁ। তেজপুৰত গৈছিলোঁ।

**জিজ্ঞাসা কলিতা :** ফুৰিলোঁ, মামাৰ ঘৰত, জেঠাইৰ ঘৰত, তেজপুৰত। চাহ বাগান দেখিলোঁ, পার্ক দেখিলোঁ।

**জিয়ান ভট্টাচার্য্য :** ছিনেমা চাইছোঁ। পপকর্ণ খাইছোঁ। চিপ্‌চ খাইছোঁ। জালা খাইছোঁ। স্লাইডত উঠিছোঁ।

**কাভীয়ান কলিতা :** ঘৰতে আছিলোঁ। কিতাপ পঢ়িছিলোঁ। টিভি চাইছিলোঁ, ব্লবী চাইছিলোঁ।

**নাহিদা আহমেদ :** গাঁৱত গৈছিলোঁ। মোৰ লগকেইটা আছে। তাইৰ নাম আনিচা। ম'বাইল অকণ অকণ চাওঁ। এটা কথা কওঁ—তাত এটা অকণমানি টিকলু মাইনা আছে নাম মামুদা। তাইক মইহে ল'ব লাগে। নহ'লে কানি (কান্দি) থাকে। ভাই এটা আছে কিন্তু তাইৰ।

**নামাংকৃতা আৰোহী ডেকা :** মই গৰমৰ বন্ধত গান গাইছিলোঁ। ৰাউণ্ড এণ্ড ৰাউণ্ড এনেকে গাইছিলোঁ। আৰু ভাত খাইছিলোঁ। মামীৰ লগত সর্থেবাৰীত গৈছিলোঁ। পাপাও যাইছে। মই বাবুল উৰুৱাইছিলোঁ।

**নাং জাচিংফা চেতিয়া :** মই মাৰ লগত খেলিছিলোঁ। তাৰ পাছত ককাৰ ঘৰলৈ গৈছিলোঁ। মন্দিৰলৈ গৈছিলোঁ। ছিলঙলৈ গৈছিলোঁ। ব'ট দেখিছিলোঁ আৰু খেলিবলৈ গৈছিলোঁ।

**নেনচি বেজবৰুৱা :** গৰমৰ বন্ধত মই গোৱাত ফুৰ্‌ব গৈছিলোঁ। টাৱাঙত গেছলোঁ। খেলা বস্তু আছে। বৰফো আছে। বৰফেদি খেল্‌ছোঁ। গোৱাত টিভি চাছোঁ।

**নিবাংশী ডেকা :** মামা ঘৰত গৈছিলোঁ। বাইকত গৈছোঁ। আইতা, মামী, মামা, ভাইটি আৰু ককা আছে। আইতাই মোক বহুত মৰম কৰে।

**কৌস্তুভ বর্মন :** গাঁৱত গৈছিলোঁ। আমৃখোৱাত গাঁৰৰ ঘৰ। তাত মামা আছে, মামী আছে। তাতে লুডু খেলিছিলোঁ। বেটাৰী গাড়ীত উঠিছিলোঁ। চলা নাছিল, ৰখি আছিল।

**কৃষিকা দাস :** শ্বিলঙত গৈছিলোঁ। মামাহঁতৰ ঘৰত গৈছিলোঁ। গৰু আছে। আইতা আছে। মোৰ বহুত ভাল লাগে। মাইনা এটাও আছে। মাইনাই মামাক দেউতা বোলে। নামটো চান্‌ভি।

**কায়ান শর্মা :** ককা-আইতাৰ ঘৰত গৈছিলোঁ। ছাগলী ধৰিব গৈছিলোঁ।

**কিয়ান্স দীপ শর্মা :** মামাৰ ঘৰলৈ গৈছিলোঁ। গাড়ী খেলি আছিলোঁ। লম্বু আতাৰ ঘৰত মামা থাকে।

**পাৰশ প্ৰতীম শর্মা :** গৰমৰ বন্ধত আমি চন্দ্ৰপুৰত গ'লো। তো আমি বহুত খেলিলোঁ। স্কুল খুলিলে আমি গুহাটী আহি গ'লোঁ।

**পংখী কাশ্যপ :** টুন চাইছোঁ। পার্কত গৈছোঁ। খেলিছিলোঁ। গৰু আছে, বহুত ছগলী আছে। হিংকাই দিয়ে শিঙেদি।

**প্ৰিহান বৰুৱা :** গৰমৰ বন্ধত পার্কত গৈছিলোঁ। ঘৰত মই শুই আছিলোঁ। পার্কত হাতী দেখিছিলোঁ, বান্দৰ দেখিছিলোঁ।

**সুপ্ৰিয়া কলিতা :** খেলি আছোঁ। ঘৰতেই বহুত খেলি আছোঁ। মামাহঁতৰ ঘৰত গৈছিলোঁ আৰু মই খেলিবও গৈছোঁ পার্কত।

**ৰিধিমা বেজবৰুৱা :** গৰমৰ বন্ধত কালাৰ কৰিছিলোঁ। ফুলত পানী দিছিলোঁ। ফুৰিব গৈছিলোঁ। চাইছ মিডিয়াম (ছায়েন্স মিউজিয়াম) গৈছোঁ—অট'ত

গৈছোঁ। অৰুণাচলতো গৈছিলোঁ। ডাঙৰ বাছত আৰু নীলা ৰিক্সাত গৈছিলোঁ। উঁৰিক, আদ্ৰিকা চিত্তাবাও গৈছিল। পাৰ্ক-চাৰ্ক একো দেখা নাই—নদী দেখিছিলোঁ। তাত খেলিছিলোঁ।

**উদয়াশ্ৰী বৈশ্য :** পঢ়িছোঁ আৰু কিবা খেলিছিলোঁ। শ্বিলঙত যে গৈছিলোঁ—পিছলা খেলিছিলোঁ।

**উৰ্ভিল বৰদলৈ :** গছপুলি ৰুলোঁ। ভাতকেৰেলা ৰুলোঁ। নিজৰাত ফুৰিবলৈ গৈছোঁ আৰু চাহ বাগানতো গৈছিলোঁ। তাত গৰু আছিল, ছাগলী আছিল, বন আছিল আৰু গাঁও আছিল।

**ত্ৰিনাভ ভূঞা :** কাজিৰঙাত গৈছিলোঁ। গঁড় আছে, হাতী আছে, চৰাই আছে, বিয়েৰ আছে। গাঁৰৰ ঘৰত বৰশী বাইছিলোঁ, মাছ আহিছিল।

**অংকুৰ শ্ৰেণী 'গ' শাখা**

**আৰিয়া পৰাশৰ :** বন্ধত পীৰ ঘৰলৈ গৈছিলোঁ, খেলিলোঁ, মন্দিৰ গৈছিলোঁ, হাত ধুলোঁ, কথা পাতিলোঁ।

**অভিজ্ঞান ভৰালী :** আইতাৰ ঘৰত গ'লোঁ, কঁঠাল খালোঁ আৰু গ'লোঁ ফুৰিবলৈ, ভুম-ভুম গাড়ী খেলিলোঁ আৰু কিবা বিচাৰি আছিলোঁ।

**অক্লান্ত বিজয় শৰ্মা :** গুদুৰ ঘৰত গৈছিলোঁ, ভাত খালোঁ। মইনাক পালোঁ, চিটি দুটা লৈ ভাত বনালোঁ, ছুপাৰত আহিলোঁ, নিউ গুৱাহাটীত মই চিটি খেলি আছিলোঁ। ডাঙৰ চিটিটো লেতেৰা হৈ আছে।

**অংশুমান দাস :** ফুফু গৈতিলোঁ, পাৰ্তত ফুলিছোঁ। মামা ঘলত গ'লোঁ, মুনু আতিল যে, বাইতত ফু-ফু দিওঁ।

**অৰণ্যানি ৰাজখোৱা :** মামাহঁতৰ ঘৰত, পাৰ্কত আৰু শ্বিলং গৈছিলোঁ। খেলিলোঁ, ছবি আঁকিলোঁ। নাও চলালোঁ, নাচিলোঁ।

**অথৰ্ব মল্ল বুজৰবৰুৱা :** হাবিত যাইছিলোঁ, তাই মই খেলি আছিলোঁ, বাঘ চাইছিলোঁ আৰু সিংহ চাইছিলোঁ। ফুৰিব গৈছিলোঁ মন্দিৰত, মনসা মন্দিৰত।

**ভাৰ্গৱ জ্যোতি ডেকা :** উম্ উম্ ... বন্ধত ক'ত গৈছিলা, উম্ উম্...।

**ভাৰ্শিকা দাস :** গাঁৰত গ'লোঁ। আইতা-ককাক লগ পাইছোঁ। তাৰ পাছত ৰঙিয়া আৰু নলবাৰীত গৈছোঁ। আইতাক মই টানি আনি হিন্দী পঢ়াওঁ।

**দৰ্শী শৰ্মা :** গাঁৰত গেছিলোঁ, পাপাই মালতীৰ আজি নতুন ম'বাইল আনব। মাই মোক খেলা বস্তু দিছি, কাপোৰো দিছি। দেৰিলৈ হামু দিছিলোঁ।

**দৰ্শিল শইকীয়া :** বন্ধত মই ভাল হৈছোঁ। মামাৰ ঘৰত ভাত খাই আছিলোঁ, মাছ ধৰবা গেছিলোঁ, খেলি আছিলোঁ।

**দেবাংগী শৰ্মা :** গৰমৰ বন্ধত ককা-আইতাৰ ঘৰলৈ গেলোঁ। মামাহঁতৰ ঘৰলৈ গেলোঁ। মন্দিৰত পূজা চাব গেলোঁ, তাৰকাগৃহ চাবও গেলোঁ।

**একাগ্ৰ দুৱৰা :** ইমান দূৰত (দেখুৱাই) গৈছিলোঁ, শ্বিলঙত গৈছিলোঁ। টল দাদাৰ লগত খেলিলোঁ। বৰতা আছে, বৰমা আছে।

**গ্ৰেচী বৰগোহাঁই :** মই আইতাৰ ঘৰলৈ গৈছিলোঁ। মই ৰিয়ান দাদাৰ লগত খেলিছিলোঁ। ৰিয়ান দাদা সদায় ইস্কুলত যায়, মইনা মেলো যায়। ৰিয়ান দাদাই মোক মৰম কৰে।

**গুণাক্ষী আচাৰ্যী :** আইতাৰ ঘৰত গৈছোঁ, পাৰ্কত গৈছোঁ, মন্দিৰত গৈছোঁ আৰু বা কিবা কৰিলোঁ।

**জ্ঞানদীপ কুৰি :** মামা-আইতাৰ ঘৰত গৈছিলোঁ। নামতো গৈছিলোঁ, প্ৰসাদ খালোঁ। কল খাইছোঁ।

**জ্ঞানভি হাজৰিকা :** মামাৰ ঘৰলৈ গ'লোঁ, আইতাৰ ঘৰলৈ গ'লোঁ আৰু পূৰ্ণিমা জেঠাই গ'লোঁ। গীতা জেঠাই গ'লোঁ। কামাখ্যা গ'লোঁ। মায়ে সেইকণে কৈছে।

**হৰ্ষা শৰ্মা :** খিলিছোঁ, পাৰ্কত গেইছিলোঁ, শ্বিলঙত গেইছিলোঁ, চিৰাঙত গেইছিলোঁ। মই খেলি থাকোঁ হা...। হামু দিছোঁ।

**হৰ্ষিত বৰ্মন :** ফুৰিব গৈছিলোঁ, এতে ফুৰিব গৈছিলোঁ, এনেকে ফুৰিব গৈছিলোঁ (দেখাই)।

**হিতাঙ্ঘু কলিতা :** ফুৰিছোঁ, মামাৰ ঘৰত আম খাইতো আৰু একো নাই।

**জিজ্ঞাস প্ৰতিম শৰ্মা :** ঘৰতে আছিলোঁ, মেগি খালোঁ। ঘৰত মানুহ আহিছিল, মাইনা বা আহিছিল, ঘৰত মাটিতো বিছনাখন পাৰিলোঁ।

**জিজ্ঞাসা বনিয়া :** কালাৰ কৰিছোঁ, পাৰ্কত গৈছোঁ, তেজপুৰত গৈছোঁ, সবতে গৈছোঁ মই। বেলেগ কবাত পানী চাব গৈছিলোঁ, মায়ে পানীত যাওঁতে ভয় ভয় কৰিছিল।

**জিয়ান কুমাৰ ডেকা :** এই পাৰ্কত গেছিলোঁ। তাৰ পাছত মই খেলি আছোঁ, মই মহাৰ লগত গেছিলোঁ।

**জিয়াণ্ঞী শৰ্মা :** আমি মামাৰ ঘৰত গৈছোঁ আৰু গছ ৰুইছোঁ। এটা আইতা আছে তাতে খেলোঁ, সোণাপুৰ গৈছিলোঁ, খেলিছোঁ, পাহৰিয়েই যাওঁ।

**জ্ঞানদ সাই তামুলী :** ফুৰিব যোৱা নাই। আমি ঘৰতে থাকিছোঁ। মৰম বায়ে পঢ়িব লাগে, কুকুৰে চিঞৰি আছিলে।

**কৌস্তভ কাশ্যপ :** টোপনি গৈছোঁ, উঠিছোঁ। ভাত খাইছোঁ আৰু ক'তো যোৱা নাই।

**কিয়ান মালাকাৰ :** গৰমৰ বন্ধত মেলাত গৈতিলোঁ, মেলাত ঘূৰি আতিলে, আইতাই ফটো উঠাইতিল মোক। শ্বিলঙত বাঘ আতিল। বাঘ এনেকে (দেখুৱাই) গ'ল। আইচক্ৰীম খাইতিলোঁ মই।

**কৃশিকা কাশ্যপ :** বন্ধত ফুৰবা গেছোঁ। ফেন্সী বজাৰত বজাৰ কৰি আহলোঁ, মোক মায়ে কিবা বনেই দিয়ে।

**কৃতিকা কলিতা :** মামাৰ ঘৰত গেছোঁ, পাৰ্কত গেছোঁ আৰু জেঠীমাৰ ঘৰত গেছোঁ। তাৰ পৰা খেলছোঁ আৰু খেলাৰ পাছত হামু দিছোঁ।

**মেধাজ্যোতি শৰ্মা :** গৰম বন্ধত মামাৰ ঘৰত গ'লোঁ, টেক্টৰ এখন মাটি খান্দিলোঁ, মামাৰ ঘৰত ফুচ্ছো তাতে ঘৰ বনাইছোঁ, মই ছুইচ টিপছোঁ।

**মৃগাক্ষী নাথ :** মামাৰ ঘৰত গৈছোঁ, পুখুৰীত মাছ ধৰিছোঁ, গৰু খেদিছোঁ, ছাগলী ঘাঁস খাই আছে। সৰু দাদাৰ লগত খেলিছোঁ।

**মৃগাংকী ডেকা :** আকাশৰ তৰা চালোঁ, মন্দিৰত গ'লোঁ, পাৰ্কত গ'লোঁ, মামাৰ ঘৰত গ'লোঁ। খেলিলোঁ, জেঠীৰ ঘৰতো গ'লোঁ।

**নাইশ্ৰী মেঘা বড়ো :** বাকডুবা যাই আছিলোঁ, যাই পেলাই খেলিছিলোঁ আৰু তাৰ পৰা ঘৰত আহিলোঁ। ঘৰত জঁপিয়াই আছিলোঁ।

**নীহাৰিকা দাস :** ফুৰবা গেছিলোঁ, খালি ওপৰত ফুৰ্‌বা গেছিলোঁ, চিপ্ খালোঁ আৰু দালিও খালোঁ।

**নিচান মহন্ত :** পাৰ্কত ফুৰিবা গেছিলোঁ, নাৰেংগীত গেছিলোঁ, বাবু আৰু বা আছে। যোৰহাটত গেছিলোঁ।

**পৰ্ণাশ প্ৰীত বৰদলৈ :** চীপ্ নাখালোঁ মই। কবাত ফুৰিব গৈছিলোঁ। আইতা-মা গৈছিল।

**প্ৰভিতা বৈশ্য :** চুইমিং পুলত গা ধুইছোঁ। সাধু কথা শুনিছোঁ মামাহঁতৰ তাৰ পৰা। মামাহঁতৰ লগত ফুৰবা গেছোঁ। মই মামাহঁতক কাম কৰি দিছোঁ, ছাগলী লৈছোঁ।

**প্ৰীয়াঙ্গ প্ৰতীম দাস :** ভাত খালোঁ, ফলৰ কিতাপ পঢ়িছোঁ। বেলেগ ঘৰত গৈছিলোঁ, কিবা খাইছোঁ। সবত ফুৰিব গৈছোঁ, পাহাৰত, পাৰ্কতে।

**প্ৰিয়াংগী বৰা :** খেলিলোঁ। গাঁৱত গৈছিলোঁ, ভাত খালোঁ, ফুৰিলোঁ, ঘৰতো ভাত খালোঁ।

**ৰুমন কবীৰ দেৱনাথ :** একো নাজানো, মই একো নাজানো। (মিচিকিয়াই হাঁহি)

**সমৰ্থ কলিতা :** মন্দিৰত গৈছিলোঁ, পানীখিনি দছত (গছত) ঢালিলোঁ। ফুল কিনিছোঁ। ছপিং গৈছিলোঁ। আমাৰ ঘৰত স্পাইডাৰ মেনৰ টেন আছে, আমাৰ তাত দুটা টেন আছে।

**শ্ৰুতি ডেকা :** খানাপাৰাত গা ধুব গ'লোঁ। ডাঙৰ ছুইমিং পুলত গৈছিলোঁ। সৰুও আছিল। ঘৰত গৰম, সেইকাৰণে গৈছিলোঁ।

**স্বৰাং বসুমতাৰী :** মামাৰ ঘৰত গ'লোঁ। কাৰ্টুন চালোঁ। পাৰ্কতো গৈছিলোঁ, খেলিছিলোঁ। ❖



# যদি তোমাক এটা জন্তুৰ ওপৰত উঠিবলৈ দিয়া হয়, কোনটো জন্তুৰ ওপৰত উঠিবা ?

শিশুৱে কল্পনাৰ শুকুলা ঘোঁৰাত উঠি মনৰ আকাশত উৰি ফুৰে। আমাৰ কুঁহি শ্ৰেণীৰ শিশুহঁতেনো কোনটো জন্তুৰ পিঠিত উঠিবলৈ মন মেলিলে...

**কুঁহি শ্ৰেণী 'ক' শাখা**

**অভিজ্ঞা কাশ্যপ :** হাতীত উঠি নাকটোৰে শুঁৰেৰে পানী মাৰিম। হাতীৰ গাত উঠিম। তাতে মই একদম গা ধুই থাকিম।

**অনন্যা কলিতা :** ঘোঁৰাত উঠিম। ঘোঁৰাত উঠি ঘৰত যাম।

**আছিক মুস্তাফা :** বাঘৰ ওপৰত উঠিম। মই বাঘৰ ভিডিঅ' চাই থাকোঁ। আমাৰ ঘৰত এটা বাঘ আছে

পুতলাৰ। মই সেইটোতে উঠি থাকোঁ। আচল বাঘ হ'লে আমাক খাই দিব।

**বেদাঙ্গিনী বৰদলৈ :** হাতীৰ পিঠিত উঠিম। এনেই বাছি লৈছোঁ ফুৰিবলৈ।

**ধ্বিৰ্ণা কাশ্যপ :** হাতীৰ পিঠিত উঠিম।

**দিক্ষান্ত শৰ্মা :** বাঘৰ ওপৰত উঠিম। মই বাঘটো বেছি ভাল পাওঁ। বাঘৰ ওপৰত বহিম, ঘৰত যাম।

**দৃতিকা কলিতা :** হাতীটো ভাল পাওঁ। চিৰিয়াখানাত হাতীত উঠিছিলোঁ। হাতীক ভয় নালাগে, হাতীত উঠিকেনে বহুত ভাল লাগিছিল।

**দুবৰী শৰ্মা :** হাতী মই ভাল পাওঁ। হাতীত উঠি পাৰ্কত যাম। চন্দ্ৰপুৰত যাম, আমাৰ ঘৰ। ধুনুদাদাৰ ঘৰত যাম।

**গৌৰৱ ডেকা :** ঘোঁৰাৰ ওপৰত বহিম, ফুৰিব যাম। ঘোঁৰাটো এনেই বাছি লৈছোঁ। ঘোঁৰাত উঠিম, পঢ়িম।

**হাৰ্দিক মেধি :** হাতীৰ পিঠিত উঠি পাৰ্কত যাম, ফুৰিব যাম। হাতীক মৰম কৰিম।

**হৰ্ষিত বৰ্মন :** মই ঘোঁৰাত উঠিম। ঘোঁৰাৰ ওপৰত উঠি বহি ল'ম। মই এবাৰ সাগৰত ঘোঁৰাত উঠিছোঁ আৰু উটতো উঠিছোঁ।

**ঈশান মিৰ্জা :** ঘোঁৰাত উঠিম। বেলেগ জাগাত যাম। ঘোঁৰা দেখিলে বৰ মজা ল'ম। তাৰ পাছত ঘোঁৰাৰ লগত এনজয় কৰিম।

**জেনিচা চৌধুৰী :** হাতীটো উঠাৰ বাবে বাছি লৈছোঁ। হাতীক মৰম কৰিম। এনেই বহি থাকিম।

**জিয়ান নেওগ :** ছাগলীটোৰ লগত খেলিম। ছাগলীক মৰম কৰিম। ছাগলীটোক কিবা খাব দিম। ছাগলীৰ পিঠিত বহিম।

**জ্যোতিৰ্ণৱ শৰ্মা :** হাতীত উঠিম। হাতীত উঠি ফুৰিম।

**কৃতি হালৈ :** জিৰাফৰ ওপৰত উঠিম। জিৰাফে খোজ কাঢ়ি থাকিব।

**মনজিৰী শৰ্মা :** মই ঘোঁৰাৰ ওপৰত বহিম, ফুৰিব যাম। ঘোঁৰাত উঠি মই পাৰ্কত যাম। ঘৰলৈ যাম। ঘোঁৰাতো ঘৰতে থাকে। মই ঘোঁৰাটো সদায়ে ঘৰত ৰাখিম।

**মিৰভ জ্যোতি পৰাশৰ :** ঘোঁৰাৰ ওপৰত বহিম। ঘোঁৰা ঘৰত পুহিব পাৰি আৰু ফুৰিব পাৰিম। ঘোঁৰাক মই মৰম কৰি ভাত খাব দিম।

**মুগ্ধা মৃদুল :** হাতীৰ পিঠিত উঠিম। হাতীয়ে আমাক লৈ যাব জংঘলত। হাতীয়ে চব কৰিব পাৰে। হাতীয়ে পূজা কৰিব পাৰে। হাতীয়ে নাৰিকল ভাঙিব পাৰে। হাতীয়ে গাড়ী ভাঙিব পাৰে, গাড়ী ভাঙিলে বেয়া লাগে।

**নিৰৱজ্যোতি ডেকা :** হৰিণাৰ ওপৰত বহি ল'ম। হৰিণাটো দৌৰি দৌৰি গৈ থাকিব। হৰিণাৰ কাণত ধৰি থাকিম। হৰিণাৰ লগত ফুৰিম। হৰিণাৰ গাত চিলভাৰ কালাৰ থাকে।

**নিচান বুংৰুং :** গৰুৰ পিঠিত বহিম। তাৰ পাছত গৰুটোক দৌৰিব কম। গাখীৰ খুৱাম। ৰছী লৈ বান্ধি থ'ম। মই গৰুটোক ফুৰাব ক'ৰবাত লৈ যাম। গৰুক মোৰ বেছি ভাল লাগে।

**প্ৰণিল কলিতা :** ঘোঁৰাত উঠিম। ঘোঁৰাত উঠি ফুৰিব যাম। বহুত দূৰত গৈ থাকিম গৈয়ে থাকিম। তাৰ পাছত ঘৰ পাই যাম।

**প্ৰণিধান দাস :** হাতীৰ পিঠিত বহিম, গৈ থাকিম। হাতীটোৱে আমাক ক'ৰবাত নমাই দিয়ে। হাতীৰ পিঠিত বহি আমি পাৰ্কত যাম। হাতীত উঠি আইতাৰ ঘৰত বৰপেটাত যাম।

**প্ৰাচুৰ্য্য কলিতা :** উটৰ পিঠিত বহিম। উটত বহি মই জংঘলবিলাক চাই চাই যাম। উট মই পুহিম। মোৰ উট ভাল লাগে। উটৰ পোৱালিকেইটাক মই পুহিম আৰু মাকক জংঘলত এৰি দিম। ডাঙৰ হ'লে পোৱালিকেইটাক জংঘলত থৈ দিম।

**প্ৰিয়াংশু ৰাজ ভূঞা :** হৰিণাৰ ওপৰত বহি ক'ৰবাত ফুৰিব যাম চিৰিয়াখানাত।

**পূজ্য সেউজ ফুকন :** ঘোঁৰাৰ ওপৰত বহিম। ঘোঁৰাৰ পিঠিত উঠি ফুৰিব যাম। মোৰ জন্তুৰ ভিতৰত ফেভাৰেট।

**ঋদম চৌধুৰী :** ম'হৰ পিঠিত উঠি ফুৰিব যাম। মই পাৰ্কত যাম। ম'হৰ পিঠিত বহি শ্বিয়ঙত (শ্বিলং) যাম। শ্বিয়ঙত বহুত মানুহ থাকে আৰু ঘৰত যাম

**ৰিহান আলী :** মই বান্দৰৰ পিঠিত বহি ল'ম। কল খাব দিম। ভাত খাব দিম। বান্দৰে কামুৰি দিলে বেজী ল'ব লাগে।

**ৰিতভান এ বৰা :** মই ঘোঁৰা ভাল পাওঁ। ঘোঁৰাত উঠি বহি থাকিম।

**ৰিয়াঞ্চী আহমেদ :** ঘোঁৰাৰ ওপৰত উঠিম। ঘোঁৰাটো ইমান ধুনীয়া সেই কাৰণে বাছি লৈছোঁ।

**শ্ৰেয়সী ৰাজখোৱা :** জিৰাফৰ ওপৰত বহিম। জিৰাফ ওখ। জিৰাফৰ ওপৰত বহি চিৰিয়াখানাত যাম।

**শ্ৰীয়ান দাস :** মই জেব্ৰাৰ পিঠিত উঠিম। জেব্ৰাই খোজ কাঢ়ি আছিল। মই জেব্ৰা চাব গৈছিলোঁ। জেব্ৰা মোৰ ভাল লাগে। সাগৰত যাম।

**সানভি কলিতা :** ঘোঁৰাত উঠিম। দাৰ্জিলিঙত যাওঁতে মই ঘোঁৰাত উঠিছিলোঁ। ঘোঁৰাটো বহুত দূৰলৈ যাব পাৰে। সেই কাৰণে ঘোঁৰা বাছি লৈছোঁ। ঘোঁৰা এটা জীৱ।

**তন্ময় দাস :** গৰুটো বাছি লৈছোঁ। গৰুটোৰ পিঠিত উঠিম। আমাৰ ঘৰ কোচবিহাৰত। ঘৰত গৰু, ছাগলী আছে। গৰুৰ পোৱালি আছে। গৰু পোৱালিক গাখীৰ খুৱায়।

**টিচাংকু তালুকদাৰ :** মেকুৰীৰ ওপৰত বহি ল'ম। মেকুৰীৰ লগত খেলিম। মেকুৰীয়ে হামু দিব। মেকুৰীয়ে আমাৰ লগত পঢ়িব আৰু মোৰ লগত খেলিব। আমাৰ লগত ভাত খাব।

**উদিক্ষা কলিতা :** হাতীক ভাল পাওঁ। হাতীত উঠি পাৰ্কত যাম। পাৰ্টি খাব যাম। হাতীটোক মৰম কৰিম।

**উপাস্য দেৱ চৌধুৰী :** হাতীৰ ওপৰত বহিম। হাতীক বহুত মৰম কৰিম। হাতী বহুত ভাল লাগে। হাতীয়ে মোক শুঁৰেৰে হাতীৰ পিঠিত উঠাই দিব। হাতীয়ে কলগছ খাই ভাল পায়। হাতীয়ে মোক ফুৰাবলৈ নিব। হাতীটোৱে ভৰি দাঙি গৈ থাকিব।

**কুঁহি শ্ৰেণী 'খ' শাখা**

**অদিত্ৰী দাস :** মই হাতীৰ পিঠিত উঠিম। হাতীটো যদি দেউতায়ো ভাল পায়, ময়ো ভাল পাওঁ। আইতায়ো ভাল পায়, ককায়ো ভাল পায়। সেইকাৰণে ময়ো ভাল পাওঁ। আমাৰ এখন চিৰিয়াখানা আছে। চিৰিয়াখানাখনত মামাই পঢ়ে। হাতীটো মাজে মাজে আহি থাকে।

**অভিনীত কাশ্যপ :** হাতীত উঠিম। মই ডাঙৰ বস্তু ভাল পাওঁ। হাতীটো ডাঙৰ। বহুদিন আগত উঠা নাই।

**অয়ন ৰাজবংশী :** মই ডাইন'ছৰৰ পিঠিত উঠিম। ডাইন'ছৰটো ওখ। জংঘলত থাকে আৰু বহুত ডাঙৰ।

**অৱন্তিকা দাস :** গৰুৰ পিঠিত উঠিম। মোৰ আইতাই গৰুৰ পৰা গাখীৰ আনে। এটা বাৎসা আছিল। গৰুৱে হিংকায়। বৰতাই গৰুক ঔষধ খুৱায়, ইনজেক্চন দিয়ে।

**বিদিত বৰ্ণভ ভূঞা :** মেকুৰীৰ পিঠিত উঠিম। মেকুৰীটো আমাৰ ঘৰত আহি থাকে। মেকুৰীয়ে গাখীৰ খায়।

**ধৈৰিক ওম কাশ্যপ :** মই হাতীত উঠোঁ আৰু ঘোঁৰাত উঠোঁ। আগতে উঠিছিলোঁ। বহুত আগতে মই দেউতাক কৈছিলোঁ। ধুনীয়া বিল্ডিং এটাত উঠি

গ'লোঁ, তাৰ পাছত উঠিলোঁ। ভাল লাগিছিল। ঘোঁৰাতো উঠিছিলোঁ। কিন্তু দৌৰা নাই। লাহে লাহে গৈছিল। মই চবতে দেউতাৰ লগত উঠোঁ।

**ধৃতিৰাজ চহৰীয়া :** বাঘৰ পিঠিত উঠিম। বাঘক ভাল পাওঁ। বাঘে খাবলৈ খুজিলে আইডিয়া লগাম। পাপাক কটাৰী আনিব দিম। বাঘৰ পিঠিত বহি কাটি দিম।

**দৃশা দাস :** হাতীৰ পিঠিত উঠিম। হাতীক মই সদায় লগ পাওঁ...এ ৰাস্তাত।

**দৃশানা পাঠক :** বান্দৰৰ পিঠিত উঠিম। বান্দৰৰ পিঠিত উঠি মই খেলি থাকিম। বান্দৰে জোকাই থাকে। কল লৈ যায়।

**হাৰ্দিক কলিতা :** ঘোঁৰাৰ পিঠিত উঠিম। ঘোঁৰা মই লৈ আনিম যে সেইকাৰণে ভাল পাওঁ। ঘোঁৰাক দোকানৰ পৰা লৈ আনিম।

**হৰ্ষিল লহকৰ :** পাণ্ডাৰ পিঠিত উঠিম। সেইটো বহুত কিউট হয়। পাণ্ডালৈ মনত পৰে। পাণ্ডাই কিন্তু কি খায় মই নাজানো।

**হৰ্ষিতা দত্ত :** গৰুৰ পিঠিত উঠিম। গৰুক মই ভাল পাওঁ। আমাৰ ঘৰত আহি থাকে। ছাগলীৰ পিঠিত মই উঠিয়ে পোৱা নাই। কেইদিনমান ডাঙৰ হ'লে ঘোঁৰাৰো পিঠিত উঠিম।

**হিয়ান কাশ্যপ :** ছাগলীৰ পিঠিত উঠিম। আমাৰ মামাৰ ঘৰত নতুন ছাগলী এটা আহিছে। হোৱাইট কালাৰ। ছাগলীটো ধৰিলে দৌৰে। মই কোলাত লওঁ।

**ঈশান দাস :** গৰুৰ পিঠিত উঠিম। মানুহে দেখোন গৰুত উঠে। মানে আমি যেতিয়া মন্দিৰত যাওঁ না তেতিয়া ভগৱানৰ তাত বহুত গৰু থাকে। আমাক নাকামোৰে। মৰম কৰিব পাৰোঁ। আমি এদিন ন ম'হ দেখা পাইছিলোঁ। জংঘলত বাঘবিলাকে খাই দিয়ে ন সেই কাৰণে মন্দিৰত থাকে।

**ইশিকা বৰ্মন :** বাঘৰ পিঠিত। বাঘে দৌৰি যায় আৰু হাতীক জোকায়।

**জিব্যাম বৰ্মন :** জেব্ৰাৰ পিঠিত উঠিম। জেব্ৰাটো যে ইমান ধুনীয়া লাগে। ক'লা-বগা থাকে যে সেইকাৰণে।

**জিজ্ঞাসা বৰ্মন :** মই গৰুৰ পিঠিত উঠিম। মই গৰু আৰু পাপ্পীক বহুত ভাল পাওঁ। গৰুৱে যে আমাক হিংকী নিদিয়ে মৰম কৰে। কেতিয়াবা হিংকী দিয়ে, কেতিয়াবা নিদিয়ে।

**জিনায়া ৰহমান :** মেকুৰীৰ পিঠিত উঠি ভাল পাম। মেকুৰীটোক মায়ে মিল্ক দিছিলে আৰু পাপাই ষ্ট্ৰ'বেৰী দিছিলে।

**জ্যোতিৰ্ময় দাস :** ছাগলীৰ পিঠিত উঠিম। গৰুটো অলপ ভয় লাগে, শিঙটো আছে যে।

**কিশলয় শৰ্মা :** উটৰ পিঠিত। উটটো ভাল লাগে।

**মেধ্যা শিৱাঙ্গী বৈশ্য :** হাতীৰ পিঠিত। হাতী ভাল পাওঁ। হাতী নহয় ইমান ডাঙৰ মই ভাল পাওঁ। মই এদিন হাতী দেখিছিলোঁ, ভণ্টীক চাব যাওঁতে। নামটো বেম্বো হয়। তাৰ পাছত মই গ'লোঁ, বেম্বোক লৈ পেলাই মই ফটো উঠিছিলোঁ। মায়ে ষ্টেটাছত দিছিল। তাৰ পাছত আমি গোৱালপাৰাত গ'লোঁ, লক্ষ্মী পূজা হ'ল।

**মৃত্তিক বেজবৰুৱা :** বাঘৰ পিঠিত উঠিম। বাঘ বেছি পাৱাৰফুল কাৰণে। বাঘৰ ভৰি দুখন ভাল লাগে। সি দৌৰিব পাৰে।

**নিষ্ঠা কলিতা :** হাতীৰ পিঠিত উঠি ভাল পাওঁ। মই হাতীক পইচা দিওঁ, খাব দিওঁ চব্ দিওঁ। আৰু মই শিয়ালত উঠি ভাল পাওঁ।

**পঞ্চম হাজৰিকা :** হাতীৰ পিঠিত উঠিম। মই হাতী ভাল পাওঁ যে।

**প্ৰহেলিকা বৰুৱা :** গৰুৰ পিঠিত উঠিম। মই এনেয়ে ভাল পাওঁ গৰু।

**প্ৰাপ্তী দাস :** গৰুৰ পিঠিত। গৰুক মই এদিন জেঠীমাহঁতৰ ঘৰত গৈ দেখিছিলোঁ। বহুত মৰম লাগে। জেঠীমাহঁতৰ ঘৰত গৰু পোৱালি দেখিছোঁ। জেঠীমাই গৰু ঘৰটো ভালকে ৰাখে আৰু লেতেৰা কৰে আৰু চাফা কৰে।

**প্ৰাপ্তি হাজৰিকা :** সিংহৰ পিঠিত। সিংহই যে বহুত দৌৰিব পাৰে। সিংহৰ বল আছে আৰু চিকাৰ কৰিব পাৰে।

**প্ৰায়ণজ্যোতি বৈশ্য :** ঘোঁৰাত উঠিম। মোৰ ঘোঁৰা বহুত ভাল লাগে। মামাৰ গাঁৱত টুটু মামাৰ ধাবাত ঘোঁৰা আছে। ঘোঁৰাটো হোৱাইট আৰু মাথাটো ব্ৰাউন।

**প্ৰিয়াংশু দাস :** হাতীৰ পিঠিত। হাতীটো ডাঙৰ যে। সিদিনা মই স্কুলৰ পৰা আহোঁতে আমাৰ ঘৰৰ কাষত দেখিছিলোঁ।

**সৌমিত অধিকাৰী :** ঘোঁৰাৰ পিঠিত উঠিম। গাঁৱত ঘোঁৰাত উঠিছিলোঁ। মটিয়া ৰঙৰ ঘোঁৰা।

**শ্যাম বৰ্মন :** ছাগাল নহ'লি ঘোঁৰা। গাঁৱত থাকে এ দুটা দুটা ছাগাল।

**ভায়োলিনা বড়ো :** ঘোঁৰা আৰু ঘৰচিৰিকাৰ পিঠিত উঠি যাম। ঘৰচিৰিকা... বাইদেউ... ঘৰত আহি থাকে। মই ঘৰচিৰিকা ভাল পাওঁ।

**অনুস্মিতা ৰাজবংশী :** হাতীৰ পিঠিত। কিন্তু মোক হাতীটোৱে দাঙি লৈ যায়। জংঘলত থাকে। বাঘ থাকে, সিংহ থাকে।

**নিয়াশ ৰহমান :** হৰ্ছৰ পিঠিত। হৰ্ছৰ পিঠিত ইমান ভাল লাগে।

**কৃয়াঞ্চ দাস :** হাতীৰ পিঠিত। হাতীত উঠিলে পৰি যায়। মই হাতীত উঠিবলৈ ডাঙৰ হ'ম।

**জৈষ্ণৱী বুজৰবৰুৱা :** হাতীৰ পিঠিত। হাতীটো ডাঙৰ যে।

**মাহীৰ কলিতা :** ঘোঁৰা ভাল পাওঁ। ঘোঁৰাত উঠিলে কি হ'ব—বজাৰ যাম।

**শ্ৰীয়ান ৰায়চৌধুৰী :** ঘোঁৰাৰ পিঠিত। মই নাজানো বাইদেউ।

**দেৱদিক্ষীত শৰ্মা :** বনৰীয়া-চনৰীয়া সব ভাল পাওঁ। বনত থাকে হাতীৰ পিঠিত। বনৰীয়া বুলি ক'লে হাতীটো। নাকটো দীঘল, দেখিছোঁ। হাতীটোৰ যে বহুত বল থাকে। কল খায়। এনেকে মেৰাই ধৰি সোমাই দিয়ে।

## কুঁহি শ্ৰেণী 'গ' শাখা

**অৰিত্ৰিকা শইকীয়া :** হাতী। হাতী ভাল লাগে।

**অৰ্ণৱজ্যোতি দাস :** বাঘ। মই জানিছোঁ না।

**বানছিল আলি :** মই উঠি যাম বাঘৰ জন্তুৰ ওপৰত। মই ভাল পাওঁ বাঘক সেকান্নে (সেইকাৰণে)।

**বাৰ্নিছা কাশ্যপ :** জেব্ৰা। মই জেব্ৰাক ভাল পাওঁ। অকলে জেব্ৰাই ভাল পাওঁ।

**ভাৱনা গোস্বামী :** হাতী। হাতীক ভাল পাওঁ কাৰণে। হাতী আৰু জেব্ৰা আৰু কুকুৰ আৰু মেকুৰী।

**দেৱাংশী শৰ্মা :** গৰুত উঠিম মই।

**দিবাংশু শৰ্মা :** হাতীৰ ওপৰত। হাতীৰ লগত মই খেলা-ধূলাও কৰিম সেকাৰণে (সেইকাৰণে)। হাতীৰ ঘৰতো যাম। হাতীৰ লগত ভাতো খাম আৰু শুমো হাতীৰ লগত।

**দৃষ্টি ৰয় :** ঘোঁৰা। ঘোঁৰাৰ কাপোৰ ভাল পাওঁ।

**গৌশিক শিৰম ডেকা :** হাতী। হাতী ভাল পাওঁ মই আৰু শিয়ালো ভাল পাওঁ মনপছন্দ। হাতী মোৰ ফেব্ৰেট কালাৰ।

**হাৰ্দিক কাশ্যপ :** এ... বোন্দা মেকুৰী। আ... তাৰ মানে মোৰ মেকুৰী বহুত ভাল লাগে। কেতিয়াবা কেতিয়াবা চিকেনো ভাল লাগে। জিনাৰটো এটা মানে মেকুৰী। বহুত ডাঙৰ মেকুৰী। মই তাত উঠি ভাল পাওঁ। সেটো মানে এ... বহুত ডাঙৰ

মেকুৰী হয়। মই ডাঙৰ মেকুৰীৰ ওপৰত থিয় হ'ম আৰু ফুৰিব যাম।

**ইয়ান কাশ্যপ :** ঘোঁৰা। ঘোঁৰাই ধান খায়। ঘোঁৰাৰ ডাঙৰ পিঠি থাকে।

**জিয়া কাকতি :** ঘোঁৰা। কাৰণ, মোৰ ভাল লাগে। ঘোঁৰাই যে বহুত দূৰলৈ লৈ যাব পাৰে, সেইকাৰণে ভাল পাওঁ। তাতে যে এখন কিবা বহা হেৰি আছে, সেইটো চিট হয়। তাতে বহি ফেলে মানুহো এটা টানি লৈ যাব পাৰে।

**জিয়ান জোনাক তালুকদাৰ :** হাতীত। গছত উঠি যাম। হাতীত উঠি ভাল পাওঁ।

**জ্যোতিষ্মান নাথ :** ঘোঁৰাত। আৰু হাতীতো উঠোঁ। ঘোঁৰাৰ পিঠিত উঠি কবালে যাম আৰু জেব্ৰাৰ ওপৰতো উঠিম।

**কনিশা বৰদলৈ :** আ... মকৰা।

**কাইৰৱ মল্ল বুজৰবৰুৱা :** টাইগাৰ। এনে ভাল পাওঁ।

**মেঘৰঞ্জন ভট্টাচাৰ্য্য :** উম... মই, মই গছৰ ওপৰত উঠি যাম। কোনবা জন্তুৱে খাবা ইচ্ছা কৰব মই গছত উঠি যাম। বাঘৰ ওপৰত উঠিম। যদি মোক কোনবাই খাবা খোজে নহয় মই লগে লগে বাঘৰ পিঠিত উঠি যাম।

**মৃদুৰণন দত্ত :** হাতী। ফুফু যাম। মা লগত, দেতাৰ লগত পাৰ্কত যাম।

**নিধিৰ চক্ৰৱৰ্তী :** উট। ক'ৰবাত যাম। জংগলত যাম। মই অকলে যাম। বহুত যে কিবা দিয়ে সেইকাৰণে উট ভাল লাগে।

**পিনাক ভূঞা :** সিংহৰ ওপৰত যাম। মই যাম কিয় জানা ভাল লাগে গৈ। মই যাম শ্বিলঙত। মোৰ কিয় ভাল লাগে জানা... সিংহয়ো যে মাংস খাই ভাল পায় ন ! মইয়ো ভাল পাওঁ।

**প্ৰিয়াংশী কলিতা :** মই বাঘ ভাল পাওঁ। বাঘৰ পিঠিত উঠিম। যাম।

**ৰুদ্ৰ আদি যোগী :** মই এতিয়া ভাবোঁ ৰ'বা। মই...? নামটো ক'ব লাগে। মোৰ জেব্ৰা ভাল পাওঁ আৰু... বাত টাইগাৰটো মোৰ ফেব্ৰেট হয়। এ...ভাল লাগে যে অলপ। চালে মই উঠিবয়ে মন থাকে।

**প্ৰিয়াংক কলিতা :** বেং। বেঙৰ লগত ফুৰবা যাম।

**প্ৰিয়াংশু নাথ :** হৰিণৰ পিঠিত উঠি যাম। পাৰ্কত যাম। হৰিণে আমাক চাবা আহে সেকান্নে ভাল পাওঁ।

**ৰিয়াশ্ৰী ডেকা :** সিংহৰ পিঠিত উঠিম। সিংহৰ পিঠিত উঠি ব্ৰহ্মপুত্ৰ নদী আৰু শ্বিলং যাম। মই মেঘালয়ো যাম। তাতে নিজে ভাত বনাম। গা ধুম তাতে। তাতে... সিংহৰ লগত দৌৰি ফুৰিম।

**সমাহিত গোস্বামী :** ঘোঁৰা। মই যাম কাজিৰঙা। তাৰ পাছত মই জংঘল ঘূৰিম। জংঘল ঘূৰি ঘূৰি হাতী দেখিম। গঁড় দেখিম। বাঘ দেখিম। সিংহ দেখিম। বহুত কিবাকিবি দেখিম। মই কেতিয়াও ঘোঁৰাৰ পিঠিত বহা নাই। সেইকাৰণে মই ঘোঁৰাৰ পিঠিত উঠি ভাল পাওঁ।

**সমীৰণ দাস :** হাতী। ফুৰ্বা (ফুৰিব) যাম মই। হাতীৰ পিঠিত উঠি ফুৰ্বা যাম। হাতী ভগৱান হয় কান্নে (কাৰণে) আমি বা বা দিওঁ হাতীক। হাতীক ভাল পাওঁ সেকান্নে।

**সমৃদ্ধা লাহন :** হাতী। হাতী মনত আহে। ৰাস্তাত যাম।

**ছায়াশ্ৰী কলিতা :** ভালুক। বহুত ভাল পাওঁ। ভালুক মোৰ ফ্ৰেইণ্ড। পাৰ্কত ফুৰিব যাম। বাইকত উঠি ভালুকৰ লগত গাঁৱত যাম।

**চিমন শৰ্মা :** মই হাতীৰ পিঠিত উঠি যাম। ভাল পাওঁ মই। পাৰ্কত যাম, উম্... আতাহাঁতৰ ঘৰত যাম, গাঁৱত যাম, ফুৰিব যাম, চিৰিয়াখানাত যাম, নলবাৰীত যাম, মণ্টু মামা হতৰতাতে যাম।

**শ্ৰেষ্ঠা তালুকদাৰ :** ঘোঁৰাৰ। ঘোঁৰাত বহুত বিভিন্ন

ধৰণৰ ঘোঁৰা থাকে, আৰু ঘোঁৰা... ঘোঁৰাটো... ঘোঁৰাৰ চুলিকেইডাল বগা, পিংক কালাৰ সেইবিলাক থাকে।

**শ্রেয়াস কাশ্যপ :** কোনটো জন্তুৰ পিঠিত... আ... বাঘৰ পিঠিত উঠিম। আৰু উঠি কেনে কবাত যাম। গৈ কিনে নামিম।

**চৌয়দা চিফা হায়াত :** ওপৰত। পাৰ্কত।

**শুভম বড়ো :** মই হাতী পিঠিত যাম। হাতীক কল দিওঁ। বহু ভাল পাওঁ।

**টানিষ্ঠা অলম্যান :** বাঘৰ পিঠিত উঠিম। আৰু মই পুহিম সেকান্নে কাৰণ, বাঘে এ... মানোহকো (মানুহকো) মৰম কৰে।

**টিশানজ্যোতি নাথ :** মই...? বান্দৰ। বান্দৰে মোৰ লগত সদায় খেলে।

**ভৰ্ণীল শৰ্মা :** মই... মেকুৰীৰ পিঠিত উঠিম। আ... মোক নাকামুৰে না। পাৰ্কত যাম।

**কাৰ্তিক পাঠক :** হাতী। হাতীৰ ওপৰত উঠি ভাল পাওঁ মই। মই তাত বহুদিন উঠা নাই। সেইকাৰণে ভাল পাওঁ মই হাতীৰ ওপৰত উঠি।

## কুঁহি শ্রেণী 'ঘ' শাখা

**অভিমান্যু মজুমদাৰ :** হাতী। হাতীৰ যে আৱাজটো বেলেগ। হাতী বহুত ডাঙৰ হয়। শুঁৰ আছে, দাঁত আছে, দীঘল দাঁত আছে। গা ধোৱে শুঁৰেৰে।

**আৰিয়ান ডেকা :** গৰু। গৰু দৌৰে যে সেইকাৰণে ভাল লাগে। গৰু ঘাঁহ খায়। গাঁৱত দেখিছোঁ গৰু।

**বেদিকা টিমুংপী :** বাঘ। বাঘৰ পিঠিত উঠি বহুত ভাল লাগে। বেলেগ বেলেগ কালাৰ (ৰং) থাকে বাঘৰ। ধুনীয়া বাঘ।

**ভিৱান বড়ো :** মই গৰু ভাল পাওঁ। গৰু হামা হামা মাতে। গৰু পিঠিত উঠিম। গৰু ঘাঁহ খাব আৰু দৌৰি যাব।

**বিবান দাস :** মই হাতী। মই হাতীৰ চাফাৰী কৰি ভাল পাওঁ। মই কৰিছিলোঁ হাতীৰ চাফাৰী। হাতীৰ যে বাৎসা মোৰ ভাল লাগে।

**বৰ্ণিল বড়া :** কুকুৰ ভাল লাগে। মোৰ বহুত ভাল লাগে।

**বিদ্যাংশী তালুকদাৰ :** কেমেলৰ পিঠিত উঠিম। কেমেল ভাল পাওঁ। মই সৰু থাকোঁতে কেমেলৰ পিঠিত উঠিছোঁ মা আৰু পাপাৰ লগত। বহুত দিন হ'ল। থ্রি ইয়াৰচ থাকোঁতে মই।

**ডৰিয়লী ডেকা :** আমাৰ ছাগলী আছে। ছাগলীৰ পিঠিত নুঠে। চিঞৰিব। দুখ পাব যে। ঘাঁহ খায়, পানী খায়। মই দিম খাব বস্তু।

**দৰ্শিতা কাশ্যপ :** মই হাতীৰ পিঠিত। হাতী যে ই কৰিব পাৰে, দৌৰিব পাৰে যোৰ যোৰ কে আৰু হামাৰ পিঠিত। হামা যে ঘাঁহ খাই থিয় হৈ থাকে সেইকাৰণে।

**দেৱাংগী কাশ্যপ :** ঘোঁৰাৰ পিঠিত ভাল পাওঁ যে দৌৰি আৰু গছৰ পৰা আম আনিম ঘোঁৰাৰ পিঠিত উঠি।

**দেৱাঞ্চ কাশ্যপ :** হাতীৰ পিঠিত উঠিম। হাতী বহুত ডাঙৰ আৰু মই উঠিলে ডাঙৰ হৈ যাম। হাতীৰ যে নাক আছে গণেশৰো আছে।

**ধ্রুমিত ভট্টাচাৰ্য্য :** হাতীৰ পিঠিত উঠিম। পিঠিত উঠিব মন গৈছে। মোৰ ভাল লাগে।

**দিপাংকৰ বৰ্মন :** বান্দৰৰ পিঠিত। বান্দৰ হনুমান কাৰণে ভাল লাগে। বান্দৰৰ দীঘল নেজ থাকে। নেজত ধৰি ঘৰলে যাম।

**দিব্যান উদয় কাশ্যপ :** সিংহ। সিংহৰ চুলিত ধৰি ঘৰলে যাম।

**দৃশান কাশ্যপ :** মেকুৰী। লিভিয়াৰ পিঠিত উঠিম। লিভিয়া মেকুৰী আমাৰ আছে। পিঠিত উঠি নলবাৰী যাম। গাখীৰ দিম, বিস্কুট দিম।

**গৌৰিষ্ঠা মালাকাৰ :** মেকুৰী মোৰ পিঠিত উঠে। গাখীৰ খায়। চুমা খায়। খেলে মোৰ লগত।

**হিয়ান কলিতা :** হাতীৰ পিঠিত উঠিম। হাতীৰ ডাঙৰ কাণ আছে। দাঁত আছে দীঘল। ভাল লাগে দাঁত।

**জাস্কৃতি শৰ্মা :** হাতীৰ। হাতী গণেশ যে সেইকাৰণে। আৰু আশীৰ্বাদ দিয়ে। দীঘল কাণ আছে। নাকটো দীঘল। দাঁত দুটা আছে। বাহিৰত ওলাই থাকে আৰু মুখটো ভিতৰত থাকে।

**জিয়ান কাশ্যপ ডেকা :** বাঘ জন্তুৰ পিঠিত উঠিম। বাঘৰ পিঠিত ভগৱান আছে। দুৰ্গা মা আছে।

**কাব্যনীল মেধি :** জিৰাফৰ পিঠিত উঠিম। জিৰাফৰ দীঘল মুখ আছে। বেলেগ বেলেগ কালাৰ (ৰং) আছে। গছৰ পাত খায় আৰু মই পিঠিত উঠি পাত চিঙিম।

**কৃশ ৰাজবংশী :** টাইগাৰ পিঠিত উঠিম। উঠি ভাল লাগে। উঠি ঘোঁৰা ঘোঁৰা খেলিম (হাতেৰে দেখুৱাই)।

**কৃষিকা দাস :** এলিফেণ্টৰ (হাতীৰ) পিঠিত উঠিম। এলিফেণ্ট খোজ কাঢ়ি মন্দিৰলৈ যাম, তাৰ পাছত ঘৰলৈ যাম।

**মিৰ্হা চুজান :** ঘোঁৰাৰ পিঠিত উঠিম। উঠি খট্ খট্ কে যাম। ঘোঁৰাই যে ঘাঁহ খায় আৰু ঘোঁৰা ভাল লাগে।

**মানসী দেৱী :** হাতীৰ পিঠিত উঠিম। হাতী যে শুঁৰডালেৰে ওপৰত থকা চব বস্তু আনিব পাৰে। আৰু বল খেলিব জানে হাতীয়ে।

**মনস্বিনী চক্ৰৱৰ্ত্তী :** বাঘৰ পিঠিত উঠিম। বাঘৰ বেলেগ বেলেগ কালাৰ আছে। আৰু ভাল লাগে বাঘ যে লাহে লাহে খোজ কাঢ়ি যায়।

**মৃদুমলয় শৰ্মা :** চৰাইৰ লগত উঠি উৰি যাম। বহুত দূৰত। আকাশত যাম, গান গাই যাম।

**নিবিড় কলিতা :** হাতীৰ পিঠিত। উঠি খেলিম। হাতীৰ দুখন ডাঙৰ কাণ আছে। বিচনীৰ নিচিনা। আৰু যে হাতীৰ দীঘল শুঁৰ আছে। গা ধুব পাৰে হাতীয়ে।

**প্ৰিয়াংশু ডেকা :** ছাগলীৰ পিঠিত উঠিম। ছাগলী ভাল লাগে। ছাগলীয়ে মোৰ লগত খেলে। গাঁৱত আছে আমাৰ ছাগলী।

**প্ৰিয়াংগনা কলিতা :** হাতীত উঠিম। হাতী ভাল লাগে। কাণখন যে ডাঙৰ বিচনীৰ নিচিনা সেইকাৰণে ভাল লাগে। আৰু দাঁতো আছে। দীঘল দুটা দাঁত।

**ৰিশিতা দত্ত :** ঘোঁৰাৰ পিঠিত উঠিম। ঘোঁৰা যে জঁপিয়ায় আৰু দৌৰে সেইকাৰণে ভাল লাগে।

**শ্ৰেয়া বৰ্মন :** বাঘৰ পিঠিত উঠিম। বাঘৰ যে নেগুৰ আছে। আৰু ভৰি আছে। হাত নাই। মোক মাৰিব নোৱাৰে... হাঁ...হাঁ (হাঁহি হাঁহি)

**সৃষ্টি নাথ :** হাতীত উঠিম। হাতীত উঠিলে ফুৰিব যাব পাৰিম। হাতী মন্দিৰত যায়। আৰু হাতী বহুত ডাঙৰ হয়। ময়ো ডাঙৰ হৈ যাম।

**সূৰিয়াঞ্চ কাকতি :** হৰ্চ ভাল লাগে। হৰ্চে খট্ খট্কে যায়। মই হৰ্চক ভাত দিম। আৰু হৰ্চে ঘাঁহ-বন খায়।

**স্বপ্ননীল দাস :** ঘোঁৰা ভাল লাগে। ঘোঁৰাৰ পিঠিত উঠি স্কুললৈ আহিম। আৰু ঘোঁৰা ঘৰত থাকে আৰু ঘোঁৰাই কাকো নাকামোৰে।

**তৃষাণ ৰাগ শৰ্মা :** হাতীৰ পিঠিত উঠিম। হাতীৰ যে চুঙ (শুঁৰ) আছে। সৰু নেজ আছে আৰু ডাঙৰ ডাঙৰ ভৰি আছে। আৰু হাতী যে নমোঃ।

**তাপ্তি কলিতা :** উটৰ পিঠিত। উট ভাল পাওঁ। উটে বালিত খোজ কাঢ়ে। ময়ো বালিত খোজ কাঢ়ি যাম। উটে বেলেগত খোজ কাঢ়িব নোৱাৰে। অকল বালিত পাৰে। মায়ে কৈছে।

**কৃতাৰ্থ শৰ্মা :** গৰুৰ পিঠিত। গৰুৰ নেজ আছে। শিং আছে। শিঙত ধৰি উঠি ফুৰিব যাম। ভৰিত শব্দ হয়। খট্ খট্ কৰি যায়।

**স্বৰ্ণাভ পৰাশৰ শৰ্মা :** ঘোঁৰাত উঠিম। ঘোঁৰা ঘৰত থাকে যে ভাল লাগে। আৰু ঘোঁৰাই কাকো নাকামোৰে। ❖



# যাদুকৰ হ'লে তুমি কি কি কৰিবা?

যাদুৰ পৃথিৱীখন কি যে মজাৰ ! সপোনৰ কাৰেং নিমিষতে সাজি উলিয়াব পাৰি তাত। সোপান শ্রেণীৰ শিশুহঁতে যাদুকৰ হ'লেনো কি কি কৰিব...

## সোপান শ্রেণী 'ক' শাখা

**অভিনৱ ডেকা :** মই প্ৰথমতে ফুৰিম। আকাশত মেঘবোৰ উৰি উৰি চাই ফুৰিম। তাৰ পাছত মই বস্তুবিলাক উৰাম। কিবা এটা বনাম আৰু উৰাই উৰাই বস্তুবোৰ আনি খাম। আকৌ মই এটা মাছ হ'ম আৰু এটা পুখুৰীৰ তললৈ গৈ পানীৰ তলবোৰ চাম। তাৰ পাছত আকৌ মানুহ হ'ম।

**অনুভৱ শৰ্মা :** পানীৰ তলত ফুৰিব যাম। ফুৰিম আৰু উৰি উৰি ঘৰত গুচি আহিম। ঘৰত আহি ভাত খাই আকৌ ফুৰিব যাম। পাহাৰৰ ওপৰলৈও উৰি যাম। মা-দেউতা আৰু দাদাক লৈ ফুৰিব যাম। উৰি উৰি...

**অনুশ্ৰী পাঠক :** যাদুকৰ হ'লে মই গায়াপ কৰি দিম। ফ্ৰেইগুক গায়াপ কৰি দিম। জাগৃতিৰ লগত খেলিম, যাদুৰে মানুহক উৰাই দিম।

**আৰণ বড়ো :** যাদুকৰ হ'ব মন নাই। মই যাদুকৰ ভাল নাপাওঁ। মোক একো বস্তু নালাগে।

**আয়ুস বৰুৱা :** যাদুকৰ হ'লে মই যাদু কৰিম। টুপীৰ পৰা কাউৰী উলিয়াই দিম। লাঠী দি মানুহক উঠাই দিম, আকৌ লাঠীৰে চকলেট উলিয়াই দিম

ল'ৰা-ছোৱালীবোৰক। চৰাই হৈ উৰিম। উৰি উৰি গছত যাম। আম, আপেল খাম।

**ভীৰৱ বৰদলৈ :** বহুত বেলেগ বেলেগ যাদু কৰিম মই। এটা বক্সত মানুহ সোমাই পেলাই কাটি দিয়ে। আকৌ মেজিক কৰি ভাল কৰি দিম। পাৰ্কত আৰু বেলেগ ক'ৰবালৈ ফুৰি যাম উৰি উৰি...।

**চানচি ঠাকুৰীয়া :** যাদুকৰ হৈ মই চবকে যাদু কৰি যি যি লাগে আনি দিম। পুতলা, ম'বাইল, চাদৰ-মেখেলা এইবোৰ আনি দিম। চুইমিং পুলতো যাম আৰু সাঁতুৰিম। চিনেমা চাবও যাম, ভাইমন দা...

**দেৱাংশী কাশ্যপ :** মই চবকে সহায় কৰিম। যদি খাব নাপায় যাদু কৰি খাবলৈ বস্তু আনি দিম। বিছনা এখনো বনাই দিম।

**দীপলীনা গৌতম :** মই না যোনবোৰ মানুহ গৰীব হয় সিহঁতক মই যাদু কৰি পইচা, খোৱাবস্তু আৰু পানী দিম। অকণমান সোণ দিম। সোণবোৰ বেচি পইচা পাই সিহঁতে ঘৰ ল'ব। যোনবোৰ মানুহৰ চকু নাই, চলিব নোৱাৰে সিহঁতকো হেল্প কৰিম। মা-দেউতা, আইতা, ককাকো বহুত কাপোৰ আনি দিম বাৰ্থডেত। যিবোৰ জন্তুৰ ভৰি-হাত আৰু চকু নাই সেইবোৰকো বহুত হেল্প কৰিম।

**দেৱীকা দাস :** যাদুকৰ হ'লে মই পাহাৰলৈ উৰি উৰি যাম। চৰাইৰ ওচৰলৈ যাম উৰি উৰি যাম। সিহঁতক চাহ খুৱাম, বিস্কুট খুৱাম আৰু কেকো খুৱাম।

**দিশা তালুকদাৰ :** যাদুকৰ হ'লে মই চব মানুহকে দুই টুকুৰা কৰি দিম... এ... যাদুহে কৰিম, কাটি নিদিওঁ... পাছত আকৌ ভাল কৰি দিম। তাৰ পাছত এটা মানুহক মাতি আনি কাপোৰেৰে ঢাকি দি গায়াপ কৰি দিম। আকৌ আনি বক্সৰ ভিতৰত সোমাই থ'ম।

**ধীৰাশ্ৰী ডেকা :** যাদুকৰ হ'লে মই নোহোৱা হৈ যাম। ক'ৰবাত বাহিৰলৈ গুচি যাম। ফুৰি ফুৰি শেষ হ'লে ঘৰটো যদি চিনি পাওঁ তেতিয়া ঘৰলৈ গুচি যাম।

**ধৃতিৰাজ ডেকা :** যাদুকৰ হ'লে উৰি যাম মই। আকাশত উৰি উৰি চানলৈ যাম। ফুৰিম।

**ধৃতিস্নিগ্ধা হালৈ :** যাদুকৰ হ'লে মই চবকে যাদু কৰি দিম। উৰি উৰি যাব সকলোৱে।

**জ্ঞানদীপ কলিতা :** যাদুকৰ হ'লে মই যাদু কৰিম। লাঠী দি এনেকে এনেকৈ (ভংগিমাৰে) সব বস্তু ঘূৰাই দিম। চৰাই বনাম, মেকুৰী বনাম, মানুহ বনাম... এই চব লাঠী দি।

**হৰ্ষিতা শৰ্মা :** যাদু হৈ যাম মই। অক্কৰ বক্কৰ গিলি গিলি ফু... কৰি দিম। যাদু কৰি লাঠীৰে এনেকে এনেকে ঘূৰাই দিম।

**হিমাংশু নাথ :** যাদুকৰ হ'লে মই যাদু কৰিম। হাতেৰে এনেকে (ভংগীমাৰে) ফু কৰি কৰি যাদু কৰিম।

**হিয়ান গোস্বামী :** যাদুকৰ হ'লে যাদু কৰিব পাৰিম। লাঠীৰে যাদু কৰিম। ছাগলী, গৰু, ঘোঁৰা, গাধ, হাঁহ এইবিলাক বনাম যাদু কৰি কৰি। ভাল কৰি আকৌ আগৰ নিচিনা কৰি দিম।

**হৃষিকেশ অভ্ৰনীল বৰা :** যাদুকৰ হৈ মই যাদু কৰি লুকাই যাম। টেবুলৰ তলত লুকাই যাম মই। মায়ে বিচাৰি থাকিব।

**জাগৃতি পৰাশৰ :** যাদুকৰ হৈ মই ডাক্তৰ বনিম। ৰাজমিস্ত্ৰী বনিম। বালি, শিল, চিমেণ্ট এইবোৰ দি ঘৰ বনাম। মা বনিম মই। ভাত বনাম। তাৰ পাছত টিচাৰ বনিম।

**জীগ্নভ কলিতা :** যাদু কৰিম। লাঠী এডালেৰে যাদু কৰি শহাপহু বনাম, কাছ বনাম। তাৰ পাছত সিহঁতক ল'ৰা বনাই দিম।

**জিনীছা ডেকা :** ময়ো এটা মেজিক কৰিম। আগতে এটা টুপী লৈ আৰু ষ্টিকডালেৰে মই ঘূৰাই দিম। তেতিয়া... তেতিয়া বোলে পুতলা হৈ যাব। টেডি বিয়েৰ বনাম আৰু এটা ডাইনছ'ৰ ডল এটাও বনাম।

**জীপাল পল্লৱ চৌধুৰী :** যাদুকৰ হ'লে মোৰ বডী হৈ যাব। বহুত পাৱাৰ পাম।

**কৃতিক্ষা দাস :** যেতিয়া যাদুকৰ হ'ম তেতিয়া মই আপোনাক যাদু কৰি দিম। গায়াপ কৰি দিম। আকৌ ৰাপাচ আনি দিম।

**কিয়ান্স বৈশ্য :** যাদুকৰ হ'লে টুপীটোৰে চকলেট উলিয়াই দিম। বহুত মানুহক যাদু কৰি উৰাই দিম। নিজেও উৰি যাম। যাদু কৰি মানুহৰ ভয় নোহোৱা কৰি দিম।

**মধুপ্ৰীতা সৌন্দৰ্য্যা কলিতা :** যাদু কৰি মই ষ্টেজত মানুহক দেখুৱাম। লাঠীডাল ঘূৰাই মন্ত্ৰ কৰি এজন মানুহক ছাগলী বনাম। তাৰ পাছত উৰাই দিম। ডিঙি কাটি উঠি মানুহটোক আকৌ জীয়াই দিম।

**মান্যতা মেধি :** যাদুকৰ হ'লে ছাগলী বনাম, বাঘ বনাম আৰু ভেকুলীও বনাম মই।

**মেঘান কৌশিক শৰ্মা :** যাদুকৰ হ'লে মই বেলিক ৰ'দ দিম। বেলিক ভাত খুৱাম, চাহ খুৱাম। বেলিক ঘুমাবা দিম আৰু বেলিক মই গৰম কৰি দিম।

**নিশান্ত নাথ :** যাদুকৰে যাদু দেখায়। মোৰ মন নাযায়। যাদু বেয়া পাওঁ।

**পাৰ্থ পাঠক :** যাদুকৰ হ'লে মই ভূতক আনি মাৰি দিম। লাঠী দি বহুত পইচা আনিম। ঘৰ বনাম। আকৌ উৰি উৰি বহুত ওপৰত যাম। তাতে এটুকুৰা মেঘৰ ওপৰত বহি উৰি উৰি যাম।

**পৰম গোস্বামী :** যাদু কৰি থাকিম মই। চৰাই এটা দিলে নাইকিয়া কৰি দিম। তাৰ পাছত 'জেনটলমেন' হ'ম মই। টুপীৰ পৰা শহাপহু এটা ওলাই দিম। মানুহ এটা গায়াপ কৰি দিম।... "য়ে মেৰা চপনা হে.." গোটেই আৰ্থখন নাইকিয়া কৰি দিম আৰু মই মুনলৈ যাম। অলপ খোৱা বস্তু লৈ যাব লাগিব।

**ৰিভাঞ্চি কলিতা :** যাদু কৰিম। "আবৰা কা দাবৰা গিলি গিলি চু..." তাৰ পাছত আমি ঠিক হৈ যাম। পাহাৰ, ফুল এইবিলাক যাদু কৰি বনাম।

**স্পৰ্শী বেজবৰুৱা :** হাঁহি হাঁহি... সবকে দেখাব পাৰিম মই যাদু।

**ভায়োলিনা বৰ্মন :** মেজিক কৰিম মই। পেঞ্চিলেৰে যাদু কৰিম। কৃষ্ণ বনাম, গণেশ বনাম আৰু ভগৱানবিলাক বনাম।

**য়াশ মহাজন :** উৰি উৰি ফুৰিবলৈ যাম মই। শ্বিলং, দিল্লী, মুম্বাই আৰু মামাৰ ঘৰত যাম মই। তাত কথা পাতিম, চাহ খাম, বিস্কুট খাম।

**য়াশ্ৰী শইকীয়া :** পাহাৰৰ ওপৰলৈ উৰি উৰি যাম। যাদু কৰিম। পাৰ্কত যাম। মা, দেউতা আৰু আইতাক লৈ যাম।

**মিতান্চ কাশ্যপ :** যাদু দেখাম। বটলত যাদু দেখাম। বটলত ৰুমাল ভৰাই দিম। যাদু কৰি ৰুমালখন নাইকিয়া কৰি দিম।

**টনভি দাস :** চাহ খোৱা কাপত চাহ খাম। যাদু কৰি ঠাৰিডাল নোহোৱা কৰিম।

### সোপান শ্ৰেণী 'খ' শাখা

**অভিশ্ৰুতি ৰয় :** ৰুমাল যাদু কৰিম, মোৰ টুপী আৰু লাঠীৰে শহাপহু লৈ আহিম। মানুহটো বাকচত কাটি যায়, দুখ নাপায়, যাদু হয়।

**আশীৰ্যা ভাগৱতী :** মই এটা হাতটো মেজিক বনাম, স্পাইডাৰ মেন মেজিক বনাম, হাল্ক বনাম, ছুপাৰ মেন যাদু বনাম।

**আৰিয়ান বৰা :** সব চকীত বহি থাকিব, মই যাদু এটা দেখাম। চৰাই, টিভি, পেঁপা টুপীৰ পৰা উলিয়াম।

**আয়ুষ্মান চক্ৰৱৰ্তী :** মই মানুহক যাদু দেখালোঁ হয়, মই টুপীত কিবা ভৰাই বহুত বস্তু উলিয়াই দিলোঁ হয়, হাতৰ পৰা যাদু কৰি এটা ৰুমাল এখন উলিয়াই দিলোঁ হয়।

**বৰ্ণিল বিকাশ শৰ্মা :** টুপীত গাখীৰ ভৰাই পেপাৰ বনাই উলিয়ালোঁ হয়। গাৰ পৰা ঢেৰ ৰছী উলিয়ালোঁ হয়। শহাপহুক মানুহ বনাই দিলোঁ

হয়। মানুহক শহাপহু বনাই দিলোঁ হয়। মানুহক স্পাইডাৰমেন বনাই দিলোঁ হয়। ঘোঁৰাৰ পাখি উলিয়াই দিলোঁ হয়।

**বিপাঞ্চী হালৈ :** যাদু দেখালোঁ হয়, ৰুমালখন যাদুৰে হেৰাই দিলোঁ হয়। যাদুৰে এটা ডাঙৰ ঘৰ বনাই দিলোঁ হয়। ঘৰটোত যাদু থাকিল হয়। যাদুৰে ভণ্টীক সৰুৰ পৰা ডাঙৰ বনাই দিলোঁ হয়।

**বৃষ্টির্ণা ডেকা :** পুতলা আনিলোঁ হয়, কুকুৰ আনিলোঁ হয়।

**ছন্দিতা পি তালুকদাৰ :** এটা চৰাই উলিয়াব পাৰিলোঁ হয়। নোহোৰা হৈ যাব পাৰিলোঁ হয়। চকলেট নোহোৰা কৰিব পাৰিলোঁ হয়। মা-পাপাৰ কাপোৰ ধুনীয়া কৰিব পাৰিলোঁ হয়। টুপীৰ পৰা কেক উলিয়াই দিলে হয়।

**দেবাংশী ডেকা :** দুখীয়া মানুহবোৰক খোৰাবস্তু দিম, সবকে সহায় কৰিম, যাদু থাকিলে মই উৰিম।

**দ্বীপজ্যোতি কলিতা :** যাদু কৰি এটা মোবাইল উলিয়াই দিম, পইচা উলিয়াই দিম। যাদু কৰি যাদু পেন্সিল আনিম। যাদু পেন্সিলেৰে মিঠাই আঁকি মিঠাইটো আনি তোমাক দিম।

**দ্বীপ্তাংশু কলিতা :** যাদু কৰি যাদুৰে গছত পানী দিম। যাদুকৰ হৈ খেলিম, যাদু কৰি বাবুক নোহোৰা কৰি দিম, সি ৰাতি মই শুই থাকিলে চুলি টানে। যাদুৰে আকৌ আনিম।

**দেৱলীনা পৰাশৰ :** এটা টুপী ল'ম, তাতে এডাল লাঠী দি ফেলাই এটা নিজে চৰাই ওলাই যায়।

**ধিচান কলিতা :** টুপীৰ ভিতৰত যাদু কৰি চৰাই উৰাই দিম। পেন্সিল গায়াব কৰিম, ৰুমাল গায়াব কৰিম।

**দিশান্ত দত্ত বৰকটকী :** গাড়ী বনাম, ট্ৰেইন বনাম, খেলা বস্তু বনাম।

**হৰ্ষিত কীৰ্তি হাজৰিকা :** মেজিকেৰে সৰু বস্তুক ডাঙৰ কৰি দিম, উৰি যাম।

**জাগৃতি শইকীয়া :** যাদুকৰ হৈ যাম, তেতিয়া এডাল লাঠী লৈ ঘৰ বনাম, টুপীৰ এটা কুকুৰ ওলাই দিম, উৰি উৰি এটা পাহাৰৰ পৰা আৰু এটা পাহাৰলৈ যাম।

**জাহ্নৱ শইকীয়া :** টুপীৰ পৰা পানী বটল উলিয়াম, মানুহ গায়াব কৰি দিম, টুপীৰ পৰা গিফ্‌ট এটা উলিয়াম, মা-পাপাক দি দিম।

**জিজ্ঞান কলিতা :** মানুহক মই যাদুৰে খেদাই দিম, আৰু মই কি কৰিম? আকাশখন ভাল কৰি দিম।

**কণিষ্কা দাস :** কেপ (টুপী) দি মই ৰুমাল উলিয়াম, যাদুৰে পাহাৰত উৰি দিব, বাদালত (ডাৱৰ) উৰি থাকিম।

**কংকন চৌধুৰী :** গাড়ী উলিয়াম, শহাপহু উলিয়াম, টুপী দি বেলেগ ডাঙৰ গাড়ী উলিয়াম।

**কৃষ্টি ঠাকুৰীয়া :** ৰুমাল এখন আনিম, গৰু এটা আনিম। যাদু যাদু কৰি মাছ আনিম, স্বাহাঃ কৰিলে ৰুমাল এখন ওলাই যায়।

**কৃষ্ণাভী আজাদ শইকীয়া :** মানুহক প্ৰাইজ দিম, খোৰা-বোৰা কৰিম।

**কৃতাঞ্জলী তালুকদাৰ :** চৰাই বনাম, যাদু কৰি মাহঁতক গিফ্‌ট দিম, যাদুই দি ফুল আনি দাদাক দিম।

**মৃগাংগ হাজৰিকা :** মোৰ টুপীৰ পৰা মই শহাপহু উলিয়াম, তাৰ পাছত শহাপহুটো পুহিম, শহাপহুটোৰ কাৰণে এটা ঘৰ ল'ম, নিজৰ কাৰণে টুপীৰ পৰা উলিয়াই এটা ঘৰ ল'ম। তাৰ পাছত চৰাই এটাক নীলা ৰং কৰি দিম।

**মূৰ্ছনা শৰ্মা :** মই যাদুৰে পখিলা বনাম, মানুহক গায়াব কৰি দিম, গোলাপ ফুলক পদুম বনাই দিম, পিংক ফুলক গ্ৰীণ ফুল কৰি দিম।

**নৱনীতা ডেকা :** মানুহক কাপোৰ দিম, ককা-আইতাক ধুনীয়া এটা ঘৰ বনাই দিম যাদুৰে। মা-পাপাক যাদুৰে কাপোৰ ধুই দিম।

**নিবিড় হালৈ :** যাদুৰে গাড়ী বনাম, লেম্বৰগিনি বনাম, বাইক বনাম, থাৰ বনাম।

**প্ৰজ্বলিতা ফুকন ঠাকুৰীয়া :** পখিলা বনাম, যাদুৰে উৰি ফুৰিম, মেজিকৰ পেন্সিল এডাল কিনিম, কাপোৰ এযোৰ আঁকি পিন্ধিম, লিপিষ্টিক এটা উলিয়াই লগাম।

**প্ৰীতম কুমাৰ নাথ :** পাৰ উৰাম, পাহাৰত যাম, যাদুৰে খেলিব যাম তনবিকৰ লগত পাৰ্কত।

**ৰিধিকা তামুলী :** যাদু মই ওপৰত আহিম, মই কৰিছিলোঁ মাৰ লগত। যাদু কাটিব দিছে উৰিব দিছে।

**সম্প্ৰীতি দাস :** মই নিজৰ টুপীটো উলিয়ালোঁ, টুপীৰ পৰা যাদু মাতিম, তাৰ পাছত যাদু কৰি দাদাক পাখি দি দিম আৰু দাদাক উৰাম মেজিক কৰি কিনে পাখি নোহোৱা কৰি দিম, দাদাই মেজিক কৰা বিছনাত পৰি যাব।

**সংস্কৃতা দাস :** যাদু কৰিব যাম, বস্তু এটা নোহোৱা কৰি দিম, ৰুমালখনেৰে ছাগলী বনাই দিম, পুলিছ হৈ যাম।

**ছয়ন আজাদ শইকীয়া :** যাদুৰে গাড়ী এখন বনাই দিম, কৃষ্ণাভী লৈ পুতলা এটা বনাই দিম, তাইলৈ বেগ এটা বনাম, দুৰ্গা পূজাত মাক চেইন এডাল দিম, পাপাক কাপোৰ এযোৰ দিম।

**শিৱাংশু কলিতা :** কোনোবাৰ পইছা নাথাকিলে মই যাদু কৰি পইছা দি দিম। কোনোবাই মাছ ধৰিব নোৱাৰিলে মই যাদু কৰি মাছ আনি মানুহৰ হাতত দি দিম।

**চৈয়দ দিয়ান আমিন :** যাদু দেখাম, টুপীৰ পৰা শহাপহু চৰাই উৰাই দিম, এটা খেলনা চৰাইক আচ্‌লি চৰাই বনাই দিম, এটা সৰু বলক ডাঙৰ বল বনাই দিম।

**তনবিক কলিতা :** ষ্টেজত যাই মই যাই এটা টুপী ল'ম, টুপীটো লৈ মই এটা চৰাই বনাই দিম, চৰাইটো লৈ মই বাচ্ছা বনাই দিম, বাচ্ছাটোক মই কাইট বনাই দিম, চিলাটোক থাৰ বনাই দিম।

**তপস্যা এম. কাশ্যপ :** যাদুৰে পৃথিৱী উৰাই দিম, মানুহ উৰাই দিম।

**তেজ আয়াত হান্নান :** উৰিম, মুখেৰে ফুক মাৰি ৰুমাল উলিয়াই দিম, চৰাই উলিয়াই দিম, সাপক মানুহ বনাই দিম, ফল নথকা গছত ফল আনি দিম।

## সোপান শ্ৰেণী 'গ' শাখা

**উপাস্য কৃষ্ণণ ডেকা :** মই যাদুৰে দুখীয়া মানুহবোৰক ঘৰ বনাই দিম, খোৱা বস্তু দিম, মাক বস্তু-পাতি আনি দিম।

**তুষাৰ কলিতা :** মই যাদুকৰ নহওঁ। মই ক্ৰিকেট খেলাৰ দাদা হ'ম। তেতিয়া বহুত পইচা পাম।

**স্বস্তিকা বৰা :** মেজিক কৰিম। হাতেদি বস্তু দেখাম।

**সুশান্ত কুমাৰ বৈশ্য :** যাদু দেখাম। হাতেৰে গাড়ী বনাই দেখাম।

**অন্তৰীপা কলিতা :** মই যাদু কৰিম। চৰাইটো মই হাতত লৈ থাকিম। এখন কাপোৰ মেৰিয়াই ঢাকি দিম। তাৰ পাছত যাদু কৰি দিম। চৰাইটো নোহোৱা হৈ যাব।

**প্ৰিয়াঞ্চী শৰ্মা :** কিবা যাদু কৰিম। বেলেগ বেলেগ যাদু কৰিম। ঘৰ এটা সজাই দিম।

**অভিৰূপা বৰ্ষা শাণ্ডিল্য :** দুখীয়া মানুহবোৰক ঘৰ দিম, পইচা দিম, নতুন গাড়ী দিম, ভাল ভাল খোৱাবস্তু দিম। কাবাৰ যদি মনটো বেয়া লাগি থাকে তেতিয়া মই মনটো ভাল লগা কৰি দিম।

**প্ৰিয়াংশু গোস্বামী :** মই মাক এখন গাড়ী কিনি দিম আৰু দেউতাক এটা ঘৰ দিম।

**প্ৰশংসা প্ৰাপ্তি মহন্ত :** মইতো বাইদেউ হ'ম যাদু কৰি।

**ধ্যানী শুভ সেনাপতি :** যাদু দেখাম। এটা টুপীত মেকুৰী ওলাব আৰু টুপীটোত বটল এটা দি টুপীটো পিন্ধিলে এখন টেবুল হৈ যাব।

**দৃষ্টি চৌধুৰী :** মই চবকে খানা দিম, ঘৰ দিম, বিছনা দিম, টিফিন দিম, বেগ দিম, ধুনীয়া চাই খেলা বস্তু দিম।

**মৌচম কলিতা :** যাদু দেখুৱাম। পাৰ চৰাই দেখুৱাম। শহাপহু দেখুৱাম।

**মনজ্যোতি বেজবৰুৱা :** মই গায়ব হইকিনে মামাৰ ঘৰলৈ যাম, ককাৰ ঘৰলৈ যাম।

**দিব্যনীল কলিতা :** যাদু কৰিম। টুপীটোত যাদুটো কৰে। এটা মানুহ মাতে আৰু এটা বাকচত মানুহটো ভৰাই নোহোৱা কৰি দিয়ে।

**অয়নজ্যোতি তালুকদাৰ :** মই যাদু কৰিম। মই মানুহ গায়ব কৰা যাদুটো কৰিম। মানুহটো কুকুৰ বনাব পাৰিম।

**মৃগনয়নী দত্ত তামুলী :** যাদুকৰ হ'লে মই নিজৰ বস্তু মোক যিটো লাগে সেয়া উলিয়াই ল'ম যাদু কৰি। মাৰ যেতিয়া জ্বৰ হ'ব মই যাদু কৰি দৰব উলিয়াই দিম।

**বিভান চক্ৰৱৰ্তী :** মানুহক যাদু দেখাম। এটা খেলনাত কাপোৰ এখন ঢাকি দিম আৰু এনেকে দিম (হাতেৰে ভংগিমা দিছে) বস্তুটো গায়ব হৈ যাব।

**দেবাংগী চহৰীয়া :** মই ঘৰখন আৰু স্কুলখন নোহোৱা কৰি দিম। দুনীয়াখনৰ চববোৰ নোহোৱা কৰি দিম। আকৌ পিছত যাদু কৰি উলিয়াই দিম।

**জীয়াঞ্চ কলিতা :** মই এটা বটল হাৱাত উৰে দিম। মানুহ এটাক হাৱাত উৰে দিম।

**হৰ্ষদীপ গোস্বামী :** মই যাদুকৰ হ'লে ভিক্ষাৰীবোৰক ধনী মানুহ বনাই দিম। জীৱ-জন্তুবোৰক ঘৰত থাকিয়েই খাদ্য পোৱা কৰি দিম। কাৰোবাৰ কিবা বস্তু কমি থাকিলে মই সহায় কৰিম।

**মিতাংশু কাশ্যপ :** যাদুকৰ হ'লে মই কিতাপ-বহীবোৰ উৰুৱাই দিম। ল'ৰা-ছোৱালীবোৰে উৰি উৰি পঢ়িব।

**দিপলীনা ৰায় :** মই যাদুকৰ হ'লে সকলোকে নিগনী বনাই দিম। দুখীয়া মানুহৰ কাৰণে খোৱাবস্তু বনাই দিম।

**দীক্ষিতা গোস্বামী :** গোলাপ ফুল এটা যাদু কৰি নাৰ্জী কৰিম। চৰাই এটা কাপোৰ দি কিনে ঢাকি দিলে ধোঁৱা ওলাই যাব।

**চন্দ্ৰপ্ৰভা দত্ত :** যাদুকৰে সোণৰ বৰষুণ দিয়াব পাৰে। বেঁকা-বেঁকিকৈ সোণৰ বৰষুণ দিব পাৰিম। সোণৰ বৰষুণ তলত পৰিব। মানুহে ভৰাই ঘৰলৈ লৈ যাব।

**মুছকান আফ্ৰিন :** যাদু দেখাম। সাপৰ যাদু দেখাম। মানুহ গায়ব কৰা যাদু দেখাম।

**দৰ্শন তালুকদাৰ :** মই এইটো কৰিম যাদু। বস্তু নোহোৱা কৰি দিম। কাপোৰ নোহোৱা কৰি দিম।

**দৰ্শিতা বৰুৱা :** গান গাম, নাচিম। চন্দ্ৰপ্ৰভাৰ লগত খেলিম আৰু ৰং কৰিম।

**বৈভৱ জ্যোতি শৰ্মা :** টুপীৰ পৰা ফুল উলিয়াই দিম। মানুহ গায়ব কৰিম।

**নিশিতা কলিতা :** মই যাদু কৰিম। মই যাদু কৰি মানুহবোৰ নোহোৱা কৰি দিম। আকাশত বৰষুণ কৰি দিম। মই বাৎচাবিলাকক গিফ্‌ট দিম।

**মাধুৰ্য্য ৰাভা :** মই যাদুকৰ হ'লে যাদু-চাদু সব কৰিম। এটা ফুল যাদু হৈ থাকিলে সব কৰিব পাৰি সেই ফুলটোৰে।

**ঈশিতা ৰয় :** মাক যাদু কৰি চেণ্ট দিম। কাণফুলি দিম।

**গীতাৰ্থ শৰ্মা :** মই যাদুকৰ হ'লে সুনীতা উইলিয়ামচ হ'ম। মহাকাশচাৰী। মই তৰা, জোনবাই আৰু পৃথিৱী দেখা পাম।

**অনুশিখা দেৱী :** চৰাই উৰাই দিম। ৰঙাটোক গুলপীয়া বনাই দিম। গোলাপ ফুলটো নাৰ্জী বনাই দিম।

**দৰচিল নাথ :** সহায় কৰিম ফ্ৰেণ্ডক। মা-দেউতাক সহায় কৰিম যাদু কৰি।

**ভিভান ডেকা :** মই সবকে যাদু কৰি সহায় কৰিম। সবকে এদিন এদিনকৈ যাদু দেখাম। টুপীৰ পৰা কিবা উলিয়াম।

**জিষ্ণুৰাজ কাশ্যপ :** যাদুকৰ হ'লে যাদু কৰিম।

**বৰ্ষা নাথ :** মই যাদু কৰি এটা টুপীৰ পৰা চৰাই উলিয়াম।

**জ্ঞানদীপ গোস্বামী :** যাদু কৰি ফুল বনাম। কাপোৰ কৰিম আৰু নাজানো।

**বহ্নিমান কাশ্যপ :** মই যাদুকৰ হ'লে মানুহ গায়ব কৰিম। ৰুমালটো গায়ব কৰি আৰু আনি দিম।

### সোপান শ্ৰেণী 'ঘ' শাখা

**দেবাংগী শৰ্মা :** মই যাদুকৰ হ'লে যাদু দেখালোঁ হয়। মই এটা ফুল বেলেগ কৰি দিয়া দেখালোঁ হয়। এটা বক্সত এটা কালাৰ পেন্সিল ৰাখি পেলাই সেইটো বক্সৰ পৰা নোহোৱা কৰি দিলোঁ হয়। এটা পাৰ এটা টুপীত সোমাই পেলাই চকলেট বনাই দিলোঁ হয়।

**সৃজন সংবিত কোঁৱৰ :** যাদু কৰি মই গায়াব হৈ যাম। কোনেও বিচাৰি নাপাব। গায়াব হ'লে চবে বিচাৰিব। মই বাকচৰ ভিতৰত সোমাই গৈ আকৌ ওলাই যাম। মানুহ হৈ যাম। মেজিকেল হেটৰ পৰা ৰেবিট উলিয়াই দিম। কিতাপ, বক্স ওলাব চব ওলাই ওলাই গৈ থাকিব।

**আনভী কলিতা :** যাদু কৰি ঘূৰি ফুৰিলোঁ হয়। অ'ত-ত'ত গ'লোঁ হয়। যাদুৰে কিবা বনালোঁ হয়। যেনেকে ঘৰ গছ বনালোঁ হয়। যাদু কৰি আকাশত ফুৰিলোঁ হয়।

**বৰ্ণিল আদি বৰ্মন :** তাৰে কিবাকিবি গিফ্‌ট দিম মেজিক কৰি বেবীবিলাকক। বটল এটাত পানী লৈ মেজিক কৰি পানীখিনি গায়াব কৰি দিম।

**দেবাংগ দাস :** যাদু কৰি কাবাক পখিলা বনাই দিলোঁ হয়, কাবাক নিগনি বনাই দিলোঁ হয়। যাদু কৰি ধান বনাই দিলোঁ হয়। কাবাক কাবাক বেলেগ জাগাত পঠাই দিলোঁ হয়।

**মেঘনা বেজবৰুৱা :** মই এটা কলম লৈ কেনে সেই কলমটো গায়াব কৰি দিম। এখন গামোচা লৈ নমামী যে মোৰ বা হয় নমামীৰ মুখখন ঢাকি কিনে নমামীৰ মুখখন নোহোৱা কৰি দিম। তাৰে পাছত বুঢ়া আঙুলিটো মাক লগাই দিম, মা নোহোৱা হৈ যাব।

**তেজছ দাস :** মই হ'লে পেন্সিলডাল যাদু কৰিব পাৰিম। ৰবৰডাল যাদু কৰিব পাৰিম। মোৰ দাদাই বহুত যাদু কৰিব পাৰে। বেলেগতো যাব পাৰি যাদু কৰি। আমাৰ দাদাই যাদু কৰি গায়াব হৈ যায়।

**হাৰ্দিক কাশ্যপ :** যাদু কৰি জন্তুবোৰক ওচৰত আনিলোঁ হয়। ওচৰত আনি গায়াব কৰি দিম। যাদু কৰি চকলেট এটা আনিলোঁ হয়। যাদু কৰি চৰাই আনিলোঁ হয়। যাদু কৰি গাঁৱৰ পৰা মানুহ এটা লৈ আনিলোঁ হয়।

**প্ৰিয়াঞ্চি মেধি :** যাদুকৰ হ'লে কিবাকিবি গায়াব কৰিব পাৰিম। মানুহ হ'লে গায়াব কৰিব পাৰি। ডাঙৰ কাণফুলি গায়াব কৰিব পাৰি।

**গুণগুণ কলিতা :** মেজিক কৰি দিলোঁ হয়। এটা চৰাই আহিল দুটা কৰি দিলোঁ হয়। এটা ল'ৰা দুটা কৰি দিলোঁ হয়।

**দিচান বড়া :** মই যে শিলগুটিবোৰ নোহোৱা কৰিছিলোঁ কালি। খেলাবস্তুক যাদু কৰি দিছিলোঁ। কি জানা কালি যে মই মাক কৈছোঁ ডাঙৰ মানুহ আৰু খেলাবস্তুবোৰ নাইকিয়া কৰি দিছিলোঁ।

**গৌৰৱ দাস :** যাদু টুপীটোৰ পৰা পানী বটল এটা ওলালোঁ হয়। পানী বটলটো দুখীয়া মানুহক দিলোঁ হয়।

**দেবশ্ৰুতি কলিতা :** মই যাদু কৰিব পাৰোঁ। বুঢ়া আঙুলিটো খাই পেলালোঁ এতিয়া এইটো এইফালে ওলাই গ'ল। মই এটা মানুহক বক্সত ভৰালোঁ হয়। এখন ভৰি এটা বক্সত আছে। এটাত গাটো আছে তাৰ পাছত যাদু কৰি এটা বক্সত ওলাই যাব।

**দেবাৰুণী বৰা :** তেতিয়া মই যাদু কৰিব পাৰিম। কালাৰটো চেঞ্জ কৰিলোঁ হয় চৰাই পাখিৰ। আৰু টুপীৰ পৰা চৰাই উলিয়াই দিলোঁ হয়।

**কুলদ্বীপ মুদিয়াৰ :** যাদু কৰি বেগটো নোহোৰা কৰি দিম। মানুহটো নোহোৰা কৰি দিম। কাবাৰ বক্সটো ওপৰলৈ উঠাই দিম।

**গব্যা ৰাজবংশী :** আঙুলি লগ লগাব লাগিব তেতিয়া মেজিক হ'ব (আঙুলিৰে দেখুৱাই)। এনেকে কৰিলে মেজিক হ'ব। দোকানৰ পৰা কিউট চাই ৰেবিট কিনিম আৰু টুপীখনত ভৰাই উলিয়াই দিম। আগৰ পৰাই ঘৰত চব কৰিব লাগিব। টুপীৰ পৰা বস্তু উলিয়াই থাকিম যাদুকৰৰ নিচিনা।

**জ্যোতিষ্মান গোস্বামী :** যাদু কৰি ঘৰ বনালোঁ হয়। তাত থাকিলোঁ হয়। যাদু কৰি গাড়ী ল'লোঁ হয়। ঘৰ সজাই আলহীক যাদু কৰি ভালকে ভাত দিলোঁ হয়।

**হৰ্ষিতা কলিতা :** যাদু কৰি চোলাটোৰ ৰং বেলেগ কৰি দিলোঁ হয়।

**দিভিয়া পাটোৱাৰী :** যাদু মন্ত্ৰ কৰি পেলাই গায়াব হৈ গ'লোঁ হয়। গায়াব হৈ কাবাক কাবাক ভয় খুৱাম। কেতিয়াবা কেতিয়াবা যাদু কৰি চৰায়ো হৈ যাম।

**মৃন্ময় নাথ :** যাদু কৰি বস্তু গায়াব কৰি আনি দিলোঁ হয়। মানুহ গায়াব কৰি আকৌ আনি দিলোঁ হয়।

**প্ৰাণভি কলিতা :** মোক যদি কেতিয়াবা বস্তু লগা হয় তেতিয়া যাদু কৰি আনি ল'লোঁ হয়। আৰু কেতিয়াবা যদি কালাৰ পৰি যায় তেতিয়া উঠি নাযালেও হ'ব যাদু কৰি উঠাই ল'ব পাৰিম।

**ভীওম তালুকদাৰ :** মই যাদু কৰি মানুহ গায়াব কৰি দিম। মই যাদু কৰি উৰি থাকিলোঁ হয়। মোৰ দৌস্তৰ যদি পাৱাৰ গুচি যায় যাদু কৰি পাৱাৰ দি দিম।

**ময়ূখী মেধি :** যাদু কৰি বিল্ডিং বনালোঁ হয়। যাদু কৰি পাহাৰ বনাম, আকাশত ঘৰ বনাম। চিৰি বনাই হাউছৰ ভিতৰত খেলি থাকিম।

**প্ৰত্যুষা ৰাণী বৈশ্য :** এই যে পানীত হালধি দি যাদু কৰে সেই যাদু কৰিলোঁ হয়।

**ৰিয়ান দাস :** যাদুৰে দুখন হাত লগ লগাই দিম আৰু মাজেৰে আঙুলি ওলাই যাব। যাদু কৰি চকলেট নোহোৰা কৰি দিম। যদি ৰাতি হয় যাদুৰে দিন কৰি দিম।

**মৌপিয়া মূৰ্চ্ছনা :** মই মাক ক'লোঁ যে এটা মেজিক দেখাম। এটা বস্তু ল'লোঁ চেপেটা, তাৰ পাছত দুটা আঙুলি ল'লোঁ। বাঁওহাতৰ নহ'লে সোঁ হাতৰ। আঙুলি দুটা পিছফালে দি চাব নিদিলোঁ হয় আৰু মেজিক কৰিলোঁ হয়। তাৰ পাছত মই সবকে শিকাই দিলোঁ হয়।

**নমামী বৰুৱা :** এটা বিছনা আছিল। তাতে এজন মানুহ শুই আছিল। তেতিয়া চাদৰ এখনেৰে ঢাকি দিওঁতে মানুহজন নোহোৰা হৈ যাব। এটা কাঠ পেঞ্চিল আছিল। কাঠ পেঞ্চিলডাল ঢাকি দি নোহোৰা কৰি দিছিল।

**প্ৰীতিস্মিতা দাস :** ভূতৰ যাদু কৰিলোঁ হয়। বক্সেৰে কালাৰ যাদু কৰিলোঁ হয়। যাদু কৰি বেগত বস্তু ভৰাই থ'লোঁ হয়। পইচা, চকলেট, সৰু সৰু কলম, কাপোৰ যাদু কৰি বেগত ভৰাই ল'লোঁ হয়।

**আয়ান ছেত্ৰী :** মেজিক কৰিম। পেন্সিলটো গায়াব কৰি দিম। আৰু কালাৰ গায়াব কৰি দিম।

**নীলপৱন মজুমদাৰ :** মই এডাল পেন্সিল লৈ দুডাল পেন্সিল কৰি দিম। মোৰ এটা মা আছে নহয় দুটা মা কৰি দিম।

**প্ৰতীক্ষা দাস :** যাদুৰে উৰিব পাৰিলোঁ হয়। আকাশৰ ওপৰত উৰি গ'লোঁ হয়।

**ৰিহান মজুমদাৰ :** যাদুকৰৰ এটা টুপী থাকে। তাৰ পৰা যাদু কৰি দিম। টুপীৰ পৰা মানুহ ওলাই যাব।

**বহ্নিশিখা চৌধুৰী :** এখন পাৰ্কত গ'লোঁ হয়। তাতে ল'ৰা-ছোৱালীবোৰক খেলি থকা দেখিলোঁ হয়। তাতে খেলা বস্তু যাদু কৰি বনাই দিলোঁ হয়।

**টানিয়া কাশ্যপ :** মই যাদু কৰিব জানিলে ঘৰৰ বস্তুবোৰ গায়াব কৰি দিম। খেলা বস্তুবোৰ গায়াব

কৰি দিম। খেলাবস্তুবোৰ গায়াব হ'লে বেলেগ বস্তুৰে খেলিম।

**তনভী বড়ো :** চৰাই এটা টুপীৰ পৰা ওলায়। কাপোৰ এখন ঢাকি কিনে মেকুৰী বনাম। হাতৰ পৰা ৰুমাল এখন ওলাই দি তাৰ পাছত আকৌ গায়ব কৰি দিম।

**ৰিয়াংক মজুমদাৰ :** ঢেৰ যাদু কৰিম। যাদু আহিলে ফুল বনাম।

**মনদীপ মহন্ত :** ঘৰ বনাই দিম। পইচা বনাই দিম যাদু কৰি। তাৰ পাছতে মানুহ বনাই দিম।

**মৃদুপৱন নাথ :** যাদু... যে... যাদু... ক... কৰিম।

**সোপান শ্ৰেণী 'ঙ' শাখা**

**ভিয়ান শৰ্মা :** যাদুকৰ হ'লে যাদু কৰি কিবা বস্তু গায়েব কৰি দিম। মোৰ বটলটো গায়েব কৰি দিম আকৌ যাদু কৰি উলিয়াই দিম।

**ত্ৰিনাভ পৰাশৰ :** যাদুকৰ হ'লে মানুহক মই যাদু শিকাম। পানীত চামুচ দিলে ডাঙৰ হৈ যায়।

**স্বদীপ্ত শইকীয়া :** শ্ব' (show) এটা পাতিম। বাৎচাই দেখিব। পেৰেন্‌চে দেখিব আহিব। তাৰ পাছত পইচা কামাম। তাৰ পাছত ঘৰত থৈ শুই থাকিম।

**চানভী ৰয় :** যাদুকৰ হ'লে এটা বাকচ ল'ম. লৈ পেলাই চুৰ্নী ল'ম। জ্বলাই দিম। আপেলৰ পৰা কল উলিয়াই দিম। বাঃ বাঃ দিব।

**তনয়া কলিতা :** মোৰ এটা বক্স আছে। বক্সত এটা পেঞ্চিল আছে। পেঞ্চিলটো যাদু কৰি ৰবৰ কৰি দিম। আকৌ ৰবৰটো চাপনাৰ কৰি দিম। বক্সটো নোহোৱা কৰি দিম।

**প্ৰিয়াংক্ষী ৰাহাং :** মই একো নাজানো।

**প্ৰকৃতি ডেকা :** ফুল এটা আছে। ফুলটো চুই দিম সব কাম হৈ যায়। বজাৰত কিনিবই নালাগে। ফুলটো এনেকৈ (হাতেৰে দেখুৱাই) পানী দিলে সব বস্তু আহি যায়।

**প্ৰহান চৌধুৰী :** সব বস্তু যাদু কৰি দেখাম। চৰাইটো কেকৰ পৰাই উলিয়াম। বেলেগ মানুহক বক্সত ভৰাই কাটি দিম, কাটা নাযায়।

**প্ৰজ্ঞা প্ৰয়াসী নাথ :** যাদুকৰ হ'লে মেজিক দেখাম। আবৰা কা দাবৰা দেখাম। আপেলটো যাদু কৰি অ'ৰেঞ্জ বনাম। আবৰা কা দাবাৰা কৈ সেইটো আপেল হৈ যাব।

**মৃত্তিকা শৰ্মা :** মই টুপীৰ পৰা এটা বগা চৰাই উলিয়াম। লাঠীডাল ঘূৰাই ঘূৰাই ভণ্টিক ডাঙৰ কৰি দিম। তেতিয়া মোৰ লগত খেলি থাকিব। ছবি আঁকিম দুয়ো।

**মৃদুপৱন দাস :** যাদু কৰি পাপাক সাধু ক'ব দিম। কৈয়ে থাকিব কৈয়ে থাকিব, মই টোপনি যাম তেতিয়া।

**মনস্বিন শৰ্মা :** যদি বস্তু বেয়া হৈ যায় না... সব ঠিক কৰি দিম যাদু কৰি। চকী বেয়া হ'লে যাদু কৰি ভাল কৰি দিম। বটল ফাটি গ'লে যাদু কৰি ভাল কৰি দিম।

**লিয়ানা কাশ্যপ :** মই মানুহক যাদু দেখাম। মই কাঠপেঞ্চিলডাল এনেকৈ (হাতেৰে দেখুৱাই) ঘূৰাই ঘূৰাই দিম আৰু যাদু দেখুৱাম।

**লক্ষিতা ৰাজমেধি :** মই না যাদু কৰি ৰেবিট উলিয়াম। বটল উলিয়াম। মানুহ নোহোৱা হৈ যাব, ফুল ওলাই যাব।

**কৃষ্টি কলিতা :** মানুহবিলাক যাদু কৰি দিম। টুপীটোৰ পৰা চৰাই উৰাই দিম। মই বাইদেউ হ'ম, যাদুকৰ নহওঁ। ডাক্তৰ হ'ম, মানুহবিলাক চাম।

**কৃশিৰ ৰঞ্জন দাস :** মানুহক বহুত যাদু কৰি দিম। ধৰা হ'ল—কাপত ভৰ্তি পানী আছে, তাক শুকাই নোহোৱা কৰি দিম। মানে নোহোৱা হৈ যাব যাদুৰে।

**কাব্যশিখা বৰদলৈ :** মেজিক দেখাম। চাইকেল চলাই যাম। ৰছীৰ ওপৰত খোজ কাঢ়িম। ভণ্টিকো মাতিম।

**কাব্যনীল নাথ :** যাদুকৰ হ'লে হাতেদি ফেন চলাম। যাদু কৰি হাতেদি কিতাপ উঠাম। ইমান ডাঙৰ কিতাপ যাদু কৰি সৰু কৰি দিম।

**জ্যোতিষ্মান কাশ্যপ :** মই ন যাদুকৰ হ'লে পু...ৰা... পৃথিৱীখনেই যাদু দেখাম।

**জীয়াঞ্চী বেজবৰুৱা :** যাদুকৰ হ'লে মই আঙুলিটো ভাঙি দেখাম আৰু মই যাদুকৰ হ'লে দুয়োখন হাত লগ লগাই এখন কৰি দিম। এনেকৈ আঙুলি (দেখুৱাই) নাইকিয়া কৰি দিম।

**জয়ত্রী কল্যাণ দাস :** যাদু কৰিম। যাদু কৰি নোহোৱা কৰি দিম পেঞ্চিল। আৰু বক্সটোও নোহোৱা কৰি দিম আৰু মায়ে বক্সটো ক'ত বুলি ক'লে আনি দিম।

**হৃদান অপূৰ্ব শৰ্মা :** মই পেঞ্চিল লৈ পেঞ্চিলটো নোহোৱা কৰি দিম। এটা বটলত এটা চৰাই সোমাই দিম, তাৰ পাছত বহুতটা চৰাই উৰাই দিম।

**গ্রীনিশ দাস :** মই ঘৰ আনিম যাদু কৰি। কাৰোবাক পানী বটল লাগিলে আনি দিম। কোনোবাক বাৎচা লাগিলে আনি দিম যাদু কৰি।

**দিব্যাংশ বেজবৰুৱা :** মই মাক গায়ব কৰি দিম।

**ধৃশান্ত কাশ্যপ :** শহাপহু যে আনে টুপীৰে ময়ো কৰিম। পেট যে কাটে ময়ো তেনেকৈ কাটিম।

**দেবাংশু বৰা :** নিজৰ মতে যাদু দেখাব পাৰিম। পেন্সিল যাদু কৰি ঘৰ পাই যাম।

**বিভান দাস :** সহায় কৰিম। কাম কৰিম।

**ডিভান বৰ্মন :** মই যাৰ যাৰ কিবাকিবি চোৰ কৰি নিয়ে মই যাদু কৰি উলিয়াই দি দিম। এনেকৈ মই সকলোকে মদৎ কৰি দিম।

**বৰ্ণময়ী বৰা :** যাদু বটল উলিয়াই দিম। যাদু কৰি খেল উলিয়াই দিম।

**আয়ান হক :** গান গাম। গাই গাই যাদু কৰি দিম।

**অৰ্ণৱ মজুমদাৰ :** যাদু কৰি দিম। ফুল এটা ল'ম, লৈ এনেকৈ দিলে (হাতেৰে দেখুৱাই) বেলেগ বেলেগ ফুল হৈ যাব। মই জানোতো যাদু কৰিব।

**আৰহান আলী :** যাদু কৰিম। হাতৰ পৰা টুপী লৈ তাৰ পৰা এটা আপেল উলিয়াম। আপেলটো দুফাল কৰিম, আকৌ লগলগাই দিম।

**অভিনৱ ডেকা :** মই মানুহ এটা গায়ব কৰি দিম। মেকুৰী এটা গায়ব কৰি দিম পাহাৰত পঠাই দিম যাদু কৰি।

**অভিষ্কা ভূঞা :** ওচৰত থকা মানুহ এটা দূৰলৈ যাব দিম। যাদু কৰি নোহোৱা কৰি দিম। মানুহক যাদু কৰি চৰাইৰ নিচিনা পাখি লগাই উৰাই দিম।

**আয়ান আখতাৰ :** যাদু কৰিম। উৰিব পাৰিম, গাব হ'ব পৰিম। মানুহক নিজৰ ইচ্ছামতে বনাব পাৰিম।

**বৰ্ণিল গোস্বামী :** পেন্সিলডাল ভাঙা বুদ্ধি কৰি হাতখন কিবা পাইক্কে দিম তেতিয়া ভাঙা বুলি ভাবিব। যাদু কৰি মানুহ নোহোৱা কৰিম।

**ভানবি কাশ্যপ :** কিবাকিবি কৰিম। সৰুৱে সদায় দেৰী কৰে। পাপাই সদায় জলদি আহি যায়। মই যাদু কৰি খুড়ীক নোজোকোৱা কৰি দিম।

**প্ৰাঞ্জু হাজৰিকা :** যাদুকৰ হ'লে মই কিবা বনাব পাৰিম। মই বেলেগক ডগী বনাব পাৰোঁ। তাৰ পাছত মই পানী আনিব পাৰোঁ যাদু কৰি। যাদুকৰ হ'লে মই উৰি থাকিব পাৰিম।

**অনিশদীপ শৰ্মা :** মই যাদু শিকাম সকলোকে তোমাৰ দৰে—চামুচ দি যে ডাঙৰ হৈছিল। সৰু আলু দিওঁতে যে পানীত ডাঙৰ হৈছিল... এইবিলাক দেখাম সকলোকে।

**শুভ্ৰাংশু কাশ্যপ বেজবৰুৱা :** যাদু দি এনেকৈ (হাতেৰে দেখুৱাই) গাড়ী দেখাম, জেচিপি দেখাম যাদু কৰি। যাদু কৰি দিম এইমাত্ৰ এৰোপ্লেনই গুচি যাম পত্‌কে আহি বেঞ্চত বহি যাম। ❖

[ প্ৰাক-বিদ্যালয়ৰ শিশুসকলক সোধা প্ৰশ্নসমূহৰ উত্তৰ অসম্পাদিত ৰূপত তেওঁলোকে কোৱা ধৰণে প্ৰকাশ কৰা হ'ল। ]

# সৰু সৰু ঘৰচিৰিকা

## নৈসৰ্গ গোস্বামী

প্ৰথম শ্ৰেণী



সৰু সৰু ঘৰচিৰিকা
আমাৰ ঘৰলৈ আহিবা।
ভোক লাগিলে আমাৰ ঘৰৰ
চাউল খাই পেট পূৰাবা।

আমাৰ বেলকনিলৈ আহিবা
মোৰ লগত খেলিবা
মই স্কুললৈ যোৱা সময়খিনিত
উৰা মাৰি গৈ
তোমাৰ বাহত থাকিবা। ❖

# মোৰ মাৰ মৰম

## কাব্যশ্ৰী বৰুৱা

দ্বিতীয় শ্ৰেণী

মোৰ মাৰ মৰম কোমল আৰু মিঠা
তেওঁ মোক শিকায় বহু ভাল কথা।
তেওঁ মোক ৰাখে সাবটি মৰমেৰে
হাঁহিমুখে চিৰদিনে।

খাওঁতে, শোওঁতে, খেলোঁতে
প্ৰতিদিনে আৰু বেছি দিয়ে মৰম
তেওঁৰ মৰম নিৰ্মল আৰু সঁচা
মা, ময়ো ভাল পাওঁ তোমাক
সঁচাকৈ জানা। ❖

# মোৰ গাঁওখনি

## হৰ্ষিত কাশ্যপ

দ্বিতীয় শ্ৰেণী

মোৰ গাঁওখনিলৈ বৰকৈ
মনত পৰে অ' মা।
আইতা, ককা আৰু
কণমানি ভণ্টিজনীৰ
মৰমবোৰৰ কথা বৰকৈ মনত পৰে।
ভণ্টিৰ লগত মাটিৰে
ঘৰ সজা, পিঠা সজা
কিমান যে খেলিছিলোঁ।
গৰমৰ বন্ধত যেতিয়াই
আমি ঘৰলৈ যাওঁ।
আইতাই বাৰীৰ গছৰ
পকা আম, কঁঠাল কিমান যে
পাৰি আনে আৰু আমি খাওঁ।
কেঁচা আম, জলকীয়া, নিমখেৰে
কাটি কলপাতত খাওঁ।
সঁচাকৈ মোৰ গাঁওখনিলৈ
বৰকৈ মনত পৰে অ' মা। ❖



# ঋতুৰ ফুল

## কুঁহি কলিতা

দ্বিতীয় শ্ৰেণী

ভিন ভিন সময়ত
ভিন ভিন ফুল।
বসন্তত ফুলে ফুল
কপৌ, নাহৰ, তগৰ
নাচনীয়ে খোপাত গুঁজি
নাচে ব'হাগত।
আৰু ফুলে সোণাৰু, এজাৰ
হাবি-বন ৰঙেৰে ভৰে
ফুলৰ নাচোনত।
শৰতত শেৱালি,
হেমন্তত সৰিয়হ
শীতত থাকে বেলি। ❖

# জোনাকী পৰুৱা

## য়ি ছেঙ আইদেউ

দ্বিতীয় শ্ৰেণী

জিলমিল জোনাকী পৰুৱাবোৰে
ৰাতি ৰাতি নাচে,
আকাশৰ তৰাৰ দৰে
হাবিত জিলিকি উঠে।
হাবিৰ মাজত নাচি-বাগি
লুকা-ভাকু খেলে,
কেতিয়াবা আকৌ নোলালে
মন বেয়া লাগে। ❖

# আমাৰ পৃথিৱী

## দিব্যাংক তপন কাকতি

দ্বিতীয় শ্ৰেণী



আমি অকণি
আমাৰ পৃথিৱীখন শুৱনি
গছ-গছনি, সেউজীয়া বননি
এইখন আমাৰ ধুনীয়া ধৰণী
ইয়াতে আমি থাকোঁ খেলি
সকলোৱে মিলি-জুলি। ❖

# বাখৰ

## বৰ্ণিল বৰ্ষ

চতুৰ্থ শ্ৰেণী

মোৰ বিদ্যালয়খন
যিমান শুৱনি
তেনেদৰে শুৱনি
মোৰ বিদ্যালয়ৰ আলোচনী
'বাখৰ'খনি
গুৰুৰ পৰা শিষ্যলৈ
বাখৰৰ দৰে জিলিকি থকা
লিখনিবোৰ পঢ়ি
ৰঙেৰে মন পৰে ভৰি।
য'ত প্ৰকাশ পাইছিল
মোৰ প্ৰথম লিখনি।
'বাখৰ' তোমাৰ পাততেই
আগলৈ লিখি যাবলৈ
যিয়ে মোক দিলে উদগনি
সৃষ্টিশীলতাৰ পোখা মেলা ফুলনি
দিবা দেই আশীৰ্বাদ
সু-সাহিত্যিক হৈ
ভৱিষ্যতে অসমী আইক
পাবোঁ যেন পূজিবলৈ। ❖



# অজাবি শিখা

## দৰ্শ কিংকৰ কলিতা

ষষ্ঠ শ্ৰেণী

অজাবি শিখা
উজলি উঠিব
আমাৰ সৰল হৃদয়ত।
অজাবি শিখা
জীপাল হৈ উঠিব
আমাৰ কণ কণ শিশুৰ মনত।
অজাবি শিখা
জিলিকি ৰ'ব
বিশ্বৰ দৰবাৰত
অজাবি শিখা
প্ৰাণ পাই উঠিব
আমি অজাবিয়ানৰ লগত। ❖

# বৰষুণ

## শ্ৰীজা দত্ত

দ্বিতীয় শ্ৰেণী

টুপ টুপ টুপকৈ বৰষুণ পৰে
আকাশৰ পানীবোৰ তললৈ সৰে
বৰষুণ দিলে মই বৰ ভাল পাওঁ
কাগজৰ নাওবোৰ উটুৱাব যাওঁ
পিছে বৰষুণ দিলে যে বানপানী হয়
বিদ্যালয়লৈ যাবলৈ বৰ কষ্ট হয়। ❖

# আমাৰ ভাইটি

**পন্‌ৰী ৰাণা ভূঞা**
দ্বিতীয় শ্ৰেণী

মোৰ এটা ভাইটি আছে
শুভ তাৰ নাম,
দিনত হ'লে শুই থাকে
ৰাতি কন্দাই তাৰ কাম।
এতিয়া অলপ ডাঙৰ হ'ল
মোৰ লগত খেলে
মই স্কুললৈ গ'লে
দিনত শুই থাকে।
মই স্কুলৰ পৰা আহিলে
সি শোৱাৰ পৰা বহে উঠি,
ভাত-পানী খাই উঠি
সি মোৰ লগত থাকে খেলি।❖



# অ' আকাশ অ' আকাশ

**ৰোহিত শৰ্মা**
তৃতীয় শ্ৰেণী

আকাশলৈ চাই এদিন সুধিলোঁ
অ' আকাশ, অ' আকাশ
কিয় তুমি ইমান ধুনীয়া?
এই বিশাল পৃথিৱীখন যেন
তুমিয়েই আগুৰা
অ' আকাশ, অ' আকাশ
কিয় তুমি ইমান ধুনীয়া?
তুমি যেন এখনি নীলা চাদৰেৰে আৱৰা
অ' আকাশ, অ' আকাশ
এই নীলা চাদৰখনেৰে শান্তি বিলাই দিয়া
সেই শান্তিত যেন হৈ যাম বিলীন সদায়
অ' আকাশ, অ' আকাশ
কিয় তুমি ইমান ধুনীয়া?
এই বিশাল পৃথিৱীখন যেন
তুমিয়েই আগুৰা। ❖

# ফুল

**চিন্ময় বৈশ্য**
দ্বিতীয় শ্ৰেণী



ফুল ফুল ফুল
নানাৰঙী ফুল
ফুলবোৰ দেখি
মই যাওঁ ভোল।
ফুলি থাকে ফুলনিত
নানাৰঙী ফুল
তগৰ, নাৰ্জী, জবা
গোলাপ, বকুল।
ফুল ফুল ফুল
নানাৰঙী ফুল
ফুলবোৰ মিলি চৌদিশ
গোন্ধেৰে আমোলমোল। ❖

# এজাক চৰাই

**জৈতিক হাজোৰাৰী**
দ্বিতীয় শ্ৰেণী

এজাক চৰাই
দেখিছানে তুমি
নীল আকাশত উৰে একেলগে
সন্ধিয়া হ'লে ঘৰলৈ ওভতে।
দুপৰীয়াৰ লগে লগে
আমাৰ চোতালতে পৰে,
চিৰিক চিৰিককৈ
কি যে ৰং-ধেমালি কৰে।
চৰিয়াত পানী দেখিলেই,
পাখি মেলি গা ধুবলৈ ধৰে। ❖

## ব’হাগ

**ময়ূৰীকা মজুমদাৰ**
দ্বিতীয় শ্ৰেণী

ব’হাগ আহিলে
কুলি-কেতেকীয়ে বিনালে
ঢোল-পেঁপা-গগনাৰ মাতে
ৰঙালীক আদৰিলে।
গৰুক গা ধুৱালোঁ
বিহুৱান ল’লোঁ,
ককা-আইতা, মা-দেউতাক
সেৱা জনালোঁ।
দুহাতত জেতুকা ল’লোঁ,
গামখাৰু পিন্ধিলোঁ।
খোপাত কপৌফুল
মুগাৰ সাজ পিন্ধি
সৰে মিলি বিহুনাম গালোঁ,
এইদৰে লগে-ভাগে
হেঁপাহৰ ৰঙালী বিহুক আদৰিলোঁ। ❖



## দেউতা

**ধৃতিক বৈশ্য**
তৃতীয় শ্ৰেণী

দেউতা অ’ দেউতা
তুমি মোৰ মৰমৰ দেউতা
ৰাতিপুৱাই ওলাই গৈ
ৰাতি ঘৰ সোমোৱা,
কিমান যে কষ্ট কৰা
অ’ দেউতা।
মই পঢ়ি থকা দেখিলে
কিমান যে তুমি আনন্দ পোৱা,
ভালদৰে পঢ়ি-শুনি
তোমাৰ নাম ৰাখি
যাম মই আগ বাঢ়ি
দেউতা অ’ মোৰ মৰমৰ দেউতা। ❖

## ৰেল অ’ ৰেল

**প্ৰতীম চৌধুৰী**
দ্বিতীয় শ্ৰেণী



ঝক্ ঝক্কৈ
ৰেলগাড়ী চলি যায়
তাৰ পৰা কত কি যে
চৰাই দেখা পায়।

লগতে দেখি নদী, পাহাৰ আৰু
পথাৰ
চিনাকি-অচিনাকি মানুহৰ সমাহাৰ
সকলোৰে মিলি-জুলি একেলগে যায়
যেন সকলো ভাই ভাই। ❖

## ফুলনি

**দৃষ্টি শিখা শৰ্মা**
তৃতীয় শ্ৰেণী

ৰাতিপুৱা শুই উঠি
বাগিচালৈ যাওঁ
নানা ৰঙৰ ফুল তুলি
কৰণিত ভৰাওঁ।
ঘৰলৈ আহি পিছে
হাত-মুখ ধুই
একেকোবে পাওঁ মই
পঢ়া টেবুল।
মায়ে ৰন্ধা ভাতমুঠি
পেটত ভৰাই
দৌৰ মাৰোঁ স্কুললৈ বুলি
নহ’লে যে উপায় নাই। ❖

# মোৰ ভাইটি

## ৰূপজ্যোতি বৰ্মন

তৃতীয় শ্ৰেণী



মোৰ এটা ভাইটি আছে
নাম তাৰ ৰাহুল,
পঢ়িবলৈ ক'লে
কৰে হুলস্থূল।
খেলিবলৈ পালে সি
বৰ ভাল পায়,
বিদ্যালয়লৈ নিবলৈ উলিয়ালে
হয় নিৰুপায়।
বিছনাৰ পৰা উঠি
থাকে সি খেলি,
মোৰ লগত সদায় সি
কৰে ৰং-ধেমালি।
মোৰ ভাইটি মোৰ বৰ মৰমৰ
ককা-আইতা, মা-দেউতা
সকলোৰে বৰ আদৰৰ। ❖

# কল

## নিলঞ্জনা ৰাজবংশী

তৃতীয় শ্ৰেণী

মোৰ নাম কল, আছে পৰম বল
মোক খালে পায় হাতীৰ সমান বল
ঘৰৰ পিছত, বাৰীৰ চুকত আৰু পদূলিমুখত
ৰৈ থাকি ঘৰখনি কৰোঁ শুৱনি।
সান্দহ, চিৰা, বৰা চাউল আৰু পিঠাগুড়ি
মোৰ লগত মিলি হয় মধুৰ জলপান
সোৱাদ পায় মানুহে এইবোৰ ভোজন কৰি।
কলপাত, কলপটুৱা মোৰ দেহৰে অংগ
গোটাই লৈ মানুহে কৰে পূজা আৰু নাম-প্ৰসংগ। ❖



# পখিলা

## দেলিচা কলিতা

তৃতীয় শ্ৰেণী

পখিলী নামৰ পখিলাজনী
ঘূৰি ফুৰে দিনে-ৰাতি,
জগতখন ধুনীয়া কৰি তোলে
নানা ৰঙেৰে ভৰা তাইৰ ফুটুকীয়া দেহাৰে।
সকলোৰে মন-প্ৰাণ কাঢ়ি নিয়ে
তাইক চুবলৈ মোৰ বৰ মন যায়,
ধৰিবলৈ গ'লেহে পখিলাজনীক
দূৰলৈ উৰা মাৰি যায়।
নানা ৰঙৰ ফুলত পৰি উৰি উৰি যায়
কণ কণ মইনাহঁতে হাঁহি হাঁহি চায়। ❖

# বাখৰ

## শৌভিক শৰ্মা

অষ্টম শ্ৰেণী

বাখৰ !
তোমাৰ প্ৰতিটো শব্দত
নিতে সৃষ্টি কৰিছা
নৱ নৱ চিন্তাৰ গতিশীল ধাৰা।
কত পটুৱৈৰ হৃদয় জুৰি
বিৰাজি আছা তুমি
বিলাই জ্ঞানৰ সঁফুৰা।
তোমাৰ পৃষ্ঠা লুটিয়ালে পাওঁ
শত মেধাৰ প্ৰজ্ঞাৰ পৰিচয়,
তোমাৰ বুকুৰ পৰা ঝৰি-ঝৰি
জ্ঞানৰ নিজৰা আহক নিগৰি। ❖

# ভাইটিৰ সপোন

**ধ্ৰুৱাৰ্ক শৰ্মা**
তৃতীয় শ্ৰেণী

অ' মা অ' মা বেগাই আহাচোন
টিভিৰ ৰিম'টটো পোৱা নাইচোন
ৰবিবাৰ হ'লে মা
বৰ ভাল লাগে,
ৰাতিপুৱা সোনকালে উঠিব নালাগে
খেলা-ধূলা, স্ফূৰ্তি কৰা
কত কিমান কাম
পেহীৰ ঘৰলৈ নহ'লে
মাহীৰ ঘৰলৈ যাম।
বন্ধৰ দিনত দাদাই
কেনেকৈনো মা পুৱাই উঠি পঢ়ে
মোৰ যে দেৰিলৈকে টোপনিয়ে নাভাঙে
ডাঙৰ হ'লে ময়ো মা
দাদাৰ দৰে পঢ়িম
পঢ়ি-শুনি ময়ো
ডাঙৰ কাম কৰিম। ❖



# বুমাৰ

**হৃদান বৰদলৈ**
তৃতীয় শ্ৰেণী

আমাৰ ঘৰত আছে
এটা চাৰিঠেঙীয়া প্ৰাণী
যেতিয়াই-তেতিয়াই ভুকি ভুকি
কৰি থাকে আমনি।
খাবলৈ দিলে, ফুৰিবলৈ নিলে
সি বৰ ভাল পায়
বদমাচি কৰিলে কিন্তু
ককাৰ পৰা বৰ গালি খায়।
বুমাৰ বুলি মাতিলে
দৌৰি দৌৰি আহে
জিভাখন উলিয়াই সি
নেজডাল জোকাৰি থাকে। ❖

# মা-দেউতা

**ত্ৰিবেণী চক্ৰৱৰ্তী**
চতুৰ্থ শ্ৰেণী



মা মোৰ মৰমৰ
দেউতা সন্মানৰ
তেওঁলোকেই চিনাকি মোৰ
প্ৰথম জগতৰ।
মায়ে দিয়ে
বুকুভৰি মৰম,
দেউতাৰো নহয় কিন্তু
একেবাৰে কম।
পঢ়া-শুনাত আগ বাঢ়িব
মা-দেউতাই কয়,
সেইবাবে সদায়
চেষ্টা কৰোঁ মই। ❖

# ব'হাগ

**মাধুৰ্য্য শইকীয়া**
পঞ্চম শ্ৰেণী

ব'হাগ আহিল কপৌ ফুলিল
ফুলিল তগৰজোপা,
কুলিটিয়েও কুউ কুউকৈ
দিলে বিহুৰ বতৰা।
মাহ-হালধিৰে গৰুক গা ধুৱাম,
গধূলিলৈ হাতত জেতুকা লগাম।
ডাঙৰক সেৱা কৰি আশীৰ্বাদ ল'ম,
লাড়ু-পিঠা, জলপান খাই
বিহু মাৰিবলৈ যাম। ❖

# বিদ্যালয়

## অংকিতা দেৱী

চতুৰ্থ শ্ৰেণী

পুৱাতেই শুই উঠি সাজু হওঁ
পিন্ধো ইউনিফৰ্ম, হাতত কিতাপ লওঁ
বেগ লৈ বিদ্যালয়লৈ যাওঁ
হাঁহিমুখে বন্ধুবোৰক চাওঁ।
শিক্ষকে কয়, "পঢ়া আৰম্ভ হ'ব।"
মই কওঁ, "অহো ! মজা হ'ব।"
অ আ ক খ শিকোঁ আজি
নতুন নতুন কথা মনত ৰাখি
বিৰতিত খেলোঁ, দৌৰোঁ বাগিচালৈ
পখিলাই গায়, ফুলে হাঁহে মোৰ লগ হৈ
বিদ্যালয় মোৰ ৰঙীন ঘৰ
ইয়াতেই গঢ়ি উঠে মোৰ সপোনৰ লহৰ। ❖



# আকাশ

## স্বৰ্ণাভ প্ৰধানী

দশম শ্ৰেণী

আন্ধাৰ আকাশৰ
কোনোবা গভীৰতম কোণত
নিজস্ব সত্তাৰে বৰ্তি থকা
আন্ধাৰবোৰ... !
কপালত আন্ধাৰৰ বিন্দু জিলিকি আছে
তোমাৰ... মোৰ...
কিয়? বিচাৰি পাম নে উত্তৰ !
নে আজিও ৰ'ম, পৃথিৱীৰ আৱৰ্তনৰ
কোলাহল শুনিবলৈ।
তীব্ৰ শূন্যতাত
চৌপাশ নীৰৱ হৈ পৰে।
চকুযুৰি স্তব্ধ হৈ পৰে,
দুটি পৃষ্ঠাত।
কিতাপৰ দুই পৃষ্ঠাৰ সেওঁতা
ক'ত লগ লাগে?
অসীমত?
দুখন পৃষ্ঠাই মোক উপলুঙা কৰে,
মোৰ সসীমতাক লৈ।
সকলো দিশৰে সসীমতা। ❖



# গছ

## পাৰ্থ প্ৰতীম দাস

পঞ্চম শ্ৰেণী

মোৰ তলত
বহা তুমি
মই দিম ছাঁ,
শীতল বতাহ
পাবা তুমি
জুৰাই ল'বা গা।
নানা ৰঙৰ
ফুল দিম
লগৰীয়াক দিবা,
নানা সোৱাদৰ
ফল দিম
জুতি লগাই খাবা। ❖

# ফুলনি

## ময়ূৰ পল নাথ

চতুৰ্থ শ্ৰেণী

ফুলেৰে ভৰা ফুলনি
দেখিবলৈ যে শুৱনি,
নয়নতৰা, গধূলিগোপাল
ফুলি থাকে পুৱা-গধূলি।
বহু ৰঙৰ পখিলা আহি
ফুলৰ পাহিত পৰে,
লাহী কোমল পখিলা দেখি
ফুলে হাঁহি মাৰে। ❖

# বাখৰ

**সান্বী বৰা**
চতুৰ্থ শ্ৰেণী

বাখৰ, মোৰ মৰমৰ বাখৰ
মোৰ চেনেহৰ বাখৰ
বাখৰত থাকে আমাৰ মনৰ লেখা
নতুন নতুন সাধু
নতুন নতুন গল্প
কত যে নতুন কথা।
পঢ়ি মোৰ ভাল লাগে সাধুকথাবোৰ
ভাল লাগে মোৰ কবিতাবোৰ
মৰমেৰে চাওঁ মই ছবিবোৰ
চাওঁ মই ফটোবোৰ
এয়া মোৰ দাদা-বন্ধু এইয়া মোৰ
বাইদেউ
এয়া মোৰ ছাৰ
চিনাকি কৰাওঁ মই ঘৰৰ সকলোকে
কি যে লাগে ভাল !
আমাৰ আলোচনী আমাৰ গৌৰৱ
আমাৰ মৰমৰ বাখৰ
আছোঁ মই বাট চাই অতি হেঁপাহেৰে
পাম আকৌ নতুন ৰূপত। ❖



# আকাশ

**ঋষিকন্যা লাহন**
পঞ্চম শ্ৰেণী

পুৱাতেই দেখিলোঁ কেনে সুন্দৰ আকাশখনি
বেলিৰ পোহৰে ছানি ধৰিছে এই আকাশখনি।
চৰাইজাকে আকাশলৈ মাৰিছে উৰা,
সকলোৱে আকাশলৈ চাই হাঁহিছে এতিয়া।

ভৰ দুপৰীয়াতে আকাশখন যেন ফৰকাল হ'ল
তেতিয়া আকাশখন দেখিবলৈ উজ্জ্বল হ'ল।
আকাশ দূৰ-দিগন্তত অসীম,
আকাশখনলৈ যেন একেৰাহে চাই থাকিম।

লাহে লাহে আবেলি হ'ল,
হেঙুলী বৰণত মন মোৰ বিভোল
জোন-তৰাৰ মিচিকি হাঁহিত
ৰাতিৰ আগমন হ'ল। ❖



# সপোন

**কাব্যম ডেকা**
পঞ্চম শ্ৰেণী

বজাৰৰ পৰা কিনি আনিলোঁ
এটা গছৰ পুলি,
বাৰীত গৈ ৰুই থ'লোঁ
গছ হ'ব বুলি।
লাহে লাহে ধীৰে ধীৰে
পুলিটো ডাঙৰ হৈছে,
মোৰ এটা সপোন
পূৰণ হ'বলৈ লৈছে।
সেয়েহে মোৰ মনটো আজি
আনন্দে নধৰা হৈছে,
সমুখত যে সপোনৰ
বৰগছ জুপি আছে। ❖

# অ’ মোৰ প্ৰিয় অজাবি

**স্বৰগম তালুকদাৰ**
দশম শ্ৰেণী

জ্ঞানান্বেষণৰ সপোন দেখি
হেঁপাহৰ শলিতা জ্বলাই
এদিন আহিছিলোঁ তোমাৰ বুকুলৈ
অ’ মোৰ প্ৰিয় অজাবি !
মোৰ কোমল বুকুত
আশাই ঢৌ খেলিছিল
তোমাক প্ৰথম দেখি।
ল’বা জানো তুমি মোক মৰমেৰে আঁকোৱালি ?

চেনেহৰ বান্ধোনেৰে বান্ধি এতিয়া
কৰিলা মোক তোমাৰ অনুৰাগী,
আৰু মাত্ৰ এটি বছৰ
অন্ত পৰিব মধু মিলনৰ।
বুকুৰ মাজত জ্বলি ৰ’ব স্মৃতি
মোক বিদায় দি মাতিবা ৰিঙিয়াই
তুমি আৰু সহস্ৰজনক।

তুমি দিলা আৰু দিলা
কোঁচ ভৰাই বুটলি ল’লোঁ
এতিয়া মই মাথোঁ স্মৃতি ৰোমন্থন কৰিম,
সোঁৱৰণিৰ অটল গহ্বৰত
পৰিচিত হৈ ৰ’ম ‘অজাবিয়ান’ বুলি
অ’ মোৰ প্ৰিয় অজাবি !
পুৰণি যাব
নতুন আহিব
জ্ঞানবৃক্ষৰ শীতল ছাঁত
তৃষ্ণাতুৰে তৃষ্ণা পূৰাব,
সদা উৰিব তোমাৰ জয়ধ্বজা !
হেঁপাহ পূৰাই চাই ৰ’ম তোমাক
দূৰণিৰ পৰা
অ’ মোৰ প্ৰিয় অজাবি ! ❖



# মৰমৰ মা

**পলকিন হাজৰিকা**
পঞ্চম শ্ৰেণী

মৰমৰ মা মোৰ
মৰম কৰা সদায়,
ডাঙৰ হ’বলৈ মন নাযায় মোৰ।
কাৰণ ডাঙৰ হ’লে মই
নোৱাৰিম তোমাৰ
কোলাত শুব।
এৰি নাযাবা মোক
এৰি মনটো সেমেকি পৰে।
এনে লাগে যেন অকলশৰীয়া।
কেতিয়াও এৰি নাযাবা মোক
চিৰদিন থাকিবা মোৰ লগতে।। ❖

# আধুনিক চহৰ

**বৰষা কলিতা**
একাদশ শ্ৰেণী (কলা)

শুনিছিলোঁ দেখোন চহৰখন হেনো
সোণেৰে উপচি পৰা,
আহি দেখিলোঁ গোটেইখন কেৱল
অট্টালিকাৰেহে ভৰা।
চহৰলৈ আহি ক’ত সোমালোঁ
বিচাৰি নাপাওঁ বাট,
একেলেথাৰিয়ে শুনি আছোঁ মই
যান-বাহনৰ মাত।
ভাবিছিলোঁ মই দেখিবলৈ পাম
ধুনীয়া চৰাইৰ জাক,
জিৰাবলৈ নাই এডালো গছ
মাতোঁ বাৰু কাক ?
মানুহে কয় আধুনিক চহৰ
থাকিবলৈ ভাল,
পাছে জাবৰেৰে আছে ভৰি
নলা, নদী, খাল।
পাবলৈ নাই ক’তো এছাটি
জুৰ মলয়া বা
গৰমত ছাটি-ফুটি
লাগিছে মোৰ গা।
এতিয়াহে মই গম পালোঁ
গাঁওখনহে ধুনীয়া,
আমাৰ মৰমৰ গাঁওখন
এৰিয়েই নাযাওঁ যা। ❖

# মোৰ ভাইটি

## নিবিড় সুবাস কাশ্যপ

পঞ্চম শ্ৰেণী

মোৰ ভাইটি ভুলু
সি বৰ দুষ্ট,
মোৰ খেলা বস্তুবোৰ
সি কৰে নষ্ট।
তাৰ কথা শুনিলে হাঁহিত
পেটৰ নাড়ী ডাল ডাল হৈ যায়,
পেহীৰ ঘৰলৈ গ'লে
তাক আৰু কোনে পায়?
দিনৰ দিনটো সময় নষ্ট কৰি
খেলি থাকে সি গেম,
গেম খেলিব নিদিলে
শেষেই নহয় তাৰ ভেম।
পিছে এটা কথালৈ
সি বৰ ভয় কৰে,
পৰীক্ষা আহিলেই তাৰ বুকু
দুৰু দুৰুকৈ কঁপে।
দিনৰ দিনটো মাৰ পৰা
পিটন খোৱা তাৰ
নিত্য-নৈমিত্তিক কাম
বাৰে বাৰে মোক
সি সুধি থাকে
আজি কি খাবলৈ পাম?
সেই খটাসুৰটোৰ
খোৱাত বৰ নিচা
পিছে আটাইতকৈ সি
খাই ভাল পায়
ভজা মাছৰ হে ফিছা। ❖



# মোৰ প্ৰিয় ঠাই

## জ্ঞানমপ্ৰম শইকীয়া

পঞ্চম শ্ৰেণী

মোৰ প্ৰিয় ঠাই চতিয়া
তাতে মোৰ ঘৰ,
তালৈ গৈ ভাল লাগে
খুৰা-খুৰী, বৰদেউতা-বৰমা
সকলোকে যে লগ পাওঁ।
গাঁৱলৈ গ'লে মুকলিকৈ
খেলিব ফুৰিব পাৰোঁ।
গৰু গাইৰ পিছে পিছে
দৌৰি ফুৰিব পাৰোঁ,
পথাৰলৈ গৈ বোকাৰে
লুতুৰি-পুতুৰি হৈ আহোঁ
সেইবোৰ আনন্দৰ কথা
কেতিয়াও নাপাহৰোঁ। ❖

# গীত আৰু কবিতা

## অদ্ৰিতা গগৈ

পঞ্চম শ্ৰেণী

গীত আৰু কবিতা বাৰু অলপ নহয়নে একে?
এই প্ৰশ্নটো বাৰে বাৰে মোৰ মনলৈ আহে।
মনে কয় দুয়ো বোলে একে যেনেই লাগে;
কাৰণ দুয়োৰে মাজত সাদৃশ্য বহুতেই আছে।
গীত আৰু কবিতা দুয়োটাতে আছে ছন্দ;
গীত আৰু কবিতা দুয়ো হৈছে স্বৰচিত।
গীত আৰু কবিতা দুয়ো অতি পুৰণি;
গীত আৰু কবিতা মানুহে শুনে বৰ মনপুতি।
দুয়োকে মানুহে বৰ ভাল পায়;
দুয়োকে মানুহে আনক শুনায়।
দুয়োকে আমি শুনিব পাৰোঁ;
ভিডিঅ' চায়ো লাভ নাই বুজিছানে ধুনু।
দুয়োৰে মাজত কেৱল এটাই পাৰ্থক্য
এটাক হয় আবৃত্তি কৰা;
আৰু এটাক হয় গোৱা।
এতিয়া, এইটো গীত নে কবিতা
তুমিয়েই মোক কোৱা। ❖



# ৰঙালী বিহু

**মূৰ্চ্ছনা শৰ্মা**
দ্বাদশ শ্ৰেণী (কলা)

পলাশৰ ফুলবোৰ সিঁচৰতি হৈ
আপ্লুত কৰিছে মোৰ বাটচ'ৰা
পছোৱা বতাহজাকে আমালৈ
আনিছে ফাগুনৰ বতৰা।
পাতবিহীন গছৰ ডালবোৰে
কৈ যায় আজি বতাহৰ গভীৰতা,
ফাগুনৰ চিপচিপ বৰষুণজাকে
আনি দিয়ে মাটিৰ সজীৰতা।
চ'তৰ বাউলী বতাহজাকে
চঞ্চলা কৰে দেহ-মন,
ন-কোমল গছৰ কুঁহিপাতবোৰে
আনিলে বসন্তৰ আগমন।
কুলিয়ে মাতে গছৰ ডালত
ৰাতি কেতেকীয়ে বিনায়,
মুকলি বিহু পাতিবলৈ আজি
আঁহতৰ তল নাই।
ডাল ভৰি ফুলা কপৌফুল
আজি বিচাৰি নোপোৱা হ'ল,
বজাৰৰ কপৌ ফুলবোৰেৰে
খোপা শুৱনি হ'ল।
চুবুৰীয়া ককাই ঢুলীয়া সাজিছে
হাতত ঢোল-পেঁপা লৈ
নাচনীয়ে সাজিছে-কাচিছে
নাচিব বিহুলৈ গৈ। ❖



# আকাশ

**উদ্দালক আৰুণিক শৰ্মা**
তৃতীয় শ্ৰেণী

আকাশ, অ' আকাশ
তুমি নীলা আকাশ
ৰং-বিৰঙৰ মেঘবোৰ
ক'তনো পোৱা ?
তোমাৰ সৈতে যে থাকে বেলি
তেৰেঁ বাৰু দিয়ে নেকি ৰঙা, নীলা,
সেউজীয়া ইমানবোৰ ৰং আনি
আৰু থাকে জোনবাই তোমাৰ সৈতে
ৰাতি আমাক দিবলৈ পোহৰ
তৰাৰ মাজত পৰীক
তুমিয়ে থোৱা নেকি লুকাই
আইতাই কোৱা সাধু কথাত দেখোঁ...
ৰিমঝিম বৰষুণ
তুমিয়ে দিয়া গৰমত
নৈ, বিল, পুখুৰী
উপচি পৰাকৈ ! ❖

# আহোঁ বোলা শৰৎ

**প্ৰবীৰ প্ৰতিম ভৰদ্বাজ**
নৰম শ্ৰেণী

আহোঁ বোলা শৰৎ
আকৌ আহিল কঁহুৱা ফুলা বতৰত
আহিনৰ সেওঁতাৰে।
শৰৎ মোৰ হেঁপাহৰ ঋতু
নিয়ৰবোৰ সুখ হৈ নিগৰে
তলসৰা শেৱালিয়ে
আমোলমোল কৰি
বোৱাৰী পুৱাতে সুবাস বিলায়
ধানৰ পাতত নিয়ৰে জুম পাতে
কঁহুৱাই হালি-জালি
স্পন্দন তোলেহি বিন্দু বিন্দু ৰাশিৰে ❖

# বাখৰী মেকুৰী

**তন্ময় দাস**
তৃতীয় শ্ৰেণী

আমাৰ আছে এজনী মেকুৰী
নাম তাইৰ হ'ল বাখৰী।
অ'ত-ত'ত তাই ফুৰে বিচাৰি
ক'ত পায় নিগনি পোৱালি।
গধূলি হ'লেই পাকঘৰৰ দাঁতিত
বাখৰীয়ে জুৰে মেও মেও।
মায়ে দিয়ে মাছ ভাত দালি
আনন্দতে নেগুৰ জোকাৰি
তাই হয় লেউ সেউ। ❖

# যুদ্ধ

## টনবীৰ কাশ্যপ শৰ্মা

সপ্তম শ্ৰেণী

সীমান্তৰ সিপাৰে যুদ্ধৰ ডংকা বাজিছে
আমাৰ দেশৰ সৈনিকসকলে বীৰত্বৰে
ভাৰত মাতাৰ সুৰক্ষাৰ হকে যুঁজ দিছে,
টিভি, বাতৰি কাকতৰ খবৰবোৰে
আমাকো আতংকিত কৰিছে।
যুদ্ধ কিয় হয়?
মই নাজানো।
মোৰ ক্ষুদ্ৰ বিবেচনাৰে ঢুকিও নাপাওঁ
কিন্তু,
যুদ্ধই সদায় ধ্বংস আনে;
শান্তিয়ে গায় মানৱতাৰ জয়গান।

দেউতাই কোৱা শুনিছোঁ,
শান্তিৰ বাবেও কেতিয়াবা
যুদ্ধৰ প্ৰয়োজন হয়।
হওক তথাপি, যুদ্ধ শেষ
দেশলৈ শান্তি উভতি আহক
য'ত মুক্ত মনেৰে আমি সবে মিলি
গাব পাৰোঁ সমৃদ্ধিৰ জয়গান। ❖



# মোৰ মন

## মৃগনাভ বৰদলৈ

চতুৰ্থ শ্ৰেণী

খেলা-ধূলা কৰি মই
বৰ ভাল পাওঁ।
পঢ়া-শুনা কৰি মই
অকণো ভাল নাপাওঁ।
মায়ে কয় পঢ়িলেহে
ডাঙৰ মানুহ হয়
ডাঙৰ মানুহ হ'বলৈ মোৰ
অকণো মন নাই।
খেলা-ধূলা কৰিয়েই
যেন দিনবোৰ পাৰ হৈ যায়।
আজি মই সোনকালে
বিদ্যালয়লৈ যাম
পঢ়া-লিখাবোৰ খেলাৰ দৰে শিকাবলৈ
ছাৰ-বাইদেউক ক'ম। ❖

# মোৰ ভনী

## কাৰ্তিক ডেকা

তৃতীয় শ্ৰেণী

মোৰ এজনী ভনী আছে
নাম তাইৰ ৰিয়া,
খেলা বস্তু ল'লে মই
তাই কয় মোকে দিয়া।
মই যদি নিদিওঁ তাইক
খেলা বস্তু এটা,
ভনীয়ে কয় মই তোমাক
বেয়া পাইছোঁ দাদা।
আকৌ যদি দি দিওঁ ভনীক
খেলা বস্তু মই,
হাঁহি হাঁহি আহি কয়
ভাল পাওঁ দাদা তোমাক মই। ❖



# হাতীয়ে সকলো কথা জানে, সিহঁত সৰ্বজান



*হাতী-মানুহৰ সংঘাতক অনাবিল বন্ধুত্বলৈ ৰূপান্তৰিত কৰাৰ প্ৰয়াস কৰা এগৰাকী প্ৰচাৰবিমুখ প্ৰকৃতিপ্ৰেমী প্ৰদীপ কুমাৰ ভূঞা। 'হাতীবন্ধু' সংস্থা প্ৰতিষ্ঠাৰ জৰিয়তে হাতীৰ বাসস্থানৰ বাবে অনুকূল পৰিৱেশৰ সৃষ্টি কৰি অহা প্ৰদীপ কুমাৰ ভূঞা ৰাজ্যখনৰ বহু সামাজিক-ৰাজনৈতিক পদক্ষেপৰ আঁৰৰ ব্যক্তি। উত্তৰ গুৱাহাটীত অৱস্থিত তেওঁ প্ৰতিষ্ঠা কৰা বিদ্যালয় 'ফেকাল্টী হায়াৰ ছেকেণ্ডাৰী স্কুল'ৰ চৌহদত 'বাখৰ'ৰ হৈ গ্ৰহণ কৰা সাক্ষাৎকাৰৰ সম্পাদিত ৰূপ।*

**বাখৰ :** নমস্কাৰ ছাৰ। আপোনাৰ বিষয়ে শুনিছোঁ আৰু আজি এনেদৰে লগ পাই অতিশয় আনন্দিত হৈছোঁ। আপোনাৰ পৰা পোনতে জানিবলৈ বিচাৰিছোঁ যে আপোনাৰ শৈশৱত এনে কোনো ঘটনা বা স্মৃতি আছিল নেকি, যিয়ে আপোনাক 'হাতীবন্ধু'ৰ দৰে অনুষ্ঠান গঢ় দিয়াৰ বাবে প্ৰেৰণা যোগাইছিল?

**উত্তৰ :** একেবাৰেই নাই। মই হাতীৰ বিশেষজ্ঞও নহওঁ, হাতীৰ লগত আগেয়ে কোনো সম্পৰ্কও নাছিল। কিন্তু ২০১৭-১৯ চনমানত টিভিত প্ৰায়ে হাতী-মানুহৰ সংঘাতৰ বাতৰিবোৰ পাইছিলোঁ, দেখিছিলোঁ হাতীবোৰৰ কৰুণ মৃত্যু হৈছে, ট্ৰেইনে মাৰিছে, বৈদ্যুতিক তাঁৰত লাগি মৰিছে। সেইবিলাক দেখিয়েই মোৰ মনত হাতীৰ বাবে কিবা এটা কৰাৰ ইচ্ছা জাগিল। লগতে মই বেলেগ একো কৰা নাই, হাতীৰ প্ৰতি মাত্ৰ অলপ মৰম দেখুৱাইছোঁ। সিহঁতে (হাতীয়ে) ধান খাই ভাল পায়, মই ধান ৰুই দিছোঁ। নেপিয়েৰ (Napier) খাই ভাল পায়, সেয়া লগাইছোঁ। নৱেম্বৰ মাহত জাকে জাকে হাতী আহিব, সেইবিলাক খাব আৰু খাই ধুনীয়াকৈ ঘূৰি যাব। হাতীয়ে মৰম বুজি পায়, সিহঁতক যদি মৰম কৰা তাৰ সঁহাৰি জনায়। হাতীৰ বিষয়ে মই সেয়াই শিকিলোঁ।

**বাখৰ :** সম্প্ৰতি উত্তৰ-পূৰ্বাঞ্চলৰ পাৰিবেশিক অৱস্থা সম্পৰ্কে কি ক'ব খুজিব?

**উত্তৰ :** আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ বনাঞ্চলৰ অৱস্থা খুবেই বেয়া। বনাঞ্চলৰ ৩০ শতাংশমান বেদখল হৈ আছে। বেদখল হোৱা অংশবোৰ একেবাৰেই ধ্বংস হৈ গৈছে। অৱশ্যে এতিয়া এটা আশাৰ ৰেঙনি দেখিবলৈ পাইছোঁ। আমাৰ

মাননীয় মুখ্যমন্ত্ৰীয়ে এই বনাঞ্চলসমূহ বেদখলমুক্ত কৰাৰ প্ৰচেষ্টা হাতত লৈছে আৰু বহুখিনি সফলো হৈছে। এনেদৰে যদি অহা ৪-৫ বছৰৰ ভিতৰত সেই বনাঞ্চলসমূহ সুৰক্ষিত হয়, তেতিয়াহ'লে আমাৰ আগৰ প্ৰাকৃতিক পৰিৱেশ উভতি আহিব। কিয়নো, আমাৰ অসমৰ যি বাতাবৰণ, তাত আমি গছ ৰুব নালাগেই। আমি যদি ৩-৪ বছৰমান এডোখৰ মাটি এনেয়ে পেলাই থৈ দিওঁ, তাতে নিজে নিজে এখন হাবিৰ সৃষ্টি হ'ব। (খিৰিকীৰ বাহিৰলৈ আঙুলিয়াই) সেই যে পাহাৰটো দেখিছা, সেইটো এসময়ত টকলা আছিল, এজোপা গছো নাছিল। যেতিয়া আমি সেই পাহাৰটোক ৰক্ষণাবেক্ষণ দিলোঁ, ই এক জৈৱবৈচিত্ৰ্যময় জংঘললৈ ৰূপান্তৰিত হ'ল। ভগৱানে এয়া আমাক আশীৰ্বাদ দিছে। সেই কাৰণে আমি এতিয়া আশাৰ ৰেঙনি দেখিছোঁ। বনাঞ্চলবিলাক বেদখলমুক্ত হ'লে আমি বাচিম, নহ'লে আমি কোনো নাথাকিম।

**বাখৰ** : বৰ্তমান মানুহৰ কাৰ্য্যকলাপে প্ৰাকৃতিক পৰিৱেশৰ ওপৰত কেনে ধৰণৰ বিৰূপ প্ৰভাৱ পেলাইছে বুলি ভাবে?

**উত্তৰ** : এতিয়া অৰুণাচলত যিবিলাক নদীবান্ধৰ প্ৰস্তাৱ কৰা হৈছে, তাৰ প্ৰভাৱৰ পৰা আমি সাৰি থাকিব নোৱাৰোঁ। প্ৰকৃতিয়েতো ৰাজ্য বা দেশৰ সীমা বুজি নাপায়; যে এইখন অসম, সেইখন অৰুণাচল, এইখন বাংলাদেশ! ২০১১ চনত অৰুণাচলত ১৪০টা নদীবান্ধৰ প্ৰস্তাৱেৰে MOU (বুজাবুজিৰ চুক্তি) চহী কৰা হৈছিল। অসমতো সোৱণশিৰি নদীবান্ধৰ বিৰুদ্ধে প্ৰবল আন্দোলন হৈছিল। সেই সময়তে মই এই নদীবান্ধবোৰৰ বিৰুদ্ধে 'কেছ' দিছিলোঁ যে এই বান্ধবোৰ বন্ধ কৰাব লাগে। কাৰণ বান্ধবোৰৰ প্ৰকৃতি বৰ ধ্বংসাত্মক, ইহঁতক Peaking dam বুলি কয়। লগতে কৈছিলোঁ যে নদীও বৈ থাকিব লাগিব আৰু শক্তিও উৎপাদন হ'ব লাগিব। ২০১৩ চনত 'কেছ'টো সৰ্বোচ্চ ন্যায়ালয়ত ফাইল কৰিছিলোঁ, কিন্তু ২০১৯ চনত মাননীয় ন্যায়ালয়ে তাক খাৰিজ কৰিলে। সি এক অন্য কাহিনী। যি নহওক, ২০১৯ চনত 'কেছ'টো বন্ধ হোৱাৰ পাছতো আকৌ প্ৰস্তাৱিত ১৪০টা বান্ধ নিৰ্মাণ কৰা নহ'ল, সেইটো বৰ ডাঙৰ কথা। এতিয়া চৰকাৰে কিছুমান চৰকাৰী কোম্পানীৰ হতুৱাই একোটা বান্ধ নিৰ্মাণ কৰাবলৈ চেষ্টা কৰিছে যদিও সেয়া সংখ্যাত কম। মোৰ কথা হ'ল যে প্ৰকৃতিক নষ্ট নকৰাকৈ আমি কিছুমান কাম কৰিব লাগিব। শক্তিৰ বাবে বিৰাট বান্ধ এটাতকৈ সৰু সৰু, ধৰা, ১০০ মিটাৰমান উচ্চতাৰ ৫০০-৬০০ মেগাৱাট শক্তি উৎপাদন কৰা বান্ধ নিৰ্মাণ কৰিব পাৰোঁ। তেনে হ'লে নৈখনো বৈ থাকে, শক্তিও উৎপাদন হৈ থাকে।

**বাখৰ** : প্ৰকৃতি সংৰক্ষণৰ ক্ষেত্ৰত নৱপ্ৰজন্মৰ দায়বদ্ধতা কিমান আৰু কিমানখিনি দায়বদ্ধ হোৱা আপুনি দেখিছে?

**উত্তৰ** : কাগজে-কলমেতো বহুত বস্তুৰেই আছে যে এইটো হ'ব লাগে, সেইটো হ'ব লাগে। হাতী-সুৰক্ষাৰ বাবেও বহুত বিধি-বিধান আছে। তেনেকুৱা কাগজেৰে এটা ৰুম ভৰ্তি হৈ যাব। কিন্তু সেইবিলাকৰ ব্যাৱহাৰিক ক্ষেত্ৰত প্ৰয়োগ নোহোৱাটোৱেই মূল সমস্যা। মই এটাই আশাৰ ৰেঙনি দেখিছোঁ এই যে বনাঞ্চলবিলাক বেদখলমুক্ত কৰিছে, সেয়াই আমাৰ বাবে সুখবৰ। আমি যদি প্ৰকৃতিক ৰক্ষা কৰোঁ, তেন্তে আমিও ৰক্ষা পৰিম আৰু ইয়াৰ সুৰক্ষাৰ বাবে কাম কৰিব লাগিব তোমালোকেই—নতুন প্ৰজন্মই। তোমালোকৰ মাজত কিবা এটা কৰাৰ প্ৰবল ইচ্ছা থাকিব লাগিব, প্ৰকৃতি সুৰক্ষাৰ প্ৰতি দায়বদ্ধতা উপলব্ধি কৰিব লাগিব। খুব ডাঙৰ কিবা এটা কৰাৰো দৰকাৰ নাই। কিছুমান সৰু সৰু কামৰ জৰিয়তে ডাঙৰ কাম এটা সম্পন্ন হ'ব পাৰে।

**বাখৰ** : 'হাতীবন্ধু'ৰে হাতীৰ ৰক্ষণাবেক্ষণৰ লগতে আন জীৱ-জন্তু বা বনাঞ্চল সংৰক্ষণৰ বাবে কিবা পদক্ষেপ লৈছে বা লোৱাৰ পৰিকল্পনা কৰিছে নেকি?

**উত্তৰ** : গছ-গছনি লগোৱা কামটো আমি ব্যক্তিগতভাৱে বৰ বেছি কৰিব নোৱাৰিম। আমাৰ স্কুলখনত যে

ইমানবোৰ গছ-গছনি দেখিছা, এয়া কিন্তু আমি লগাইছিলোঁ। আগতে এইখিনি শুকান ছন পৰা মাটি আছিল। বনাঞ্চলবোৰ এতিয়া বেদখলমুক্ত কৰিলে তাত গছ-গছনিবোৰ ৰ'ব আৰু সংৰক্ষণ তেনেদৰেই হ'ব। আমি প্ৰত্যেকেই যদি বছৰি ২-৩ জোপাকৈ গছ ৰোওঁ আৰু ৰক্ষণাবেক্ষণ দিওঁ, তেতিয়াই প্ৰকৃতিৰ কাৰণে কাম কৰা হ'ব। লগতে হাতী হ'ল হাবিৰ সবাতোকৈ ডাঙৰ জীৱ। হাতীৰ সংৰক্ষণ যদি ঠিকমতে হয়, তলৰ জন্তুবোৰৰ সংৰক্ষণো লগে লগে হৈ থাকিব। হাতীৰ পিছে পিছেই হৰিণা, গাহৰি এইবিলাক যায়; হাতীয়ে আধা খাই এৰি যোৱা খাদ্য সিহঁতে খায়। গতিকে হাতীৰ সংৰক্ষণ হ'লে বাকীবোৰৰো সংৰক্ষণ হ'ব। আৰু এটা ভাল কথা হ'ল যে হাতীয়ে সকলো কথা জানে, সিহঁত সৰবজান—সেয়া মোৰ উপলব্ধি। তুমি অন্তৰেৰে হাতীৰ কাৰণে কিবা কৰিলে হাতীয়ে তাৰ প্ৰত্যুত্তৰ দিবই। হাতীৰ আকৌ দুষ্টামিও আছে। তোমাক দৰকাৰ হ'লে মাৰিব, প্ৰতিশোধ ল'ব। কিন্তু মৰমৰ প্ৰত্যুত্তৰ মৰমেৰেই দিব।

**বাখৰ** : নৰপ্ৰজন্মই কেৰিয়াৰ নিৰ্মাণৰ ধামখুমীয়াত প্ৰকৃতিৰ লগত যি সম্পৰ্ক গঢ়িব লাগিছিল, সেয়া হৈ উঠা নাই বুলি ভাবে নেকি?

**উত্তৰ** : এতিয়া মানুহৰ জীৱন বহুত জটিল হৈ গ'ল। আমাৰ দিনত বস্তুবোৰ বহুত সৰল আছিল। এতিয়া সময়েই এনেকুৱা হ'ল যে ডাক্তৰ-ইঞ্জিনীয়াৰৰ দৰে বৃত্তি এটাৰ বাবে চিন্তা নকৰিলেও নহয়। তথাপি, আজিকালি প্ৰকৃতিৰ লগত জড়িত বহুতো অনুষ্ঠান আছে। সেইবিলাকৰ লগত জড়িত হ'লেও প্ৰকৃতি সুৰক্ষাৰ ক্ষেত্ৰখনত কাম কৰিব পৰা যায়।

**বাখৰ** : 'হাতীবন্ধু'ৰ কাম কৰোঁতে কেনে ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল?

**উত্তৰ** : প্ৰত্যাহ্বান মানে, আমি য'ত শালি খেতি কৰিবলৈ গৈছিলোঁ, তাত অসুবিধাৰ সন্মুখীন হৈছিলোঁ। অসমত দুই ধৰণৰ খেতি হয়—এতিয়া যে কৰিছে, সেয়া শালি খেতি আৰু জানুৱাৰী-ফেব্ৰুৱাৰী মাহত কৰাটো বৰো খেতি। আমি কাম কৰিবলৈ ওলোৱা ৰংভং গাঁওখন আছিল এখন কাৰ্বি গাঁও। তাৰ মানুহে বৰো খেতি কৰে আৰু প্ৰত্যেক বছৰেই তেওঁলোকৰ খেতি হাতীয়ে আহি খাই দিয়ে। ফলত হাতীৰ লগত সংঘাত হয়। হাতী মৰে, মানুহ মৰে। আমি যেতিয়া তেওঁলোকক গৈ ক'লোঁ যে আপোনালোকে হাতীৰ কাৰণে শালি ধানৰ খেতি কৰক, তেতিয়া তেওঁলোকে আমাক practically মাৰিবলৈ ওলাইছিল। বোলে হাতী আমাৰ শত্ৰু, কি ক'বলৈ আহিছে? যি নহওক, প্ৰায় দুমাহমান তেওঁলোকক সৈমান কৰাবলৈ মিটিং কৰা হ'ল। শেষত মহিলাসকলৰ গোট এটাক নেৰানেপেৰাকৈ ধৰাত তেওঁলোক মান্তি হ'ল—



পৰীক্ষামূলকভাৱে এটা খেতি কৰিবলৈ। তেনেকৈয়ে আৰম্ভ হৈ গৈ এতিয়া তেওঁলোক সকলো হাতীৰ বন্ধু। হাতী আৰু তেওঁলোকৰ শত্ৰু হৈ থকা নাই।

**বাখৰ** : 'হাতীবন্ধু' প্ৰকল্পত স্থানীয় লোকক কিদৰে জড়িত কৰাইছিল?

**উত্তৰ** : আমি যিখিনি কাম কৰিছোঁ, সেইখিনি এটা community, সমাজ নহ'লে কৰিব নোৱাৰি।

> হাতীৰ সংৰক্ষণ যদি ঠিকমতে হয়, তলৰ জন্তুবোৰৰ সংৰক্ষণো লগে লগে হৈ থাকিব। হাতীৰ পিছে পিছেই হৰিণা, গাহৰি এইবিলাক যায়; হাতীয়ে আধা খাই এৰি যোৱা খাদ্য সিহঁতে খায়। গতিকে হাতীৰ সংৰক্ষণ হ'লে বাকীবোৰৰো সংৰক্ষণ হ'ব।

ৰাইজক লৈ কাম কৰিব লাগিব আৰু এনেদৰে কাম কৰাৰ পৰিবেশ গঢ়ি তুলিব লাগিব। ৰাইজে যেতিয়া বুজিব যে এইখিনি কাম কৰিলে তেওঁলোকৰ ভাল হ'ব, তেতিয়া তেওঁলোকেও আস্থা সহকাৰে সহযোগ কৰিব। সেয়েহে আমি সদায় ৰাইজক লগত লৈ কাম কৰি আহিছোঁ। তোমালোকেও যেতিয়া কাম কৰিবা, দেখিবা যে ব্যক্তিগতভাৱে বেছি কাম কৰিব নোৱাৰি। ৰাইজ আৰু সমাজক লগত ল'বা, বহুত কাম কৰিব পাৰিবা।

**বাখৰ** : হাতীৰ লগতে হাতীৰ বাসস্থানৰ বাবে কাম কৰিছেনে?

**উত্তৰ** : নাই নাই, আমি হাতীৰ বাসস্থানৰ বাবে কাম কৰা নাই। কাৰ্বি পাহাৰৰ ইমূৰৰ পৰা সিমূৰলৈ ২০-৩০টা হাতীৰ একোটা জাক সিঁচৰতি হৈ থাকে। হাতীয়ে ধান খাই খুব ভাল পায়। পকা ধানৰ গোন্ধ পালে হাতীয়ে থাকিব নোৱৰা হৈ খাবলৈ আহিবই, সি ধ্ৰুৱ সত্য। আমি যেতিয়া হাতীৰ বাবে ধান লগালোঁ, তেতিয়া ১০০ মিটাৰ দূৰত থাকি হাতীয়েও গম পোৱা হ'ল যে সিহঁতৰ কাৰণে ধান লগোৱা হৈছে। এতিয়া সিহঁতে আকৌ ১০০ ফুট দূৰত ধান থকা বুলি জানিলেও তালৈ নাযায়, কাৰণ সিহঁতে বুজে যে তেনে কৰিলে সংঘাত হ'ব। সিহঁত দুমাহ ইয়াত থাকে, খাই-বৈ স্ফূৰ্তি কৰে আৰু তাৰ পাছত ঘূৰি যায়।

**বাখৰ** : 'হাতীবন্ধু'ৰ উদ্দেশ্য হাতী-মানুহৰ সংঘাত দূৰ কৰা নে আন কিবা?

**উত্তৰ** : হাতী-মানুহৰ সংঘাত দূৰ কৰা 'হাতীবন্ধু'ৰ উদ্দেশ্য নাছিল। আমাৰ মূল আৰু প্ৰাথমিক উদ্দেশ্য আছিল হাতীৰ কাৰণে কিবা কৰা। কিন্তু তাকে কৰিবলৈ যাওঁতে হাতী আৰু মানুহৰ সংঘাতো আনুষংগিকভাৱে দূৰ হৈছে।

**বাখৰ** : 'হাতীবন্ধু'ৱে লোৱা পদক্ষেপসমূহে পৰিবেশতন্ত্ৰত কেনে ধৰণৰ সকাৰাত্মক প্ৰভাৱ পেলাইছে বুলি ক'ব?

**উত্তৰ** : আমি এতিয়ালৈকে দুখন ঠাইত কাম কৰিছোঁ— নগাঁৱত আৰু গোলাঘাটৰ নামবৰৰ কিছুসংখ্যক গাঁৱত। এই দুখন জিলাৰে গাঁওকেইখনমান বৰ উপকৃত হৈছে। আমিতো আকৌ সমগ্ৰ অসমত কাম কৰিব নোৱাৰোঁ। কিন্তু চৰকাৰে সেইবিলাক কাম ইতিমধ্যে আৰম্ভ কৰিছে। বনাঞ্চলত হাতীৰ বাবে গছ-গছনি লগোৱাৰ ব্যৱস্থা কৰিছে, পৰিকল্পনাও হাতত লৈছে। আমাৰ পৰিসৰটো সীমিত। গতিকে আমি এই দুই ঠাইতে কাম কৰোঁ, আৰু ডাঙৰকৈ কৰাটো সম্ভৱো নহয়। প্ৰত্যেক বছৰেই আমি ধান লগাব লাগে আৰু এই কামত খৰচো আছে।

**বাখৰ** : আপোনাৰ শৈশৱৰ কথা কিছু ক'ব নেকি?

**উত্তৰ** : সেয়া মই ৯০ বছৰ আগৰ কথা ক'ব লাগিব। মোৰ জন্ম হৈছিল ডিব্ৰুগড়ত। ১৯৫২ চনত ডিগবৈ

বয়জ হাইস্কুলৰ পৰা মেট্ৰিক পাছ কৰিছোঁ। শৈশৱতে বহুত খেলা-ধূলা কৰিছোঁ আৰু তেনেকৈয়ে ডাঙৰ হৈছোঁ।

**বাখৰ :** শৈশৱত আপোনাৰ কিবা সপোন আছিল নেকি?

**উত্তৰ :** একো সপোন নাছিল। তেতিয়া ছাত্ৰ এজন পঢ়াত ভাল হ'লে মেডিকেল পঢ়িব, ইঞ্জিনীয়াৰ হ'ব—সেয়ে সপোন গতানুগতিক হিচাপে দেখে আৰু ময়ো সেই পথতে পঢ়ি ওলাই আহিলোঁ।

**বাখৰ :** আপোনাৰ স্কুলখনৰ জন্মৰ আঁৰৰ কাহিনী ক'ব নেকি?

**উত্তৰ :** মই এতিয়া এখন কিতাপ লিখিছোঁ—'Story of Faculty' বুলি—মোৰ স্কুলৰ জন্মৰ কাহিনীক লৈ। সেইখন দুমাহমানৰ ভিতৰত প্ৰকাশ হ'ব, তোমালোকৰ স্কুললৈও কপি এটা পঠাই দিম। ১৯৮২ চনত মই আৰু মোৰ পত্নী বন্তি ভূঞাই গুৱাহাটীত স্কুলখন ভাৰাঘৰ লৈ আৰম্ভ কৰিছিলোঁ। ১৯৮১ৰ মাজভাগতে তেওঁ (বন্তি ভূঞা) প্ৰস্তাৱ এটা দিলে যে এখন স্কুল খোলা যাওক। খুব আকস্মিকভাৱে সিদ্ধান্তটো ল'লোঁ। তেতিয়া আমাৰ ডেকা বয়স, পকেটত পইচা নাথাকিলেও মনৰ জোৰতে আগ বাঢ়িলোঁ, ইমান চিন্তা নকৰিলোঁ—আৰু তেনেকৈয়ে আৰম্ভ হ'ল আমাৰ স্কুল—ভাৰাঘৰত কিবাকিবিকৈ।

**বাখৰ :** আপোনাৰ স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃতিৰ লগত কেনেকৈ জড়িত কৰিছে?

**উত্তৰ :** ছাত্ৰ-ছাত্ৰীয়ে আমাৰ ইয়াৰ সেউজীয়া পৰিবেশত যেনেদৰে থাকে, তেনেদৰেই প্ৰকৃতিৰ লগত সম্পৰ্ক গঢ়িছে। ল'ৰা-ছোৱালীয়ে যে সেউজীয়া পথাৰত দৌৰি থাকে, দেখিয়েই মোৰ ভাল লাগে। প্ৰকৃতি সম্পৰ্কে সজাগতা আমাৰ শিক্ষকসকলে ল'ৰা-ছোৱালীক শিকায়।

**বাখৰ :** আপুনি আই আই টি (IIT) খড়গপুৰত পঢ়াৰ কিছু অভিজ্ঞতা ক'ব নেকি?

**উত্তৰ :** আমি আছিলোঁ আই আই টি খড়গপুৰত চতুৰ্থ বেট্চ। শিক্ষাৰ্থী তেতিয়া কমেই আছিল, তদুপৰি সা-সুবিধাসমূহো সম্পূৰ্ণকৈ গঢ়ি তোলা হোৱা নাছিল। তাৰ প্ৰফেছাৰসকলৰ বেছিভাগেই আছিল আমেৰিকাৰ। খুব চোকা আছিল তেওঁলোক। সেই সময়ত ছিট পোৱা ইমান টান নাছিল, মৌখিক সাক্ষাৎকাৰৰ জৰিয়তেই ছিট পাইছিলোঁ। চাইকেলেৰে অহা-যোৱা কৰাৰ পৰম্পৰা আছিল আমাৰ।

**বাখৰ :** মানুহে কিবা এটা কাম কৰিবলৈ আগ বাঢ়িলে যিমান প্ৰত্যাহ্বান পালেও তেওঁৰ motive বা লক্ষ্য থাকিলে আগ বাঢ়ি যাব পাৰে। আপোনাৰ তেনে কোনো ম'টিভ আছিলনে?

**উত্তৰ :** সঁচা কথা ক'বলৈ গ'লে মোৰ কোনো ম'টিভ নাছিল। জীৱনৰ সোঁতত গৈ আছিলোঁ। কিন্তু এটা কথা; আমি যিখিনি কাম কৰিছোঁ, ভালদৰে কৰিছোঁ। ইঞ্জিনীয়াৰ হোৱাৰ পাছতো যিখিনি কৰিছোঁ, সম্পূৰ্ণ নিষ্ঠা আৰু সততাৰে কৰিছোঁ—সেয়া ডাঠি ক'ব পাৰোঁ। কিবা vision আছিল, তেনে নহয়। কিন্তু তোমালোকৰ জীৱনত একোটা উদ্দেশ্য থকা উচিত—সেয়াই ক'ব খুজিম।

**বাখৰ :** আধুনিক বিজ্ঞান-প্ৰযুক্তিয়ে নতুন প্ৰজন্মৰ জীৱনলৈ এনে আমূল পৰিৱৰ্তন আনিছে যিয়ে তেওঁলোকক পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত সহমৰ্মিতাৰে সহাৱস্থান কৰাৰ ক্ষেত্ৰত অস্বাভাৱিক জটিলতা অনা যেন অনুভৱ হয়। এই ক্ষেত্ৰত আপোনাৰ মতামত কি?

**উত্তৰ :** সেই সম্পৰ্কটো তোমালোকেই বচাই চলিব লাগিব। প্ৰকৃতিক তোমালোকে বচাব লাগিব। এই ক্ষেত্ৰত নৱপ্ৰজন্মৰ মাজত জাগৰণ অহা যেন অনুভৱ হয়। আজিৰ প্ৰজন্মই প্ৰকৃতি কি সেয়া জানে। আমি আকৌ স্কুলত এইবোৰ নাজানিছিলোঁ, প্ৰকৃতিৰ গুৰুত্বও বুজা নাছিলোঁ। এই গুৰুত্ব আকৌ বৰ্তমানৰ যুৱপ্ৰজন্মই উপলব্ধি কৰে।

**বাখৰ :** 'হাতীবন্ধু' প্ৰকল্পত বন্তি বাইদেউৰ ভূমিকা কেনে?

**উত্তৰ :** তেওঁ এই বিষয়টো খুব গুৰুত্ব সহকাৰে লৈছিল। 'হাতীবন্ধু' নামটোও তেৱেঁই দিয়া। এই স্কুলখনো তেওঁৰেই।

**বাখৰ :** 'হাতীবন্ধু' প্ৰকল্পৰ আঁৰত আপোনাৰ কোনো আদৰ্শ ব্যক্তি বা idol আছিল নেকি?

**উত্তৰ :** মোৰ তেনে কোনো idol নাছিল। এয়া নিজেই অনুভৱ কৰিব লাগিব। তোমাৰ কোনো idol থাকিলেতো ভালেই, নাথাকিলেও কোনো কথা নাই। তুমি নিজেই নিজৰ অন্তৰৰ পৰা যেতিয়া অনুভৱ কৰিবা যে এইটো কাম কৰাটো দৰকাৰ, এইটো কিবা কৰিব লাগিব—তেতিয়া তুমি আগ বাঢ়িব পাৰিবা। তুমি আগ বাঢ়ি যোৱা, ভগৱানে তোমাক সহায় কৰিব। ভগৱানৰ ওপৰত বিশ্বাস ৰাখিবা।

**বাখৰ :** পৰিবেশ সংৰক্ষণত যুৱপ্ৰজন্মৰ কেনে ভূমিকা আপুনি আশা কৰে?

**উত্তৰ :** তোমালোক খুব সজাগ হ'ব লাগিব। কোনোবাই কিবা বেয়া কাম কৰিলে, লাগিলে সেয়া চৰকাৰী পক্ষই নহওক কিয়, তাৰ বিৰোধ কৰিব লাগিব। প্লাকাৰ্ড এখন লৈ হ'লেও প্ৰতিবাদ কৰিব লাগিব। এজোপা গছ একোটা স্বয়ংসম্পূৰ্ণ পৰিবেশতন্ত্ৰ। একোজোপা গছে চৰাই-চিৰিকটি, সাপ-বেং, পোক-পতংগ—এই সকলোবোৰক আশ্ৰয় দিয়ে। এজোপা গছে পূৰ্ণাংগ ৰূপ পাবলৈ ১০০ বছৰ লাগিছিল, নভবা-নিচিন্তাকৈ গছ এজোপা কটাটো কিমান ডাঙৰ কথা! আমাৰ ইয়াত কিবা প্ৰজেক্ট ল'লেই প্ৰথমে গছ কটা যায়। গতিকে সমাজ সচেতন হ'লেহে চৰকাৰ সজাগ হ'ব। আজিকালি অৱশ্যে ঘপহকৈ গছ কাটিবও নোৱাৰি বাৰু।

**বাখৰ :** আপুনি সঞ্জয় উপাধ্যায়ৰ লগত লিখা 'The Living River' কিতাপখন মূলতঃ কি বিষয়বস্তুক কেন্দ্ৰ কৰি লিখা হৈছে?

**উত্তৰ :** সঞ্জয় উপাধ্যায় হ'ল উচ্চতম ন্যায়ালয়ৰ অধিবক্তা। আমি যেতিয়া নদীবান্ধৰ বিৰোধ কৰি উচ্চতম ন্যায়ালয়ত আবেদন কৰিছিলোঁ, সেই আইনী যাত্ৰাক সামৰি 'The Living River'খন লিখা হৈছিল। আমাৰ কথা হ'ল যে নদীবিলাক বৈ থাকিব লাগে। তুমি ধৰা এটা বান্ধ নিৰ্মাণ কৰি ১৮-২০ ঘণ্টা পানী বন্ধ কৰি ৰাখিলা বা অলপ অলপকৈ এৰি দিলা আৰু গধূলি বিদ্যুতৰ চাহিদা বঢ়াত গোটেইকেইটা টাৰ্বাইন চলাই দিলা। এই যিটো প্ৰক্ৰিয়া, সি নামনিৰ নৈপৰীয়া মানুহলৈ সাংঘাতিক বিপত্তি আনে। সেইখিনি কথা লৈয়ে কিতাপখন লিখা হৈছে। আমি এই যুঁজত প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে জয়ী হৈছোঁ।

**বাখৰ :** আপোনালোকে নদী সংৰক্ষণ বা প্ৰকৃতি সম্পৰ্কীয় ক্ষেত্ৰখনত যিদৰে জড়িত, নৱপ্ৰজন্মই এনে আদৰ্শেৰে আগ বাঢ়িব খুজিলে কি পৰামৰ্শ দিব?

**উত্তৰ :** এটা ডাঙৰ কথা হ'ল যে কোনো এটা কাম কৰিবলৈ তোমাক টকাৰ প্ৰয়োজন। বিশেষকৈ পৰিবেশ সুৰক্ষাৰ কাম কৰিবলৈ হ'লে টকা-পইচাৰ প্ৰয়োজন হয়। আজিকালি অৱশ্যে এই ক্ষেত্ৰত টকা-পইচাৰ বৰ অসুবিধা নাই। ফাণ্ডিং (funding) কৰা বহুতো অনুষ্ঠান আছে, সেইবোৰৰ বিষয়ে ধাৰণা থাকিব লাগিব। মুঠতে এনে ধৰণৰ কামৰ বাবে হয় তোমাৰ হাতত বহুত পইচা থাকিব লাগিব, নহয় ক'ৰবাৰ পৰা ফাণ্ড আনিব লাগিব। পুঁজি এই ক্ষেত্ৰত অপৰিহাৰ্য উপাদান। কিন্তু লগতে এটা পৰিকল্পনাও থাকিব লাগিব। অসম্ভৱ বুলি একো নাই। মোৰ বা বন্তি বাইদেউৰ হাতত টকা-পইচা তেনেকৈ নাথাকেই, তথাপি পইচাৰ কাৰণে কেতিয়াও মন সৰু কৰা নাই। তুমি আগ বাঢ়ি যাবা, ভগৱানে তোমাক সহায় কৰিব। সহায়ৰ বাবে কোনোবা আহিব, কিবা এটা হ'ব—আৰু তুমি নিশ্চয় সফল হ'বা।

**বাখৰ :** শিক্ষাৰ্থীসকলে কেনে ধৰণৰ কিতাপ পঢ়া উচিত বুলি ভাবে?

**উত্তৰ :** তোমালোকে সকলো ধৰণৰ কিতাপেই পঢ়া উচিত। বিভিন্ন ধাৰাৰ কিতাপ আছে, তোমালোকক ছাৰ-বাইদেউহঁতে গাইড কৰিব। আমাৰ দিনততো ইমান একোৱেই নাছিল। ❖

# ভালুক আৰু সাপ

**কুহাৰ ভাৰতী**
দ্বিতীয় শ্ৰেণী

এখন জংঘলত এটা ভালুক আৰু এডাল সাপ আছিল। সিহঁত দুয়ো এদিন মাক আৰু দেউতাকক নোকোৱাকৈ ফুৰিবলৈ গৈছিল। সিহঁতে গৈ থাকোঁতে এজন মানুহ দেখিলে। মানুহজনে ক'লে, "তোমালোকে ইমান ৰাতি কি কৰি আছা? তোমালোকৰ নাম কি?" ভালুকৰ নাম বিষয় আৰু সাপৰ নাম মণিমাই। মানুহজনে ক'লে, "তোমালোক মোৰ পিছে পিছে আহা।" তাৰ পাছত দুয়ো মানুহজনৰ পিছে পিছে গ'ল। মানুহজনে এখন ট্ৰাক লৈ গৈছিল। তাৰ পাছত মানুহজনে দুয়োকে এটা বাকচত বহিবলৈ দিলে। এনেদৰে তিনিদিন পাৰ হ'ল। বিষয়ে বাকচৰ পৰা উঠি ক'লে, "বৰকৈ ভোক লাগিছে।" সেই মাতটো শুনি মণিমাই সাৰ পাই গ'ল। মণিমায়ে ক'লে, "ইমান ৰাতিপুৱাতে সাৰ পাইছ?" বিষয়ে ক'লে, "মোৰ বৰকৈ ভোক লাগিছে মণিমাই।" মণিমায়ে মানুহজনক আৰু কিমান দেৰি আছে বুলি সুধিলে।

মানুহজনে ক'লে, "আৰু বেছি দেৰি নাই।" হঠাতে ট্ৰাকখনে সন্মুখত থকা গছ এজোপাত খুন্দা মাৰিলে। তাৰ পাছত বিষয় আৰু মণিমাই ভয়তে দৌৰি দৌৰি নিজৰ ঘৰলৈ গুচি গ'ল আৰু ঘৰলৈ গৈ সিহঁতে বৰ স্ফূৰ্তি কৰিলে। ❖

# কাজিৰঙাৰ কথা



**জাহ্নৱ তালুকদাৰ**
চতুৰ্থ শ্ৰেণী

জোনে তাৰ পৰিয়ালৰ লগত কাজিৰঙালৈ গৈছিল। সিহঁতে জীপ গাড়ীত গৈছিল। সিহঁত গৈ গৈ কাজিৰঙাৰ মাজ পালেগৈ। সিহঁতৰ লগত অহা বন সুৰক্ষাকৰ্মীজনে সকলোকে মনে মনে থাকিবলৈ ক'লে। জোনে দুটা হাতীৰ পোৱালি দেখিলে। তেনেতে জোনৰ মাকে ক'লে, "সৌৱা চোৱা, এটা গঁড়ে নিজৰ পোৱালিৰ লগত খেলি আছে। লগতে কাষত ম'হ পোৱালি এটাৰ লগত তাৰ মাক-দেউতাক।" তেতিয়া জোনৰ সেইফালে চকু গ'ল আৰু সি এটা গুহাৰ ভিতৰত এটা বাঘৰ পোৱালিৰ সৈতে মাকক দেখা পালে। জোনৰ বৰ স্ফূৰ্তি লাগিল। পৰিবেশটো সি বৰ আনন্দৰে উপভোগ কৰিলে। সি জীৱ-জন্তুৰ এখন তালিকা প্ৰস্তুত কৰিলে। ঘৰলৈ আহি জোনে তাৰ বন্ধু-বান্ধৱীক কাজিৰঙাৰ বিষয়ে বহুতো কথা ক'লে। লগতে সি ইয়াকো ক'লে যে কাজিৰঙাখন দেখিবলৈ বৰ ধুনীয়া। কিয়নো বিভিন্ন ধৰণৰ চৰাই-চিৰিকটি আৰু জীৱ-জন্তুৰ লগতে বিভিন্ন ধৰণৰ ধুনীয়া ধুনীয়া গছবোৰে কাজিৰঙাখন দেখিবলৈ বৰ ধুনীয়া কৰি তুলিছে। ❖

# সপোন

**শিৰাশিস হালৈ**
তৃতীয় শ্ৰেণী

বিমানে বাতৰি চাই আছিল। বাতৰিত সুনীতা উইলিয়ামছৰ ছবি আৰু ভিডিঅ' দেখি মাকক ক'লে, "মা, ময়ো ডাঙৰ হৈ সুনীতা উইলিয়ামছৰ দৰে এদিন চন্দ্ৰলৈ যাম। চন্দ্ৰত থকা ক'লা ক'লা দাগবোৰ চাম।" মাকে মূৰত হাত বুলাই ক'লে, "হ'ব দিয়া। তাৰ বাবে তুমি সৰুৰে পৰাই পঢ়ি-শুনি ডাঙৰ হ'ব লাগিব। আকাশৰ কথাবোৰ জানিবলৈ তুমি কিতাপ পঢ়িব লাগিব।" মাকে আৰু ক'লে, "চন্দ্ৰত যে ক'লা ক'লা দাগবোৰ দেখিছা সেইবোৰ আচলতে চন্দ্ৰত থকা দ খাদহে। সেইবোৰ সৰু-ডাঙৰ কিছুমান গাঁত।" মাকৰ কথা শুনি বিমানে সপোন দেখিবলৈ ধৰিলে। সি চন্দ্ৰত ঘূৰি আছে আৰু বহুত কথা শিকি মাকৰ ওচৰলৈ ঘূৰি আহিছে। মাকে মাতোঁতে সি চঁক্ খাই উঠিল। মাকে মৰমেৰে তাক ক'লে, "ডাঙৰ হ'লে তোমাৰ সপোন এদিন পূৰণ হ'ব।" ❖

# বীৰ আৰু অৰ্ণৱৰ কথা

**সৃহান দত্ত**
তৃতীয় শ্ৰেণী



বীৰ আৰু অৰ্ণৱ ভাল বন্ধু। দুয়ো একেখন স্কুলতে পঢ়ে। এদিন স্কুলত সিহঁত শেষৰ বেঞ্চত বহিছিল। সিহঁত বহা ঠাইতে এখন খিৰিকী আছে। তেনেতে সেই খিৰিকীৰে দেখিলে আকাশত এখন উৰাজাহাজ উৰি গৈছে। তেতিয়া বীৰে অৰ্ণৱক সুধিলে, "তুমি বাৰু উৰাজাহাজৰ কথা জানানে?" অৰ্ণৱে ক'লে, "জানো, আকাশত উৰে।" বীৰে ক'লে, "আৰু কি জানা?" তেতিয়া অৰ্ণৱে ক'লে, "বাৰু তুমিয়ে কোৱাচোন।" তাৰ পাছত বীৰে উৰাজাহাজৰ বিষয়ে ক'লে যে উৰাজাহাজ য'তে-ত'তে নমাব নোৱাৰি, বহুত মানুহ উঠিব পাৰে। উৰাজাহাজৰ দুখন পাখি থাকে। পাখি দুখন ওপৰৰ ফালে বেঁকা আৰু তলফালে চেপেটা। উৰাজাহাজ বহুত ওপৰলৈ উৰিব পাৰে, বহুত দূৰলৈ যাব পাৰে।

অৰ্ণৱে তেতিয়া বীৰক ক'লে, "তুমি উৰাজাহাজৰ বহুত কথা জানা। বাৰু কোৱাচোন, উৰাজাহাজ আৰু হেলিকপ্টাৰ একে হয়নে?"

"দুয়োখন আকাশতে উৰে, একে ... লাগে"—বীৰে কয়। কিন্তু একে নহয় বুলি অৰ্ণৱে ক'লে। বীৰে সুধিলে, "কি বেলেগ কোৱাচোন?" অৰ্ণৱে ক'লে, "হেলিকপ্টাৰ য'তে-ত'তে যাব পাৰে, য'তে-ত'তে নমাব পাৰি, মানুহ কমকৈ উঠে, উৰাজাহাজতকৈ স্পীড কম। হেলিকপ্টাৰৰ পাংখা থাকে।"

আজি বৰ ভাল লাগিল। আমি এনেকৈ নতুন নতুন কথা পাতিম। তাৰ পাছত দুয়ো খেলিবলৈ যায়। ❖

# ৰাণীৰ বিলৈ

হৃদিতা বাচ্যস
দ্বিতীয় শ্ৰেণী

এখন দেশত এজন ৰজা আছিল। তেওঁৰ এজনী ৰাণী আছিল। ৰাণী বৰ খঁকুৰা স্বভাৱৰ আছিল। এদিনাখন ৰাণীৰ চিঙৰা খাবলৈ বৰ মন গ'ল আৰু চিঙৰা আনি দিবলৈ ৰজাক খাটনি ধৰিলে। উপায় নাপাই ৰজাই মানুহ পঠিয়াই এসোপা চিঙৰা আনি দিলে। ৰাণীয়ে চিঙৰা দেখি ক'ব নোৱৰা হ'ল আৰু একেলগে কেইবাটাও চিঙৰা খালে। ৰজাই অলপ কমকৈ খাবলৈ কৈছিল, কিন্তু ৰাণীয়ে ৰজাৰ কথা নুশুনিলে। ৰাতি ভাত খোৱাৰ সময় হ'ল। ৰজাই ৰাণীক ভাত খাবলৈ কৈছিল, কিন্তু ৰাণীয়ে ভাত নাখালে। ৰাণীয়ে ভোক নাই বুলি কৈ শুই থাকিল। মাজৰাতি ৰাণীৰ পেটৰ বেমাৰ আৰম্ভ হ'ল আৰু ৰজাক বাহিৰলৈ যাবলৈ লগ ধৰিলে। ৰজাই বিৰক্তিৰে নাযাওঁ বুলি ক'লে। ইফালে ৰাণীৰ অৱস্থা কাহিল হ'ল আৰু শেষত নিজেই দৌৰি গৈ শৌচালয়ত সোমাল। বহু সময় পাছতহে ৰাণী ওলাই আহিল। ৰাণীৰ অৱস্থা দেখি ৰজাই হাঁহিবলৈ ধৰিলে আৰু ৰাণীক ক'লে, "ভাল পালেও যিকোনো বস্তু বেছিকৈ খাব নালাগে।" ❖

# এহাল পাৰ চৰাইৰ কাহিনী

কাব্যনীল ভট্টাচাৰ্য্য
তৃতীয় শ্ৰেণী

এদিনাখনৰ কথা। মোৰ দেউতাই দুটা সৰু পাৰৰ পোৱালি ঘৰলৈ লৈ আহিল। দেউতাই পাৰৰ পোৱালি দুটা আনি মাক ক'লে, "পোৱালি দুটা খোৱা যদি খোৱা নহ'লে পোহা।" পাৰৰ পোৱালি দুটা মোৰ চকুত পৰিল। মোৰ পাৰ পোৱালি দুটালৈ বৰ মৰম লাগিল। মই ক'লোঁ, "মা, পাৰৰ পোৱালি দুটা মই পুহিম।" তেতিয়া মায়ে ক'লে, "পোহা।" মাৰ অনুমতি পাই মোৰ বৰ ভাল লাগিল। মই স্কুললৈ যোৱাৰ আগতে সিহঁতক চাউল, পানী দি থৈ যাওঁ আৰু মাক কৈ যাওঁ মই নহালৈকে তুমিয়ে সিহঁতক চাউল, পানী দিবা। তাৰ পাছত মই স্কুললৈ যাওঁ। স্কুলৰ পৰা আহোঁতে বাছখনে ইমান দেৰি কৰে, মোৰ ড্ৰাইভাৰ খুৰালৈ খং উঠি যায়। ইফালে মোৰ পোৱালি দুটালৈ খুব মনত পৰি থাকে। মই ঘৰ পায়েই পোৱালি দুটাৰ ওচৰলৈ দৌৰ মাৰোঁ। পোৱালি দুটাই মোৰ ফালে আগুৱাই আহে আৰু সিহঁতৰ সৰু সৰু ঠোঁটেৰে মোৰ হাত দুখনত খুঁটিয়াই দিয়ে। ইফালে মায়ে কাপোৰ নোখোলাৰ কাৰণে চিঞৰি থাকে। এনেকৈ থাকোঁতে থাকোঁতে পোৱালি দুটা অলপ ডাঙৰ হ'ল। সিহঁতে নিজে নিজে উৰিব পৰা হ'ল। এদিন মই স্কুলৰ পৰা আহি দেখিলোঁ পাৰ এটাক মেকুৰীয়ে মাৰি পেলালে। মেকুৰীটোলৈ মোৰ খং উঠি গ'ল। অকলে থকা পাৰটোক দেখি মোৰ মনটো কান্দি উঠিল আৰু চাউল, পানী দি মই তাক এৰি দিলোঁ। তেতিয়াৰ পৰাই মই ঘৰত চৰাই নোপোহোঁ বুলি মনত্মত ভাবি ল'লোঁ। ❖

# আমাৰ কাহিনী

**আৰয়ান শংকৰ দত্ত**
দ্বিতীয় শ্ৰেণী



এইবাৰ মাৰ্চ মাহত পৰীক্ষাৰ পাছৰ বন্ধত মই ডিব্ৰুগড়লৈ ফুৰিবলৈ গ'লোঁ। ডিব্ৰুগড়ত মোৰ বৰদেউতাৰ ঘৰ। বৰদেউতাৰ ঘৰত মোৰ এজনী বা আৰু এজনী সৰু ভণ্টি আছে। যদিও মোতকৈ বা ডাঙৰ, খেলৰ সময়ত কিন্তু আমি দুয়ো লগৰীয়া। মই ডিব্ৰুগড়লৈ যাম বুলি জানি বায়ে বহুত হেঁপাহেৰে ৰৈ আছিল। মই কেতিয়া আহিম বুলি ফোনত সুধি আছিল। ময়ো যাম যাম কৈ ৰৈ আছিলোঁ। ডিব্ৰুগড় গৈ পোৱাৰ পাছতে মোক দেখি বায়ে বৰ ভাল পালে, মোৰো ভাল লাগিল। আমি দুয়োটাই খেলিবলৈ ল'লোঁ। আমি বহুত স্ফূৰ্তি কৰিলোঁ। আমি দুয়োটাই কৰ্মশালাতো নাম লগালোঁ। একেলগে গান গালোঁ, নাটক কৰিলোঁ। ঘৰৰ সকলোৰে লগত ফুৰিবলৈ গ'লোঁ, তিনি ঠাইত ফুৰিবলৈ গ'লোঁ। এদিন নাচলৈও গ'লোঁ। পানী গচকিলোঁ। বাৰ লগত লুডু, কেৰম, বেডমিণ্টন আদি বহুত খেল খেলিলোঁ। ছুইমিং পুলত সাঁতুৰিলোঁ। কিন্তু খেলৰ সময়ত সদায় স্ফূৰ্তিয়ে নহয়, কাজিয়াও হয়। এদিন চাইকেলখন চলোৱাৰ কথা লৈ কাজিয়া হ'ল। মই বিচৰা সময়ত বায়ে চাইকেল চলাবলৈ নিদিলে। ক'লে এইখন মোৰ চাইকেল, মোক চলাবলৈ দিয়া। বেলেগ এদিন দেউতাই গছৰ পৰা হেলচ গুটি ছিঙি আনিছিল। মায়ে হেলচ গুটিখিনি দুয়োটাকে ল'বলৈ কৈছিল, কিন্তু বায়ে অকলেই ল'লে। সেইখিনি চুবলৈও নিদিলে। অকলেই ধুলে আৰু মোক ওচৰত থাকিবলৈও নিদিলে। এদিন বায়ে বেৰত এখন ছবি আঁকিলে। মই অঁকা নাছিলোঁ। বেৰত ছবি অঁকা দেখি দেউতাই খুব খং কৰিলে। দেউতাই খং কৰা সময়ত বায়ে মিছাকৈ মই আঁকিছোঁ বুলি ক'লে। বাৰ কথাত খং উঠিল। তেতিয়া মোৰ মনটো বৰ বেয়া লাগিল। মিছা কথা কোৱাৰ বাবে বাক আজিৰ পৰা মোক নামাতিবা বুলি ক'লোঁ। বায়েও নামাতোঁ যোৱা বুলি কৈ কোঠা এটাত সোমাই থাকিল। ময়ো তেতিয়া কোঠা এটাত সোমাই থাকিলোঁ। এক ঘণ্টামান অকলে অকলে কোঠাত থাকি মোৰ মনটো বেয়া লাগিল। বাৰ লগত খেলি থাকিলেহে মনটো ভাল লাগে। সেই কাৰণে বাক মাতিবলৈ যাওঁ বুলি ভাবিলোঁ। মই কোঠাটোৰ দুৱাৰ খুলিছোঁহে, দেখিলোঁ দুৱাৰৰ মুখতে বা ৰৈ আছে। বায়ে মোক ছ'ৰী ক'লে। লগে লগে মোৰ মনটো ভাল লাগিল। আমি আকৌ আগৰ দৰে স্ফূৰ্তি কৰি খেলিবলৈ ল'লোঁ। আমি যে কাজিয়া কৰিছিলোঁ পাহৰিয়ে গ'লোঁ। ❖

# জোনাক আৰু জবা

**গাৰ্গ্য ঋষি গোস্বামী**
তৃতীয় শ্ৰেণী



জোনাক আৰু জবাই বিহুৰ সময়ত ছিকিমলৈ ফুৰিবলৈ গৈছিল। জবা জোনাকৰ খুৰাকৰ ছোৱালী। সিহঁত আটায়ে প্ৰথমে ৰেলেৰে যাত্ৰা আৰম্ভ কৰিছিল। কিছুদূৰ যোৱাৰ পাছত ৰেলত নানা তৰহৰ খোৱাবস্তু বিক্ৰী কৰা বেপাৰী ঘূৰি ফুৰিছিল। বস্তুবোৰ দেখি জবা আৰু জোনাকে কিনিবলৈ হুলস্থূল লগালে। মাকহঁতে দুয়োকে কৈছিল—"জবা, জোনাক, তোমালোকে এই বস্তুবোৰ নাখাবা। পেটৰ অসুখ হ'ব, তেতিয়া তোমালোকে ফুৰা-চকা কৰিব নোৱাৰিবা।" জোনাকে দুই-এটা বস্তু কিনি খালে যদিও পাছলৈ মাকৰ কথা শুনিলে। কিন্তু জবাই মাকৰ কথা নুশুনি সেইবোৰ এটাৰ পাছত এটা খায়েই থাকিল। গধূলি জবাহঁত ছিকিমৰ ৰাজধানী গেংটক গৈ পালে। পাছদিনাখন সিহঁতে ৰাতিপুৱাই ছিকিমৰ বিভিন্ন ঠাই চাবলৈ ওলাল। ছিকিম এখন পাহাৰীয়া ঠাই। ঠাইখন বৰ ধুনীয়া। জোনাকে যিমান পৰি সিমান সোনকালে ঠাইবোৰ চাবলৈ বিচাৰিছিল। কাৰণ সিহঁতে তেতিয়া এদিনতে কেইবাখনো ঠাই চাব পাৰিব। কিন্তু জবাৰ বাটৰ কাষৰ দোকানবোৰতহে চকু। তাই দোকানবোৰৰ পৰা বিভিন্ন বস্তু কিনি খাবলৈ দেউতাক-মাকক আমনি কৰিছিল। মাক-দেউতাকে তাইক খং কৰিছিল যদিও তাই কাৰো কথা শুনা নাছিল। জবাই জোনাকক সুধিছিল, "তোমাৰ একো খাবলৈ মন যোৱা নাইনে?" জোনাকে কৈছিল, "মোৰো মন গৈছে, কিন্তু এনেকৈ বাটে বাটে ৰৈ ৰৈ গৈ থাকিলে আমাৰ ঠাইবোৰ ফুৰাই নহ'ব। ইতিমধ্যে বহুত গাড়ী আমাতকৈ আগ বাঢ়িল। আমি পাছত মাহঁতৰ লগত একেলগে ভালদৰে কিবা খাম আহা।" কিন্তু জবাই সেইবোৰ কথালৈ গুৰুত্ব নিদিলে আৰু চিপ্‌ছ, চক্‌লেট, মেগী, মম', ক'ল্ড ড্ৰিংকছ আদি ওপৰা-উপৰিকৈ খালে। এনেদৰে দুদিন যোৱাৰ পাছত জবা বেমাৰত পৰিল। তাই কেইবাবাৰো বমি কৰিলে আৰু তাইৰ জ্বৰো উঠিল। জবাক লৈ সকলো চিন্তাত পৰিল। তাই একো খোৱা-বোৱা কৰিব নোৱৰা হ'ল। তাই ফুৰা-চকা কৰি, আনন্দ কৰিব নোৱৰা হ'ল। ঘৰলৈ ঘূৰি অহাৰ দিনালৈ তাই সুস্থ নহ'ল। জবাক চিকিৎসালয়ত ভৰ্তি কৰিবলগীয়া হ'ল। ডাঙৰৰ কথা নুশুনি আঁকোৰগোঁজ হোৱাৰ বাবে জবা বিপদত পৰিল। কিন্তু জোনাকে কথাবোৰ বুজি লোৱা বাবে ভ্ৰমণৰ আনন্দ লাভ কৰিলে। ❖

# সাপ আৰু ঈগল

**নীলিম আকাশ মহন্ত**
তৃতীয় শ্ৰেণী

এসময়ত এডাল বুধিয়ক সাপ আছিল। এদিনাখন সাপডালে খোৰাবস্তু বিচাৰি যাওঁতে হঠাৎ এটা ডাঙৰ ঈগল দেখা পালে। সি বৰ ভয় খালে। ঈগলটোৱে সাপডাল দেখি খেদি আহিল। তেতিয়া সাপডালে ক'লে, "ৰ'বা, ৰ'বা, তুমি মোক অলপ পাছত খাবা।" সাপডালে হাঁহি হাঁহি ক'লে, "মই জানো তুমি ভাল তাল বজাব জানা, গতিকে তুমি তাল বজোৱা আৰু মই নাচোঁ। তাৰ পাছত তুমি মোক খাব পাৰিবা।" সাপৰ কথাত ঈগলটোৱে তাল বজাবলৈ ধৰিলে আৰু সাপটোৱে নাচিবলৈ ধৰিলে। ঈগলটোৱে সাপডালক খাবলৈ পাম বুলি মনৰ আনন্দতে চকু মুদি তাল বজাবলৈ ধৰিলে। এই ছেগতে সাপডালে দৌৰি পলাই গাঁতৰ ভিতৰত সোমাল। ঈগলটোৱে চকু মেলি দেখা পালে, সাপডাল তাত নাই। সি দুখতে উৰি গুচি গ'ল। ❖

# ৰিয়াৰ পৰীক্ষা

**দৰ্শালী দত্ত**
চতুৰ্থ শ্ৰেণী

এখন গাঁৱত দুজনী বান্ধৱী আছিল। সিহঁতৰ নাম আছিল ৰিয়া আৰু চিয়া। দুয়োৰে ঘৰ ওচৰা-উচৰি। দুয়ো সদায় একেলগে স্কুললৈ গৈছিল। সিহঁতে সদায় একেলগে ফুৰিবলৈও গৈছিল।

ৰিয়া আৰু চিয়াৰ বছৰেকীয়া পৰীক্ষা চলি আছিল। অসমীয়া আৰু বিজ্ঞানৰ পৰীক্ষা শেষ হৈছিল। সেইদিনা চিয়াই দেউতাকৰ লগত গাড়ীৰে স্কুললৈ গৈছিল। ৰিয়াই অকলে পৰীক্ষা দিবলৈ গৈছিল। ৰিয়াই চাইকেল চলাই স্কুললৈ গৈছিল। সিদিনা সিহঁতৰ গণিতৰ পৰীক্ষা আছিল। ৰিয়াই বেগেৰে চাইকেল চলাইছিল। হঠাতে আইতা এগৰাকী ৰিয়াৰ চাইকেলৰ আগত পৰিল। আইতাগৰাকী ৰাস্তাত পৰি গ'ল। ৰিয়াই চাইকেলৰ পৰা নামি আইতাজনীক থাপ মাৰি ধৰিলে। ৰিয়াই দেখিলে আইতাগৰাকীৰ মূৰৰ পৰা তেজ ওলাইছে। তাই তেওঁক হাতত ধৰি উঠাই দিলে। তাই তেওঁক চিকিৎসকৰ ওচৰলৈ লৈ গ'ল। চিকিৎসকে তেওঁক ঔষধ দিলে, বেজী দিলে আৰু মূৰত বেণ্ডেজ মাৰি দিলে। আইতাগৰাকীয়ে ৰিয়াক ধন্যবাদ দি ঘৰলৈ গুচি গ'ল। লগে লগে ৰিয়া স্কুললৈ বুলি চাইকেল চলাই দিলে। ৰিয়া স্কুল গৈ পাওঁতে ৯.৩০ বাজিল। ইফালে চিয়াই ৰিয়া আহি নোপোৱাৰ বাবে চিন্তা কৰি আছিল। তাই ৰিয়াক দেখি বাহিৰলৈ ওলাই গ'ল। ৰিয়াই চিয়াক দেখি কান্দি কান্দি সকলো কথা বিৰৰি ক'লে। চিয়াই ৰিয়াৰ হাতত ধৰি শ্ৰেণীশিক্ষকৰ ওচৰলৈ গ'ল। সিহঁতে ছাৰক সকলো কথা বিৰৰি ক'লে। চিয়া আৰু ৰিয়াই ছাৰক অনুৰোধ কৰিলে যাতে ৰিয়াক ছাৰে পৰীক্ষা দিবলৈ দিয়ে। দুয়োৰে কথা শুনি শ্ৰেণীশিক্ষকে বৰ ভাল পালে। আইতাগৰাকীক সহায় কৰাৰ বাবে ছাৰে ৰিয়াক প্ৰশংসা কৰিলে। তেওঁ ৰিয়াক পৰীক্ষা দিবলৈ দিলে। ছাৰে ৰিয়াক পৰীক্ষাৰ বাবে অলপ সময় বেছিকৈও দিলে। পৰীক্ষা শেষ হোৱাৰ পাছত দুয়ো হাঁহি হাঁহি ঘৰলৈ গুচি গ'ল। ❖

# দেওবৰীয়া দিনটো

**নৈবেদ্যী শৰ্মা**
চতুৰ্থ শ্ৰেণী



আজি দেওবাৰ। নিকিৰ যে কিমান স্ফূৰ্তি ! দেওবাৰৰ দিনটোত নিকিয়ে ঘৰৰ ওচৰৰে বান্ধৱী ৰাখীৰ লগত বহুত সময় খেলে। নিকিহঁতৰ ঘৰৰ সন্মুখত খেলিবলৈ অলপ মাটি আছে। তাত দুই-তিনিজোপামান ফুলৰ গছৰ বাহিৰে আন একো নাই। "নিকি, অ' নিকি," ৰাখীয়ে চিঞৰি মাতিলে। ৰাখীৰ মাত শুনি নিকি দৌৰি ওলাই গ'ল। লগতে তাই খেলনাৰ মোনাখনো লৈ গ'ল।

"ৰাখী, আজি পাছে কি খেলিবা?" "ৰ'বা, আগতে আমি বহিবৰ কাৰণে বস্তাখন পাৰি লওঁ, তাৰ পাছত ভাবিম।" সিহঁতে আজি দৰা-কইনা খেলিব বুলি আলোচনা কৰি পুতলাকেইটা উলিয়াইছিলহে, ক'ৰ পৰা জানো আপদীয়া বৰষুণজাক হৰহৰকৈ পৰিবলৈ ধৰিলে। "ইচ্ ৰাম, দৌৰা দৌৰা, আমি তিতিম এতিয়া, পুতলা লোৱা, ৰাখী।" এইবুলি দুয়ো দৌৰাদৌৰিকৈ খেলনা বস্তুবোৰ লৈ ঘৰত সোমাল। দুয়োৰে মন দুখেৰে ভৰি পৰিল। নিকিৰ দেউতাকে দুয়োকে দুখ নকৰিবলৈ ক'লে আৰু ভিতৰতে বহি খেলিবলৈ ক'লে।

ৰুমৰ ভিতৰত কি খেল খেলিব দুয়ো ভাবিবলৈ ধৰিলে। "ইমান কম ঠাইত খেলিবলৈ ভাল নালাগে মোৰ," ৰাখীয়ে ক'লে। নিকিয়ে আকৌ ভিতৰত দৰা-কইনা নেখেলে, কাৰণ দৰা-কইনাৰ মাক হ'বলৈ তাইৰ লাজ লাগে দেউতাকৰ সন্মুখত। সিহঁতে লুডু খেলিবলৈ থিৰাং কৰিলে। নিকিয়ে খেলত আগ বাঢ়ি থকা বাবে ৰাখীয়ে দুষ্টামি কৰিবলৈ ধৰিলে। নিকিয়ে "কিয় এনে কৰিছা?" বুলি দুয়ো কাজিয়া কৰিবলৈ ধৰিলে। ৰাখীয়ে লুডুখন ফালি দুফাল কৰিলে। নিকিয়ে কান্দিবলৈ ধৰিলে। মাকে দৌৰি আহি নিকিয়ে কিয় কান্দিছে সোধাত তাই লুডুখন দেখুৱাই দিলে আৰু ৰাখীয়ে যে ফালি পেলালে সেইটোও ক'লে। লুডুৰ গুটিবোৰো চাৰিওফালে দলিয়াই দিলে বুলি ক'লে।

নিকিৰ মাকে ৰাখীক বুজালে, "ৰাখী, তেনেকুৱা কৰিব নাপায় নহয়। আজি লুডুখন যে ফালি পেলালা কালিলৈ তোমালোকে কেনেকৈ খেলিবা? তুমিনো কিয় এনে কৰিলা?" "খুৰী, নিকি মোতকৈ আগ বাঢ়ি আছিল বাবে এনে কৰিলোঁ।" "ইচ্ ৰাম, তুমি এবাৰ হাৰিলে পাছৰবাৰ জিকিবা নহয়, মিলি-জুলি খেলিব লাগে। খেলত হৰা-জিকা থাকেই। তোমালোকে সেইটো মানিব পাৰিব লাগিব। এইখিনি সহ্য কৰিব পৰা গুণ থাকিলেহে ডাঙৰ হ'লে তোমালোকে ডাঙৰ ডাঙৰ খেলবিলাকত অংশগ্ৰহণ কৰিব পাৰিবা।" "খুৰী, মোৰ ভুল হৈ গ'ল," ৰাখীয়ে কান্দি কান্দি ক'লে। "নিকি, মোক ক্ষমা কৰি দিয়া, মই তোমাক এখন নতুন লুডু কিনি দিম।" "নতুন লুডু কিনি দিব নালাগে দিয়া, আমি এইখনকে দেউতাক আঠা লগাই ঠিক কৰি দিবলৈ কওঁ।" এইবুলি দুয়ো নিকিৰ দেউতাকৰ ওচৰলৈ গ'ল। দেউতাকে ভাল কৰি দিয়াৰ পাছত দুয়ো মিলি-জুলি খেলিবলৈ ধৰিলে। ৰাখীয়ে আজিৰ পৰা একো খেলাবস্তু বেয়া নকৰোঁ বুলি প্ৰতিজ্ঞা কৰিলে। ❖

# এজাক বৰষুণৰ অপেক্ষাত

**ৰশ্মিনন্দা কলিতা**
পঞ্চম শ্ৰেণী



"ঐ নীলি, উঠ। সাত বাজিলেই, স্কুললৈ নাযাৱ নেকি? সোনকালে উঠ।" মাকে এবাৰ-দুবাৰকৈ তিনি নম্বৰবাৰ নীলিক শোৱাপাটী এৰিবলৈ জগাই থৈ গ'ল। নাই, নীলিৰ কোনো কাণসাৰেই নাই। তাইৰ পাঁচ বছৰীয়া ভনীয়েকজনীয়ে তাইতকৈ আগতেই নিজে সাৰ পাই বিছনাৰ পৰা নামি আহি মাকৰ ওচৰলৈ দৌৰ মাৰিলে। মাকে তাইক মুখ-হাত ধুৱাই দি ক'লে, "এতিয়া কিতাপ-বহী ভৰাই কিবা এটা খাই গা-পা ধুই স্কুললৈ যোৱা।"

মাকৰ কথা শুনি তাই ক'লে, "তুমিও যে আৰু! আজি দেখোন দেওবাৰ।"

মাকে ক'লে, "অ, মই পাহৰিয়েই গৈছিলোঁ। তুমি বাক জগাই দিয়াগৈ যোৱা।" ঠিক আছে বুলি কৈ তাই শোৱনিকোঠালৈ লৰ মাৰিলে। তাই বায়েকক বহুবাৰ মাতিও উঠাব নোৱাৰি ভাগৰি পৰিল। তাই মাকৰ ওচৰলৈ গৈ "বা উঠা নাই" বুলি ক'লে। মাকে এইবাৰ অলপ পানী আনি তাইৰ মুখত ছটিয়াই দিলে। এইবাৰ তাই সাৰ পাই বিছনা এৰি টুথব্ৰাছ আনিবলৈ গ'ল। যাওঁতে চিঞৰি চিঞৰি কৈ গ'ল, "আজি দেওবাৰ, আনদিনাতো শুবলৈ নাপাৱেঁই, আজিও শুব নিদিয়া।" তাইৰ মাক আৰু ভনীয়েকৰ ওপৰত খঙেই উঠি থাকিল। তাই সিদিনা সমনীয়াৰ সৈতে খেলিবলৈও নগ'ল। তাইৰ খংটোৰ কথা মাকে জানে। তাই গোটেই দিনটো সকলোকে গালিয়েই পাৰি থাকিব। পাছদিনাহে খং কমে। তাইক মাকে ৰাতিপুৱাৰ ভাতসাঁজ খাবলৈ মাতিলে। তাই পঢ়া টেবুলৰ পৰা খং ভাবেৰেই ডাইনিং টেবুললৈ গ'ল। ভাতখিনি খাবলৈ দি মাকে চাকি জ্বলাবলৈ গ'ল। মাকে থাপনাৰ ওচৰত বহি চাকি এগছি জ্বলাই প্ৰাৰ্থনা কৰি ক'লে, "হে প্ৰভু, এজাক বৰষুণৰ অপেক্ষা কৰি আছোঁ মই। বৰষুণজাকেহে নীলিৰ খংটো কমাব। নহ'লে তাই সকলোকে গালি পাৰি ফুৰিব।" মাকে সেৱা কৰি আহি নীলিৰ ওচৰতে ভাত খাবলৈ বহিল। নীলিৰ মাকে বুজনিৰ সুৰত ক'লে, "তইনো সকলো কথাতে খং কিয় কৰ। আমি ভালৰ বাবেহে সোনকালে উঠিবলৈ কওঁ। যদি দেওবাৰে সোনকালে নুঠা, তেনেহ'লে সোমবাৰে সোনকালে উঠি স্কুললৈ গ'লে টোপনিৰ অনুভৱ হ'ব। তাই একো নোকোৱাকৈ ভাতখিনি খাই কাঁহীখন থেকেচা মাৰি থৈ খিৰিকীখনৰ ওচৰতে থকা বিছনাখনত বহি ৰঞ্জু হাজৰিকাৰ কিতাপ এখন পঢ়িবলৈ বুলি উলিয়াই ল'লে। হঠাৎ বতৰটো বেয়া হৈ গ'ল। মুকলি আকাশখন মেঘে গোমা কৰি পেলালে। নীলিয়ে গম পালে যে তাইৰ প্ৰিয় বৰষুণৰ বতৰ আজিও হ'ব। তাই আনন্দত আত্মহাৰা হৈ পৰিল। এনেতে বৰষুণ দিবলৈ আৰম্ভ কৰিলেই। তাইৰ খং, দুখ, অভিমান সকলো বৰষুণৰ পানীয়ে ধুৱাই নিলে। তাই কেঁচা মাটিৰ গোন্ধ বৰ ভাল পায়। আজিও সেই গোন্ধটো তাই পালে। তাইৰ মুখৰ পৰা ভাহি আহিল এটি গীতৰ কলি—"ক'ৰ এজাক সপোন যেন বৰষুণ...।" ❖

# জন্মদিনৰ উপহাৰ

**নিয়ৰ তালুকদাৰ**
পঞ্চম শ্ৰেণী



অনু আৰু মন দুয়ো নলে-গলে লগা বন্ধু আছিল। অনু আৰু মনে লগ হৈ কোঠাৰ ভিতৰত সোমাই, মনে জন্মদিনত পোৱা নানাৰঙী পেকেটৰ বস্তুবোৰ খুলি চাবলৈ ধৰিলে। দুয়ো পেকেটবোৰ খুলি গ'ল। দামী ৰিম'ট কণ্ট্ৰ'ল গাড়ী, প'কেমন কাৰ্ড, পেন্সিল, টি-চাৰ্ট, ৰং পেন্সিল, চকলেট, পানীৰ বটল, টিফিন আদি পাই উৎফুল্লিত হৈছে আৰু কিছুমান উপহাৰ খোলাৰ লগে লগে মনৰ কপাল কোঁচ খাই গ'ল। সময় তেতিয়া ৰাতি দহ বাজিবৰ হৈছে। মনৰ মাক-দেউতাকে বেডৰুমত বহি জন্মদিনটোৰ বিষয়ে আলোচনা কৰি আছে। কিমান যে ভাল হৈছে খানাটো, কেক, জুচ, চিকেন পকৰা, পোলাও, চিলি চিকেন আদি খাবলৈ ভাল হৈছে আৰু ডেকৰেছনো ভাল হ'ল ইত্যাদি। তেনেতে কলিং বেলটো বাজি উঠিল। অনুৱে মনৰ মুখলৈ চালে আৰু ক'লে, "অই কোনোবা আহিছে নেকি?" দেউতাকে আহি দৰ্জাখন খুলি দিলে আৰু ক'লে, "মন, চোৱাহিচোন।" সি মাতটো শুনি গম পালে যে সেয়া ৰতন ককা। মনে মুখখন বিকটাই ক'লে, "ককাইনো আৰু কিনো আনিব?" ককাকে তাক বিচৰাত ওচৰলৈ আহি সি ককাকৰ হাতৰ গিফ্টৰ টোপোলাটোলৈ চকু গ'ল আৰু তাৰ পাছত সি মুখস্থ মতাদি কি কি যে দামী দামী উপহাৰ পাইছে এফালৰ পৰা কৈ গ'ল। ৰতন ককাকৰ বুকুখন চিৰিংকৈ গ'ল। মনতে ভাবিলে আজিকালি মানুহবোৰে নানাৰঙী উপহাৰ দিয়ে, কিন্তু কোনেও এখনো কিতাপ উপহাৰ হিচাপে দিয়া নাই। ৰতন ককাই এইবাৰ ক'লে, "বুজিছ মন, কোনে কিমান দামী উপহাৰ দিছে সেইটো ডাঙৰ কথা নহয়। সকলোৱে মৰমতে কিবা নহয় কিবা এটা দিছে। গতিকে জানি থ'বি, পৃথিৱীৰ সকলো বস্তু খন্তেকীয়া। মৰমবোৰহে যুগমীয়া, সামান্য কিতাপখন তোক মই দিছোঁ। তই পঢ়িবি আৰু তাৰ জ্ঞানখিনি ল'বি। এটা কথা মনত ৰাখিবি সদায়, জ্ঞান কোনেও কাঢ়ি নিব নোৱাৰে আৰু খন্তেকীয়াও নহয়, ই চিৰস্থায়ী হয়।" ককাকৰ কথাখিনি শুনাৰ পাছত মনৰ চকু চলচলীয়া হ'ল আৰু ককাকৰ ভৰি দুখন চুই ক'লে, "ককা, মোক ক্ষমা কৰিব, আপোনাৰ এই উপহাৰটোৱেই শ্ৰেষ্ঠ। তাতকৈ মোক ডাঙৰ উপহাৰ নালাগে।" ❖

# প্ৰিয়াৰ কাহিনী

**স্পৃহা নেওগ**
পঞ্চম শ্ৰেণী

প্ৰিয়াৰ স্কুলত কবিতা লিখাৰ প্ৰতিযোগিতা আছিল। প্ৰিয়াৰ কবিতা লিখাত বৰ আগ্ৰহ নাই। কিন্তু ঘৰত মাকে জোৰ দি কৈছে—যি পাৰ লিখিবিচোন। প্ৰিয়াই কবিতা লিখাৰ প্ৰতিযোগিতাত যোগদান নকৰাকৈ মাকক মিছাকৈ কৰিলোঁ বুলি ক'ম বুলি ভাবিছিল, কিন্তু লগৰ কেইবাজনীয়েও যোগদান কৰাৰ বাবে তায়ো যোগদান কৰিলে। স্কুলত দিয়া বিষয় অনুসৰি প্ৰিয়াই প্ৰতিযোগিতাত কবিতা এটা লিখিলেও। প্ৰিয়া ঘৰলৈ আহি পোৱাৰ পাছত মাকে কি কবিতা লিখিলি বুলি সুধিলে। প্ৰিয়াই যেনে-তেনে দুশাৰীমান মনত পেলালে। তাৰ পাছত আৰু কি লিখিছিল মনত পেলাব নোৱাৰিলে। মাকো আঁকোৰ গোঁজ, বাৰে বাৰে সুধিছে শেষত কি লিখিলি সেইটোকে কচোন। প্ৰিয়াই টপৰাই ক'লে, "সেইটোতো মনত আছেই।" মাকে ক'লে, "তাকে সুধিছোঁ ক।" প্ৰিয়াই ক'লে, "শেষত '।' (দাড়ি) দিলোঁ আকৌ।" এবাৰ প্ৰিয়াৰ দেউতাকৰ কঁকালৰ বিষ হ'ল। তললৈ একেবাৰে হালিবই নোৱাৰে। তলত থকা কিবা এটা বস্তু উঠাই দিবলৈ প্ৰিয়াৰ দেউতাকে তাইক মাতিলে। দেউতাকে প্ৰিয়াক ক'লে, "মই তললৈ হালিব নোৱাৰোঁ, তুমি এই বস্তুটো মোক তুলি দিয়াচোন।"

প্ৰিয়াই দেউতাকক চিনেমাৰ ষ্টাইলত উত্তৰ দিলে, "অ' তুমি মানে পুষ্পা, ঝুকেগা নেহী।"

এদিন প্ৰিয়াৰ মাকে কেইটামান আঙুৰ দি প্ৰিয়াক ক'লে, "ইয়াৰে আধা খোৱা আৰু আধা ভণ্টিলৈ থৈ দিবা।"

প্ৰিয়াই প্ৰতিটো আঙুৰৰ আধা খাই, এফাল এফাল আঙুৰ থৈ দিলে।

সেইদিনা প্ৰিয়াৰ স্কুল বন্ধ। প্ৰিয়া দিনৰ দিনটো ঘৰতে সোমাই আছে। আবেলিটো প্ৰিয়াই বিছনাত পৰি ম'বাইলত গেম খেলি আছে। প্ৰিয়াক দেখি দেখি মাকৰ খং উঠিল আৰু ক'লে, "কিমাননো ভিতৰতে সোমাই থাক। অকণমান বাহিৰলৈ ওলাই গৈ খেলগৈচোন যা।" প্ৰিয়াই এইবাৰ বিছনাৰ পৰা উঠি বাহিৰলৈ গৈ ম'বাইলত গেম খেলাত লাগিল। ❖

# নিৰ্ভৰশীলতা

**কাব্যজ্যোতি বৰুৱা**
পঞ্চম শ্ৰেণী

ল'ৰাজনে সৰুৰে পৰাই চকুৰে কম দেখে। তাৰ নাম অনন্ত আৰু বয়স ৫ বছৰ। সি যে চকুৰে কম দেখে সেই কথা গাঁৱৰ সকলোৰে জানে। সি যিমানে ডাঙৰ হৈ গ'ল সিমানে দৃষ্টিশক্তি কমি আহিল। কাৰণ তাৰ স্নায়ুৰ ৰোগ আছিল। চছমা পিন্ধিও তাৰ কোনো কামত নাহিল। অৱশেষত সি এডাল লাঠী লৈ চলা-ফিৰা কৰিবলৈ ল'লে।

দিন বাগৰিল। লাঠীডাল ব্যৱহাৰ কৰি কৰি সি লাঠীডালৰ ওপৰত ইমানেই নিৰ্ভৰশীল হৈ পৰিল যেন লাঠীডাল তাৰ দেহৰ অংগহে।

এদিনৰ কথা। সি লাঠীডাল লৈ বাটেৰে গৈ আছিল। লাঠীডাল তাৰ চেঁচা চেঁচা লাগিল। সি হ'লেও মন নিদিলে। সি বাটটো পাৰ হৈয়ে আছে। এনেতে কোনোবাই চিঞৰিলে, "ঐ অনন্ত তোৰ লাঠীডালত এডাল সাপ পাক খাই আছে।" সি লাঠীডাল দলিয়াই দিবলৈ লওঁতেই ভাবিলে লাঠীডাল দলিয়ালে দেখোন সি বাটটো পাৰ হ'ব নোৱাৰিব। গাড়ীয়ে

চেপিব। ইফালে লাঠীডাল ধৰি থাকিলে সাপে খুঁটিব। অলপ ভাবি অনন্তই লাঠীডাল লৈয়েই বাটটো পাৰ হ'ল। তাক সাপে খুঁটি মাৰিলে। অনন্ত লাঠীডালৰ ওপৰত ইমানেই নিৰ্ভৰশীল হৈ পৰিছিল যে সি তাৰ কিঞ্চিত দৃষ্টিশক্তিৰ আশ্ৰয় ল'বলৈ কুণ্ঠাবোধ কৰিলে আৰু তাৰ আশ্ৰয়েই তাৰ কাল হ'ল। ❖



# কাল্পনিক যাত্ৰা

**নিবিড় সুবাস কাশ্যপ**
পঞ্চম শ্ৰেণী

মই বিমানবন্দৰলৈ আহি ভাবিলোঁ— "আমেৰিকালৈ গৈনো কি কৰিম? অ! মাছাচুছেট্‌ছ গৱেষণাগাৰলৈ যোৱাই ভাল হ'ব।" তাৰ পাছত? প্লেনত উঠিলোঁ আৰু আমেৰিকালৈ চুইইইইইই! আমেৰিকা পাই ভাবিলোঁ, "লাগিল নহয় লেঠা! ইফালে ভাৰতত ক্ৰিকেট মেচ। মোক খেলিবলৈ মাতিছে আৰু আনফালে আমেৰিকাত গৱেষণা আৰু চিত্ৰৰ চিন্তা। কি কৰোঁ এতিয়া!" তাৰ পাছত মই ৰুমলৈ গৈ কাপোৰ সলাই অলপ সময় আৰাম কৰিলোঁ। যিহেতু আমেৰিকা ৰাতিপুৱা ছয় বজাতে পাইছিলোঁ, সেয়েহে অলপ সময় জিৰণি লৈ মাছাচুছেট্‌ছ গৱেষণাগাৰলৈ দিলোঁ দৌৰ। লগত লৈ গ'লোঁ টাইম মেচিনটো। কাৰণ টাইম মেচিনটোৰ সহায়ত মানুহ বা যিকোনো বস্তু এটা কেৱল অতীতলৈহে যাব পাৰে। অৱশ্যে ভৱিষ্যতলৈও যাব পাৰি, কিন্তু এতিয়াও মানুহ ভৱিষ্যতলৈ যাব পৰা হোৱা নাই। কিন্তু মই গৱেষণাৰ যোগেদি যাব পৰা কৰিম। তাৰ পাছত দুপৰীয়া এক বজাত গৱেষণা শেষ কৰি ৰুমলৈ গ'লোঁ। ৰুমলৈ গৈ থাকোঁতেই হঠাৎ মোৰ ভাগ্য ফুলিল। মানে ফোনটো বাজিল। ফোনটো ৰিচিভ কৰাত সিফালৰ পৰা ক'লে, "ড° নিবিড় সুবাসৰ তাতেই লাগিছেনে?"

"হয়। ময়েই ড° নিবিড়।"

"অ', হয় নেকি? তেনেহ'লে আপোনাৰ বাবে এটা ভাল খবৰ আছে।"

"কি ভাল খবৰ?"

"আমি জানো যে আপুনি গৱেষণাৰ বাবে আমেৰিকালৈ গৈছে। ভাল খবৰটো কোৱাৰ আগতে আপোনাক কথা এটা সোধোঁ—আপুনি কেতিয়ালৈ গৱেষণাৰ পৰা মানে আমেৰিকাৰ পৰা ভাৰতলৈ আহিব?"

"মই... আগষ্টৰ এক তাৰিখে যাম।"

"তেনেহ'লে সকলো ঠিকে আছে।"

"সকলো ঠিকে আছে মানে?"

"মানে, ভাল খবৰটো হ'ল ভাৰতত যিদিনা ক্ৰিকেট মেচ হ'ব সেইদিনা মেচখন অনুষ্ঠিত নকৰি আপুনি ভাৰতলৈ অহাৰ পাছত মানে ১৯ আগষ্টত আমি আপোনাৰ বাবে মেচখন অনুষ্ঠিত কৰিছোঁ। আপুনি সেইদিনা আহি যাব।"

"কিন্তু আপুনি মোৰ বাবে..."

"আপোনাৰ বাবেইতো কৰিব লাগিব। কাৰণ আপুনি নহ'লে আমাৰ দলটো বিকল হৈ নাযাব জানো?"

(উৎফুল্লিত হৈ) থেংক ইউ! থেংক ইড ছ' মাচ্চ! এইবুলি ফোনটো কাটি দিলোঁ। এক অবুজ আনন্দ বিৰাজ কৰিছিল মোৰ মনত। তাৰ পাছত আনন্দ মনেৰে মই মোৰ ৰুমলৈ খৰ গতিৰে খোজ দিলোঁ।

এক আগষ্টত গৱেষণা শেষ কৰি গ'লোঁ ভাৰতলৈ। ভাৰতত উপস্থিত হৈয়ে মই বৰ শান্তি পাইছিলোঁ। অৱশেষত আহিল ১৯ আগষ্টৰ দিনটো।

ষ্টেডিয়ামত উপস্থিত হৈ চাৰিওফালে চালোঁ, মানুহেই মানুহ। তাৰ পাছত মেচ আৰম্ভ হ'ল। প্ৰথমতেই মই বেট ধৰিলোঁ। মাৰিলোঁ নহয় ছয়ৰ ওপৰত ছয়। শেষত আমি ৪৫৪ ৰাণত জিকিলোঁ। চাৰিওফালে চিঞৰ—"নিবিড়, নিবিড়, নিবিড়..."

সেই সময়ত বৰ গৰ্ব অনুভৱ কৰিছিলোঁ। হঠাৎ শুনিলোঁ, সেই প্ৰশংসাৰ চিঞৰ মাৰ মাতৰ নিচিনা হৈছে আৰু প্ৰশংসাৰ ঠাইত গালিহে শুনা গৈছে—"ঐ নিবিড়, উঠিবিনে নাই? স্কুললৈ নাযাব নেকি?"

মই খক্‌মককৈ সাৰ পালোঁ আৰু ভাবিলোঁ, "এয়া সপোনহে আছিল নেকি?" মই বিছনাৰ পৰা উঠিলোঁ আৰু ভাবিবলৈ ধৰিলোঁ, "এয়া এক সপোন হ'লেও মই এই সপোন সঁচা কৰিমেই। মই এজন ডাঙৰ বিজ্ঞানী হ'মেই...।" ❖

# শিৱৰাত্ৰিত অঘটন

**জিতাক্ষৰ চক্ৰৱৰ্তী**
ষষ্ঠ শ্ৰেণী

সেইদিনা আছিল শিৱৰাত্ৰি। বাবলুহঁতৰ ঘৰত এক ব্যস্ততাপূৰ্ণ পৰিবেশ। দেউতাকে খৰধৰকৈ কাপোৰ পিন্ধি পুৱাতেই মন্দিৰলৈ গ'লগৈ। ঘৰৰ সকলো লোক ব্ৰতত আছে। কিন্তু বাবলু সৰু হৈ আছে বুলি মাকে তাক ব্ৰতত থাকিবলৈ দিয়া নাই আৰু ৰূপেনেও ব্ৰতত থকা নাই। ৰূপেন হৈছে বাবলুহঁতৰ ঘৰৰ সহায়কাৰী ল'ৰা। সেইবাবে বাবলু আৰু ৰূপেনে ভাত খাই আছে। মাক গোসাঁইঘৰত কাম কৰি আছে। ৰূপেন কিন্তু শিশু শ্ৰমিক নহয়। তাৰ বয়স ২১ বছৰ। তদুপৰি সি ইয়াত বেছ আৰামতেই আছে। এবাৰ বাবলুৰ দেউতাকে বাটত ঘূৰি থকা অনাথ ল'ৰা এটা পাই তাক ঘৰলৈ আনি খোৱা-পিন্ধাৰ যোগাৰ দিলে। তাক তাৰ নাম সোধাত সি ক'লে ৰূপেন। ইয়াত সি কাম-বনো কৰিব নালাগে। বজাৰ-সমাৰ কৰিলেই হয়। বাবলুৰ দেউতাকে ৰূপেনক দুশ্ৰেণীমান পঢ়াইছেও। পাছে তাৰহে বিশেষ আগ্ৰহ নাই।

যি কি নহওক, বাবলুহঁতৰ ভাত খোৱা হৈছে মাত্ৰ! এনেতে সিহঁতৰ ওচৰতে থকা মণ্টু খুৰাক আহি পালে। তেওঁ শিৱ পূজাৰ বাবে বাবলুহঁতৰ পিছফালৰ কুঁৱাটোৰ পাৰৰ আমগছজোপাৰ পৰা দুখিলামান পাত নিবলৈ আহিছে। বাবলুৱে মণ্টু খুৰাকৰ আগত গছত উঠা কামটো ৰূপেনেই কৰিব পাৰিব বুলি ডাঠি ক'লে আৰু ৰূপেনক ক'লে, "যাচোন, আমগছত উঠি তাৰ পৰা দুখিলামান পাত ছিঙি লৈ আহ।" ৰূপেনে তাৰ কথা শুনি আগ-পাছ নুগুণি গছজোপাত হৰহৰাই উঠি গ'ল। তলত বাবলু থিয় হৈ আছিল। হঠাৎ কিবা এটা ধুপুচকৈ বাবলুৰ ওপৰত পৰা শব্দ, তাৰ পাছত এটা কেঁকনি আৰু তাৰ পাছত বাবলুৰ একো মনত নাই।

সাৰ পাই বাবলুৱে নিজকে আৱিষ্কাৰ কৰিলে হাস্পতালৰ এখন বিছনাত। তাৰ গাৰ প্ৰায় সকলো অংশতে প্লাষ্টাৰ। সমুখত দেউতাক থিয় হৈ তাৰ ফালে চাই আছে। "খুব ভাল লাগিছে, নহয়! গাটো যে বিষাই আছে, খুব ভাল লাগিছে!" বাবলুৱে নিজকে লৰচৰ কৰিবলৈ চেষ্টা কৰিলে যদিও এটা প্ৰচণ্ড বিষে তাক কন্দুৱাই পেলালে। তাৰ কাষতে থিয় হৈ থকা ৰূপেনে ক'বলৈ ধৰিলে, "আচলতে কি হ'ল জান! মই গছৰ পৰা পিছল খাই তোৰ গাৰ ওপৰতে পৰিলোঁ। মোৰ গোটেই ওজন তোৰ গাত পৰিল বাবেই এনে হৈছে।" ইফালে বাবলুৰ বিষোৱাক লৈ চিন্তা নাই। পাছে, আটাইতকৈ ডাঙৰ কথাটো হৈছে—সি দুখ পাই বিছনাত পৰি থাকিবলগীয়া সময়খিনি হৈছে স্কুল বন্ধৰ সময়। বছৰেকীয়া পৰীক্ষা দি উঠিছিলহে সি। মনত যে কিমান কল্পনা কৰিছিল—খেলিব, ফুৰিব, চিনেমা চাব, গান গাব। পাছে সকলোবোৰ পণ্ড হ'ল। তাৰ মনত তীব্ৰ অনুশোচনা হ'ল। সি সংকল্প ল'লে—আজিৰ পৰা সি সকলো কাম ডাঙৰক সুধি কৰিব। ❖

# ৰহস্য

**হিমদ্যুতি বাচ্যস**
ষষ্ঠ শ্ৰেণী



ৰমেন আৰু গিৰীন মধুপুৰ গাঁৱৰ বাসিন্দা। দুয়োৰে বয়স ১৭-১৮ বছৰৰ আশে-পাশে হ'ব। দুয়ো ৰহস্যৰে ভৰা কাহিনী শুনি বৰ ভাল পায়। এবাৰ সিহঁতৰ গাঁৱত এটা অঘটন ঘটিল। গাঁৱৰ মানুহবোৰে কোৱা-কুই কৰিলে যে গাঁৱত আন গ্ৰহৰ প্ৰাণী আহিছে। এদিন গাঁৱৰ সৰ্বেশ্বৰ নামৰ মানুহ এজনৰ ঘৰত অঘটন ঘটিল। তেওঁলোকে ঘৰত ৰাতি শুই থাকোঁতে এই প্ৰাণীবোৰে তেওঁলোকক বিছনাৰ পৰা উঠাই আনি ডকাইতি কৰি টকা-পইচা আদি মূল্যবান বস্তুবোৰ লৈ গ'ল। এই ঘটনাটোৰ পাছৰ পৰা কেইবাজনো মানুহৰ লগত এনে ধৰণৰ ঘটনা ঘটিল। ৰমেনে এই কথাত অলপ আচৰিত হ'ল। সি গিৰীনক ক'লে, "মোৰ এই কথা একেবাৰে হজম হোৱা নাই। সিহঁতে অৰ্থাৎ সেই প্ৰাণীবোৰ আমাৰ ইয়ালৈ আহিল কেনেকৈ? যদিহে তেওঁলোক অহা ইমানদিনেই হ'ল, তেওঁলোক অহা যানখনৰ কি হ'ল বাৰু? আৰু ডকাইতি সিহঁতে ক'ত, কাৰ পৰা শিকিলে? মোৰ সন্দেহ হৈছে যে সিহঁত এলিয়েন অৰ্থাৎ অন্য গ্ৰহৰ প্ৰাণী নহয়।" গিৰীনে ক'লে, "মোৰো তাকেই সন্দেহ হৈছে।" ৰমেনে ক'লে, "যিহেতু সিহঁত ৰাতিহে আহে, আমি আজিয়েই এই ৰহস্য উদ্‌ঘাটন কৰিম।"

ৰাতি হ'ল। দুয়ো হাতত একোডালকৈ লাঠী লৈ অভিযান আৰম্ভ কৰিলে। সেই প্ৰাণীবোৰক সিহঁতে দূৰৰ পৰা দেখিলে। সিহঁত এঘৰ মানুহৰ ঘৰত সোমাল। সেই চেগতে ৰমেন আৰু গিৰীন ঘৰটোৰ ওচৰলৈ গ'ল। গিৰীন বাহিৰতে থাকিল। ৰমেনে গৈ সিহঁতৰ এটাক গবা মাৰি ধৰি পেলাই দিলে। বাকীবোৰে পলাবলৈ ধৰাত গিৰীনে সিহঁতৰ লগত বহু সময় যুঁজিলে। সিহঁতে ৰমেন আৰু গিৰীনৰ লগত যুদ্ধ কৰি ঢলি পৰিল। সিহঁতে আৰু যুদ্ধ কৰিব নোৱৰা হ'ল। ৰমেনে সিহঁতে পিন্ধি থকা মুখা গুচাই দিয়াৰ পাছত গম পালে যে সেয়া আন কোনো নহয়, গাঁৱৰ কুখ্যাত ডকাইত ৰঘু। পাছদিনা গাঁওবুঢ়াই ৰমেন আৰু গিৰীনৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি তেওঁলোকক পুৰস্কাৰ প্ৰদান কৰিলে। ইফালে ৰঘুক জেললৈ পঠিওৱা হ'ল। পাছলৈ কিন্তু আৰু এনে ঘটনা গাঁৱত পুনৰবাৰ কেতিয়াও ঘটা নাই। ❖

# অমাত জীৱৰ মাত

**আৰ্ণা অদ্ৰিতা ৰাজবংশী**
সপ্তম শ্ৰেণী

তিনি বছৰ আগৰ কথা। সোতৰ মে’ তাৰিখে ৰাতি বাৰ বাজি দুই মিনিটমানত বেডৰুমৰ লাইট অন হোৱা দেখি মই জাঁপ মাৰি উঠিলোঁ। মই দেখিলোঁ যে মা আৰু দেউতাই এটা ডাঙৰ কেৰীবেগ লৈ আহিছে। বিছনাৰ পৰা নামি গৈ মই কেৰীবেগটো ল’লোঁ। লগে লগে মা-দেউতাই ‘হেপী বাৰ্থডে’ গাবলৈ আৰম্ভ কৰিলে। দেউতাই কেৰীবেগটো খুলি চাবলৈ ক’লে। মই খুলি দেখিলোঁ যে তাত মোৰ কাৰণে কেইখনমান কিতাপ, এখন ডায়েৰী, এটা ধুনীয়া পুতলা, কেইযোৰমান কাপোৰ আৰু ঢেৰ চকলেট আছে। এই বস্তুবোৰ উলিয়াই চাই থাকোঁতেই মোৰ চকুটো গৈ বেডৰুমৰ চুকত থৈ দিয়া এটা ডাঙৰ বাকচত পৰিল। বাকচটো এখন কাপোৰেৰে ঢাকি থোৱা আছিল। প্ৰথমতে মই ভাবিলোঁ যে বাকচটোত চাগে’ দেউতাৰ কিবা বস্তু আছে। কিন্তু মই যেতিয়া বাকচটো হঠাৎ অলপ লৰচৰ কৰা যেন দেখিলোঁ তেতিয়া ভাবিলোঁ, বাকচটো এবাৰ খুলি চাওঁ নেকি ! দেউতাই মই থৰ লাগি বাকচটোলৈ চাই থকা দেখি সুধিলে, “কি চাই আছ?” মই বাকচটোলৈ আঙুলি টোঁৱাই দিলোঁ। দেউতাই মোক ক’লে, “চাই থাকিব নালাগে দে। বাকচটো খুলি চাগৈ যা।” মই দৌৰি গৈ বাকচৰ কাপোৰখন উঠাই দিলোঁ। মই বাকচটোৰ ভিতৰত থকা বস্তু দুটা দেখি থৰ লাগি চাই থাকিলোঁ। নিজৰ চকুকে যেন বিশ্বাস কৰিব নোৱাৰিলোঁ। তাৰ পাছত চিঞৰি মাক মাতিলোঁ, “অ’ মা ! এইফালে আহা।” মা দৌৰি আহিল আৰু তাৰ পাছত মোলৈ চাই হাঁহিলে। বাকচটোৰ ভিতৰত আছিল দুটা বৰ মৰমলগা অকণমানি শহা পোৱালি। এটাৰ ৰং আছিল বগা আৰু এটাৰ ক’লা-বগা। মই দুয়োটাকে কোঁচত ল’লোঁ। দুয়োটা বৰ অকণমানি আছিল। মই



সিহঁতক থৈ দিয়াৰ লগে লগে বগা শহা পহুটোৱে মোৰ ভৰিখনত জাঁপ মাৰি দিলে। মই দুয়োটাৰে ওচৰত বহি সিহঁতক কি বুলি মাতিম তাকে ভাবিলোঁ। বহুত ভবা-চিন্তা কৰাৰ পাছত মই বগা শহাজনীক ‘জিনি’ আৰু ক’লা-বগাটোক ‘জনি’ নাম দিলোঁ। মই এবাৰ নামকেইটা পৰীক্ষা কৰি চাওঁ বুলি ভাবি প্ৰথমে ‘জিনি’ বুলি মাতিলোঁ। হঠাৎ তাই বাকচটোৰ ভিতৰৰ পৰা মূৰটো দাঙি মোলৈ এবাৰ চালে, তাৰ পাছত জাঁপ এটা মাৰি বাকচটোৰ পৰা ওলাই মোৰ ভৰিখনত বগাবলৈ ধৰিলে। তাৰ পাছত মই ‘জনি’ বুলি মাতিলোঁ। সি কাণ দুখন থিয় কৰি মোলৈ অলপ চালে আৰু ভৰি দুখন মেলি পেট পেলাই শুবলৈ ধৰিলে। মই হাঁহি এটা মাৰি জিনিক মোৰ কোলাৰ পৰা নমাই বাকচটোত ভৰাই দিলোঁ আৰু ৰাতি বহুত দেৰি হোৱা বাবে শুবলৈ গ’লোঁ।

জিনি আৰু জনি আমাৰ পৰিয়ালৰ সদস্যৰ নিচিনা হৈ পৰিল। সিহঁত দুয়োটাই মোৰ মৰমবোৰ বুজি পোৱা হ'ল। মা-দেউতাহঁতে ৰাস্তাই-ঘাটে ঘাঁহ-বন আদি দেখিলেই কাটি শহা দুয়োটাৰ বাবে খাবলৈ লৈ আহে। আমি বিহুত গাঁৱৰ ঘৰলৈ গ'লে সিহঁত দুয়োটাকে লৈ যাওঁ। দুয়োটাই গাড়ীত মোৰ কোলাত বহি বৰ ভাল পায়। জিনি-জনিক আমাৰ চাদৰ ওপৰত খেতিৰ মাজত খেলিবলৈ এৰি দিলে বৰ ভাল পায়। ঘৰলৈ যাবলৈ মনেই নকৰে। দেউতাই সিহঁতক মাতিলে সিহঁত পলাই যায়। মই গৈ ধৰিবলগীয়া হয়।

ৰাতিপুৱা কামলৈ যোৱাৰ আগতে দেউতাই সিহঁতৰ ঘৰটো চাফা কৰি থৈ যায় আৰু খাবলৈও দি থৈ যায়। মই স্কুলৰ পৰা আহি সিহঁত দুয়োটাকে খাবলৈ দি নিজেও খাওঁ।

কিন্তু যোৱা বছৰ ব'হাগ বিহুত গাঁৱলৈ যাওঁতে মা আৰু দেউতাই এটা বৰ দুখৰ সিদ্ধান্ত ল'লে। মা-দেউতাই গৰু বিহুৰ দিনা ৰাতিপুৱা মোক ক'লে যে, "আমি জিনি আৰু জনিক গুৱাহাটীলৈ লৈ নাযাওঁ। ইয়াতে থৈ যাম।" মই 'কিয়' বুলি যেতিয়া সুধিলোঁ তেতিয়া তেওঁলোকে মোক ক'বলৈ ধৰিলে যে "ৰাতিপুৱা সিহঁতৰ ঘৰটো চাফা কৰি, খাবলৈ দি যাওঁ মানে আমাৰ অফিচলৈ দেৰি হৈ যায়। তাৰ পাছত আহি আকৌ ৰাতি চাফা কৰিব লাগে আৰু দিনটো ঘৰৰ ভিতৰত সোমাই থাকিবলৈ সিহঁতেও বেয়া পায়। ইয়াত থাকিলে সিহঁতে মুকলি পাব আৰু খেলিবলৈও ভাল পাব।" বহু চিঞৰ-বাখৰ, হুলস্থূলৰ পাছত ঠিক কৰা হ'ল যে জিনি আৰু জনি ইয়াতে থাকিব।

গুৱাহাটীলৈ উভতি অহাৰ দিনা মোৰ বৰ দুখ লাগিল। মই দুয়োটাকে এবাৰ এবাৰ কোঁচত লৈ চুমা খালোঁ আৰু অলপ মৰম কৰি দিলোঁ। ককা-আইতাৰ আশীৰ্বাদ ল'লোঁ আৰু বৰ্তা-বৰমা, বা আৰু ভাইটিহঁতক বাই বাই দি গাড়ীত বহিলোঁ।

এই বছৰ বিহুত গাঁৱৰ ঘৰলৈ যাবলৈ কাপোৰ ভৰাবলৈ মায়ে যেতিয়া ক'লে, মই তৎক্ষণাৎ মাক জিনি-জনিৰ বিষয়ে ককাক সুধিবলৈ ক'লোঁ। জিনি আৰু জনিক কিমান দিনৰ মূৰত যে লগ পাম ! সিহঁতৰ লগত খেলি কি মজা লাগিব। মই সিহঁত দুয়োটাৰ কথা ভাবি ভাবি কাপোৰ ভৰাবলৈ ধৰিলোঁ।

গৰু বিহুৰ আগদিনা ৰাতিপুৱাতে আমি গাড়ীত বহিলোঁ। গাড়ীত মই বেছিখিনি সময় শুয়েই থাকিলোঁ। দেউতাই মোক ঘৰ পোৱাৰ পাছত গেটখন খুলিবলৈ ক'লে। মই দৌৰি গৈ গেটখন খুলি দিলোঁ। ঘৰত সোমাই ককা-আইতাক মাতিলোঁ। অলপ কথা পতাৰ পাছত দৌৰি গৈ ঢেঁকীঘৰটোত সোমাই দেখিলোঁ মোৰ মৰমৰ জিনি, তাইৰ ঘৰটোত সোমাই আছে। মই তাইক কোঁচত লৈ চুমা এটা খালোঁ। তাই আগতকৈ ডাঙৰ হ'ল। ওচৰে-পাঁজৰে চাই দেখিলোঁ যে জনি দেখোন নাই। মই ককাক জনি ক'ত আছে বুলি সুধিলোঁ। ককায়ে নুশুনা ভাও ধৰি আঁতৰি গ'ল। দৌৰি গৈ দেউতাক চিঞৰিলোঁ। দেউতাই মোৰ দুখ বুজি পাইছিল। হয়তো তেওঁৰ মোতকৈও বেছি দুখ লাগিছিল—"জনি ঢুকোৱা বহুত দিন হ'ল অ' মাজনী। দুখতে তোমাক কোৱাহে নাছিলোঁ। আমিনো কি কৰিব পাৰোঁ, সকলো ভগৱানৰ ইচ্ছা।"

মোৰ মনত পৰিল, গাঁৱত থৈ যোৱাৰ কিছুদিন পাছতে মায়ে থাপনাত ধূপ-ধূনা লগাই পায়স ৰান্ধি সকলোকে দি দুখ মনেৰে কৈছিল, "জনিৰ গাটো ভাল নহয়, সেয়ে চাকি এগছ আগ বঢ়াইছোঁ।"

মোৰ চকুপানী ওলাই আহিল। জনিতকৈও জিনিৰ বাবে বেছি দুখ লাগিল। একেলগে খেলি থকা জিনিয়ে এতিয়া কেনেকৈ থাকিব?

মোৰ চকুপানী দেখি ককাই বুজালেহি, "দুখ নকৰিবা আই। জীৱনটো এনেকুৱাই—সুখ-দুখৰ সমাহাৰেই জীৱন।" ককাৰ কথাবোৰ মনতে সাঁচি জিনিক সাবটি ধৰিলোঁ। তাই মৰমতে মোক চেলেকি দিলে। ❖

# গুপ্তধনৰ সন্ধান

**অনিত্য দত্ত**
সপ্তম শ্ৰেণী

মোৰ নাম ৰাহুল, বয়স মাত্ৰ বাৰ বছৰ। আমাৰ গাঁৱৰ পিছফালে এখন ৰহস্যময় অৰণ্য, য'ত গছ-গছনিৰ ডাল-পাতে ঢাকি ৰখা বাবে সূৰ্য্যৰ পোহৰো সহজে সোমাব নোৱাৰে। গাঁৱৰ বুঢ়া-বুঢ়ীৰ মুখত শুনিছিলোঁ এই অৰণ্যৰ গভীৰতাত লুকাই আছে এটি পুৰণি মন্দিৰ, য'ত বহু শতিকা আগতে ৰজাই অমূল্য গুপ্তধন লুকুৱাই থৈছিল। সেই কাহিনীয়ে মোৰ মনত কৌতূহলৰ জুই জ্বলাইছিল। তেনেতে মোৰ বন্ধু কিষাণৰ সৈতে এদিন ঠিক কৰিলোঁ—আমি সেই গুপ্তধন বিচাৰি উলিয়াম।

এটা দেওবাৰৰ পুৱা আমি দুয়ো স্কুলবেগত কিছু পানী, এটা টৰ্চ, এটা বিস্কুটৰ পেকেট আৰু মনত অফুৰন্ত কৌতূহল লৈ অৰণ্যৰ পথত খোজ দিলোঁ। অৰণ্যৰ ভিতৰৰ পথবোৰ অকোৰা-পকোৰা, চাৰিওফালে ঘন জোপোহা আৰু ঊৰ্ধমুখী গছৰ ডালে সেউজীয়া ছাঁ পেলাইছে।। হঠাৎ কিষাণে সুধিলে, “ৰাহুল, তই ভয় খাইছ নেকি?” মই হাঁহি মাৰি ক'লোঁ, “ভয় কৰিলে গুপ্তধন ক'ত পাম, কিষাণ? সাহসেৰেই আমি জয়ী হ'ব লাগিব।”

বহু সময় খোজ কাঢ়ি, পথ হেৰুৱাই, ঘামে-ধূলিয়ে লেতেৰা হৈ আমি অৱশেষত এটা পুৰণি মন্দিৰৰ ওচৰ পালোঁ। মন্দিৰটো যেন সময়ৰ লগত যুঁজি হাৰি গৈছে। আমি সাৱধানে ভিতৰত ভৰি থ'লোঁ। টৰ্চৰ ক্ষীণ পোহৰত দেখিলোঁ, মন্দিৰৰ মজিয়াত এখন বিশাল শিলৰ ফলক। তাৰ ওপৰত খোদিত কিছু অদ্ভুত চিহ্ন, যেন সেয়া গুপ্তধনৰ দুৱাৰৰ চাবি-কাঠী। কিষাণৰ চকু জিলিকি উঠিল, “ৰাহুল, এয়া নিশ্চয় গুপ্তধনৰ সূত্ৰ।”

আমি শিলৰ ফলকখন ঠেলি তুলিবলৈ চেষ্টা কৰিলোঁ, কিন্তু সেইখন গধুৰ। হঠাৎ মোৰ চকু পৰিল ফলকৰ কাষৰ এটা সৰু গাঁতত। হাত সুমুৱাই চালোঁ—এটা লিভাৰ; সাহস কৰি টানি দিলোঁ। ধম! শিলৰ ফলকখন শব্দ কৰি সৰকি গ'ল আৰু তাৰ তলত উন্মোচিত হ'ল এটা গোপন সুৰংগৰ মুখ।

ভয় আৰু উত্তেজনাৰ মিশ্ৰণে আমাৰ হৃদয় কঁপাই তুলিলে, কিন্তু কৌতূহলৰ জোৰত আমি সুৰংগৰ ভিতৰলৈ সোমাই গ'লোঁ। টৰ্চৰ পোহৰত দেখা পালোঁ সুৰংগৰ দেৱালত ছানি ধৰা সেউজীয়া শৈবাল। বহু দূৰ নামি গৈ আমি এটা কোঠাত উপস্থিত হ'লোঁ। তাত ধূলিৰে ঢকা এটা পুৰণি কাঠৰ বাকচ। কঁপি কঁপি বাকচটো খুলিলোঁ। ভিতৰত জিলিকি উঠিল সোণৰ মুদ্ৰা, হীৰাৰ টুকুৰা আৰু এখন জৰ্জৰিত মানচিত্ৰ। কিষাণে উল্লাসত চিঞৰিলে, “ৰাহুল, আমি গুপ্তধন পাই গ'লোঁ।”

কিন্তু আনন্দৰ মাজতে হঠাৎ শুনিলোঁ পিছফালৰ পৰা এটা ভয়ংকৰ শব্দ। ঘূৰি চাওঁতেই দেখিলোঁ, সুৰংগৰ মুখৰ ফলকখন পুনৰ বন্ধ হৈ গ'ল। আমি আবদ্ধ হৈ পৰিলোঁ। কিষাণৰ মুখ ভয়তে শুকাই গৈছে। মই নিজৰ ভয় চেপি তাক ক'লোঁ, “শান্ত হ, কিষাণ। ভয় কৰিলে আমি ওলাব নোৱাৰিম। বুদ্ধিৰে কাম কৰিব লাগিব।”

মই মানচিত্ৰখনো ভালদৰে পৰীক্ষা কৰিলোঁ। তাত খোদিত এটা বাৰ্তা—“সাহসীৰ হাতত ধন, কিন্তু মগজুৰ পৰীক্ষা এতিয়াও বাকী।” আমি কোঠাৰ চাৰিওফালে চকু ফুৰালোঁ। হঠাৎ দেৱালৰ এটা কোণত এটা গোপন বুটামৰ দৰে আকৃতি দেখা পালোঁ। সাহস কৰি টিপিলোঁ। ধম! সুৰংগৰ মুখ পুনৰ খোল খাই গ'ল। আমি বাকচটো হাতত লৈ প্ৰাণপণে বাহিৰলৈ দৌৰিলোঁ।

গাঁৱলৈ উভতি আহি গুপ্তধনৰ কথা কাকো নক'লোঁ। আমাৰ সপোন আছিল গাঁৱৰ স্কুলখনৰ উন্নতিৰ বাবে এই ধন ব্যৱহাৰ কৰা, যাতে প্ৰতিটো শিশুৱে ভাল শিক্ষা লাভ কৰিব পাৰে। সেই দিনাৰ পৰা আমি বুজিলোঁ, সাহস আৰু বুদ্ধি থাকিলে যিকোনো অসম্ভৱ কাম সম্ভৱ কৰি তুলিব পাৰি। ❖

# শিকলি

**নিষ্ঠা বৰগোহাঁই**
নৱম শ্ৰেণী

"বেডৰুমটোৰ চুকত দেখোন ধূলি পৰি আছেই। তোৰ এইবোৰ চকুত নপৰে নেকি, সৰলা?" "অ'হ, ৰ'ব বাইদেউ, মচি আনিছোঁ।"—সৰলাই দোষী দোষী ভাবেৰে লৰালৰিকৈ বেডৰুমটোলৈ গ'ল। এই সৰু কথাটোকে মই নকৈয়ো পাৰিলোঁ হয়, তাকো সৰলাৰ নিচিনা মানুহজনীক। আজি দহ বছৰে তাই মোৰ ঘৰৰ সহায়িকা। কৰিবলৈ কোৱা প্ৰতিটো কামেই নিয়াৰিকৈ কৰি দিয়ে। এক কথাত, তাই নহ'লে মোৰ ঘৰ নচলে। মোৰ কাষৰ চৌহদতে কেয়াৰ টেকাৰ হিচাপে থাকে সিহঁতৰ পৰিয়ালটো। অসুখীয়া গিৰীয়েকে অ'ত-ত'ত কাম কৰি একমাত্ৰ ল'ৰাটোক পঢ়ুৱাইছে, ঘৰো চলাইছে। বহুত অভাৱতো নাই, থকাখিনিতে সুখী আৰু সন্তুষ্ট তাই। ইয়েই যেন মানুহজনীক প্ৰাণৱন্ত কৰি ৰাখে। কেনেকৈনো জানো, মোৰ অভ্যাসবশতঃ কাটমৰা কথাকেইষাৰো দেখোন সহি-সামৰি থৈ দিব পাৰে। তাই আগ্ৰহ কৰি ক'ব খোজা কথাৰ বিপৰীতে মই দেখুওৱা চৰম উদাসীনতা, সুযোগ পালেই হুঁটাকৈ কথা এষাৰ শুনোৱাৰ মোৰ প্ৰৱণতা—একোৱে টলাব নোৱাৰে তাইক। কেতিয়াবা ভাবিলে তবধ মানো, লগতে যেন মনৰ কোনোবাখিনিত জ্বলি উঠে হীনমন্যতাৰ এক ফিৰিঙতি।

কলেজলৈ যোৱাৰ আগতে সৰলাই আটোমটোকাৰিকৈ ৰান্ধি দিয়া মাছৰ টেঙা আঞ্জাখনেৰে ভাতকেইটা তৃপ্তিৰে খালোঁ। এনেকুৱা মূৰামূৰি সময়ত খোৱাৰ জুতি ল'বলৈ সময় নহয়, কিন্তু আঞ্জাখনৰ সোৱাদ মুখত ৰৈ গৈছে।

"আঞ্জাখন ঠিকে পালেনে, বাইদেউ?" সৰলাই চাদৰৰ আঁচলত হাত মচি মচি হেঁপাহেৰে সুধিলে।

"জানো পাই, ইমান লৰালৰিত কি খালোঁ ধৰিবকে নোৱাৰিলোঁ।" এনেয়ে ফট্‌কৈ ওলাই গ'ল মুখেৰে কথাষাৰ, অকৃতজ্ঞ মানুহৰ দৰে।

"বাইদেউ, মানে কথা এটা কওঁ," কিতাপ-বহী আদি ভৰাই মই বেগটো সাজু কৰি থাকোঁতে থেৰো-গেঁৰোকৈ ক'লে, "মানে বাইদেউ, এইবাৰৰ পৰা দৰমহাটো অলপ বঢ়াই দিব পাৰিব নেকি? বিজয়ক অংকত টিউচ্ছন লাগে বোলে, বুজাত অলপ টান পাইছে। ক্লাছ টেনত আকৌ সময়ৰো অভাৱ। স্কুলত হেনো শিক্ষকৰো নাটনি। গতিকে টিউচ্ছন নিদিলে নহয়। আপুনি অলপ কথাটো ভাবি চাই সহায় কৰিলে মই নিশ্চিন্ত হওঁ।" প্ৰত্যুত্তৰৰ আশাত সৰলাই মোলৈ চাই ৰ'ল।

"কলেজলৈ ওলোৱাৰ সময়তহে তোৰ এই বকলাখন মেলিবলৈ হয়নে? পাছত ভাবিম। দেৰি হৈছে এতিয়া মোৰ।" তাইৰ উত্তৰলৈ নৈ নাথাকি দুৱাৰখন খুলি মই ওলাই গ'লোঁ।

সৰলাহঁত একমাত্ৰ পুতেক বিজয় ছবছৰীয়ামান হৈ থাকোঁতেই কাষৰ চৌহদটোলৈ আহিছিল। ল'ৰাটো মৰমলগা, সৰলমনা। মোৰ ঘৰলৈ সৰুৰে পৰা মাজে-সময়ে আহি থকা ল'ৰাটো ডাঙৰ হৈ অহাৰ লগে লগে মাকৰ সোঁহাতস্বৰূপ হৈ পৰিছে। মোৰ ঘৰৰ বজাৰ-সমাৰতো কেতিয়াবা লাগি দিয়ে। ক্ষীণকায় ল'ৰাটোৰ মুখত মাকৰ দৰেই স্মিত হাঁহি এটা ওলমি থাকে। চকু দুটাত এচমকা উজ্জ্বল পোহৰে জিলমিলাই থাকে নিয়ৰৰ দৰে। এৰা, মোৰ নিয়ৰৰ চকুহালৰ দৰেই। দহ বছৰ আগতে হেৰাই যোৱা মোৰ নিয়ৰৰ এইহাল চকু। বেছি সময় চাব নোৱাৰোঁ সেয়ে বিজয়ৰ মুখলৈ, মনটোত দেখোন নহ'লে ভাবৰ এসোপা আউল লাগে।

ছেঃ, আজি বেবেৰিবাং চিন্তা কিছুমানৰ মাজত মজি থাকোঁতে কলেজ গৈ পাওঁতে দেৰি হৈ গ'ল। ক্লাছকেইটাও বিশেষ মনোযোগেৰে ল'ব পৰা নাই। কোনোমতে প্ৰথম তিনিটা ক্লাছ শেষ কৰিলোঁ। আধা ঘণ্টাৰ পাছত আৰু এটা ক্লাছ আছে, তাৰ পাছত এখন ছেমিনাৰ। সকলো ব্যস্ত ছেমিনাৰৰ কামত। কমনৰুমত আন কোনো প্ৰফেছাৰ নাথাকিলে এই সময়খিনি একান্তভাৱে মোৰ। সাধাৰণতে এইখিনি সময়ত কৰিব লগা কাম-কাজখিনি মনত যুকিয়াই লওঁ, কিন্তু আজি

দেখোন সেইবোৰ একোতে মন নবহিল। মনটো উৰি যাব খুজিছে অইন ক'ৰবালৈ। বাৰম্বাৰ চেষ্টা কৰিছোঁ শিকলি লগাই বান্ধিবলৈ, পৰা নাই, পৰা নাই। সদা সুস্থিৰ মনটোৱে আজি পাখি মেলি উৰি যাব খুজিছে দহ বছৰ আগৰ ক'লা অতীতলৈ...

সৰুৰে পৰাই প্ৰতিযোগিতামূলক মনৰ আছিলোঁ। কাৰো আগত মূৰ তল কৰিব খোজা নাছিলোঁ, প্ৰেক্টিকেল আছিলোঁ। অংক ভাল পাইছিলোঁ, সেয়ে সকলো কাম নিখুঁত হিচাপ-নিকাচৰ এক সমীকৰণমতে কৰি গৈছিলোঁ। নিজৰ চেষ্টাতেই নামী কলেজ এখনৰ গণিতৰ প্ৰফেছাৰ হিচাপে কৰ্ম জীৱনত এগৰাকী সফল, স্বচ্ছল মহিলাৰূপে পৰিচয় এটা গঢ়ি তুলিছিলোঁ। এই সকলোবোৰৰ পাছতো, জীৱনৰ অংকটোত ক'ৰবাত যেন মোৰ ক'ব নোৱৰাকৈ আউল লাগিল। বিয়াৰ চাৰি বছৰৰ পাছত বিবাহ-বিচ্ছেদৰ পেপাৰত চহী কৰিলোঁ, কিন্তু ই মোক বিচলিত কৰিব নোৱাৰিলে। দুবছৰীয়া নিয়ৰক লৈ মই এই বিচ্ছেদৰ সন্মুখত হাৰ মানিবলৈ বিচৰা নাছিলোঁ। "পাৰিম, মই পাৰিমেই" বুলি থিৰাং কৰি আগ বাঢ়িছিলোঁ। মানুহৰ মোৰ জীৱনক লৈ হোৱা কৌতূহলবোৰে যাতে নিয়ৰৰ জীৱনত অবাঞ্ছিত পৰিস্থিতিৰ সৃষ্টি নকৰে, তাৰ বাবে তাক বুজা হোৱাৰে পৰা নামী বৰ্ডিং স্কুল এখনত নাম লগাই দিলোঁ। "এটাই ল'ৰা, তাকো লগত ৰাখি ডাঙৰ-দীঘল কৰিব নোৱাৰিলেনে? কেনে কাঠচিতীয়া মাক !" মানুহৰ বুবু-বাবা আহি মোৰ কাণত পৰে। মই আওকাণ কৰোঁ। নিয়ৰ মোৰ ল'ৰা। সি মোৰ দৰেই প্ৰেক্টিকেল হ'ব লাগিব।

"মেম, আপোনাক প্ৰিন্সিপাল ছাৰে মাতিছে। আজিৰ প্ৰগ্ৰেমটোৰ বিষয়ে কিবা আলোচনা কৰে হেনো।" প্ৰিন্সিপালৰ পি.এ. ৰূপমে মতাত বাস্তৱলৈ ঘূৰি আহিলোঁ। আজি একো কাম কৰাৰ ইচ্ছা নোহোৱা অৱস্থাতো ছাৰৰ কথা মানি প্ৰগ্ৰেমত বহিলোঁগৈ। লগৰ দুজন মেণ্টৰক ক'লোঁ অনুষ্ঠানটো চলাই নিবলৈ—কাৰণ মনৰ বা-মাৰলীজাক আজি শান্ত হোৱাৰ লক্ষণেই দেখা দিয়া নাই। দায়িত্ব পাঁচি পুনৰ নিজৰ ঠাইত গৈ বহিলোঁ। মনটো আকৌ ভুৰুংকৈ উৰা মাৰিলে...

আশাপ্ৰদ ফলাফলেৰে স্কুলীয়া শিক্ষা সামৰা নিয়ৰক তাৰ পছন্দমতে বেংগালুৰুত ইঞ্জিনিয়াৰিং পঢ়িবলৈ পঠালোঁ। তাক লৈ মই গঢ়ি তোলা সেই সপোনটো—এজন প্ৰেক্টিকেল, সফল সন্তানৰ মাক বুলি স্বীকৃতি পোৱাৰ বাসনা যেন সঁচা হোৱাৰ পথত আৰু মাত্ৰ কেইটামান খোজ বাকী। আত্মতুষ্টিৰে গদ্ গদ্ হৈ পৰিছিলোঁ। কিন্তু...

"হেল্ল', ইজ ইট প্ৰভাতী বৰুৱা?.... ৰি আৰ কলিং ফ্ৰম বেংগল'ৰজ চিটি ইঞ্জিনিয়াৰিং ক'লেজ, ইয়'ৰ ছন নিয়ৰ জ্যোতি বৰুৱা হেজ বিন এড্‌মিটেড্ ইন এ হস্পিটেল, হি ইজ ইন এ চিৰিয়াছ কণ্ডিশ্যন। য়ু নিড টু কাম এজ চুন এজ প'ছিবল। ৰি হেভ...." যেন বহু যুগ লাগিছিল মই বেংগালুৰু গৈ পাওঁতে। লগাতকৈ বহু বেছি দেৰি হৈ গ'ল মোৰ। মোলৈ বৈ আছিল ঢাকি থোৱা নিয়ৰৰ স্পন্দনহীন দেহ। এণ্টি ডিপ্ৰেচেণ্টৰ অত্যধিক মাত্ৰা সেৱনৰ বাবে হেনো তাৰ মৃত্যু। মৰি যোৱাৰ আগতেই যেন সি মোক কৈ গ'ল—মোৰ জীৱনৰ অংকত বহুত আগতেই আউল লাগিছিল। সেই ভুল অংক এটাকে কৰি কৰি গোটেইখন খেলিমেলি হৈ গ'ল মোৰ। নিয়ৰৰ জীৱনৰ সেই শূন্যতাৰ কাৰণ, যাৰ বাবে সি সহায় লৈছিল এণ্টি ডিপ্ৰেচেণ্টৰ—তাক সি জনাব নুখুজিলে নে মই নিজেই জানিব নুখুজিলোঁ, ভাবি নাপালোঁ কেতিয়াও...

অডিটৰিয়ামৰ হাত-চাপৰিৰ শব্দই পুনৰ মোক বাস্তৱলৈ ঠেলি দিলে। আশে-পাশে চালোঁ, গোটেই অডিটৰিয়ামটো মানুহেৰে গিজগিজাই আছে। ইমান ভিৰ-কোলাহলৰ মাজতো কিয় বাৰু হঠাৎ অনুভৱ কৰিছোঁ এক আচৰিত শূন্যতা? নিয়ৰৰ বাৰু এনেকুৱাই লাগিছিল নেকি? উস্, নোৱাৰি, ইয়াক সহ্য কৰিব নোৱাৰি ! ডিচেম্বৰ মাহৰ দিনটোৱে ইতিমধ্যে ব্যস্ততা সামৰি আন্ধাৰলৈ অপেক্ষা কৰিছে। আগতীয়াকৈ ওলাই ঘৰমুৱা হ'লোঁ।

ঘৰ গৈ পায়েই গা-পা ধুই বিছনাত পৰিলোঁ। সৰলাই আহি সুধিলে, "বাইদেউ ! গা বেয়া নেকি? লাইটটো জ্বলাই দিওঁ?"

“নাই অ’, এনেই অলপ পৰি দিছোঁ। আজি ভোক লগা নাই, গতিকে ভাত ৰান্ধিব নালাগে আৰু। তই যাগৈ যা।

“গাটো বেয়া কৰিছে যদি থাকি দিওঁ নেকি, বাইদেউ?”

“নালাগে দে। আজি মোক এনেকৈয়ে অকণ থাকিব দেচোন।”

সৰলা গ’লগৈ। থাকি গ’লোঁ মাথোঁ মই আৰু এক ছায়াময় নিস্তব্ধতা।

টোপনি নহাত বহু পৰলৈকে বিছনাতে বাগৰি থাকিলোঁ। কিবা এক অস্বস্তিয়ে যেন মোক খুলি খুলি গ্ৰাস কৰি গৈছে ভিতৰৰ পৰা। এনেতে চকু মুদা অৱস্থাতেই ৰুমটোত কোনোবা সোমোৱা যেন পালোঁ। কিছু বিৰক্তিৰে চকু মেলিলোঁ, কোন বুলি চাবলৈ। কিন্তু, কিন্তু ই কি? এয়াতো মই মোৰ ৰুমত নাই, মোৰ বিছনাত নাই, বৰঞ্চ অকলশৰে থিয় হৈ আছোঁ এক আদি-অন্তহীন মহাশূন্যত। চাৰিওফাল অদ্ভুত ধৰণে নিৰ্জন, স্তব্ধ। এনেতে দূৰৈত দেখিলোঁ এটা অস্পষ্ট, স্থিৰ মানৱ অৱয়বৰ ছায়া। কোন বুলি চাবলৈ কিছু ওচৰলৈ গ’লোঁ। কিন্তু এয়া... এয়া দেখোন নিয়ৰ! মোৰ নিয়ৰ! “নিয়ৰ! অ’ নিয়ৰ! নিয়ৰ!” কেলৈ ঘূৰি চোৱা নাই সি? শুনা নাই যেন পাওঁ। “নিয়ৰ! অ’ নিয়ৰ!” এতিয়াও ঘূৰি চোৱা নাই সি। বৰঞ্চ সি দেখোন... সি দেখোন লাহে লাহে দূৰলৈ যাবলৈহে খোজ লৈছে! “নিয়ৰ! ৰ’বা নিয়ৰ!” দৌৰিছোঁ তাৰ পিছে পিছে, প্ৰাণপ্ৰণে দৌৰিছোঁ। কিন্তু সি দেখোন আৰু বেছি দূৰলৈহে যাবলৈ লৈছে! “নিয়ৰ! ৰ’বাচোন নিয়ৰ! এনেকৈয়ে এৰি থৈ যাবা নেকি?”

এনেতে মোৰ কান্দোনমিশ্ৰিত চিঞৰত থমকি ৰ’ল সি। ময়ো ৰ’লোঁ। লাহেকৈ সি মোৰ ফালে ঘূৰি চালে। মহাশূন্যৰ মাজতো তাৰ চকুহাল তিৰবিৰাই উঠিল। অথচ এই তিৰবিৰণিত কোনো সপ্ৰতিভতা নাই, যেন উজ্জ্বল হৈও অনুজ্জ্বল। বৰং তাত যেন ভৰি আছে এসোপা কাৰুণ্য আৰু কিছু অভিমান। কি তীব্ৰ এই তিৰবিৰণি! অসহ্য! তাৰ তীক্ষ্ণতাত যেন মই থৰক-বৰক হ’লোঁ। হঠাৎ খহি পৰিল মোৰ তলৰ মাটিভাগ। মই পৰি যাম, খহি পৰিম অনন্ত গৰাত! চিৎকাৰ কৰি উঠিলোঁ। কিন্তু তেনেতে হাত এখনে খামোচ মাৰি ধৰিলে মোক। উমাল। এই হাতখন মোৰ নিয়ৰৰ দেখোন! তাৰ হাতখনতে ধৰি গৰাটোৰ পৰা উঠি আহিলোঁ, উঠি আহিয়েই জোৰেৰে সাবটি ধৰিলোঁ তাক। যেন এপাহি আলফুলীয়া ফুল, বাহিৰৰ বতাহজাকে অলপমান জোৰেৰে চুলেই সৰি পৰিব! “মোক আৰু এৰি নাযাবা সোণ, মোক আকৌ অকলশৰীয়া কৰি থৈ নাযাবা। মোৰ কাষত মোৰ লগত থাকা এনেকৈ, সদায়।” এসোপা উচুপনি পাৰ ভাঙি আহিল। আকৌ হেৰুৱাব নোৱাৰোঁ মই নিয়ৰক, নোৱাৰোঁ কেতিয়াও।

“কিন্তু মইতো সদায় তোমাৰ লগতে আছোঁ, মা! তোমাৰ মন-মগজুত তোমাৰ উশাহত, তোমাৰ অস্তিত্বত!” নিয়ৰৰ কোমল মাতষাৰত মূৰ দাঙি তালৈ চালোঁ। “আৰু কিমান নিজকে কষ্ট দিয়া, মা? কিয় আত্মগ্লানিত দহিছা? মইচোন সদায় তোমাৰ লগত আছোঁ। ভালদৰে চাবাচোন, মোক সকলোতে পাবা, সদায়।” নিয়ৰৰ অভয়বাণী মোৰ কাণত গুঞ্জৰিত হৈ উঠিল কোনো বেদৰ মন্ত্ৰৰ দৰে, আন্ধাৰ নাশি ওলোৱা বেলিটোৰ দৰে, প্ৰখৰ ৰ’দ প্ৰশমিত কৰি অহা বৰষুণজাকৰ দৰে।

“বাইদেউ! অ’ বাইদেউ!” সৰলাৰ চিঞৰ আৰু দুৱাৰত মৰা ঢক্‌ঢক্ শব্দত সাৰ পালোঁ। দুৱাৰখন লৰালৰিকৈ উঠি গৈ খুলিলোঁ। “বাইদেউ! ইমান সময় দুৱাৰত ঢকিয়াই আছোঁ! ভয়েই খাইছিলোঁ। আজি কলেজলৈ নাযায় নেকি?” কথাখিনি একে উশাহতে কৈ উঠা চিন্তাক্লিষ্ট সৰলাক ভিতৰলৈ সোমাব দিলোঁ। “নাই অ’, আজি নাযাওঁ। ছুটী লৈছোঁ, গাটো অলপ দুৰ্বল যেন লাগিছে।” সৰলাই কিছু সময় পাছতেই মোক চাহ একাপ যাঁচিলে। চিন্তিতভাৱেই সুধিলে, “বাইদেউ, গাটো বেছি বেয়া লাগিছে নেকি?”

“নাই অ’, এনেই অলপ ভাগৰুৱা যেন লাগিছে। অ’হ ৰচোন, কালি কি কৈ আছিলি? অহ বিজয়ৰ টিউছনৰ কথা। তই একো চিন্তা কৰিব নালাগে, এতিয়াৰ পৰা বিজয়ৰ পঢ়া-পাতিৰ সকলো খৰচ মই মূৰ পাতি লৈছোঁ দে। ভালকে পঢ়ক সি। তাক কিবা কিতাপ-বহীৰ দৰকাৰ হ’লে মোক জনাবি। মই ব্যৱস্থা কৰিম। তাক মাথোঁ মনপুতি কষ্ট কৰিবলৈ দে। পাৰিব সি। পাৰিব।” ❖

# সোণাৰুবুলীয়া স্মৃতি

**গহনা চক্ৰৱৰ্তী**
দশম শ্ৰেণী

**স্নেপশ্বট : ১**

ডাঙৰ, কমলা ৰঙৰ গেট দুখনৰ সন্মুখত ৰৈ আছিলহি এজাক ল'ৰা-ছোৱালী। কাষতে ৰৈ আছিল সিহঁতৰ মাক-দেউতাক। কোনোৱে পাছে মাক-দেউতাকৰ হাত দুখন এৰি দিয়া নাই। ভয়ে ভয়ে, সন্তৰ্পণে অকণ অকণ চকুহাল মেলোঁ-নেমেলোঁকৈ সিহঁতে সন্মুখৰ সেই ডাঙৰ, কমলা ৰঙৰ গেট দুখনলৈ চাই আছে। অলপ পাছতে গেটখন খোল খাব আৰু সিহঁতক গেটখনৰ সিপাৰে ভৰাই থৈ দিব। মাকসকলে সিহঁতৰ নাকৰ পানী, চকুৰ পানীৰে একাকাৰ হৈ থকা মুখবোৰ চাদৰৰ আঁচলেৰে মচি দিছে আৰু সিহঁতক পাৰে মানে বুজাইছে। পাছে নাই, কোনোপধ্যেই সিহঁতে পতিয়ন যাব খোজা নাই মাকৰ কথাত। হঠাৎ সিহঁতৰ বয়সৰে এজনী সৰু ছোৱালী গেটৰ ফালে আহি থকা দেখিলোঁ। তাই যেন বাকীবোৰতকৈ অলপ বেলেগ। মুখত এটা নিষ্পাপ হাঁহি জিলিকি আছিল। তাই তাইৰ মাক-দেউতাকৰ হাত দুখন কেতিয়াবাই এৰি দিছে। সকলোৱে তাইৰ ফালে ৰ লাগি চাইছে। আনকি, কান্দি থকা অসহায় ল'ৰা-ছোৱালীকেইটায়ো। তাইৰ মুখত কোনো ধৰণৰ ভয় নাছিল। নাছিল কোনো উত্তেজনা। বিদ্যালয়খনৰ প্ৰতিটো চুক-কোণ আৱিষ্কাৰ কৰাৰ এক তীব্ৰ কৌতূহল মনত লৈ তাই দৌৰি দৌৰি গেট দুখনৰ ভিতৰলৈ সোমাই গৈছিল আৰু মোৰ তলতেই থমকি ৰৈ কণমানি দুহাতেৰে ফুলৰ পাপৰি বুটলিব ধৰিছিল। পিছপিনে ৰৈ থকা মাক-দেউতাকৰ সৈতে তাইৰ দূৰত্ব ক্ৰমান্বয়ে বাঢ়ি আহিছিল। মাক-দেউতাকে তাইলৈ চাই এটা সকাহৰ হাঁহি মাৰিছিল।

**স্নেপশ্বট : ২**

অংকুৰৰ সেই অকণ অকণ মুকুতামণিকেইটা এতিয়া ডাঙৰ হ'ল। সিহঁত বৰ্তমান তৃতীয় শ্ৰেণীৰ শিক্ষাৰ্থী। বিদ্যালয় ছুটী হোৱালৈ সিহঁতে বৰ আশাৰে বাট চাই থাকে। কেতিয়ানো মোৰ তলত বহি তলসৰা সোণাৰুৰ মালা গাঁথিব পাৰিব, বালিঘৰ সাজিব পাৰিব তাৰেই আশাত ৰৈ থাকে সিহঁত। বেল মৰা দাদাজনে বেলটো মৰাৰ শব্দ শুনিলেই সিহঁতে দৌৰ মাৰে সিহঁতৰ প্ৰিয় ঠাইখনলৈ।

লাহে লাহে এটা-দুটাকৈ সকলো গোট খাবলৈ ধৰেহি। সকলোৱে ৰংমনেৰে হাঁহি-ধেমালি কৰিবলৈ ধৰে। এইবোৰৰ মাজতে মই সেই ছোৱালীজনীকো দেখা পালোঁ। তায়ো বৰ মনোযোগেৰে বালিঘৰ এটা সাজিব ধৰিছে। এনেতে ক'ৰবাৰ পৰা দৌৰি অহা আন এজনী ছোৱালীয়ে ভুলতে তাই সজা বালিঘৰটো ভাঙি পেলালে। তাৰ পাছত কাজিয়া, চুলিয়াচুলি, মাৰ-পিট, কন্দা-কটা...। কিন্তু, অলপ পাছতে পুনৰ সিহঁত দুয়ো ঠিক হ'ল। আকৌ সিহঁতে হাঁহি-ধেমালিত মগ্ন হৈ পৰিল। এইবোৰকে চাই চাই মোৰ মনটো তৃপ্তিৰে ভৰি পৰিল...।

**স্নেপশ্বট : ৩**

"বাহ ! কি গল্প লিখাহে তুমি...", "...সঁচাকৈয়ে, প্ৰত্যেকটো চৰিত্ৰৰ উপস্থাপন ইমান সুন্দৰ...।" আৰু কত যে কি, আজিকালি বহুতে তাই লিখা গল্পবোৰ পঢ়ে আৰু তাইক এনেদৰে কয়হি। বিদ্যালয়ৰ প্ৰতিগৰাকী ছাৰ-বাইদেৱে তাইক বৰ উৎসাহ দিয়ে। সমান্তৰালভাৱে পঢ়া-শুনাও ভালদৰে চলাই যাবলৈ কয়। হয়, তাইৰ বিদ্যালয়ত এক সৃষ্টিশীল পৰিবেশে বিৰাজ কৰে সকলো

সময়তে। গীত, নৃত্য, নাটক, বাদ্য, বক্তৃতা, কুইজ, তৰ্ক আদি সকলো বিষয়তে এই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল আগৰণুৱা। এই বিদ্যালয়ত পঢ়িবলৈ পাই তাই সঁচাকৈ ধন্য হৈছে। তাইৰ মন প্ৰতিটো ক্ষণতে আনন্দৰে উপচি থাকে। কিন্তু কেতিয়াবা যেতিয়া দুখৰ মুহূৰ্ত আহে, তাই তেতিয়া ঢপলিয়াই আহে মোৰ ওচৰলৈ। "আজি জানা, মোৰ এইটোহে হ'ল।" "আজি জানা মোৰ সেইটোহে হ'ল...।"

মোক সাবটি ধৰি এফালৰ পৰা কথাবোৰ কৈ যায়হি। মইনো আৰু কি ক'ম তাইক সান্ত্বনা দিবলৈ। বতাহে তেতিয়া তাইৰ দীঘল চুলিকোছাত সৰুৱায় মোৰেই দুপাহি পাপৰি। তাৰ পাছত তাইৰ ৰং চায় কোনে...?

**স্নেপশ্বট : ৪**

চাওঁতে চাওঁতে কেনেকৈ যে সিহঁতে নৱম শ্ৰেণী পালে ক'বই নোৱাৰিলোঁ। সেই সৌদিনাখনহে মই তাইক বিদ্যালয়ৰ কমলা ৰঙৰ, ডাঙৰ গেট দুখনত দেখা পাইছিলোঁ আৰু আজি সিহঁত নৱম শ্ৰেণীৰ শিক্ষাৰ্থী ! মই যেন মোৰ চকুকে বিশ্বাস কৰিব নোৱাৰোঁ। সৌ সিদিনাখন সিহঁতে 'মেও মইনা' গাই আছিলহে।

"মেও মইনা শুন, দেউতাই আনিব ঊণ
মায়ে দিব চোলা গুঁঠি,
মাৰি ফুৰিবি ধুন।"

বিদ্যালয়খনত নৱম শ্ৰেণীৰ প্ৰতিটো মুহূৰ্তই সিহঁতৰ বাবে স্মৰণীয়। 'বাখৰ' সম্পাদনা কৰা দিনটোৰ পৰা আৰম্ভ কৰি 'গীত-মাতৰ গধূলি'ত সমস্বৰে কিৰীলি পৰা দিনটোলৈ, প্ৰতিটো দিনৰেই খতিয়ান তাই মোৰ আগত এপাকত দি যায়হি। প্ৰত্যেকটো মুহূৰ্তক যেন সিহঁতে হৃদয়ৰ বৰপেৰাত সাঁচতীয়া কৰি থৈছে।

আজিও মোৰ তলেৰে পাৰ হৈ গৈছে সেই ছোৱালীজনী। লগত তাইৰ এজনী বান্ধৱী। দুয়ো আপোন মনেৰে কথা পাতি গৈ আছে। এনেতে সেই ছোৱালীজনীয়ে ক'লে, "আৰু মাথোঁ এবছৰহে জানানে? ইয়াৰ পাছত চাগে' আমি সকলো অচিনাকি হৈ পৰিম, নহয়নে?"

এৰা, ঠিকেই। আৰু মাত্ৰ এটাহে বছৰ। ইয়াৰ পাছত মোৰ তলতেই বৈ কেতিয়ানো সিহঁতে এনেকৈ মন খুলি কথা পাতিব পাৰিব বাৰু?

**স্নেপশ্বট : ৫**

আজি হেনো বিদায় সভা। সকলোৰে চকুবোৰ সেই বাৰ বছৰ আগতে দেখি অহা চকুবোৰৰ নিচিনা চলচলীয়া হৈ পৰিছে। কোনেও কাৰোবে হাত এৰি দিব খোজা নাই। ঠিক বাৰ বছৰৰ আগতে দেখা ছবিখন আজি যেন পুনৰ দেখিবলৈ পাইছোঁ। নিজকে পুনৰ এবাৰ চিকুটি চাইছোঁ। বিশ্বাসেই যেন নহ'ব মোৰ ! সেই বাৰ বছৰ আগতে দেখা অংকুৰৰ কণমানিকেইটা এতিয়া দশম শ্ৰেণী পালেহি !

সকলোৱে সকলোকে শেষবাৰৰ বাবে সাবটি ধৰিছে। হয়তো এইবোৰ স্মৃতি আৰু কেতিয়াও ঘূৰাই পোৱা নাযাব। বৰ দুৰ্লভ এই স্মৃতিবোৰ। সিহঁতৰ বাবেও, মোৰ বাবেও।

কাষৰ ৰেলআলিৰে পাৰ হৈ যোৱা ৰেলখনৰ শব্দত সিহঁত চঁক্ খাই উঠিছে। আৰু মাত্ৰ কেইটামান মুহূৰ্ত। ইয়াৰ পাছত... ! ইয়াৰ পাছত বা কোন ক'লৈ যায় কোনেও হয়তো নাজানে।

আজিও সিহঁতে সেই ৰঙীন পৃষ্ঠাৰ, অজস্ৰ স্মৃতিৰে ভৰপূৰ সেই মেম'বোৰ লগত লৈ আহিছে। ইটোৱে সিটোৰ মেম'খন পঢ়ি শুনাইছে, তাত লিখা হাঁহি উঠা কথাবোৰ, হাঁহি উঠা স্মৃতিবোৰ। ময়ো কাণ উনাই সিহঁতে পঢ়ি যোৱা সেই কথাবোৰ শুনিছোঁ। মোৰ কথাও বাৰু কোনোবাই লিখিছে নেকি? এনেতে সেই ছোৱালীজনীয়ে মোৰ পিনে মূৰ তুলি, দুহাত প্ৰসাৰিত কৰি, অন্তৰ্য্যামীৰ দৰে চিঞৰি উঠিছে—

"সোণাৰু...

তোমাৰ কথা আমাৰ হিয়াত সদায় থাকিব লিখা।" ❖

# বন্ধুত্বৰ এনাজৰী

**হিমাশ্ৰী বৰ্মন**
একাদশ শ্ৰেণী (কলা)

শ্ৰেণীৰ শেষৰ বেঞ্চত বহি অদিতি আৰু স্নেহা দুয়ো উচুপি আছে। সদায় হাঁহি-ধেমালি কৰি কটোৱা ছোৱালী দুজনী আজি বেদনাগধুৰ মনেৰে নীৰৱে বহি আছে। দুয়োজনীৰে মন আজি ইমান গধুৰ কিয়, সেই কথা সিহঁতৰ লগৰ সকলোৱে জানে। কিন্তু কোনেও সিহঁতক একো ক'বলৈ সাহস কৰা নাই। সকলোৱে কেৱল বাধা দিছে বাৰিষাৰ ধাৰাসাৰ বৰষুণৰ দৰে নামি অহা সিহঁতৰ চকুলোক।

অদিতিৰ দেউতাক বীৰেন মেধি চৰকাৰৰ এজন উচ্চপদস্থ বিষয়া। তেওঁৰ পত্নীৰ দুবছৰ আগতেই মৃত্যু হোৱাত কন্যা অদিতিক চোৱা-চিতা তেওঁ নিজেই কৰিছিল। যোৱা তিনি বছৰে একেখন ঠাইতে চাকৰি কৰিব লগা হোৱা বাবে অদিতিয়ে সেই তিনি বছৰ দেউতাকৰ অফিচৰ কাষতে থকা বিদ্যালয়তে শিক্ষা গ্ৰহণ কৰাৰ সুযোগ পাইছে। ইয়াৰ আগতে সিহঁতৰ গাঁৰৰ প্ৰাথমিক বিদ্যালয়ৰ স্কুলীয়া শিক্ষাৰ পাতনি মেলিছিল। পাছে এইবাৰ কিন্তু উপায় নাই, দেউতাক বদলি হৈছে সুদূৰ তিনিচুকীয়া জিলালৈ। গতিকে অদিতিও যাব লাগিব সেইখন বিদ্যালয়ৰ লগতে স্নেহাকো এৰি তিনিচুকীয়া জিলালৈ। কাইলৈ ৰাতিপুৱাই অদিতিহঁত ৰাওনা হ'ব তিনিচুকীয়ালৈ।

অদিতি এতিয়া ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী আৰু সেইখন বিদ্যালয়তেই তাইৰ হাইস্কুলীয়া জীৱনৰ আৰম্ভণি। কলুষতাহীন মনৰ অধিকাৰী অদিতিৰ নাই কোনো জীৱন গঢ়াৰ স্বপ্ন। কাৰণ তেতিয়া তাই নিচেই সৰু। কিন্তু এই বিদ্যালয়খন তাইৰ বৰ ভাল লাগিছিল। তাই পঢ়া-শুনাত বৰ ভাল আছিল। বিদ্যালয়ৰ প্ৰথমদিনা অদিতিৰ চিনাকি হৈছিল বৰ্তমানৰ তাইৰ অতিকৈ মৰমৰ বান্ধৱী স্নেহা ভূঞাৰ সৈতে। প্ৰথমদিনা দেউতাকে নিজৰ বিলাসী গাড়ীৰে অদিতিক বিদ্যালয়লৈ লৈ গৈছিল। বিদ্যালয়খনত নামভৰ্তি কৰি দি আলসুৱা অদিতিক কপালতে মৰমেৰে চুমা এটা খাই দেউতাকে সুধিলে, "সোণ, তুমি কান্দিবা নেকি?" তাই টপৰাই উত্তৰ দিলে, "কিয় কান্দিম? সৰু ল'ৰা-ছোৱালীয়েহে কান্দে।" দেউতাকে যেন স্বস্তিৰ নিশ্বাস পেলালে। নিমিষতে তেওঁৰ অন্তৰখন আনন্দৰে ভৰি পৰিল। আনন্দতে বৈ অহা চকুলোক বাধা দি "ছুটীৰ সময়ত আহিম দিয়া" বুলি কৈ অদিতিৰ পৰা বিদায় ল'লে।

নামভৰ্তিৰ প্ৰথমদিনাৰ কথা। বিদ্যালয়ৰ বাইদেউ এগৰাকীয়ে তাইক হাতত ধৰি শ্ৰেণীকোঠালৈ লৈ গৈছে। কিন্তু শ্ৰেণীকোঠাত সোমাই তাইৰ মনটো গধুৰ হৈ পৰিল। কাৰণ শ্ৰেণীৰ ২৫ গৰাকীমান ল'ৰা-ছোৱালীৰ বেছিভাগেই কান্দি আছে। বাইদেউগৰাকীয়ে তাইক বেঞ্চ এখনত বহুৱাই দিলে, তাইৰ কাষতে এজনী ছোৱালীয়ে কান্দি আছে। অদিতিয়ে তাইৰ হাতত ধৰি মৰমেৰে সুধিলে, "কিয় কান্দিছা?" ছোৱালীজনীয়ে কান্দি কান্দিয়ে ক'লে, "ঘৰলৈ যাম।" অদিতিয়ে তাইৰ চকুলো মচি দি ক'লে, "হ'ব দিয়া, ময়ো যাম। এতিয়া নাকান্দিবা। মোৰ বেগত দেউতাই দিয়া চকলেট আছে নহয়, তোমাকো দিম। এতিয়া মনে মনে থাকা।" ৰঙা ফিটাৰে দুডাল বেণী গোঁঠা ছোৱালীজনী দেখাত বৰ মৰমিয়াল। কিছু সময় পাছত তাই পুনৰ সুধিলে, "কি নাম তোমাৰ?"

"স্নেহা ভূঞা।"

এয়াই সিহঁতৰ প্ৰথম চিনাকি। আৰু আজি ৫টা বছৰ একেলগে পাৰ কৰাৰ পাছত অদিতি যাব বহু দূৰলৈ। কিন্তু ক'লৈ যাব তাই নাজানে। আকৌ কেতিয়া

লগ পাব তাইৰ মৰমৰ বান্ধৱীগৰাকীক সেয়াও তাই নাজানে। সিহঁত দুয়োৰে মাজত কি সম্পৰ্ক আছিল তাকো তাই নাজানে। আছিল হয়তো সীমাহীন প্ৰাণভৰা বন্ধুত্ব। আজি দুয়োজনীয়ে অনুভৱ কৰিছে সিহঁতৰ মাজৰ প্ৰকৃত বন্ধুত্বৰ সম্পৰ্কটো।

এনেতে বিদ্যালয় ছুটীৰ ঘণ্টা বাজি উঠিল। সকলোৰে ঘৰলৈ যাবলৈ লৰা-ঢপৰা কৰিলে। সিহঁত দুয়োৰে কান্দি কান্দি বেদনাগধুৰ মনেৰে বাহিৰলৈ ওলাই আহিল। কাৰণ আজিয়েই হয়তো সিহঁতৰ জীৱনৰ শেষ সাক্ষাৎ! আজি সিহঁতৰ কোনেও কাকো সোধা নাই "কিয় কান্দিছা" বুলি। দুয়ো মাথোঁ উচুপিছে। এনেতে অদিতিৰ দেউতাকে অধ্যক্ষৰ পৰা ট্ৰেন্সফাৰ চাৰ্টিফিকেটখন লৈ ওলাই আহিল।

স্নেহা—"খুৰা, অদিতিক ইয়াতেই থাকিবলৈ দিয়ক না।" অদিতি—"দেউতা, স্নেহাকো লৈ যাওঁ ব'লা না।" দেউতাকে দুয়োকে সাবটি ধৰি চুমা খাই ক'লে, "আমি আকৌ আহিম নহয় মাজনী। তুমি নাকান্দিবা, ভালদৰে পঢ়িবা দেই, ডাঙৰ মানুহ হ'ব লাগিব নহয়।" দেউতাকে অদিতিক গাড়ীত তুলি লৈ গ'ল। স্নেহাই অদিতি যোৱাৰ ফালে একেথৰে চাই থাকিল। তাই চকুলোৰে বাট নেদেখা হ'ল। অদিতিয়েও কান্দি কান্দি হাত জোকাৰি থাকিল, চকুৰ আঁতৰ নোহোৱালৈকে। এই দৃশ্য দেখি দেউতাকৰো চকুলো ওলাই আহিল নীৰৱে। গাড়ীখনৰ ষ্টিয়াৰিঙত ধৰি বীৰেন মেধিয়ে অদিতিৰ স'তে আগুৱাই গৈ থাকিল দূৰলৈ, বহু দূৰলৈ। তিনিচুকীয়া অভিমুখে...। ❖

# নতুন প্ৰভাতৰ ৰেঙনি

**ড্ৰিমচী বৰা**
দ্বাদশ শ্ৰেণী (কলা)

ঘড়ীটোলৈ চাই তাই দেখে যে চাৰি বাজিবৰ হ'ল, মাক দেখোন এতিয়াও বজাৰৰ পৰা আহি পোৱাহিয়েই নাই। বৰযুণজাকো আগতকৈ বেছি হৈ আহিছে। দেওবাৰৰ দিনটোতে সপ্তাহটোৰ বাবে সকলো বজাৰ-সমাৰ কৰি ল'ব লাগে, নহ'লে মাক সদায় ৰাতিপুৱাতে কামলৈ ওলাই যায় আৰু ৰাতি আঠমান বজাতহে ঘৰ সোমায়হি। বাপু বৰদেউতাকৰ দোকানৰ বাকীকেইটা নামাৰিলে সিহঁতৰ ভাতমুঠি খোৱাৰে অসুবিধা হয়। আজিকালি তাইৰ মাকৰ মুখখন দেখিলে কিবা বেয়াই লাগি যায়। কেতিয়ানো তাই ঘৰখন চলোৱাত মাকক সহায় কৰি দিব পাৰিব! টিউছন দুটা কৰি যিকেইটা টকা পায় সেইকেইটাৰে কোনোমতে তাইৰ কলেজলৈ অহা-যোৱা কৰা গাড়ীৰ ভাৰাটোহে মিলে। দৰিদ্ৰতাই জুৰুলা কৰা মাকৰ কষ্টবোৰ দেখিলে তাইৰ দেউতাকৰ প্ৰতি ঘৃণা ওপজে। তাই যেতিয়া সাত বছৰ বয়সৰ আছিল, তেতিয়াই তাইৰ দেউতাক হঠাতে এদিন ঘৰৰ পৰা ওলাই গৈছিল। কোনোবাই কয় আপোনঘাতী হ'ল, কোনোবাই কয় যে বেলেগে সংসাৰ কৰি আছে। বহুতে আকৌ দেউতাক ঘৰৰ পৰা নোহোৱা হোৱাৰ কথাটোত মাককেই দোষী সজায়। এনেবোৰ কথাৰ বাবে সিহঁত বৰদেউতাকহঁতৰ পৰাও আঁতৰি আহিব লগা হ'ল। যোৱা দুবছৰ ধৰি মাকে চহৰৰ সৰু বেচৰকাৰী সংস্থা এটাত কাম কৰি আছে, তাতো গাঁৱৰ মানুহৰ যি কথা! বিয়াই-সবাহে মাইকী মানুহবোৰ গোট খালেই চহৰৰ মানুহৰ ঘৰত কাম কৰাৰ বাবে মাকৰ চৰিত্ৰৰ ফালে আঙুলি টোঁৱাই মাকক কিবা এষাৰ শুনাবই। মাকে এইবোৰ শুনিলেও নীৰৱে সহ্য কৰি থাকে। কিন্তু পাহি মাকৰ সম্পূৰ্ণ বিপৰীত। কোনোবাই মাকৰ বিষয়ে কটু মন্তব্য কৰিলে তাই তাৰ উচিত প্ৰত্যুত্তৰ দিহে এৰে। তাইৰ এনেকুৱা লাগে যেন তাই কিবাকৈ চাকৰি এটা যোগাৰ কৰিব পাৰিলেই যেনে-তেনে হ'লেও মাকক বেয়া দৃষ্টিৰে চোৱা এই লেতেৰা

মনৰ মানুহবোৰৰ পৰা আঁতৰি গৈ দুয়োজনী কিছু নিলগলৈ গুচি যাব। দৰিদ্ৰতাই কোঙা কৰা মাকৰ মুখখন দেখিলে বয়স পঞ্চাছৰো ঊৰ্ধৰ বুলিহে ক'ব। দেহাটোলৈ চাবলৈ আহৰিয়েই নাই, কেৱল পাহিক মানুহ কৰাৰ আশাত।

বি.এ. এডমিছন লোৱাৰে পৰা সৰু-সুৰাকৈ তায়ো ইণ্টাৰভিউবোৰ দি আছে ক'ৰবাত কিবা এটা কিজানি হয়েই। লাহে লাহে তাইৰ বন্ধু-বান্ধৱীৰ সংখ্যাও কমি আহিছে। সিহঁতৰ লগত ফেৰ মাৰিব পৰাকৈ পাহিহঁতৰ একোৱেই নাই। মানুহবোৰ বৰ স্বাৰ্থপৰ হৈ গৈছে। টকা-পইচাৰ বাহিৰে যেন মৰম, বন্ধুত্ব এইবোৰ চিনি নোপোৱা হৈছে।

বৰযুণজাক লাহে লাহে শাম কাটিছে। বাহিৰলৈ চাই তাই দেখে যে মাকে শুদা হাতেৰেহে আহি জপনা খুলিছে। তাই দৌৰি গৈ মাকক জপনাখনৰ ওচৰৰ পৰা আগ বঢ়াই আনিছে।

"কি হ'ল, মা? আজি ইমান দেৰি কৰিলা যে? বাপু বৰ্তাৰ দোকান বন্ধ নেকি আজি? বজাৰ নকৰিলা দেখোন?" তাই মাকক সুধিলে।

"যোৱা মাহৰ বাকী সম্পূৰ্ণ নকৰিলে বৰদেউতাৰাই বোলে আমাক বস্তু নিদিয়ে আৰু কৈছে যে দেউতাৰে বন্ধকত থৈ যোৱা মাটিডৰা অহা সপ্তাহতে বন্ধকৰ পৰা মোকলাই আনিব লাগে। নহ'লে চহৰৰ কাম এৰি বৰদেউতাৰাৰ ঘৰত বাহী-বন কৰিব লাগিব।" কথাখিনি কওঁতে মাকৰ মাতটো থোকাথুকি হৈ পৰিছিল। মাকৰ কাষতে থিয় হৈ বাৰাণ্ডাৰ খুঁটাটোত ধৰি তাই কিছুপৰ বাহিৰৰ সোণাৰুজোপালৈ চাই ৰ'ল। বেলি পৰিবৰ হৈছে, সোণাৰুৰ হালধীয়া ফুলবোৰ সূৰ্য্যৰ কিৰণে আৰু হালধীয়া কৰি তুলিছে। এনেতে পিয়ন হৰিধন কাই জপনাখন খুলি সোমাই আহিল আৰু পাহিলৈ এটা খাম আগ বঢ়াই দিলে। খামটো লৰালৰিকৈ খুলি চাই তাই দেখে এখন এপইণ্টমেণ্ট লেটাৰ। এটা প্ৰাইভেট কোম্পানীয়ে ৫০জন প্ৰাৰ্থীৰ ভিতৰত তাইক বাছনি কৰিছে আৰু অতি সোনকালেই চাকৰিত জইন কৰিবলৈ কৈছে। তাই মাকক ডাঙৰকৈ চিঠিখন পঢ়ি শুনালে। মাকে তাইক সাবটি ধৰি কেৱল উচুপিছে আৰু উচুপিছে। ❖

# সোঁৱৰণী

**অন্বেষা কলিতা**
দ্বাদশ শ্ৰেণী (কলা)

ধোঁৱা ওলাই থকা গৰম কফিৰ পিয়লাটো লৈ তাই তাইৰ ৰুমৰ বেলকনিত বহিল। তাই মানে বন্দিতা। ৰাতিপুৱা এনেদৰে গৰম চাহ বা কফি একাপ লৈ বেলকনিত বহাটো তাইৰ অভ্যাসত পৰিণত হৈছে। চৰাই-চিৰিকটিৰ মিঠা মাত, টাবত ৰোৱা নাৰ্জী ফুলকেইজোপা, পাতফুলবোৰ, ছালকুঁৱৰীকেইজোপা আৰু শীতৰ পুৱাৰ মিঠা কোমল ৰ'দজাকেই হৈছে বন্দিতাৰ এই সময়কণৰ সংগী। এই সময়কণ তাইৰ খুবেই প্ৰিয়। কংক্ৰিটৰ পৃথিৱীখনত এই সময়খিনিয়েই তাইৰ নিজৰ সময়, এই সময়কণত তাই নিজক বিচাৰি পায়। এইবোৰৰ মাজত বিভোৰ হৈ থাকোঁতেই এটি যেন বহুত চিনাকি সুৰ ভাহি অহা তাই অনুভৱ কৰিলে। ওচৰৰ অসমীয়া মাধ্যমৰ বিদ্যালয়খনৰ পৰা ভাহি অহা এই সুৰ—

"তুমি চিত্ত বৃত্তি মোৰ প্ৰৱৰ্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত।
চৰণ ছত্ৰৰ ছায়া দিয়া দূৰ কৰা মায়া
কৰা দয়া প্ৰভু ভগৱন্ত।।..."

প্ৰাৰ্থনাটো শুনিয়েই তাই উভতি গ'ল প্ৰায় চৈধ্য/পোন্ধৰ বছৰ আগৰ পৃথিৱী এখনলৈ। শীতৰ এনে মিঠা এজাক ৰ'দৰ আমেজ লৈ য'ত তায়ো নিয়ৰ আৰু স্নিগ্ধাৰ সৈতে একেটি প্ৰাৰ্থনা গাই আছিল। হয়, মনত পৰিছে তাইৰ সেই বিশেষ দিনকেইটি। তাইৰ জীৱনৰ মধুৰতকৈও মধুৰতম সময় পাৰ কৰা তাইৰ পঢ়া বিদ্যালয়খনৰ স্মৃতি তাইৰ মনলৈ এটাৰ পাছত এটাকৈ আহিবলৈ ধৰিলে। লগে লগেই উভতি গ'ল তাই সেই সোণোৱালী দিনবোৰলৈ।

মহানগৰীৰ মাজমজিয়াত স্থাপিত সেই বিদ্যালয়খন। য'ত বন্দিতাই পাৰ কৰিছিল বাৰটা বছৰ। নিয়ৰ আৰু স্নিগ্ধা আছিল তাইৰ প্ৰিয় বন্ধু। সেইদিনা আছিল তিনি জানুৱাৰী। সেইটো শিক্ষাবৰ্ষৰ প্ৰথমদিন আৰু বন্দিতাহঁতৰ বিদ্যালয়ত শেষৰটি বছৰ। দশম শ্ৰেণী হেতুকে এক বিশেষ উৎসাহ অনুভৱ কৰিছিল বন্দিতাই। প্ৰাতঃসভা শেষ হোৱাৰ পাছত নিজ নিজ শ্ৰেণীলৈ উভতিছিল সকলোৱে। বন্দিতা, নিয়ৰ আৰু স্নিগ্ধায়ো নিজৰ শ্ৰেণীত আহি বহিছিলহি। এনেতে স্বভাৱসুলভ গহীন-গম্ভীৰ খোজেৰে অনুৰাগ ছাৰ সিহঁতৰ শ্ৰেণীলৈ সোমাই আহিছিল। আহিয়েই কৈছিল, "মই তহঁতক ইংৰাজী পঢ়ুৱাম। ইংৰাজী বিষয়টো ভয় নকৰিবি, ভাল পাবলৈ শিকিবি।" এনে দুই-এটি কথাৰ পাছত ছাৰে সিহঁতৰ পাঠ আৰম্ভ কৰিছিল।

নিয়মীয়া চাৰিটা পিৰিয়ড শেষ হোৱাৰ পাছত সিহঁতৰ জিৰণিৰ ঘণ্টা পৰিছিল। ঘণ্টা পৰাৰ লগে লগেই নিয়ৰ, স্নিগ্ধা আৰু বন্দিতাই নিজৰ নিজৰ টিফিন উলিয়াই খাবলৈ ল'লে। খাই থকাৰ মাজতেই স্নিগ্ধাই ক'লে, "ঐ, আমিচোন দশম শ্ৰেণী পালোঁৱেই। আমাৰ বিদায়ৰ দিন আহিলেইচোন।" লগে লগে বন্দিতাই ক'লে, "অ'চোন। কেনেকৈ এঘাৰটা বছৰ পাৰ হৈ গ'ল গমেই নাপালোঁ।" "তহঁতে এই দুখলগা কথাবোৰ খোৱাৰ সময়ত নক'বিচোন।"—এক আমনিৰ সুৰত দাবী কৰি উঠিল নিয়ৰে। লগে লগে 'পেটুৰাটো' বুলি কৈ হাঁহিছিল স্নিগ্ধা আৰু বন্দিতাই। এনে ধেমালিৰ মাজতেই পাৰ হৈ গৈছিল দশম শ্ৰেণীৰ বিশেষ দিনকেইটা।

সময় হৈছে এক বোৱঁতী নদী। পাৰিব জানো কোনোবাই ইয়াক ধৰি ৰাখিব? নোৱাৰে, কোনেও নোৱাৰে। বন্দিতাহঁতেও নোৱাৰিলে। কেনেকৈ দশম শ্ৰেণীৰ দিনকেইটা পাৰ হৈ গ'ল সিহঁতে গমেই নাপালে। সম্পূৰ্ণ এঘাৰ মাহ পাছত নৱেম্বৰত আহিল সিহঁতৰ বিদ্যালয়খনৰ পৰা বিদায় লোৱাৰ দিন।

বিদায় শব্দটোৱেই বৰ কষ্টকৰ। বন্দিতাহঁতেও মানি ল'ব পৰা নাছিল। কষ্ট হৈছিল সিহঁতৰ বিদ্যালয়খন এৰি যাবলৈ, কিন্তু এয়াইতো বাস্তৱ। এই পৃথিৱীখনত কোনো বস্তুৱেই স্থায়ী নহয়, সকলোৱেই খন্তেকীয়া। স্থায়ী মাত্ৰ, স্মৃতিবোৰ। ১৮ নৱেম্বৰত অনুষ্ঠিত হোৱা সিহঁতৰ বিদায় সভাত সকলোৰে অনুৰোধত নিয়ৰে গাইছিল জয়ন্ত হাজৰিকাৰ এটি গীত—

সময় গতিশীল
নতুন সিও হয় যে
অতীত পুৰণি
ওচৰ হয় গতিত...
সুদূৰ দূৰণি

শেষত মাহটোত এবাৰ হ'লেও লগ কৰাৰ প্ৰতিশ্ৰুতিৰে বিদায় মাগিছিল সিহঁতে বিদ্যালয়খনৰ পৰা আৰু বন্ধু-বান্ধৱীসকলৰ পৰা। শেষবাৰৰ বাবে হিয়া ভৰাই চাই লৈছিল বন্দিতাই তাইৰ আপোন বিদ্যালয়খন। উভতি আহোঁতে মনত তোলপাৰ লগাইছিল শ্ৰেণীকোঠাৰ চিঞৰবোৰে। আকৌ কৰিবলৈ ইচ্ছা গৈছিল দুষ্টালিবোৰ। আকৌ তাইৰ আওৱাবলৈ মন গৈছিল—

"তুমি চিত্ত বৃত্তি মোৰ প্ৰৱৰ্তক নাৰায়ণ
তুমি নাথ মই নাথৱন্ত।..."

স্মৃতিৰ সোঁৱৰণীৰ পৰা তাই বাস্তৱলৈ উভতি আহিল। তেতিয়া মোবাইলটোত ৰিংট'ন বাজি উঠিছিল—

It's been a long day without you,
my friend
And I'll tell you all about it when I
see you again... ❖

# সুদিন সুঁৱৰি

**নিষ্ঠাপ্ৰিয়া কুমাৰী**
ষষ্ঠ শ্ৰেণী



আজি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব। ৰাতিপুৱা বিদ্যালয়ত ভৰি দিয়াৰ লগে লগে কিবা এটা বেলেগ অনুভৱ হৈছে। ভিতৰত গৈ কথা পাতি গম পালোঁ যে আমাৰ বিদ্যালয়ৰ শিক্ষাৰ্থী শীৰ্ষস্থানত আছে। সকলোৰে নিজৰ মহলাৰ পৰা দৌৰা-ঢপৰা কৰি তলত থকা খেলপথাৰত চিঞৰ-বাখৰ লগাইছে। ময়ো ৰ'ব নোৱাৰি ৰেলিঙৰ ওচৰলৈ গৈ থিয় হ'লোঁ। উৰা ! নিউজ চেনেলৰ মানুহ আহিছে। ময়ো তললৈ দৌৰি গ'লোঁ। তেতিয়াই মই গম পালোঁ যে আমাৰ বিদ্যালয়ৰ সপ্তাৰ্শ্ব দাদাই দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। সকলোৰে স্ফূৰ্তিৰ সীমা নোহোৱা হ'ল আৰু এক অন্য পৰিবেশৰ সৃষ্টি হ'ল। আমাক সকলোকে মুকলি মঞ্চলৈ যাবলৈ কোৱা হ'ল। ইতিমধ্যে সপ্তাৰ্শ্ব দাদাৰ মাক-দেউতাকো আহি পাইছে। সপ্তাৰ্শ্ব দাদাৰ লগতে তেওঁৰ মাক-দেউতাককো বিদ্যালয়ৰ তৰফৰ পৰা গামোচা পিন্ধাই অভিনন্দন জনোৱা হ'ল। সেই সময়খিনিত মোৰ মনলৈ বহুতো বেলেগ বেলেগ চিন্তা আহিছিল। কাৰণ আমিও কেইবছৰমান পাছত এইদৰে পৰীক্ষা দিব লাগিব। মই নিজকে সেই স্থানত ৰাখি সঁচাকৈয়ে বৰ আবেগিক হৈছিলোঁ। তেওঁৰ মাক-দেউতাকৰ ঠাইত মই মোৰ মা-দেউতাৰ মুখখন কল্পনা কৰি আছিলোঁ। মাজে মাজে আনন্দত চকুপানীও ওলাই আহিছিল যদিও কোনেও নেদেখাকৈ মচি ল'লোঁ। সকলো ছাৰ-বাইদেউকে মই সেইদিনা খুব নিৰীক্ষণ কৰি আছিলোঁ। কিমান যে সুখৰ সময় আছিল, সেয়া ছাৰ-বাইদেউৰ চকু-মুখত ফুটি উঠিছিল। সপ্তাৰ্শ্ব দাদাৰ লগতে বহুগৰাকী দাদা-বাৰ ভাল ফলাফলে আমাকো আগুৱাই যোৱাত উৎসাহিত কৰে আৰু আমিও অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থী বুলি গৌৰৱ অনুভৱ কৰোঁ। গতিকে আমিও ভাল ফলাফল দেখুৱাবলৈ চেষ্টা কৰিব লাগিব। ❖



**তপস্যা এম কাশ্যপ,** সোপান শ্ৰেণী



**আশিকুল দেৱান,** দ্বিতীয় শ্ৰেণী

# মোৰ জীৱনৰ দুখলগা এটা দিন

**বৈশালী শৰ্মা**
ষষ্ঠ শ্ৰেণী



মোৰ ককা বৰ ভাল আছিল। ককাই সদায় মোক ভালদৰে পঢ়িবলৈ আৰু গান গাবলৈ কৈছিল। ককাই কেতিয়াবা মোক মৌখিক শিকাইছিল। আকৌ কেতিয়াবা বিস্কুট খাবলৈ মন গ'লেই মই ককাৰ দোকানলৈ দৌৰি গৈছিলোঁ। ককাই মোক বহু কথা শিকাইছিল। ককাৰ কেইটামান ভাল গুণ আছিল। সেইবোৰ হ'ল—ককাই বাতৰি কাকত পঢ়ি গুৰুত্বপূৰ্ণ কথাবোৰ চিন দি লৈছিল আৰু পাছত লাগতিয়াল খবৰবোৰ কাটি থৈ দিছিল। তাৰ লগতে কিবা কিতাপ পঢ়িলেও সেইবোৰৰ ভাল লগা কথাবোৰ চিন দি থৈছিল। যাৰ বাবে ককাই বহু ভাল ভাল কথা জানিছিল আৰু সময়ে সময়ে মোকো শিকাইছিল। কেতিয়াবা আকৌ ককাৰ লগত মোৰ টিভি চোৱাৰ বাবে কাজিয়াও লাগিছিল। যাৰ বাবে মই মাৰ পৰা গালি শুনিব লগা হৈছিল।

সিদিনা আছিল দেওবাৰ। মোৰ ককা সেই দিনটোত আমাৰ মাজৰ পৰা গুচি গৈছিল। মই কেতিয়াও মানুহৰ মৃত্যু হোৱা দেখা নাছিলোঁ। মই ভাবিব পৰা নাছিলোঁ যে এনেকৈ কোনোবা চিৰদিনৰ বাবে গুচি যাব পাৰে। মই বৰ দুখ পাইছিলোঁ। আমাৰ ঘৰত এক বেদনাদায়ক পৰিস্থিতিৰ সৃষ্টি হৈছিল। ওচৰৰ সকলো মানুহ আহি আমাৰ ঘৰত ভিৰ কৰিছিল। মোৰ মাক মই কি ক'ম একো ভাবিব পৰা নাছিলোঁ। এক মুহূৰ্ততে এনেকুৱা হৈ যাব বুলি কল্পনাই কৰিব পৰা নাযায়।

ককাই যিদিনা আমাক এৰি গৈছিল সেইদিনা বোলে ৰাতিপুৱা মাক মাতি কৈছিল, "মই আজি যামগৈ।" মায়ে কৈছিল, "তুমি ক'তো যাব নোৱাৰা। তোমাক আমি ডাক্তৰৰ ওচৰলৈ লৈ যাম।" তেতিয়া ককাই নিজৰ পছন্দৰ কাপোৰযোৰ পিন্ধিবলৈ ইচ্ছা কৰিছিল। মায়ে ককাক ধৰি ধৰি বাহিৰলৈ লৈ গৈছিল। কিন্তু ককাই বাৰাণ্ডাৰ চিৰিকেইটা নামিবলৈ ধৰিয়ে মা আৰু আইতাৰ গাতে ঢলি পৰিছিল। শেষত মাৰ হাততে ককাই চিৰদিনৰ বাবে বিদায় ল'লে। এইটো মোৰ জীৱনৰ আটাইতকৈ দুখলগা দিন। ❖

# মানস ৰাষ্ট্ৰীয় উদ্যান

**প্ৰজ্ঞানজ্যোতি চহৰীয়া**
তৃতীয় শ্ৰেণী

যোৱা বছৰ ফাকুৱাৰ সময়ত বিদ্যালয় বন্ধ থকা কাৰণে মোৰ মা-দেউতা আৰু মোৰ বন্ধুৰ পৰিয়াল এটাৰ লগত মানস ৰাষ্ট্ৰীয় উদ্যানলৈ বুলি ওলালোঁ। বৰপেটা জিলাৰ ওচৰৰ বাক্সা আৰু চিৰাং জিলাত অৱস্থিত মানস ৰাষ্ট্ৰীয় উদ্যান। আমি মানস ৰাষ্ট্ৰীয় উদ্যানলৈ গৈ পোৱালৈকে সন্ধিয়া হৈছিল। মানস ৰাষ্ট্ৰীয় উদ্যানত থকা ক'টেজত ৰাতিটো কটাই ৰাতিপুৱাই আৰম্ভ কৰিছিলোঁ জীপ চাফাৰী। যাত্ৰাৰ আৰম্ভণিতে ময়ূৰ চৰাইবোৰ দেখি মনটো ভাল লাগি গৈছিল। মূল প্ৰৱেশদ্বাৰেদি যেতিয়া ভিতৰলৈ প্ৰৱেশ কৰিছিলোঁ, তেতিয়া এজাক বনৰীয়া হাতী ওচৰেৰে পাৰ হৈ গৈছিল। হাতীৰ জাকটো দেখি আমি ভয় খোৱাত মা-দেউতাহঁতে বুজাইছিল যে যদি আমি জীৱ-জন্তুৰ অনিষ্ট নকৰোঁ, তেতিয়া সিহঁতেও আমাৰ একো অনিষ্ট নকৰে। এনেদৰে আগ বাঢ়ি গৈ থাকোঁতে ঠায়ে ঠায়ে দেখিলোঁ বনৰীয়া ম'হ, নলগাহৰি, সোণালী বান্দৰ, গঁড়, বাঘ, হৰিণা আদি। সোণালী বান্দৰবোৰ দেখি আমি অভিভূত হৈ পৰিছিলোঁ, কিয়নো প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখনত সোণালী বান্দৰ দেখা পাইছিলোঁ। ১৯৯০ চনত প্ৰতিষ্ঠিত ৫০০ বৰ্গ কিল'মিটাৰ মাটিকালিত মানস ৰাষ্ট্ৰীয় উদ্যানখন অৱস্থিত, উদ্যানখনত ৰাষ্ট্ৰীয় পক্ষী ময়ূৰ দেখাৰ সৌভাগ্য হ'ল।

প্ৰথমদিনাৰ ভ্ৰমণ সামৰি যাত্ৰা আৰম্ভ কৰিছিলোঁ বৰপেটাৰ কীৰ্তনঘৰলৈ। বৰপেটাৰ কীৰ্তনঘৰৰ দৌল উৎসৱ দেখি বহুত ভাল লাগিল। হোলী বা ফাকুৱাৰ সময়ত বৰপেটাৰ কীৰ্তনঘৰত দৌলযাত্ৰা অনুষ্ঠিত হয়। কীৰ্তনঘৰৰ ফাকুৱা উৎসৱৰ আনন্দ উপভোগ কৰি আমি আটায়ে ঘৰলৈ বুলি যাত্ৰা কৰিলোঁ। ❖

# কাজিৰঙাৰ পৰা তেজপুৰলৈ

**মুগ্ধা বৰঠাকুৰ**
চতুৰ্থ শ্ৰেণী

এইবাৰ বছৰেকীয়া পৰীক্ষাৰ পাছতে মই মা-দেউতাৰ লগত ফুৰিবলৈ ওলালোঁ। প্ৰথমদিনা কাজিৰঙালৈ গৈ তাত আমি কদমবাৰী নামৰ ৰিজৰ্ট এখনত আছিলোঁ আৰু গছ-গছনিৰে ভৰা তাৰ পৰিবেশটো খুব ভাল লাগিছিল। আমি থকা ৰুমটো টেণ্ট হাউছৰ আৰ্হিত নিৰ্মিত। এনেকুৱা ঘৰত থকাৰ অভিজ্ঞতা মোৰ অৱশ্যে আগতেও আছিল। ৰাতি ভাত-পানী খাই উঠি আমি তাত জুই পুৱালোঁ। বৰষুণৰ বতৰত এনেকৈ জুই পুৱাবলৈ পাই ইমান যে ভাল লাগিছিল। পাছদিনা পুৱা শুই উঠিয়েই প্ৰথমে বৰষুণ দিছে নেকি সেইটোহে চাইছিলোঁ। ফৰকাল বতৰ দেখি জীপ চাফাৰী কৰিবলৈ ওলাই গ'লোঁ। এয়া হৈছে মোৰ তৃতীয়বাৰ জীপ চাফাৰী। ইয়াৰ আগতে মানসত এবাৰ আৰু পবিতৰাত এবাৰ জীপ চাফাৰী কৰিছিলোঁ। গঁড়, বাঘ, হাতী, হৰিণা আদি জীৱ-জন্তুৰ লগতে বিভিন্ন ধৰণৰ নেদেখা চৰাই দেখিলোঁ। জীপ চাফাৰী সামৰি আমি কাজিৰঙাৰ অৰ্কিড পাৰ্কত সোমালোঁ। তাত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি এইবাৰ তেজপুৰলৈ বুলি

ওলালোঁ। আমি সন্ধিয়া সময়ত গৈ তেজপুৰ পালোঁ। কলীয়াভোমোৰা দলেঙেদি গৈ থাকোঁতে ইমান যে ভাল লাগিছিল ! তেজপুৰত আমি থকা হোটেলখনৰ নাম আছিল জিকে পেলেচ। পাছদিনা ৰাতিপুৱাই প্ৰথমে গ'লোঁ অগ্নিগড়লৈ। তাত ঊষা-অনিৰুদ্ধৰ কাহিনীটোৰ লগত জড়িত ভগৱান শ্ৰীকৃষ্ণ, বাণৰজা, চিত্ৰলেখা আদি সকলোৰে কথাবোৰ দেৱালত ছবিসহ খুব ধুনীয়াকৈ লিখি বুজাই থোৱা আছে। ইয়াৰ পৰা ওলাই আমি গ'লোঁ চিত্ৰলেখা উদ্যানলৈ। ইয়াত ব'টিং কৰাৰ মন আছিল যদিও সময়ৰ অভাৱৰ বাবে কৰা নহ'ল। চিত্ৰলেখাই কেনেকৈ চিঠি লিখি সখীয়েক ঊষাৰ কাৰণে শ্ৰীকৃষ্ণৰ নাতিয়েক অনিৰুদ্ধক মতাই অনাৰ ব্যৱস্থা কৰিছিল এই সকলোবোৰ কথা দেউতাই মোক কৈ গৈছিল। তাৰ পৰা ওলাই আমি গুৱাহাটীৰ ঘৰলৈ উভতি আহিলোঁ। এইবাৰৰ কাজিৰঙা-তেজপুৰ এই যাত্ৰাটোৰ পৰা বহুত নতুন কথা শিকিলোঁ। ❖

# এখন চুবুৰীয়া দেশলৈ

**ৰিদ্ধিশ মনন বৰুৱা**
চতুৰ্থ শ্ৰেণী



এইবাৰ বছৰেকীয়া পৰীক্ষা শেষ হোৱাৰ পাছত মা-দেউতা আৰু মই আমাৰ এটি বন্ধু পৰিয়ালৰ সৈতে ভূটান দেশৰ গেলেফু চহৰ চাবলৈ যাম বুলি ঠিক কৰিলোঁ। সেইমতে যোৱা মাৰ্চ মাহৰ তেৰ তাৰিখে পুৱা আঠ মান বজাত আমি যাত্ৰা আৰম্ভ কৰিলোঁ। প্ৰথমে আমি নলবাৰীত থকা মোৰ ককা-আইতাৰ ঘৰত সোমাই চাহ-পানী খাই পুনৰ যাত্ৰা আৰম্ভ কৰিলোঁ। মাজতে বঙাইগাঁও চহৰৰ হিমালয় নামৰ ৰেষ্টুৰেণ্টখনত দুপৰীয়াৰ আহাৰ খালোঁ। তাৰ পৰা আকৌ যাত্ৰা কৰি প্ৰায় চাৰি বজাত আমি অসম-ভূটান সীমান্ত পালোঁ। তাত অনুমতি পত্ৰ লৈ গেলেফু চহৰত প্ৰবেশ কৰিলোঁ। আমি আগতীয়াকৈ ঠিক কৰি থোৱা হোটেলখনত বস্তু-বাহানি থৈ চহৰখন চাবলৈ ওলাই আহিলোঁ। গাড়ীৰ পৰা নামিয়েই বহুতো চৰাইৰ কল-কাকলি শুনিবলৈ পালোঁ। গেলেফুৰ ৰাস্তা-পদূলিবোৰ বৰ চাফ-চিকুণ আৰু পৰিপাটি। আমি কিবাকিবি বজাৰ কৰি হোটেল অভিমুখে যাত্ৰা কৰিলোঁ। উভতি আহোঁতে ৰাতিৰ গেলেফু চহৰখন দৰ্শন কৰিলোঁ। ইমান যে পৰিকল্পিত আৰু শান্তিময় এই চহৰখন। ঘৰবোৰো ইমান ধুনীয়াকৈ সজোৱা। আমি হোটেলত ৰাতিৰ আহাৰ খোৱাৰ সময়ত তাত থকা মঞ্চত গানো গাইছিলোঁ।

পাছদিনাখন পুৱা শুই উঠি চাহ-জলপান খাই ভূটানৰ মাজেৰে বৈ অহা মানাহ নৈৰ ওপৰত থকা চাৰচং দলংখন চাবলৈ গ'লোঁ। এই দলংখনৰ তলত বহুতো মৌচাক আছে। সেয়েহে তাত মৌৰ কামোৰৰ পৰা সাৱধান বুলি ইংৰাজী ভাষাত লিখা আছিল। আগলৈ যোৱাৰ অনুমতি নথকা বাবে আমি দলংখনৰ পৰাই ভূটানৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু মানাহ নৈৰ কুলুকুলু শব্দ উপভোগ কৰি উভতি আহিলোঁ। ঘূৰি আহোঁতে গেলেফু চহৰত আকৌ এবাৰ সোমাই তাত থকা গৌতম বুদ্ধৰ মূৰ্তি দৰ্শন কৰিলোঁ। আমি তাত ম'ম'ও খাইছিলোঁ। গেলেফু চহৰখন ২০২৯ চনলৈ Mindfulness City হিচাপে গঢ়ি তোলাৰ পৰিকল্পনাৰ বিষয়েও আমি জানিব পাৰিছিলোঁ। অৱশেষত আটায়ে গেলেফুৰ সুন্দৰ স্মৃতিবোৰ বুকুত বান্ধি ঘৰলৈ বুলি উভতি আহিলোঁ। ❖

# মোৰ খেল বুলি কৰ্ণাটকলৈ

**ৰীচি ডেকা**
চতুৰ্থ শ্ৰেণী

যোৱা ২০২৪ চনৰ ২০ আগষ্ট তাৰিখে মই কৰ্ণাটকলৈ খেলিবলৈ গৈছিলোঁ। মোৰ লগত মা গৈছিল। মই অসম লেংডন স্কুল অফ কাৰাটে স্কুলৰ পৰা নিৰ্বাচিত হৈছিলোঁ। খেলখন হৈছিল ২৪ আৰু ২৫ আগষ্ট তাৰিখে কৰ্ণাটকৰ চিৰগোপী নামৰ ঠাইত।

আমি গৈ পাইছিলোঁ ২৩ তাৰিখে দুপৰীয়া এক বজাত। তালৈ গৈ দেখিলোঁ ঠাইখন বৰ ধুনীয়া আৰু পৰিবেশ বৰ নীৰৱ। চাৰিওফালে কুঁহিয়াৰৰ খেতি, তাৰ মাজতে আমাৰ খেলৰ ষ্টেডিয়ামখন। আমাক থকাৰ বাবে দিয়া কোঠাবোৰ বৰ পৰিষ্কাৰ আৰু পৰিপাটি আছিল। কিন্তু খাবৰ বাবে ওচৰত কোনো ধৰণৰ দোকান নাছিল আৰু আনকি ওচৰত মানুহৰ ঘৰো নাছিল। আমাৰ লগতে যোৱা চাৰিজন দাদাই খাবৰ বাবে হোটেল বিচাৰি গৈছিল আৰু প্ৰায় দুই কিল'মিটাৰমান দূৰৈত আছিল দোকান-বজাৰবোৰ। দাদাহঁতে তাৰ পৰাই আমাৰ সকলোৰে বাবে ভাত লৈ আহিছিল। আমি সকলোৰে যেতিয়া খাবলৈ ল'লোঁ কোনেও ভালদৰে খাব নোৱাৰিলোঁ, কাৰণ তাত আমি খোৱাৰ দৰে ভাত নাপায়। তাতে গোটা জিৰা, গোটা ধনিয়া দি ভজা ভাত আৰু মচলা দিয়া চাম্বাৰ বুলি কোৱা দাইল এখন আৰু ভাজি এখন। এনেদৰে খেলৰ দুদিনো একে ধৰণৰ খাদ্য চলি থাকিল। কাৰাটে খেলত ২৪ তাৰিখে কাটা শাখাত মই দ্বিতীয় পুৰস্কাৰ হিচাপে এটা ৰূপৰ পদক আৰু এখন প্ৰমাণ-পত্ৰ পাবলৈ সক্ষম হৈছিলোঁ। দ্বিতীয় দিনা ২৫ তাৰিখে কাৰাটে কুমিটেত তৃতীয় পুৰস্কাৰ হিচাপে এটা ট্ৰফী, এখন চাৰ্টিফিকেট পাবলৈ সক্ষম হৈছিলোঁ। এই খেলখনত কৰ্ণাটকৰ বন্ধুকেইজনমানৰ সৈতে চিনাকি হৈছিলোঁ। খেলত কৰ্ণাটকৰ ৰাজ্যপালক লগ পাইছিলোঁ আৰু তেওঁৰ লগত আমি কথাও পাতিছিলোঁ। পাছদিনাখন গোৱালৈ ফুৰিবলৈ বুলি ৰেলত উঠিলোঁ। তাৰ পাছত গোৱাৰ পৰা আমি মুম্বাইলৈ আহিলোঁ আৰু মুম্বাই চহৰত ফুৰিলোঁ। আমি মুম্বাইত মুকেশ আম্বানী আৰু লতা মংগেশকাৰৰ ঘৰ দেখিলোঁ। আমি এক ছেপ্টেম্বৰ তাৰিখে আহি ঘৰ পালোঁ। ❖

# ভ্ৰমণৰ আনন্দ

**নৃত্বিক নিয়ৰ গোস্বামী**
চতুৰ্থ শ্ৰেণী

বছৰেকীয়া পৰীক্ষা শেষ হোৱাৰ পাছত দেউতা আৰু মাৰ লগত যোৰহাট, শিৱসাগৰ আৰু কাজিৰঙালৈ ফুৰিবলৈ গ'লোঁ। ২০ মাৰ্চ তাৰিখে আমি পুৱা যোৰহাটলৈ ৰাওনা হ'লোঁ। দুপৰীয়া বাৰ বজাত যোৰহাট গৈ পালোঁ। সিদিনা আমি বৰদেউতাহঁতৰ ঘৰত থাকিলোঁ। পাছদিনা আমি শিৱসাগৰলৈ গ'লোঁ। গৈ থাকোঁতে মোৰ মনত বৰ আনন্দ লাগিছিল। শিৱসাগৰ চোৱাৰ বৰ হেঁপাহ আছিল। প্ৰথমে আমি নামদাঙৰ শিলৰ সাঁকো চালোঁ। তাৰ পাছত তলাতল ঘৰ, জয়সাগৰ পুখুৰী, জয়দৌল, ৰংঘৰ, শিৱদৌল, বিষ্ণুদৌল,

দেৰীদৌল আৰু শিৱসাগৰ পুখুৰী চালোঁ। তাৰ পাছত গড়গাঁৱত থকা কাৰেংঘৰ চাই যোৰহাটলৈ উভতি আহিলোঁ।

২৪ মাৰ্চ তাৰিখে আমি গধূলি মাজুলীলৈ গৈ নিমাতীঘাট চালোঁ। পাছদিনা আমি গোলাঘাটৰ আঠখেলীয়া নামঘৰ দৰ্শন কৰি যোৰহাটলৈ আহিলোঁ।

২৬ মাৰ্চ তাৰিখে পুৱা আমি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ বুলি যাত্ৰা আৰম্ভ কৰিলোঁ। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানখন জীপ গাড়ীৰে ভ্ৰমণ কৰিলোঁ। তাত আমি বিভিন্ন ধৰণৰ জীৱ-জন্তু, চৰাই দেখা পালোঁ। তাত এশিঙীয়া গঁড়, বনৰীয়া ম'হৰ জাক, বহু প্ৰকাৰৰ হৰিণা, হাতী, বনৰীয়া গাহৰি আদি দেখিবলৈ পালোঁ। আমি যেতিয়া জীপ ছাফাৰী কৰি আহি আছিলোঁ, তেতিয়া পোৱালিৰে সৈতে এটা গঁড় আমাৰ কাষেদি দৌৰি গৈছিল। এই দৃশ্যটো দেখি মোৰ বৰ আনন্দ লাগিল। কাজিৰঙাত বাঘহে দেখা নাপালোঁ। আবেলি আমি গুৱাহাটীলৈ ঘূৰি আহিলোঁ। নেদেখা বস্তুবোৰ দেখি বৰ আনন্দ লাগিছিল। ❖

# মোৰ মুম্বাই ভ্ৰমণৰ কাহিনী

**হিয়ান কাশ্যপ**
পঞ্চম শ্ৰেণী

১০ মাৰ্চ তাৰিখে আমি মুম্বাই ভ্ৰমণলৈ ওলাইছিলোঁ। আমাৰ মুম্বাইলৈ যাবলৈ ফ্লাইট আছিল আবেলি ৪.৫০ বজাত। ৰাতি ৮.৩৫ বজাত আমাৰ ফ্লাইটখন মুম্বাই বিমানবন্দৰ পাইছিলগৈ।

১১ মাৰ্চ, মঙলবাৰে আমি প্ৰথমতে ক'লাবালৈ গৈছিলোঁ। ক'লাবাত আমি গেটৱে' অৱ ইণ্ডিয়া (Gateway of India), তাজমহল পেলেচ (Tajmahal Palace) আদি দেখিছিলোঁ। সেইদিনা প্ৰথমবাৰৰ বাবে মই সাগৰ দেখিছিলোঁ। ১৯২৪ চনত গেটৱে' অৱ ইণ্ডিয়াৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈছিল। ১৯১১ চনৰ ডিচেম্বৰ মাহত ভাৰতৰ সম্ৰাট হিচাপে ৰাজ অভিষেকৰ বাবে পঞ্চম জৰ্জৰ আগমনৰ স্মৃতিত ইয়াক ৱেলিংটন ফাউণ্টেইনৰ ওচৰৰ ষ্ট্ৰেণ্ড ৰোডত প্ৰতিষ্ঠা কৰা হৈছিল। তেওঁ ভাৰত ভ্ৰমণ কৰা প্ৰথমজন বৃটিছ ৰজা। তাৰ পাছত আমি মেৰিন ড্ৰাইভলৈ গৈছিলোঁ। মেৰিন ড্ৰাইভ সাগৰৰ পাৰতে আছে। মেৰিন ড্ৰাইভৰ দৈৰ্ঘ্য ৩ কিল'মিটাৰ। ই মুম্বাইৰ নেতাজী সুভাষ চন্দ্ৰ বসু পথত অৱস্থিত। ১৯৪০ চনত পালনজী মিস্ত্ৰীয়ে এই পথটি নিৰ্মাণ কৰিছিল।

মেৰিন ড্ৰাইভৰ পাছত আমি কমলা নেহৰু পাৰ্ক আৰু হেঙিং গাৰ্ডেনলৈ গৈছিলোঁ। কমলা নেহৰু পাৰ্ক আৰু হেঙিং গাৰ্ডেনত অলপ সময় থাকি আমি বান্দ্ৰা ফৰ্টলৈ গৈছিলোঁ। ১৫৩৪ চনত গুজৰাটৰ বাহাদুৰ শ্বাহক পৰাস্ত কৰি এই অঞ্চলত ঘাটি স্থাপন কৰা পৰ্তুগীজসকলে পশ্চিম ভাৰতৰ উপকূলৰ কাষত কেইবাটাও সাগৰীয় দুৰ্গ নিৰ্মাণ কৰিছিল। কেষ্টেলা ডি আগুয়াডা বা বান্দ্ৰা ফৰ্ট তেনে এটা দুৰ্গ। এই দুৰ্গটোৱে মুম্বাই বন্দৰত প্ৰবেশ কৰা উত্তৰ সাগৰীয় পথটোকো পহৰা দিছিল। বান্দ্ৰা ফৰ্টত অলপ সময় থাকি আমি আমাৰ হোটেললৈ আহিছিলোঁ।

১২ মাৰ্চ, বুধবাৰে প্ৰথমতে আমি নেহৰু ছায়েন্স চেণ্টাৰলৈ (Nehru Science Centre) গৈছিলোঁ। তাত চাবলগীয়া বস্তু বহুত আছে। তাত আমি Science On a Sphere show আৰু থ্ৰিডি ভিডিঅ' চাইছিলোঁ। তাৰ পাছত আমি জুহু বীচলৈ (Juhu Beach) গৈছিলোঁ। তাত আবেলি সূৰ্য্য সাগৰত মাৰ যোৱা দৃশ্য চাইছিলোঁ। সূৰ্য্যাস্ত চাই আমি হোটেললৈ আহিছিলোঁ।

১৩ মাৰ্চ, বৃহস্পতিবাৰে আবেলি ছয় বজাত আমি কাৰ্টাৰ ৰোডলৈ গৈছিলোঁ। কাৰ্টাৰ ৰোড হৈছে বান্দ্ৰাৰ পশ্চিমত অৱস্থিত এটা অতি জনপ্ৰিয় উপকূলীয় খোজ কাঢ়ি যোৱা পথ। ই টাৰ্নাৰ ৰোডৰ পৰা খাৰ ভাণ্ডালৈকে

বিস্তৃত। তাৰ পাছত আমি Fashion Street Marketলৈ গৈছিলোঁ। Fashion Street Marketত বজাৰ কৰি আমি হোটেললৈ ঘূৰি আহিছিলোঁ।

১৪ মাৰ্চ, শুক্ৰবাৰে আবেলি আমি কাৰ্টাৰ ৰোডলৈ আকৌ গৈছিলোঁ। সিদিনা আছিল ৰঙৰ উৎসৱ হোলী। আমি থকা হোটেলখনত বহুতো বিদেশী পৰ্য্যটকক হোলীৰ ৰঙত নাচ-গান কৰা দেখিবলৈ পাইছিলোঁ। হোলীৰ বাবে প্ৰায়বোৰ ঠাই সিদিনা বন্ধ আছিল।

১৫ মাৰ্চ, শনিবাৰে আমি মুম্বাইৰ পৰা গুৱাহাটীলৈ ঘূৰি আহিছিলোঁ।

সাগৰ চোৱা আৰু সূৰ্য্যাস্ত উপভোগ কৰাটো মোৰ বাবে আছিল এক অনন্য অভিজ্ঞতা। এই মুম্বাই ভ্ৰমণ মোৰ বাবে চিৰস্মৰণীয় হৈ থাকিব। ❖

# ডিব্ৰুগড় ভ্ৰমণৰ মধুৰ স্মৃতি

**তেজস্বীন মিশ্ৰ**
সপ্তম শ্ৰেণী

গুৱাহাটীৰ পৰা প্ৰায় ৪৫১ কিল'মিটাৰ নিলগত ডিব্ৰুগড় চহৰখন অৱস্থিত। ১১ মাৰ্চ, ২০২৫ তাৰিখে আমি ডিব্ৰুগড়লৈ গৈছিলোঁ। সন্ধিয়া ৬.৩০ বজাত ৰাজধানী এক্সপ্ৰেছত উঠি আমি ডিব্ৰুগড়লৈ ৰাওনা হৈছিলোঁ। ডিব্ৰুগড়ৰ মোহনবাৰীত বায়ুসেনাত মোৰ পেহা কৰ্মৰত। ১২ মাৰ্চৰ পুৱতি নিশা চাৰি বজাত ডিব্ৰুগড় চহৰখনে সাৰ পাবলৈ ধৰিছিল। আন্ধাৰ-পোহৰৰ মাজেৰে চহৰখন দেখি মোৰ মনটো আনন্দেৰে ভৰি পৰিছিল। পেহাই আমাৰ বাবে আগৰে পৰাই ষ্টেছনত অপেক্ষা কৰি আছিল। পেহাৰ গাড়ীৰে আমি মোহনবাৰীলৈ গৈছিলোঁ। মোহনবাৰীত দিনৰ ভাগত জিৰণি লৈ সন্ধিয়া আমি চহৰখন চাবলৈ ওলাইছিলোঁ। গোটেই ডিব্ৰুগড় চহৰখন ব্ৰহ্মপুত্ৰ নদীৰ পাৰতে অৱস্থিত। ১৩ মাৰ্চ তাৰিখে আমি পুৱা আঠ বজাত ধলা-শদিয়ালৈ ৰাওনা হ'লোঁ। ৰাস্তাৰ দুয়োকাষে চাহ বাগিচা আৰু চিপ্ চিপ্ বৰষুণে প্ৰাকৃতিক পৰিবেশটো ধুনীয়া কৰি তুলিছিল। ডুমডুমাত ৰৈ আমি চাহ খাইছিলোঁ। এক বজাত আমি ধলা-শদিয়া পাইছিলোঁ। এই দলংখন ভাৰতৰ নদীৰ ওপৰত থকা দ্বিতীয় দীৰ্ঘতম দলং। দলংখনৰ নাম ভূপেন হাজৰিকা সেতু। দলংখন দেখি মনটো পুলকিত হৈ পৰিছিল। ভূপেন হাজৰিকা সেতুৰ ওপৰত আমি গাড়ীৰ পৰা নামি বহুতো ফটো উঠিছিলোঁ। সেইদিনা বৰ ঠাণ্ডা আছিল। বৰষুণ দি থকাৰ বাবে অদূৰত থকা পাহাৰবোৰ মেঘে ঢাকি ৰাখিছিল। দলংখনৰ পৰা কিছুদূৰ গৈয়েই পায় অৰুণাচল প্ৰদেশ। তাৰ পাছত চীন। কিন্তু বৰষুণ দি থকাৰ বাবে আমি সেইদিনা অৰুণাচললৈ যোৱা নাছিলোঁ। অৰুণাচলৰ সলনি আমি গৈছিলোঁ কাকপথাৰলৈ। আকৌ সেই একে যাত্ৰা। চকুৰে নমনা দূৰলৈকে কেৱল চাহ বাগিচাৰ সেউজীয়া আৰু সেউজীয়া। সেইদিনা আছিল মণ্টু পেহাৰ জন্মদিন। আমি কাকপথাৰত ভাত-পানী খাই সন্ধিয়া মোহনবাৰীলৈ উভতি আহিছিলোঁ। ১৪ মাৰ্চ তাৰিখে আমি পুনৰ ডিব্ৰুগড়লৈ গৈছিলোঁ। এইবাৰ আমাৰ লক্ষ্য আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চৌহদটো বৰ ধুনীয়া গছ-গছনিৰে ভৰা। সেইবাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ক বহুতে নাহৰৰ দেশ বুলিও কয়। ১৫ মাৰ্চৰ দিনা আমি পুৱাই যাত্ৰা কৰিছিলোঁ বৰডুবিৰ টিলিঙা মন্দিৰলৈ। আমি ১২ বজাত টিলিঙা মন্দিৰত উপস্থিত হৈছিলোঁ। আমি তাত ৰেলিঙত টিলিঙা বান্ধিছিলোঁ। বহুতে বিশ্বাস কৰে যে টিলিঙা মন্দিৰত টিলিঙা বান্ধিলে মনৰ আশা পূৰ্ণ হয়। লাহে লাহে বেলি পৰি আহিছিল। আমি এখন ধাবাত সোমাই ভাত-পানী খাই পুনৰ মোহনবাৰীলৈ ৰাওনা হ'লোঁ। ১৬ মাৰ্চ, আমাৰ ভ্ৰমণৰ অন্তিম দিন আছিল। সেইদিনা আমি মোহনবাৰীৰ পৰা

ডিব্ৰুগড়ৰ জগন্নাথ মন্দিৰলৈ গৈছিলোঁ আৰু মনটো আনন্দৰে ভৰি পৰিছিল, কাৰণ ডিব্ৰুগড়ৰ জগন্নাথ মন্দিৰটো দেখিবলৈ পুৰীৰ জগন্নাথ মন্দিৰটোৰ দৰে একেই। সিদিনা সন্ধিয়া ৬.৩৫ বজাত আমাৰ গুৱাহাটীলৈ আহিবলগীয়া বিবেক এক্সপ্ৰেছত টিকট কটা আছিল। বিবেক এক্সপ্ৰেছ হৈছে ভাৰতৰ আটাইতকৈ দীঘলীয়া পথত চলাচল কৰা ৰেল। এই ৰেলখন ডিব্ৰুগড়ৰ পৰা কন্যাকুমাৰীলৈ যায়। আমি পুনৰ জগন্নাথ মন্দিৰৰ পৰা আহি ভাত-পানী খাই বিয়লি ৫ বজাত বাণীপুৰ (ডিব্ৰুগড়) ষ্টেছনলৈ আহিছিলোঁ। ৰেলত উঠি মনটো বিষাদেৰে ভৰি পৰিছিল। আমাক বিদায় জনাবলৈ সোণ পেহা, মণি পেহী আৰু টিকু দাদা আহিছিল। সময় হোৱাত লাহে লাহে ৰেলখন চলিবলৈ আৰম্ভ কৰিছিল। ডিব্ৰুগড়ৰ স্মৃতিবোৰে মনত বৰকৈ আমনি কৰিছিল আৰু চকুত ভাহি আহিল সোণ পেহা, মণি পেহী আৰু টিকু দাৰ মুখকেইখন। ❖

# শিৱসাগৰ দেখিলোঁ

**প্ৰিয়াংশু প্ৰীতিশ শৰ্মা**
সপ্তম শ্ৰেণী

যোৱাবাৰ দুৰ্গা পূজাৰ বন্ধত বহুদিনীয়া হেঁপাহ এটি পূৰ কৰিবলৈ মা-দেউতাই শিৱসাগৰ ভ্ৰমণ কৰাৰ পৰিকল্পনা কৰিলে। কথাটো আলোচনা কৰি থকা শুনি মনটো ৰঙতে নাচি উঠিল। কিতাপৰ পাতত পঢ়িবলৈ পোৱা আহোম ৰাজত্বৰ কীৰ্তিচিহ্নসমূহ নিজ চকুৰে চাবলৈ পোৱাৰ আশাত সাৰ-পানী যোগালেহি মোৰ একমাত্ৰ মামাই। মামাই ক'লে, তেৰোঁ হেনো আমাৰ লগত বন্ধটো উপভোগ কৰিব। সেইমতেই আমি দুৰ্গা পূজাৰ মহাঅষ্টমীৰ দিনা ৰাতিপুৱা ৭.৩০ বজাতে খানাপাৰাৰ পৰা বাছেৰে শিৱসাগৰ অভিমুখে যাত্ৰা কৰিলোঁ। এঘণ্টামান যোৱাৰ পাছতে মৰিগাঁও জিলাত অৱস্থিত তিৱা ৰজা জোঙাল বলহুৰ মূৰ্তি আৰু তেওঁ সজোৱা ঐতিহাসিক জোঙাল বলহু গড়টো দেখিবলৈ পাই বৰ আনন্দ পালোঁ। গাড়ীত আৰামকৈ আধা-শোৱা আধা-বহাকৈ 'পাপু ছিৰিজ' এখন পঢ়িবলৈ উলিয়াই ল'লোঁ। কাজিৰঙা অঞ্চলত সোমোৱাৰ পাছত কিতাপ থৈ গাড়ীৰ গ্লাছৰ মাজেৰে কাজিৰঙাৰ সৌন্দৰ্য্য আৰু এটা-দুটা বনৰীয়া ম'হ আৰু গঁড় দেখিলোঁ। বোকাখাত পাৰ হৈ গৈছোঁ যেতিয়া 'পেৰা'ৰ সোৱাদ নোলোৱাকৈ কেনেকৈ থাকোঁ? দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰাৰ লগতে বোকাখাতৰ বিখ্যাত 'গজৰাজ'ৰ পেৰাৰে মুখ মিঠা কৰি পুনৰ যাত্ৰা কৰিলোঁ। আবেলি চাৰিমান বজাত শিৱসাগৰ পালোঁ। পাছদিনা ৰাতিপুৱা আমি ঐতিহাসিক শিৱদৌল চাবলৈ গ'লোঁ, শিৱসাগৰ পুখুৰীৰ পাৰতে এই দৌল অৱস্থিত। আহোম স্বৰ্গদেউ শিৱ সিংহই দ্বিতীয় পত্নী অম্বিকাৰ অনুৰোধত ১৭৩৪ চনত শিৱদৌল, দেৱীদৌল আৰু বিষ্ণুদৌল নিৰ্মাণ কৰাইছিল, লগতে এই বিশাল শিৱসাগৰ পুখুৰীটোও খন্দাইছিল। শিৱদৌলৰ কাৰুকাৰ্য্য বৰ চকুত লগা। তাৰ পাছত আমি তলাতল ঘৰ আৰু ৰংঘৰ চালোঁ। তলাতল ঘৰ আহোমৰ আটাইতকৈ ডাঙৰ কীৰ্তিচিহ্ন। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই ১৭৬৫ খৃ.ত ৰাজমিস্ত্ৰী ঘনশ্যাম খনিকৰৰ হতুৱাই এই সাতমহলীয়া ৰাজপ্ৰাসাদটো নিৰ্মাণ কৰাইছিল। এই তলাতল ঘৰটো আচৰিত কলা-কৌশলযুক্ত পকীঘৰ। ইয়াৰ সমতলত এতলা, ওপৰে তিনিতলা আৰু তললৈ তিনিতলা। আহোম স্বৰ্গদেউসকলে পেভিলিয়ন হিচাপে ব্যৱহাৰ কৰা ৰংঘৰৰ কাৰুকাৰ্য্য চায়ো মোহিত হ'লোঁ। স্বৰ্গদেউ ৰুদ্ৰ সিংহই মগৰী চ'ৰা নাও, বহৰী শেনৰ খেল, বাঘ, ঘোং, ম'হ, হাতী আদিৰ খেল উপভোগ কৰিবৰ কাৰণে ৰূপহী পথাৰত শাল কাঠৰ খুঁটাৰে চাংঘৰৰ আৰ্হিত প্ৰথম ৰংঘৰ সজাইছিল। স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ দ্বিতীয় পুত্ৰ প্ৰমত্ত সিংহই ১৭৪৬ খৃ.ত বৰ্তমান দেখা পোৱা ৰংঘৰ নিৰ্মাণ কৰাইছিল। ভ্ৰমণৰ তৃতীয় দিনা আমাৰ

গন্তব্যস্থল চৰাইদেউ মৈদাম। চৰাইদেউ মৈদামত স্বৰ্গদেউসকল, লিগিৰা-লিগিৰীসকল, ৰজাৰ পাটমাদৈসকল, ৰাণী আদি অনন্ত কাললৈ শুই আছে। উল্লেখযোগ্য যে যোৱাবেলি ২০২৪ চনৰ ২৬ জুলাইত ইউনেস্ক'ই চৰাইদেউক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি প্ৰদান কৰে। আহোমৰ প্ৰথম ৰাজধানী চে-ৰাই-ডয়ৰ মাটিত খোজ দি, তাৰ মৈদামবোৰ দৰ্শন কৰি মনত এক অনামী শিহৰণ অনুভৱ কৰিলোঁ। তাৰ পাছত গড়গাঁৱৰ কাৰেংঘৰটো চাবলৈ গ'লোঁ। গড়গাঁৱৰ ৰজাৰ বুদ্ধিমতী ৰাণী চাওচিং কুঁৱৰীয়ে এই কাৰেংঘৰৰ নক্সা তৈয়াৰ কৰিছিল। বৰ্তমান আমি দেখা কাৰেংঘৰটো স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত নিৰ্মাণ কৰা হৈছিল। এই ঘৰটোৰ কাৰুকাৰ্য্যয়ো আমাক আচৰিত কৰাৰ লগতে আহোম স্বৰ্গদেউসকলৰ প্ৰখৰ বুদ্ধিদীপ্ততা আৰু তীক্ষ্ণতাই মুগ্ধ কৰি তুলিলে। চাবলগীয়া আৰু বহুতো দৌল, পুখুৰী আদি আছিল যদিও সময়ৰ নাটনি হোৱাৰ বাবে সিদিনা ৰাতিয়েই ৰাজধানী ট্ৰেইনত গুৱাহাটী অভিমুখে ৰাওনা হ'লোঁ। ❖

# শিলে কথা কয়

**বিৰিখ শৰ্মাচাৰ্য্য**
অষ্টম শ্ৰেণী

অসমত থকা শৈল ভাস্কৰ্য্যসমূহৰ অন্বেষণতেই এদিন আমি গুৱাহাটীৰ পৰা ওলালোঁ বাইহাটা চাৰিআলিৰ নিলগৰ মদন কামদেৱলৈ। এই মন্দিৰটো নৱম-দশম শতিকাত কামৰূপৰ পাল বংশৰ ৰজাই নিৰ্মাণ কৰিছিল।

ইয়াত আমি মন্দিৰৰ গাৰ চটাচট শিল আৰু ইটাৰে খোদিত সিংহ, নৰ-নাৰীৰ মূৰ্তি; শিৱলিংগ; অমালক অৰ্থাৎ পদুম ফুলৰ আৰ্হিৰ শৈল ভাস্কৰ্য্য; বিভিন্ন জীৱ-জন্তুৰ মূৰ্তি; দেৱ-দেৱতাৰ মূৰ্তি আদিৰ দৰে শৈল ভাস্কৰ্য্য দেখি অভিভূত হ'লোঁ। ইয়াত স্থাপন কৰা এটা সংগ্ৰহালয়ত আপুৰুগীয়া মূৰ্তিসমূহ সংৰক্ষণ কৰি ৰখা হৈছে। গোটেই ঠাইখন অসংখ্য বৃহৎ বৃহৎ সিজু গছেৰে ভৰা। ঠাইখনৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু জলবায়ু অতি মনোমোহা। আমি কেইবাটাও মন্দিৰৰ ইটাৰ গাঁথনি আৰু তাৰ ভিতৰত দেৱ-দেৱীৰ মূৰ্তি দেখা পালোঁ। ইয়াৰ পৰা জানিব পাৰি যে পূৰ্বতে ইয়াত কেইবাটাও মন্দিৰ আছিল।

আমি শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিৰ ওচৰৰ শিঙৰিৰ গুপ্তেশ্বৰ দেৱালয়লৈও গৈছিলোঁ। এই স্থানলৈ ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা বাৰ কিল'মিটাৰ পশ্চিমে সোমাই যাব লাগে চাহ বাগিচাৰ মাজে মাজে। এই মন্দিৰটো ষষ্ঠ-সপ্তম শতিকাত নিৰ্মাণ কৰাৰ পাছত আহোমসকলে ইয়াত পুনৰ হাত বুলাইছিল। কথিত আছে যে দ্বাপৰ যুগত বাণ ৰজাই এই শিঙৰি পাহাৰতে ধ্যান কৰি শিৱৰ বৰ লাভ কৰিছিল। বৰ লাভ কৰাৰ পাছত শিৱ গুপ্ত হৈ যোৱাৰ বাবেই এই মন্দিৰ গুপ্তেশ্বৰ নামে প্ৰখ্যাত হয়। জনশ্ৰুতি মতে বিশ্বনাথৰ কাশীধামৰ পৰা শিৱলিংগ আনি ইয়াত গুপ্ত কৰি ৰখাৰ বাবে এই মন্দিৰ গুপ্তেশ্বৰ নামে বিখ্যাত। সেইবাবেই হয়তো ইয়াৰ শিৱলিংগটো পানীত বুৰ গৈ থকা দেখিছিলোঁ। উল্লেখযোগ্য কথা হ'ল এই মন্দিৰটো এটা শিলত কাটি সজা। আনবোৰৰ দৰে শিলৰ টুকুৰা জোৰা লগাই সজা নাছিল। আমি ইয়াত পুৰাতত্ত্ব বিভাগৰ নতুন খনন কাৰ্য্য চলি থকা দেখিছিলোঁ। বহুতো শৈল্য ভাস্কৰ্য্য, পুৰণি মন্দিৰৰ ইটাৰ গাঁথনি আদি এই খননত উদ্ধাৰ হোৱা দেখিলোঁ। এই মন্দিৰৰ কাষতে এটা বিশ্বকৰ্মা মন্দিৰো আছে। ইয়াতো শিলৰ ভাস্কৰ্য্য আছিল।

শিঙৰিৰ পৰা ঢেকীয়াজুলি হৈ আহি তেজপুৰ

চহৰ পালোঁ। এই চহৰ অসংখ্য প্ৰাচীন শৈল ভাস্কৰ্য্যৰ ধ্বংসাৱশেষেৰে ভৰি আছে। চহৰৰ উত্তৰ দিশৰ এটা সৰু টিলাত থকা মহাভৈৰৱ মন্দিৰ দৰ্শন কৰিলোঁ। দ্বাপৰ যুগত শিৱভক্ত বাণাসুৰে এই মন্দিৰ নিৰ্মাণ কৰিছিল। এই মন্দিৰৰ ভিতৰত ভক্তসকলে পুৱাই আহি এটা বৃহৎ আকাৰৰ শিৱলিংগত গাখীৰ ঢালি থকা দেখিলোঁ। বৰ্তমানৰ মন্দিৰটো প্ৰাচীন নহয় যদিও প্ৰাচীন মন্দিৰৰ কিছুমান হেলনীয়া হৈ পৰা খুঁটা দেখিলোঁ। এই মন্দিৰৰ চাৰিওপিনে বহুতো ভগা শিল পৰি থকা দেখা পালোঁ। সম্ভৱতঃ এই মন্দিৰক কেন্দ্ৰ কৰি ইয়াত আন আৰু কেইবাটাও মন্দিৰ আছিল।

এইবাৰ আমি গ'লোঁ তেজপুৰ নগৰৰ দক্ষিণ-পূব কোণত অৱস্থিত বামুণী পাহাৰলৈ। প্ৰত্নতাত্ত্বিকসকলৰ মতে ইয়াত থকা মন্দিৰৰ ভগ্নাৱশেষ আৰু আন আন ভাস্কৰ্য্যসমূহ অষ্টম-নৱম শতিকাৰ। ইয়াত সাতোটা মন্দিৰ আছিল। মন্দিৰবোৰ বিষ্ণু, শিৱ আদি বেলেগ বেলেগ দেৱতাৰ আছিল। মন্দিৰলৈ উঠি যোৱা গোলাকাৰ চিৰি, দুৱাৰ-খিৰিকীৰ খুঁটা, ওপৰফালৰ পথালি শিল, জীৱ-জন্তুৰ মূৰ্তি আৰু বিভিন্ন শৈল ভাস্কৰ্য্যৰে পাহাৰখন ঢাক খাই থকা দেখি মই অভিভূত হ'লোঁ। তীব্ৰ বতাহে আমাক উৰুৱাই নিব খুজিছিল। তাত ডেৰফুট ডাঠ আৰু বিছ-ত্ৰিছ ফুটলৈকে দীঘল চাৰিকোণীয়া কিছুমান শিলৰ চটা দেখা পালোঁ। এইবোৰ সম্ভৱতঃ বেদী আছিল আৰু মাজত শিৱলিংগ স্থাপন কৰা হৈছিল। ইয়াৰ পৰা মন্দিৰসমূহ শিৱ মন্দিৰ আছিল বুলি ধৰিব পাৰি।

বামুণী পাহাৰৰ পাছত আমি তেজপুৰ চহৰৰ প্ৰায় তিনি মাইল পশ্চিমে দ-পৰ্বতীয়া নামৰ গাঁৱৰ প্ৰসিদ্ধ শিলৰ দুৱাৰ আৰু মন্দিৰ চাবলৈ গ'লোঁ। ইয়াৰ ভগ্নাৱশেষৰ ভিতৰত এটা আহোম যুগৰ শিল আৰু ইটাৰে নিৰ্মিত শিৱ মন্দিৰ আৰু প্ৰাচীন কালৰ এটা শিলৰ মন্দিৰ দেখিবলৈ পোৱা যায়। ইয়াৰ শিৱ মন্দিৰটো ১৮৯৭ চনৰ বৰভুঁইকঁপত ভাগি পৰে আৰু তেতিয়াই পুৰণি মন্দিৰৰ ভগ্নাৱশেষ পোৱা যায়। প্ৰত্নতাত্ত্বিকসকলৰ মতে এই শিলৰ দুৱাৰৰ ভাস্কৰ্য্য পঞ্চম-ষষ্ঠ শতিকাৰ আৰু সেই কালৰ এয়েই একমাত্ৰ নিদৰ্শন। সেই যুগৰেই কেনে নিখুঁত, উন্নতমানৰ ভাস্কৰ্য্য। ইয়াত আমি দেৱ-দেৱীৰ মূৰ্তি, জীৱ-জন্তুৰ মূৰ্তি, শিৱলিংগৰ ধ্বংসাৱশেষ আৰু পুৰণি মন্দিৰৰ ইটাৰ গাঁথনি আদি দেখা পালোঁ।

নিশাটো তেজপুৰতে কটাই পাছদিনা যাত্ৰা কৰিলোঁ গোলাঘাট জিলাৰ নুমলীগড়ৰ দেৱ পাহাৰলৈ। ইয়াত এজোপা ভেলেও গছ আছে। ইয়াত জানুৱাৰীৰ পৰা অক্টোবৰ মাহলৈ বিভিন্ন ঠাইৰ পৰা মৌ-মাখি আহি বাহ সাজে। সেইবাবেই চাগৈ আমি এই গছজোপাত প্ৰায় বিছ-পঁচিছখনমান মৌচাক দেখিছিলোঁ। দেৱ পাহাৰৰ শিলৰ মন্দিৰৰ স্থাপত্যশৈলী প্ৰায় খৃষ্টীয় সপ্তমৰ পৰা নৱম শতিকাৰ বুলি অনুমান কৰা হৈছে। এই মন্দিৰ ভগৱান শিৱৰ প্ৰতি উছৰ্গিত। ইয়াৰ যিটো শিৱলিংগ সেইটোৱেই এটা শংকু আকৃতিৰ মন্দিৰৰ সমান। তেনেহ'লে মন্দিৰটো কিমান ডাঙৰ হ'ব? এই মন্দিৰলৈ যাবৰ বাবে বৰ ওখ পাহাৰ বগাব লাগে। পাহাৰ বগাই বগাই আমাৰ খুব ভাগৰ লগাৰ লগতে ভৰিও বিষাইছিল। কিন্তু আহোমৰ আগমনৰো কেইবাশ বছৰ আগৰ ভাস্কৰ্য্যবোৰৰ অন্বেষণ কৰিবলৈ থকা আগ্ৰহ আৰু উৎসাহ শাৰীৰিক দুখ-ভাগৰে আমাৰ পৰা কাঢ়ি নিব পৰা নাছিল।

এনেদৰে আমি অসমৰ কেইবাখনো ঠাইৰ প্ৰাচীন শৈল ভাস্কৰ্য্যবোৰ পৰিদৰ্শন কৰি বুজিলোঁ আমাৰ ইতিহাস কিমান পুৰণি আৰু সমৃদ্ধ। মদন-কামদেৱৰ পৰা আৰম্ভ কৰি শিঙৰি, দ-পৰ্বতীয়া, বামুণী পাহাৰ, দেওপাহাৰ আদিত থকা শৈল ভাস্কৰ্য্যৰ মাজত এটা বিশেষ সাদৃশ্য দেখিবলৈ পোৱা যায়। প্ৰায় ডেৰ হাজাৰ বছৰ পুৰণি এই মন্দিৰৰ ভাস্কৰ্য্যসমূহ এতিয়াও জীৱন্ত আৰু মনোমোহা হৈ আছে। ইয়াৰ গভীৰ অধ্যয়নৰ দ্বাৰা অসমৰ ইতিহাসৰ বহু নজনা কথা জানিব পৰা যাব বুলি আশা কৰিছোঁ। ❖

# মাথোঁ স্মৃতি

**অনন্যা লহকৰ**
নৱম শ্ৰেণী

সেয়া আছিল ২০২৩ বৰ্ষৰ পোন্ধৰ অক্টোবৰৰ দিনটো। ৰাতি দহ বজাত উৰাজাহাজত উঠি মই দিল্লীলৈ বুলি যাত্ৰা কৰিলোঁ। আমাৰ লগত গৈছিল দেউতাৰ বায়েক অৰ্থাৎ মোৰ জেঠাই, বা, মাহী, ভাইটি আৰু মহা।

দিল্লী গৈ পোৱাৰ পাছত অলপ দেৰি বিশ্ৰাম কৰি আমি ফুৰিবলৈ বুলি ওলালোঁ। ইণ্ডিয়া গেট, লালকিল্লা, কুটুবমিনাৰ, লক্ষ্মী-নাৰায়ণৰ মন্দিৰ আমি চালোঁ। তাৰ পাছত আমি ৰাজঘাট চাবলৈ গ'লোঁ। নিশা ৮.৩০ বজাত আমি বাছত উঠি জম্মুস্থিত কাটৰালৈ বুলি ওলালোঁ। ৰাতি প্ৰায় এক বজাত মা-দেউতাই মোক টোপনিৰ পৰা জগাই দিলে, কিয়নো আমাৰ বাছ হাৰিয়ানাৰ এখন ধাবাত কিছু সময়ৰ বাবে ৰখালে। গতিকে আমি গৰম গৰম পৰঠা আৰু পনীৰ খালোঁ। গোটেই ৰাতিটো পঞ্জাবত বৰষুণ পালোঁ। পুৱাই উঠি মই খিৰিকীৰে পঞ্জাবৰ খেতিপথাৰ চাবলৈ ধৰিলোঁ। জম্মুৰ একাঁ-বেঁকা পথেৰে গৈ আমি কাটৰা পালোঁ। নৱৰাত্ৰি চলি থকাৰ বাবে চহৰখন অতি সুন্দৰকৈ সজাই তুলিছিল। তাৰ পাছদিনা ব্ৰহ্মপুৱাই আমি মনত অশেষ শ্ৰদ্ধা-ভক্তি লৈ পাহাৰ বগাবলৈ আৰম্ভ কৰিলোঁ। অলপ দেৰি খোজ কঢ়াৰ পাছত আমি 'বাণ গংগা' পালোঁগৈ। তাৰ পাছত আমি পালোঁগৈ 'চৰণ পাডুকা'। সেই শিলচটাত থকা দেৱীৰ চৰণৰ চিন বৰ্তমানেও উপলব্ধ। সাত কিল'মিটাৰ পাহাৰ বগাই আমি গৈ পালোঁ 'অৰ্ধ-কুমাৰী'। তাৰ পাছত বাকী সাত কিমি. আমি বেটাৰী গাড়ীৰে গ'লোঁ। অৱশ্যে একেবাৰে তলৰ পৰা বহুতো লোকে দোলা বা ঘোঁৰাত উঠি আৰু খোজ কাঢ়িও অহা-যোৱা কৰে। আমি গাড়ীৰ পৰা নামি সকলোবোৰ সামগ্ৰী পাৰ্বতী ভৱনত থৈ গ'লোঁ। সেই গুহাত ত্ৰি-দেৱী পিণ্ডিৰূপে মা বৈষ্ণোদেৱী বিৰাজমান হৈ আছে আৰু তাত দেৱীয়ে শ্ৰীৰামৰ অপেক্ষাত তথা কলিযুগত মনুষ্যক ৰক্ষা কৰিবলৈ ধ্যানত থকা বুলি বিশ্বাস কৰা হয়।

এৰি আহিবলৈ মন নগ'লেও ভূস্বৰ্গ কাশ্মীৰখন এৰি আহি আমি ঋষিকেশ পালোঁ। এয়া হৈছে প্ৰভু বিষ্ণু আৰু মহাদেৱৰ অন্যতম আৰাধ্য স্থল। গংগা নদীৰ পাৰত বহি থাকিলে সময় কিদৰে পাৰ হৈ যায় গমকে নাপায়। নদীৰ ওপৰেদি ৰাম ঝুলা, লক্ষ্মণ ঝুলা নিৰ্মাণ কৰা হৈছে। ঋষিকেশত মই বহুতো পুৰণি আশ্ৰম দেখিলোঁ, য'ত ৰুদ্ৰাক্ষৰ গছো আছিল। তাৰ পাছদিনাখন পুৱাই আমি হৰিদ্বাৰ পালোঁগৈ। তাৰ কথা কৈ যে শেষেই কৰিব নোৱাৰি। তালৈ মই দ্বিতীয়বাৰৰ বাবে গৈছিলোঁ। তাত 'দক্ষ কুণ্ড' নামৰ মন্দিৰটোলৈ গ'লোঁ, য'ত মা সতীয়ে দেহ ত্যাগ কৰিছিল আৰু সেই ঠাইতে সতী মহাদেৱৰ বিবাহকাৰ্য্য সম্পন্ন হৈছিল। তাৰ পাছত আমি 'ভাৰত মাতা' মন্দিৰলৈ আৰু মা মনসা দেৱীৰ মন্দিৰলৈ গ'লোঁ। তাত এক বিশেষ ধৰণৰ ৰ'পৱে আছিল, য'ত মাত্ৰ চাৰিগৰাকী ব্যক্তিহে বহিব পাৰিছিল। তাৰ পৰা পাহাৰলৈ উঠি যাওঁতে গংগা নদীৰ মনোৰম দৃশ্য দেখা যায়। সন্ধিয়া ছয় বজাত আমি দ্বিতীয়বাৰৰ বাবে 'গংগা আৰতি' চালোঁ। পাছদিনাখন পুনৰ দিল্লীলৈ গৈ দিল্লীৰ পৰা আগ্ৰালৈ 'বন্দে ভাৰত' ট্ৰেইনেৰে গ'লোঁ। ইতিহাস জড়িত তাজমহল দেখি মন ভাল লাগি গ'ল। তাৰ পৰা বাহিৰে বাহিৰে দিল্লীলৈ উভতি আহোঁতে আমি শ্ৰীকৃষ্ণৰ জন্মভূমি অৰ্থাৎ মথুৰা চালোঁ আৰু প্ৰেম মন্দিৰলৈ গ'লোঁ, য'ত ৰাধা ৰাণী ৰাতি তালৈ আহে বুলি প্ৰবাদ আছে। মথুৰাৰ পেৰা আৰু দৈৰ সোৱাদ যে একোৰে লগতে তুলনা নহয়। সেইদিনা ৰাতি ৮.৩০ বজাত উৰাজাহাজত উঠি গুৱাহাটীলৈ বুলি উভতিলোঁ। সেই সময়খিনি যদি ধৰি ৰাখিব পাৰিলোঁ হয়... ❖

# কাশ্মীৰ : এক স্বপ্নৰ যাত্ৰা

**ইন্দ্ৰাণী ডেকা**
একাদশ শ্ৰেণী (বিজ্ঞান)

চলিত বৰ্ষৰ মাৰ্চ মাহৰ তিনি তাৰিখ। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ শেষৰটো দিন। সকলোৱে যেন স্বস্তিৰ নিশ্বাসহে এৰিছে। সহপাঠীসকলৰ পৰা বিদায় মাগি মা-দেউতাহঁতৰ লগত ঘৰলৈ উভতিব ধৰিছোঁ। আহি থাকোঁতে দেউতাই হঠাতে ক'লে, "তুমি শুভাশীৰ (মোৰ এগৰাকী বান্ধৱী) লগত ভাল বন্ধুত্ব গঢ়ি তুলিব লাগিব। আমি একেলগে ক'ৰবালৈ ফুৰিবলৈ যাম।"

মই বিশেষ আগ্ৰহ নেদেখুৱাই সুধিলোঁ, "ক'লৈনো যাবা?" দেউতাই প্ৰত্যুত্তৰ দিলে, "জম্মু-কাশ্মীৰ।" শব্দটোৱে যেন মনটো শাঁতহে পেলাই দিলে।

আচলতে মোক নজনোৱাকৈ বহু মাহৰ পৰাই এই যো-জা চলিছিল। সেইদিনা কথাটো শুনি এটা বছৰত যি কষ্ট হৈছিল সেইখিনি যেন নিমিষতে নোহোৱা হৈ গৈছিল, তেনে অনুভৱ হ'ল।

মাৰ্চ মাহৰ তেইছ তাৰিখে ১০.৩০ বজাত সাজু হ'লোঁ যাবলৈ। ১১.০৫ বজাত কামাখ্যা ষ্টেছন পাই লৰালৰিকৈ কামাখ্যাৰ পৰা কাটৰাৰ ট্ৰেইনত উঠিলোঁ। এনেদৰেই অসমৰ পৰা পশ্চিমবংগ, বিহাৰ, উত্তৰপ্ৰদেশ, হাৰিয়ানা, পঞ্জাব আদি অনেক ৰাজ্যৰ মাজেৰে প্ৰায় দুদিনৰ মূৰত আমি আমাৰ গন্তব্যস্থানত পদাৰ্পণ কৰিলোঁ। তাৰিখটো আছিল পঁচিছ মাৰ্চ। আমি হোটেল বুক কৰি, গা-পা ধুই খোৱা-বোৱা কৰিলোঁ আৰু ওচৰে-পাঁজৰে অলপ খোজ কাঢ়িলোঁ।

আমি প্ৰথমদিনা মা বৈষ্ণোদেৱীৰ মন্দিৰ দৰ্শন কৰিবলৈ গ'লোঁ। আমি বৈষ্ণোদেৱী দৰ্শন কৰি এক বুজাব নোৱৰা আনন্দ লাভ কৰিলোঁ।

সেইদিনাখনেই আকৌ এঘাৰ বজাত আমি কাশ্মীৰৰ পেহেলগাম অঞ্চললৈ যাত্ৰা আৰম্ভ কৰিলোঁ। কাশ্মীৰত প্ৰবেশ কৰিয়ে মোৰ অনুভৱ হৈছিল যে সঁচাকৈ এইখন ভূস্বৰ্গ। চৌদিশে ওখ পাহাৰ, পাহাৰৰ মাজত আকৌ মানুহৰ ঘৰ, তাতে আকৌ প্ৰকাণ্ড পাইন গছবোৰ দেখাত যেন সুৰক্ষাৰ দেৱাল। পাহাৰৰ ঠেক ভয় লগা ৰাস্তাৰেই আগ বাঢ়ি গৈ থাকিলোঁ। দূৰৈৰ পাহাৰত cherry blossom দেখি শুভাশী আৰু মই স্ফূৰ্তিতে চিঞৰি দিওঁ।

পেহেলগাম অঞ্চলত সোমাই দেখিলোঁ আন এক মনোমোহা দৃশ্য। দূৰৈত শুকুলা বৰফেৰে ঢাক খাই থকা গিৰিৰাজ হিমালয়, বৰষুণৰ কণ কণ টোপালবোৰ পৰি ঠাইখিনি নিৰ্মল কৰি পেলাইছিল। মই খিৰিকীৰ কাষৰ ছিটত গান শুনি খোলা খিৰিকীৰে মূৰটো উলিয়াই কেৱল সেই দৃশ্য উপভোগ কৰিছিলোঁ। মুখত কোবাই যোৱা ঠাণ্ডা বতাহছাটিয়ে যেন মোক কোনো অজান দেশলৈ লৈ গৈছিল। ৰাতি ৮.৩০ বজাত খোৱা-বোৱা কৰি আমি ৰাস্তাত ঘূৰি ফুৰি থকা বাবে হোটেলৰ কৰ্মচাৰীয়ে খং কৰিছিল। কিয়নো তাত সকলো দোকান-পোহাৰ গধূলি সাত বজাত বন্ধ কৰি সকলো মানুহ সন্ত্ৰাসবাদীৰ ভয়তে ঘৰত সোমাই থাকে।

ৰাতি অতিপাত ঠাণ্ডা পৰিছিল আৰু তাপমাত্ৰা আছিল ৪°। আমি সোনকালে শুই থাকিলোঁ যিহেতু পাছদিনা ফুৰিবলৈ যোৱাৰ কথা। পাছদিনা অৰ্থাৎ ২৮ তাৰিখে পুৱা উঠি প্ৰাতঃকৰ্ম কৰি হোটেলৰ আগফালে থকা বননিডৰাত বহি চৌদিশে চকু ফুৰালোঁ। দেখিলোঁ প্ৰায়বোৰ মানুহৰ ঘৰৰ পিছফালে ওখ ওখ পাইন গছৰ হাবি। পাকিস্তানী সন্ত্ৰাসবাদীয়ে হঠাৎ আক্ৰমণ কৰিলে মানুহে এই বননিত লুকায়। সেইদিনাখন আমি প্ৰথম 'আৰু উপত্যকা'লৈ গৈছিলোঁ। লিডাৰ নদীৰ কাষত বৈচাৰণ উপত্যকাৰ তলত এই উপত্যকা অৱস্থিত। তাতে বেছি সময় নাথাকি আমি চন্দনৱাৰীলৈ যাত্ৰা কৰিলোঁ। তাত গৈ দেখিলোঁ গোটেইখন বৰফেই বৰফ।

প্ৰচণ্ড ঠাণ্ডা বতাহে কোব মাৰি আছিল আৰু সেই সময়ত মাৰ গাটো বৰ ভাল নাছিল। সেয়েহে মাক গাড়ীত থৈ দেউতা, মই, শুভাশীৰ পৰিয়াল উৰিলৈ গ'লোঁ। বৰফৰ সৰু সৰু টিলাবোৰত বৰফ খেলি খেলি ক'ব নোৱৰাকৈয়ে চাৰি ঘণ্টা পাৰ হৈ গ'ল। তাতে এগৰাকী কাশ্মীৰী ব্যক্তিক লগ পালোঁ, যিয়ে নিজকে পৰিচয় দিলে অসমৰ জোঁৱাই হিচাপে। তেওঁ আমাক বৰ মিঠা আপেলৰ ৰস প্ৰস্তুত কৰি খুৱালে। তেওঁক বিদায় দি আমি এইবাৰ বেতাব উপত্যকালৈ গ'লোঁ। কিন্তু গৈ থাকোঁতেই সেই উপত্যকাৰ দৃশ্য পাহাৰৰ ওপৰৰ পৰাই সুন্দৰকৈ দেখা পালোঁ, সেয়েহে আৰু ভিতৰত নোসোমাই আমি পুনৰ হোটেললৈ উভতিলোঁ। অলপ সময় জিৰণি লৈ আবেলি ছয় বজাত ওচৰে-পাঁজৰে ঘূৰিম বুলি ওলাই আহিলোঁ। তাত বজাৰত পোৰা নোমাল টুপী, জেকেট আদি সৰু-সুৰা বস্তু কিছুমান কিনিলোঁ আৰু বাহিৰতে ৰাতিৰ আহাৰ খাই ৰুমলৈ আহি শুই থাকিলোঁ।

ঊনত্ৰিছ তাৰিখে ৰাতিপুৱাই আমি ৰাওনা হ'লোঁ শ্ৰীনগৰলৈ বুলি। বেছি সময় নালাগিল। প্ৰাকৃতিক দৃশ্য চাই কেতিয়া আহি পালোঁ ধৰিবই নোৱাৰিলোঁ। এঠাইত গাড়ী ৰখাই আমি বিখ্যাত টিউলিপ গাৰ্ডেনত প্ৰবেশ কৰিলোঁ। চৌদিশে ফুল আৰু ফুল, ৰঙা, নীলা, হালধীয়া, বগা, গুলপীয়া, বেঙুনীয়া তৰহ তৰহৰ ফুলৰ বিভিন্ন গছ। সেইবোৰ দেখি মা আনন্দত আত্মহাৰা হৈ গৈছিল। গোটেই সময় তেওঁ 'য়ে কহা আ গয়ে হম' গীতটো গুণগুণাই থাকিল। মই, শুভাশী আৰু তাইৰ বায়েক ফটো উঠাত ব্যস্ত। তাৰ পৰা ওলাই আহি আমি ডাল হ্ৰদলৈ আহিলোঁ। ডাল হ্ৰদৰ ছিকাৰা নাৱৰ কাৰুকাৰ্য্য সমগ্ৰ পৃথিৱীত বিৰল। ছিকাৰা নাৱত উঠি ডাল হ্ৰদৰ মাজভাগত অস্ত বেলিৰ মুহূৰ্ত উপভোগ কৰাৰ মোৰ বৰ ইচ্ছা আছিল। অৱশেষত সেই আশাও পূৰণ হ'ল। নাৱত উঠি থাকোঁতে 'কেৱা' (কাশ্মীৰৰ বিশেষ প্ৰকাৰৰ গৰম পানীয়) গ্ৰহণ কৰিছিলোঁ। 'কেৱা'ৰ বহু ঔষধি গুণ আছে। হ্ৰদৰ সৌন্দৰ্য্য উপভোগ কৰি আমি পাৰত থকা বজাৰবোৰত বিভিন্ন সামগ্ৰী চালোঁ। সকলো ঘূৰি-পকি আমি ৰাতি ৯.৩০ বজাত শ্ৰীনগৰত বুক কৰি ৰখা হোটেললৈ গৈ মুখ-হাত ধুই শুই পৰিলোঁ।

ত্ৰিছ তাৰিখে পুৱা ৮.৪৫ বজাত ওলালোঁ গুলমাৰ্গলৈ। যাওঁতে আমি বাটত বহুতো সুৰংগৰ মাজেৰে পাৰ হৈ গ'লোঁ। পাহাৰ কাটি এই সুৰংগ পথ নিৰ্মাণ কৰা হৈছে।

প্ৰায় চাৰি ঘণ্টাৰ মূৰত আমি গুলমাৰ্গত উপস্থিত হ'লোঁ। চাৰিওফাল গিৰিৰাজ হিমালয় পৰ্বতমালাই আগুৰি আছে। এফালে প্ৰচণ্ড ৰ'দ, আনফালে বৰফৰ ঠাণ্ডা বতাহ। বৰফত পিছলি পিছলি বহুত খেলিলোঁ আৰু বৰফৰ পুতলা সাজি মই আৰু শুভাশীয়ে ঢেৰ ফটো উঠিলোঁ আৰু আমি সকলোৱে পোৰা মাকৈ খালোঁ। কাশ্মীৰৰ মাকৈবোৰ বৰ কোমল, চোবালে একেবাৰে গাখীৰৰ দৰে সোৱাদ উঠে। তাৰ পৰা আমি ১.১০ বজাত ওলাই আহিলোঁ। মাজ বাটত সিন্ধু নদীৰ পাৰত ৰ'লোঁ। বিভিন্ন আকৃতিৰ শিলবোৰেৰে সাঁকো সাজি থোৱা আছে। আমি গৈ শিলবোৰৰ ওপৰতে বহি সময় কটালোঁ আৰু নদীৰ পৰা শিল কিছুমান বুটলিও আনিলোঁ। ইতিহাসপ্ৰসিদ্ধ সিন্ধু নদীৰ পাৰত নিৰ্মল পানী আৰু শীতল বতাহ। আহ ! কি শান্তি।

এক এপ্ৰিল তাৰিখে আমি জম্মু আহি পালোঁ আৰু তাতে থাকি ৰঘুনাথজী মন্দিৰ দৰ্শন কৰিলোঁ আৰু পত্নীটপলৈও গ'লোঁ। প্ৰায় সকলো ঠাই ফুৰি-চাকি দুই তাৰিখে আমি ওভতনি যাত্ৰাৰ বাবে ট্ৰেইনত উঠিলোঁ ৰাতি দহ বজাত। কাশ্মীৰখনক শেষবাৰলৈ চাওঁতে মোৰ দুচকু সেমেকি উঠিছিল। সপোন সপোন যেন লগা এই দহ দিনৰ যাত্ৰাৰ কেতিয়া যে অন্ত পৰিল ক'বকে নোৱাৰিলোঁ। কাশ্মীৰৰ প্ৰাকৃতিক সৌন্দৰ্য্য চাই থাকিলে বিশ্বাস কৰিব নোৱাৰি যে স্বৰ্গসদৃশ ঠাইখনতো মানুহ শান্তিত থাকিব নোৱাৰে। সকলো সময়তে কেৱল ভয় আৰু আতংক !

তাৰ পৰা ঘূৰি আহোঁতে মোৰ বাৰে বাৰে মনলৈ আহি থাকিল যে আমি মানুহবোৰেও প্ৰকৃতিৰ দৰে মিলি-জুলি থাকিব নোৱাৰোঁনে? ❖

# পুৰীলৈ যাত্ৰা

**লহৰ দাস**
তৃতীয় শ্ৰেণী



পৰীক্ষা শেষ কৰি মই বহুত ধুনীয়া ঠাই উৰিষ্যাৰ পুৰীলৈ গৈছিলোঁ। ২০২৫ চনৰ মাৰ্চ মাহৰ চৌবিছ তাৰিখে মোৰ লগত মোৰ মা-দেউতা, ককা-আইতাৰ লগতে মোৰ বন্ধু দুজনো গৈছিল। গুৱাহাটীৰ পৰা আমাৰ ট্ৰেইনখন সেইদিনা দিনৰ বাৰ বাজি বিছ মিনিটত গৈছিল। ট্ৰেইনখনেৰে গৈ মোৰ বৰ ভাল লাগিল। পুৱাই আমি ট্ৰেইখনৰ পৰা হাওৰা ষ্টেছনত নামিলোঁ। হাওৰা ষ্টেছনটো বৰ ডাঙৰ। হাওৰা দলংখন দেখি মনত বৰ স্ফূৰ্তি পালোঁ। হাওৰা দলংখনৰ তলত এটাও খুঁটা নাই। হাওৰা দলংখনৰ ওচৰেদি আমি শালিমাৰ ষ্টেছনলৈ গ'লোঁ। শালিমাৰলৈ যাবলৈ ট্ৰেইনখন পলমকৈ অহা বাবে আমি যাত্ৰী জিৰণি কোঠাত সোমাই অলপ জিৰণি ল'লোঁ। বহু সময়ৰ অপেক্ষাৰ অন্তত ট্ৰেইনখন আহি পালে। আমি সকলোৰে ট্ৰেইনত উঠিলোঁ। ট্ৰেইনত আমি বহুত কিবাকিবি বস্তু খালোঁ। অৱশেষত আমি পুৰী গৈ পালোঁ। তাত গৈ হোটেলৰ ৰুমত সোমোৱাৰ পাছত মনত আনন্দ লাগিল, কিয়নো আহোঁতে সাগৰ দেখা পালোঁ। পাছদিনাখন আমি পুৱা সকলোৰে সাগৰত গা ধুবলৈ গ'লোঁ। গা ধুই মোৰ বৰ ভাল লাগিল। সাগৰত মাছমৰীয়াবোৰে ধৰা ডাঙৰ ডাঙৰ কাছ আৰু মাছ তাত দেখিলোঁ। সাগৰৰ পাৰত বৰ গৰম পালোঁ, যাৰ বাবে ডাবৰ পানী, আইচক্ৰীম আদি খালোঁ। গা ধুই মই, মা আৰু বন্ধুকেইজনৰ লগত উটত উঠিলোঁ। উটত উঠি বৰ ভাল লাগিল। ছাবিছ মাৰ্চ তাৰিখে আমি জগন্নাথ মন্দিৰ দৰ্শন কৰিলোঁ। জগন্নাথ মন্দিৰটো বৰ ওখ। দেখিলে আচৰিত লগা এটা কথা হ'ল যে জগন্নাথ মন্দিৰৰে দুজনমান মানুহে মন্দিৰৰ ওপৰলৈ উঠি গৈ সদায় সন্ধিয়া পতাকাকেইখন ওপৰৰ পৰা নমাই আনি নতুন পতাকা লগাই দিয়ে।

জগন্নাথ মন্দিৰত লক্ষ্মীয়ে ভাত ৰন্ধা ৰান্ধনিশাল দেখিলোঁ। তাত দেখিলোঁ চৌকাৰ ওপৰত এটা এটাকৈ নটা টেকেলি থৈ দিয়ে। তাৰে একেবাৰে ওপৰৰটোৰ পৰা ভাতবিলাক সিজি আহে। পাছদিনা পুৱাই আমি সকলোৰে মিলি সূৰ্য্যমন্দিৰ, নন্দন কানন (চিৰিয়াখানা) চালোঁ। তাত বহুত জীৱ-জন্তু দেখিলোঁ। বগা বাঘো দেখিলোঁ। এনেকৈ কিছুদিন পাছত আমি ঘৰলৈ উভতি আহিলোঁ। পুৰীলৈ ফুৰিবলৈ গৈ সঁচাকৈ বৰ ভাল লাগিল। ❖

# এক স্মৃতিমধুৰ যাত্ৰা

**তৃষ্ণা শৰ্মা**
দশম শ্ৰেণী

২০১৪ চনৰ এক জানুৱাৰী। এই দিনটো মোৰ কাৰণে এটি বিশেষ দিন। এই দিনটোত নীলা আৰু ধোঁৱা বৰণীয়া স্কাৰ্ট পিন্ধি উপস্থিত হৈছিলোঁ এখন নতুন ঠাইত, যাৰ নাম আছিল 'অসম জাতীয় বিদ্যালয়'। সেইদিনা মৰমিয়াল বাইদেউ এগৰাকীয়ে মোৰ হাতত ফুল এথোপা গুঁজি দিছিল আৰু তেতিয়াৰ পৰাই আৰম্ভ হৈছিল এক নতুন যাত্ৰাৰ।

আজি মই দশম শ্ৰেণীৰ এগৰাকী ছাত্ৰী। চকুৰ পচাৰতে কেনেকৈনো এই এঘাৰটা বছৰ পাৰ হৈ গ'ল গমকে নাপালোঁ। এই এঘাৰটা বছৰত বিদ্যালয়খনৰ লগত এক বুজাব নোৱৰা সম্পৰ্ক গঢ়ি উঠিছে।

এতিয়াও মনত পৰে সেই প্ৰথম দুবছৰৰ কথা, যি দুবছৰত বাইদেউসকলৰ মৰমত ডাঙৰ হৈছিলোঁ। জুলি বাইদেউৰ হাতত ধৰি ধৰি ফুৰিবলৈ যোৱা, অম্বিকা বাইদেৱে কোৱা সেই পৰীৰ দেশৰ সাধুবোৰ, জুৰি বাইদেৱে শিকোৱা সেই গানবোৰ আৰু অলকা বাইদেউৰ লগত খেলা সেই খেলবোৰৰ কথা কেতিয়াও পাহৰিব নোৱাৰোঁ। কিছু বছৰ আগতে মা-দেউতাক এৰি বিদ্যালয়লৈ যোৱাৰ কথা ক'লে যিদৰে কান্দিছিলোঁ, সেই একেদৰে চকুলো ওলায় বিদ্যালয়খন এৰি যোৱাৰ কথা ভাবিলে।

সৰুতে বন্ধুবৰ্গৰ লগত খেলা-ধূলা কৰা, বকুল ফুলৰ মালা গাঁথি ছাৰ-বাইদেউসকলক দিয়া; এতিয়া ডাঙৰ হৈ বন্ধুবৰ্গৰ লগত বাৰাণ্ডা বা শ্ৰেণীকোঠাত আড্ডা মৰা আদি কথাবোৰ কিমান যে আমোদজনক !

'পুৰাৰ সমাবেশ' য'ত আমি আমাৰ অসম সংগীতটি গাওঁ, 'বাৰ্ষিক সাহিত্য প্ৰতিযোগিতা', 'বাৰ্ষিক খেল-ধেমালি', 'হাতেলিখা আলোচনী', মাহেকীয়া আলোচনী 'অন্বেষণ', বাৰ্ষিক আলোচনী 'বাখৰ'— য'ত নিজৰ প্ৰতিভা বিকাশৰ সুবিধা পাওঁ; সেই মুকলি মঞ্চখন য'ত প্ৰথমবাৰৰ বাবে মাইকত কথা ক'বলৈ শিকিছিলোঁ; বছৰ-দিন ধৰি অপেক্ষা কৰিছিলোঁ আমাৰ সকলোৰে আদৰৰ 'গীত-মাতৰ গধূলি' অনুষ্ঠানটিলৈ— এই আটাইবোৰ এৰি যোৱাৰ কথা ভাবিলে মনটো সেমেকি উঠে। কিন্তু এই অনুষ্ঠানসমূহৰ লগত জড়িত স্মৃতিবোৰে কেতিয়াও আমাৰ লগ নেৰে।

এই বিদ্যালয়ৰ শিক্ষাগুৰুসকল মোৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ। জীৱনৰ প্ৰতিটো মুহূৰ্ততে সহায় আগ বঢ়াই এই পৃথিৱীত নিজকে আত্মনিৰ্ভৰশীল তথা সমাজত সুপ্ৰতিষ্ঠিতভাৱে জীয়াই থকাৰ বাবে তেওঁলোকে দিয়া অমূল্য উপদেশ, সাহস আৰু জ্ঞানৰ বাবে মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

সঁচাকৈয়ে সময় তীব্ৰ গতিত আগ বাঢ়ে। এই এঘাৰটা বছৰৰ স্মৃতিয়ে বৰকৈ আমনি কৰিছে। হয়তো মানুহে ঠিকেই কয়—'ভাল লগা মুহূৰ্তবোৰ সদায় ক্ষন্তেকীয়া'। এই বিদ্যালয়ত পাৰ কৰা বাৰটা বসন্তত যিমান স্মৃতি গোটাইছোঁ সেইবোৰে মোৰ হৃদয়ত এক সুকীয়া স্থান লাভ কৰি থাকিব চিৰদিন।

অসম জাতীয় বিদ্যালয়ে আমাক কি দিলে সেয়া এখিলা কাগজত লিখি কেতিয়াও শেষ কৰিব নোৱাৰি। কিন্তু এই বিদ্যালয়খনৰ লগত কটোৱা দিনবোৰৰ স্মৃতিবোৰ মনত সদায় সজীৱ হৈ থাকিব।

অসম জাতীয় বিদ্যালয়ে দিয়া স্মৃতিবোৰ কোনেও মচিব নোৱাৰে। 'অসম জাতীয় বিদ্যালয়' আমাৰ বাবে এক আবেগ। বিদ্যালয়ৰ এই সোণোৱালী যাত্ৰা যেন সদায় অব্যাহত থাকে তাকেই কামনা কৰিলোঁ। ❖

# বালিঘৰৰ পৰা মুকলি মঞ্চৰ কনচাৰ্টলৈ

**জ্যোতিষ্মান দাস**
দশম শ্ৰেণী

২০১৪ চনৰ এক জানুৱাৰী তাৰিখটো আমাৰ জীৱনৰ এক অতি স্মৰণীয় দিন...। সেইদিনা নীলা ছুৰেটাৰ এটা আৰু আকাশীবৰণীয়া ছাৰ্ট, ছাইবৰণীয়া পেণ্ট এটা পিন্ধি মুখত এক হাঁহি লৈ প্ৰথমবাৰৰ বাবে অসম জাতীয় বিদ্যালয়ৰ দুৱাৰডলিৰ সন্মুখত ৰৈছিলোঁ।

আৰু আজি ...শেষৰবাৰৰ বাবে মন পূৰাই এক দৃষ্টিৰে চাইছোঁ আমাৰ সকলোৰে আশাৰ আলয় অসম জাতীয় বিদ্যালয়ক। অংকুৰ শ্ৰেণীত বালিৰ খেলপথাৰখনত বহি বালিঘৰ সজাৰ পৰা আজি এই বাৰ বছৰৰ মূৰত স্মৃতিৰ এক শক্তিশালী ভেটি থকা সমল গঢ়ালৈকে এই বিদ্যালয়ৰ প্ৰতিটো কোণৰ লগতে যেন জড়িত হৈ পৰিছোঁ।

মুকলি মঞ্চত প্ৰতিটো দিৱস নিজৰ সকলো লগৰীয়াৰ লগত উপভোগ কৰাৰ যি আনন্দ সেই আনন্দ যেন আন কোনো ডাঙৰ কনচাৰ্ট বা অনুষ্ঠানত বিচাৰি নাপাওঁ। এই দিৱসসমূহত পৰিবেশন কৰা প্ৰতিটো অনুষ্ঠানেই যেন এতিয়া আবেগৰ এক সবল সূত্ৰ হৈ পৰিছে।

শ্ৰেণীকোঠা ...এনে এক ঠাই যিখন ঠাইত সমাগম ঘটিছিল ছাত্ৰ এজনৰ শ্ৰদ্ধা, শিশুমন, সুখ, দুখ আদি সকলো অনুভূতিৰ। শ্ৰেণীকোঠাত কৰা ধেমালি, খেল আদিবোৰে সদায় মনৰ ভিতৰত এক বিশেষ স্থান অধিকাৰ কৰি থাকিব।

শ্ৰেণীত ছাৰ, বাইদেউসকলে দিয়া অনুপ্ৰেৰণাবোৰ সদায় লগত থাকিয়েই যাব।

এইখনেই মোৰ আশাৰ আলয়; এইখনেই আমাৰ অসম জাতীয় বিদ্যালয়... ❖

# জীৱনৰ ৰূপৰেখা সলনি কৰা বিদ্যালয়খন

**দেবাংগ কলিতা**
দশম শ্ৰেণী

বিদ্যালয় এখন ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অতি গুৰুত্বপূৰ্ণ। এখন বিদ্যালয়ে এজন ছাত্ৰ বা ছাত্ৰীৰ জীৱনত গভীৰ প্ৰভাৱ পেলায়। নতুন আলোকেৰে উদ্ভাসিত কৰি ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ দায়িত্বশীল, সুনাগৰিক হিচাপে প্ৰতিষ্ঠা কৰে, নতুন নতুন কথা, চিন্তা আদিৰে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ ভাণ্ডাৰ পূৰণ কৰে।

যোৱা বাৰটা বছৰত অসম জাতীয় বিদ্যালয়ে মোৰ জীৱনৰ ভেটি গঢ়ি জীৱন-পথত আগ বাঢ়িবলৈ সহায় কৰিছে। এই বিদ্যালয়তে মোৰ বাৰ বছৰ পূৰ্বে নামভৰ্তিকৰণ হৈছিল। বিদ্যালয়খনৰ পৰম্পৰা অনুসৰি মোক বিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱসৰ দিনা এপাহ ফুলেৰে বিদ্যালয়খনলৈ আদৰণি জনাইছিল। অংকুৰ শ্ৰেণীতে মই বিদ্যালয়ত বহুতো নতুন নতুন বস্তু দেখিছিলোঁ। যেনে—বিভিন্ন ধৰণেৰে ছবি অঁকা, ৰং কৰা আদি। এইবোৰৰ মাজতে ব্যস্ত হৈ থকাৰ বাবে কেনেকৈ প্ৰথম তিনিটা বছৰ পাৰ হ'ল গমেই নাপালোঁ।

শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সান্নিধ্যলৈ আহি বহু নজনা কথা শিকিলোঁ। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে শিক্ষাৰ্থীসকলক এনেদৰে আগ বঢ়াই নিয়ে যাতে শিক্ষাৰ্থীসকলো জীৱনৰ কোনো বাধাতেই থমকি ৰ'ব লগা নহয়। বিদ্যালয়খনে মোৰ জীৱনত এনেদৰে প্ৰভাৱ পেলাইছে যাতে মই কেতিয়াও জীৱনত থমকি ৰ'ব লগা নহয়। প্ৰথম, দ্বিতীয়, তৃতীয় এনেদৰে আহি আহি আজি দশম শ্ৰেণী পালোঁ। পাখি লগা সময় কেনেদৰে উৰি গ'লে গমেই নাপালোঁ। এই বিদ্যালয়খনে চিৰদিন মোৰ অন্তৰত ঠাই পাব। ❖

— তৰ্জমা —

# দেৱী

মূল : মুন্সী প্ৰেমচান্দ (হিন্দী)

অনুবাদ : প্ৰাঞ্জনা গোস্বামী
দশম শ্ৰেণী

ইতিমধ্যে বাহিৰত ৰাতিৰ অন্ধকাৰ নামি আহিছিল। মই ঘৰৰ বাৰাণ্ডাখনতে থিয় হৈ আছিলোঁ। সন্মুখৰ আমিনুদ্দৌলা পাৰ্কখনো যেন টোপনিত ডুব গৈ আছিল। কেৱল এগৰাকী মহিলাই এখন বেঞ্চত অকলশৰে বহি আছিল। পাৰ্কৰ বাহিৰত পথৰ কাষত এজন ভিক্ষাৰীয়ে চিঞৰি আছিল—"খোদা আৰু ৰছুলৰ নামত... ৰাম আৰু ভগৱানৰ নামত... এই অন্ধৰ প্ৰতি দয়া কৰা।"

পথটোত গাড়ী-মটৰৰ ভিৰ নোহোৱা হৈছিল। তাত মাথোন এজন-দুজন মানুহহে দেখিবলৈ পোৱা গৈছিল। ভিক্ষাৰীজনৰ মাত আগতে সৰু যেন লাগিছিল যদিও এতিয়া মুকলি মৈদানত সেই মাত বৰ ডাঙৰ যেন লাগিল। তেনেতে পাৰ্কত বহি থকা মহিলাগৰাকী উঠিল আৰু ইফালে-সিফালে সতৰ্ক দৃষ্টিৰে চাই ভিক্ষাৰীজনৰ হাতত কিবা গুঁজি দিলে আৰু বৰ সৰুকৈ কিবা এষাৰ কৈ আঁতৰি গ'ল। ভিক্ষাৰীজনৰ হাতত কাগজৰ টুকুৰা এটা পৰিল, সেইখন সি বাৰে বাৰে মোহাৰি আছিল। সেই মহিলাগৰাকীয়ে এই কাগজখন তাক দিলে নেকি !

এয়া কি ৰহস্য? কথাটো জানিবৰ বাবে মোৰ প্ৰবল কৌতূহল জন্মিল আৰু অধীৰ হৈ মই তললৈ নামি আহিলোঁ। অন্ধ ভিক্ষাৰীজনৰ ওচৰত মই থিয় হ'লোঁগৈ।

মোৰ খোজৰ শব্দ শুনি অন্ধজনে কাগজখন দুটা আঙুলিৰ মাজত চেপি ধৰি মোক দেখুৱালে আৰু সুধিলে, "দাদা চাওকচোন, এইখন কি?"

মই দেখিলোঁ, "দহটকীয়া নোট এখন।" ক'লোঁ, "দহ টকাৰ নোট, ক'তনো পালা?"

নোটখন নিজৰ জোলোঙাত ভৰাই থৈ সি ক'লে, "এগৰাকী ধাৰ্মিক মহিলাই দি গৈছে।"

মই দুনাই তাক একো নুসুধিলোঁ আৰু সেই মহিলাগৰাকী যোৱাৰ দিশে দৌৰ দিলোঁ—যাক মোৰ আন্ধাৰত এটা সপোনৰ দৰে লাগিছিল।

তেওঁ কেইবাটাও গলি অতিক্ৰম কৰি এটা ভগা-ছিগা, উখহা ঘৰৰ সন্মুখত ৰ'ল, তলা খুলিলে আৰু ভিতৰত সোমাল। ৰাতি একো সোধা উচিত নহ'ব বুলি ভাবি তাৰ পৰা মই উভতি আহিলোঁ।

কিন্তু ৰাতি মোৰ মনটো তাতেই লাগি থাকিল। একেবাৰে পুৱাই মই পুনৰ সেই গলিৰ ঘৰটোত উপস্থিত হ'লোঁ। গম পালোঁ যে তেওঁ এগৰাকী দুখীয়া বিধৱা মহিলা।

মই দুৱাৰৰ কাষত গৈ মাতিলোঁ—"দেৱী, তোমাৰ দৰ্শন কৰিবলৈ মই আহিছোঁ।"

মহিলাগৰাকী বাহিৰলৈ ওলাই আহিল—তেওঁ যেন দৰিদ্ৰতাৰ বাস্তৱ এখন চিত্ৰ।

মই সংকোচ কৰি ক'লোঁ, "ৰাতি আপুনি ভিক্ষাৰীজনক...।"

দেৱীয়ে মোৰ কথাষাৰ শেষ হ'বলৈ নিদি ক'লে, "সেয়া কি ডাঙৰ কথা, মই নোটখন পৰি থকা অৱস্থাত পাইছিলোঁ আৰু সেইখন মোৰ কোনো কামৰ নাছিল।"

দৰিদ্ৰ অথচ লোভহীন, ত্যাগী এই দেৱীগৰাকীৰ চৰণত মই মূৰ দোঁৱালোঁ। ❖

*চিঠি এক মধুৰ নষ্টালজিয়া। মনত দোলা দিয়া আৱেগ-অনুৰাগৰ প্ৰকাশ কৰিবলৈ, দূৰণিত থকা লগ-বন্ধু, আপোনজনৰ খবৰ ল'বলৈ এসময়ত চিঠিয়েই আছিল প্ৰধান অৱলম্বন। আজিৰ তাৰিখত চিঠিৰ ব্যৱহাৰ কমি আহিলেও এক মধুৰ আমেজ হৈ চিঠিয়ে আমাৰ মন-প্ৰাণ ভৰাই তোলে। এয়া শিক্ষাৰ্থীৰ শিতান —'হেঁপাহবোৰ পঠালোঁ ডাকত'*

# বিৰিখৰ আত্মকথা

**নৈঋতী মেধি**
ষষ্ঠ শ্ৰেণী

মৰমৰ

মুমন,

তোমাৰ বাৰু মোক মনত আছেনে? আজিৰ পৰা দহ বছৰ আগতে মোৰ কাষেৰেই অহা-যোৱা কৰিছিলা। মোক দেখি তুমি ৰৈ গৈছিলা, মোৰ হাতৰ আঁৰত হয়তো কোনোবা চৰাই থাকিব পাৰে বুলি তুমি মোলৈ বহু সময় চাই আছিলা। তুমি প্ৰায়েই মা আৰু দেউতা নাইবা কলেজৰ চঞ্চল গাভৰুকেইজনীমানৰ লগত অহা মোৰ এতিয়াও মনত আছে। মোৰ গাত ৰং সানোতে তুমি স্ফূৰ্তি পাইছিলা, কিন্তু জানানে তেতিয়া ৰঙত থকা ৰাসায়নিক দ্ৰব্যবোৰৰ বাবে মই বৰ কষ্ট পাইছিলোঁ। সেই দিনবোৰ মোৰ আকৌ ঘূৰাই পাবলৈ মন যায়; কিন্তু ক'তনো পাম? এতিয়া মোক ডাঙৰ ডাঙৰ অট্টালিকা, অ'ভাৰব্ৰীজবোৰে চেপি ধৰিছে। মোৰ যেন উশাহ বন্ধ হৈ যাব !

মই আৰু মোৰ লগৰবোৰে এতিয়াৰ পৰা বহু বছৰ আগতে ইয়াত জন্ম হৈ সকলোকে মুকলিকৈ উশাহ লোৱাত সহায় কৰি আহিছোঁ। আমি ছানি ধৰা এই অঞ্চলটোত আমাক বহুতেই ৰ লাগি চাইছিল। কিমান চৰাই আহিল আৰু গ'ল তাৰ হিচাপেই নাই। এই অঞ্চলৰ কিমান ইতিহাস জড়িত কথাৰ যে আমি সাক্ষী এই কথা কোনে বাৰু সুধিবলৈ আহিব আমাক?

মোৰ জানা কেতিয়াবা বৰ লাজ লাগে। যেতিয়া বাহিৰৰ মানুহে আমাৰ কাষৰ পুখুৰীটো চাবলৈ আহে,



তেতিয়া আমাৰ গাৰ কাষে কাষে দ'ম হোৱা জাবৰবোৰ দেখি বা কি বুলি ভাবে? এই জাবৰবোৰে ইয়াত থকা প্ৰাণীকুলৰ বহু বেছি অনিষ্ট কৰিছে।

মুমন, কেইদিনমানৰ পাছত তুমি মোক আৰু দেখা নাপাবা চাগে! ইয়াত থকা মোৰ পৰিয়ালৰ সকলোকে নিঃশেষ কৰি পেলাব বোলে ! মুমন, তুমি আমাক বচাব পাৰিবানে? আমাক বচাবলৈ বহু মানুহে ওৰে নিশা সাৰে থাকি আন্দোলন কৰি আমাক পহৰা দিছে। তেওঁলোকক মই সঁচাকৈ ধন্যবাদ দিছোঁ। বৰ মানুহ নহ'লেও তেওঁলোকৰ চাগৈ অন্তৰবোৰ বিশাল। তুমিও তেওঁলোকৰ দৰে ভাল মানুহ হ'বলৈ চেষ্টা কৰিবাচোন।

আমি তোমালোকক তোমালোকৰ মাৰাৰ দৰে মৰম কৰিছোঁ, কিন্তু তোমালোকে ভাবা তোমালোকেহে আমাক প্ৰতিপালন কৰিছা আৰু আমি তোমালোকক একো দিয়া নাই। তোমালোকক মায়ে যেনেদৰে ডাঙৰ-দীঘল কৰে আমিও তেনেদৰে তোমালোকক অক্সিজেন দিছোঁ, মায়ে যিদৰে খাবলৈ দিয়ে তেনেদৰে আমিও তোমালোকক বিভিন্ন ধৰণে আহাৰ যোগান ধৰিছোঁ। ঠাণ্ডাত মায়ে যিদৰে উম দিয়ে আমিও গৰমত তোমালোকক গা শাঁত পৰি যোৱা বতাহ দিছোঁ। কিন্তু তোমালোকে আমাক সুৰক্ষা দিব পাৰিবানে?

মুমন, তুমি নিশ্চয় যাদৱ পায়েঙৰ নাম শুনিছা। তেওঁ গছ ৰুই এখন অৰণ্য সাজিছে। অৰণ্যখনৰ নাম মোলাই অৰণ্য। যাদৱ পায়েঙৰ মোলাই অৰণ্যৰ কথা তুমি নিশ্চয় জানা। তেওঁক আমি 'অৰণ্য মানৱ' বুলিও জানো। তেওঁ যোল্ল বছৰ বয়সত কেইবাডালো সাপ এজোপা গছৰ তলত পৰি থকা দেখে। দৃশ্যটোৱে তেওঁৰ মনত দকৈ সাঁচ বহুৱালে। তাৰ পাছত তেওঁ তাতেই কেইডালমান গছ ৰুলে। তেতিয়াৰ পৰাই আৰম্ভ হ'ল তেওঁৰ গছ ৰোৱা অভিযান। পাছত গৈ সেইবোৰ এখন অৰণ্য হিচাপে পৰিগণিত হ'ল। ২০১৫ চনত তেওঁক এই কষ্টৰ ফলস্বৰূপে পদ্মশ্ৰী সন্মান প্ৰদান কৰে।

তুমি জানানে পৃথিৱীত বোলে খোজ কঢ়া গছো আছে। আমি সকলোৱেই যদি সিহঁতৰ দৰে খোজ কাঢ়িব পাৰিলোঁহেঁতেন, তেন্তে এতিয়া নিশ্চয় মৃত্যুৰ পৰা হাত সাৰিলোঁহেঁতেন। সেই গছজোপাৰ নাম বোলে Socratea exorrhiza। এই গছজোপা মধ্য আৰু দক্ষিণ আমেৰিকাৰ বৰ্ষাৰণ্যত পোৱা যায়।

তুমি নিশ্চয় গছ ভালপোৱা ককাৰ খং, সখী আদি কবিতা-গল্পবোৰ পঢ়িছা! যিয়ে আমাক কাটিবলৈ বিচাৰিছে তেওঁলোকে বাৰু এইবোৰ কবিতা পঢ়া নাছিল নেকি? তেওঁলোকেচোন এজোপা গছ কাটি দহজোপা ৰোৱাৰ সম্পূৰ্ণ বিপৰীতটোহে কৰে।

আমাৰ মাজৰে এজোপা গছক লৈ নীলিম কুমাৰ নামৰ এগৰাকী অসমীয়া কবিয়ে এটা খুব সুন্দৰ কবিতা লিখিছিল। কবিতাটোৰ কিয়দংশ হ'ল—

"কালি ৰাতি এজোপা গছ<br>
মোৰ ঘৰলৈ পলাই আহিছে।<br>
মাজৰাতি মোৰ ঘৰৰ দুৱাৰত বহু সময়<br>
টুকুৰিয়াইছিল গছজোপাই।<br>
......................................<br>
তোমালোক গছ নকটা মানুহবোৰে<br>
মোক বচাব পাৰিবানে?<br>
পাৰিবানে?<br>
পাৰিবানে?<br>
পাৰিবানে?"

বৰ সুন্দৰ কবিতা, নহয়নে? কবিতাটোৱে যেন আমাক সাহস দিছে।

মুমন, তুমি নিশ্চয় উত্তৰ প্ৰদেশৰ চিপকো আন্দোলনৰ কথা শুনিছা। তাত ডাঙৰ মানুহে গছ কাটিবলৈ অহাত গাঁৱৰ মহিলাসকলে গছক সাবটি ধৰি গছ নাকাটিব বুলি আন্দোলন কৰিছিল। চিপকো আন্দোলনৰ আগধৰোঁতা গৌৰী দেৱী আছিল এগৰাকী বিধবা মহিলা। চোৱাচোন, তেওঁলোকে আমাক বচাবলৈ কিমান যে কষ্ট কৰিছিল?

মুমন, আমাৰ দেশত প্ৰায়ভাগ মানুহৰে গছৰ প্ৰতি মৰম নাই। সেয়েহে আমাক জধে-মধে কাটি পেলায়। বিদেশত কিন্তু গছ কাটিবলগীয়া হ'লে গছজোপা নিৰাপদে উভালি নি আন এঠাইলৈ লৈ যায়। তাত সাৱধানে সাৰ-পানী দি ৰোৱেগৈ। আমাৰো যদি তেনে ভাগ্য হ'লহেঁতেন, কিমান যে ভাল লাগিব! সেইবোৰ কাম তোমালোকৰ ওপৰতে এৰিলোঁ। তাৰ বাবে তোমালোকে ভূপেন মামাৰ এই গীতটো শুনি মোক বচাবলৈ ওলাই আহিবা বুলি বাট চালোঁ—

"আমি অকণি ওলামেই<br>
দলে দলে ওলামেই<br>
ক'ৰবাত কেনেবাকৈ<br>
ডাঙৰসকল নোলালে।"...

মোৰ আশা তুমি যাতে কথাখিনি বুজি পোৱা।

ইতি<br>
তোমাৰ মৰমৰ<br>
শিলিখা গছ<br>
দীঘলীপুখুৰী পাৰ ❖



# আইতালৈ হেঁপাহেৰে

**পৰীপ্সা প্ৰাপ্তি**
সপ্তম শ্ৰেণী

মৰমৰ
আইতা,

আজি বহুদিনৰ পৰা তোমালৈ চিঠি এখন লিখোঁ বুলি লিখাই হোৱা নাই। কিমান যে কথা আছে তোমাক ক'বলৈ। সেয়ে আজি এয়া তোমালৈ চিঠি লিখিবলৈ বহিছোঁ। তুমি কেনে আছা আইতা? তোমালৈ বৰকৈ মনত পৰে অ' আইতা। তুমি ভাল পোৱা বস্তু খালে, আমাৰ নুনমাটিৰ ঘৰলৈ আহিলে তুমি ভাত খোৱা বিশেষ কাঁহীখন দেখিলেই তোমালৈ মনত পৰে। তোমাৰো যে স্বভাৱবোৰ আইতা, বেলেগে তোমাৰ কাঁহীখনত খাব বুলি তুমি যে কাঁহীখন বেলেগকৈ থৈছিলা। বেলতলাৰ ঘৰলৈ গ'লে, তাৰ প্ৰতিটো চুক-কোণতেই যে তোমাৰেই স্মৃতি বিয়পি আছে। বেৰত থকা মালা আঁৰি থোৱা তোমাৰ ফটোখন দেখিলে, ফটোখনৰ তোমাৰ ধুনীয়া হাঁহিটো দেখিলে মনটো বিষাদেৰে ভৰি পৰে অ' আইতা। দিনটোত কেইবাৰ যে তোমাৰ মাতটো কাণত বাজি থকা যেন লাগে!

মনত পৰেনে তোমাৰ আইতা? সেই যে তুমি-মই একেলগে বাটত ফুৰিবলৈ যোৱা সন্ধিয়াবোৰৰ কথা; নীলিমা আইতা, ৰ'জী বৰমা, জয়া বা, গীতাবাহঁতৰ ঘৰলৈ গৈ কটোৱা সময়বোৰৰ কথা; ঠাণ্ডাৰ দিনত গীতাবাহঁতৰ

চোতালত জুইৰ কাষত বহি আলু, বেঙেনা পোৰা দিনবোৰৰ কথা। কিমান যে ভাল লগা মধুময় সময় আছিল সেয়া। এতিয়া সেই সন্ধিয়াবোৰ কেৱল পঢ়া টেবুলৰ গধুৰ কিতাপৰ বোজা আৰু হ'মৱৰ্কৰ ভৰত বৈচিত্ৰ্যহীন কিছু নিৰস সময় হৈ ওলমি ৰৈছে অ' আইতা।

তুমিবিহীন এটা বছৰ কেনেকৈ যে পাৰ হৈ গ'ল ! ভাবিলে আচৰিতেই লাগে। অ' আৰু এটা কথা, আজিকালি মোৰ আগৰ দৰে বৰকৈ গা-বেয়া হৈ নাথাকে। এতিয়া যে মই ডাঙৰ হ'লোঁ। সাধাৰণ পানীলগা, জ্বৰ, কাহ আদিবোৰ সহ্য কৰিব পৰা হৈছোঁ। আগতে তুমি থাকোঁতে যে ইমান ঘনকৈ মোৰ গা বেয়া হৈছিল আৰু মোৰ গা বেয়া হ'লেই যে তোমাক কাষত বিচাৰিছিলোঁ। নিমখ মিহলোৱা গৰমপানীৰে ভৰি ধুৱাই দিয়া, মিঠাতেলেৰে ভৰি মালিচ কৰি দিয়া। এইবোৰ কথা বৰকৈ মনত পৰে অ' আইতা। এতিয়া ভৰি বিষালে বিষত লগোৱা স্প্ৰেটো, পানী লাগিলে ভিক্সটো কাষতে পোৱাকৈ থৈ দিওঁ, কাৰণ তুমি যে নাই !

আইতা, আমাৰ গৰম বন্ধ পালেহিয়েই? বন্ধ বুলি মোৰ যে কোনো উৎসাহেই নাই জানানে? আগতে যে কিমান আগ্ৰহেৰে বাট চাই ৰৈছিলোঁ এই বন্ধৰ দিনকেইটালৈ। কেইদিনমানৰ আগৰ পৰাই টালি-টোপোলা বান্ধি তোমালোকৰ ওচৰলৈ যাবলৈ সাজু হৈছিলোঁ। কিমান যে পৰিকল্পনা কৰিছিলোঁ তুমি আৰু মই লগ লাগি... বন্ধ দিনকেইটাত ক'লৈ ফুৰিবলৈ যাম...কি কি কৰিম। আমাৰ মামাহঁতৰ ঘৰলৈ তুমি আগতে গৈছিলা যদিও মই ডাঙৰ হোৱাৰ পৰা মোৰ লগত একেলগে যোৱাৰ কিমান যে হেঁপাহ আছিল তোমাৰ ! সেই হেঁপাহ আৰু পূৰণ নহ'ল। বন্ধ বুলি তুমিবিহীন ঘৰখনলৈ যোৱাৰো কোনো আকৰ্ষণ নোহোৱা হ'ল। কিন্তু যাব লাগিব ককাৰ কাৰণে। তেওঁ যে বাট চাই ৰ'ব। তুমি নোহোৱাৰ পৰা ককাও বৰ অকলশৰীয়া হৈ পৰিল।

এইবাৰ বুজিছা আইতা, গৰমৰ বন্ধৰ দিনকেইটাত আমাক পাঠ্যপুথি আৰু নিয়মীয়া পঢ়া-শুনাৰ চাপৰ পৰা মুক্ত হৈ উমলি-জামলি থাকিবলৈ 'ৰামধেনু সাতোৰঙী সপোনৰ সাতটা দিন' বুলি আমাৰ নিজৰ বাবে বিশেষ সাতটা দিনৰ এক অভিনৱ পৰিকল্পনা বিদ্যালয়ে আগ বঢ়াইছে। তুমি এই কথাটো বৰ ভাল পালাহেঁতেন। আৰু তুমি কি ক'লাহেঁতেন জানা—"দেখিছ, মই ইমানদিনে কৈ থকা কথাবোৰেই তহঁতৰ স্কুলৰ পৰাও এতিয়া বিশেষভাৱে কৈছে। আমাৰ দিনত দেখোন কথাবোৰ এনেকুৱাই আছিল। আজিকালিৰ ল'ৰা-ছোৱালীৰহে আকৌ মুকলিমূৰীয়া মনেৰে সময় পাৰ কৰাৰ আহৰি নাই ! গৰমৰ বন্ধ আছিল নে নাই, এই বোলে অমুক কৰ্মশালাত যোগদান কৰ, অমুকটো প্ৰতিযোগিতাত অংশগ্ৰহণ কৰ, গৰমৰ বন্ধৰ বাবে বিদ্যালয়ৰ পৰা দিয়া ঘৰৰ কামসোপা কৰি শেষ কৰ, কত যে ব্যস্ততা। বন্ধ বুলি অলপো আহৰি নাই !" তোমাৰ এনেবোৰ কথা বৰকৈ মনত পৰে।

এই এবছৰত কিমান যে কথা গোট খাইছে তোমাক ক'বলৈ। ইমানবোৰ কথা জানো এবাৰতে কৈ শেষ কৰিব পাৰি? আজিলৈ থাকক দিয়া। পাছত আকৌ লিখিম তোমালৈ চিঠি। তুমি য'তেই আছা শান্তিত থাকা আইতা। মৰম ল'বা।

ইতি,<br>
তোমাৰ<br>
মৌ

পুন : মোৰ যোৱাটো বছৰেকীয়া পৰীক্ষাৰ সময়ত আগৰ দৰেই ককা আহিছিল। পাছে এইবাৰ আমাৰ ইয়াত থকা দিনকেইটাত তেওঁৰ অস্থিৰতা বাঢ়িছিল। কাৰণ, এতিয়া যে ককাৰ দায়িত্ব বাঢ়িল। তুমি নথকা ঘৰখন তুমি ভাল পোৱাৰ দৰে ৰাখিবলৈ ককাৰ কিমান যে হেঁপাহ ! সেইবাবেই হয়তো সেইবাৰ আহোঁতে তেওঁ যাবলৈ বৰ খৰখেদা কৰিছিল। ❖

# মনৰ কলমেৰে জ্যোতি ককাইদেউলৈ

**চতুৰ্থী শিৰম**
সপ্তম শ্ৰেণী

মৰমৰ

জ্যোতি ককাইদেউ,

মৰম ল'বা। তুমি য'তেই আছা ভালে আছা নিশ্চয়? তুমি আমাক এৰি যোৱা কিমান বছৰ পাৰ হৈ গ'ল। অসম, অসমীয়া আৰু তোমাৰ কণমানিবোৰক তুমি ইমান সোনকালে এৰি যাবা বুলি মই ভবাই নাছিলোঁ। তুমি যোৱাৰ পাছত লুইতৰ পানী কিমান যে বৈ গ'ল! অসমক, অসমীয়া জাতিক যিদৰে গঢ়াৰ তোমাৰ সপোন আছিল, সেই সপোন চাগৈ এতিয়াও পূৰণ হোৱা নাই!

আজিৰ যুগৰ ল'ৰা-ছোৱালীয়ে সৰুতেই হাতত মোবাইল ল'বলৈ পায়। সেই মোবাইলতে আমি তোমাৰ গান শুনি শুনি ডাঙৰ হ'লোঁ। তুমি যোৱাৰে পৰা আমাৰ সৰুবোৰৰ বাবে তোমাৰ দৰে মৰমলগা শব্দৰে কোনেও অকণিৰ বাবে কবিতা নিলিখাই হ'ল। তোমাৰ গান, কবিতা, নাটক আদি সৃষ্টিসমূহৰ বিষয়ে আমাৰ মা-দেউতাহঁতে আমাক কৈ কৈ তোমাৰ বিষয়ে জানিবলৈ আগ্ৰহী কৰিছে।




তুমি বাৰু ক'ৰ পৰা ইমান ধুনীয়া ধুনীয়া শব্দবোৰ বুটলি আনিছিলা? সেই শব্দৰে গান লিখিছিলা, কবিতা লিখিছিলা, নাটক লিখিছিলা। যিবোৰ আজিও অসমীয়াৰ মনত, হৃদয়ত বাজি থাকে। তুমি যে স্কুলীয়া অৱস্থাতে 'শোণিত কুঁৱৰী' নাটকখন লিখি উলিয়াইছিলা, সেই কথাটো ভাবি আচৰিত হওঁ। ময়ো তোমাৰ দৰে মনৰ ভাববোৰ লিখিবলৈ চেষ্টা কৰোঁ। আমাৰ ঘৰত জানা, বহুত কিতাপ আছে। সেই কিতাপবোৰৰ মাজত তোমাৰ সৃষ্টিবোৰো আছে। তাৰে কিছুমান, মানে মই বুজি পোৱাবোৰ পঢ়িয়েই তোমাৰ দৰে লিখিবলৈ চেষ্টা কৰোঁ।

তুমি জানানে, সৰুৰে পৰা কেৱল ময়ে নহয়, মোৰ লগৰীয়া আৰু আন শিশুসকলেও তুমি তোমাৰ মৰমৰ অকণিবোৰৰ বাবে লিখা 'গছে গছে পাতি দিলে' গানটো শুনি শুনি ডাঙৰ হৈছোঁ। তুমি সৃষ্টি কৰা 'অক'মানি ল'ৰা', 'অক'মানি ছোৱালী', 'পোহৰ-পখিলা', 'অকণিৰ সপোন', 'অকণমানিৰ গান', 'নতুন অকণমানিৰ গান', 'অকণমানিৰ প্ৰাৰ্থনা', 'ভূত পোৱালি', 'কুম্পুৰ সপোন', 'আহ অ' অকণি আহ', 'অসমীয়া ভাষাৰ বাবে কবিৰ প্ৰাৰ্থনা', 'মাক আৰু সোণ', 'সোণ আৰু সপোনৰ সাধু', 'ফুলকুঁৱৰী', বিশ্বশিল্পী' আদি কবিতাবোৰ মই মন গ'লেই পঢ়োঁ। এই কবিতাবোৰৰ কিছুমান স্কুলৰ কিতাপতো পঢ়িবলৈ পাইছোঁ, কিছুমান স্কুলৰ অনুষ্ঠানতো আমাক আবৃত্তি কৰিবলৈ দিয়ে।

'জয়মতী' চলচ্চিত্ৰখন তুমি নিৰ্মাণ কৰি অসমীয়া চলচ্চিত্ৰ জগতৰ বাবে নতুন বাট কাটি দিলা। সেই তাহানিতে তুমি জাৰ্মানীলৈ চিনেমাৰ কাম শিকিবলৈ গৈছিলা, যাৰ বাবে আজি আমাৰ অসমীয়া চিনেমাই বিশ্বত জিলিকিবলৈ সক্ষম হৈছে। তুমি আইদেউ সন্দিকৈক 'জয়মতী'ৰ ভাৱত অভিনয় কৰিবলৈ দি তেওঁক অসমৰ

প্ৰথম অভিনেত্ৰী হিচাপে স্বীকৃতি দিয়াৰ বাবেই আজিৰ নাৰীয়ে চিনেমাত অভিনয় কৰিবলৈ নিৰ্ভয়ে আগ বাঢ়ি আহিছে। তুমি জানানে, ময়ো অভিনয় কৰি ভাল পাওঁ আৰু মোৰ প্ৰিয় বান্ধৱীয়েও অভিনয় কৰি ভাল পায়। তুমি যদি ডিম্ব গোহাঁইৰ সহায়ত আইদেউ সন্দিকৈক অভিনয় কৰিবলৈ উলিয়াই নানিলাহেঁতেন তেন্তে আমিও অভিনয় কৰিবলৈ অনুপ্ৰেৰণা নাপালোঁহেঁতেন। তোমাৰ কষ্ট আৰু আইদেউৰ ত্যাগেই অসমীয়া চলচ্চিত্ৰৰ নতুন বাটৰ পোহৰ, যি পোহৰেৰে আজিৰ প্ৰজন্ম আগ বাঢ়ি গৈছে, তোমাৰ প্ৰতি সন্মান জনাই গঢ়া 'জ্যোতি চিত্ৰবন' আমাৰ অসমীয়াৰ বাবে বৰ আদৰৰ অনুষ্ঠান। যেতিয়াই মই 'জ্যোতি চিত্ৰবন'লৈ যোৱাৰ সুযোগ পাওঁ তেতিয়াই মোৰ তোমালৈ মনত পৰে, তোমাৰ সৃষ্টিৰ কথা ভাবি মন ভৰি আহে।

মহামানৱ মহাত্মা গান্ধীৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ তুমি ভাৰতৰ স্বাধীনতা আন্দোলনত জঁপিয়াই পৰিছিলা আৰু কাৰাবাস খাটিবলগীয়াও হৈছিল। তোমাৰ লগত সহযোগী হিচাপে বিষ্ণুপ্ৰসাদ ৰাভায়ো অনেক কষ্ট কৰিছিল দেশ স্বাধীন কৰিবলৈ। অসমৰ জনগণক স্বদেশ প্ৰেমৰ উদ্বাউল কৰিবলৈ তুমি যে ৰচিছিলা গীত-কবিতা, যিবোৰ আজিও অসমৰ আকাশে-বতাহে প্ৰতিধ্বনিত হয়—

"লুইতৰ পাৰৰে আমি ডেকা ল'ৰা
মৰিবলৈ ভয় নাই।"
বা
"সাজু হ'বৰে হ'ল ডেকা ল'ৰা
সাজু হ'বৰে হ'ল।
তোৰ তপ্ত ৰুধিৰ ঢালি আয়েৰক
শক্তি দিবৰে হ'ল।"

তোমাৰ গানবোৰক আমি 'জ্যোতি-সংগীত' বুলি কওঁ। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাইহে তোমাৰ গানবোৰক 'জ্যোতিৰ গান' বুলি নাম দিছিল। আমাৰ অসমীয়া গীত-মাতবোৰৰ পৰা, যেনে—বিয়ানাম, আইনাম, বিহুগীত, বনগীতৰ সুৰবোৰ লৈ তুমি কি মনোমোহা গীত ৰচিলা, যিবোৰ শুনি আমাৰ হিয়া শাঁত পৰি যায়।

জ্যোতি ককাইদেউ, তুমি ৰূপান্তৰৰ সপোন দেখিছিলা। অসম আৰু অসমীয়া জাতিৰ পৃথিৱীৰ সবাহলৈ যোৱাৰ স্বপ্নই তোমাক খেদি ফুৰিছিল, সেয়ে তুমি ৰচিছিলা—

"মাৰ যোৱা বেলিটিৰ জিলিকনি লেপি লই
নতুন পুৱাৰ ছবি চাওঁ
মহাভাৰতৰ বাটে
পৃথিৱীৰ সবাহলৈ যাওঁ।"

তুমি কৈছিলা—

"ৰূপান্তৰেহে জগত ধুনীয়া কৰে
এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ।"

আজি অসমৰ আকাশে-বতাহে, মানুহৰ মনত কলুষতা বিয়পিছে। ৰূপান্তৰে জগত ধুনীয়া কৰা তোমাৰ গায়ত্ৰী মন্ত্ৰ আজি কিছু মানুহে পাহৰি গৈছে। জ্যোতি ককাইদেউ, আজি তোমাৰ উপস্থিতি আমাৰ কাম্য। জানো তুমি কাহানিও উভতি নাহা; কিন্তু তোমাৰ আদৰ্শ আৰু চিন্তাৰে মোৰ দৰে কিশোৰ আৰু কণ কণ অকণিবোৰ আগুৱাই যাব লাগিব। তোমাৰ শেৱালি, লভিতা, ৰূপালীম, কাঞ্চনৰ দৰে আজিও বহু নাৰী লাঞ্ছিতা, অপমানিতা। শেৱালি, লভিতা, কাঞ্চনৰ দৰে আমি সাহসী হ'ব লাগিব, নতুন অসম গঢ়িব লাগিব। ন অসমক ন-সূৰুযৰ পোহৰেৰে উজলাব লাগিব।

জ্যোতি ককাইদেউ, চিঠিত তোমালৈ বহু কথাই লিখিলোঁ। নাজানো, এই চিঠি তুমি পাবানে নাই ! আৰু বহু কথাই থাকিল লিখিবলৈ। আকৌ কেতিয়াবা লিখিম মনৰ কথাবোৰ, ভাবনাবোৰ আৰু লিখিম মোৰ সপোনৰ কথা। পুনৰ মৰম ল'বা। আজিলৈ সামৰোঁ।

ইতি
তোমাৰ মৰমৰ অকণি
চাকি



# মধুবনী চিত্ৰকলা

**জাগ্ৰৱ বৰপূজাৰী**
দ্বিতীয় শ্ৰেণী

আমাৰ দেশৰ বেলেগ বেলেগ ঠাইৰ মানুহে অঁকা ছবিৰ বেলেগ বেলেগ নাম আছে। বিহাৰৰ মধুবনী ছবি এবিধ বৰ ধুনীয়া আৰু জনপ্ৰিয় চিত্ৰকলা। চৰাই, মাছ, ফুল-পাত আদি থকা ধুনীয়া ছবি এখন দেখি মই সেইখনৰ দৰে আঁকিবলৈ চেষ্টা কৰিছিলোঁ। মায়ে দেখি ক'লে যে সেইখন মধুবনী চিত্ৰ। দুডালকৈ আঁচেৰে ছবিকেইখন আঁকি তাত উজ্জ্বল ৰং দিয়া হয়। আগৰ দিনত বিহাৰৰ মিথিলা অঞ্চলৰ মহিলাসকলে এনে ছবিত জেতুকা, নাৰ্জী, বগেনভেলিয়া আদি ফুলৰ ৰং দিছিল। ৰংবোৰ গুচি নাযাবৰ বাবে গোবৰো ব্যৱহাৰ কৰিছিল। নিজৰ হাতৰ আঙুলি, তুলিকা, কলম, গছৰ ঠাৰি, জুইশলাৰ কাঠী আদিৰে এই ছবিসমূহ অঁকা হয়। মধুবনী চিত্ৰৰ দৰে আৰু বহুত ধৰণৰ ছবি, যেনে—ৱৰ্লি, কালিঘাট, কলমকাৰী, তাঞ্জোৰ আদি চিত্ৰকলা ভাৰতত পোৱা যায়। ❖

# ওডিচি নৃত্য

**অনুধৃতি বৰঠাকুৰ**
পঞ্চম শ্ৰেণী

ভাৰতৰ মুঠ আঠটা শাস্ত্ৰীয় নৃত্যশৈলীৰ ভিতৰত ওডিচি অন্যতম। ওডিচি নৃত্য ওড়িশা ৰাজ্যৰ পৰা উৎপত্তি হোৱা এটি নৃত্যশৈলী। এই নৃত্যশৈলী দেৱদাসীসকলে ওড়িশাৰ মন্দিৰসমূহত পৰিবেশন কৰিছিল। কালক্ৰমত ইয়াৰ কিছুমান মুদ্ৰাৰ সৃষ্টি হৈছিল আৰু ই ওডিচি নৃত্য হিচাপে পৰিচিত হৈছিল। সেই সময়ত ওড়িশাৰ ৰজা-মহাৰজাসকলে এই নৃত্যৰ পৃষ্ঠপোষকতা কৰিছিল। এই নৃত্যই ১৯৫৪ চনত শাস্ত্ৰীয় নৃত্য হিচাপে স্বীকৃতি পাইছিল। এই স্বীকৃতি প্ৰদান কৰিছিল ভাৰতৰ সংগীত-নাটক অকাডেমিয়ে।

এই ওডিচি নৃত্যৰ কলা-কৌশলসমূহ ভৰত মুনিয়ে লিখা 'নাট্যশাস্ত্ৰ' আৰু নন্দিকেশ্বৰে লিখা 'অভিনয় দৰ্পণ' নামৰ গ্ৰন্থ দুখনত পোৱা যায়। এই নৃত্যৰ হস্ত অৰ্থাৎ হাতৰ মুদ্ৰাৰ ভাগ তিনিটা। সেইকেইটা হ'ল—সংযুক্ত হস্ত, অসংযুক্ত হস্ত আৰু নৃত্য হস্ত। সংযুক্ত হস্তৰ মুদ্ৰাৰ সংখ্যা ২৩টা। অসংযুক্ত হস্তৰ মুদ্ৰাৰ সংখ্যা ২৮টা। নৃত্য অধিক সুন্দৰ কৰি তুলিবলৈ নৃত্য মুদ্ৰা ব্যৱহাৰ কৰা হয়। ওডিচি নৃত্যৰ কিছুমান পদস্থিতিও আছে। এই পদস্থিতিসমূহ হ'ল—সমপাদ, মহাপাদ, কুম্ভপাদ আৰু ধনুপাদ।

এই ওডিচি নৃত্যৰ প্ৰচাৰ আৰু প্ৰসাৰত কেইজনমান গুৰুৱে বিশেষ ভূমিকা পালন কৰিছে। সেইসকলৰ ভিতৰত অন্যতম হ'ল—গুৰু দেৱপ্ৰসাদ দাস, পংকজচৰণ দাস আৰু গুৰু কেলুচৰণ মহাপাত্ৰ।

এইসকল নৃত্যশিল্পীৰ প্ৰচেষ্টাত আজি ওডিচি নৃত্যশৈলীয়ে ওড়িশাৰ বাহিৰতো জনপ্ৰিয়তা অৰ্জন কৰিছে। এনে জনপ্ৰিয়তাৰ ফলতেই সুজাতা মহাপাত্ৰ, অৰুণা মহন্তী, শৰ্মিলা বিশ্বাস, কবিতা দ্বিবেদী আদি শিল্পীৰ জন্ম হৈছিল। লাস্য আৰু সৌন্দৰ্য্য সুষমাৰ বাবে বিখ্যাত ওডিচি নৃত্যই অসমতো জনপ্ৰিয়তা অৰ্জন কৰিছে। এই জনপ্ৰিয়তাৰ আঁৰত গুৰু গৰিমা হাজৰিকাৰো বিশেষ অৱদান আছে। ❖

# বিহু আৰু বাদ্য

**অৰিয়ন অনুভৱ কলিতা**
পঞ্চম শ্ৰেণী

অসমীয়া জাতিৰ বাপতিসাহোন তিনিটি বিহু— ব'হাগ বিহু বা ৰঙালী বিহু, কাতি বিহু বা কঙালী বিহু আৰু মাঘ বা ভোগালী বিহু। ঋতুৰাজ বসন্তৰ আগমনত সমগ্ৰ প্ৰকৃতি ৰাজ্য ন-সাজেৰে সাজি উঠে। আমাৰ জাতীয় জীৱনলৈ ন-প্ৰাণ কঢ়িয়াই অনা এই বিহুত গীত-নৃত্যৰ লগতে বিভিন্ন ধৰণৰ বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা হয়। সেইসমূহৰ ভিতৰত ঢোল অন্যতম। সেয়েহে...

"মঘাই বোলে ঢোলৰ মাত
ধিনিকি ধিন দাও।"

বিহুৰ সৈতে ওতপ্ৰোতভাৱে জড়িত বাদ্য ঢোলৰ কেইবাটাও প্ৰকাৰ আছে—



**বিহু ঢোল বা পাতি ঢোল :** এইবিধ বিহু গীত, নৃত্যৰ লগত ব্যৱহাৰ কৰা সৰু আকৃতিৰ ঢোল।

**ওজা ঢোল :** ইয়াক ঢোলৰ ওজাসকলে জীৱ-জন্তু বা চৰাইৰ মাত আদি ফুটাই তুলিবলৈ একক বাদ্য হিচাপে বজায়। ই আকাৰত বিহু ঢোলতকৈ সামান্য ডাঙৰ।

**ঢেপা ঢোল :** এইবিধ দৰং-মঙলদৈ অঞ্চলত ব্যৱহৃত দীঘলীয়া আকৃতিৰ এক ঢোল। ছাগলীৰ ছালেৰে দুতৰপীয়াকৈ ছোৱা এই ঢোলৰ মাজত পানী ভৰাই বজোৱা হয়।

**জয়ঢোল :** চাহ জনগোষ্ঠী আৰু খাচি লোকসকলে আন ঢোলতকৈ ডাঙৰ জয়ঢোল ব্যৱহাৰ কৰে।

বিহুৰ আন এবিধ এৰিব নোৱৰা বাদ্য হ'ল পেঁপা। ই ম'হৰ শিঙেৰে তৈয়াৰী। ইয়াৰ প্ৰকাৰসমূহ হ'ল—

**গুটীয়া পেঁপা :** সাধাৰণতে এটা ম'হৰ শিঙেৰে নিৰ্মাণ কৰা এই পেঁপা বিশেষকৈ ম'হ পালকসকলে লৈছিল। সেয়েহে এই পেঁপাক গুৱাল পেঁপাও বোলে।

**যুৰীয়া পেঁপা :** এই পেঁপা দুটা সমান জোখৰ শিং সমান্তৰালকৈ বান্ধি একেডাল বেৰীৰে একেলগে বজোৱা হয়।

অসমৰ লোকবাদ্যত গুৰুত্বপূৰ্ণ স্থান দখল কৰা আন এবিধ বাদ্য হৈছে গগনা। ইয়াক মিচিং ভাষাত ওংগাং বোলে। ইয়াৰ ভাগসমূহ হ'ল—

**লাহৰী গগনা :** সাধাৰণতে গাভৰুৱে বজোৱা গগনাক লাহৰী গগনা বোলে।

**ৰামধন গগনা :** ডেকাসকলে বজোৱা গগনাক ৰামধন গগনা বোলে।

অসমৰ গাভৰু বিহুৰ মূল বাদ্যই হৈছে টকা। এই টকা তিনি প্ৰকাৰৰ—

**পাতি টকা বা হাত টকা :** সাধাৰণতে ডেৰ ফুটৰ পৰা দুফুট দীঘল এই টকা হাতত লৈ সহজে বজাব পাৰি।

**বৰ টকা বা মাটি টকা :** পাতি টকাতকৈ যথেষ্ট দীঘল তিনিটা পাবৰ এই টকা মাটিত থৈ বজোৱা হয়।

**জেং টকা বা ধুতং :** এই টকা বাঁহৰ পাবটো আৰু শলা দুডাল দুয়োফালে দুটা ফৰিঙা সুমুৱাই বেতৰ সহায়ত বান্ধি তৈয়াৰ কৰা হয়।

**সুতুলি :** মাটিৰে নিৰ্মিত বিহুৰ আন এবিধ বাদ্য হ'ল সুতুলি।

**বাঁহী :** বাঁহী হ'ল বাঁহেৰে তৈয়াৰী আন এবিধ বাদ্যযন্ত্ৰ। ই ভাৰতীয় লোক-সংগীতৰ জগতখনত অতি প্ৰাচীন কালৰে পৰা ব্যৱহৃত হৈ আহিছে। ❖

# বিহুৰ সৃষ্টিত প্ৰকৃতিৰ প্ৰেৰণা

**হৃষিকেশ শৰ্মা**
দশম শ্ৰেণী

আদিম যুগৰ কৃষিনিৰ্ভৰ মানুহে প্ৰকৃতিৰ ৰহস্যময় শক্তিক দেৱ বা দেৱী বুলি পূজা-অৰ্চনা কৰিবলৈ লৈছিল। এনে এটা বিশ্বাসো তেওঁলোকৰ মনত সংস্থাপিত হৈছিল যে দেৱ-দেৱীৰ শক্তি সম্বলিত কাৰ্য্য বৰ্ণনাৰে নৃত্য-গীত কৰিলে যথাৰ্থতে দেৱ-দেৱী সন্তুষ্ট হৈ নিশ্চয় কৃষকৰো মংগল সাধন কৰিব। এনে বিশ্বাসৰ আধাৰত সৃষ্ট আদিমকালৰ লোকসকলে সমাজৰ এই অনুষ্ঠান আৰু ধৰ্মীয় পৰিবেশৰ মাজতেই সৃষ্টি কৰিছিল লোকনৃত্য, লোকবাদ্য আৰু লোকগীতসমূহৰ।

পৃথিৱীৰ বিবিধ প্ৰান্তৰ লোকসমাজত বিভিন্ন বিশ্বাস প্ৰচলিত হৈ আহিছে। উল্লেখযোগ্য যে প্ৰশান্ত মহাসাগৰীয় আৰু দক্ষিণ আমেৰিকাৰ লোকসমাজখনে কৃষিকৰ্মৰ পূৰ্বে ধৰিত্ৰীৰ উৰ্বৰা শক্তি বঢ়াবৰ বাবে নাৰী আৰু পুৰুষ ৰূপৰ প্ৰতীকৰূপে দুটা ঢোল কিঞ্চিৎ পাতলভাৱে বজাই, নৃত্য-গীত পৰিবেশন কৰি উৎসৱ পালন কৰে। এনে বিষয়বোৰে এই কথাই স্পষ্ট কৰে যে, আদিম কালৰে পৰাই লোকসমাজৰ জীৱন-নিৰ্বাহৰ ওপৰত প্ৰকৃতিৰ প্ৰভাৱ আছিল অপৰিসীম। অসমৰ লোকসমাজখনত পূৰ্বৰে পৰা এইদৰে পালিত হৈ অহা কৃষিৰ লগত সংপৃক্ত হৈ থকা লোক-উৎসৱেও যথাসময়ত স্বীকৃতি পালে। অসমৰ লোকসমাজখনত প্ৰচলিত বিহু উৎসৱৰ বিবিধ নৃত্য-গীতৰ অনুষ্ঠানত ব্যৱহৃত ঢোল, গগনা, সুতুলি, পেঁপা ইত্যাদি বাদ্যবোৰৰ সৃষ্টিৰ প্ৰসংগতো প্ৰকৃতিৰ অৰিহণা লক্ষ্য কৰা যায়। এই প্ৰসংগত উল্লেখ কৰা বাঞ্ছনীয় যে অসমৰ ঢোলটো সৃষ্টি কৰা হৈছে মেঘৰ মাতৰ অনুকৰণত, তদ্ৰূপ গগনা সৃষ্টি কৰা হৈছে বেঙৰ মাতৰ অনুকৰণত আৰু সুতুলি বাদ্যটো অসমৰ বসন্ত কালৰ বিবিধ চৰাইৰ সুকীয়া মাতৰ অনুকৰণত সৃষ্টি কৰা হৈছে।

প্ৰকৃতিৰ বুকুলৈ পৰিবৰ্তন আহে। লঠঙা গছে গছে, লতাই লতাই কোমল কুঁহিপাতে মধুৰ দিনৰ আগমনৰ সূচনা কৰে। বসন্তৰ মধুৰ পৰশ লাগি প্ৰকৃতি ফলে-ফুলে জাতিষ্কাৰ হয়, বিনন্দীয়া হয়। আমে মলিয়ায়, কঁঠালে মুচি পেলায়, গছৰ ডালত কপৌফুল ফুলে। কুলি, কেতেকী, মইনাৰ মধুৰ কাকলিয়ে প্ৰকৃতিৰ বুকুত তোলে ছন্দৰ মূৰ্চ্ছনা।

অসমৰ লোকসমাজখনত প্ৰচলিত বিহুগীত-সমূহতো সহজ-সৰল গ্ৰাম্য লোকসমাজখনৰ চিত্ৰ অবিকলভাৱেই প্ৰতিফলিত হৈছে। এই গীতবোৰত কৃষক সমাজৰ চিত্ৰ, তেওঁলোকৰ কৰ্ম, সৰল চিন্তা, বুদ্ধি আৰু আবেগ-অনুভূতিবোৰ যথাৰ্থভাৱেই প্ৰতিফলিত হোৱাটো লক্ষ্য কৰা যায়। এইবোৰে বিহুৰ প্ৰকৃত স্বৰূপকে উদ্ভাসিত কৰিছে। এয়াও স্বীকাৰ্য্য যে, এই অনুপম গীতবোৰৰ মাজেদি প্ৰকৃতি জগতখনত প্ৰতিদিনে ঘটা বিবিধ কাৰ্য্যবোৰৰ হুবহু বিবৰণ তথা প্ৰকৃতিৰ বিবিধ কাৰ্য্যই চহা সমাজৰ মনত সৃষ্টি কৰা উপলব্ধি আৰু জীৱনবোধৰ প্ৰকাশ ঘটে।

এনেবোৰ কথাই প্ৰমাণ কৰে যে, লোকসমাজখনত পূৰ্বৰে পৰা প্ৰচলিত বিহুৰ সৃষ্টিত প্ৰকৃতি জগতখনৰেই প্ৰেৰণা সৰ্বাধিক। সেয়েহে শ্ৰদ্ধাৰ ভূপেন হাজৰিকাদেৱে গাইছিল—

“কুলি কেতেকীয়ে ইনালে-বিনালে,
মৰমী বিহুটিৰ
কথাকে ক'লে।”... ❖

# বড়ো জনগোষ্ঠীৰ লোকাচাৰ

**অভিজ্ঞান দীপক বৰগয়াৰী**
সপ্তম শ্ৰেণী

বড়োসকল চীন, মংগোলীয়, তিব্বত আদি দেশৰ পৰা খৃষ্ট জন্মৰ প্ৰায় পাঁচ হাজাৰ বছৰ পূৰ্বেই অসমলৈ আহিছিল। Bod অৰ্থাৎ তিব্বতত বসবাস কৰা লোকসকলক Boddo–Fisha–children অৰ্থাৎ Bod দেশৰ সন্তান আৰু পাছলৈ বড়ো জাতি নামেৰে পৰিচিত হয়। নামনি অসমৰ বিভিন্ন ঠাইত তেওঁলোক বড়ো-কছাৰী, মেচ আৰু উজনি অসমত দেউৰী, মৰাণ, সোণোৱাল কছাৰী নামেৰে পৰিচিত হয়। সাম্প্ৰতিক কালত ব্ৰহ্মপুত্ৰ উপত্যকাত বড়োভাষী লোকৰ বসতি পোৱা যায়। অসমৰ ওদালগুৰি, বাক্সা, চিৰাং, কোকৰাঝাৰ, ধুবুৰী, বঙাইগাঁও, গোৱালপাৰা, দৰং, নগাঁও, শিৱসাগৰ, লখিমপুৰ, কাৰ্বি আংলং জিলাত বড়োসকলে বৰ্তমান বসতি কৰি আছে। আদিতে বড়ো সমাজ মাতৃতান্ত্ৰিক আছিল যদিও ই পাছলৈ পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থালৈ পৰিবৰ্তিত হয়। বড়ো সমাজখন প্ৰায় তেইছটা গোষ্ঠীত বিভক্ত, যেনে—স্বৰ্গীয়াৰী, গয়াৰী, মুছাহাৰী, খাখলাৰী, বসুমতাৰী, দৈমাৰী, নাৰ্জাৰী ইত্যাদি। তলত বড়ো জনগোষ্ঠীৰ লোকাচাৰ সম্পৰ্কে আলোচনা কৰা হ'ল—

**জন্ম, বিবাহ, মৃত্যু সম্পৰ্কীয় লোকাচাৰ** : বড়ো সমাজত কেঁচুৱা জন্মৰ পাছত ঘৰ-দুৱাৰ সাৰি-মচি, শুদ্ধিকৰণ কৰি কেঁচুৱাৰ মংগল কামনা কৰি বাথৌ শালত পূজা দিয়ে। বড়ো সমাজত কেঁচুৱাৰ নামকৰণৰ বাবে গণনি আদি অনুষ্ঠান পতা নিয়ম নাই। শিশুৰ দৈহিক গঠন, ৰূপ, জন্মৰ মাহ বা বাৰ অনুসৰি সাধাৰণতে নামকৰণ কৰা হয়। বড়ো ভাষাত বিবাহক 'হাথা' বা 'জুলি' বুলি কোৱা হয়। ছোৱালী পলুৱাই নি পতা বিয়া হাথাচুনি পদ্ধতিৰে পতা হয়। সমাজৰ নিয়ম মতে দুয়োখন ঘৰৰ সন্মতিত হোৱা বিয়াত জোৰোণ দিয়াৰ নিয়ম আছে। জোৰোণত দৰাঘৰীয়াই তামোল-পাণ, চাহপাত, চেনি আৰু মদৰ কলহ লৈ যায়। কইনাজনীক দৰাঘৰৰ পৰা দিয়া সাজ-পাৰ, আ-অলংকাৰ আদি পিন্ধায়। বড়ো সমাজত বাথৌ বেদীৰ সন্মুখত ধৰ্মীয় ৰীতি-নীতিৰে বিবাহকাৰ্য্য সম্পন্ন কৰা হয়।

বড়ো সমাজত মৃতকৰ সৎকাৰ এটা পবিত্ৰ কৰ্ম বুলি বিবেচনা কৰা হয়। মৃতদেহটো চাফ-চিকুণকৈ সজাই-পৰাই বাথৌৰ নামত উছৰ্গা কৰা মুৰ্গী মাংসৰে ভাত-তৰকাৰি ৰান্ধি মৃতকক খুওৱাৰ দৰে শুঙি চাবলৈ দিয়া হয়। মৰাশটো চাঙত তুলি বগা কাপোৰেৰে ঢাকি শ্মশানলৈ নিয়া হয়। দহদিনৰ দিনা দহা আৰু এঘাৰ বা তেৰ দিনৰ দিনা শ্ৰাদ্ধ পতা হয়। গাঁৱৰ মানুহ আৰু আত্মীয়-স্বজনক কাজৰ দিনা গাহৰি মাৰি ভোজ-ভাত খুওৱা হয়। শ্ৰাদ্ধলৈ অহা প্ৰতিগৰাকী লোকে মদ আৰু যাৱতীয় চাউল-দাইল লৈ আহে আৰু কাজৰ দিনা সকলোৱে মিলি-জুলি খায়।

**বড়োসকলৰ উৎসৱ-অনুষ্ঠান** : বড়োসকলে খেৰাই পূজা, বাথৌ পূজা, লক্ষ্মী পূজা, ব'হাগ বিহু, মাঘ বিহু, কাতি বিহু আদি লোক উৎসৱ পালন কৰে। বড়োসকলৰ আৰাধ্য দেৱতা হৈছে বাথৌ (শিৱ)। বড়োসকলে শিৱক পূজা কৰাৰ উদ্দেশ্যে খেৰাই পূজা পাতে। পৰিয়ালৰ বা ৰাইজৰ সুখ-শান্তিৰ কাৰণে এই পূজা পতা হয়। গাঁৱৰ ৰাইজৰ সহযোগত দেউৰীজনে বাথৌশালত মন্ত্ৰপাঠ কৰে। দেও লম্বা দৌদিনিয়ে নাচি নাচি বলি-বিধান দি পূজা আগ বঢ়ায়। এই পূজাত মদ আৰু গাহৰি অপৰিহাৰ্য্য।

বড়োসকলে ব'হাগ মাহত বৈছাগু পালন কৰে। গৰু বিহুৰ দিনা গৰুক নতুন পঘা দি গোহালিৰ পৰা পাকঘৰলৈকে চুৱাহাড়ি সকলো সলায়। বিহুৰ দিনা ইষ্ট দেৱতা আৰু মৃতকৰ শ্ৰাদ্ধ সমাপন কৰে। বড়োসকলেও গুৰু-গোসাঁই, মানুহ, আত্মীয়-কুটুম্ব আৰু পোহনীয়া কুকুৰ-গাহৰি আদিৰ নামত সাত দিনলৈকে বৈছাগু পালন কৰে। পুহৰ সংক্ৰান্তিৰ দিনা দ'মাহ অৰ্থাৎ মাঘ বিহু

পালন কৰে। কাতি বিহুত বড়োসকলে ধাননি পথাৰ, গোহালি ঘৰ, ভঁৰাল আৰু ঘৰৰ সন্মুখত চাকি-বন্তি দিয়ে।

**বড়োসকলৰ খাদ্যাভ্যাস :** বড়োসকলৰ প্ৰধান আহাৰ ভাত। ভাতৰ লগত তেওঁলোকে মাছ-মাংস, শাক-পাচলি, মদ আদি খায়। তেওঁলোকৰ মাজত গাখীৰৰ ব্যৱহাৰ কম। মাছ-মাংস, পোক-পৰুৱা আদি তেওঁলোকে বিভিন্ন প্ৰকাৰে ৰান্ধি খায়। পূজা-পাৰ্বণ, শ্ৰাদ্ধ, বিবাহ আদিত গাহৰি-কুকুৰাৰ মাংস, মাছ, মদৰ ব্যৱহাৰ দেখা যায়। বিয়া-সবাহ, মৃতকৰ সকাম আদিত মুড়ি, ৰঙাচাহ আৰু মদ প্ৰয়োজনীয় খাদ্য। বড়োসকলে গাহৰি মাংসৰ লগত ব'হাগ মাহৰ সংক্ৰান্তিৰ দিনা বেতৰ গাজ, মানিমুনি, ভেদাইলতা, নৰসিংহ, ভেকুৰি তিতা, নিমপাত, ঢেঁকীয়া, মৰাপাট, আদা, নহৰু আৰু পিঁয়াজ দি ৰান্ধি খায়।

**বড়োসকলৰ সাজ-পাৰ আৰু অলংকাৰ :** বড়োসকলৰ সাজ-পাৰ আৰু আ-অলংকাৰ তেওঁলোকৰ সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ অংগ। তেওঁলোকৰ পোছাক আৰু অলংকাৰে তেওঁলোকৰ পৰিচয় বহন কৰে। বড়ো মহিলাসকলে নিজে বৈ লোৱা দখনা পিন্ধে। বড়ো মহিলাসকল কাপোৰ বোৱাত পাকৈত। ৰং-বিৰঙৰ দখনা, আৰনাই আদি তেওঁলোকে তাঁতশালত ঘৰতে বয়। বড়ো পুৰুষসকলে চুৰিয়া আৰু কামিজ পিন্ধে। বড়োসকলৰ বিভিন্ন প্ৰকাৰৰ অলংকাৰ হ'ল—বেচা, যুৰীয়া, জাংফাই, খামখা, গোনা ইত্যাদি। বড়োসকলে তেওঁলোকৰ জাতীয় সাজ-পাৰ আৰু অলংকাৰবোৰ উৎসৱ-পাৰ্বণ, বিবাহ আৰু অন্যান্য সামাজিক অনুষ্ঠানত পিন্ধে।

বড়োসকল অসমৰ ভৈয়ামত বসবাস কৰা গোষ্ঠীসকলৰ ভিতৰত সংখ্যাগৰিষ্ঠ। মহাভাৰতত উল্লেখ কৰা কিৰাটসকলেই পূব ভাৰতৰ এই বড়োসকল। বড়োসকলে নিজস্ব ভাষা-সাহিত্য, সংস্কৃতি, উৎসৱ অনুষ্ঠান আদিৰ সুকীয়া বৈশিষ্ট্যৰে নিজস্ব পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। ❖


**সহায়ক গ্ৰন্থ :**

বাগ্‌লাৰী ড° মালবিকা, *বড়ো সমাজ আৰু সংস্কৃতি*, সম্প্ৰীতি প্ৰকাশন, গুৱাহাটী।


# অসমীয়া সংগীতত ফুল


**ধান্যাতা তামুলী**

ষষ্ঠ শ্ৰেণী


আমি অতীজৰে পৰা শুনি অহা অসমীয়া গীতবোৰৰ সৰহসংখ্যক গীতে ফুলক সামৰি লৈছে। প্ৰকৃতিৰ এই ফুলবোৰে অসমীয়া সংগীতক চহকী কৰিছে। তেনেকুৱা এটা গীত হ'ল—

"নাহৰৰে কলি দেখিছানে নাই
তোমাৰ চকুযুৰি দেখোঁ তেনেকুৱাই
এনে নাই নাই নাই দেখা নাই
যা ছিঃ ছিঃ লাজ লাগি যায়।"

দ্বীপেন বৰুৱা আৰু নমিতা ভট্টাচাৰ্য্যই কণ্ঠদান কৰা এই গীতটিৰ কথা আছিল কেশৱ মহন্তদেৱৰ। ১৯৮৮ চনত মুক্তিলাভ কৰা 'মৰমী' চিনেমাখনৰ এই গানটোত বসন্ত ঋতুত ফুলা নাহৰৰ সুবাস পোৱা যায়। আন এটা জনপ্ৰিয় গীত হ'ল—

"কপৌ পাহি তোৰে খোপাত
ইমান ধুনীয়া দেখি
জেতুকাৰ বোল তোৰে হাতত
কিমান যে ধুনীয়া দেখি।"

অপূৰ্ব বেজবৰুৱাৰ এই জনপ্ৰিয় গীতটোত কপৌ ফুলৰ কথা কোৱা হৈছে। এই গীতটো বিহুসুৰীয়া গীত। বিহুৰ এক অনবদ্য অংগ হ'ল কপৌ ফুল। কপৌ ফুলৰ আধাৰতে লিখা আন এটা গীত হ'ল—

"আলফুলীয়া কপৌ ফুল
অ' দেহি ক'ত পালা চিত বিয়াকুল
হাবি ভাঙি দেখিলোঁ
অ' বিৰিখ বগাই ছিঙিলোঁ
সোণ হাঁহি এই পাহি বনৰীয়া ফুল।"

এই গীতটোত কণ্ঠদান কৰিছে দ্বীপেন বৰুৱা আৰু নমিতা ভট্টাচাৰ্য্যই। ইয়াৰ লগে লগে ব'হাগ মাহত ফুলা মদাৰ ফুলক লৈ লিখা এটি গীত হৈছে—

"মদাৰৰে ফুল হেনো পূজাতো নেলাগে
মদাৰৰে ফুল হেনো সবাহতো নেলাগে
লাগে পিছে ব'হাগতে ৰং সানিবলে
লাগে পিছে আকাশতে জুই জ্বলাবলৈ।"...

এই গীতটো ৰচনা কৰি কণ্ঠ নিগৰাইছে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই। এই অমিয়া সুৰৰ গীতটোত আমি মদাৰ ফুলৰ উল্লেখ পাওঁ। মদাৰৰ লগতে ফুলা এবিধ ফুল পলাশ। পলাশক ভিত্তি কৰিয়ে ড° ভূপেন হাজৰিকাদেৱে ৰচনা কৰা আন এটি গীত হৈছে—

"পলাশৰে ৰং কোনেনো সানিলে
এই মিঠা সেউজ বননি
আৰু তোমাৰ কোমল চাৱনি
জীৱনৰে ৰং
জীৱনৰে ৰং পলাশে সানিলে
কোমল কোমল ঘাঁহনিত
আৰু তোমাৰ বুকুখনিত।"

এই গীতটিত কণ্ঠদান কৰিছে ড° ভূপেন হাজৰিকা আৰু ঊষা মংগেশকাৰে।

এজাৰ ফুলে ব'হাগ শেষ হোৱাৰ আগজাননী দিয়ে। এজাৰ ফুলিলে নাচনীসকলে বৰ দুখ পায়। কাৰণ এজাৰে ব'হাগক বিদায় দিয়ে। ব'হাগৰ প্ৰতিটো পল, প্ৰতিটো ক্ষণত নাচি থাকিব বিচৰা নাচনীসকলে দুখত ভাগি পৰে। সেয়ে নাচনীসকলক উদ্দেশ্যি কেশৱ মহন্তই লিখিছিল—

"এজাৰ ফুলা দেখি বেজাৰ কিয় কৰ
কিয় মনে মাৰি থাক মোৰ দেহি ঐ।"...

এই গীতটিত কণ্ঠদান কৰিছিল আমাৰ সকলোৰে প্ৰিয় শিল্পী খগেন মহন্তই। বিহুৰ পৰা আঁতৰি আহি আমি চাওঁ বা দেখোঁ যে একাধিক আধুনিক গীতত ফুলে যেন গোন্ধ বিয়পাই আছে। ইয়াৰ ভিতৰত গীতিকাৰ তফজ্জুল আলী আৰু কণ্ঠশিল্পী বীৰেন্দ্ৰনাথ দত্তৰ এটি আপুৰুগীয়া গীত হ'ল—

"বহুদিন বকুলৰ গোন্ধ পোৱা নাই
বহুদিন বকুলৰ মালা গঁথা নাই
বকুল তলত বহি বহুদিন বালিঘৰ
সজা হোৱা নাই।"...

কৈ ওৰকে নপৰা অসমীয়া সংগীতৰ এই যাত্ৰাত নৱপ্ৰজন্মৰ বহুতো গায়কৰ বহুত গীতত আমি ফুলৰ সেই মাদকতা অনুভৱ কৰোঁ। যুৱপ্ৰজন্মৰ এগৰাকী সুকণ্ঠী গায়িকা প্ৰয়াত গায়ত্ৰী হাজৰিকাৰ কণ্ঠত তেখেতৰ অতিকৈ জনপ্ৰিয় গীত—

"সৰাপাতে পাতে ফাগুন নামে
পলাশৰে ৰং ৰাঙলী।"...

গীতটোক ফাগুনৰ পলাশৰ ৰঙে যেন ৰঙীন কৰি ৰাখিছে। শেষত সকলোৰে হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ কণ্ঠত শুনিবলৈ পোৱা গীতসমূহৰ কথা ক'বই লাগিব। তেখেতৰ বহু গীতত ফুলৰ সুবাস পাওঁ। জুবিন গাৰ্গৰ কণ্ঠৰ এটা জনপ্ৰিয় গীত হ'ল—

"ফুল ফুলক ৰ'দৰে ফুল
হৃদয় সেউজী ধৰা
ফুল ফুলক সূৰ্য্যমুখী ফুল প্ৰিয়তমা
তোমাৰ খোপাত...।"

এই গীতটোৰ কথা আছিল দ্বিজেন্দ্ৰ মোহন শৰ্মাৰ আৰু পুৰণি গীতটোত কণ্ঠ নিগৰাইছিল বৈকুণ্ঠ নাথ গগৈদেৱে। পাছলৈ সেই গীতটিয়ে আমি জুবিন গাৰ্গৰ কণ্ঠত শুনিবলৈ পাওঁ।

অসমীয়া সংগীতৰ লগত যেন ফুল ওতপ্ৰোতভাৱে জড়িত। বিভিন্ন ঋতুত ফুলা ফুলবোৰেৰে গীতিকাৰসকলৰ যেন ভঁৰাল চহকী। আমিও সেই ফুলৰ সৌন্দৰ্য্য উপলব্ধি কৰিব পাৰোঁ এই চিৰযুগমীয়া গীতবোৰেৰে। 'গীতত ফুলৰ কথা' প্ৰকৃততে মোৰ ক্ষুদ্ৰ প্ৰয়াসহে। সংগীতৰ এই বিশাল জগতৰ পৰা বিচাৰি উলিওৱা কেইটামান গীতহে মই ইয়াত সন্নিৱিষ্ট কৰিছোঁ। সংগীতৰ এই জগতখনত আমি আগলৈও বহুত তেনেকুৱা গীত শুনিবলৈ পাম বুলি আশাবাদী। ❖

# দেওপানী দুৰ্গা মন্দিৰ

**জ্যোতিষ্মান ডেকা**
নৱম শ্ৰেণী

অসমৰ বিখ্যাত আৰু ঐতিহাসিক মন্দিৰবোৰৰ ভিতৰত এটা অন্যতম মন্দিৰ হৈছে দেওপানী দুৰ্গা মন্দিৰ। প্ৰতিদিনে বহুতো ভক্ত এই প্ৰসিদ্ধ মন্দিৰলৈ অসমৰ বিভিন্ন ঠাইৰ পৰা অহা দেখা যায়।

কাৰ্বি আংলং জিলাৰ বোকাজানৰ পৰা বিছ কিল'মিটাৰ দূৰৈত নুমলীগড়-ডিমাপুৰ পথৰ কাষতে এই প্ৰখ্যাত মন্দিৰটো অৱস্থিত। আজিৰ পৰা বহু বছৰ আগতে অৰ্থাৎ ১৯০০ খৃষ্টাব্দমানতে নুমলীগড়-ডিমাপুৰ পথৰ কাষৰ ঠাইখিনিত এটি ভগা মন্দিৰৰ চিন পোৱা গৈছিল। ১৯০৫ খৃষ্টাব্দত বৃটিছৰ শাসনকালত ডা° টিভি ব্লখে এই ঠাইডোখৰত পাঁচ ফুট দহ ইঞ্চি জোখৰ চতুৰ্ভুজ দুৰ্গাৰ ভগ্ন মস্তিষ্কৰ মূৰ্তি আৰু আঢ়ৈ ফুট উচ্চতাৰ দ্বিভুজ বিষ্ণুমূৰ্তি আৱিষ্কাৰ কৰিছিল। ডা° ব্লখে মূৰ্তিকেইটা দ্বাদশ শতিকামানৰ বুলি ঠাৰৰ কৰিছিল। পাছে তাৰ বিছ বছৰমান পাছত প্ৰত্নতত্ত্ববিদ দীক্ষতে বিষ্ণুমূৰ্তিটোৰ গাত কাটি থোৱা আখৰৰ পাঠ উদ্ধাৰ কৰি মূৰ্তিকেইটা নৱম শতিকাৰ বুলি কৈছিল। এই বিষ্ণু মূৰ্তিটো বৰ্তমান অসম ৰাজ্যিক সংগ্ৰহালয়ত সংগ্ৰহ কৰি থোৱা হৈছে। ইফালে ওচৰ-চুবুৰীয়াই দুৰ্গামূৰ্তি পোৱা ভেটিটোত খনন কৰি ভগ্ন মস্তক অংশ উদ্ধাৰ কৰে আৰু সেই অংশ মূৰ্তিটোৰ গাত জোৰা দি তাৰ ওপৰত চালি কৰি এটা মন্দিৰ নিৰ্মাণ কৰিছিল। এই মন্দিৰটোৱেই হৈছে বৰ্তমানৰ দেওপানী দুৰ্গা মন্দিৰ। বৰ্তমান সময়ত দেওপানী দুৰ্গা মন্দিৰৰ মূল আকৰ্ষণ হৈছে মন্দিৰটোৰ কাষত থকা বৰগছজোপা। এই বৰগছজোপাত ভক্তপ্ৰাণ ৰাইজে অসংখ্য ৰঙা ফিটা বন্ধা দেখা যায়। এনে কৰিলে সেৱকীৰ মনৰ কোনো ইচ্ছা, আশা পূৰণ হয় বুলি প্ৰচলিত জনবিশ্বাস আছে। এই মন্দিৰত প্ৰতি বছৰে দুৰ্গা পূজা আৰু বাসন্তী পূজা পতা হয়। ❖

# যান-বাহনৰ নম্বৰফলক আৰু ভাৰতীয় ব্যৱস্থা

**শিপা ভৰদ্বাজ**
সপ্তম শ্ৰেণী

যন্ত্ৰচালিত যান-বাহনৰ আগে-পিছে লগোৱা নম্বৰফলক আমি সকলোৱে দেখিছোঁ। আচলতে ফলকখনত থকা বৰ্ণ আৰু সংখ্যাকেইটা বাহন এখনৰ পঞ্জীয়ন নম্বৰ। আৰক্ষীৰ যান-বাহন নিয়ন্ত্ৰণ শাখা অথবা অপৰাধ নিয়ন্ত্ৰণ শাখাৰ বিভিন্ন সুবিধাৰ্থেহে এনে ফলক লগোৱাৰ নিয়ম কৰা হৈছে বুলি আমি ভাবোঁ। কিন্তু এই ফলকখনৰ জৰিয়তে আমি নিৰ্দিষ্ট বাহন আৰু বাহনৰ গৰাকীৰ বিষয়েও সবিশেষ তথ্য পাব পাৰোঁ।

বাহন পঞ্জীয়ন ফলকক সচৰাচৰ নম্বৰ প্লেট বুলি কোৱা হয়। ভাৰতত এনে ফলকে বিশেষকৈ বাহনখন কোন ৰাজ্য বা দেশৰ কোন ভূখণ্ডৰ সেয়া নিৰ্দেশ কৰে। তদুপৰি কোন আঞ্চলিক পৰিবহণ কাৰ্য্যালয়ত (Regional Transport Office) বাহনখন পঞ্জীয়ন কৰা হয়, সেয়া ফলকখনত নিৰ্দিষ্ট হৈ থাকে। ফলকখনৰ প্ৰথম দুটা বৰ্ণই ৰাজ্য বা নিৰ্দিষ্ট ভূখণ্ডক নিৰ্দেশ কৰে আৰু তাৰ পাছৰ দুটা সংখ্যাই পৰিবহণ কাৰ্য্যালয়টো নিৰ্দেশ কৰে। উদাহৰণস্বৰূপে, প্ৰথমতে AS লিখা থাকিলে বুজিব লাগিব যে বাহনখন অসমৰ আৰু তাৰ পাছত 01 লিখা থাকিলে গুৱাহাটীৰ আঞ্চলিক পৰিবহণ কাৰ্য্যালয়ত পঞ্জীয়ন বুলি বুজিব লাগিব। তেনেদৰে KA লিখাৰ মানে হ'ল কৰ্ণাটক, DL লিখাৰ মানে হ'ল দিল্লী।




Motor Vehicle Act, 1939 হোৱাৰ আগলৈকে আমাৰ দেশত সাধাৰণভাৱে ৫টাৰ পৰা ৭টা ডিজিট থকা নম্বৰ দিয়া হৈছিল। উদাহৰণস্বৰূপে, K1234, FP1234 ইত্যাদি। ১৯৪০ চনৰ পৰা দেশ স্বাধীন হোৱালৈ তিনিটা আখৰৰ ক'ড ব্যৱহাৰ হৈছিল। প্ৰথম আখৰটোৱে প্ৰদেশখনৰ নাম সূচাইছিল। যেনে—B মানে বম্বে। তদুপৰি CPZ-এ বুজাইছিল চৰকাৰী বাহনক। CPP-এ বুজাইছিল আৰক্ষীৰ বাহনক।

আকৌ কল'নিসমূহৰ বাবে বিশেষ পঞ্জীয়ন প্ৰথা আছিল, যেনে—ফৰাচী কল'নি, পৰ্তুগীজ কল'নি আদি। এয়া ভাৰত স্বাধীন হোৱাৰ আগৰ কথা। এনেদৰে বহু বিধি-বিধান সংশোধন হৈ হৈ ব্যৱস্থাটো নিৰ্দিষ্ট এটা গতলৈ আহিছিল। আকৌ নম্বৰফলকৰ ৰঙেও বিশেষ কথা সূচায়। বগা ফলকে ব্যক্তিগত বাহন, হালধীয়া ফলকে ব্যাৱসায়িকভাৱে ব্যৱহৃত বাহন, সেউজীয়া ফলকে বিদ্যুৎচালিত বাহন, ৰঙা ফলকে স্থায়ী পঞ্জীয়ন নম্বৰৰ বাবে আবেদনকৃত নতুন বাহন, নীলা ফলকে বিশেষ মন্ত্ৰালয়ৰ দ্বাৰা ব্যৱহৃত বাহন আদি সূচায়। তদুপৰি ভাৰতৰ প্ৰতীকযুক্ত ৰঙা ফলক ব্যৱহৃত হয় ৰাষ্ট্ৰপতি, ৰাজ্যপাল, উপ-ৰাষ্ট্ৰপতি আদিৰ দৰে উচ্চপদস্থ লোকৰ বাহনত। তদুপৰি মিলিটেৰীৰ বাহনত ওপৰমুৱা কাঁড় এডাল থাকে। মটৰ পঞ্জীয়ন আইন ১৯৮৮ৰ অধীনত পৰবৰ্তী পৰ্য্যায়ত ৰাজ্যিক চৰকাৰৰ অধীনত আঞ্চলিক পৰিবহণ কাৰ্য্যালয়, জিলা পৰিবহণ প্ৰশাসন গঠন হয়। এই কাৰ্য্যালয় ব্যৱস্থাই পঞ্জীয়ন ব্যৱস্থাটো নিখুঁতভাৱে বিধিভুক্ত কৰি তুলিলে। পঞ্জীয়ন কাৰ্য্যালয়সমূহে ড্ৰাইভিং লাইচেঞ্চ দিয়া, কৰ সংগ্ৰহৰ গৰাকীৰ নাম সলনি কৰা আদি অনেক কাৰ্য্য পৰিচালনা কৰে।

ভাৰতৰ ৰাজ্যসমূহ বা কেন্দ্ৰীয়শাসিত অঞ্চল অনুযায়ী 'কোড'সমূহ পৃথক। এই কোডসমূহ নম্বৰফলকৰ প্ৰথম দুটা স্থানতে থাকে। এইখিনিতে ভাৰতৰ বিভিন্ন অঞ্চলৰ পঞ্জীয়ন তালিকা দিয়া হ'ল—

(১) আন্দামান নিকোবৰ—AN, (২) অন্ধ্ৰপ্ৰদেশ—AP, (৩) অৰুণাচল প্ৰদেশ—AP, (৪) অসম—AS, (৫) বিহাৰ—BR, (৬) ছত্তীশগড়—CG, (৭) গোৱা—GA, (৮) গুজৰাট—GJ, (৯) হাৰিয়ানা—HR, (১০) হিমাচল প্ৰদেশ—HP, (১১) ঝাৰখণ্ড—JH, (১২) কৰ্ণাটক—KA, (১৩) কেৰালা—KL, (১৪) মধ্যপ্ৰদেশ—MP, (১৫) মহাৰাষ্ট্ৰ—MH, (১৬) মণিপুৰ—MN, (১৭) মেঘালয়—ML, (১৮) মিজোৰাম—MZ, (১৯) নাগালেণ্ড—NL, (২০) উৰিষ্যা—OD, (২১) পাঞ্জাব—PB, (২২) ৰাজস্থান—RJ, (২৩) ছিকিম—SK, (২৪) তামিলনাড়ু—TN, (২৫) তেলেংগানা—TS (২৬) ত্ৰিপুৰা—TR, (২৭) উত্তৰ প্ৰদেশ—UP, (২৮) উত্তৰাখণ্ড—UK, (২৯) পশ্চিমবংগ—WB, (৩০) চণ্ডীগড়—CH, (৩১) দমনডিউ—DN, (৩২) লাক্ষাদ্বীপ—LD, (৩৩) দিল্লী—DL, (৩৪) পুডুচেৰী—PY, (৩৫) জম্মু-কাশ্মীৰ—JK, (৩৬) লাডাখ—LA। ❖

*(তথ্যসমূহ ইণ্টাৰনেটৰ পৰা আহৰিত)*

# KFC ৰ উৎপত্তি

**মাধুৰ্য্য ডেকা**
ষষ্ঠ শ্ৰেণী

এনেকুৱা এগৰাকী ব্যক্তি যিগৰাকী ব্যক্তিৰ 'Fried Chicken' ৰেচিপিটোক মানুহে ১০০৯ বাৰ প্ৰত্যাখ্যান কৰিছিল। তথাপি তেওঁ এবাৰো হাৰ মনা নাছিল। সেইবাবে আজি দেশত তেওঁৰ ৰেচিপিটোৰ ১,৪৫,০০০তকৈও বেছি দোকান আছে। সেই ব্যক্তিগৰাকীৰ নাম হৈছে ক'লনেল হাৰলেণ্ড ছেন্দাৰছ (Colonel Harland Sanders)।

আমেৰিকাৰ এটি দুখীয়া পৰিয়ালত ১৮৯০ চনৰ ন ছেপ্টেম্বৰত ছেন্দাৰছৰ জন্ম হৈছিল। তিনিজন ভাই-ভনীৰ মাজত ছেন্দাৰছ আটাইতকৈ ডাঙৰ আছিল। পাঁচ বছৰ বয়সতে দেউতাক ঢুকোৱাৰ বাবে ছেন্দাৰছৰ মাকে কাৰখানাত কাম কৰিব লগা হৈছিল। অভাৱ-অনাটনৰ বাবে ছেন্দাৰছে সম্পৰ্কীয় খুৰীয়েকৰ ঘৰত থাকি দিন হাজিৰা কৰিছিল। তেওঁ বিভিন্ন পৰিস্থিতিত বিভিন্ন কাম কৰিছিল। কিন্তু কোনো কামতে সফলতা পোৱা নাছিল যদিও ছেন্দাৰছে হাৰ মনা নাছিল। জীৱনত সফলতা পোৱাৰ আশাৰে ছেন্দাৰছে নাও সজা কোম্পানী এটা আৰম্ভ কৰিলে। এই কোম্পানীটোৰ জৰিয়তে তেওঁ তৎক্ষণাৎ সফলতা আৰু ধন উপাৰ্জন কৰিলে। সেই ধনেৰে তেওঁ কেমিকেল লেম্প প্ৰস্তুত কৰাৰ কথা ভাবে যদিও সেই সময়ত এটি বৃহৎ কোম্পানীয়ে এটি লেম্প তৈয়াৰ কৰে, যাৰ বাবে ছেন্দাৰছৰ লেম্প প্ৰস্তুতৰ কাম আধৰুৱা হৈ পৰে। সকলো কামত বিফলতা পোৱাৰ পাছতো ছেন্দাৰছে হাৰ নামানি আগুৱাই গৈ থাকিল। ছেন্দাৰছৰ বিফলতাই শিকায় যে 'Failures will give you the best lesson in your life.'





ছেন্দাৰছে এটা পেট্ৰ'ল পাম্পত কাম কৰিছিল যদিও দুৰ্ভাগ্যক্ৰমে পেট্ৰ'ল পাম্পটোও বন্ধ হৈ পৰে। ছল্লিছ বছৰ বয়সলৈ ছেন্দাৰছে কোনো ধৰণৰ সফলতা নোপোৱাত তেওঁ ভাবিবলৈ ধৰিলে যে কি কাম কৰিলে জীৱনত সফলতা পোৱা যাব? তেতিয়া তেওঁ ভাবিলে যে মই ল'ৰালিতে কৰা ৰন্ধা-বঢ়াৰ কামটো কৰাই ভাল হ'ব। সেয়ে তেওঁ কৰ্মৰত হৈ থকা সেৱাকেন্দ্ৰৰ কাষত এখন সৰু Fried Chickenৰ দোকান খুলিলে আৰু তেওঁ দোকানলৈ অহা সকলোবোৰ মানুহকে প্ৰথমে বিনামূলীয়া Fried Chicken খুৱালে। এনেদৰে দোকানত মানুহবোৰ ভিৰ হোৱাত তেওঁ ৰাস্তাৰ কাষতে এখন সৰু ৰেষ্টুৰেণ্ট খুলিলে। এবাৰ কেণ্টাকিৰ গৱৰ্নৰ তেওঁৰ ৰেষ্টুৰেণ্টত খাবলৈ সোমাল। তেওঁ ছেন্দাৰছৰ Fried Chieken খাই বৰ সোৱাদ পালে আৰু তেওঁক 'কেণ্টাকিৰ কৰ্ণেল' উপাধিৰে বিভূষিত কৰিলে।

ছেন্দাৰছে তিনিখনকৈ ৰেষ্টুৰেণ্ট খুলিছিল যদিও কৰ্মচাৰীৰ কাজিয়া, জুই লগা আৰু দ্বিতীয় বিশ্বযুদ্ধৰ বাবে তেওঁৰ তিনিওখন ৰেষ্টুৰেণ্ট বন্ধ হৈ পৰিল। এই সকলো কৰি ছেন্দাৰছে উপলব্ধি কৰিলে যে ৰেষ্টুৰেণ্ট খোলাতকৈ গোটেই দেশতে মোৰ ৰেচিপিটো বিলাই দিয়াই ভাল হ'ব। সেয়ে তেওঁ বিভিন্ন ৰেষ্টুৰেণ্টলৈ গৈ ৰেচিপিটো বেচিবলৈ চেষ্টা কৰিলে কিন্তু এখনো ৰেষ্টুৰেণ্টে তেওঁৰ ৰেচিপিটো কিনিবলৈ মান্তি নহ'ল। এনেকৈ তেওঁৰ ৰেচিপিটোক ১০০৯খন ৰেষ্টুৰেণ্টে কিনিবলৈ প্ৰত্যাখ্যান কৰিছিল। কিন্তু ছেন্দাৰছ বৰ আঁকোৰগোঁজ আছিল। তেওঁ জানিছিল যে তেওঁৰ এই Chickenৰ ৰেচিপিটোৱে তেওঁক সফলতা দিব। অৱশেষত এখন ডাঙৰ হোটেলে তেওঁৰ ৰেচিপিটোক সমৰ্থন জনায়। সকলো লোকে ৰেচিপিটো ভাল পোৱাত সৰু-সুৰা ৰেষ্টুৰেণ্টবোৰেও ৰেচিপিটো কিনিবলৈ আগ্ৰহী হ'ল। 'ক'লনেল হাৰলেণ্ড ছেন্দাৰছে' অৱশেষত সফলতা লাভ কৰিলে। ১৯৮০ চনত তেওঁৰ মৃত্যু হয়। ❖

# ভাৰতীয় দবা গ্ৰেণ্ড মাষ্টাৰ গুকেশ ডি

**ৰাজনীল কাশ্যপ**
পঞ্চম শ্ৰেণী



ডি গুকেশ যাক গুকেশ ডি (Gukesh Dommaraju) বুলিও জনা যায়, এজন ভাৰতীয় দবা খেলুৱৈ। বিশ্বনাথন আনন্দৰ পাছত গুকেশ ডিৰ বাবেই ভাৰতে পুনৰবাৰ দবাত বিজয় ধ্বজা উৰুৱায়। ২০০৬ চনৰ ঊনত্ৰিছ মে' তাৰিখে তামিলনাডুৰ চেন্নাইৰ এটা হিন্দু তেলেগু পৰিয়ালত গুকেশৰ জন্ম হৈছিল। তেওঁৰ পিতৃ-মাতৃ অন্ধ্ৰপ্ৰদেশৰ গোদাবৰী ব-দ্বীপ অঞ্চলৰ বাসিন্দা। তেওঁৰ পিতৃ ডা° ৰজনীকান্ত এজন কাণ, নাক আৰু ডিঙিৰ বিশেষজ্ঞ তথা মাতৃ ডা° পদ্ম এগৰাকী অণুজীৱ বিজ্ঞানী। সাত বছৰ বয়সত তেওঁ দবা খেলিবলৈ শিকিছিল আৰু পাছত চতুৰ্থ শ্ৰেণীৰ পাছত বিদ্যালয় এৰি দবা কেৰিয়াৰত মনোনিবেশ কৰে। অতি কম সময়ৰ ভিতৰতে তেওঁ ইয়াৰ প্ৰতিভা দেখুৱাইছিল।

মাত্ৰ পোন্ধৰ বছৰ বয়সতে তেওঁ গ্ৰেণ্ড মাষ্টাৰ (Grand master) হৈছিল। ইয়াৰ লগতে তেওঁ কেইবাটাও আন্তৰ্জাতিক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বহুতো পুৰস্কাৰ লাভ কৰিছিল। গুকেশ ডিয়ে ২০১৫ চনত এছিয়ান স্কুল দবা চেম্পিয়নশ্বিপৰ ন বছৰ অনূৰ্ধ্বৰ শাখাত জয়লাভ কৰে আৰু ২০১৮ চনত বাৰ বছৰ অনূৰ্ধ্বৰ শাখাত বিশ্ব যুৱ দবা চেম্পিয়নশ্বিপত জয়ী হয়। ২০১৯ চনৰ পোন্ধৰ জানুৱাৰীত বাৰ বছৰ সাত মাহ সোতৰ দিন বয়সতে গুকেশ ইতিহাসৰ সেই সময়ৰ দ্বিতীয় কনিষ্ঠতম গ্ৰেণ্ড মাষ্টাৰ হিচাপে পৰিগণিত হয়। তেওঁ মাত্ৰ সোতৰ দিন ব্যৱধানৰ বাবে সেই সময়ৰ কনিষ্ঠতম গ্ৰেণ্ড মাষ্টাৰ চেৰ্গেই কাৰ্জাকিনৰ অভিলেখ ভংগ কৰিব নোৱাৰিলে। তাৰ পাছত অভিমন্যু মিশ্ৰই এই অভিলেখ ভংগ কৰাৰ বাবে গুকেশ তৃতীয় কনিষ্ঠতম গ্ৰেণ্ড মাষ্টাৰ হিচাপে পৰিগণিত হয়। ২০২৪ চনৰ নৱেম্বৰ-ডিচেম্বৰ মাহত ভাৰতৰ গুকেশ আৰু চীনৰ ডিং লিৰেনৰ মাজত ছিংগাপুৰত বিশ্ব দবা চেম্পিয়নশ্বিপ অনুষ্ঠিত হয়। ওঠৰ বছৰ ১৯৫ দিন বয়সতে গুকেশে চীনৰ ডিং লিৰেনক পৰাস্ত কৰি ১৮ সংখ্যক আৰু কনিষ্ঠতম বিশ্ব চেম্পিয়ন হিচাপে খিতাপ দখল কৰে।

দবা খেলৰ ক্ষেত্ৰখনলৈ তেওঁৰ এই অনবদ্য অবদানৰ বাবে ভাৰত চৰকাৰে তেওঁক ২০২৪ বৰ্ষৰ দেশৰ সৰ্বোচ্চ ক্ৰীড়া সন্মান মেজৰ ধ্যানচান্দ খেলৰত্ন বঁটা প্ৰদান কৰে। এই বঁটা লাভ কৰা গুকেশ হৈছে কনিষ্ঠতম ব্যক্তি। গুকেশৰ এই সফলতাৰ আঁৰত আছে তেওঁৰ প্ৰতিভা, নিষ্ঠা, পৰিয়াল আৰু প্ৰশিক্ষকৰ অনুপ্ৰেৰণা তথা সহযোগিতা। ❖

# মোবাইল ফোনৰ প্ৰভাৱ

**তনভী ভৰালী**
চতুৰ্থ শ্ৰেণী

আমি সকলোৱে মোবাইল ফোনৰ উপকাৰ আৰু অপকাৰৰ বিষয়ে জানো। মোবাইল ফোন বেছি ব্যৱহাৰ কৰাৰ ফলত আমাৰ বহু মূল্যবান সময় অপচয় হোৱাৰ লগতে দৃষ্টিশক্তি, শ্ৰৱণশক্তি, স্মৃতিশক্তি হ্ৰাস পায়। আমাৰ দৰে উঠি অহা ল'ৰা-ছোৱালীয়ে হওক বা ডাঙৰ মানুহে হওক মোবাইল ফোনটো যদি বেছিকৈ ব্যৱহাৰ কৰি থাকোঁ, সেয়া নিচালৈ পৰিবৰ্তন হয়। বিশেষকৈ ৰীল্‌ছ চোৱা, গেম খেলা আদি।

ময়ো তাৰ ব্যতিক্ৰম নহয় যদিও মই ঘৰত মা-দেউতাৰ মোবাইল নোসোধাকৈ নোচোওঁ, কিন্তু ক'ৰবালৈ গ'লে মাৰ ফোনটো বৰকৈ চাওঁ। মায়ে যদি কাৰোবাৰ লগত কথা পাতি থাকে তেতিয়াতো ক'বই নালাগে। এদিন ওচৰৰ জেঠাই এগৰাকীৰ ঘৰলৈ গৈছিলোঁ। মায়ে জেঠাইৰ লগত কথা পতাত ব্যস্ত। সেই ছেগতে মই কিমান সময় মোবাইল চালোঁ গমকে নাপালোঁ। মায়ে যদিও কথা পতাত ব্যস্ত আছিল, মাজে মাজে কিন্তু মোকো চাই আছিল। কিন্তু মই মন কৰা নাছিলোঁ। মায়ে মোক এনেকুৱাকে এচাট লগাইছিল, যে সেয়া আজিও পাহৰিব পৰা নাই। সেইদিন ধৰি দৰকাৰ নহ'লে ফোন মই ব্যৱহাৰ নকৰোঁ, যেতিয়া দৰকাৰ হয় তেতিয়াহে ব্যৱহাৰ কৰোঁ। কিন্তু মোবাইল ফোনৰ ভাল শিক্ষা কিছুমান আছে, যেনে—মোবাইল ফোনৰ ইণ্টাৰনেটৰ পৰা ভাল ভাল নজনা কথা শিকিব পাৰোঁ, মোবাইল ফোনেৰে আমি দূৰত থকা মানুহৰ লগত কথা পাতিব পাৰোঁ। মোবাইল ফোন ব্যৱহাৰ কৰি দেশ-বিদেশৰ কথা, তাৰ মানুহৰ ভাষা, আচৰণ, খাদ্য, পোছাক, নীতি-নিয়ম এইবোৰৰ বিষয়ে জানিব পাৰোঁ। আমি মোবাইল ফোন, ইণ্টাৰনেটৰ দ্বাৰা ৰাজনৈতিক মানচিত্ৰ, প্ৰাকৃতিক মানচিত্ৰ আৰু বিষয়ভিত্তিক মানচিত্ৰৰ কথাও জানিব পাৰোঁ। মোবাইল ফোনৰ এনেকুৱা বহুতো ভাল দিশ আছে যাৰ দ্বাৰা আমি বহু ক্ষেত্ৰত উপকৃত হওঁ। ❖

# ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ সাধুকথা

**অভিৰূপ আকাশ শাণ্ডিল্য**
অষ্টম শ্ৰেণী

"হুৰ হুৰ বতা চৰাই,
মোৰ ধান নাখাবি,
তোক দিম গোটা কৰাই।"

অসমীয়া ভাষাত সাধুকথা বুলিলেই ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ৰ কথা আৰু তেওঁৰ সাধুবোৰত থকা ৰসাল গীতবোৰৰ কথাই মনলৈ আহে। প্ৰায় এটা শতিকা ধৰি অসমীয়া শিশুৰ সাধু শুনাৰ আৰম্ভণি চাগৈ বেজবৰুৱাৰ সাধুৰেই ঘটিছে। আধুনিক সাহিত্যৰ প্ৰায় সকলো দিশতেই ৰসৰাজ বেজবৰুৱাই হাত দিছিল আৰু সফলতাও লাভ কৰিছিল। কি নাছিল তেওঁ? কবি, গল্পকাৰ, ঔপন্যাসিক, প্ৰবন্ধকাৰ, সমালোচক, হাস্য-ব্যংগ লেখক, সাংবাদিক আনকি গীতিকাৰো ! ইমানবোৰ গুণৰ অধিকাৰী হোৱাৰ পাছতো আমাৰ দৰে শিশু-কিশোৰৰ বাবে তেওঁৰ প্ৰথম পৰিচয় এজন সাধু কথক বা সাধু লেখক হিচাপেহে।

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আছিল প্ৰথম অসমীয়া সাধু সংগ্ৰাহক। তদুপৰি তেৱেঁই আছিল অসমীয়া ভাষাৰ সাধুপুথিৰ প্ৰবৰ্তকো। মানুহৰ মুখে মুখে

প্ৰচলিত সাধুবোৰ একত্ৰিত কৰি তেওঁ সেইবোৰ নিজস্ব শৈলীৰে নতুন ৰূপত প্ৰকাশ কৰি উলিয়াইছিল। তেওঁ সংগ্ৰহ কৰি সম্পাদনা কৰা আৰু প্ৰকাশ কৰি উলিওৱা সাধুপুথিৰ মুঠ সংকলন তিনিটা—ক) বুঢ়ী আইৰ সাধু (১৯১১), খ) ককাদেউতা আৰু নাতিল'ৰা (১৯১৩) আৰু গ) জুনুকা (১৯১৩)।

এই তিনিওটা সংকলনত মুঠ এসত্তৰটা সাধু আছে। 'বুঢ়ী আইৰ সাধু'ত একত্ৰিছটা, 'ককাদেউতা আৰু নাতিল'ৰা'ত ত্ৰিছটা আৰু 'জুনুকা'ত মুঠ দহটা সাধু আছে। কিন্তু, এই সংকলনসমূহৰ সাধুসমূহ তেওঁ নিজে সংগ্ৰহ কৰা নাছিল। তেওঁৰ বন্ধু ৰোযেশ্বৰ বৰুৱা, মহীচন্দ্ৰ বৰা, যদুনাথ শৰ্মা, ৰুদ্ৰকান্ত গোস্বামী, ৰাধাকান্ত মহন্ত, হলধৰ ভূঞা, লোকনাথ দাস, হৰিনাৰায়ণ বৰুৱা, মেঘনাথ ডেকা, কৃষ্ণানন্দ শৰ্মা আদি ব্যক্তিয়ে তেওঁক সাধুসমূহ সংগ্ৰহ কৰাত সহায় কৰি দিছিল।

লক্ষ্মীনাথ বেজবৰুৱাই 'বুঢ়ী আইৰ সাধু' আৰু 'জুনুকা'ৰ পাতনিত নিজেই উল্লেখ কৰি থৈ গৈছে যে একো একোটা সাধু তেওঁ নানাজনৰ পৰা নানা ৰূপত পাইছিল। সেই সাধুসমূহ তেখেতে একত্ৰিত কৰি নিজৰ ধৰণে লিখি উলিয়াইছিল। পৰম্পৰাগতভাৱে মুখে মুখে চলি অহা সাধুবোৰ ঘঁহি-পিহি মান্যৰূপত লিখি উলিয়াওঁতে বেজবৰুৱা নিজেই সাধুবোৰৰ কথক হৈ পৰিছিল।

বেজবৰুৱাই সংগ্ৰহ কৰা সাধুবোৰ তেওঁৰ মৌলিক নহয় যদিও সাধুসমূহ বেজবৰুৱাৰ সাধু হিচাপেই জনপ্ৰিয়। কিয়নো মানুহৰ মুখৰ পৰা বুটলি আনি বেজবৰুৱাই সাধুবোৰক নতুন জীৱন দিছিল, নতুন সাজ পিন্ধাইছিল। তেওঁ সাধুবোৰৰ মাজেৰেই অতীতৰ সময় আৰু সমাজক ধৰি ৰাখিবলৈ চেষ্টা কৰিছিল।

মানুহৰ দৈনন্দিন জীৱনৰ প্ৰায় সকলো দিশৰে ছবি বেজবৰুৱাৰ সাধুৰ এক বৈশিষ্ট্য। যেনে—প্ৰেম-ভালপোৱা, হিংসা-ঈৰ্ষা, প্ৰতিশোধ, সুখ-দুখ, নিষ্ঠুৰতা, হাঁহি-স্ফূৰ্তি, হিংস্ৰতা আদি সকলো। দ্বিতীয়তে ক'ব লাগিব, সাধুসমূহ ক'বলৈ তেওঁ ব্যৱহাৰ কৰা ভাষাত প্ৰকাশ পোৱা মধুৰতাৰ কথা। তদুপৰি, তেওঁৰ বিভিন্ন সাধুসমূহ, যেনে—কুকুৰীকণা, দীঘলঠেঙীয়া, চম্পাৱতী, তেজীমলা আদি সাধুত প্ৰকাশ পোৱা ৰস উল্লেখনীয়।

বেজবৰুৱাৰ প্ৰত্যেকটো সাধুতে থকা শিক্ষণীয় কথাই তেওঁৰ সাধুসমূহক অনন্য কৰি তুলিছে। ইয়াৰ উপৰি, তেওঁৰ সাধুসমূহ সৃষ্টিশীলতাৰে ভৰপূৰ। তেওঁৰ সাধুসমূহ বিভিন্ন গৱেষণাৰ সমলো। তেওঁৰ সাধুসমূহক লৈ বিভিন্ন গল্প, কবিতা, প্ৰবন্ধ, চলচ্চিত্ৰ, ধাৰাবাহিক আদি নিৰ্মাণ কৰি উলিওৱা হৈছে। তেওঁৰ কেইটামান সাধুক কেন্দ্ৰ কৰি 'কথানদী' নামৰ এখন চলচ্চিত্ৰ নিৰ্মাণ কৰা হৈছে।

ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ সাধুসমূহ শিশু-কিশোৰৰ বাবে উপযোগী নে অনুপযোগী, সেই বিষয়ে প্ৰায়ে প্ৰশ্ন উত্থাপিত হয়। এই সাধুসমূহ শিশু-কিশোৰৰ বাবে ৰসাল যদিও বয়স্কসকলৰ বাবে চিন্তাৰ কাৰণো। সাধুসমূহত থকা হিংস্ৰতা, নিষ্ঠুৰতা আদিৰ বাবে সাধুসমূহ নৱপ্ৰজন্মৰ বাবে কিমান উপযোগী হ'ব বুলি প্ৰশ্ন উঠে যদিও সাধুসমূহ আজিও প্ৰচলিত হৈ আছে। এই সাধুসমূহে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি ৰাখিছে। কাৰণ, বেজবৰুৱাই তেওঁৰ সমসাময়িক অসমৰ মানুহে ব্যৱহাৰ কৰা কথনভংগী, শব্দ, ধ্যান-ধাৰণা, বিশ্বাস, অন্ধবিশ্বাস, পৰম্পৰা আদিৰ জৰিয়তে তেওঁ সাধুসমূহ লিখি উলিয়াইছিল। অৰ্থাৎ, সাধুসমূহ পঢ়ি আমি পুৰণি অসমৰ সমাজখনৰ বিষয়ে জানিব পাৰোঁ।

আজিৰ পৰা প্ৰায় এশ বছৰ পূৰ্বে বেজবৰুৱাই তেওঁৰ তিনিখন সাধুৰ সংকলন প্ৰকাশ কৰি উলিয়াইছিল। আজিও ইয়াৰ প্ৰচলন হৈয়ে আছে। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু' পুথিখন কিছু সৰল ভাষাৰে পুনঃলিখন কৰি ২০১১ চনত প্ৰকাশ কৰি উলিয়ায় বিশিষ্ট সাংবাদিক, লেখক ড° সমুদ্ৰগুপ্ত কাশ্যপে। তেওঁৰ মতে, শতিকাপূৰ্বৰ শব্দৰ ব্যৱহাৰ, মানুহৰ ধ্যান-ধাৰণাৰ লগত আজিৰ যুগৰ যিহেতু বৃহৎ পাৰ্থক্য আছে, সেয়ে সাধুসমূহ আজিৰ প্ৰজন্মৰ উপযোগীকৈ পুনঃকথন কৰা উচিত।

